# মোৰ সাংবাদিক জীৱন

হোমেন বৰগোহাঞি

ষ্টুডেণ্টচ্ ষ্টোৰচ্
কলেজ হোষ্টেল ৰোড
গুৱাহাটী·৭৮১০০১·অসম

প্ৰকাশক :
শ্ৰীঅজয় কুমাৰ দত্ত
ষ্টুডেণ্টচ্ ষ্টʼৰচ্
কলেজ হোষ্টেল ৰোড
গুৱাহাটী—৭৮১০০১

পৰিৱেশক :
ভাৰতী বুক ষ্টল
জি. এস. ৰোড
গোলাঘাট—৭৮৫৬২১

প্ৰচ্ছদ ও অলংকৰণ : পূৰ্ণেন্দু পত্ৰী

প্ৰথম প্ৰকাশ :
গুৱাহাটী গ্ৰন্থমেলা, ১৯৮৯

মূল্য : ৩৮·০০ টকা

মুদ্ৰক :
শ্ৰীনিশীথ কুমাৰ ঘোষ
দি সত্যনাৰায়ণ প্ৰিণ্টিং ওৱাৰ্কচ্
২০৯এ, বিধান সৰণী,
কলিকতা—৬

OUWARAM

'নাগৰিক'ৰ প্ৰতিষ্ঠাতা আৰু
স্বত্বাধিকাৰী জীৱকান্ত গগৈ
আৰু
মোৰ দীৰ্ঘদিনৰ বিশ্বস্ত সহকৰ্মী
ৰীৰিজিৎ চৌধুৰী আৰু ভুলভুল বৰুৱা—

'নাগৰিক'ৰ সংগ্ৰাম-মুখৰ দিনবোৰৰ স্মৃতিত
মোৰ সাংবাদিক জীৱনৰ স্মৃতিকথা
এই তিনিওজনৰ হাতত দিলো

প্ৰথম খণ্ড

# মোৰ সাংবাদিক জীৱন



## ॥ এক ॥

মোৰ 'আত্মানুসন্ধান' নামৰ গ্ৰন্থৰ এঠাইত মই লিখিছিলো— 'সাংবাদিকতাৰ প্ৰতি মোৰ তেনে কোনো বিশেষ আকৰ্ষণ নাছিল। কেৱল লিখিয়েই যদি মোৰ পক্ষে জীৱিকা উপাৰ্জন কৰা সম্ভৱ হ'লহেঁতেন, তেন্তে চৰকাৰী চাকৰি এৰি মই এজন প্ৰফেশ্যনেল লেখক হ'লোহেঁতেন। কিন্তু অসমত কেৱল লিখি জীৱিকা উপাৰ্জন কৰিব পৰা অৱস্থা এতিয়াও হোৱা নাই। আনহাতে ঠিকাদাৰী বা ব্যৱসায়-বাণিজ্য কৰি খাব পৰা যোগ্যতাও মোৰ নাছিল। মোৰ কাৰণে একমাত্ৰ পথ খোলা আছিল সাংবাদিকতা। গতিকে পৰিস্থিতিৰ হেঁচাত পৰি মই এক প্ৰকাৰে বাধ্য হৈয়েই সাংবাদিক হ'লো।'

মোৰ সাংবাদিক জীৱনৰ স্মৃতিকথা লিখিবলৈ বহি ওপৰৰ কথাখিনি মই আকৌ এবাৰ ভাবি চাব লগা হৈছে। এটা কথা ঠিক যে যি সময়ত মই সাংবাদিক হ'লো বা হ'বলৈ বাধ্য হ'লো, সেই সময়ত সাংবাদিকতাৰ প্ৰতি মই বিশেষ একো আকৰ্ষণ অনুভৱ কৰা নাছিলো। জীৱনৰ অভিজ্ঞতাই মানুহক ক্ৰমে ক্ৰমে 'চিনিক্' কৰি তোলে। ময়ো বিচিত্ৰ অভিজ্ঞতাৰ মাজেদি জীৱনৰ পয়ত্ৰিশটা বছৰ পাৰ কৰি নিশ্চয় 'চিনিক্' হ'বলৈ আৰম্ভ কৰিছিলো। কিন্তু কথাবোৰ ভালকৈ মনত পেলাবলৈ চেষ্টা কৰি এতিয়া মই দেখিছো যে যৌৱন ভাটি দিবৰ সময়ত মই সাংবাদিকতাৰ প্ৰতি আকৰ্ষণ হেৰুৱাই পেলালেও বাল্যকালত কিন্তু মোৰ অন্যতম উচ্চাকাংক্ষা বা জীৱনৰ লক্ষ্য আছিল এজন সাংবাদিক হোৱা।

পৰিবেশে মানুহৰ মনৰ ওপৰত ডাঙৰ প্ৰভাৱ পেলায়। বিশেষকৈ কুমলীয়া বয়সত। মই যে ল'ৰাকালতেই সাংবাদিকতাৰ প্ৰতি আকৃষ্ট হৈছিলো তাৰো এটা ঘাই কাৰণ আছিল পৰিবেশৰ প্ৰভাৱ। জ্ঞান হ'বৰ দিন ধৰি মোৰ খেলাৰ পুতলা আছিল দুই আলমাৰী কিতাপ। সেই দুটা আলমাৰীত কিতাপৰ বাহিৰেও সেই সময়ত প্ৰকাশিত প্ৰায় আটাইবোৰ অসমীয়া আৰু বঙলা আলোচনী আছিল। আনকি মহাত্মা গান্ধীৰ 'ইয়ং ইণ্ডিয়াবো' কেবটাও সংখ্যা আছিল। মই খুজাই নুবুজাই সেই আলোচনীবোৰ পঢ়ি থাকোতে বা লিৰিকি-

বিদায়ৰ থাকোতে মাজে মাজে মোৰ মনলৈ ভাব আহিছিল—'ময়ো ডাঙৰ হৈ এনে এখন আলোচনীৰ সম্পাদক হম।'

মই জীৱনত প্ৰথম বাৰৰ কাৰণে যেতিয়া ডাক-যোগে বাতৰি কাকতৰ গ্ৰাহক হ'লো, তেতিয়া মোৰ বয়স মাত্ৰ সাত বছৰ। পঢ়ো চৰকাৰী মজলীয়া স্কুলৰ প্ৰাথমিক খাপৰ দ্বিতীয় শ্ৰেণীত। ঘটনাটো ঘটিছিল এনেকৈ। মোৰ সৰুদেউতা ফনীধৰ বৰগোহাঞি তেতিয়া ডিব্ৰুগড়ত কানি দোকানৰ মহলদাৰ আছিল। (পিছলৈ তেওঁ মৌজাদাৰ হৈছিল)। দ্বিতীয় শ্ৰেণীলৈ প্ৰমোশ্যন পায়েই মই সৰুদেউতালৈ এখন চিঠি লিখিলো। জীৱনত কাৰোবালৈ চিঠি লেখাৰ সেয়েই মোৰ প্ৰথম অভিজ্ঞতা। সৰুদেউতাই মোৰ চিঠিখন পাই ইমান আনন্দ পালে যে উত্তৰত চিঠি এখন লিখি তেওঁ মোক সুধি পঠিয়ালে : তেওঁ মোক এটা পুৰস্কাৰ দিব খোজে ; মই কি পুৰস্কাৰ লম ?

মই মোৰ সাত বছৰীয়া মগজেৰে বহুত পৰ গভীৰভাৱে চিন্তা কৰিও একো এটা পুৰস্কাৰ ভাবি উলিয়াব নোৱাৰিলো। নিৰুপায় হৈ অৱশেষত দেউতাক সুধিলো। দেউতাই মোক ক'লে—"ডিব্ৰুগড়ৰ পৰা 'তৰুণ অসম' নামৰ এখন সাদিনীয়া বাতৰি কাকত ওলায়। সৰুদেউতাৰলৈ তই লিখি দে যে পুৰস্কাৰ হিচাপে তোক এবছৰৰ কাৰণে 'তৰুণ অসম'ৰ গ্ৰাহক কৰি দিলেই হ'ব।"

এনেকৈয়ে মই সাত বছৰ বয়সতে এখন সাদিনীয়া বাতৰি কাকতৰ গ্ৰাহক আৰু পাঠক হ'লো। কাকতখন মই খবচি মাৰি পঢ়িছিলোনে নাই, বা পঢ়িলেও সকলোবোৰ কথা ভালকৈ বুজিছিলো নে নাই, সেইবোৰ কথা মোৰ এতিয়া ভালকৈ মনত নপৰে। কিন্তু এটা কথা মোৰ ভালকৈ মনত পৰে যে কাকতখন ডাক যোগে আমাৰ ঘৰলৈ আহিবৰ পিছৰ পৰাই মোৰ জীৱনত এটা নতুন খেলা আৰম্ভ হ'ল। মোৰ বাল্যকাল নিঃসঙ্গ আছিল কাৰণেই মই নিঃসঙ্গতা-প্ৰিয় হ'লো, নে মই জন্মৰে পৰা নিঃসঙ্গতা-প্ৰিয় আছিলো কাৰণেই মোৰ বাল্যকাল নিঃসঙ্গ আছিল, সেই কথা মই আজিও ভাবি উলিয়াব পৰা নাই। কিন্তু জ্ঞান হ'বৰ দিন ধৰি মই মানুহৰ সঙ্গতকৈ কিতাপৰ সঙ্গত বেছি সুখী আৰু নিৰাপদ অনুভব কৰিছিলো। 'তৰুণ অসম' আমাৰ ঘৰলৈ আহিবৰ পিছৰ পৰাই কাকতখন মোৰ নিঃসঙ্গ খেলাৰ এটা নতুন লগৰীয়া হ'ল। সময় পালেই মই ঘৰৰ এটা নিৰ্জন চুকত বহি লৈ 'তৰুণ অসম'খন নকল কৰি এখন হাতে-লেখা বাতৰি কাকত কৰো। কাকতখনৰ নাম দিওঁ কেতিয়াবা 'সোণৰ অসম', কেতিয়াবা 'মাতৃভূমি'। ওপৰত ডাঙৰ ডাঙৰকৈ লিখো : সম্পাদক—হোমেন্দ্ৰ

নাথ বৰগোহাই। হাতে-লেখা কাকতখনলৈ চাই চাই গভীৰ তৃপ্তত বৌঁতিয়া মোৰ চকু মুদ খাই আছে, তেতিয়া মোৰ মানস চকুৰ আগত ভাহি উঠে 'তৰুণ অসম'ৰ নিচিনা এখন ছপা কৰা কাকত। সম্পাদক—হোমেন্দ্ৰনাথ বৰগোহাই।

খুব কম মানুহৰ জীৱনতে বাল্যকালৰ উচ্চাকাংক্ষা পিছলৈ চৰিতাৰ্থ হয়। মোৰ ক্ষেত্ৰত হৈছিল। মই নিবিচৰাকৈয়ে হৈছিল। কিন্তু তাৰ পৰা মই একো বিশেষ তৃপ্তি বা আনন্দ পাব নোৱাৰিলো। জৰ্জ বাৰ্ণাৰ্ড শ্বই কৈছিল—জীৱনৰ ট্ৰেজিডি হ'ল দুটা। এটা —তুমি যি বিচৰা তাকে পোৱাটো; আনটো—তাকে নোপোৱাটো। এনে ধৰণৰ কথা মই এক প্ৰকাৰৰ ৰোমাণ্টিক ভাবালুতা বুলি ভাবো। সাংবাদিকতাৰ পৰা মই বিশেষ তৃপ্তি পোৱা নাই সঁচা; কিন্তু সেই বুলি মই তাক জীৱনৰ সাংঘাতিক ট্ৰেজিডি বুলি নাভাবো।

সাংবাদিক হোৱাটোৱেই যে মোৰ বাল্যকালৰ একমাত্ৰ স্বপ্ন বা উচ্চাকাংক্ষা আছিল সেইটো নহয়। মোৰ আৰু এটা স্বপ্ন আছিল কলেজৰ অধ্যাপক হোৱা আৰু নামৰ আগত ড' লিখিবলৈ পোৱা। সেই স্বপ্নৰ গুৰি কথাটোও কৈ থোৱা উচিত হ'ব। আমি মজলীয়া স্কুলত পঢ়ি থকাৰ সময়ত অসমীয়াসকলৰ মাজত মাত্ৰ চাৰিজন পি. এইচ. ডি. তথা ডক্টৰ আছিল। সাধাৰণ জ্ঞানৰ প্ৰশ্নৰ উত্তৰত আমি বছৰৰ পিছত বছৰ ধৰি এই চাৰিজন ডক্টৰৰ নাম ক'ব বা লিখিব লগীয়া হৈছিল। তেওঁলোক আছিল: ড° সূৰ্যকুমাৰ ভূঞা, ড° বাণীকান্ত কাকতী, ড° মইদুল ইছলাম বৰা আৰু ড° ইমৰাণ হুছেইন। আজিকালি 'পাণ্ডর-বৰ্জিত' অসমতো ইমান অসংখ্য ডক্তৰ ওলাইছে যে তেওঁলোকৰ ক্ৰমবৰ্ধমান সংখ্যাই বাঙালী লেখক ছৈয়দ মুজতবা আলিৰ এষাৰ কথা আমাক মনত পেলাই দিয়ে। মুজতবা আলিয়ে উচ্চশিক্ষাৰ কাৰণে বাৰ্লিনলৈ গৈ দেখিলে যে তাত প্ৰায় প্ৰতিজন মানুহেই একোজন ডক্তৰ। যাকে দেখে তেওঁকেই 'হেৰ ডক্তৰ' বুলি সম্বোধন কৰিব লগা হয়। এজন জাৰ্মান বন্ধুৱে মুজতবা আলিক বোলে কৈছিল—'ইয়াত আপুনি আকাশৰ ফালে এটা শিলগুটি দলি মাৰি দিলে সি ঘূৰি আহি হয় এটা কুকুৰৰ গাত পৰিব, নহয় এজন 'ডক্তৰৰ' গাত পৰিব।' অসমত অৱশ্যে সেই অৱস্থা এতিয়াও হোৱা নাই; কিন্তু হ'বলৈ বোধহয় বেছিদিন নাই।

সি যি কি নহওক, আমাৰ বাল্যকালত আমি বছৰৰ পিছত বছৰ ধৰি মাত্ৰ চাৰিজন পি. এইচ. ডি.-ৰ নাম মুখস্থ মাতিব লগা হোৱাত মোৰ মনত ধাৰণা হৈছিল যে পি. এইচ. ডি. হোৱাতকৈ বেছি কঠিন কাম আৰু সম্মান-জনক কাম

বোধহয় দ্বিতীয় এটা নাই। দ্বিতীয়তে, পি. এইচ. ডি. মানেই যিহেতু কলেজৰ অধ্যাপক, অন্ততঃ অসমীয়া চাৰিজন পি. এইচ. ডিয়েই কলেজৰ অধ্যাপক, সেই কাৰণে মোৰ অবোধ কোমল মনত ধাৰণা হৈছিল যে কলেজৰ অধ্যাপক হোৱাটোৱেই হোৱা উচিত জীৱনৰ সৰ্বশ্ৰেষ্ঠ লক্ষ্য। তেতিয়া মই মোৰ পাঠ্যপুথিত আৰু অন্যান্য কিতাপ-কাকততো নিজৰ নামটো লিখিছিলো এই বুলি ঃ ড° হোমেন্দ্ৰনাথ বৰগোহাঁই, এম এ., পি. এইচ ডি.; দৰ্শনৰ অধ্যাপক, কটন কলেজ।

মোৰ সাংবাদিকতাৰ প্ৰতি মোহ বেছিদিন স্থায়ী নহ'ল, কাৰণ অলপ ডাঙৰ হৈয়েই মই বুজি পালো যে অসমত সাংবাদিকতাৰ সুযোগ-সুবিধা খুব সীমাবদ্ধ। সাংবাদিকৰ উপাৰ্জন বা সামাজিক মৰ্যাদাও সেই সময়ত বিশেষ আকৰ্ষণীয় নাছিল। কিন্তু কলেজৰ অধ্যাপক হোৱাৰ স্বপ্নক মই মনৰ মাজত সযতনে লালন কৰিছিলো নিজে ছাত্ৰ হিচাপে কলেজত প্ৰবেশ নকৰা পৰ্যন্ত। কিন্তু কলেজত দুদিনমান ক্লাছ কৰাৰ পিছতেই অধ্যাপক হোৱাৰ আকাংক্ষাও মই মনৰ পৰা চিৰকাললৈ বিসৰ্জন দিলো। কলেজ-অধ্যাপকৰ যি কাল্পনিক মূৰ্তি মই মনৰ মাজত বছৰৰ পিছত বছৰ ধৰি তিলে তিলে নিৰ্মাণ কৰিছিলো তাৰ লগত আচল অধ্যাপকৰ কোনো মিল বিচাৰি নাপালো। বৰং দেৰশ-দুশ অমনোযোগী আৰু শ্ৰদ্ধাহীন ছাত্ৰৰ আগত আটাহ পাৰি শেৰকছপীয়েৰ বা শংকৰদেৱ বুজাবলৈ গৈ গলদ-ঘৰ্ম হোৱা অধ্যাপকৰ কৰুণ মূৰ্তিটো দেখি তেওঁলোকলৈ মোৰ পুতৌহে উপজিল।

সাংবাদিক হোৱাৰ ইচ্ছা বিসৰ্জন দিছিলো স্কুলৰ তলৰ থাপত পঢ়ি থাকোতেই। অধ্যাপক হোৱাৰ ইচ্ছা বিসৰ্জন দিলো কলেজলৈ আহি। কটন কলেজত চাৰি বছৰ ছাত্ৰ হৈ থকা অৱস্থাত মোৰ চকুৰ আগত জীৱনৰ কোনো লক্ষ্য নাছিল। এটা উচ্ছৃংখল বোহেমিয়ান জীৱনৰ তীব্ৰ মাদকতাই সকলো সময়তে মোক আচ্ছন্ন কৰি ৰাখিছিল। কলেজৰ দ্বিতীয় বাৰ্ষিকত থাকোতেই মই মোৰ অন্যতম প্ৰিয় কবি ডব্লিউ. এইচ. ডেভিছৰ Autobiography of a Super-tramp নামৰ কিতাপখন পঢ়ি গভীৰভাৱে প্ৰভাৱিত হৈছিলো। সেই বয়সটোৱেই কিতাপ পঢ়ি প্ৰভাৱিত হোৱাৰ বয়স। মই তেতিয়া ঠিক কৰিছিলো যে ময়ো ডেভিছৰ নিচিনাকৈয়ে এটা বন্ধনহীন দায়িত্বহীন ভ্ৰাম্যমান অৱধৰীৰ জীৱন যাপন কৰি জীৱনৰ বিচিত্ৰ অভিজ্ঞতাৰ জুতি লম। মই মোৰ পিতৃ-মাতৃৰ একমাত্ৰ পুত্ৰ সন্তান 'নোহোৱা হ'লে বা মোৰ কান্ধত এখন সংসাৰৰ দায়িত্ব

নথকাহ'লে মই কিজানি সঁচাকৈয়ে ভোঁভহৰ নিচিনাকৈয়ে এজন অৱৰী বোহেমিয়ান হৈ গ'লোহেঁতেন। যিহওক, কর্তব্য-বোধে মোক তেনে এটা সম্ভাৱনাৰ পৰা ৰক্ষা কৰিলে।

## ॥ দুই ॥

বেছিভাগ মানুহৰে ধাৰণা যে মোৰ সাংবাদিক জীৱন আৰম্ভ হয় ১৯৬৮ চনত মুনীন্দ্র নাৰায়ণ দত্তবৰুৱাৰ দ্বাৰা স্থাপিত 'সাপ্তাহিক নীলাচল'ৰ সম্পাদক হিচাপে। কিন্তু সেই ধাৰণা ভুল। আচলতে মই মোৰ কর্মজীৱনেই আৰম্ভ কৰিছিলো, বা আৰম্ভ কৰিবলৈ বাধ্য হৈছিলো, এজন সাংবাদিক হিচাপে।

১৯৫৪ চনত মই কটন কলেজৰ পৰা বি. এ পাছ কৰি কলিকতা বিশ্ব-বিদ্যালয়ত ইংৰাজীৰ এম. এ. পঢ়িবলৈ মন মেলিলো। কিন্তু প্ৰবল বানপানীৰ কাৰণে ৰেল-চলাচল বন্ধ হৈ থকাত আৰু সেই একে কাৰণতে বিমানবো টিকট দুষ্প্ৰাপ্য হোৱাত মোৰ পক্ষে যথাসময়ত কলিকতালৈ যোৱা সম্ভৱ নহ'ল। বিশ্ববিদ্যালয়ত নাম ভৰ্তি কৰিবৰ কাৰণে বন্ধু এজনলৈ টেলিগ্ৰাম মণি অৰ্ডাৰ যোগে টকা পঠাই দি মই বানপানী নুশুকোৱালৈকে গুৱাহাটীত থাকিবলৈ ঠিক কৰিলো। এনেতে বন্ধুজনৰ পৰা খবৰ আহিল যে মই পূজাৰ বন্ধৰ পিছতহে কলিকতালৈ যোৱা ঠিক হ'ব, কাৰণ তাৰ আগতে হোষ্টেলত ছীট পোৱা সম্ভৱ নহ'ব। এই অৱস্থাত মোৰ পক্ষে উচিত আছিল ঘৰলৈ ঘূৰি যোৱা, কাৰণ পূজালৈ তেতিয়াও দুমাহমান দেৰি আছে। কিন্তু ঘৰলৈ ঘূৰি যোৱা মোৰ পক্ষে সম্ভৱ নহ'ল, কাৰণ জুৱা খেলি মাত্ৰ দুদিনৰ ভিতৰতে মই মোৰ সকলো টকা শেষ কৰিলো। এতেকে মই জেপত এটা ফুটা কড়িও নোহোৱাকৈ গুৱাহাটীত থাকিবলৈ বাধ্য হলো।

মই মোৰ আত্মজৈৱনিক ৰচনা 'আত্মানুসন্ধান'ত লিখিছো যে গুৱাহাটীত থকা এই তিনি মাহ সময় মই নৰক-ভ্ৰমণ কৰি কটাইছিলো। বহুতেই তাৰ অৰ্থ কৰিছে এই বুলি যে মই সেই সময়ত গুৱাহাটীৰ বেশ্যালয়বোৰ চলাথ কৰি ফুৰিছিলো। কিন্তু বেশ্যালয় নৰক নহয়। তদুপৰি নীতি-বাগীশসকলৰ দৰে মোৰ চেতনাত 'বেশ্যা' শব্দটোৰ লগত তথাকথিত পাপৰ কোনো ভাবানুষঙ্গ

জীৱত নহয়। মই যি নৰকৰ কথা কৈছো, সেই নৰক আচলতেই অতি ভয়ংকৰ। সেই নৰকৰ অভিজ্ঞতাই মোৰ জীৱন নানা প্ৰকাৰে সমৃদ্ধ কৰিছে। মই যদি কেতিয়াবা পূৰ্ণাঙ্গ আত্ম-জীৱনী লিখোঁ, তেন্তে মোৰ সেই নৰকবাসৰ অভিজ্ঞতাৰ কিছু আভাস দিবলৈ যথাসাধ্য চেষ্টা কৰিম। সাংবাদিক জীৱনৰ স্মৃতি-কথা সেই বিষয়ে লিখিবলৈ উপযুক্ত ঠাই নহয়।

যিহেতু মই গুৱাহাটীলৈ আহি এখন হোটেলত উঠিছিলো, সেই কাৰণে মাহটো শেষ নোহোৱা পৰ্যন্ত টকা-পইছা নিদিয়াকৈয়ো দুবেলা দুসাজ ভাত মই খাবলৈ পাইছিলো। কিন্তু কেৱল দুবেলা দুসাজ খাবলৈ পালেই সকলো সমস্যাৰ ওৰ নপৰে। চাহ-চিগাৰেট, তেল-চাবোন আদি সৰু-সুৰা অথচ অপৰিহাৰ্য বস্তুবোৰৰ কাৰণেও কিছু ধনৰ প্ৰয়োজন হয়। অথচ সেই সময়ত মোৰ জেপ একেবাৰে খালি। টকা খুজি ঘৰলৈ চিঠি দিবলৈকো লাজে বাধা দিছে। আজিকালি মই চিগাৰেট একেবাৰে নাখাওঁ; কিন্তু সেই সময়ত মই চিগাৰেট নোখোৱাকৈ এক মুহূৰ্তও থাকিব নোৱাৰিছিলো। দুই পইছা দামৰ এটা কেভেণ্ডাৰ চিগাৰেট ধাৰলৈ খুজি পান-দোকানীক কাবৌ-কাকুতি কৰোঁ; সময়মতে ধাৰ পৰিশোধ কৰিব নোৱাৰি দোকানীৰ পৰা অকথ্য গালি-গালাজ খাওঁ। সেই সময়ত একেখন হোটেলতে এজন চৰকাৰী চাকৰিয়াল আছিল। তেওঁ 'ৰিলিফ এণ্ড ৰিহেবিলিটেশন' তথা ভগনীয়া পুনৰ্সংস্থাপন বিভাগত কাম কৰিছিল। পূব পাকিস্তানৰ পৰা অসমলৈ অহা লাখ লাখ ভগনীয়াৰ পুন-ৰ্সংস্থাপনৰ কাৰণে খোলা সেই বিভাগটোত তেতিয়া টকাৰ 'মা-বাপ' নাই। টকা খাওঁ বুলিলেই যি কোনো অফিচাৰে লাখ লাখ টকা খাব পাৰে। মই যিজন অফিচাৰৰ কথা ওপৰত কৈছোঁ, তেওঁ সাংঘাটিক বেয়া মানুহ নাছিল বা টকাৰ খকুৱাও নাছিল। কিন্তু চিৰকুমাৰ আৰু ভাব-বিলাসী সেই মানুহজনৰ প্ৰধান আহাৰ আছিল মদ আৰু চিগাৰেট। সাৰ পাই থকা সময়খিনিত তেওঁক মুহূৰ্তে মুহূৰ্তে চিগাৰেট আৰু ঘণ্টাই ঘণ্টাই মদৰ দৰকাৰ হৈছিল, আৰু তেওঁ দিনটোৰ চৌব্বিশ ঘণ্টাৰ ভিতৰত প্ৰায় বাইশ ঘণ্টাই সাৰে কটাইছিল। কোৱা বাহুল্য যে কেৱল দৰমহাৰ টকাৰে ইমান মদ আৰু চিগাৰেট যোগাৰ কৰা তেওঁৰ পক্ষে সম্ভৱ নাছিল। ফলত তেওঁ ঘোচ খাবলৈ বাধ্য হৈছিল। কিন্তু তেওঁৰ প্ৰতি সুবিচাৰ দেখুৱাই এটা কথা স্বীকাৰ কৰিবই লাগিব যে তেওঁৰ যিমান প্ৰয়োজন তাতকৈ এটা পইছাও বেছিকৈ তেওঁ ঘোচ হিচাপে নলৈছিল, আৰু ঘোচৰ টকাৰে তেওঁ বহুতো অভাব-গ্ৰস্ত মানুহক সহায়ো কৰিছিল। সেই

মানুহজনে এদিন উপযাচি আহি মোৰ বন্ধুত্ব দাবী কৰিলে আৰু সেই বন্ধুত্ব জোৰকৈ আদায়ো কৰিলে। ক'বলৈ পাহৰিছো যে মানুহজনৰ সাহিত্যানুৰাগ আছিল প্ৰবল আৰু মোৰ প্ৰতি তেওঁ আকৃষ্ট হোৱাৰ প্ৰধান কাৰণ আছিল মোৰ লেখা।

মই হোটেলত যিমান দিন আছিলো সিমান দিনলৈকে মদ আৰু চিগাৰেটৰ খৰচৰ কাৰণে তেওঁ মোক নিশ্চিন্ত কৰিলে। তেওঁৰ সঙ্গত পাৰি মই সেই তিনি মাহতে যিমান মদ খালোঁ, গোটেই জীৱনতে কিজানি সিমানখিনি খোৱা নাই। কিন্তু এইখিনিতে সত্যৰ খাতিৰত অলপ ব্যাখ্যাৰ প্ৰয়োজন হৈছে। মোৰ আত্ম-কথাত পাঠকে বহুত ঠাইত মদৰ উল্লেখ পাইছে আৰু পাব। তাৰ পৰা পাঠকৰ এনে ধাৰণা হোৱা স্বাভাৱিক যে মই মদৰ প্ৰতি তীব্ৰভাৱে আসক্ত ; চিধা কথাত ক'বলৈ গ'লে 'মদপী'। কিন্তু সেই ধাৰণা সম্পূৰ্ণ শুদ্ধ নহ'ব। মই যিহেতু মোৰ নিজৰ পাৰ্যমানে সত্য কথা ক'ব খুজিছো, সেই কাৰণে মই এইটোও বিচাৰো যে মোৰ লেখাৰ দুৰ্বলতা বা অস্পষ্টতাৰ কাৰণে পাঠকে যেন মোৰ বিষয়ে কোনো ভুল ধাৰণা কৰিব নলয়।

মই আহোম সম্প্ৰদায়ৰ মানুহ, আৰু চাউলৰ পৰা তৈয়াৰ কৰা ঘৰুৱা মদ আমাৰ দৈনন্দিন আহাৰৰ এটা অঙ্গ। আচলতে বহুতো, 'পকা আহোমৰ' ঘৰত, অৰ্থাৎ যিসকল আহোমে হিন্দুধৰ্ম গ্ৰহণ কৰিও নিজৰ কিছু জাতীয় ৰীতি-নীতি আৰু খাদ্যাভ্যাস এতিয়াও অটুট ৰাখিছে তেনে আহোমৰ ঘৰত, জন্মৰ লগে লগেই কেঁচুৱাৰ জিভাত অলপ 'সাঁজপানী' লগাই দিয়াটো এটা অৱশ্যপালনীয় নিয়ম। আমাৰ বুঢ়ী আইতাই যেতিয়া দুপৰীয়া আৰু ৰাতি ভাত খোৱাৰ আগতে জুহালৰ কাষত বহি 'সাঁজ' খাবলৈ বহে, আমি নাতি-নাতিনীবোৰে তেওঁৰ চাৰিওফালে লমা বান্ধো আৰু তেওঁ নিজৰ সাঁজৰ বাতিটো প্ৰত্যেকৰে মুখে মুখে গুঁজি দিয়ে। প্ৰবাসৰ পৰা আমি ঘৰলৈ ঘূৰি অহাৰ দিন-বাৰ জনাৰ লগে লগে আমাৰ আইতা-খুৰীদেউহঁতে আমাৰ আপ্যায়নৰ কাৰণে চিৰা-সান্দহ আদি জলপান প্ৰস্তুত কৰাতকৈ যিটো বস্তু প্ৰস্তুত কৰাৰ ওপৰত বেছি গুৰুত্ব দিয়ে সেইটো হ'ল সাঁজপানী—যাৰ অন্য নাম 'ৰস'। অৰ্থাৎ মদ খোৱাটো আমাৰ কাৰণে ভাতৰ লগত পানী খোৱাৰ দৰেই সহজ আৰু সাধাৰণ কথা।

অৱশ্যে এটা কথা ঠিক যে চাউলৰ পৰা কৰা ঘৰুৱা মদত এলক'হল অৰ্থাৎ সুৰাসাৰৰ পৰিমাণ খুব কম থাকে, আৰু কলত সি ব্ৰাণ্ডি-হুইস্কি আদি

মদতকৈ কম নিচাযুক্ত আৰু কম অপকাৰী। তথাপি আমি জন্মাৱধি মদৰ নিচাৰ লগত অভ্যস্ত কাৰণে ডাঙৰ হৈ আমি ব্ৰাণ্ডি-হুইস্কিত ধৰিলেও আমাক আৰু ঠিক মদপী বুলি ক'ব নোৱাৰি। কিন্তু মই ইয়াত এই প্ৰসঙ্গটো বিশেষভাৱে উল্লেখ কৰাৰ এটা কাৰণ আছে। আমাৰ সমাজত আজিকালি যিমান মানুহে মদ খায় তেওঁলোকৰ বেছিভাগেই সেই কথাটো সামাজিকভাৱে স্বীকাৰ কৰিবলৈ লাজ কৰে। অৰ্থাৎ তেওঁলোকে নিজে মদ খালেও মদ খোৱা কথাটোক এটা নৈতিক অপৰাধ বা লাজৰ কথা বুলি ভাবে। ই এনে এক প্ৰকাৰৰ ভণ্ডামি—যাক মই সমূলি সহ্য কৰিব নোৱাৰো। মই যদি নিজে কিবা এটা বস্তু খোৱাটো লাজৰ কথা বুলি ভাবিলোহেঁতেন বা স্বাস্থ্যৰ কাৰণে ক্ষতিকাৰক বুলি ভাবিলোহেঁতেন, তেনে বস্তু মই মৰিলেও মুখত নিদিলোহেঁতেন। সেইখিনি আত্মসংযম মোৰ আছে। মই মদ খাওঁ আৰু মদ খোৱাটো মই মুঠেই লাজৰ কথা বুলি নাভাবো। মই যে সুবিধা পালেই লেখাৰ যোগেদি নিজৰ মদ খোৱাৰ কথা জাহিৰ কৰি ফুৰো তাৰ একমাত্ৰ উদ্দেশ্য হ'ল কিছুমান মানুহৰ ভণ্ডামিৰ বিৰুদ্ধে প্ৰতিবাদ কৰা।

অৱশ্যে সকলো মানুহৰে মদ খোৱাৰ অধিকাৰ আছে বুলি মই নাভাবো। মদৰ মাত্ৰা সামান্য বেছি হ'লেই সি খাওঁতাজনৰ ভীষণ ক্ষতি কৰে আৰু সমাজত অশান্তিৰ সৃষ্টি কৰে। যাৰ আত্ম-সংযম আছে একমাত্ৰ তেওঁৰেই মদ খোৱাৰ অধিকাৰ আছে। যৌৱনৰ উচ্ছৃংখল দিনবোৰৰ কথা বাদ দি মই কোনোদিনেই তিনি পেগতকৈ বেছি মদ খোৱা নাই। বয়স বঢ়াৰ লগে লগে মই সেই পৰিমাণ আঢ়ৈ পেগলৈ কমাইছো। মই সদায় অকলে মদ খাওঁ। মদ খোৱাৰ সময়ত দ্বিতীয় ব্যক্তি উপস্থিত থাকিলে বা পাৰ্টিত মদ খাব লগা হ'লে মই ভীষণ অশান্তি অনুভৱ কৰোঁ। মোৰ অভিজ্ঞতাই কয় যে বেছিভাগ মানুহেই মাত্ৰ এক পেগমান মদ পেটলৈ যোৱাৰ পিছতে অস্বাভাৱিক আচৰণ কৰিবলৈ আৰম্ভ কৰে আৰু আজে-বাজে কথা পাতি মদ খোৱাৰ সুন্দৰ সময়খিনি নষ্ট কৰে। মোৰ কাৰণে সন্ধিয়া পৰত মদ খোৱা সময়খিনি অতি সুন্দৰ আৰু মধুৰ সময়। মই কেতিয়াবা ৰবীন্দ্ৰ-সঙ্গীত আৰু কেতিয়াবা মোজাৰ্ট কিংবা চাইকভস্কিৰ সংগীত শুনি শুনি প্ৰায় তিনি ঘণ্টা সময় ধৰি আঢ়ৈ পেগ মদ খাওঁ। মদে মোৰ সমস্ত ইন্দ্ৰিয়চেতনাক ঈষৎ শাণিত কৰি দিয়াৰ ফলত সঙ্গীত মোৰ চেতনাত অধিকতৰ অৰ্থবহ হৈ ধৰা দিয়ে। কেতিয়াবা মই সঙ্গীত-হীন সন্ধিয়াত বাৰাণ্ডাত স্তব্ধ হৈ বহি মদ খাই খাই আকাশৰ তৰাবোৰৰ অনন্ত নীৰৱতাৰ ভাগ লওঁ। আন

কেতিয়াবা আকৌ মদ খাই খাই মই পিছদিনা কোন কোন সময়ত কি কি বিষয়ে লিখিম সেইবোৰ কথা চিন্তা কৰোঁ। একে আষাৰে ক'বলৈ গ'লে মই মদ কেনেকৈ খাব লাগে জানো কাৰণেই মদে মোৰ জীৱনটো বৌছ উপভোগ্য কৰি তুলিছে।

এতিয়া আচল কথালৈ ঘূৰি আহোঁ। ওপৰত উল্লেখ কৰি অহা বন্ধুজনে মোৰ মদ আৰু চিগাৰেটৰ দায়িত্ব ললে যদিও মাহটো শেষ হৈ অহাৰ লগে লগে হোটেলৰ মালিকে মোক পাওনাৰ কাৰণে তাগিদা দিবলৈ ধৰিলে। ধোবা, পাণ-দোকানী আৰু চাহ-দোকানীয়েও মোৰ জীৱন দুৰ্বিসহ কৰি তুলিবলৈ ধৰিলে। জুৱা খেলি টকা উৰাই শেষ কৰাৰ পিছত মই যিহেতু মৰিলেও টকা খুজি ঘৰলৈ চিঠি লিখিব নোৱাৰো, গতিকে টকা ঘটাৰ কিবা এটা ব্যৱস্থা কৰিব নোৱাৰিলে মই আত্ম-সন্মান ৰক্ষা কৰি জীয়াই থকাই টান হৈ পৰিল। ঠিক তেনে সময়তে এদিন মোৰ বন্ধু নিত্য ভূঞাই হোটেললৈ আহি মোক সুধিলে— 'গোহাঁই, আৰু পোন্ধৰ দিন মানৰ ভিতৰতে মালিগাঁৱৰ পৰা এখন অসমীয়া দৈনিক কাকত ওলাব। নাম 'দৈনিক শান্তিদূত'। সম্পাদক দেবেন্দ্ৰনাথ শৰ্মা। মই ইতিমধ্যে কাকতখনৰ স্পৰ্টছ ৰিপোৰ্টাৰ নিযুক্ত হৈছো। আপুনিও যদি তাত কাম কৰিব খোজে, তেন্তে মই একেদিনাই কাম এটা যোগাৰ কৰিব পাৰোঁ।'

নিত্য ভূঞাৰ কথা শুনি মই হাততে স্বৰ্গ চুকি পালোঁ। চাকৰি পোৱাই টান; তাতে আকৌ সাংবাদিকৰ চাকৰি! ইতিমধ্যে বঙালী লেখক প্ৰেমেন্দ্ৰ মিত্ৰৰ 'নতুন খবৰ' নামৰ উপন্যাসখন পঢ়ি আৰু লগতে নিউ থিয়েটাৰ্ছে উপন্যাসখনৰ ভিত্তিত কৰা চিনেমাখনো চাই সাংবাদিক জীৱনৰ বিষয়ে নানা ৰোমাণ্টিক স্বপ্ন দেখিবলৈ আৰম্ভ কৰিছিলো। স্বপ্নও যে কেতিয়াবা দিঠকত পৰিণত হ'ব পাৰে—এতিয়া সেই অবিশ্বাস্য বতৰা মোলৈ লৈ আহিল মোৰ বন্ধু নিত্য ভূঞাই।

যথাসময়ত মই 'দৈনিক শান্তিদূতত' সাংবাদিক হিচাপে যোগ দিলো, অৰ্থাৎ সাংবাদিক হিচাপে মই কৰ্ম-জীৱনৰ পাতনি মেলিলো। মোক কোনো নিযুক্তি-পত্ৰ দিয়া হোৱা নাছিল। মোৰ পদৱী কি আছিল সেই বিষয়েও মোৰ একো স্পষ্ট ধাৰণা নাছিল। বেছিভাগ সময়তে মই নাইট-ডিউটি কৰিব লগা হৈছিল। পানবজাৰৰ পৰা মেথেৰিয়া চিটিবাছত মালিগাঁৱলৈ গৈ গোটেই ৰাতি টোপনি খতি কৰি কাম কৰাটো মোৰ পক্ষে শাৰীৰিকভাৱে বৰ সুখকৰ অভিজ্ঞতা

নাছিল, কাৰণ অপদৃষ্টি আৰু উচ্ছৃংখল জীৱন-যাপনে মোক সেই সময়ত শাৰীৰিকভাৱে কিছু দুৰ্বল কৰি পেলাইছিল। মোৰ যাই কাম আছিল প্ৰুফ চোৱা আৰু মাজে মাজে পি টি আই পৰিৱেশিত ইংৰাজী বাৰ্তাৰ অসমীয়ালৈ অনুবাদ কৰা। কামটোও বিশেষ আনন্দ-দায়ক নাছিল। কিন্তু যি বয়সত মানুহে যাইকৈ স্বপ্নৰ আহাৰ খাই জীয়াই থাকে মোৰ তেতিয়া সেই বয়স। যেতিয়া গোটেই ৰাতি উজাগৰে থাকি শ্ৰান্ত-ক্লান্ত হৈ মই প্ৰুফ চাওঁ, তেতিয়া মই নিজকে কল্পনা কৰোঁ 'নতুন খবৰ' উপন্যাসৰ নায়কৰ ৰূপত। যেতিয়া ৰাতিপুৱা অপৰিষ্কাৰ জৰাজীৰ্ণ হোটেললৈ ঘূৰি আহি মলিয়ন বিছনাখনত বাগৰি পৰোঁ, তেতিয়া এই বুলি কল্পনা কৰি উদ্দীপিত অনুভৱ কৰোঁ যে যিবোৰ মানুহে পৃথিবীলৈ নতুন প্ৰভাত আনিবলৈ চেষ্টা কৰিছে তেওঁলোকৰ ভিতৰৰে ময়ো এজন।

মই মাত্ৰ ৪৫ দিন শান্তিদূতত কাম কৰিছিলো। মোৰ যিমান দূৰ মনত পৰে, শান্তিদূতৰ পৰা মোৰ দৰমহা লোৱা নহ'ল। এদিন মই 'কলেজ ষ্টুডিঅ'ৰ গৰাকী সুপণ্ডিত স্বৰ্গীয় পূৰ্ণচন্দ্ৰ ভৰালীৰ দোকানত তেওঁৰ লগত কথা পাতি বহি আছিলো। তেওঁ বোলে সেই সময়ৰ 'ৰামধেনু'ত প্ৰকাশিত মোৰ গল্প-প্ৰবন্ধবোৰ পঢ়ি খুব মুগ্ধ হৈছিল, আৰু মোৰ লগত চা-চিনাকি হ'বৰ উদ্দেশ্যে সেই দিনাই হোটেললৈ মানুহ এজন পঠাই মোক মতাই নিছিল। এই পূৰ্ণচন্দ্ৰ ভৰালীৰ বিষয়ে দেৱকান্ত বৰুৱাই বোলে কৈছিল—'মই পৃথিবীৰ ইতিহাস সোঁহাতেৰে লিখিব পাৰো ; কিন্তু পূৰ্ণ ককাইদেৱে পৃথিবীৰ ইতিহাস লিখি দিব পাৰে বাওঁহাতেৰেই।' পূৰ্ণচন্দ্ৰ ভৰালীয়ে মোক ক'বলৈ আৰম্ভ কৰিছিল যে মোৰ লেখাবোৰ পঢ়ি মোৰ এটা 'বিশেষ প্ৰতিভা' আছে বুলি হেনো তেওঁ অনুভৱ কৰিছে, আৰু সেই 'বিশেষ প্ৰতিভা' তেওঁ কামত লগাব খোজে। ইয়াৰ পিছত তেওঁ কি ক'লেহেঁতেন মই আৰু কোনোদিনেই নাজানিলো বা নাজানিম, কাৰণ ঠিক সেই সময়তে তাত গৈ উপস্থিত হ'লগৈ তেতিয়া কটন কলেজত পঢ়ি থকা মোৰ এজন ভাই—লেখন বৰগোহাঞি। হোটেলত মোক বিচাৰি নাপাই কাৰোবাৰ মুখত মই কলেজ ষ্টুডিঅ'লৈ যোৱা বুলি শুনি তেওঁ তালৈকে গৈছিল। তেওঁ মোক ক'লে—'এইমাত্ৰ টেলিগ্ৰাম পালো, আমাৰ বুঢ়ী আইতা ঢুকাল।' বাৰ্তাবটো শুনাৰ পিছত পূৰ্ণচন্দ্ৰ ভৰালীৰ কথা শুনিবলৈ মোৰ ধৈৰ্য নাছিল, কাৰণ মোৰ জীৱনত এক বিশাল স্থান অধিকাৰ কৰি থকা বুঢ়ী আইতাৰ মৃত্যুৰ বাতৰিয়ে মোক শোকাকুল কৰি তুলিছিল। মই

লবালাৰিকৈ পূৰ্ণচন্দ্ৰ ভবালীৰ পৰা বিদায় লৈ হোটেললৈ ঘূৰি আহিলো আৰু সেইদিনাই ৰাতিৰ ট্ৰেইনত ঘৰলৈ বুলি যাত্ৰা কৰিলো। মোৰ সাংবাদিক জীৱনৰ প্ৰথম আৰু সংক্ষিপ্ততম অধ্যায়টোৰ এনেভাৱেই সমাপ্তি ঘটিল।

এই আটাইবোৰ ঘটনা আজি অতীতৰ ধূসৰ স্মৃতিত মাত্ৰ পৰিণত হৈছে। তথাপি কোনো কোনো কৰ্মহীন অলস মুহূৰ্তত মই আজিও ভাবোঁ—পূৰ্ণচন্দ্ৰ ভবালীয়ে বাৰু সেইদিনা মোক কি ক'ব খুজিছিল? তেওঁৰ বাক্যটো আধা-কোৱা হৈ থাকোতেই ভাগ্যই হস্তক্ষেপ নকৰা হ'লে মোৰ জীৱনৰ গতি কি কিছু সলনি হৈ গ'লহেঁতেন?

ইয়াৰ পিছত জীৱনত দ্বিতীয়বাৰ পূৰ্ণচন্দ্ৰ ভবালীক মোৰ লগ পোৱা নহ'ল। কিন্তু মোৰ যৌৱনৰ ভৰদুপৰৰ আশা-নিৰাশা আৰু বিশ্বাস-অবিশ্বাসৰ দ্বন্দ্বত দোলায়িত সময়খিনিত পূৰ্ণচন্দ্ৰ ভবালীয়ে এজন অচিনাকি ডেকাক উপযাচি মাতি নি তেওঁৰ মনত যি সোণালী আশা আৰু গভীৰ আত্ম-বিশ্বাস জগাই তুলিছিল সেই কথা মই জীৱনত কোনোদিন পাহৰিব নোৱাৰিলো। বছৰদিয়েকৰ আগতে মোৰ গোপন কৃতজ্ঞতা বিন্দু পৰিমাণে হ'লেও প্ৰকাশ কৰিবলৈ চেষ্টা কৰিছিলো ড প্ৰফুল্লদত্ত গোস্বামীয়ে ৰচনা কৰা পূৰ্ণচন্দ্ৰ ভবালীৰ এখন জীৱন-চৰিত প্ৰকাশ কৰি। কিতাপখনৰ নাম আছিল 'এটি জীয়া কাহিনী।'

## ॥ তিনি ॥

গুৱাহাটী এৰাৰ পিছত মই গাঁৱৰ হাইস্কুলত ছমাহ শিক্ষকতা কৰিলো। শিক্ষকতা কৰি মোৰ খুব ভাল লাগিছিল। মই আটাইতকৈ সুখী হ'লোহেঁতেন—যদি শিক্ষকতা কৰি মই গোটেই জীৱন পাৰত থাকিবলৈ পালোহেঁতেন। কিন্তু শিক্ষকতা কৰি থাকোতেই মোলৈ ছাব ডেপুটি কলেক্টৰ ৰূপে চৰকাৰী চাকৰিৰ নিযুক্তি-পত্ৰ অহাত দেউতাৰ আদেশ শিৰোধাৰ্য কৰি মই চৰকাৰী চাকৰিত যোগ দিলো। দিনটো আছিল ১৯৫৫ চনৰ ২ অক্টোবৰ।

ইয়াৰ ঠিক ১৩ বছৰৰ পিছত ১৯৬৮ চনৰ ২ অক্টোবৰত মোৰ সম্পাদনাত আত্মপ্ৰকাশ কৰিলে সাপ্তাহিক নীলাচল নামৰ বাৰ্তালোচনীয়ে। অৰ্থাৎ মই

চৰকাৰী চাকৰি এৰি স্থায়ীভাৱে সাংবাদিকৰ জীৱন গ্ৰহণ কৰিলো। কি পৰিস্থিতিত মই চৰকাৰী চাকৰি এৰি সাংবাদিক হ'বলৈ বাধ্য হ'লো সেইবোৰ কথা মোৰ 'আত্মানুসন্ধান' নামৰ গ্ৰন্থত সবিস্তাৰে লিখিছো। ইয়াত একেবোৰ কথাকে দোহাৰিব নোখোজো।

## ॥ চাৰি ॥

একমাত্ৰ জীৱিকা উপাৰ্জনেই মোৰ সাংবাদিকতাৰ উদ্দেশ্য নাছিল। মোৰ প্ৰধান উদ্দেশ্য আছিল এনে এখন বাতৰি কাকত বা বাৰ্তালোচনী সৃষ্টি কৰা— যাৰ যোগেদি অসমত উচ্চস্তৰৰ চিন্তা-চৰ্চাৰ এটা পৰিবেশ তৈয়াৰ হ'ব পাৰে। মোৰ দ্বিতীয় উদ্দেশ্য আছিল উঠি অহা ডেকা-গাভৰুসকলৰ মাজৰ পৰা নতুন নতুন প্ৰতিভা আৱিষ্কাৰ কৰি তেনেবোৰ প্ৰতিভাৰ বিকাশৰ কাৰণে অনুকূল পৰিবেশ সৃষ্টি কৰা। মই সদায় গভীৰভাৱে বিশ্বাস কৰি আহিছো যে যি কোনো এখন সমাজক দ্ৰুত গতিৰে উন্নতিৰ পথত আগুৱাই নিয়াৰ এটা প্ৰধান উপায় হ'ল সেই সমাজৰ প্ৰতিভাবান মানুহবোৰক আৱিষ্কাৰ কৰি তেওঁলোকক আত্মবিকাশৰ সুযোগ দিয়া, তেওঁলোকক সমাজৰ কামত লগোৱা।

মই কি ধৰণৰ বাৰ্তালোচনী উলিয়াব খুজিছিলো আৰু তাৰ দ্বাৰাই কি উদ্দেশ্য সাধন কৰিব খুজিছিলো সেই সকলো কথা সাপ্তাহিক নীলাচলৰ প্ৰথম বছৰৰ প্ৰথম সংখ্যাৰ 'আমাৰ কথা' শীৰ্ষক সম্পাদকীয় প্ৰবন্ধত বহলাই ব্যাখ্যা কৰা হৈছিল (প্ৰবন্ধটি এই গ্ৰন্থত সন্নিৱিষ্ট কৰা হৈছে)। কোৱা বাহুল্য মাথোন যে এই উদ্দেশ্য সাধনৰ কাৰণে আটাইতকৈ প্ৰয়োজনীয় কথা হৈছিল মোৰ কাকতৰ আলোচনা-মঞ্চত অসমৰ আটাইবোৰ বুদ্ধিজীৱী, লেখক আৰু চিন্তানায়কক একেলগে সমবেত কৰা। মোৰ দ্বাৰা সম্পাদিত কাকতখন কেৱল সম্পাদকৰ নিজৰ মত বা আদৰ্শ প্ৰচাৰৰ বাহন হওক—এইটো উদ্দেশ্য মোৰ একেবাৰেই নাছিল। দুটা শিলৰ সংঘৰ্ষত যেনেকৈ ফিৰিঙতি বাহিৰ হয়, ঠিক তেনেকৈ দুটা চিন্তাশীল মনৰ সংঘৰ্ষ হ'লেও তাৰ পৰা চিন্তাৰ উজ্জ্বল দীপ্তি বাহিৰ হয়। চিন্তাশীল মনৰ সংঘাত-জনিত এই দীপ্তিয়েই মানুহৰ বিচিত্ৰ আৰু দুৰ্গম বৌদ্ধিক অভিযানত তেওঁক বাট দেখুৱাই নি থাকে। দ্বিতীয়তে, শিলত

দা ধৰাসেহে যেনেকৈ তাৰ ধাৰ চোকা হৈ থাকে, ঠিক তেনেকৈ চিন্তাশীল মনৰ মাজত সংঘৰ্ষ হ'লেহে মনবো ধাৰ বাঢ়ি গৈ থাকে। অপ্ৰিয় হ'লেও এটা কথা সত্য যে সেই দিনালৈকে অসমীয়া সমাজত স্বাধীন আৰু মৌলিক চিন্তাৰ কোনো পৰম্পৰা নাছিল। যুগৰ পিছত যুগ ধৰি শাস্ত্ৰ, গুৰু আৰু লোকাচাৰৰ প্ৰশ্নাতীত কৰ্তৃত্বৰ ওচৰত মূৰ দোঁৱাই একাষৰীয়াকৈ আছিল আমাৰ সমাজৰ নিয়ম। অসমত আধুনিক যুগ আৰম্ভ হোৱাৰ লগে লগে আমাৰ সমাজতো যুক্তিবাদী চিন্তা-চৰ্চাৰ পৰিবেশ গঢ় তুলিবলৈ যি চেষ্টা আৰম্ভ হৈছে সেইশুভচেষ্টাটো সাধ্য অনুসাৰি বৰঙণি যোগোৱাটো আছিল মোৰ প্ৰধান উদ্দেশ্য। আৰু সেই কাম মই কৰিব খুজিছিলো সাপ্তাহিক নীলাচলৰ যোগেদি।

## ॥ পাঁচ ॥

১৯৬৮ চনৰ ২ অক্টোবৰত সাপ্তাহিক নীলাচল ওলোৱাৰ প্ৰায় তিনিমাহৰ আগৰ পৰাই, অৰ্থাৎ মই চৰকাৰী চাকৰিত থাকোতেই, সাপ্তাহিক নীলাচলত নিয়মিতভাৱে লিখিবলৈ অনুৰোধ কৰি মই অসমৰ প্ৰায় আঠাইবোৰ বিশিষ্ট লেখক আৰু বুদ্ধিজীৱীলৈ চিঠি দিছিলো। তেওঁলোকৰ কোনো এজনেই উত্তৰ নিদিয়াকৈ থকা নাছিল। এই কিতাপৰ চতুৰ্থ খণ্ডত এনেকুৱা কেইখনমান বছা বছা চিঠি সন্নিবিষ্ট কৰা হৈছে। সাপ্তাহিক নীলাচলে জন্মৰ আগতেই অসমত কেনেকুৱা এটা প্ৰত্যাশাৰ পৰিবেশ সৃষ্টি কৰিছিল আৰু সকলো শ্ৰেণীৰ বিশিষ্ট ব্যক্তিসকলে মোক কেনেকৈ উৎসাহ আৰু প্ৰেৰণা যোগাইছিল তাৰ কিছু আভাস এই চিঠিবোৰৰ পৰাই পোৱা যাব।

যিসকল বিশিষ্ট ব্যক্তিৰ সহযোগিতা বিচাৰি মই চিঠি দিছিলো আৰু তেওঁলোকে সহযোগিতাৰ প্ৰতিশ্ৰুতি দি মোক কৃতাৰ্থ কৰিছিল, তেওঁলোকৰ ভিতৰৰে দুই-এজনৰ কথা ইয়াত বিশেষভাৱে উল্লেখ কৰাৰ প্ৰয়োজন আছে। উদাহৰণস্বৰূপে নিবাৰণ বৰাৰ কথাই ক'ব পাৰি। যোৱা দহবছৰ ধৰি অসমৰ ৰাজনীতিত তেওঁক এটা গুৰুত্বপূৰ্ণ ভূমিকাত দেখা গৈছে। আনহাতে কিছু-দিনৰ আগতে 'অসম-বাণী'ত এটা প্ৰবন্ধ লিখি তেওঁ নিজে স্বীকাৰ কৰিছে যে সাপ্তাহিক নীলাচলৰ সম্পাদক হোমেন বৰগোহাঞিয়ে তেওঁক ৰাজনৈতিক স্বেচ্ছা-

নির্বাসন তথা অজ্ঞাত-বাসৰ পৰা উলিয়াই আনি অসমৰ বাইজৰ লগত নতুনকৈ পৰিচয় কৰাই দিয়াৰ কাৰণেহে তেওঁ আজি এই ভূমিকা পালন কৰিব পাৰিছে। মই নিজে কেতিয়াও এই কৃতিত্ব দাবী কৰিব নোখোজো ; কিন্তু এটা কথা সঁচা যে সাপ্তাহিক নীলাচলৰ অন্যতম প্ৰধান আকৰ্ষণ আছিল নিবাৰণ বৰা। নিবাৰণ বৰাৰ পুনৰ্জন্ম ঘটিছিল সাপ্তাহিক নীলাচলৰ পাতত।

## ॥ ছয় ॥

নিবাৰণ বৰাৰ কাহিনী ক'বলৈ হ'লে মই বহু বছৰৰ আগলৈ ঘূৰি যাব লাগিব। ১৯৪৭ চনত মই ডিব্ৰুগড় চৰকাৰী হাইস্কুলত ছাত্ৰ হিচাপে ভৰ্তি হওঁ আৰু ১৯৫০ চনত তাৰ পৰাই প্ৰবেশিকা পৰীক্ষা পাছ কৰো। জ্ঞান হোৱাৰ দিন ধৰি মোৰ কুমলীয়া মনটোক যিটো যুগান্তকাৰী ঐতিহাসিক ঘটনাই প্ৰচণ্ডভাৱে আলোড়িত কৰি ৰাখিছিল সেইটো আছিল গান্ধীজীৰ নেতৃত্বত চলা ভাৰতৰ স্বাধীনতা আন্দোলন। অতি কম বয়সৰ পৰাই মোৰ মনটো দেশৰ স্বাধীনতা আন্দোলনৰ দ্বাৰা এনেভাৱে আলোড়িত হোৱাৰ তিনিটা প্ৰধান কাৰণ আছিল বুলি মই অনুমান কৰো। প্ৰথমটো হ'ল, মোৰ স্পৰ্শ-কাতৰ ভাব-প্ৰৱণ স্বভাৱ। দ্বিতীয়টো, মোৰ ভাব-প্ৰৱণ মনৰ ওপৰত আমাৰ ঘৰৰ দুই আলমাৰী অসমীয়া-বঙালী কিতাপৰ প্ৰভাৱ। তৃতীয় আৰু আটাইতকৈ ডাঙৰ কাৰণটো আছিল আমাৰ ঘৰৰ পৰিৱেশ। আমাৰ ঘৰখন আছিল স্থানীয় কংগ্ৰেছ কৰ্মীসকলৰ মিলন-কেন্দ্ৰ আৰু বাহিৰৰ পৰা অহা ডাঙৰ নেতাসকলৰ অতিথিশালা। পুৰা-গধূলি সকলো সময়তে আমাৰ ঘৰত দেশৰ স্বাধীনতা-আন্দোলনৰ বিষয়ে নানা চিন্তা-চৰ্চা হৈছিল, আৰু অতি কম বয়সৰে পৰা মই আছিলো এই আটাইবোৰ আলোচনাৰ নীৰৱ আৰু ব্যাকুল শ্ৰোতা। যিসকল লোকে মোৰ 'পিতাপুত্ৰ' নামৰ উপন্যাসখন পঢ়িছে তেওঁলোকে মোৰ সেই সময়ৰ ঘৰুৱা পৰিৱেশ আৰু মানসিক অৱস্থাৰ কথা কিছু অনুমান কৰিব পাৰিব। কোৱা বাহুল্য যে মোৰ সমস্ত শৈশৱ আৰু কৈশোৰ জুৰি মই ব্যাকুলভাৱে প্ৰতীক্ষা কৰিছিলো সেই দিনটোলৈ—যিদিনা দাসত্বৰ চৰম আৰু অমৰ্যাদাৰ পৰা মুক্ত হৈ দেশ স্বাধীন হ'ব। মই ডিব্ৰুগড়ত

পাছিবলৈ যোৱাৰ কেইমাহমানৰ পিছতেই সেই বহু-প্ৰতীক্ষিত দিনটো আহিল। ১৯৪৭ চনৰ ১৫ আগষ্টত ভাৰত স্বাধীন হ'ল।

১৯৪৭ চনৰ ১৫ আগষ্টৰ কেবাদিনৰ আগৰ পৰাই মই একেলগে দুটা জ্বৰত ভুগিছিলো। এটা আছিল মেলেৰিয়া জ্বৰ। প্ৰায় প্ৰতিদিনেই জ্বৰ উঠে। ১০৩-৪ ডিগ্ৰী পৰ্যন্ত জ্বৰ হয়। দ্বিতীয় জ্বৰটো আছিল তাতোকৈ ভাঙৰ। সেইটো আছিল মানসিক উত্তেজনাৰ জ্বৰ। দুশ বছৰৰ পৰাধীনতাৰ অন্তত যি বহু-বাঞ্ছিত স্বাধীনতা আহিব ধৰিছে তাৰ ৰূপ কেনেকুৱা হ'ব, প্ৰথম দিনৰ কাৰণে স্বাধীন ভাৰতত ৰাতিপুৱা সাৰ পাই উঠি কেনে লাগিব, প্ৰথম স্বাধীনতা উৎসৱ কেনেভাৱে পালন কৰা হ'ব—এইবোৰ ভাব-চিন্তাই ১৫ আগষ্টৰ কেবাদিনৰ আগৰ পৰাই মোক উত্তেজনাত অস্থিৰ কৰি ৰাখিছিল। অৱশেষত ১৯৪৭ চনৰ ১৫ আগষ্টত আকাশত তৰা থাকোতেই মই যেতিয়া সাৰ পাই উঠিলো, তেতিয়াও মোৰ গাত প্ৰায় ১০০ ডিগ্ৰী জ্বৰ। তদুপৰি দুৰ্বলতাত মূৰ দাঙিব নোৱৰা অৱস্থা। কিন্তু দেশৰ আকাশত স্বাধীনতাৰ প্ৰথম সূৰ্যোদয় হ'বৰ দিনা মই জ্বৰ হ'ল বুলি বিছনাত আধামৰা হৈ শুই থাকিমনে? দুৰ্বলতা কাটি কৰি প্ৰায় জাঁপ মাৰি বিছনাৰ পৰা উঠিলো আৰু অলপ সময়ৰ পিছতেই 'কাছাৰি ফিল্ড' অভিমুখী আৱেগ-বিহ্বল বিপুল জনস্ৰোতত মই মিহলি হৈ গ'লো।

দিনটো কেনেকৈ গ'ল মই ক'ব নোৱাৰো। অতিপাত নিচা খোৱা মানুহৰ দৰে মোৰ বাহ্য-জ্ঞান আৰু চিন্তা-শক্তি প্ৰায় বিলুপ্ত হৈছিল। কেৱল মোৰ মনৰ ভিতৰৰ পৰা কোনোবা এটাই অবিৰামভাৱে চিঞৰি আছিল—'আজিৰ পৰা আমি স্বাধীন হ'লো। সৌ সিদিনালৈকে যিটো কথা অসম্ভৱ যেন লাগিছিল, সি আজি সঁচাকৈয়ে সম্ভৱ হ'ল। হাজাৰ হাজাৰ মানুহৰ চৰম আত্মত্যাগ আজি সাৰ্থক হ'ল।

উৎসৱৰ শেষত মই অকলে ঘৰলৈ ঘূৰিছো। মোৰ লগৰ আটাইবোৰ ল'ৰা চহৰৰ আটাইকেইটা চিনেমা হলত বিনামূলীয়াকৈ দেখুওৱা চিনেমা চাবলৈ গ'ল। কিন্তু জ্বৰ, লঘোন আৰু উত্তেজনাই মোক ইমান পৰিশ্ৰান্ত কৰি তুলিছিল যে চিনেমা চাবলৈ মোৰ গাত শক্তি নাছিল। কাছাৰি ফিল্ডৰ পৰা মোৰ খলিহামাৰীৰ বহালৈ ঘূৰি অহাৰ বাটতে বন্ধু এজনে লগ পাই মোক ক'লে—'স্বাধীনতা উৎসৱ কৰি আহিলি নহয়? পিছে শুনিছনে নাই, আজি যিদিনা ভাৰত স্বাধীন হ'ল, ঠিক সেইদিনাই নিবাৰণ ৰৰা জেললৈ গ'ল।'

মই অতি আচৰিত হৈ ধপহ কৰে বৈ গ'লো। ঠিক আজিৰ দিনটোতে নিবাৰণ বৰা কিয় জেললৈ যাব লগা হ'ল? বন্ধু জনে ক'লে—'তিনিআলি চাহবাগিচাৰ বনুৱাসকলে ধৰ্মঘট কৰিছিল। মদন শৰ্মা আৰু নিবাৰণ বৰাই ধৰ্মঘটৰ নেতৃত্ব দিছিল। ১৩ আগষ্টৰ দিনাই ধৰ্মঘট সমাপ্ত হৈছিল যদিও ১৫ আগষ্টৰ দিনা ৰাতিপুৱাতে Assam Public Maintenance Act, 1946 প্ৰয়োগ কৰি নিবাৰণ বৰাক গ্ৰেপ্তাৰ কৰি জেললৈ পঠোৱা হ'ল।

কথাটো শুনি আবেগত মোৰ সৰ্বশৰীৰ শিহৰিত হৈ উঠিল। আজি যি সময়ত আসমুদ্ৰ হিমাচল ভাৰতৰ কোটি কোটি মানুহ স্বাধীনতা উৎসৱৰ আনন্দত আত্মহাৰা হৈ আছে, ঠিক সেই দিনটোত নিবাৰণ বৰা জেললৈ গৈছে বনুৱাৰ স্বাৰ্থৰক্ষাৰ কাৰণে আন্দোলন কৰি? হঠাৎ স্বাধীনতা উৎসৱতকৈয়ো সেই ক্ষুদ্ৰ ঘটনাটো বেছি তাৎপৰ্যপূৰ্ণ বুলি মোৰ অনুভৱ হ'ল। মই নিবাৰণ বৰাক বীৰৰ আসনত বহুৱালো মোৰ হৃদয়ত।

এই ঘটনাৰ পিছতো ডিব্ৰুগড়ত মই প্ৰায় আৰু তিনিবছৰ আছিলো। এইখিনিতে মই এটা ব্যক্তিগত স্বীকাৰোক্তি কৰিব খোজোঁ। ওপৰতে কৈ আহিছো যে মোৰ কল্পনা-প্ৰৱণ কুমলীয়া মনত বিয়াল্লিশৰ গণ-বিপ্লৱে যি ধৰণৰ আবেগৰ ধুমুহা সৃষ্টি কৰিছিল তাৰ সমতুল্য দ্বিতীয় এটা ঘটনা মোৰ জীৱনত ঘটা নাই। বিয়াল্লিশত গণ-বিপ্লৱৰ পৰা কমিউনিষ্টসকল আঁতৰি আছিল। কিন্তু বিয়াল্লিশৰ বীৰ নায়কৰ ভূমিকাত অৱতীৰ্ণ হৈছিল জয়প্ৰকাশ নাৰায়ণ, অশোক মেহতা, অচ্যুত পটবৰ্ধন আৰু শংকৰ বৰুৱাৰ নিচিনা সমাজবাদী-সকল। বোধহয় এই কাৰণেই নিতান্ত মনস্তাত্বিক কাৰণত মই সমাজবাদীসকলৰ প্ৰতি এক বিশেষ দুৰ্বলতা অনুভৱ কৰি আহিছো। নিবাৰণ বৰাও সমাজবাদী আছিল। তেওঁৰ প্ৰতি মোৰ আকৰ্ষণৰ সিও নিশ্চয় এটা গৌণ কাৰণ আছিল। কিন্তু প্ৰধান কাৰণ আছিল নিবাৰণ বৰাৰ দুৰন্ত যৌৱন, শক্তিশালী ব্যক্তিত্ব আৰু উজ্জ্বল আদৰ্শবাদ। দেশ স্বাধীন হোৱাৰ প্ৰথম দিনটোতেই যিজন মানুহে শোষিত আৰু বঞ্চিত শ্ৰমিকৰ কাৰণে আন্দোলন কৰি জেললৈ গৈছিল, তেওঁক বীৰ বুলি গ্ৰহণ কৰি লৈছিল মোৰ মুগ্ধ কিশোৰ হৃদয়ে। কিন্তু ডিব্ৰুগড়ত ছাত্ৰ হৈ থকা সুদীৰ্ঘ তিনিটা বছৰত এদিনৰ কাৰণেও মই নিবাৰণ বৰাৰ কাষ চপা নাছিলো বা তেওঁৰ লগত চিনাকি হোৱাৰ চেষ্টা কৰা নাছিলো। মোৰ ভীৰু আৰু সংকুচিত স্বভাৱেই আছিল তাৰ থাই কাৰণ।

কিন্তু নিবাৰণ বৰাৰ লগত ঘনিষ্ঠতা স্থাপন নহ'লেও তেওঁৰ ভাই ননীগোপাল

বৰা আৰু মই কিছুদিনৰ কাৰণে পৰস্পৰৰ খুব ওচৰ চাপিব লগা হৈছিল— কাৰণ আমি দুয়ো সেই সময়ত আছিলো ডিব্ৰুগড়ৰ আটাইতকৈ বিখ্যাত ছাত্ৰ নেতা। মই পঢ়িছিলো ডিব্ৰুগড় চৰকাৰী হাইস্কুলত, আৰু ননীগোপাল আছিল জৰ্জ স্কুলৰ ছাত্ৰ। যি সময়ৰ কথা কৈছো সেই সময়ত মই আৰু ননীগোপাল দুয়ো আছিলো নিজৰ নিজৰ স্কুলৰ ছাত্ৰ সভাৰ প্ৰধান সম্পাদক। সেই সময়তে চৰকাৰে হঠাৎ স্কুলৰ মাচুল এটকাকৈ বঢ়াই দিলে। আমি ছাত্ৰবোৰ জাঙুল খাই উঠিলো আৰু মাচুল-বৃদ্ধিৰ বিৰুদ্ধে আন্দোলন কৰিবলৈ ঠিক কৰিলো। ডিব্ৰুগড়ৰ আটাইবোৰ স্কুলৰ প্ৰতিনিধিক লৈ এখন যুটীয়া কৰ্ম পৰিষদ গঠন কৰা হ'ল। মোৰ যিমানদূৰ মনত পৰে, ননীগোপাল আছিল সেই কৰ্ম পৰিষদৰ সভাপতি আৰু মই প্ৰধান সম্পাদক। আমি প্ৰায় তিনিমাহ আন্দোলন চলাইছিলো। মোৰ জীৱনত আন্দোলন কৰাৰ অভিজ্ঞতা সেয়েই প্ৰথম আৰু সেয়েই শেষ। মানুহে আজিৰ বিজ্ঞন চিৰ-নীৰৱ আৰু নিঃসঙ্গতা-প্ৰিয় হোমেন বৰগোহাঞিক জানে তেওঁলোকে কিজানি কল্পনাও কৰিব নোৱাৰিব যে কেৱল হোমেন বৰগোহাঞিৰ গৰম বক্তৃতা শুনিবলৈকে সেই সময়ত হাজাৰ হাজাৰ ছাত্ৰ একেঠাইতে সমবেত হৈছিল, আৰু বক্তৃতা শেষ কৰাৰ পিছতো শ্ৰোতাৰ অনুৰোধত তেওঁ বাৰে বাৰে বক্তৃতা দিবলৈ উঠিব লগা হৈছিল! কথাবাৰ কিন্তু মই বাহাদুৰি প্ৰকাশ কৰিবলৈ লেখা নাই। বৰং মোৰ জীৱনৰ এটা গোপন লজ্জা আৰু অপৰাধ-বোধ প্ৰকাশ কৰিবলৈহে মই এই কথাখিনি লিখিছো। অবিৰাম আত্ম-বিশ্লেষণ মোৰ এটা স্বভাৱ, আৰু সেই স্বভাৱ গঢ় লৈ উঠিছিল মোৰ আগ বয়সতেই। গৰম বক্তৃতা দি শ্ৰোতাসকলৰ পৰা জাউৰিয়ে জাউৰিয়ে হাত-চাপৰি পাই মোৰ সৰু বুকুখন গৰ্বত ফুলি উঠিছিল যদিও ৰাতি বিছনাত শুই শুই কিন্তু মই ভাবিছিলো: 'আজি যে বক্তৃতা দি শ্ৰোতাসকলক মুগ্ধ কৰিব পাৰিলো তাৰ কাৰণে মই সুখী আৰু গৰ্বিত অনুভৱ কৰাৰ আচল কাৰণটো কি? আমাৰ আন্দোলনে সকলো ছাত্ৰৰে উচ্ছ্বসিত সমৰ্থন লাভ কৰিছে বুলি ভাবিয়েই মই সুখী হৈছো, নে বহুতো মানুহৰ মন জয় কৰি মই নিজে বীৰৰ মৰ্যাদা পাইছো বুলি ভাবি মই বেছি সুখী হৈছো?' নিজৰ মুখামুখি হৈ মই যিমানবাৰ নিজকে এই প্ৰশ্নটো কৰিলো সিমানবাৰেই মই একেটা উত্তৰ পালো: বক্তৃতা দি ছাত্ৰসকলক উত্তেজিত কৰিবৰ সময়ত বা তেওঁলোকৰ হাত-চাপৰি পাই গৰ্ব অনুভৱ কৰিবৰ সময়ত আমাৰ আন্দোলনৰ মূল লক্ষ্যৰ কথা অন্ততঃ কিছুসময়ৰ কাৰণে

মই পাহৰি গৈছিলো; মোৰ মানস-চক্ষুৰ আগত ধুৰে তাণ্ডৱ হৈ দেখা দিছিল মোৰ নিজৰ স্বাৰ্থ, নিজৰ অহংকাৰ, মানুহৰ মাজত নিজকে নায়ক ৰূপে প্ৰতিষ্ঠা কৰাৰ বাসনা। হ'ব পাৰে, সকলো মানুহেই নিশ্চয় মোৰ নিচিনা নহয়। তেওঁলোকৰ বেছিভাগেই মোতকৈ ভাল। তথাপি মই যে গোটেই জীৱন ধৰি 'ডেমাগগিক' ঘৃণাৰ দৃষ্টিৰে আৰু বেছিভাগ জনপ্ৰিয় নেতাৰ আচল উদ্দেশ্যক সন্দেহৰ চকুৰে চাই আহিছো, তাৰ কাৰণ হ'ল মোৰ আজৱয়সৰ আত্মদৰ্শন।

ননীগোপালৰ লগত মুঠীয়াভাৱে আমাৰ আন্দোলন চলাবলগীয়া হোৱাৰ ফলত মই ননীগোপালৰ মুখেদি নিবাৰণ বৰাৰ বিষয়ে নানা কথা জানিব পাৰিছিলো। নিবাৰণ বৰাই আমাৰ আন্দোলন সম্পৰ্কে নানা দিহা-পৰামৰ্শও দিয়া বুলি শুনিছিলো। নিবাৰণ বৰাৰ যেতিয়া বিয়া হ'ল, তেতিয়া মোৰ নেতৃত্বত আমি এজাক উৎপতীয়া দুষ্ট ল'ৰাই অনিমন্ত্ৰিতভাৱে বিয়ালৈ গৈ নিমন্ত্ৰিত অতিথিৰ কাৰণে পাৰি থোৱা দুই-তিনিখন বেঞ্চ দখল কৰি লুচি-তৰকাৰীৰ ভাণ্ডাৰ প্ৰায় আধা শেষ কৰি আহিলো। কিন্তু তথাপি মই ডিব্ৰুগড়ত থকা তিনিটা বছৰত এদিনৰ কাৰণেও তেওঁৰ ওচৰলৈ গৈ চিনাকি নহ'লো।

## ॥ সাত ॥

কিন্তু সাপ্তাহিক নীলাচলৰ সম্পাদকৰ নিযুক্তি-পত্ৰ গ্ৰহণ কৰিয়েই যাৰ কথা সৰ্বপ্ৰথমে মোৰ মনত পৰিল তেওঁ হ'ল নিবাৰণ বৰা। সাপ্তাহিক নীলাচলৰ কাৰণে সহযোগিতা, দিহা-পৰামৰ্শ আৰু প্ৰবন্ধ-পাতি বিচাৰি মই অসমৰ প্ৰায় আটাইবোৰ বিশিষ্ট লেখক আৰু বুদ্ধিজীৱীলৈ চিঠি দিছিলো। মোৰ পক্ষে পৰম সৌভাগ্যৰ কথা যে তেওঁলোকৰ প্ৰত্যেকজনেই লগে লগে চিঠিৰ উত্তৰ দিছিল আৰু বিভিন্ন প্ৰকাৰে নিজকে সাপ্তাহিক নীলাচলৰ লগত জড়িত কৰিছিল। কিন্তু একমাত্ৰ নিবাৰণ বৰাৰ লগত মোৰ আৰু লগতে নীলাচলৰো এক বিশেষ সম্পৰ্ক গঢ়ি উঠিছিল—যাৰ প্ৰতিক্ৰিয়া অসমৰ ৰাজনীতিলৈকে কিছুদূৰ প্ৰসাৰিত হ'ল যেন বুলি মোৰ অনুভৱ হয়।

নিবাৰণ বৰাৰ লগত মোৰ বিশেষ সম্পৰ্ক গঢ়ি উঠাৰ এটা কাৰণ ওপৰত উনুকিয়াই আহিছো। ১৯৪৭ চনৰ ১৫ আগষ্টৰ দিনা ভাৰতে স্বাধীনতা

পাৰৰ সময়ত বিজন উজ্জ্বল আৰু অহংকাৰী জেকাই শ্ৰমিক-ধৰ্মঘটৰ নেতৃত্ব দি কাৰাগাৰলৈ গৈছিল, তেওঁক মই মোৰ কল্পনাত বীৰ নায়কৰ আসন দিছিলো ; তেওঁৰ সেই ৰূপটো মই মনৰ মাজত সাঁচি থৈছিলো। অনুপৰি তেওঁৰ ঘনিষ্ঠ সংস্পৰ্শলৈ অহাৰ সুযোগ নাপালেও মই দূৰৰ পৰাই তেওঁৰ ব্যক্তিত্ব আৰু 'প্ৰতিভাৰ দীপ্তিত মুগ্ধ হৈছিলো। মই প্ৰতিভাৰ পূজাৰী। মানুহৰ সৰ্বপ্ৰকাৰ উন্নতিৰ মূলতেই আছে কিছুমান বছা বছা মানুহৰ বিশেষ প্ৰতিভা। পৃথিৱীৰ প্ৰত্যেকজন মানুহেই কিছুমান বিশেষ মানুহৰ প্ৰতিভাৰ ওচৰত চিৰ-ঋণী, কাৰণ একমাত্ৰ প্ৰতিভাৰ পোহৰতেই মানুহে যুগে যুগে ধীৰ উন্নতিৰ পথ আৰু দিশ বিচাৰি পাইছে। সেই কাৰণে সৰু-বৰ যি কোনো প্ৰতিভাৰ অপচয় সমগ্ৰ মানৱ-সমাজৰ কাৰণেই এটা অপূৰণীয় ক্ষতি। মই সকলো সময়তে প্ৰতিভাৰ সন্ধান কৰোঁ আৰু যি মানুহৰ মাজতেই অলপ পৰিমাণে হ'লেও প্ৰতিভা দেখিবলৈ পাওঁ, তেওঁকেই তুলি ধৰিবলৈ চেষ্টা কৰোঁ। অৱশ্যে তাকে কৰি মই সমাজৰ উপকাৰ কৰা বুলি ভাবি গৰ্ব বা আত্ম-প্ৰসাদ অনুভৱ কৰিবৰ নোখোজোঁ। মই ভাবো যে প্ৰতিভাক স্বীকৃতি দি বা প্ৰতিভাৰ বিকাশ-সাধনৰ কাৰণে চেষ্টা কৰি মই আচলতে নিজৰহে উপকাৰ কৰো, কাৰণ সেই প্ৰতিভাৰ সৃষ্টি বা দান ময়ো উপভোগ কৰিবলৈ পাওঁ। নিবাৰণ বৰা যে এজন প্ৰতিভাবান মানুহ আছিল সেই বিষয়ে কোনো সন্দেহ নাই। কিন্তু এটা কথা লক্ষ্য কৰি মই খুব বিস্মিত আৰু ব্যথিত হৈছিলো যে যৌৱনৰ শ্ৰেষ্ঠ দিনবোৰত নিবাৰণ বৰাই তেওঁৰ প্ৰতিভা অনুযায়ী বিশেষ একো উল্লেখযোগ্য কাম কৰি দেখুৱাব নোৱাৰিলে। শ্ৰমিক নেতা হিচাপে অৱশ্যে তেওঁ সৰ্বভাৰতীয় ক্ষেত্ৰতো কিছু নাম কৰিছিল ; কিন্তু সেই নাম আৰু নিজৰ প্ৰতিভাৰ জোৰেৰে তেওঁ যিমান ওপৰলৈ যাব পাৰিব লাগিছিল সিমান ওপৰলৈ যাব নোৱাৰিলে। ১৯৪৭ চনৰ পৰা ১৯৬৮ চনলৈকে এই বিশ বছৰ কাল মই দূৰৰ পৰাই নিবাৰণ বৰাক লক্ষ্য কৰি থাকিলো—দুখ আৰু হতাশাৰে। ১৯৬৮ চনত মই যিদিনাই নীলাচলৰ সম্পাদকৰ দায়িত্ব গ্ৰহণ কৰিলো সেই দিনাই মই ঠিক কৰিলো যে মই এনেভাৱে নিবাৰণ বৰাৰ প্ৰতিভাৰ অপচয় হ'বলৈ নিদিম। মই তেওঁক ৰাজনৈতিক নেতা কৰিব নোৱাৰিব পাৰো, কিন্তু টানি-আজুৰি হ'লেও মই নিশ্চয় তেওঁক এজন লেখক কৰিব পাৰিম। নীলাচলে মোক সেই সুযোগ আনি দিছে। অসমত ৰাজনীতি আৰু অৰ্থনীতিৰ বিষয়ে তথ্যপূৰ্ণ আৰু বিশ্লেষণ-ধৰ্মী প্ৰবন্ধ লিখিব পৰা মানুহৰ একান্তই অভাৱ। নিবাৰণ বৰাই

সেই অভাৱ পূৰাব পাৰিব বুলি মোৰ দৃঢ় বিশ্বাস আছিল। সেই কাৰণে নীলাচললৈ প্ৰবন্ধ আৰু সহযোগিতা বিচাৰি বিভিন্ন মানুহলৈ চিঠি লিখিবলৈ ধৰিয়েই মই প্ৰথমখন চিঠি লিখিলো নিবাৰণ বৰালৈ।

নিবাৰণ বৰাই লগে লগে চিঠিৰ উত্তৰ দিলে। প্ৰবন্ধও পঠালে। ১৯৭৫ চনত জৰুৰী অৱস্থা ঘোষণা হোৱাৰ পিছত নিবাৰণ বৰা জেললৈ নোযোৱালৈকে তেওঁ আছিল নীলাচলৰ এজন প্ৰধান লেখক আৰু প্ৰধান আকৰ্ষণ। অসমৰ ৰাজনীতি, অৰ্থনীতি আৰু শিল্প-বাণিজ্যৰ বিষয়ে নিবাৰণ বৰাই যিবোৰ তথ্যপূৰ্ণ আৰু বিশ্লেষণ-ধৰ্মী প্ৰবন্ধ লিখিছিল, সেইবোৰে অসমীয়া সাংবাদিকতাত এটা নতুন অধ্যায়ৰ সূচনা কৰিছিল। কিন্তু কোনোবাই যদি ভাবে যে মই প্ৰবন্ধৰ কাৰণে অনুৰোধ কৰি নিবাৰণ বৰালৈ চিঠি লিখিলো আৰু তেওঁ লগে লগে প্ৰবন্ধ লিখিবলৈ ধৰি গ'ল, তেতিয়া কিন্তু ডাঙৰ ভুল কৰা হ'ব। নিবাৰণ বৰাৰ কুম্ভকৰ্ণ-নিদ্ৰা ভঙ্গ কৰিবলৈ মই যথেষ্ট সাধনা কৰিব লগা হৈছিল। নহয়, ৰামায়ণৰ কুম্ভকৰ্ণৰ কাহিনীতকৈ মহাভাৰতৰ হনুমানৰ কাহিনীহে বোধ হয় মোৰ বক্তব্য স্পষ্ট কৰিবৰ কাৰণে বেছি প্ৰাসঙ্গিক হ'ব। এই কাহিনীটো আছে মহাভাৰতৰ বন-পৰ্বত। অৰ্জুনে শিৱৰ পৰা পাশুপাত অস্ত্ৰ আনিবলৈ গৈ দেখিলে যে তেওঁৰ বাট ভেটি শুই আছে হনুমান। হনুমানে অৰ্জুনক ক'লে যে তেওঁ এতিয়া জৰা-গ্ৰস্ত, উঠিবৰ শক্তি নাই। অৰ্জুনে তেওঁক দাঙি একাষৰীয়াকৈ থৈ বাট মোকলাই লব পাৰে। অৰ্জুনে কিন্তু শৰীৰৰ সৰ্বশক্তি প্ৰয়োগ কৰিও হনুমানৰ নেজডালকে লৰাব নোৱাৰিলে। অৰ্জুনে তেতিয়া নিৰুপায় হৈ হাত-যোৰ কৰি হনুমানৰ স্তুতি কৰিবলৈ ধৰিলে, অৰ্থাৎ হনুমানৰ বল-বীৰ্য আৰু অসাধাৰণ চমক-প্ৰদ কীৰ্তি-কলাপবোৰৰ কথা তেওঁক সোঁৱৰাই দিবলৈ ধৰিলে। অৰ্জুনৰ মুখত নিজৰ গুণ-কীৰ্তন শুনি হনুমানৰ সকলো অৱসাদ দূৰ হ'ল; হেৰুৱা বল-বীৰ্য তেওঁ আকৌ ঘূৰাই পালে। নিবাৰণ বৰাক লেখক কৰিবৰ কাৰণেও মই অৰ্জুনৰ কৌশলকেই অৱলম্বন কৰিব লগা হৈছিল। সেই কৌশলে যে কাম দিছিল তাৰ স্বীকৃতি আছে নিবাৰণ বৰাই সেই সময়ত মোলৈ লেখা অসংখ্য চিঠিপত্ৰত। অৱশ্যে এইখিনিতে এই কথাও কৈ থোৱা ভাল যে কেৱল নিবাৰণ বৰাৰ ক্ষেত্ৰতে নহয়, আৰু কেবাজনো মানুহৰ ক্ষেত্ৰতো মই এই কৌশল প্ৰয়োগ কৰিব লগা হৈছিল।

১৯৬৮ চনৰ পৰা ১৯৭৭ চনলৈকে মই প্ৰায় ন বছৰ সাপ্তাহিক নীলাচলৰ

সম্পাদক আছিলো। এই ন বছৰত নিবাৰণ বৰাৰ লগত মোৰ বন্ধুত্ব ক্ৰমে ক্ৰমে গাঢ় হৈ আহিছিল। তেওঁৰ সকলো কথাই যে মই পছন্দ কৰিছিলো সেই কথা নিশ্চয় নহয়। উদাহৰণ স্বৰূপে বহুত মানুহে ছাটোতে বাঘটো বা ভূতটো দেখাৰ দৰে নিবাৰণ বৰাই প্ৰায় প্ৰতিজন অসমীয়া বুদ্ধিজীবী আৰু সাংবাদিকক্রে চি আই এ-ৰ দালাল বুলি সন্দেহ কৰাৰ প্ৰৱণতা মই ভাল পোৱা নাছিলো। অসম তথা গোটেই ভাৰতত যে চি আই এ-ৰ বেছ কিছু ভাৰতীয় দালাল আছে সেই বিষয়ে কোনো সন্দেহ নাই। কিছুদিনৰ আগতে মোৰাৰজী দেশাইয়ে এজন আমেৰিকান সাংবাদিকৰ বিৰুদ্ধে কৰা মানহানি মোকৰ্দমাত সাক্ষ্য দিবলৈ আহি আমেৰিকা যুক্তৰাষ্ট্ৰৰ এজন ভূতপূৰ্ব বিদেশ-সচিব হেনৰি কিছিঞ্জাৰে নিজেই স্বীকাৰ কৰিছে যে ভাৰতত তেওঁলোকৰ চোৰাংচোৱা-চক্ৰ অতি সক্ৰিয় আৰু কৰ্মদক্ষ। ভাৰতৰ ভিতৰতো আকৌ উত্তৰ-পূৰ্বাঞ্চল ভৌগোলিক-ৰাজনৈতিক দিশৰ পৰা অতি গুৰুত্বপূৰ্ণ হোৱাৰ কাৰণে ইয়াত যে চি আই এ বেছি সক্ৰিয় হ'ব সেই বিষয়ে কোনো সন্দেহ নাই। কিন্তু সেই বুলি নিবাৰণ বৰাই ভবাৰ মতে প্ৰতি তিনিজন অসমীয়া বুদ্ধিজীবীৰ ভিতৰত এজনেই চি আই এ-ৰ দালাল বুলি মই মানি লব নোৱাৰো। মই নীলাচলৰ সম্পাদক হোৱাৰ প্ৰথম বছৰৰ ভিতৰতে নিবাৰণ বৰাই চি আই এ সম্পৰ্কে মোক ইমান আতঙ্কিত কৰি তুলিছিল যে মই একাধিকবাৰ নীলাচলৰ সম্পাদক পদ ত্যাগ কৰাৰ কথাই ভাবিব লগা হৈছিল। সি যি কি নহওক, পিছলৈ মই এই সিদ্ধান্ত কৰিলো যে নিবাৰণ বৰাৰ বহুতো গুণ থকা স্বত্বেও তেওঁৰ এটা বিশেষ দুৰ্বলতা হ'ল অকাট্য তথ্য আৰু প্ৰমাণলৈ অপেক্ষা নকৰি অনুমানৰ ওপৰত মাজে মাজে নক'বলগীয়া কথা কৈ দিয়াটো। গতিকে তেওঁৰ কথাত মই মুখেৰে হয় হয় বুলি হয়ভৰ দি গ'লেও আচলতে কিন্তু ভালকৈ চালি-জাৰি চাইহে মই তেওঁৰ কথাবোৰ গ্ৰহণ কৰিবলৈ ধৰিলো। অৱশ্যে তেওঁৰ এই বিশেষ দুৰ্বলতা উল্লেখ কৰাৰ উদ্দেশ্য এই নহয় যে তেওঁৰ প্ৰতি মোৰ স্নেহ আৰু শ্ৰদ্ধা কমি গৈছিল বুলি মই প্ৰমাণ কৰিব খুজিছো। প্ৰত্যেক মানুহৰেই নিজস্ব fixation জাতীয় দুৰ্বলতা থাকে। কেৱল নিজে তাৰ গম নাপায়।

## ॥ আঠ ॥

১৯৬৯ চনত নিবাৰণ বৰা আছিল ছচিয়েলিষ্ট পাৰ্টিৰ অসম শাখাৰ সভাপতি। জৰ্জ ফাৰ্ণাণ্ডেজ আছিল সেই পাৰ্টিৰ সৰ্বভাৰতীয় সম্পাদক। সেই বছৰতে তেওঁ এবাৰ অসমলৈ আহোঁতে নিবাৰণ বৰাই মোক তেওঁৰ লগত চিনাকি কৰাই দিলে। কিন্তু তেওঁৰ লগত বেছি ঘনিষ্ঠভাৱে কথা পাতিবলৈ সুযোগ পালো তেতিয়াহে—যেতিয়া নিবাৰণ বৰাৰ অনুৰোধত মই মোৰ গাড়ীৰে জৰ্জ ফাৰ্ণাণ্ডেজক বৰঝাৰ বিমান-কোঠত থবলৈ যাব লগা হ'ল। নতুন মানুহ লগ পালেই মই সদায় চিকুটি চাবলৈ চেষ্টা কৰো—মানুহজন কেৱল এক-মাত্ৰা-বিশিষ্ট নে বহু-মাত্ৰা-বিশিষ্ট। যি ৰাজনীতিকে ৰাজনীতিৰ বাহিৰে আন একো কথাই চিন্তা নকৰে, তেওঁ ৰাজনীতিক হিচাপে যিমানেই সৎ আৰু সফল নহওক কিয়, মানুহ হিচাপে তেওঁ অতি সীমাবদ্ধ। ডাক্তৰ, ইঞ্জিনিয়াৰ, উকিল, শিক্ষক প্ৰভৃতি সকলোবিধৰ বৃত্তিৰ মানুহৰ গাতেই এই কথা খাটে। নিজৰ বৃত্তিটোৰ বাহিৰে আন একো কথা চিন্তা নকৰা বা আন একো কথাৰ প্ৰতি কৌতূহল অনুভৱ নকৰা মানুহবোৰ নিজৰ নিৰ্বাচিত কৰ্মক্ষেত্ৰত যিমানেই যশস্বী বা কৃতকাৰ্য নহওক কিয়, মানুহ হিচাপে তেওঁলোক সীমিত আৰু অনাকৰ্ষণীয়।

জৰ্জ ফাৰ্ণাণ্ডেজক প্ৰথমবাৰৰ কাৰণে অতি ওচৰৰ পৰা লগ পাই তেওঁকো মোৰ চিকুটি চাবলৈ মন গ'ল। মই তেওঁক সুধিলো—'ৰাজনীতিৰ বাহিৰেও আন আৰু কি বিষয়ে আপোনাক আকৃষ্ট কৰে?' মোৰ প্ৰশ্ন শুনাৰ লগে লগে জৰ্জ ফাৰ্ণাণ্ডেজৰ মুখত এটা অদ্ভুত ভাৱান্তৰ ঘটিল। নিশাহত জুই বৰষা ৰাজনীতিক জনৰ মুখখন আৰু চকুদুটা স্বপ্নৰ আবেশত কোমল হৈ আহিল। গুৱাহাটীৰ পৰা বৰঝাৰলৈকে এই গোটেই বাটছোৱা আমি ৰাজনীতিৰ বিষয়ে এটাও কথা নাপাতিলো। কথা পাতিলো কেৱল কবিতাৰ বিষয়ে, প্ৰাকৃতিক সৌন্দৰ্যৰ healing power তথা নিৰাময়কাৰী শক্তিৰ বিষয়ে, জীৱনৰ ৰহস্যৰ বিষয়ে। বৰঝাৰত উপস্থিত হৈ গম পালো—সেই দিনা বিমান প্ৰায় দুঘণ্টা পলম। গতিকে বিমান-কোঠৰ বেষ্টুৰেণ্টত বহি কফিৰ কাপ আগত লৈ আমি

আৰু বহুকেইটা অন্যায়-কৰ্ম কৰিলো। ৰাজনীতিকৰ লগত এনে অভিজ্ঞতা খুব কচিৎহে হয়। সেই কাৰণেই জৰ্জ ফাৰ্ণাণ্ডেজৰ লগত হোৱা এই অভিজ্ঞতাৰ কথা বিশেষভাবে উল্লেখ কৰিলো।

বিদায় লোৱাৰ আগতে মই জৰ্জ ফাৰ্ণাণ্ডেজক 'নীলাচলৰ' কাৰণে এটা প্ৰবন্ধ লিখিবলৈ অনুৰোধ কৰিলো। তেওঁ ক'লে যে বিলাতৰ 'ট্ৰিবিউন' কাকতৰ কাৰণে তেওঁ এটা প্ৰবন্ধ লিখি থৈছে। দিল্লীলৈ ঘূৰি গৈ তেওঁ সেই প্ৰবন্ধটোকে মোলৈ পঠাই দিব। সঁচাকৈ দিলেও। ক'ত এসময়ৰ এনুৰিন বিভান সম্পাদিত 'ট্ৰিবিউন' আৰু ক'ত 'নীলাচল'? কিন্তু জৰ্জ ফাৰ্ণাণ্ডেজে এক কথাত মোলৈ সেই প্ৰবন্ধ পঠাই দিলে। জৰ্জ ফাৰ্ণাণ্ডেজৰ নিচিনা মানুহ মই খুব কমেই লগ পাইছো। মই মানুহজনৰ কথা কৈছো। ৰাজনীতিবিদজনৰ কথা কোৱা নাই।

জৰ্জ ফাৰ্ণাণ্ডেজক আৰু এবাৰ মাত্ৰ লগ পাইছিলো। ১৯৬৯ চনৰ শেষৰ ফালে দিল্লীলৈ গৈছিলো। গোলাপ বৰবৰাৰ (তেতিয়া ৰাজ্যসভাৰ সদস্য) ঘৰত আলহী আছিলো। গোলাপ বৰবৰাই টেলিফোন কৰি মই আহিছো বুলি জৰ্জক খবৰ দিয়াত তেওঁ আমাক তেওঁৰ ঘৰলৈ মাতিলে। সেইবাৰ অৱশ্যে প্ৰায় এঘণ্টা সময় ৰাজনীতিৰ বিষয়েই আলোচনা হ'ল। কি কথা আলোচনা হ'ল সমূলি পাহৰিছো। কেৱল মনত আছে জৰ্জ ফাৰ্ণাণ্ডেজৰ মধুৰ নম্ৰতা, শান্ত কণ্ঠস্বৰ আৰু তেওঁৰ স্বপ্নৰ ভৱিষ্যতৰ কাৰণে মানুহজনৰ প্ৰতীক্ষাৰ অস্থিৰতা।

**॥ ন ॥**

গোলাপ বৰবৰাৰ নামটোৰ লগত মোৰ প্ৰথম পৰিচয় হৈছিল বীৰেন্দ্ৰকুমাৰ ভট্টাচাৰ্যৰ দ্বাৰা সম্পাদিত আৰু অধুনা-লুপ্ত 'নৱযুগ' নামৰ সাপ্তাহিক আলোচনীত। তাৰ আগতেও হয়তো তেওঁৰ নামটো শুনিছিলো, কিন্তু সি মোৰ মনত বিশেষ ৰেখাপাতকৰা কথা নাছিল। 'নৱযুগ'ত গোলাপ বৰবৰাৰ চাহ-শিল্পৰ বিষয়ে এটা প্ৰবন্ধ পঢ়ি মই মানুহজনৰ প্ৰতি বিশেষভাৱে আকৃষ্ট হ'লো। বহু-চৰ্চিত বিষয় এটাৰ আলোচনাৰ মাজতো মানুহজনৰ মৌলিক চিন্তা-শক্তি ফুটি উঠিছিল। 'নীলাচল'ৰ সম্পাদনাৰ দায়িত্ব লৈ মই আন আন বহুতো

মানুহৰ লগতে গোলাপ বৰবৰাৰ লগতো ঘনিষ্ঠ সম্পৰ্ক গঢ়ি তুলিবলৈ পালো।

'নীলাচল'খন যাইকৈ কংগ্ৰেছ-সমৰ্থক কাকত হিচাপেই জনসাধাৰণৰ মাজত পৰিচিত হৈ উঠিছিল। শৰৎচন্দ্ৰ সিংহক ক্ষমতালৈ অনাত আৰু প্ৰথম অৱস্থাত তেওঁৰ চৰকাৰৰ ভাব-মূৰ্তি গঢ়ি তোলাত 'নীলাচলে' এটা বিশেষ ভূমিকা লৈছিল। তেনে অৱস্থাতো গোলাপ বৰবৰাই সিংহ চৰকাৰৰ তীব্ৰ সমালোচনা কৰি লেখা চিঠি বা প্ৰবন্ধ 'নীলাচল'ৰ প্ৰথম পৃষ্ঠাতে প্ৰকাশ পাইছিল। এইবোৰ কাৰণতে গোলাপ বৰবৰাৰ লগত মোৰ বন্ধুৰ পাৰস্পৰিক শ্ৰদ্ধা আৰু বিশ্বাসৰ ভিত্তিত ক্ৰমাৎ গাঢ়তৰ হৈ আহিছিল। কিন্তু ঘটনা-ক্ৰমে মই ব্যক্তিগত-ভাৱেও মানুহজনৰ অতি ওচৰ চাপিবলৈ সুযোগ পাইছিলো—যাৰ ফলত যিকেইজন মুষ্টিমেয় শীৰ্ষ-স্থানীয় অসমীয়া ৰাজনীতিকক মই অতি ঘনিষ্ঠভাৱে জানো তেওঁলোকৰ ভিতৰত গোলাপ বৰবৰাও এজন বুলি মই দাবী কৰো।

১৯৬৯ চনৰ আগভাগত মই পাতিয়ালাৰ পাঞ্জাবী বিশ্ববিদ্যালয়ত অনুষ্ঠিত নিখিল ভাৰত পি ই এন কংগ্ৰেছৰ ( পয়েট, এছেয়িষ্ট এণ্ড নভেলিষ্ট কংগ্ৰেছ ) বাৰ্ষিক অধিবেশনত এজন নিমন্ত্ৰিত বক্তা হিচাপে যোগ দিবলৈ যাব লগা হৈছিল। গোলাপ বৰবৰাই কথাটো কেনেবাকৈ গম পালে। সেই সময়ত তেওঁৰ লগত মোৰ চা-চিনাকি আৰম্ভ হৈছে যদিও বন্ধুত্ব গঢ়ি উঠা নাই। তথাপিও তেওঁ মোক দিল্লীত তেওঁৰ ঘৰত আলহী হ'বলৈ নিমন্ত্ৰণ কৰিলে। ( তেওঁ সেই সময়ত ৰাজ্য সভাৰ সদস্য আছিল )। মই সাধাৰণতে মানুহৰ ঘৰত, আনকি ঘনিষ্ঠ আত্মীয়-কুটুম্বৰ ঘৰতো, আলহী হৈ ভাল নাপাওঁ। গতিকে গোলাপ বৰবৰাৰ নিমন্ত্ৰণ উপেক্ষা কৰিবলৈকে মই ঠিক কৰিলো। কিন্তু হাওৰাৰ পৰা ৰাজধানী এক্সপ্ৰেছত গৈ নতুন দিল্লী ষ্টেছনত নামিয়েই দেখিলো—ট্ৰেন প্ৰায় তিনি ঘণ্টা লেট হোৱা সত্ত্বেও গোলাপ বৰবৰাই মোক তেওঁৰ ঘৰলৈ আদৰি নিবলৈ অপেক্ষা কৰি আছে। এনে আন্তৰিক আৰু অকৃত্ৰিম আদৰক নেওচা দিয়া যায় কেনেকৈ ?

সেইবাৰ গোলাপ বৰবৰাৰ ঘৰত কেবাদিনো থাকিলো। থাকি মোৰ ডাঙৰ লাভ হ'ল। গোলাপ বৰবৰাক ঘনিষ্ঠভাৱে জানিবলৈ সুযোগ পালো। মই বহুতো অসমীয়া পণ্ডিত আৰু ৰাজনীতিকক জানো—যিসকলে কিতাপ পঢ়ে কেৱল আনৰ আগত নিজৰ বিদ্যা জাহিৰ কৰি বাহ্ বা লবলৈ। তেওঁলোকে কথাবোৰ ভাটৌৰ দৰে মুখস্থ কৰে, কিন্তু নিজে একো চিন্তা নকৰে। এটা

তাৰ ব্যতিক্ৰম দেখিছোঁ গোলাপ বৰবৰাৰ ক্ষেত্ৰত। মানুহজনে বিভিন্ন বিষয়ে গভীৰভাৱে অধ্যয়ন কৰে আৰু সেইবোৰৰ বিষয়ে মৌলিকভাৱে চিন্তাও কৰে। কিন্তু চিঞৰ-বাখৰ বা হুলস্থুল কৰি নিজৰ বিদ্যা জাহিৰ কৰিবলৈ কেতিয়াও চেষ্টা নকৰে। বহুতো তথাকথিত পণ্ডিততকৈ গোলাপ বৰবৰাৰ লগত কথা পাতি মই ৰাজনীতি, সংস্কৃতি আৰু সমসাময়িক ইতিহাসৰ বিষয়ে বেছি কথা শিকিছো। গোলাপ বৰবৰাৰ অধ্যয়নৰ পৰিধিৰ বিষয়ে এটি সৰু কথা ক'লেই যথেষ্ট হ'ব। এবাৰ গোলাপ বৰবৰা আৰু মই একেলগে শিলচৰৰ পৰা গুৱাহাটীলৈ ট্ৰেনেৰে আহিব লগা হ'ল। সেইবাৰ গোলাপ বৰবৰাৰ হাতত ভ্ৰমণ-সঙ্গী হিচাপে আছিল ইংৰাজ লেখক জিওফ্ৰে আৰ্চাৰৰ এখন ৰাজনৈতিক উপন্যাস। কিতাপৰ জগতখনৰ লগত মোৰ কিছু পৰিচয় আছে বুলি মানুহে ভুলকৈয়ে ভাবে; কিন্তু গোলাপ বৰবৰাৰ হাতত জিওফ্ৰে আৰ্চাৰৰ কিতাপ দেখাৰ আগলৈকে মই তেওঁৰ নামটোও শুনা নাছিলো। শান্ত, নম্ৰ আৰু স্বল্পবাক গোলাপ বৰবৰাই জ্ঞানাৰ্জন আৰু আনন্দ-লাভৰ কাৰণেই কিতাপ পঢ়ে; বিদ্যা জাহিৰ কৰি আনক চমক লগাবৰ কাৰণে কিতাপ নপঢ়ে।

## ॥ দহ ॥

সাপ্তাহিক নীলাচলে প্ৰথম আত্মপ্ৰকাশ কৰিছিল ১৯৬৮ চনৰ ২ অক্টোবৰত। ৰাজনৈতিকভাৱে সময়খিনি আছিল বিশেষ গুৰুত্বপূৰ্ণ, কাৰণ তাৰ আগতে ১৯৬৭ চনৰ সাধাৰণ নিৰ্বাচনত কংগ্ৰেছে কেবাখনো ৰাজ্যত ক্ষমতা হেৰুৱাইছিল আৰু বাকীবোৰ ৰাজ্যতো বিৰোধী পক্ষৰ শক্তি আগতকৈ অনেকগুণে বৃদ্ধি পাইছিল। সমগ্ৰ দেশতে বিভিন্ন ৰাজনৈতিক শক্তিৰ মাজত ক্ষমতাৰ সংগ্ৰাম এক নতুন পৰ্যায়ত উপনীত হৈছিল। তেনে অৱস্থাতে ১৯৬৯ চনৰ আগভাগত কোনোবা এদিন কমিউনিষ্ট নেতা আৰু অসম বিধান সভাৰ সদস্য ফণী বৰাই মোৰ ওচৰলৈ আহি প্ৰস্তাৱ কৰিলে যে মই বিৰোধী পক্ষৰ হৈ এটা ৰাজনৈতিক দৌত্যৰ দায়িত্ব লব লাগে। মই শৰৎচন্দ্ৰ সিংহৰ ওচৰলৈ গৈ তেওঁক কংগ্ৰেছ ত্যাগ কৰিবলৈ আৰু বিৰোধী পক্ষৰ সহযোগত এখন অ-কংগ্ৰেছী চৰকাৰ গঠন কৰিবলৈ সৈমান কৰাব লাগে।

শৰৎচন্দ্ৰ সিংহৰ নামটোৰ লগত মই সাধাৰণভাৱে পৰিচিত আছিলোঁ যদিও তেওঁৰ লগত তেতিয়ালৈকে মোৰ ব্যক্তিগত চা-চিনাকি নাছিল। মানুহজনৰ বিষয়েও মই বিশেষ একো কথাই নাজানিছিলো। যি সময়ৰ কথা কৈছো সেই সময়ত শৰৎচন্দ্ৰ সিংহ আছিল অসম প্ৰদেশ কংগ্ৰেছ কমিটিৰ উপ-সভাপতি। সভাপতি আছিল বিজয়চন্দ্ৰ ভাগৱতী। শৰৎচন্দ্ৰ সিংহ হঠাতে ফণী বৰাৰ দৰে বিৰোধী নেতাৰ চকুত গুৰুত্বপূৰ্ণ হৈ উঠাৰ কাৰণটো হ'ল এই যে তেওঁ সেই সময়ত কংগ্ৰেছৰ কেতবোৰ নীতি আৰু আদৰ্শক চোকা ভাষাৰে সমালোচনা কৰিবলৈ আৰম্ভ কৰিছিল। তেওঁৰ সমালোচনাৰ ভাষা শুনি স্বাভাৱিকতে বহুতৰে মনত ধাৰণা হৈছিল যে কংগ্ৰেছ সম্পৰ্কে তেওঁৰ সম্পূৰ্ণ মোহ ভঙ্গ ঘটিছে; দৰকাৰ হ'লে তেওঁ কংগ্ৰেছৰ পৰা ওলাই আহিবলৈকো কুণ্ঠিত নহ'ব। সেই সময়ত অসম বিধান সভাত বিৰোধী পক্ষৰ সদস্য ইমান আছিল যে শৰৎচন্দ্ৰ সিংহই মাত্ৰ কেইজনমান কংগ্ৰেছী বিধায়কক দলত্যাগ কৰিবলৈ সন্মত কৰাব পাৰিলেই তেওঁৰ নেতৃত্বত অসমৰ প্ৰথম অ-কংগ্ৰেছী চৰকাৰ গঠন কৰাটো সম্ভৱ হ'ব বুলি ফণী বৰাহঁতৰ মনত বিশ্বাস হৈছিল।

ফণী বৰাই যেতিয়া ৰাজনৈতিক দৌত্যৰ প্ৰস্তাৱটো লৈ মোৰ ওচৰলৈ আহিছিল তেতিয়া মই সাংবাদিকতাত তেনেই অনভিজ্ঞ। তেৰ বছৰ চৰকাৰী চাকৰি কৰাৰ পিছত সাংবাদিকতাৰ কোনো অভিজ্ঞতা নোহোৱাকৈয়ে সেই মাত্ৰ এখন ৰাজনৈতিক বাৰ্তালোচনীৰ সম্পাদনাৰ দায়িত্ব লৈছো। চাকৰি জীৱনৰ হীনমন্যতাৰ ভাব তেতিয়াও মোৰ মনত প্ৰবলভাৱে ক্ৰিয়াশীল। আজি হোৱা হ'লে মই তেনে এটা প্ৰস্তাৱ কেতিয়াও গ্ৰহণ নকৰিলোহেঁতেন। কিন্তু সেই সময়ত মই সাংবাদিকতাৰ যোগেদি অসমৰ ৰাজনীতিত নিজৰ প্ৰভাৱ বিস্তাৰ কৰাৰ সপোনত তথা 'কিংমেকাৰ' হোৱাৰ সপোনত বিভোৰ। গতিকে ফণী বৰাৰ প্ৰস্তাৱত মই বিনাবাক্যব্যয়ে ৰাজী হৈ গ'লো।

আগতীয়াকৈ সাক্ষাতৰ সময় ঠিক কৰি এদিন ৰাতিপুৱা মই শৰৎচন্দ্ৰ সিংহৰ ঘৰলৈ গ'লো। মোৰ লগত আছিল সাপ্তাহিক নীলাচলৰ স্বত্বাধিকাৰী মুনীন্দ্ৰ নাৰায়ণ দত্তবৰুৱা। নিয়মমতে তেওঁ মোৰ লগত যোৱা উচিত নাছিল; কিন্তু তেওঁৰ আগ্ৰহাতিশয্য দেখি অনিচ্ছা-সত্ত্বেও মই তেওঁক লগত নিবলৈ বাধ্য হ'লো।

মোৰ প্ৰস্তাৱৰ উত্তৰত শৰৎচন্দ্ৰ সিংহই ক'লে যে কংগ্ৰেছৰ, বিশেষকৈ কংগ্ৰেছৰ প্ৰদেশ-নেতৃত্বৰ বহুতো কথা-কাণ্ড দেখি-শুনি তেওঁৰ মন বিদ্ৰোহী হৈ উঠিছে সঁচা; কিন্তু সেই বুলি ঠিক সেই মুহূৰ্তত কংগ্ৰেছ ত্যাগ কৰাৰ কথা একে-

বাবেই চিন্তা কৰা নাই। বৰং তেওঁ কংগ্ৰেছৰ ভিতৰত থাকিয়েই কংগ্ৰেছৰ বিপথগামী আৰু দুৰ্নীতিপৰায়ণ নেতৃত্বৰ বিৰুদ্ধে যুঁজ কৰি যাব। বিশেষকৈ কেইজনমান নেতাৰ দুৰ্নীতিৰ লগত তেওঁ কেতিয়াও আপোচ নকৰে। তেওঁলোকৰ প্ৰভাৱৰ পৰা কংগ্ৰেছৰ মুক্ত কৰাটোৱেই হ'ব তেওঁৰ জীৱনৰ লক্ষ্য।

শৰৎচন্দ্ৰ সিংহই এইখিনি কথা দহ বা পোন্ধৰ মিনিটতে কৈ শেষ কৰিব পাৰিলেহেঁতেন; কিন্তু কথাখিনি ক'বলৈ তেওঁ সময় ললে তিনি ঘণ্টাতকৈ বেছি। সেই তিনিঘণ্টাৰ ভিতৰত মাত্ৰ আধাঘণ্টামানহে বোধহয় ৰাজনীতি বা অসম কংগ্ৰেছৰ কথা আছিল; বাকী আঢ়াইখিনি সময়ত তেওঁ কৈছিল ৰামায়ণ মহাভাৰত আৰু পুৰাণৰ গল্প। নিজৰ বক্তব্যৰ সমৰ্থনত ৰামায়ণ-মহাভাৰতৰ নানা উদাহৰণ দাঙি ধৰাটো শৰৎচন্দ্ৰ সিংহৰ স্বভাৱৰ এটা বৈশিষ্ট্য। সি যি কি নহওক, শৰৎচন্দ্ৰ সিংহৰ লগত প্ৰথম সাক্ষাততে মই কিছু হতাশ হ'লো। হতাশ হোৱাৰ কাৰণ এইটো নাছিল যে তেওঁ মোৰ প্ৰস্তাৱটো অগ্ৰাহ্য কৰিলে। মোক হতাশ কৰিলে তেওঁৰ বহুবক্কী স্বভাৱে। মোৰ নিজৰ ধাৰণা যে যি মানুহে খুব বেছি কথা কয় বা কথা কৈ ভাল পায় তেওঁৰ আৰু কাম কৰিবলৈ বিশেষ উৎসাহ বা ভাবাবেগ অৱশিষ্ট নাথাকে। যিবোৰ মানুহৰ কামৰ মাজেদি কৃতকাৰ্য হোৱাৰ আত্মবিশ্বাস নাথাকে, তেওঁলোকে আত্মপ্ৰসাদ লাভ কৰিবলৈ চেষ্টা কৰে কথাৰ মাজত। শৰৎচন্দ্ৰ সিংহই কথা কৈ খুব ভাল পায়। সেইটোৱেই তেওঁৰ চৰিত্ৰৰ প্ৰধান দুৰ্বলতা বুলি মই ভাবো। মোৰ নিজৰ জীৱনত মই আটাইতকৈ বেছি কথা পাতিব লগা হৈছে (বা অধিক শুদ্ধকৈ ক'বলৈ গ'লে শুনিব লগা হৈছে) শৰৎচন্দ্ৰ সিংহৰ লগত। ১৯৭০ চনত তেওঁ অইল ইণ্ডিয়াৰ চেয়াৰমেন আছিল। সেই সময়ত তেওঁ গুৱাহাটীৰ পৰা এটা সাংবাদিকৰ দল দুলিয়াজানলৈ নিমন্ত্ৰণ কৰি নিছিল। শৰৎচন্দ্ৰ সিংহৰ ইচ্ছা মতে মই তেওঁৰ লগত একেখন গাড়ীতে যাব লগা হ'ল। গুৱাহাটীৰ পৰা দুলিয়াজান পাবলৈ প্ৰায় দহঘণ্টামান লাগিছিল, কাৰণ বাটত ঠায়ে ঠায়ে আমি ৰৈ গৈছিলো। এই দহঘণ্টা সময় শৰৎচন্দ্ৰ সিংহই অনৰ্গল কথা কৈছিল। অৱশ্যে তেওঁ যে আগ-গুৰি নোহোৱা বাৰে-ভচহু কথা কৈছিল সেইটো নিশ্চয় নহয়। তেওঁ কৈছিল ৰাজনীতিৰ কথা। তেওঁৰ ৰাজনৈতিক আদৰ্শৰ কথা, তেওঁৰ আশা-আকাংক্ষাৰ কথা। তেওঁৰ কথা শুনি মোৰ যথেষ্ট লাভ হৈছিল। মই অসমৰ ৰাজনৈতিক মঞ্চৰ নেপথ্যত থকা অনেক কথা জনাৰ উপৰিও শৰৎচন্দ্ৰ সিংহ মানুহজনকো জানিবলৈ সুযোগ পাইছিলো। কিন্তু তেওঁৰ বহুবক্কী

স্বভাৱটো মোৰ অকণো ভাললগা নাছিল। কাৰণ আমি কোনেও মুখ ফুটাই নক'লেও ইতিমধ্যেই আমি ধৰি লৈছিলো যে অসমৰ কংগ্ৰেছী ৰাজনীতিত এটা যুগৰ সমাপ্তি ঘটিছে; যিটো নতুন যুগ আহিব ধৰিছে তাৰ নায়ক হ'ব শৰৎচন্দ্ৰ সিংহ। কিন্তু সেই মানুহজন যদি এনেকুৱা কথা-চহকী হয়, তেন্তে তেওঁ কাম কৰিবলৈ সময় পাব কেতিয়া ?

প্ৰথম সাক্ষাতেতে শৰৎচন্দ্ৰ সিংহই মোক কিছু হতাশ কৰিলে যদিও তেওঁৰ পৰা বিদায় লৈ আহিবৰ সময়ত কিন্তু মই মনে মনে ঠিক কৰিলো যে শৰৎচন্দ্ৰ সিংহৰ ৰাজনৈতিক উত্থানত এই সহায় কৰিম। মই অতি সু-পৰিকল্পিতভাৱে তেওঁৰ ভাব-মূৰ্তি গঢ়ি তুলিম। সাধাৰণ মানুহৰ ওচৰত তেওঁক গ্ৰহণযোগ্য কৰি তুলিম। মই যি সময়ত এই কথা ভাবিছিলো ঠিক সেই সময়তে আন বহুতো মানুহেও সেই একে কথাই ভাবিছিল। তেওঁলোকৰ ভিতৰত এজন বিশেষভাৱে উল্লেখযোগ্য মানুহ আছিল দেৱকান্ত বৰুৱা। কিন্তু দেৱকান্ত বৰুৱাৰ উদ্দেশ্য আৰু মোৰ উদ্দেশ্যৰ মাজত কোনো মিল নাছিল। বিমলা-প্ৰসাদ চলিহাৰ লগত তীব্ৰ মনোমালিন্য হৈ চলিহা মন্ত্ৰীসভাৰ পৰা পদত্যাগ কৰা দেৱকান্ত বৰুৱাই স্বাভাৱিকতেই চলিহা মন্ত্ৰীসভাৰ পতন বিচাৰিছিল। তদুপৰি তেওঁ বিচাৰিছিল অসমৰ ৰাজনীতিত বৰ্ণহিন্দুৰ প্ৰাধান্যৰ অৱসান ঘটাই তাৰ ঠাইত নিম্নবৰ্ণ হিন্দু আৰু অন্যান্য অনগ্ৰসৰ সম্প্ৰদায়বোৰৰ নেতৃত্ব প্ৰতিষ্ঠা কৰিবলৈ। এদিন শৰৎচন্দ্ৰ সিংহ আৰু মই দুয়ো একেলগে কিবা এটা কথাত দেৱকান্ত বৰুৱাক দেখা কৰিবলৈ গৈছিলো। তেওঁ তেতিয়া অইল ইণ্ডিয়াৰ চেয়াৰমেন। দুদিনমানৰ কাৰণে গুৱাহাটীলৈ আহি জেঠৌৱেক সুৰেন্দ্ৰনাথ দাসৰ ঘৰত আছিল। কথা-প্ৰসঙ্গত মই তেওঁক সুধিলো—'আপোনালোকে অসমত নেতৃত্বৰ পৰিৱৰ্তন বিচাৰিছে। পিছে নতুন নেতা কাক পাতিব খুজিছে ?' দেৱকান্ত বৰুৱাই মুখেৰে একো নোমাতি থিয় হৈ শৰৎচন্দ্ৰ সিংহৰ পেটত তিনিটা টোকৰ মাৰিলে। সেই প্ৰথম মই স্পষ্টভাৱে জানিব পাৰিলো যে অসম কংগ্ৰেছৰ পৰিৱৰ্তন-কামী গোষ্ঠীটোৰ মনোনীত প্ৰাৰ্থী হ'ল শৰৎচন্দ্ৰ সিংহ। তেওঁৰ অতিৰিক্ত অৰ্হতা আছিল এই যে তেওঁ আছিল পিছপৰা কোচ-ৰাজবংশী সম্প্ৰদায়ৰ মানুহ।

মই কিন্তু চলিহা মন্ত্ৰীসভাৰ পতন আৰু এজন নতুন নেতাৰ উত্থান বিচাৰিছিলো সম্পূৰ্ণ এটা বেলেগ কাৰণত। মই চৰকাৰী চাকৰিত যোগ দিওঁ ১৯৫৫ চনত। বিমলাপ্ৰসাদ চলিহা মুখ্যমন্ত্ৰী হয় ১৯৫৭ চনত। অৰ্থাৎ মোৰ চাকৰি

জীৱনৰ তেৰটা বছৰৰ ভিতৰত প্ৰায় এঘাৰটা বছৰেই অতিবাহিত হয় চলিহা মন্ত্ৰীসভাৰ শাসন কালত। বিমলাপ্ৰসাদ চলিহা ব্যক্তিগতভাৱে সাধু প্ৰকৃতিৰ দুৰ্নীতি-মুক্ত মানুহ আছিল। তেওঁৰ মন্ত্ৰীসভাখনো গঠিত হৈছিল ব্যক্তিত্বহীন মানুহেৰে। সঁচা কথা ক'বলৈ গ'লে একে সময়তে একেখন মন্ত্ৰীসভাতে ইমানবোৰ প্ৰতিভাবান আৰু ব্যক্তিত্ব-সম্পন্ন মানুহৰ সমাবেশ ইয়াৰ আগতে কেতিয়াও হোৱা নাছিল। ভৱিষ্যতেও কিজানি নহ'ব। কিন্তু এজন চৰকাৰী বিষয়া হিচাপে ব্যক্তিগত অভিজ্ঞতাৰ পৰা মই দেখিছিলো যে চৰকাৰী প্ৰশাসন-যন্ত্ৰটোৰ ৰন্ধ্ৰে ৰন্ধ্ৰে দুৰ্নীতি এনেভাৱে প্ৰৱেশ কৰিছে যে সাধাৰণ মানুহৰ মঙ্গল সাধন আৰু দুখ-মোচন কৰাৰ সকলো সামৰ্থ্য সি হেৰুৱাই পেলাইছে। মোৰ চকুত তেতিয়া চৰকাৰী দুৰ্নীতিয়েই সাধাৰণ মানুহৰ আটাইতকৈ ডাঙৰ শত্ৰু। সেই দুৰ্নীতিৰ বিৰুদ্ধে প্ৰতিবাদ কৰিবলৈ গৈয়েই মই চৰকাৰী চাকৰিও এৰিব লগা হ'ল। চৰকাৰী চাকৰি এৰি সাংবাদিকৰ জীৱন গ্ৰহণ কৰোতে মই মনে মনে এই সংকল্পই লৈছিলো যে আন একো কৰিব নোৱাৰিলেও মই দুৰ্নীতিৰ বিৰুদ্ধে অবিৰাম যুঁজ কৰি যাম। শৰৎচন্দ্ৰ সিংহৰ লগত প্ৰথম সাক্ষাততে মই আৱিষ্কাৰ কৰিলো যে মোৰ নিচিনাকৈ তেওঁ দুৰ্নীতিৰ বিৰুদ্ধে জেহাদ ঘোষণা কৰিবলৈ ব্যগ্ৰ। মই তেওঁৰ সমৰ্থক হৈ উঠাৰ এইটোৱেই আছিল প্ৰধান কাৰণ। তেওঁৰ বিপ্লৱ আৰু সমাজবাদৰ বক্তৃতা মোৰ একাণে সোমাই ইকাণে ওলাই গৈছিল। কিন্তু মই আন্তৰিকভাৱে বিশ্বাস কৰিছিলো দুৰ্নীতিৰ বিৰুদ্ধে ক্ষমাহীন সংগ্ৰাম চলাবলৈ তেওঁ কৰা অঙ্গীকাৰত—যিটো অঙ্গীকাৰ তেওঁ ৰাজহুৱাভাৱে ঘোষণা কৰিছিল সাপ্তাহিক নীলাচলত প্ৰকাশ হোৱা তেওঁৰ প্ৰথমটো সাক্ষাৎকাৰত।

## ॥ এঘাৰ ॥

সাংবাদিকসকল স্বাভাৱিকতেই ৰাজনীতিকসকলৰ ঘনিষ্ঠ সম্পৰ্কলৈ আহিব লগা হয়, কাৰণ ৰাজনীতিকসকল হ'ল সংবাদৰ অন্যতম প্ৰধান উৎস। ৰাজনীতিকৰ চিন্তাধাৰা আৰু ব্যক্তিত্ব বিশ্লেষণ কৰাটোও সাংবাদিকৰ এটা প্ৰধান কাম। অৱশ্যে ব্যক্তিগত সম্পৰ্ক আৰু বন্ধুত্ব একে কথা নহয়। আত্মজীৱনীকাৰ

প্ৰখ্যাত সাংবাদিক আৰ্থাৰ ক্ৰোকে সাংবাদিকসকলক এই বুলি সাৱধান কৰি দিছিল যে কোনো সাংবাদিকেই ৰাজনীতিকৰ লগত ঘনিষ্ঠ বন্ধুত্বৰ সম্পৰ্ক স্থাপন কৰা উচিত নহয়, কাৰণ তাৰ ফলত তেওঁৰ বিচাৰ-বুদ্ধি আৰু পক্ষপাত-হীনতা ক্ষতিগ্ৰস্ত হ'ব পাৰে। আনহাতে আন এজন প্ৰখ্যাত আমেৰিকান সাংবাদিক জোছেফ এলছপে বিশ্বাস কৰে যে ৰাজনীতিকৰ লগত সাংবাদিকৰ বন্ধুত্ব দোষনীয়তো নহয়েই, বৰং এনে বন্ধুত্বৰ সম্পৰ্ক থাকিলেহে ৰাজনীতিক-সকলক ভালকৈ বুজা আৰু তেওঁলোকৰ পৰা খবৰ সংগ্ৰহ কৰা সহজ হয়। মই এই দুয়োজন সাংবাদিকৰ কথাতেই আংশিক পৰিমাণে সত্যতা আছে বুলি অনুভৱ কৰো; কিন্তু লগতে এই কথাও বিশ্বাস কৰো যে দুৰ্বল চৰিত্ৰ আৰু ব্যক্তিত্বৰ সাংবাদিকে আৰ্থাৰ ক্ৰোকৰ উপদেশ মানি চলাই ভাল।

মই এতিয়ালৈকে যিসকল ৰাজনৈতিক নেতাৰ ঘনিষ্ঠ সংস্পৰ্শলৈ আহিছো, তেওঁলোকৰ ভিতৰত মই মানুহ হিচাপে আটাইতকৈ ভাল পাইছিলো মহেন্দ্ৰ মোহন চৌধুৰীক। তেওঁৰ স্বভাৱৰ মাধুৰ্য, শিষ্টাচাৰ আৰু অকপট আচৰণে মোক অতিকৈ মুগ্ধ কৰিছিল। অসমৰ আন কোনো ৰাজনীতিকৰ ব্যক্তিত্বত এই আটাইকেইটা গুণৰ একত্ৰ সমাবেশ মই দেখা নাই।

মহেন্দ্ৰমোহন চৌধুৰী নামটোৰ লগত মোৰ প্ৰথম পৰিচয় হৈছিল, মই হাই-স্কুলৰ তল খাপৰ ছাত্ৰ হৈ থাকোতে। তেওঁ সেই সময়ত 'আৱাহন'ত দুটা গল্প লিখিছিল—'মাতৃমূৰ্তি' (নে অন্তৰীণ?) আৰু 'বৈকুণ্ঠৰ ডায়েৰী'। ভাৰতৰ মুক্তি সংগ্ৰামৰ সৈনিক হিচাপে তেওঁৰ যিবোৰ অভিজ্ঞতা হৈছিল, তাৰ ওপৰত ভিত্তি কৰিয়েই তেওঁ গল্প দুটা লিখিছিল। বহুত বছৰৰ পিছত তেওঁক প্ৰথমবাৰৰ বাবে লগ পাই মই যেতিয়া তেওঁক গল্প দুটাৰ কথা কৈছিলো, তেওঁ এটা লাজকুৰীয়া হাঁহি মাৰিছিল আৰু সেই বিষয়ে বেছি কথা ক'বলৈ অস্বীকাৰ কৰিছিল। কিন্তু গল্প দুটাৰ কথা মই আজিও পাহৰিব পৰা নাই। গল্প-দুটাৰ কথা ভাবিলেই মোৰ মনত পৰে দেশৰ মুক্তি-সংগ্ৰামৰ সেই উন্মাদনাময় দিনবোৰৰ গভীৰ আদৰ্শবাদৰ কথা।

মহেন্দ্ৰমোহন চৌধুৰীক মই প্ৰথমবাৰৰ কাৰণে যেতিয়া লগ পাওঁ তেতিয়া মই সাংবাদিক নহয়। মই তেতিয়াও চৰকাৰী চাকৰিয়াল। চৌধুৰী তেতিয়া বিধান সভাৰ অধ্যক্ষ। তেওঁ এদিন মোক মাতি পঠিওৱাত মই তেওঁক যোৰহাটৰ চাৰ্কিট হাউছত দেখা কৰিবলৈ গ'লো। গৈ দেখো, তেওঁ 'দ্বিজেন্দ্ৰলাল ৰায়ৰ গ্ৰন্থাৱলী' পঢ়াত নিমগ্ন হৈ আছে। এই কথাটোৱে মোৰ মনত দঢ়কৈ সাঁচ বহুৱালে।

অসমীয়া ৰাজনীতিক ক্ৰমশৰ সমস্ত বিতাপ লৈ ডুবে যদিও মই জুবা মাৰিছিলো।

ইয়াৰ কেইবছৰমানৰ পিছতে মই চৰকাৰী চাকৰি এৰি 'সাপ্তাহিক নীলাচল'ৰ সম্পাদকৰ দায়িত্ব গ্ৰহণ কৰিলো। নীলাচলৰ কোনোবা এটা সংখ্যাত চৌধুৰীৰ বিৰুদ্ধে দুৰ্নীতিৰ কেতবোৰ সাংঘাতিক অভিযোগ প্ৰকাশ পালে। এইখিনিৰ মন্ত্ৰীসকলে বাতৰি কাকতত তেওঁলোকৰ বিৰুদ্ধে সামান্য কিবা এটা অভিযোগ প্ৰকাশ পালেই খণ্ডত টিঙৰি-তুলা হৈ সাংবাদিকক ভীতি-প্ৰদৰ্শন কৰে। চৌধুৰীয়ে তেওঁৰ বিৰুদ্ধে লেখা কথাখিনি পঢ়ি কি কৰিলে? হাঁহি হাঁহি ওচৰতে বহি থকা বন্ধু এজনক ক'লে—'হেৰা, মোহাইক লগ পালে কৈ দিবাচোন, মই কেতিয়াবা তেওঁক মুখামুখিকৈ লগ পালে দুৰ্নীতিৰ এই আটাইবোৰ অভিযোগৰ সন্তোষজনক কৈফিয়ৎ দিব পাৰিম। আৰু কৰা, নীলাচলখন বৰ ভাল হৈছে।'

বিমলাপ্ৰসাদ চলিহাৰ মৃত্যু হোৱাত মুখ্যমন্ত্ৰী পদৰ কাৰণে দুজন প্ৰাৰ্থী হ'লঃ বিজয়চন্দ্ৰ ভাগৱতী আৰু মহেন্দ্ৰমোহন চৌধুৰী। মই বিজয়চন্দ্ৰ ভাগৱতীৰ পক্ষ লৈ মহেন্দ্ৰমোহন চৌধুৰীৰ বিৰুদ্ধে নীলাচলত খুব জোৰেৰে প্ৰচাৰ-অভিযান চলাবলৈ ধৰিলো। মই বিজয়চন্দ্ৰ ভাগৱতীৰ পক্ষ লোৱাৰ কাৰণ আছিল মাথোঁ তিনিটা। ১৯৬৯ চনত হোৱা কংগ্ৰেছৰ বিভাজনত মই অতি দৃঢ়ভাৱে 'প্ৰতিক্ৰিয়াশীল' ছিণ্ডিকেট-পন্থীসকলৰ বিৰোধিতা কৰি 'প্ৰগতিশীল' ইন্দিৰা গান্ধীৰ পক্ষ লৈছিলো। সেই সময়ত ইন্দিৰা কংগ্ৰেছত যোগ দিবলৈ অসমৰ যিকেইজন কংগ্ৰেছ নেতাই হেঁচকা-পিছলা কৰি দেখুৱাইছিল তেওঁলোকৰ ভিতৰত এজন আছিল মহেন্দ্ৰমোহন চৌধুৰী। গতিকে মোৰ চকুত তেওঁ আছিল 'প্ৰতিক্ৰিয়াশীল'। আনহাতে বিজয়চন্দ্ৰ ভাগৱতীয়ে প্ৰথমৰ পৰাই স্বাৰ্থহীনভাৱে ইন্দিৰা গান্ধীৰ পক্ষত থাকি তেওঁৰ 'প্ৰগতিশীলতা' প্ৰমাণ কৰি দেখুৱাইছিল। দ্বিতীয়তে, মই আগতেই কৈ আহিছো যে মোৰ সাংবাদিক-জীৱনৰ অন্যতম প্ৰধান লক্ষ্য আছিল দুৰ্নীতিৰ বিৰুদ্ধে যুদ্ধ কৰা। মহেন্দ্ৰ-মোহন চৌধুৰী নিজে দুৰ্নীতিত লিপ্ত হওক বা নহওক, বহুতদিন মন্ত্ৰী হৈ থকাৰ ফলত তেওঁৰ মূৰৰ ওপৰতো জমিছিল সন্দেহৰ ক'লা মেঘ। আনহাতে বিজয়চন্দ্ৰ ভাগৱতী কিছুদিনৰ কাৰণে কেন্দ্ৰত এটা নিৰামিষ দপ্তৰৰ উপমন্ত্ৰী হৈ থকাৰ বাহিৰে আন কোনো প্ৰকাৰৰ ক্ষমতাৰ ৰাজনীতিত জড়িত নোহোৱাৰ কাৰণে তেওঁৰ নামত সন্দেহৰ একো চেকা লগা নাছিল। অৰ্থাৎ মোৰ চকুত মহেন্দ্ৰ-

মোহন চৌধুৰী আছিল দুৰ্নীতিৰ প্ৰতীক আৰু বিজয়চন্দ্ৰ ভাগৱতী আছিল দুৰ্নীতিৰ বিৰুদ্ধে সংগ্ৰামৰ প্ৰতীক। তৃতীয়তে, মই ইতিমধ্যে বিজয়চন্দ্ৰ ভাগৱতীৰ ঘনিষ্ঠ সান্নিধ্যলৈ আহিছিলো আৰু তেওঁৰ সৌম্য ব্যক্তিত্ব, অধ্যয়নশীলতা আৰু বৌদ্ধিক আভিজাত্যই মোক বিশেষভাৱে প্ৰভাৱিত কৰিছিল। মই মহেন্দ্ৰমোহন চৌধুৰীৰ ঘনিষ্ঠ সান্নিধ্যলৈ আহিলো ইয়াৰ বহুদিনৰ পিছতহে।

মুখ্যমন্ত্ৰী পদৰ কাৰণে প্ৰতিদ্বন্দ্বিতাত অৱশেষত মহেন্দ্ৰমোহন চৌধুৰীৰেই জয় হ'ল। তেওঁ মুখ্যমন্ত্ৰী হোৱাৰ পিছত মই নীলাচলৰ কাৰণে আহুতীয়া সাক্ষাৎকাৰ বিচাৰি তেওঁলৈ চিঠি লিখিলো। তেওঁ তৎক্ষণাৎ শিবলঙৰ পৰা উত্তৰ দিলে—'আপোনাক লগ পাবলৈ পালে মই নিজকে সৌভাগ্যবান বুলি বিবেচনা কৰিম। কিন্তু আপুনি কষ্ট কৰি শিবলঙলৈ আহিবনালাগে। ময়ে গুৱাহাটীলৈ গৈ লগালগি হোৱাৰ ব্যৱস্থা কৰিম।'

তেওঁ এদিন গুৱাহাটীলৈ আহি মোক চাৰ্কিট হাউচত তেওঁৰ লগত ব্ৰেকফাষ্ট খাবলৈ নিমন্ত্ৰণ কৰিলে। মই গৈ পোৱাৰ লগে লগে তেওঁ ক'লে— 'নীলাচলত মোৰ বিৰুদ্ধে দুৰ্নীতিৰ কথা লিখিছিল নহয়। মই দুৰ্নীতি নাই কৰা বুলি নকওঁ। কৰিছো। কিন্তু কিয় কৰিছো সেই কথা জানিবলৈ হ'লে আপুনি মোৰ শিবলঙৰ ঘৰলৈ আহিব লাগিব। মোৰ ঘৰলৈ গড়ে প্ৰতিদিন পাঁচশ মানুহ আহে। প্ৰতিদিনে মই পাঁচশ মানুহক চাহ-ভাত খুৱাব লাগে। মই পোন্ধৰশ টকা দৰমহা পোৱা মানুহটোৱে নিতৌ পাঁচশ মানুহক চাহ-ভাত কেনেকৈ খুৱাওঁ? গতিকে বাধ্য হৈ বন্ধু-বান্ধৱৰ ওচৰত হাত পাতো।'

কথাখাৰ শুনি মই চৌধুৰীৰ মুখলৈ চালো। তেওঁৰ মুখত এনে এটা মধুৰ সৰলতা দেখিলো যে আৱেগত মোৰ চকুৰ কোণ দুটা সেমেকি উঠিল।

সেইদিনাই সাপ্তাহিক নীলাচলৰ কাৰণে লোৱা আহুতীয়া সাক্ষাৎকাৰত মই প্ৰস্তাৱ কৰিলো যে অসমীয়া সাহিত্যিকক উদগনি দিবলৈ ৰাজ্য চৰকাৰে এটা সাহিত্যিক পুৰস্কাৰ প্ৰৱৰ্তন কৰিব লাগে। চৌধুৰী লগে লগে ৰাজী হ'ল। পিছৰ বছৰৰ পৰাই আৰম্ভ হ'ল 'প্ৰকাশন পৰিষদ পুৰস্কাৰ'। এনেকৈ কথা দি কথা ৰখা ৰাজনৈতিক নেতা বা মন্ত্ৰী মই খুব বেছি পোৱা নাই।

মহেন্দ্ৰমোহন চৌধুৰীৰ লগত মোৰ ঘনিষ্ঠ ব্যক্তিগত সম্পৰ্ক স্থাপিত হ'ল। কিন্তু সেইবুলি মই তেওঁৰ বিৰুদ্ধে ৰাজনৈতিক আক্ৰমণ চলাবলৈ নেৰিলো। শৰৎচন্দ্ৰ সিংহই যেতিয়া মহেন্দ্ৰমোহন চৌধুৰী আৰু তেওঁৰ অনুগামীসকলক

ক্ষমতাচ্যুত কৰিবলৈ কৰ্মসূচী আৰম্ভ কৰিলে, মই পক্ষ ললো শৰৎ সিংহৰ। কিন্তু আচাৰিত ধাতুৰে গঢ়া মানুহ আছিল মহেন্দ্ৰমোহন চৌধুৰী। এনেকুৱা দ্বিতীয় এজন মানুহ ক'ৰবাত আছে বুলি মোৰ ধাৰণা নহয়। মই যিমানেই তেওঁক ক্ষমতাচ্যুত কৰিবলৈ চেষ্টা কৰিলো সিমানেই মোৰ প্ৰতি তেওঁৰ স্নেহ আৰু আকৰ্ষণ বাঢ়িহে গ'ল। অসমত তথা ভাৰতত ক্ৰমান্বয়ে লোপ পাই অহা ভদ্ৰলোক শ্ৰেণীৰ ৰাজনীতিকৰ অন্যতম শেষ প্ৰতিনিধি আছিল মহেন্দ্ৰমোহন চৌধুৰী।

১৯৭২ চনৰ জানুৱাৰীৰ শেষ সপ্তাহৰ কোনোবা এটা দিনত মহেন্দ্ৰমোহন চৌধুৰীয়ে দিল্লীলৈ বুলি যাত্ৰা কৰিলে। মই যিটো মানুহে পদে পদে তেওঁৰ বিৰোধিতা কৰিছো সেই মানুহটোকে তেওঁ সেইদিনাও চাৰ্কিট হাউছত ব্ৰেকফাষ্ট খাবলৈ নিমন্ত্ৰণ কৰিলে। 'ৰাজনীতিৰ কি খবৰ গোহাঁই?'—তেওঁ মোক সুধিলে। মই ক'লো—'ইন্দিৰা গান্ধীয়ে আপোনাক দুই-এদিনতে মুখ্যমন্ত্ৰী ভাঙিব। আপোনাৰ ঠাইত শৰৎচন্দ্ৰ সিংহ মুখ্যমন্ত্ৰী হ'ব।'

চৌধুৰীয়ে সশব্দে হাঁহি এটা মাৰি ক'লে—'মই সেই কথা কেতিয়াও বিশ্বাস নকৰো। মাত্ৰ যোৱা কালি প্ৰধান মন্ত্ৰীৰ লগত টেলিফোনত মোৰ কথাবাৰ্তা হৈছে। তেওঁ মোৰ লগত খুব হাঁহি-ধেমালি কৰি কথা পাতিছে। তেওঁ মোক কেতিয়াও মুখ্যমন্ত্ৰী নাভাঙে।'

অলপ পিছতে মহেন্দ্ৰমোহন চৌধুৰীয়ে বিমানেৰে দিল্লীলৈ বুলি যাত্ৰা কৰিলে। কিন্তু তেওঁ দিল্লী গৈ নাপালেই। কলিকতাতেই তেওঁ ফখৰুদ্দিন আলি আহমেদৰ পৰা টেলিফোন যোগে বাতৰি পালে যে তেওঁক মুখ্যমন্ত্ৰীৰ পদৰ পৰা গুচাবলৈ সিদ্ধান্ত লোৱা হৈছে।

মহেন্দ্ৰমোহন চৌধুৰীক ক্ষমতাচ্যুত কৰাত মোৰো সামান্য বৰঙণি আছিল। কিন্তু সেই মানুহজনে জীৱনৰ শেষ মুহূৰ্ত পৰ্যন্ত মোক এনেকুৱা অকৃত্ৰিম নিঃস্বাৰ্থ স্নেহ দি গ'ল—যি ধৰণৰ স্নেহ মই আন কোনো ৰাজনীতিকৰ পৰা পোৱা নাই। মানুহৰ মাজত মই মহত্ব দেখিবলৈ আশা কৰো আৰু সেই মহত্বৰ স্মৃতিয়েইতো শেষ পৰ্যন্ত জীৱনৰ শ্ৰেষ্ঠ সম্বল।

## ॥ বাৰ ॥

১৯৬৯ চনত কংগ্ৰেছৰ মাজত বিবাদ আৰম্ভ হয়। এক পক্ষত ইন্দিৰা-পন্থীসকল, আনটো পক্ষত ছিণ্ডিকেট-পন্থীসকল। কংগ্ৰেছ যিহেতু দেশৰ শাসক দল, সেই কাৰণে ক্ষমতাৰ কাৰণে কংগ্ৰেছৰ এই দুই গোষ্ঠীৰ মাজত হোৱা খোৱা-কামোৰাত কোনো ৰাজনীতি-সচেতন নাগৰিকৰ পক্ষেই নিৰপেক্ষ হৈ থকা সম্ভৱ নহয়। সাংবাদিক, বিশেষকৈ সম্পাদকৰ কাৰণেতো নিৰপেক্ষ হৈ থকা একেবাৰেই অসম্ভৱ। দুয়োটা পক্ষই যদি বেয়া, তেন্তে কোনটো পক্ষ বেছি বেয়া আৰু দেশৰ কাৰণে বেছি ক্ষতিকাৰক সেই কথা সম্পাদকে ক'বই লাগিব। মোৰ সম্পাদনাত নীলাচলে ইন্দিৰা গান্ধীৰ পক্ষ ললে।

আত্ম-প্ৰকাশৰ মাত্ৰ কেইমাহমানৰ ভিতৰতে নীলাচলে অসমৰ বুদ্ধিজীৱী আৰু ৰাজনীতিকসকলৰ বিশেষ মনোযোগ আকৰ্ষণ কৰিবলৈ সক্ষম হৈছিল। তদুপৰি সাংবাদিকতাত মই নতুন যদিও এজন বিবদমান লেখক হিচাপে মোৰ এটা বিশেষ পৰিচিতি আগৰে পৰা আছিলেই। সেইটোও আছিল নীলাচলৰ আকৰ্ষণৰ এটা মাই কাৰণ। এনে সময়তে সেই মুহূৰ্তত দেশৰ আটাইতকৈ উত্তপ্ত আৰু গুৰুত্বপূৰ্ণ ৰাজনৈতিক বিতৰ্কত নীলাচলে বিশেষভাৱে ভাগ লোৱা দেখি দেৱকান্ত বৰুৱা আৰু শৰৎচন্দ্ৰ সিংহ প্ৰমুখ্যে কংগ্ৰেছী নেতাসকলে ঘনাই নীলাচলৰ স্বত্বাধিকাৰী মুনীন্দ্ৰনাৰায়ণ দত্তবৰুৱাৰ ঘৰলৈ যাবলৈ ধৰিলে। দত্তবৰুৱাৰ বৈঠক-খানা ৰাজনৈতিক কৌশল-ৰচনাৰ এটা বিশেষ কেন্দ্ৰত পৰিণত হ'ল। মই নিজে অৱশ্যে এইবোৰ বৈঠকত কেতিয়াও উপস্থিত থকা নাছিলো। মই সাংবাদিক হৈয়েই সন্তুষ্ট থাকিব বিচাৰিছিলো, ৰাজনীতিক-সাংবাদিক হোৱাৰ কোনো ইচ্ছা মোৰ নাছিল। বৈঠকত হোৱা আলোচনাবোৰ মোক কৈ শুনাইছিল মুনীন্দ্ৰনাৰায়ণ দত্তবৰুৱাই।

সি যি কি নহওক, এনেকুৱা এটা বৈঠকতে দেৱকান্ত বৰুৱাই এদিন প্ৰস্তাৱ কৰিলে যে মই ইন্দিৰা গান্ধীৰ এটা আছুতীয়া সাক্ষাৎকাৰ লব লাগে। তেওঁ নিজে সাক্ষাৎকাৰৰ ব্যৱস্থা কৰি দিব। প্ৰস্তাৱটো শুনি দত্তবৰুৱা বিশেষভাৱে উল্লাসিত হৈ উঠিল। তেতিয়ালৈকে কোনো অসমীয়া সাংবাদিকে ভাৰতৰ প্ৰধান-

মন্ত্ৰীৰ আন্তৰিকতাৰ সাক্ষাৎকাৰ লোৱাৰ সুযোগ পোৱা নাই। গতিকে দেৱবৰুৱাই স্বাভাৱিকতেই এনে এটা সুযোগ পোৱাটো তেওঁৰ কাৰণে বিশেষ গৌৰৱৰ কথা হ'ব বুলি ভাবিলে। মোক তেওঁ প্ৰস্তাৱটো দিয়াত মই ৰাজী হ'লো।

কিন্তু দেৱকান্ত বৰুৱাই তেওঁৰ প্ৰতিশ্ৰুতি ৰক্ষা নকৰিলে বা কৰিব নোৱাৰিলে। মাহৰ পিছত মাহ বাগৰি গ'ল, কিন্তু প্ৰধান মন্ত্ৰীৰ লগত সাক্ষাৎকাৰৰ কোনো সম্ভাৱনাই দেখা নগ'ল। এনে সময়তে বিপিন পাল দাস ৰাজ্যসভালৈ সদস্য নিৰ্বাচিত হ'ল। সেই সময়ত মই তেওঁৰ লগত নতুনকৈ চিনাকি হৈছো মাত্ৰ, কিন্তু খুব কম সময়ৰ ভিতৰতে আমাৰ মাজত ঘনিষ্ঠতা গঢ়ি উঠিছে। ইন্দিৰা গান্ধীৰ লগত সাক্ষাৎকাৰৰ কাৰণে মোৰ নিষ্ফল প্ৰতীক্ষাৰ কথা জানিব পাৰি তেওঁ উপযাচি প্ৰস্তাৱ দিলে যে তেওঁ সাক্ষাৎকাৰৰ ব্যৱস্থা কৰি দিব। মাত্ৰ এমাহৰ ভিতৰতে ইন্দিৰা গান্ধীৰ লগত সাক্ষাৎকাৰৰ দিন-বাৰ ঠিক কৰি তেওঁ মোলৈ দিল্লীৰ পৰা টেলিগ্ৰাম পঠালে। দিল্লীত মুঠতে দুবাৰ ইন্দিৰা গান্ধীৰ লগত মোৰ আন্তৰিকতাৰ সাক্ষাৎকাৰ হৈছিল। দুয়োবাৰেই ব্যৱস্থা কৰি দিছিল বিপিন পাল দাসে।

নানা কাৰণত দেশৰ প্ৰধান মন্ত্ৰীৰ সাক্ষাৎকাৰ পোৱাটো বৰ সহজ কথা নহয়। প্ৰথমতে, এখন বিশাল দেশৰ পৰিচালনাৰ দায়িত্ব যাৰ কান্ধত, তেওঁতো স্বাভাৱিকতেই প্ৰতিটো চেকেণ্ডৰ হিচাপ কৰি চলিব লাগে। তদুপৰি আছে নিৰাপত্তাৰ প্ৰশ্ন, সাক্ষাৎ বিচৰা ব্যক্তিজনৰ সামাজিক তথা ৰাজনৈতিক গুৰুত্বৰ প্ৰশ্ন। প্ৰধান মন্ত্ৰীৰ সাক্ষাৎ পোৱাটো কিমান কঠিন সেই কথা জানিবলৈ হ'লে কৌতূহলী পাঠকে টিয়া জিনকিনছৰ 'Challenges in India' নামৰ কিতাপখন পঢ়ি চাব পাৰে। ইংৰাজ আই চি এছ বিষয়া মৰিছ জিনকিনছৰ পত্নী টিয়া জিনকিনছ আছিল এগৰাকী সাংবাদিক। ১৯৬৫ চনত ভাৰত-পাকিস্তান যুদ্ধৰ সময়ত তেওঁ ভাৰতলৈ আহি প্ৰধান মন্ত্ৰী লালবাহাদুৰ শাস্ত্ৰীৰ সাক্ষাৎ পাবলৈ চেষ্টা কৰিছিল। কিন্তু এসপ্তাহ চেষ্টা কৰিও তেওঁ বিফল হ'ল। প্ৰধান মন্ত্ৰীৰ আমোলাসকলৰ মুখত মাত্ৰ এটাই কথা: সময় নাই, সময় নাই। টিয়া জিনকিনছৰ করুণ অৱস্থা দেখি তেওঁৰ বন্ধু এজনে তেওঁক পৰামৰ্শ দিলে যে দিনটোৰ কোনোবা এটা সময়ত লালবাহাদুৰ শাস্ত্ৰীয়ে তেওঁৰ বাসভৱনৰ ঘাঁহনি পথাৰত পায়চাৰি কৰি কৰি বিষয়াসকলৰ লগত কথা পাতে; সেই সময়তে টিয়া জিনকিনছে যদি গেটত থিয় হৈ থাকি কিবা প্ৰকাৰে প্ৰধান মন্ত্ৰীৰ দৃষ্টি আকৰ্ষণ কৰিব পাৰে, তেন্তে হয়তো প্ৰধান মন্ত্ৰীৰ সাক্ষাৎ

পোৱা সম্ভৱ হ'বও পাৰে। টিয়া জিনাকিনহে অৱশেষত প্ৰধান মন্ত্ৰীৰ সাক্ষাৎ পাবলৈ সমৰ্থ হৈছিল ; কিন্তু তাৰ কাৰণে তেওঁ গেটত থিয় হৈ থাকিব লগা হৈছিল একেলেথাৰিয়ে কেইবাটাও দিন !

ইন্দিৰা গান্ধীক মই প্ৰথমবাৰৰ কাৰণে মুখামুখিকৈ লগ পালো ১৯৬৯ চনৰ ৮ ডিচেম্বৰত। কংগ্ৰেছৰ বিভাজন হোৱাৰ মাত্ৰ কেইদিনমানৰ আগতে। সেই সময়ত যথাক্ৰমে বোম্বাই আৰু আহমেদাবাদত কংগ্ৰেছৰ দুইটা ফৈদৰ ঐতিহাসিক অধিবেশনৰ প্ৰস্তুতি চলি আছে। ইন্দিৰা গান্ধী তেতিয়া স্বাভাৱিকতেই কিছু উদ্বিগ্ন। মোৰ বন্ধু বিপিনপাল দাসে যথাসময়ত মোক প্ৰধান মন্ত্ৰীৰ পাৰ্লিয়ামেণ্ট-সংলগ্ন অফিচলৈ লৈ গ'ল। তাত মোৰ সেয়ে প্ৰথম পদাৰ্পণ। প্ৰধান মন্ত্ৰীৰ কোঠালৈ আহ্বান আহিৰৰ কাৰণে অপেক্ষা কৰি ৰহি থাকোতে মই কোঠাটোত থকা অন্যান্য মানুহবোৰৰ কথা-কাণ্ড নিৰীক্ষণ কৰি সময় কটাবলৈ চেষ্টা কৰিলো। প্ৰথমেই চকু পৰিল প্ৰধান মন্ত্ৰীৰ ব্যক্তিগত সচিব এন. কে. শেষনৰ টেবুলতে ধুতীৰত ভেজা দি আধা-শোৱা অৱস্থাত থকা মানুহ এজনৰ ওপৰত। বিপিনপাল দাসে মোৰ কাণৰ কাষত ফুচফুচাই ক'লে - 'সেইজন কেন্দ্ৰীয় মন্ত্ৰী কে ৰঘুৰামায়া।' চুকৰ ফালে এখন চকীত বহি এজন মানুহে বাৰে বাৰে প্ৰধান মন্ত্ৰীৰ কোঠাটোৰ দুৱাৰ-মুখৰ ফালে চাব ধৰিছে। তেওঁৰ মুখত সীমাহীন ক্লান্তি আৰু বিৰক্তি। সেইজন কোন ? পাঞ্জাবৰ মুখ্যমন্ত্ৰী জাইল সিং। এজন দীঘল হটঙা বুঢ়াই নেপোলিয়নৰ ভঙ্গীত হাত দুখন পিঠিৰ ফালে দি অস্থিৰভাৱে কোঠাটোত পায়চাৰি কৰি ফুৰিছে। সেইজন বা কোন ? কেন্দ্ৰীয় গৃহমন্ত্ৰী উমাশঙ্কৰ দীক্ষিত।

মোৰ বুজিবলৈ বাকী নৰ'ল যে তিনিওজনেই প্ৰধান মন্ত্ৰীক দেখা কৰিবলৈ আহি বেন্দাপৰ দিব লগা হৈছে আৰু প্ৰধান মন্ত্ৰীৰ ব্যক্তিগত সচিব এন কে. শেষনে তেওঁলোকৰ লগত এনে ব্যৱহাৰ কৰিছে—যি ধৰণৰ ব্যৱহাৰ মাটি হাকিমৰ পিয়নে কৰে হাকিমৰ দৰ্শন-প্ৰাৰ্থী হৈ অহা গাওঁবুঢ়া বা পঞ্চায়ত সভাপতিৰ লগত। মোৰ মনে মনে হাঁহি উঠিল। পৰ্বত দূৰৰ পৰাহে চিকুণ।

তেওঁলোকে বোধহয় আৰু কিছু সময় বেন্দাপৰ দিব লগা হ'ব, কাৰণ ইতিমধ্যে প্ৰধান মন্ত্ৰীৰ তথ্য উপদেষ্টা সাৰদাপ্ৰসাদে মোক প্ৰধান মন্ত্ৰীৰ কোঠালৈ আগবঢ়াই নিবলৈ আহিল। কোঠাটোত সোমোৱাৰ আগতে দুৱাৰমুখতে থমকি ৰৈ সাৰদাপ্ৰসাদে মোক ক'লে—'মিঃ বৰগোহাঞি, আপোনাৰ কাৰণে

ত্ৰিশ মিনিট সময় ধাৰ্য কৰি থোৱা আছে। ইমান বেছি সময় সাধাৰণতে প্ৰধান মন্ত্ৰীয়ে কাকো নিদিয়ে। আপুনি সুদূৰ অসমৰ পৰা আহিছে। তদুপৰি প্ৰধান মন্ত্ৰীৰ আছুতীয়া সাক্ষাৎ পোৱা আপুনিয়ে প্ৰথম অসমীয়া সাংবাদিক। সেইকাৰণে আপোনাক কিছু বেছি সময় দিয়া হৈছে। কিন্তু আপুনি জানে যে এতিয়া সংসদৰ অধিবেশন চলি আছে। প্ৰধান মন্ত্ৰী অতিশয় ব্যস্ত। সেই-কাৰণে আপুনি যদি পোন্ধৰ মিনিটমান সময়ৰ ভিতৰতে সাক্ষাৎকাৰটো শেষ কৰে, তেন্তে মই নথৈ কৃতজ্ঞ হম।'

মই ক'লো—'চাওক মিঃ সাৰদাপ্ৰসাদ, প্ৰধান মন্ত্ৰীয়ে যদি মোৰ লগত মাত্ৰ দুই মিনিট সময় কথা পাতি মোক বিদায় দিয়ে, তেন্তে মই নিশ্চয় দুই মিনিটতে ওলাই আহিম। কিন্তু তেওঁ নিজে সেইটো নকৰিলে মই পুৰা ত্ৰিশমিনিট সময় কথা পাতিমেই।'

সেই বুলি কৈয়েই মই পৰ্দা ঠেলি ভিতৰত প্ৰবেশ কৰিলো আৰু মুহূৰ্ততে বিস্ময়াভিভূত হ'লো ইন্দিৰা গান্ধীৰ অপৰূপ সুন্দৰ স্নিগ্ধ শান্ত মুখখন দেখি।

মই দেখা ইন্দিৰা গান্ধীৰ তিনিখন মুখৰ প্ৰথমখন মুখ।

আমেৰিকা-প্ৰবাসী বাঙালী কবি ডঃ অমিয় চক্ৰবৰ্তীয়ে ১৯৭১ চনত ভাৰতলৈ আহোঁতে ইন্দিৰা গান্ধীক দেখা কৰিছিল। পিছত তেওঁ কোনোবা এখন বাতৰি কাকতত সেই সাক্ষাৎকাৰৰ বৰ্ণনা কৰি এটা প্ৰবন্ধ লিখিছিল। প্ৰবন্ধৰ কাটিংটো বহুদিনলৈকে মোৰ হাতত আছিল। এতিয়া হেৰুৱালো। কিন্তু প্ৰবন্ধটোৰ সাৰাংশটো মোৰ এতিয়াও ভালকৈ মনত আছে। ইন্দিৰা গান্ধীৰ সৌন্দৰ্য আৰু ব্যক্তিত্বৰ বৰ্ণনা কৰি তেওঁ লিখিছিল যে ভাৰতৰ কেবা হাজাৰ বছৰীয়া পুৰণি সভ্যতা-সংস্কৃতিৰ সমস্ত সুষমা আৰু প্ৰশান্তি যেন ইন্দিৰা গান্ধীৰ ব্যক্তিত্বৰ মাজত মূৰ্ত হৈ উঠিছে। ইন্দিৰা গান্ধীৰ সান্নিধ্যত কিছু সময় বহি থাকিলে ভাৰতীয় সংস্কৃতিৰ এই মহত্ব অনুভৱ কৰিব পাৰি।

ইন্দিৰা গান্ধীক প্ৰথমবাৰ মই লগ পাইছিলো ১৯৬৯ চনত। ডঃ অমিয় চক্ৰবৰ্তীৰ প্ৰবন্ধটো পঢ়িছিলো ১৯৭১ চনত। কিন্তু প্ৰবন্ধটো পঢ়াৰ লগে লগেই মোৰ ভাব হৈছিল যে ইন্দিৰা গান্ধীক প্ৰথম দেখাৰ দিনা মোৰ মনত যিবোৰ অনুভূতি হৈছিল, ডঃ চক্ৰবৰ্তীয়ে যেন তেওঁৰ প্ৰবন্ধটোত ঠিক সেইবোৰকে হুবহু প্ৰতিধ্বনি কৰিছে। ইন্দিৰা গান্ধীক যিসকলে কেৱল ৰাজহুৱা সভাত

যা জনাকীর্ণ সাংবাদিক মেলত দেখা পাইছে তেওঁলোকে ইন্দিৰা গান্ধীৰ এই ৰূপটো কল্পনা কৰিব নোৱাৰিব। কিন্তু আমি এটা কথা মনত ৰখা উচিত যে এজন মানুহৰ নিজৰ ঘৰত স্বামী বা পিতৃ হিচাপে যিটো ৰূপ, সেই একেজন মানুহৰে অফিচৰ ৰৱমৰীয়া হিচাপে বেলেগ এটা ৰূপ ; অন্তৰঙ্গ বন্ধুৰ আগুৱাত আৰু এটা বেলেগ ৰূপ। ইন্দিৰা গান্ধীয়েও কোনো কোনো বিৰল মুহূৰ্তত তেওঁৰ আচল ৰূপটো উদঙাই দেখুৱায়—যিটো ৰূপ এগৰাকী অসাধাৰণ কূটবুদ্ধিসম্পন্না ৰাজনীতিজ্ঞৰ নহয় ; যিটো ৰূপ এগৰাকী বিদুষী সুন্দৰী আৰু ৰহস্যময়ী নাৰীৰ।

মই প্ৰথমবাৰ ইন্দিৰা গান্ধীৰ সেই ৰূপটো দেখিছিলো। তেতিয়া তেওঁ বোধাহয় ৫৫ বছৰত ভৰি দিছিল। জীৱনৰ শৰৎ ঋতুৰ শেষ সোণালী আভাই তেওঁৰ সমস্ত ব্যক্তিত্বক দিছিল এক অপৰূপ লাৱণ্য। তেওঁৰ চাৰিওফালে আছিল এক স্পৰ্শাতীত নিঃসঙ্গতাৰ পৰিমণ্ডল। তেওঁ মোৰ লগত—ত্ৰিশ মিনিট নহয়—পূৰা পঞ্চাশ মিনিট সময় কথা পাতিছিল, আৰু কথা পাতিবলৈ আৰম্ভ কৰাৰ প্ৰায় দহ মিনিট সময়ৰ ভিতৰতে মই পাহৰি গৈছিলো যে মই এজন স্বল্পখ্যাত সাংবাদিকে ভাৰতৰ প্ৰধান মন্ত্ৰীৰ লগত কথা পাতিছো। তেওঁৰ কোমল কণ্ঠস্বৰ, স্নিগ্ধ নম্ৰতা আৰু বন্ধুত্বপূৰ্ণ ব্যৱহাৰে মোক অতিকৈ মুগ্ধ কৰিছিল। মই তেওঁক যিমান প্ৰশ্ন কৰিছিলো তেওঁ মোক সিমানেই বা তাতোকৈ বেছিহে প্ৰশ্ন কৰিছিল—অসমৰ বিষয়ে। তেওঁৰ প্ৰশ্নবোৰ শুনি মোৰ ধাৰণা হৈছিল যে অসমৰ বিষয়ে যিমানখিনি কৰা উচিত সিমানখিনি কৰিব নোৱাৰি তেওঁ যেন মনে মনে এটা অপৰাধ-বোধ অনুভৱ কৰি আছিল। পূৰা পঞ্চাশ মিনিট সময় তেওঁ গাটো অকণো কাতি-কুতা নকৰাকৈ ইমান ধীৰ-স্থিৰ হৈ বহি থাকি শান্ত অনুচ্চ স্বৰেৰে কথা পাতিছিল যে তেওঁক পৰিপূৰ্ণ প্ৰশান্তিৰ এটা জীৱন্ত প্ৰতিমূৰ্তি যেন লাগিছিল। তেওঁৰ পৰা বিদায় লৈ অহাৰ পিছত মোৰ মনলৈ প্ৰথম যিটো ভাব আহিছিল সেই ঃ যাৰ ব্যক্তিত্ব ইমান কোমল, কণ্ঠস্বৰ ইমান কোমল, হৃদয় ইমান কোমল, তেওঁ ভাৰতৰ নিচিনা এখন বিশাল আৰু সমস্যাকীৰ্ণ দেশ শাসন কৰিব কেনেকৈ ?

## ॥ তেৰ ॥

এই প্ৰশ্নৰ উত্তৰ পালো ইন্দিৰা গান্ধীৰ লগত মোৰ দ্বিতীয় বাৰৰ সাক্ষাতৰ সময়ত—১৯৭১ চনৰ আগষ্ট মাহত। সেইবাৰো মই প্ৰধান মন্ত্ৰীৰ পাৰ্লামেণ্ট-সংলগ্ন অফিচ-কক্ষত ইন্দিৰা গান্ধীৰ আহুতীয়া সাক্ষাৎকাৰ লৈছিলো। কিন্তু প্ৰথমবাৰৰ সাক্ষাতৰ সময়ত মই যেনেকৈ কোঠাটোত সোমায়েই ইন্দিৰা গান্ধীৰ লাৱণ্যময় প্ৰশান্ত ৰূপ দেখি মুগ্ধ হৈছিলো, এইবাৰ তেনেকৈ কোঠাটোত ভৰি দিয়েই বিস্ময়ত হতভম্ব হ'লো তেওঁৰ চেহেৰাত প্ৰকট হৈ উঠা বিৰাট পৰিবৰ্তন দেখি। মাত্ৰ দুবছৰৰ ভিতৰতে মানুহগৰাকীৰ বয়স যেন বিশ বছৰ মান বাঢ়ি গ'ল। তদুপৰি তেওঁৰ ব্যক্তিত্বৰ যি প্ৰশান্তিয়ে প্ৰথমবাৰ মোক অতিশয় মুগ্ধ কৰিছিল, এইবাৰ তাৰ বিন্দুমাত্ৰ অৱশিষ্ট নাই। মুখমণ্ডলত 'নাৰ্ভাছ-টিক' ইমান বেছি যে কিছুসময় তেওঁৰ মুখৰ ফালে চাই থাকিলে নিজেই নাৰ্ভাছ হৈ পৰিব লাগে। কোঠাটোত ভৰি দিয়েই মই ইন্দিৰা গান্ধীৰ স্নায়বিক উত্তেজনাৰ বিদ্যুৎ-স্পৰ্শ মোৰ গোটেই গাত অনুভৱ কৰিবলৈ ধৰিলো। তেওঁ কিবা কথাত ইমান বিৰক্ত বা উত্তেজিত হৈ আছিল যে মোৰ প্ৰথম প্ৰশ্নটোৰ প্ৰথম তিনিটা মান শব্দ শুনাৰ লগে লগেই চকীত পোন হৈ বহি তেওঁ ফেটীসাপৰ দৰে ফোঁচ কৰি উঠিল—I do'nt like your language!

মই তেওঁৰ চকুলৈ চাই দেখিলো, শীতল ক্ৰোধত তেওঁৰ চকু দুটা জ্বলিব ধৰিছে। মই দেখিলো, কথা সৰ্বনাশ। আৰম্ভ নৌ কৰোতেই মোৰ সাক্ষাৎকাৰ বোধহয় শেষেই হ'ল। মই নম্ৰভাৱে ক'লো—'...ৰ শব্দৰ অপ-প্ৰয়োগৰ কাৰণে ক্ষমা কৰিব।' ইন্দিৰা গান্ধীও বোধহয় অভাব-বিএক্ত কৰাৰ কাৰণে ঈষৎ লজ্জিত হৈছিল। তৎক্ষণাৎ শান্ত হৈ ক'লে—'প্ৰশ্নটো আকৌ কোৱাচোন।'

এইবাৰ আমি পঁচিশ মিনিট কথা পাতিলো। এইবাৰ মই প্ৰতি চেকেণ্ডতে অনুভৱ কৰি থাকিলো যে মই ভাৰতৰ ব্যস্ততম ব্যক্তি তথা কৰ্মক্লান্ত প্ৰধান মন্ত্ৰীৰ লগত কথা পাতিছো। এইবাৰো বাকী সময়খিনি ইন্দিৰা গান্ধীয়ে মোৰ লগত অতি ভদ্ৰভাৱেই কথা পাতিছিল; কিন্তু প্ৰথমবাৰৰ মাধুৰ্য আৰু বন্ধুত্বৰ স্পৰ্শ এক মুহূৰ্তৰ কাৰণেও অনুভৱ নকৰিলো। তেওঁৰ পৰা বিদায় লৈ কোঠাটোৰ পৰা ওলাই আহিহে মই স্বস্তিৰ নিশ্বাস পেলালো।

## ॥ চৈধ্য ॥

১৯৮৩ চনৰ ২৮ মাৰ্চত ইন্দিৰা গান্ধী গুৱাহাটীলৈ আহিছিল। ৩১ মাৰ্চত তেওঁ দিল্লীলৈ ঘূৰি যোৱাৰ কথা। ২৯ মাৰ্চৰ ৰাতি দিছপুৰৰ পৰা মোক খবৰ দিয়া হ'ল যে ইন্দিৰা গান্ধীয়ে গুৱাহাটী এৰাৰ আগতে মোৰ লগত নিৰলে অলপ সময় কথা পাতিব খুজিছে। মুখ্যমন্ত্ৰী হিতেশ্বৰ শইকীয়াই নিজে মোক জহৰনগৰ অতিথিশালালৈ লৈ যাব।

প্ৰধান মন্ত্ৰীয়ে যে সঁচাকৈয়ে মোৰ লগত নিৰলে কথা পাতিব খুজিছে সেই কথা মই প্ৰধান মন্ত্ৰীৰ কোঠাত ভৰি দিহে ভালকৈ উপলব্ধি কৰিলো। মুখ্যমন্ত্ৰী শইকীয়াই মোক "প্ৰধান মন্ত্ৰীৰ কোঠালৈ বাট দেখুৱাই লৈ গৈছিল। কিন্তু প্ৰধান মন্ত্ৰীৰ লগত অভিবাদন বিনিময়ৰ পিছত মই আসন গ্ৰহণ কৰাৰ লগে লগে তেওঁ আমাৰ পৰা বিদায় লৈ ওলাই গ'ল। কোঠাটোত থাকিলো কেৱল মই আৰু ইন্দিৰা গান্ধী। কোনো ব্যক্তিগত সহকাৰীক তাত থাকিবলৈ দিয়া দূৰৰ কথা, আনকি অলপ পিছতে প্ৰধান মন্ত্ৰীক দেখা কৰিবলৈ অহা ৰাজ্যপাল প্ৰকাশ মেহৰোত্ৰা আৰু কেন্দ্ৰীয় গৃহ দপ্তৰৰ ৰাজ্য-মন্ত্ৰী নীহাৰৰঞ্জন লস্কৰকো ইন্দিৰা গান্ধীয়ে হাতৰ ইঙ্গিতেৰে দুৱাৰ-মুখৰ বাহিৰৰ পৰাই বিদায় কৰি দিলে। মই মনে মনে অলপ আচৰিত হ'লো। মোৰ লগতনো ভাৰতৰ প্ৰধান মন্ত্ৰীৰ এনে কি গোপন কথা থাকিব পাৰে যে ৰাজ্যপাল, মুখ্যমন্ত্ৰী আৰু কেন্দ্ৰীয় গৃহমন্ত্ৰী পৰ্যন্ত তাত উপস্থিত থাকিব নোৱাৰে।

সকলো বিদায় লোৱাৰ পিছত অৱশেষত মই ইন্দিৰা গান্ধীৰ মুখামুখি হ'লো। ইয়াৰ আগতে মই তেওঁক লগ পাইছিলো ১৯৭১ চনত। তাৰ পিছত সুদীৰ্ঘ আৰু ঘটনা-মুখৰ এটা যুগ পাৰ হৈ গৈছে। মানুহৰ জীৱন-ইতিহাস লেখা থাকে তেওঁৰ মুখ-মণ্ডলত। ৰাজহুৱা জীৱনত মানুহে সকলো সময়তে এখন মুখা পিন্ধি থাকিব লগা হয়। কিন্তু কোনোবাই মুখাখন খুলি থৈ আচল মুখখন উদঙাই দেখুৱালে সেই মুখত তেওঁৰ জীৱন-ইতিহাস পঢ়া সম্ভৱ হয়। ইন্দিৰা গান্ধীৰ মুখত চকু পৰাৰ লগে লগে মোৰ মনলৈ ভাব আহিল যে এই ইন্দিৰা গান্ধী সেই ইন্দিৰা গান্ধী নহয়—যাক মই দেখিছিলো

১৯৬৯ চনৰ ৮ ডিচেম্বৰত, শক্তি আৰু সৌন্দৰ্যৰ জীৱন্ত প্ৰতিমূৰ্তিৰ ৰূপত। এই ইন্দিৰা গান্ধী সেই ইন্দিৰা গান্ধী নহয়, যাক মই দেখিছিলো ১৯৭১ চনৰ ৬ আগষ্টত, উদ্ধত আৰু কৰ্মক্লান্ত সম্ৰাজ্ঞীৰ ৰূপত। এই মুহূৰ্তত মোৰ সম্মুখত যি গৰাকী ইন্দিৰা গান্ধী বহি আছে তেওঁ এতিয়াৰ সম্ৰাজ্ঞীৰ মহিমাৰে দীপ্তিময়ী। কিন্তু তেওঁৰ জীৱনৰ পৰা ইতিমধ্যে কিবা এটা বস্তু নোহোৱা হৈ গৈছে, আৰু সেই খালি ঠাইখিনি পূৰণ কৰিছে গভীৰ অপৰিমেয় বিষাদে। সেইদিনা ইন্দিৰা গান্ধীক ইমান বেছি ক্লান্ত আৰু বিষাদ-গ্ৰস্ত দেখাইছিল যে প্ৰথম কেইমিনিটমান সময় তেওঁৰ কথাবোৰ মোৰ মগজে গ্ৰহণেই কৰিব পৰা নাছিল; মই কেৱল অবাক বিস্ময়ত তেওঁৰ মুখলৈ চাই ৰৈছিলো। ১৯৭৭ চনৰ নিৰ্বাচনৰ পৰাজয়, ৰাজনৈতিক বনবাস, পুত্ৰ সঞ্জয় গান্ধীৰ শোকাবহ মৃত্যু, নাতি বৰুণৰ লগত বিচ্ছেদ, পাঞ্জাবৰ নৰমেধ যজ্ঞ, অসমৰ দীৰ্ঘস্থায়ী আন্দোলন, স্বপ্নভঙ্গৰ বেদনা, বাৰ্ধক্যৰ চেতনা—এই সকলোবোৰেই নিৰ্ভুল আৰু স্পষ্ট স্বাক্ষৰ ৰাখি গৈছে ইন্দিৰা গান্ধীৰ মুখত, আৰু সকলো বোৰেই একাকাৰ হৈ ৰূপ লৈছে এক গম্ভীৰ বিষাদৰ। অন্ততঃ চকিত এটা মুহূৰ্তৰ কাৰণে মই সেইদিনা ইন্দিৰা গান্ধীৰ এনে এটা ৰূপকেই দেখিছিলো।

তেওঁৰ কথাবোৰতো আছিল গভীৰ বিষাদৰ সুৰ। মোৰ ধাৰণা যে অসমৰ সমস্যা সমাধান কৰিব নোৱাৰি বা অসম-আন্দোলনৰ অৱসান ঘটাব নোৱাৰি তেওঁ মনে মনে যি গভীৰ বেদনা অনুভৱ কৰিছিল সেই কথা কোনোবা এজন অসমীয়াক কৈ তেওঁ মন পাতলাব খুজিছিল আৰু তাৰ কাৰণে তেওঁ বাছি লৈছিল মোক। দুটামান গোপনীয় কথাও তেওঁ মোক কৈছিল। তাৰ ভিতৰত এটা আছিল ভাৰতৰ বিভিন্ন প্ৰান্তত আৰু বিশেষকৈ উত্তৰ-পূৰ্বাঞ্চলত ভাৰত-বিৰোধী বিদেশী ষড়যন্ত্ৰৰ কথা। অসম-আন্দোলনতো বিদেশী ষড়যন্ত্ৰকাৰীৰ হাত আছিল বুলি তেওঁ বিশ্বাস কৰিছিল। তেওঁ যে মোক সেই কথা কৈছিল সেই কথা মই তেওঁক লগ পোৱাৰ এসপ্তাহৰ ভিতৰতে কলিকতাৰ 'আজকাল' কাকতত প্ৰকাশ হৈছিল।

ইন্দিৰা গান্ধীয়ে মোক আৰু কৈছিল যে গুৱাহাটী বিশ্ববিদ্যালয়খন সাময়িকভাৱে চৰকাৰী নিয়ন্ত্ৰণলৈ আনিলে অসম-আন্দোলন দমন কৰা সহজ হ'ব বুলি কোনো কোনোৱে তেওঁক পৰামৰ্শ দিছিল। কিন্তু তেওঁ সেই পৰামৰ্শ দৃঢ়ভাৱে অগ্ৰাহ্য কৰিছিল। ভাৰতৰ সকলো ৰাজ্য আৰু সকলো

ধৰ্মৰ মানুহৰ লগত নেহৰু পৰিয়ালৰ নিবিড় আত্মীয়তাৰ কথা ক'বলৈ গৈ তেওঁ মোক কৈছিল যে নেহৰু পৰিয়ালৰ মানুহে ভাৰতৰ সকলো ৰাজ্য আৰু সকলো ধৰ্মৰ মানুহৰ লগত বৈবাহিক সম্পৰ্ক স্থাপন কৰিছে। আনকি এজনী অসমীয়া ছোৱালীকো নেহৰু পৰিয়ালৰ মানুহে বিয়া কৰিছে।

এইদৰে বিষয়ৰ পৰা বিষয়ান্তৰলৈ গৈ আৰু আড্ডাৰ মুডত অন্তৰঙ্গভাৱে কথা পাতি ইন্দিৰা গান্ধীয়ে মোক মনত পেলাই দিছিল আমাৰ প্ৰথম সাক্ষাতৰ দিনটোৰ কথা—যিদিনা তেওঁৰ বন্ধুত্বপূৰ্ণ আচৰণ আৰু ব্যক্তিগত মাধুৰ্যই মোৰ মনত গভীৰ চাপ বহুৱাইছিল। তেওঁক তৃতীয়বাৰৰ কাৰণে লগ নোপোৱা হ'লে কিন্তু তেওঁৰ দ্বিতীয়বাৰৰ ৰুক্ষ ৰূপটোহে মোৰ মনত স্থায়ীভাৱে থাকি গ'লহেঁতেন। ব্যক্তিগতভাৱে মোৰ কাৰণে সেইটো হ'লহেঁতেন বেদনা-দায়ক। কিন্তু তৃতীয় আৰু শেষবাৰৰ কাৰণে দেখা তেওঁৰ বিষাদ-গম্ভীৰ শান্ত ৰূপটোৱে মোৰ মনত এতিয়াও গভীৰ আৱেগ জগাই তোলে। মাজে মাজে ভাবো, জীৱনৰ শেষ অধ্যায়ত উপনীত হৈ ইন্দিৰা গান্ধীয়ে কি পাৰ্থিৱ গৌৰৱ আৰু ক্ষমতাৰ অসাৰতা উপলব্ধি কৰিবলৈ আৰম্ভ কৰিছিল—যিদৰে কৰিছিল প্ৰিন্স বিছমাৰ্কে ?

বিদায় লোৱাৰ আগতে ইন্দিৰা গান্ধীয়ে আৰু এটা কাণ্ড কৰি মোক অবাক কৰিলে। 'তোমাৰ ঠিকনাটো মোক কোৱাচোন, মই লিখি লওঁ'—এই বুলি কৈ তেওঁ নিজেই উঠি গৈ এখন ডায়েৰি আনিলে আৰু মোৰ ঠিকনা লিখি ললে। মোৰ ধাৰণা যে ইন্দিৰা গান্ধীৰ ব্যৱহৃত কোনো বস্তুকেই নষ্ট কৰি পেলোৱা হোৱা নাই। গতিকে তেওঁ নিজ হাতে মোৰ নাম-ঠিকনা লেখা ডায়েৰিখন এতিয়াও নিশ্চয় যথাস্থানত আছে।

তাৰ পিছত তেওঁ মোক ক'লে—'তুমি মাজে মাজে মোলৈ চিঠি লিখিবা আৰু দিল্লীলৈ আহিলে মোৰ ওচৰলৈ আহিবা।'

মোক এই কথা কোৱাৰ পিছতো ইন্দিৰা গান্ধী এবছৰতকৈ বেছি সময় জীয়াই আছিল। মই কিন্তু বহুত ভাবি-চিন্তি ইন্দিৰা গান্ধীৰ লগত কোনো যোগাযোগ নাৰাখিবলৈকে ঠিক কৰিলো। প্ৰত্যক্ষ বা পৰোক্ষ কোনো ভাবেই ৰাজনীতিৰ লগত জড়িত হৈ পৰিবলৈ মোৰ ইচ্ছা নাছিল, এতিয়াও নাই।

## ॥ পোন্ধৰ ॥

১৯৮৩ চনৰ নিৰ্বাচনৰ পিছত হিতেশ্বৰ শইকীয়া অসমৰ মুখ্যমন্ত্ৰী হ'ল। ফেব্ৰুৱাৰী মাহত মুখ্যমন্ত্ৰী হিচাপে তেওঁ শপত গ্ৰহণ কৰাৰ পিছত টেলিফোনত তেওঁৰ লগত এবাৰ নে দুবাৰ মোৰ কথা-বাৰ্তা হৈছিল যদিও ৩০ মাৰ্চৰ আগলৈকে তেওঁৰ লগত মোৰ দেখাদেখি হোৱা নাছিল। ৩০ মাৰ্চৰ ৰাতিপুৱা মই তেওঁৰ চৰকাৰী বাসভৱনলৈ যাব লগা হ'ল, কাৰণ সেইদিনা তেওঁ মোক প্ৰধান মন্ত্ৰী ইন্দিৰা গান্ধীৰ ওচৰলৈ লৈ যোৱাৰ কথা। মই মুখ্যমন্ত্ৰীৰ বাসভৱন গৈ পোৱাৰ লগে লগে শইকীয়া ভিতৰৰ পৰা ওলাই আহিল আৰু তেওঁৰ ঘৰত খন্তেক সময়ো নবহাকৈয়ে আমি জহৰনগৰ চৰকাৰী অতিথিশালা অভিমুখে ঢাপলি মেলিব লগা হ'ল। আমাৰ ইতিমধ্যেই যথেষ্ট দেৰি হৈছিল। কিন্তু গাড়ীৰ ভিতৰত সোমোৱাৰ আগেয়েই তেওঁ জেপৰ পৰা সৰু ডায়েৰি এখন উলিয়াই তেওঁৰ স্বভাৱ-সুলভ মিচিকিয়া হাঁহিটো মাৰি মোক ক'লে 'ককাইদেউ, আপুনি ১৯৭৪ চনতেই ভৱিষ্যদ্বাণী কৰিছিল যে ১৯৮২ চনত মই অসমৰ মুখ্যমন্ত্ৰী হম। ১৯৮২ চনত মই মুখ্যমন্ত্ৰী নহ'লো, কাৰণ সেই বছৰত অসমত নিৰ্বাচনেই নহ'ল। কিন্তু আপোনাৰ ভৱিষ্যদ্বাণী আখৰে আখৰে ফলিয়ালে। এয়া চাওক, আপুনি ভৱিষ্যদ্বাণী কৰা তাৰিখটো মই ডায়েৰিত লিখি থৈছো।'

হিতেশ্বৰ শইকীয়াৰ লগত মোৰ দীৰ্ঘস্থায়ী বন্ধুত্বৰ সম্পৰ্কটোক কেন্দ্ৰ কৰি অসমৰ ৰাজনৈতিক মহলত বহুদিন ধৰি নানা প্ৰচাৰ আৰু অপ-প্ৰচাৰ চলি আছে। ৰাজনীতিৰ জগতখন তেনেকুৱাই। আনক তললৈ নখহোৱাকৈ ইয়াত কোনেও নিজে ওপৰলৈ উঠিব নোৱাৰে; সেই কাৰণে ৰাজনীতিৰ জগতত পৰ-নিন্দা এটা অতি স্বাভাৱিক কথা। ৰাজনীতিৰ লগত জড়িত থকা মানুহে সকলো সময়তে নিন্দা আৰু সমালোচনাৰ কাৰণে নিজকে প্ৰস্তুত কৰি ৰাখিব লাগে। ৰাজনৈতিক সাংবাদিকতা কৰা মানুহো আচলতে এজন ৰাজনীতিকেই। গতিকে তেওঁৰো প্ৰতি মুহূৰ্ততে প্ৰতিপক্ষৰ নিন্দা আৰু সমালোচনাৰ লক্ষ্য হ'বই লাগিব। মোৰ বিৰুদ্ধে অপ-প্ৰচাৰ হ'লে মই বিন্দুমাত্ৰ মনোকষ্ট অনুভৱ

নকৰো। কাৰণ মোৰ মানসিক শান্তি আৰু আত্ম-সন্মান-বোধ আনৰ নিন্দা বা প্ৰশংসাৰ ওপৰত নিৰ্ভৰশীল নহয়। মই নিজৰ বিবেকৰ বাহিৰে আন কাৰো ওচৰত জবাবদিহি কৰিব নোখোজো। কিন্তু যিহেতু ইয়াত মই মোৰ সাংবাদিক জীৱনৰ স্মৃতিকথা লিখিছো, সেই কাৰণে মই তথ্যবোৰ অবিকৃত ৰূপত ভৱিষ্যতলৈ ৰাখি যাব বিচাৰো। সেই তথ্যবোৰ পাঠকসকলে বিশ্বাস কৰেনে নকৰে সেইটো তেওঁলোকৰ নিজৰ ইচ্ছা আৰু বিচাৰ-বুদ্ধিৰ কথা।

বহুতে ক'ব খোজে যে মই নানা কৌশলেৰে হিতেশ্বৰ শইকীয়াৰ এটা বিশেষ ভাব-মূৰ্তি নিৰ্মাণ কৰি তেওঁৰ ৰাজনৈতিক শক্তি-বৃদ্ধিত সহায় কৰিছো আৰু তেওঁক আজিৰ অৱস্থালৈ আনিছো। বহুতে এইবোৰ কথা ইজনে সিজনৰ কাণত ফুচফুচাই ক'ব খোজে। কিন্তু নিবাৰণ বৰাই 'অসম-বাণীত' লেখা এটা প্ৰবন্ধত এই কথা স্পষ্ট ভাষাৰে কৈছে। মই একে আষাৰে ক'ব বিচাৰো যে এই ধাৰণাটো সম্পূৰ্ণ ভুল আৰু ভিত্তিহীন। মই যি কোনো মানুহৰে প্ৰাপ্য প্ৰশংসাখিনি তেওঁক দিব খোজো। মোৰ প্ৰশংসা কেৱল ৰাজনীতিক-সকলৰ কাৰণেই আচুতীয়াভাৱে সংৰক্ষিত নহয়। যি মানুহেই বিভিন্ন কৰ্মক্ষেত্ৰত বিশেষ নিষ্ঠা আৰু প্ৰতিভা দেখুৱাইছে, তেওঁকেই মই ৰাজহুৱাভাৱে প্ৰশংসা কৰিছো আৰু উৎসাহ দিবলৈ চেষ্টা কৰিছো। সমাজৰ মঙ্গলৰ বাহিৰে কোনো ব্যক্তিগত স্বাৰ্থৰ কথা ভাবি মই এই কাম কৰা নাই। উদাহৰণ হিচাপে নিবাৰণ বৰাৰ কথাই ধৰা যাওক। হিতেশ্বৰ শইকীয়াক মই মাজে মাজে প্ৰশংসা কৰাৰ কাৰণে তাৰ মাজত মোৰ কিবা ব্যক্তিগত স্বাৰ্থ বা উদ্দেশ্য থকা বুলি নিবাৰণ বৰাই সন্দেহ কৰিছে। কিন্তু সাপ্তাহিক নীলাচলৰ পাতত মই নিবাৰণ বৰাক যিমান উচ্চ-প্ৰশংসা কৰিছিলো বা তেওঁৰ ভাবমূৰ্তি উজ্জ্বল ৰূপত গঢ় তুলিবলৈ চেষ্টা কৰিছিলো, আন কোনো মানুহৰ কাৰণে মই সেইখিনি কৰা নাই। এই গ্ৰন্থত সন্নিৱিষ্ট নিবাৰণ বৰাৰ কেইখনমান চিঠিত তেওঁ নিজেই সেই কথা স্বীকাৰ কৰিছে। 'অসম-বাণীত' প্ৰকাশিত নিবাৰণ বৰাৰ যিটো প্ৰবন্ধৰ কথা ওপৰত কৈ আহিছো সেই প্ৰবন্ধতো বৰাই দ্ব্যৰ্থহীন ভাষাৰে কৈ পেলাইছে যে তেওঁ আজি যিটো হৈছে সেইটো হ'ব পাৰিছে মই তেওঁক বিস্মৃতিৰ গৰ্ভৰ পৰা উদ্ধাৰ কৰাৰ কাৰণেহে। এতিয়া বৰায়েই কওকচোন বা বাইজেও কওকচোন মইনো নিজৰ কি ব্যক্তিগত স্বাৰ্থৰ কথা ভাবি নিবাৰণ বৰাক ইমান ওপৰলৈ তুলিছিলো ?

এদিন মই মোৰ এজন ঘনিষ্ঠ বন্ধুক সুধিছিলো—'মোৰ স্বভাৱত কি কি ডাঙৰ দোষ বা ত্ৰুটি এতিয়ালৈকে তোমাৰ চকুত পৰিছে ?' বিশেষ নভবাকৈয়ে তেওঁ উত্তৰ দিলে 'তোমাৰ প্ৰথম ডাঙৰ দোষটো হ'ল এয়েই যে তুমি যি কোনো মানুহৰ বিষয়েই খুব সোনকালে উচ্ছ্বসিত হৈ উঠা আৰু কোনো কোনো ক্ষেত্ৰত পিছত অনুতাপ কৰা। দ্বিতীয়তে, সামান্য কথাতে তোমাৰ টিকিচকৈ খং উঠে—যদিও অৱশ্যে সেই খং কেতিয়াও স্থায়ী নহয়। অৱশ্যে বয়স আৰু অভিজ্ঞতা বঢ়াৰ লগে লগে তোমাৰ এই দুয়োটা দোষেই ক্ৰমাণ্বয়ে কমি আহিছে।'

* * *

শৰৎচন্দ্ৰ সিংহৰ লগত ১৯৭০ চনত ডুলিয়াজানলৈ যাওঁতে গাড়ীত বহি একেলেথাৰিয়ে বাৰঘণ্টা কথা পতাৰ কথা ওপৰত কৈ আহিছো। কথা-প্ৰসঙ্গত তেওঁক মই সুধিছিলো—'আপুনি যে কংগ্ৰেছৰ ন্যস্ত-স্বাৰ্থৰ বিৰুদ্ধে অভিযান আৰম্ভ কৰিছে আৰু সংগঠনটোক দুৰ্নীতি-মুক্ত কৰিবলৈ চেষ্টা কৰিছে, এই কামত আপুনি কাৰোবাক লগৰীয়া হিচাপে পাইছেনে ? আপুনি সদায় কয় যে আদৰ্শবাদী নতুন পুৰুষৰ হাতলৈ কংগ্ৰেছৰ নেতৃত্ব আহিব লাগিব। নতুন পুৰুষৰ সহায়তেই আপুনি কংগ্ৰেছৰ মাজত বিপ্লৱ আনিব। গোটেই অসম চলাথ কৰি আপুনি এতিয়ালৈকে তেনেকুৱা মাত্ৰ দহজন ডেকা ল'ৰা বিচাৰি পাইছেনে ?'

মোৰ প্ৰশ্নটো শুনি শৰৎ সিংহই চকু দুটা মুদি প্ৰায় একমিনিট মান সময় নীৰৱ হৈ ৰ'ল। তাৰ পিছত স্বগতোক্তি কৰাৰ দৰে তেওঁ ক'লে, 'মাত্ৰ এজন ল'ৰা পাইছো। হিতেশ্বৰ শইকীয়া।'

হিতেশ্বৰ শইকীয়া নামটোৰ লগত সেয়েই মোৰ প্ৰথম পৰিচয়। মনত ৰখা দৰকাৰ যে মোৰ উচ্ছ্বাস প্ৰৱণ আৰু অপৰিণত বিচাৰ-বুদ্ধিৰে সেই সময়ত মই শৰৎচন্দ্ৰ সিংহক কংগ্ৰেছৰ 'নৱ-বিপ্লৱৰ' এজন প্ৰধান অগ্ৰদূত আৰু নায়ক বুলি বিবেচনা কৰিছিলো। মোৰ সামান্য শক্তিৰে তেওঁক পাৰ্শ্বমানে সহায় কৰিবলৈকো চেষ্টা কৰিছিলো। এনেস্থলত তেওঁ যেতিয়া মোক ক'লে যে গোটেই অসম চলাথ কৰি তেওঁ মাত্ৰ এজনহে নিৰ্ভৰযোগ্য আৰু আদৰ্শবাদী ডেকা বিচাৰি পাইছে, আৰু সেই ডেকাজনৰ নাম হিতেশ্বৰ শইকীয়া, তেতিয়া হিতেশ্বৰ শাইকীয়াক লগ নোপোৱাকৈয়ে স্বাভাৱিকতে মোৰ মনত তেওঁৰ প্ৰতি এটা সম্ভ্ৰম-কৌতূহল সৃষ্টি হ'ল।

মই দ্বিতীয়বাৰ হিতেশ্বৰ শইকীয়াৰ নাম শুনো সাংবাদিক বদ্ৰু কাকতীৰ মুখত। তেওঁ তেতিয়া সাপ্তাহিক নীলাচলৰ সহকাৰী সম্পাদক আছিল। কথা-প্ৰসঙ্গত তেওঁ এদিন হিতেশ্বৰ শইকীয়াৰ নাম উল্লেখ কৰি ক'লে যে এই ডেকাজনেই এতিয়া শৰৎচন্দ্ৰ সিংহৰ সোঁ-হাত, আৰু শৰৎচন্দ্ৰ সিংহ কেনেবাকৈ ক্ষমতালৈ আহিলে হিতেশ্বৰ শইকীয়াইয়ো অসমৰ ৰাজনীতিত এটা গুৰুত্বপূৰ্ণ ভূমিকা লব।

এইবোৰ কথাৰ পৰা প্ৰমাণ হয় যে বহুতে ভবাৰ দৰে হিতেশ্বৰ শইকীয়া মোৰ আৱিষ্কাৰ নহয় বা তেওঁৰ বিষয়ে প্ৰথম ভৱিষ্যদ্বাণী কৰা মানুহজনো মই নহয়।

১৯৭২ চনৰ মাৰ্চ মাহত সাধাৰণ নিৰ্বাচন অনুষ্ঠিত হোৱাৰ প্ৰায় এমাহৰ আগতে হিতেশ্বৰ শইকীয়া মোৰ ঘৰলৈ আহিল। সেয়েই তেওঁৰ লগত মোৰ প্ৰথম দেখাদেখি। প্ৰথম দৰ্শনতে হিতেশ্বৰ শইকীয়াই মোক মুগ্ধ কৰিলে তেওঁৰ অমায়িক কথা-বাৰ্তা আৰু আচৰণৰ দ্বাৰা। নম্ৰতা, ভদ্ৰতা আৰু সজ আচৰণৰ প্ৰতি মোৰ এটা স্বাভাৱিক দুৰ্বলতা আছে। হিতেশ্বৰ শইকীয়াৰ লগত মোৰ বন্ধুত্ব স্থায়ী হোৱাৰ ইও এটা প্ৰধান কাৰণ। এই কথাও স্বীকাৰ কৰো যে হিতেশ্বৰ শইকীয়াৰ প্ৰতি স্নেহাতিশয্য-বশতঃ মই তেওঁৰ বহুত দোষ-ত্ৰুটিৰ প্ৰতিও অন্ধ হৈ থাকো বা আন বহুতক কৰাৰ দৰে তেওঁক খুব চোকা ভাষাৰে সমালোচনা কৰিব নোৱাৰো। অৱশ্যে তেওঁৰ যিখিনি দোষ আছে সেইখিনি দোষ শতকৰা নিৰান্নৈজন সফল ৰাজনীতিকৰ চৰিত্ৰতে আছে। কিন্তু তেওঁৰ এনেকেইটামান বিশেষ গুণ আছে যিকেইটা গুণ খুব কম ৰাজনৈতিক নেতাৰ চৰিত্ৰতে দেখা যায়। ৰাজনীতিক হিচাপে তেওঁৰ প্ৰথম উল্লেখযোগ্য গুণটো হ'ল সমালোচনা-সহিষ্ণুতা। কোনো সমালোচনাই তেওঁক বিচলিত নকৰে আৰু কোনো সমালোচকৰ প্ৰতি তেওঁ বৈৰী-ভাব বা প্ৰতিশোধ-পৰায়ণ ভাব পোষণ নকৰে। তেওঁ মুখ্যমন্ত্ৰী হৈ থকা সময়ত অসমৰ আটাইকেইখন বাতৰি কাকতেই কম বেছি পৰিমাণে তেওঁক শত্ৰু জ্ঞান কৰিছিল আৰু নিৰ্মম বাক্যবাণেৰে তেওঁক থকা-সৰকা কৰিছিল। কিন্তু কোনো এখন কাকতৰ প্ৰতিয়েই তেওঁ প্ৰতিশোধ-মূলক আচৰণ কৰাৰ কোনো প্ৰমাণ নাই। বৰং কঠোৰতম সমালোচকজনৰ প্ৰতিহে তেওঁ মধুৰতম ব্যৱহাৰ কৰে বুলি সকলোৱে জানে।

হিতেশ্বৰ শইকীয়াৰ আৰু এটা বিশেষ গুণৰ কথা ক'বলৈ হ'লে এটি সৰু

ঘটনাৰ উল্লেখ কৰিব লাগিব। এই কথা মোক কৈছিল বিশিষ্ট সাংবাদিক অনিল বৰুৱাই। শইকীয়া মুখ্যমন্ত্ৰী হৈ থকাৰ সময়ত এদিন এগৰাকী মহিলাই তেওঁক জনতা ভৱনত দেখা কৰিবলৈ আহিল। মহিলা গৰাকীৰ এজন পুতেক বিদেশী-খেদা আন্দোলনৰ এজন আগৰণুৱা সৈনিক। কিবাকিবি অভিযোগত পুলিচে ল'ৰাজনক গ্ৰেপ্তাৰ কৰি থানা হাজোতত ৰাখিছে। সেই সময়ত সৰ্বসাধাৰণ ৰাইজৰ মাজত এনে এটা ধাৰণা ব্যাপকভাৱে প্ৰচাৰ হৈছে যে আন্দোলনকাৰীক কেনেবাকৈ থানা হাজোতলৈ ধৰি নিব পাৰিলেই পুলিচে তেওঁলোকৰ ওপৰত নানা ধৰণৰ অত্যাচাৰ কৰে। মহিলাগৰাকীৰো মনত ভয় হৈছে যে পুলিচে তেওঁৰ পুতেকৰ ওপৰত নিৰ্যাতন চলাব। সেই কাৰণে পুতেকৰ হৈ দয়া-ভিক্ষা কৰিবলৈ তেওঁ মুখ্যমন্ত্ৰীৰ ওচৰলৈ আহিছে। শইকীয়াই মহিলাগৰাকীৰ কথা শুনা মাত্ৰে টেলিফোনটো দাঙি ললে আৰু ল'ৰাজনক তৎক্ষণাৎ মুকলি কৰি দিবলৈ সংশ্লিষ্ট পুলিচ বিষয়াক হুকুম দিলে। তাৰ পিছত তেওঁ কিছু সময় মহিলাগৰাকীৰ লগত আথে-বেথে কথা পাতি অৱশেষত চৰকাৰী গাড়ীৰে তেওঁক ঘৰত থোৱাই দিলে।

মানুহে মোক হিতেশ্বৰ শইকীয়াৰ ঘনিষ্ঠ বন্ধু বুলিয়েই জানে। কিন্তু তেওঁ যদি কাৰোবাৰ প্ৰতি বিশেষ অন্যায় কৰিছিল তেন্তে মোৰ প্ৰতিয়েই কৰিছিল বুলি মোৰ ধাৰণা। অৱশ্যে তাৰ কাৰণ ব্যক্তিগত নাছিল; সি আছিল সম্পূৰ্ণভাৱে ৰাজনৈতিক। মই সাপ্তাহিক নীলাচল এৰিব লগাৰ একাধিক কাৰণৰ ভিতৰত এটা কাৰণৰ লগত হিতেশ্বৰ শইকীয়াৰ নামটোও পৰোক্ষভাৱে জড়িত হৈ আছে। অৱশ্যে এতিয়া ঘূৰি চাই ভাবো যে তেওঁ কিজানি মোক গোৰ মাৰি গঙ্গাতহে পেলালে।

## ॥ ষোল ॥

শৰৎচন্দ্ৰ সিংহই কংগ্ৰেছক দুৰ্নীতি-মুক্ত কৰিব বুলি ঘোষণা কৰিছিল আৰু থাইকৈ সেই কাৰণেই মই তেওঁলৈ মোৰ সমৰ্থন আগবঢ়াইছিলো। কিন্তু তেওঁ মুখ্যমন্ত্ৰী হোৱাৰ পিছত বছৰটো ঘূৰিবলৈ নৌ পাওঁতেই মই আবিষ্কাৰ কৰিলো যে আন সকলো মুখ্যমন্ত্ৰী যি বাটেৰে চলে তেওঁৰো সেই বাটেৰে চলিবলৈ

আৰম্ভ কৰিছে। ব্যক্তিগতভাৱে তেওঁ এজন সৎ আৰু দুনীতি-মুক্ত মানুহ বুলি মই আজিও বিশ্বাস কৰো। কিন্তু ক্ষমতালৈ আহিবলৈ হ'লে আৰু ক্ষমতা ধৰি ৰাখিবলৈ হ'লে অতি সৎ নেতায়ো আনৰ দুনীতিৰ প্ৰতি চকু মুদি থাকিবলৈ বাধ্য হয়। শৰৎ সিংহ তাৰ ব্যতিক্ৰম হ'ব বুলি ভাবিছিলো, কিন্তু নহ'ল। ফলত শৰৎ সিংহ সম্পৰ্কে মোৰ মোহভঙ্গ হ'বলৈ বেছি দিন নালাগিল।

কিন্তু তেওঁৰ বিৰুদ্ধে মাত মতাৰ আগতে মই তেওঁক তেওঁৰ সংকল্পৰ কথা সুঁৱৰাই দি তেওঁৰ পৰা কাম আদায় কৰিবলৈ যথেষ্ট চেষ্টা কৰিছিলো। তেওঁৱে মোৰ সকীয়নি সদায়েই উপেক্ষা কৰিছিল বা প্ৰত্যেকটো দুনীতিমূলক কামকে প্ৰশ্ৰয় দিছিল তেনে কথা মই কেতিয়াও নকওঁ। তেওঁৰ সৎ উদ্দেশ্যৰ প্ৰমাণ হিচাপে তেওঁ মোলৈ লেখা এখন চিঠিৰ কথা উল্লেখ কৰিব পাৰো। এটা বিশেষ দুনীতিৰ গোচৰ তেওঁলৈ পঠিয়াই দি সেই সম্বন্ধে ব্যৱস্থা লবলৈ মই তেওঁক অনুৰোধ কৰিছিলো। উত্তৰত তেওঁ মোলৈ লিখিছিল—

My dear Shri Borgohain

On April 20, 1974, I wrote to you a letter in connection with your complaint about Shukla Irrigation Project. The matter has since been enquired into. It is alleged that the Sectional Assistant Shri Amulya Deka was assaulted by the contractor as the contractor was prevented from using Sub-standard material. The officer of Kamalpur Thana, while investigating case, appears to have Committed certain irregularities. He has therefore been placed under suspension

Steps have also been taken to ensure that no harm is caused to the P.W.D. officials by the unscrupulous contractors while suppervising the Construction work at Sukla Irrigation Project.

I thank you very much for information you have given. We look forward to your cooperation.

With regards

Yours Sincerely
Sarat Chandra Sinha

ওপৰৰ এই চিঠিখনেই প্ৰমাণ কৰে যে শৰৎচন্দ্ৰ সিংহ আন বহুতো মুখ্যমন্ত্ৰীতকৈ অলপ বেলেগ ধৰণৰ মুখ্যমন্ত্ৰী আছিল। তেওঁ মোৰ চিঠিখনৰ প্ৰাপ্তি-স্বীকাৰ নকৰাহেঁতেনো মোৰ আপত্তিৰ বা অসন্তোষৰ কোনো স্থল নাথাকিলেহেঁতেন। কিন্তু তেওঁ কেৱল প্ৰাপ্তি-স্বীকাৰ কৰিয়েই ক্ষান্ত নাথাকি এনে সবিস্তাৰে মোৰ চিঠিখনৰ উত্তৰ দিলে—যেন তেওঁ মোক কৈফিয়ৎহে দিছে। ইয়াৰ দ্বাৰাই তেওঁৰ সৰলতা আৰু আন্তৰিকতা সন্দেহাতীতভাৱে প্ৰমাণিত হৈছে।

কিন্তু কিছু কিছু কথাত আনবোৰ মুখ্যমন্ত্ৰী বা উচ্চ ৰাজনৈতিক পদাধিকাৰীৰ পৰা শৰৎ সিংহক অলপ বেলেগ যেন লাগিলেও আচল গুৰুত্বপূৰ্ণ কথাবোৰত কিন্তু তেওঁলোকো আন সকলৰ লগতে একে পথৰে পথিক। দুৰ্নীতিৰ বিষ-বৃক্ষৰ ডাল-পাত কাটি তাক টকলা কৰাৰ কথাত তেওঁৰ উৎসাহৰ অভাৱ নাই। কিন্তু যেতিয়াই সেই বিষ-বৃক্ষক শিপাৰে সৈতে উঘালি পেলাবলৈ তেওঁক প্ৰস্তাৱ দিয়া হয় তেতিয়াই তেওঁ এশ-এটা অজুহাত দেখুৱাই সেই কামৰ পৰা পলাই সাৰিবলৈ চেষ্টা কৰে। দুৰ্নীতিৰ প্ৰশ্নত আন বহুতৰ দৰেই তেওঁৰো নীতি হ'ল—'সৰুৱে কৰিলে কিলা, ডাঙৰে কৰিলে লীলা।' থানাৰ ডাৰোগা বা আলি-মহৰীৰ খুচুৰা দুৰ্নীতিৰ বিৰুদ্ধে ব্যৱস্থা লবলৈ তেওঁৰ তিল মাত্ৰ সময় নালাগে; কিন্তু যেতিয়াই মন্ত্ৰী বা ৰাজনৈতিক নেতা বা ডাঙৰ বিষয়াৰ বিৰুদ্ধে ব্যৱস্থা লবলৈ তেওঁক কোৱা হয়, তেতিয়াই তেওঁ মৌনী-বাবাৰ ৰূপ ধৰে। তেওঁৰ এনেকুৱা আচৰণত অত্যন্ত ক্ষুব্ধ হৈ মই এবাৰ তেওঁলৈ খুব খঙেৰে এখন চিঠি লিখিছিলো। উত্তৰত তেওঁ লিখিছিল:

শ্ৰদ্ধেয় শ্ৰীবৰগোহাঞি

আপোনাৰ চিঠিখন পালো। কাৰ্যখিনি কৰিবলৈ হাতত লৈছো। দুৰ্নীতিপৰায়ণ বিষয়াৰ প্ৰতি মোৰ মনোভাব সম্পৰ্কে আপোনাৰ ধাৰণা ঠিক হোৱা নাই। আমি দৃঢ় ব্যৱস্থা লৈ আছো। কিন্তু এতিয়াই সকলো কথা কোৱা পদ্ধতি-বিৰুদ্ধ হ'ব। মই কোৱা কথাখিনি বিধিনিয়ম আৰু অধিনিয়ম বিষয়ক আৰু তৎসমুদ্ভূত প্ৰতি-প্ৰবন্ধক। সেইবোৰো দূৰীভূত কৰা হ'ব।

আশা কৰো আপোনাৰ সৰ্বাঙ্গীন কুশল।

মৰম, প্ৰীতি আৰু শ্ৰদ্ধাৰে
আপোনাৰ গুণগ্ৰাহী
শৰৎচন্দ্ৰ সিংহ

'মই কোৱা কথাখিনি বিধিনিয়ম আৰু আধিনিয়ম বিষয়ক আৰু তৎসম্ভূত প্ৰতিবন্ধক।'

শৰৎ সিংহৰ চিঠিৰ এই বাক্যটো দহবাৰমান পঢ়িও মই তাৰ পৰা একো অৰ্থ উলিয়াব নোৱাৰিলো। কেৱল এটা কথাই বুজিলো যে দুনীতিৰ বিৰুদ্ধে যুদ্ধখন আৰম্ভ নৌ হওঁতেই তেওঁ পৰাজয় স্বীকাৰ কৰি এনেবোৰ দুৰ্বোধ্য বাক্যজালৰ আঁৰত আত্মগোপন কৰিব খুজিছে।

শৰৎ সিংহ সম্পৰ্কে মোৰ চৰম মোহভঙ্গ হ'ল অসম প্ৰকাশন পৰিষদৰ এজন প্ৰাক্তন সচিব বিশ্বনাৰায়ণ শাস্ত্ৰীৰ বিৰুদ্ধে উত্থাপিত কেতবোৰ দুনীতিৰ অভিযোগক কেন্দ্ৰ কৰি। মই তেতিয়া অসম প্ৰকাশন পৰিষদৰ অন্যতম সদস্য। প্ৰাক্তন সচিব বিশ্বনাৰায়ণ শাস্ত্ৰীৰ বিৰুদ্ধে কেতবোৰ বিত্তীয় খেলিমেলি আৰু অনিয়মীয়া কামকাজৰ অভিযোগ উঠাত পৰিষদে সেইবোৰৰ বিৰুদ্ধে তদন্ত কৰিবলৈ এখন তিনিজনীয়া কমিটি গঠন কৰি দিলে। সেই কমিটিৰময়ো এজন সদস্য আছিলো। বাকী দুজন আছিল স্বৰ্গীয় হৰেন্দ্ৰনাথ বৰুৱা আৰু স্বৰ্গীয় আনন্দেশ্বৰ শৰ্মা। আমি তিনিও খৰচি মাৰি তদন্ত কৰি বিশ্বনাৰায়ণ শাস্ত্ৰীৰ বিৰুদ্ধে ফৌজদাৰী গোচৰ তৰাৰ থল আছে বুলি সিদ্ধান্ত কৰিলো। বিশিষ্ট আইনজীৱী পবিত্ৰ কটকীয়েও আমাৰ প্ৰতিবেদন পৰীক্ষা কৰি লিখিতভাৱে সেই ৰায়কে দিলে। তেতিয়া আমাৰ প্ৰতিবেদন আৰু আইনজ্ঞৰ পৰামৰ্শৰ ভেটিত প্ৰকাশন পৰিষদে আনুষ্ঠানিকভাৱে এই বুলি প্ৰস্তাৱ ললে যে চৰকাৰে বিশ্বনাৰায়ণ শাস্ত্ৰীৰ বিৰুদ্ধে আইনগত ব্যৱস্থা লব লাগে। পৰিষদৰ প্ৰস্তাৱ যথাসময়ত ৰাজ্য চৰকাৰলৈ পঠোৱা হ'ল।

মোৰ মনত বিন্দুমাত্ৰ সন্দেহ নাছিল যে যিখন চৰকাৰৰ বৰমূৰীয়া হ'ল দুনীতিৰ বিৰুদ্ধে জেহাদ ঘোষণা কৰা শৰৎচন্দ্ৰ সিংহ, সেই চৰকাৰে প্ৰকাশন পৰিষদৰ প্ৰস্তাৱটো যথাযোগ্য গুৰুত্ব-সহকাৰে বিবেচনা কৰি সেই মতে ব্যৱস্থা লব। প্ৰকাশন পৰিষদৰ তেতিয়াৰ সদস্য আছিল ডঃ মহেশ্বৰ নেওগ, ডঃ সত্যেন্দ্ৰনাথ শৰ্মা, সতীশচন্দ্ৰ কাকতী, হৰেন্দ্ৰনাথ বৰুৱা, চৈয়দ আব্দুল মালিক, পৰাগধৰ চলিহা আৰু আনন্দেশ্বৰ শৰ্মা প্ৰভৃতি অসমৰ সৰ্বজন শ্ৰদ্ধেয় বিশিষ্ট পণ্ডিত আৰু বুদ্ধিজীৱীসকল। অৰ্থাৎ এই আঠাইসকল ব্যক্তিয়ে যুটীয়াভাৱে বিশ্বনাৰায়ণ শাস্ত্ৰীৰ বিৰুদ্ধে অভিযোগ আনিছে আৰু আইনমতে ব্যৱস্থা লবলৈ ৰাজ্য চৰকাৰক অনুৰোধ কৰিছে। সেই অনুৰোধ উপেক্ষা কৰাৰ অৰ্থ হ'ল এই আঠাইসকল ব্যক্তিক অপমান কৰা।

কিন্তু মাহৰ পিছত মাহ পাৰ হৈ গ'ল, চৰকাৰৰ কোনো উম-ঘামেই নাই। শিক্ষা সচিব স্বৰ্গীয় অনিলকুমাৰ চৌধুৰীও প্ৰকাশন পৰিষদৰ পজেন সদস্য। তেওঁক এই বিষয়ে প্ৰশ্ন কৰিবলে তেওঁ মুখেৰে একো নকৈ মিচিকি মিচিকি হাঁহে। মোৰ মনত তেতিয়া সন্দেহৰ উদয় হ'ল। খা-খবৰ লৈ জানিব পাৰিলো যে বিশ্বনাৰায়ণ শাস্ত্ৰীৰ অনুৰোধ পেলাব নোৱাৰি স্বয়ং মুখ্যমন্ত্ৰী শৰৎ সিংহই এই বিষয়ত হকাবধা কৰিছে।

এইখিনিতে কৈ থোৱা ভাল হ'ব যে বিশ্বনাৰায়ণ শাস্ত্ৰীৰ বিৰুদ্ধে মোৰ কোনো ব্যক্তিগত বিদ্বেষ নাছিল আৰু এতিয়াও নাই। এই ঘটনা ঘটিবৰ সময়লৈকে তেওঁক মই কেতিয়াও মুখামুখিকৈ লগেই পোৱা নাছিলো। বহু কথাৰ কাৰণে মই তেওঁক প্ৰশংসাও কৰো। কিন্তু তেওঁৰ বিৰুদ্ধে উত্থাপিত দুৰ্নীতিৰ অভিযোগ প্ৰমাণ কৰাতকৈ সেই মুহূৰ্তত মোৰ কাৰণে বেছি জৰুৰী আৰু গুৰুত্বপূৰ্ণ বুলি বিবেচিত হৈছিল শৰৎ সিংহৰ আন্তৰিকতা আৰু আদৰ্শ-নিষ্ঠা প্ৰমাণ কৰা। যিজন মানুহে দুৰ্নীতি নিৰ্মূল কৰাৰ সংকল্প লৈ ক্ষমতালৈ আহিছিল আৰু ক্ষমতালৈ অহাত মইয়ো তেওঁক কিছু সহায় কৰিছিলো, সেই মানুহজনে এতিয়া দুৰ্নীতিৰ বিৰুদ্ধে ব্যৱস্থা লোৱা দূৰৰ কথা, দুৰ্নীতিৰ অভিযোগত অভিযুক্ত ব্যক্তিক ৰক্ষণাবেক্ষণ দিবলৈহে চেষ্টা কৰিছে। এনে কথা কেতিয়াও হ'বলৈ এৰি দিব নোৱাৰি। মই এই ঘটনাটোক এটা টেষ্ট-কেছ হিচাপে লবলৈ ঠিক কৰিলো। এদিন মই শৰৎ সিংহক ব্যক্তিগতভাৱে লগ ধৰি তেওঁক ক'লো যে তেওঁ যদি বিশ্বনাৰায়ণ শাস্ত্ৰীৰ বিষয়টোত আৰু বেছি হকাবধা কৰি থাকে, তেন্তে তেওঁ দুৰ্নীতিৰ পক্ষ লোৱা বুলি প্ৰমাণিত হ'ব আৰু তেতিয়াহ'লে মই তেওঁৰ বিৰুদ্ধে ৰাজহুৱাভাৱে মুখ মেলিবলৈ বাধ্য হম। তেওঁ তেতিয়া মোৰ গাত হাত দি ক'লে যে তেওঁ এই বিষয়ত হস্তক্ষেপ কৰাৰ কোনো প্ৰশ্নই নুঠে; আইন মতে শিক্ষা বিভাগে যি কৰিব খোজে তাকেই কৰিব পাৰিব।

মই তেওঁৰ কথাত আশ্বস্ত হৈ গুচি আহিলো। কিন্তু তাৰ পিছতো মাহৰ পিছত মাহ বাগৰিবলৈ ধৰিলে, অথচ শিক্ষা বিভাগে প্ৰকাশন পৰিষদৰ প্ৰস্তাৱটো কাৰ্যকৰী কৰাৰ বিষয়ে চিন্তা কৰাৰ কোনো লক্ষণেই দেখা নগ'ল। পৰিষদৰ সভাপতি আৰু শিক্ষা মন্ত্ৰী হৰেন্দ্ৰনাথ তালুকদাৰক এই বিষয়ে প্ৰশ্ন কৰিলে তেওঁ কেৱল মিচিকিয়াই হাঁহে। শিক্ষা সচিব অনিল চৌধুৰীক প্ৰশ্ন কৰিলে তেওঁ কেৱল মিচিকিয়াই হাঁহে। অৱশেষত মোৰ ধৈৰ্যচ্যুতি ঘটিল। মই শৰৎ সিংহলৈ এখন চৰম-পত্ৰ লিখি তেওঁক ব্যৰ্থহীন ভাষাৰে জনাই দিলো

যে এটা নির্দিষ্ট সময়ৰ ভিতৰত যদি প্ৰকাশন পৰিষদৰ প্ৰস্তাৱ কাৰ্যকৰী কৰা নহয়, তেন্তে মই প্ৰকাশন পৰিষদৰ পৰা পদত্যাগ কৰিম আৰু গোটেই ঘটনাটোৰ কথা সাপ্তাহিক নীলাচলত লিখি অসমৰ ৰাইজক জনাই দিম।

ইমানতো শৰৎ সিংহৰ গা নললিল। মোৰ চিঠিখনে বোধহয় পেলনীয়া কাকতৰ খৰাহিত ঠাই পালে। শৰৎ সিংহই তেওঁৰ কথা ৰাখিলে, অৰ্থাৎ তেওঁ বিশ্বনাৰায়ণ শাস্ত্ৰীৰ বিৰুদ্ধে একো ব্যৱস্থা নললে। ময়ো মোৰ কথা ৰাখিলো। যথাসময়ত মই প্ৰকাশন পৰিষদৰ পৰা পদত্যাগ কৰিলো আৰু সাপ্তাহিক নীলাচলৰ চাৰিটা সংখ্যাত গোটেই ঘটনাটোৰ আদ্যোপান্ত বিৱৰণ আৰু তদন্ত কমিটিৰ প্ৰতিবেদন প্ৰকাশ কৰিলো। কিন্তু মোৰ এই বীৰত্বই দুই-এজনৰ মুখত বিদ্ৰুপৰ হাঁহি ফুটাই তোলাৰ বাহিৰে বিশেষ আন একো যুগমীয়া কীৰ্তি স্থাপন কৰিব নোৱাৰিলে। বৰং কবিৰ ভাষাৰে ক'বলৈ গ'লে —'ক'ৰ কোন ক্ৰিয়া হ'ল, চিন-স্মৃতি পমি গ'ল, প্ৰকৃতি যে তেনেকৈয়ে ৰ'ল!'

শৰৎ সিংহৰ লগত মোৰ আৰু বহু কথাত তীব্ৰ মতানৈক্য হৈছিল। সেই বোৰৰ ভিতৰত দুটা কথা বিশেষভাৱে উল্লেখযোগ্য।

দুৰ্নীতি দূৰ কৰাৰ এটা প্ৰধান উপায় হ'ল মন্ত্ৰী আৰু বিধায়কসকলে বিধান সভাত প্ৰৱেশ কৰোতেই তেওঁলোকৰ স্থাৱৰ-অস্থাৱৰ সকলো সম্পত্তিৰ তালিকা ৰাজহুৱাভাৱে প্ৰকাশ কৰা আৰু তাৰ পিছত বছৰে বছৰে সেই তালিকা প্ৰকাশ কৰি থকা। অৱশ্যে কেৱল প্ৰকাশ কৰিলেই নহ'ব; হাইকোৰ্টৰ অৱসৰ-প্ৰাপ্ত বিচাৰকৰ নিচিনা ৰাইজৰ আস্থাভাজন কোনো উচ্চ পদাধিকাৰীৰ দ্বাৰা সেইবোৰ তালিকা খৰচি মাৰি পৰীক্ষা কৰাৰো ব্যৱস্থা কৰিব লাগিব। শৰৎ সিংহই মুখ্যমন্ত্ৰী হোৱাৰ দুবছৰৰ আগতেই ১৯৬৯ চনত সাপ্তাহিক নীলাচলত এটা চাঞ্চল্যকৰ প্ৰবন্ধ লিখি এই কথা ঘোষণা কৰিছিল যে দুৰ্নীতি নিৰ্মূল কৰাটোৱেই হ'ব তেওঁৰ জীৱনৰ প্ৰধান ব্ৰত। গতিকে তেওঁ যেতিয়া মুখ্যমন্ত্ৰী হ'ল, তেতিয়া মোৰ মনত গভীৰ বিশ্বাস হ'ল যে তেওঁ আন একো কৰিব নোৱাৰিলেও অন্ততঃ দুৰ্নীতি হ্ৰাস কৰিবলৈ কিছু কাৰ্যকৰী ব্যৱস্থা লব। কিন্তু তেওঁ কি কৰিলে? কণা হাঁহক পতান ধান দি আভুৱা ভৰাৰ দৰে তেওঁ মন্ত্ৰীসভাৰ সকলো সদস্যই সম্পত্তিৰ তালিকা মুখ্যমন্ত্ৰীৰ হাতত দাখিল কৰিব লাগে বুলি নিৰ্দেশ জাৰি কৰিলে হয়, কিন্তু সেইবোৰ ৰাজহুৱাভাৱে প্ৰকাশ কৰা আৰু পৰীক্ষা কৰি চোৱাৰ কোনো ব্যৱস্থাই নকৰিলে। মন্ত্ৰীসকলে নিজে দাখিল কৰা সম্পত্তিৰ তালিকা যদি ৰাজহুৱাভাৱে প্ৰকাশ কৰাই নহয়

বা সেইবোৰ পৰীক্ষা কৰি চোৱাও নহয়, তেন্তে সেইবোৰ তালিকাৰ মূল্য কি ? মন্ত্ৰী হোৱাৰ আগতে গাত ছালখাকলি নোহোৱা মানুহ এজনে যদি মন্ত্ৰী হোৱাৰ এবছৰ বা দুবছৰৰ ভিতৰতে অসমৰ চাৰিখন চহৰত লাখটকীয়া ঘৰ-মাটি কৰে আৰু বেংকত দহ লাখ টকা জমা কৰে, তেন্তে তেওঁ নিজে সেই কথা তেওঁৰ তালিকাত উল্লেখ কৰিবনে কি ? আৰু তেওঁ যদি উল্লেখ কৰেও, তাৰ কাৰণে তেওঁক ৰাজহুৱাভাৱে জবাবদিহি কৰিবলৈ বাধ্য কৰিব নোৱাৰিলে তেওঁৰ পৰা সম্পত্তিৰ তালিকা এখন আদায় কৰি সেইখন মুখ্যমন্ত্ৰীৰ গোপন ফাইলত পুতি থোৱাৰ পৰা সৰ্বসাধাৰণ ৰাইজৰ লাভ কিটো হ'ব ? কিন্তু শৰৎ সিংহই ঠিক তাকেই কৰিলে। মই সাপ্তাহিক নীলাচলত একাধিক সম্পাদকীয় প্ৰবন্ধ লিখি তেওঁৰ এই কাৰ্যৰ তীব্ৰ প্ৰতিযোগিতা কৰা সত্ত্বেও তাৰ কোনো ফল নধৰিল। কেৱল সেয়েই নহয়। ১৯৭৫ চনৰ ফেব্ৰুৱাৰী মাহত বিৰোধী পক্ষৰ এজন সদস্যাই এই মৰ্মে এখন বিল উত্থাপন কৰিব খুজিছিল যে বিধান সভাৰ সদস্যসকলক তেওঁলোকৰ উপাৰ্জনৰ উৎস আৰু সম্পত্তিৰ পৰিমাণ ঘোষণা কৰিবলৈ বাধ্য কৰিবৰ কাৰণে আইন প্ৰণয়ন কৰিব লাগিব। কিন্তু শৰৎ সিংহৰ নেতৃত্বাধীন চৰকাৰী পক্ষই বিলখনৰ উদ্দেশ্যটো সমৰ্থন কৰা দূৰৰ কথা, বিৰোধী বিধায়কজনক বিলখন উত্থাপন কৰিবলৈকে অনুমতি নিদিলে। এনে এখন আইনৰ কিমান যে প্ৰয়োজন আছিল সেই কথা বহলাই ব্যাখ্যা কৰাৰ দৰকাৰ নাই। ১৯৭২ চনত বিধান সভাত প্ৰবেশ কৰি মাহে মাত্ৰ ৪৫০ টকা দৰমহা পোৱা ৬০ জন বিধায়কে মটৰ গাড়ী কিনিছে বুলি ১৯৭৪ চনত বাৰ্তাৰ কাকতত প্ৰকাশ্যে অভিযোগ উত্থাপিত হৈছিল। কিন্তু শৰৎ সিংহই এইবোৰ কথাক একো কথা বুলিয়েই নধৰিলে। মটৰ গাড়ী কিনিবলৈ বিধায়কসকলে ক'বপৰা টকা পালে সেই কথা জানিবলৈ চেষ্টা কৰাতকৈ তেওঁ বৰং বিৰোধী পক্ষৰ সদস্যজনক বিলখন অনাত বাধা দি দুৰ্নীতিক পৰোক্ষভাৱে প্ৰশ্ৰয়হে দিলে। এইবোৰ কথাত শৰৎ সিংহৰ ওপৰত মোৰ ইমান খং উঠিল যে যিজন মানুহক ১৯৭২ চনলৈকে মই প্ৰায় অন্ধভাৱে সমৰ্থন কৰিছিলো, ১৯৭৪ চনৰ পৰা মই অবিৰামভাৱে সেই একেজন মানুহৰে বিৰুদ্ধাচৰণ কৰিবলৈ আৰম্ভ কৰিলো।

উইনষ্টন চাৰ্চিলে তেওঁৰ Great Contemporaries নামৰ গ্ৰন্থত লিখিছে: 'পৃথিৱীৰ কোনো দেশেই দুৰ্নীতিৰ পৰা মুক্ত নহয়। সাধাৰণ মানুহে অতি কষ্ট কৰি সঞ্চয় কৰা ধন চৰকাৰে খোলাকাটিৰ দৰে খৰচ কৰে;

ৰাজহুৱা ধন চুৰি কৰা হয় বা অতি নিৰ্লজ্জভাৱে তাৰ অপব্যৱহাৰ কৰা হয়। বিধায়ক আৰু মন্ত্ৰীসকলে ভোট খায়, আনৰ পৰা অনুগ্ৰহ বা উপকাৰ গ্ৰহণ কৰে, শক্তিশালী ন্যস্ত-স্বাৰ্থৰ লগত আপোচ কৰি নিজকে তেওঁলোকৰ গোলামত পৰিণত কৰে। এই কথাও ধৰি লব পাৰি বা সন্দেহ কৰিব পাৰি যে ভোট দিয়ৰ সময়ত তেওঁলোক দুৰ্নীতিৰ দ্বাৰা প্ৰভাৱিত হয়। এইসকল প্ৰকৃত অপৰাধীৰ মাজত নিশ্চয় এনেকুৱা মানুহো বহুত থাকে যিসকল নিজে অপৰাধী নহয়। কিন্তু বিবেচনাহীন আচৰণ আৰু অবাঞ্ছনীয় সংসৰ্গ-দোষে তেওঁলোককো সন্দেহভাজন কৰি তোলে। এবাৰ যদি কেনেবাকৈ জনৰৱৰ হৈ-চৈ আৰম্ভ হয়, এবাৰ যদি কেনেবাকৈ কু-অভিসন্ধিৰ সন্দেহ সৃষ্টি হয়, এবাৰ যদি সন্দেহ-জনক নামৰ তালিকা প্ৰচাৰিত হয়, এবাৰ যদি সন্দেহৰ বিষ-বাষ্প চাৰিওফালে বিয়পি পৰে, তেতিয়াহ'লে সম্পূৰ্ণৰূপে বৈধ কাৰ্যকলাপ আৰু সামাজিক সম্পৰ্কও ৰাজহুৱা ব্যক্তিৰ কাৰণে অতিশয় বিপজ্জনক হৈ উঠিব পাৰে। কিন্তু যিসকল লোকৰ নিজৰ সততাৰ ওপৰত সম্পূৰ্ণ বিশ্বাস আছে, তেওঁলোকৰ কাৰণে আত্মৰক্ষাৰ এটা সুনিশ্চিত পথ সদায় মুকলি হৈ থাকে। সেইটো হৈছে এক অনাড়ম্বৰ সৰল জীৱন-যাত্ৰা আৰু কৃচ্ছ্ৰসাধনা। সেইটো হৈছে সমগ্ৰ পৃথিবীৰ আগত নিজৰ ঘৰুৱা আয়-ব্যয়ৰ হিচাপ দাঙি ধৰিব পৰাৰ সাহস। সেইটো হৈছে নিজৰ অৰ্থোপাৰ্জনৰ প্ৰত্যেকটো উৎস সকলোৰে আগত প্ৰকাশ কৰিব পৰাৰ সগৰ্ব মানসিক প্ৰস্তুতি। আত্মৰক্ষাৰ এই উপায় অৱলম্বন কৰাৰ সামৰ্থ্য আছিল ফৰাচী ৰাষ্ট্ৰনেতা ক্লিমাচোৰ। ফৰাচী এছেম্ব্লিত যেতিয়া তেওঁৰ বিৰুদ্ধে দুৰ্নীতিৰ অভিযোগ উঠিল, তেওঁ তেতিয়া নিজৰ সমষ্টিৰ ভোটদাতাসকলৰ ওচৰলৈ গৈ ক'লে—'মোৰ জীৱনটো এখন খোলা কিতাপ। মোৰ একমাত্ৰ বিলাসিতা হ'ল এয়েই যে মোৰ এখন ঘোঁৰা-গাড়ী আছে—যিখনৰ ঘোঁৰাকেইটাৰ ভৰণ-পোষণৰ কাৰণে প্ৰতিদিনে মোৰ পাঁচ ফ্ৰাংককৈ খৰচ পৰে। ইয়াৰ বাহিৰেও এখন মৃগয়া-ভূমিত মোৰ পাঁচশ ফ্ৰাংকৰ এটা অংশ আছে। ইয়াৰ বাহিৰেও মোৰ আন কিবা খৰচৰ বাস্তা বা বিলাসিতা আছে বুলি প্ৰমাণ কৰিবলৈ মই যি কোনো মানুহকে প্ৰত্যাহ্বান জনাব পাৰো।'

চাৰ্চিলৰ কিতাপৰ পৰা এই দীঘলীয়া উদ্ধৃতিটো দি মই ১৯৭৪ চনৰ ২ অক্টোবৰৰ সাপ্তাহিক নীলাচলত লিখিছিলো ঃ

"ক্লিমাচোৰ জীৱন কাহিনী যিসকলে জানে তেওঁলোকে এই কথাও জানে যে চক্ৰবেহুত বন্দী অভিমন্যুৰ দৰে চাৰিওফালে দুৰ্ধৰ্ষ শত্ৰুৰ দ্বাৰা পৰিবেষ্টিত

হৈয়ো আৰু ভয়ংকৰ দুৰ্নীতিৰ অভিযোগত অভিযুক্ত হৈয়ো শেষত অৱশেষত সেই চক্ৰবেহুৰ পৰা সসন্মানে উদ্ধাৰ পাব পাৰিছিল, কাৰণ তেওঁৰ 'জীৱনটো আছিল এখন খোলা কিতাপ'। তেওঁৰ আছিল নিজৰ অৰ্থাগমৰ সকলো উৎস আৰু সম্পত্তিৰ সকলো হিচাপ ৰাজহুৱাভাৱে প্ৰকাশ কৰিব পৰাৰ নৈতিক সাহস। তেওঁৰ আছিল নিজৰ জীৱনত বিন্দুমাত্ৰ বিলাসিতা বা ব্যয়-বাহুল্য আৱিষ্কাৰ কৰিবলৈ সমগ্ৰ জগতকে প্ৰত্যাহ্বান জনাব পৰাৰ সামৰ্থ্য। কিন্তু হায়, আমাৰ দেশত বা আমাৰ ৰাজ্যত মানুহক দেখুৱাই সৰ্বত্যাগী সন্ন্যাসীৰ জীৱন-যাপন কৰা নেতা-জনেও বুকুত হাত দি ক'ব পাৰিবনে যে তেওঁৰ জীৱনটো এখন খোলা কিতাপ? ...সিংহ মন্ত্ৰীসভা গঠিত হোৱাৰ আজি আঢ়ৈ বছৰ পাৰ হৈ গ'ল। নিজৰ সম্পত্তিৰ হিচাপ ৰাজহুৱাভাৱে দাখিল কৰিবলৈ তেওঁলোক প্ৰতিশ্ৰুতিবদ্ধ আছিল। কিন্তু আজি আঢ়ৈ বছৰে আমি আমাৰ কাকতত বাৰে বাৰে আবেদন জনোৱা সত্ত্বেও মুখ্যমন্ত্ৰীকে ধৰি কোনো এজন মন্ত্ৰীয়েই নিজৰ সম্পত্তিৰ হিচাপ প্ৰকাশ কৰা নাই। এই ৰহস্যময় নীৰৱতাৰ দ্বাৰা তেওঁলোকে কি প্ৰমাণ কৰিব খুজিছে?"

শৰৎ সিংহৰ লগত মোৰ দ্বিতীয়টো প্ৰধান মতানৈক্যৰ কাৰণ আছিল তেওঁৰ অ' বি চি ৰাজনীতি, অৰ্থাৎ পিছপৰা শ্ৰেণীক লৈ কৰা সাম্প্ৰদায়িক ৰাজনীতি। ১৯৭৭ চনৰ ৬ জুলাইৰ সাপ্তাহিক নীলাচলত মই তেওঁৰ এই সাম্প্ৰদায়িক ৰাজনীতিৰ কটু সমালোচনা কৰি 'অ' বি চি' নামৰ এটা দীঘল প্ৰবন্ধ লিখিছিলো। প্ৰবন্ধটো মোৰ 'সপ্তম দশক' নামৰ গ্ৰন্থতো সন্নিবিষ্ট হৈছে। কৌতূহলী পাঠকে পঢ়ি চাব পাৰে। সেই প্ৰবন্ধত মই লিখিছিলো—'শৰৎচন্দ্ৰ সিংহ অসমৰ ৰাজনৈতিক মঞ্চত মুখ্যমন্ত্ৰীৰূপে আৱিৰ্ভূত হোৱাৰ আগৰ পৰাই অসমত তথাকথিত অ' বি চি-ৰ অস্তিত্ব আছিল আৰু সেইবোৰ সম্প্ৰদায়ৰ ল'ৰা-ছোৱালীয়ে শিক্ষাৰ ক্ষেত্ৰত কেতবোৰ বিশেষ সুবিধা পাই আছিল। কিন্তু শৰৎ সিংহৰ আগতে আন কোনো এজন মুখ্যমন্ত্ৰীয়েই অ' বি চি সকলক এটা উচ্চ-বৰ্ণ-বিৰোধী আন্দোলন বা ৰাজনৈতিক অস্ত্ৰ হিচাপে ব্যৱহাৰ কৰিবলৈ চেষ্টা কৰা নাছিল। শৰৎ সিংহ মুখ্যমন্ত্ৰী হোৱাৰ লগে লগেই অসমত আগতে কেতিয়াও নোহোৱা-নোপজা এটা নতুন ঘটনা ঘটিল। ভৰভৰকৈ কাঠফুলা গজাৰ দৰে অসমত হঠাতে ধুমুহাৰ পৰা শদিয়ালৈকে কোচ সন্মিলন, চুতীয়া সন্মিলন, যোগী সন্মিলন, আহোম সন্মিলন, সুত সন্মিলন আদি অজস্ৰ সাম্প্ৰদায়িক অনুষ্ঠান গঢ়ি উঠিল। মুঠতে অসমীয়া হিন্দু সমাজত বিমানবোৰ

সবু-বৰ সম্প্ৰদায় আৰু প্ৰত্যেকৰে একো একোখন সন্মিলন হ'ল। আকৌ এই গোটেইবোৰ অনুষ্ঠানকে সন্মিলিত কৰি ৰাজ্যিক ভিত্তিত আৰু সম্পূৰ্ণ চৰকাৰী পৃষ্ঠপোষকতাত এটা অ' বি চি সংস্থা গঢ়ি তোলা হ'ল। মুখ্যমন্ত্ৰীকে আৰম্ভ কৰি মন্ত্ৰীসভাৰ অ' বি চি সম্প্ৰদায়ভুক্ত মন্ত্ৰীসকলে আৰু কংগ্ৰেছী বিধায়কসকলে অসমৰ অ' বি চি আন্দোলনৰ নেতৃত্ব গ্ৰহণ কৰিলে। সম্পূৰ্ণ চৰকাৰী পৃষ্ঠপোষকতাতেই যে অ' বি চি আন্দোলন গঢ় উঠিছিল তাৰ এটা ডাঙৰ প্ৰমাণ এয়েই যে এই সংস্থাৰ কাৰ্যনিৰ্বাহক সমিতিৰ বহুতো গুৰুত্বপূৰ্ণ বৈঠক বহিছিল দিছপুৰ সচিবালয়ৰ মন্ত্ৰীৰ বা বিধান সভাৰ উপাধ্যক্ষৰ কোঠাত।… …এতিয়া প্ৰধান প্ৰশ্ন হ'ল—অ' বি চি সকলক এনেভাৱে সংগঠিত কৰাৰ মূলতে কিবা সামাজিক মঙ্গল-বুদ্ধিয়ে কাম কৰিছিলনে? স্পষ্টতঃ দেখা যায় যে ই আছিল এটা ৰাজনৈতিক উদ্দেশ্য-প্ৰণোদিত আন্দোলন। অনুন্নত সম্প্ৰদায়ৰ লোকসকলক কেতবোৰ বিশেষ সা-সুবিধা দিয়াটোৱেই চৰকাৰৰ উদ্দেশ্য হোৱা হ'লে চৰকাৰী নিয়ম-নীতি অনুসৰি নীৰৱে সেইবোৰ দি থাকিলেই হ'লহেঁতেন। কিন্তু শৰৎ সিংহ আৰু তেওঁৰ মন্ত্ৰ-শিষ্যসকল ক্ষমতালৈ অহাৰ লগে লগে সম্পূৰ্ণ চৰকাৰী পৃষ্ঠপোষকতাত অ'বি চি নামধাৰী জনগোষ্ঠীবোৰক সংগঠিত কৰি এটা মিলিটেণ্ট ৰাজনৈতিক শক্তিত পৰিণত কৰা হ'ল। সেইটো কৰাৰ একমাত্ৰ উদ্দেশ্য হ'ল কেইজনমান বিশেষ ব্যক্তি আৰু তেওঁলোকৰ উত্তৰাধিকাৰী সকলৰ ৰাজনৈতিক ক্ষমতা চিৰস্থায়ী কৰা।'

এইখিনি কথা লিখি প্ৰবন্ধটোৰ সামৰণিত মই লিখিছিলো—'হিন্দু সমাজৰ পৰা জাতিভেদ-প্ৰথা নিৰ্মূল হোৱা উচিত। উচ্চবৰ্ণ হিন্দুৰ দ্বাৰা নিম্নবৰ্ণ হিন্দুৰ শোষণ লোপ পোৱা উচিত। কিন্তু সেইটো কৰাৰ পন্থা অ' বি চি আন্দোলনৰ নিচিনা ৰাজনৈতিক স্বাৰ্থ-প্ৰণোদিত নীচ সাম্প্ৰদায়িকতা নহয়। বেমাৰৰ ক্ষেত্ৰত বিষেৰে হয়তো বিষ কাঢ়িব পাৰি; কিন্তু সাম্প্ৰদায়িকতাৰ দ্বাৰা কেতিয়াও সাম্প্ৰদায়িতা দূৰ কৰিব নোৱাৰি। শিক্ষাৰ দ্ৰুত বিস্তাৰ, বৈজ্ঞানিক দৃষ্টিভঙ্গীৰ প্ৰচাৰ, ঔদ্যোগিক সভ্যতাৰ প্ৰসাৰ, শ্ৰেণীহীন সমাজ প্ৰতিষ্ঠা, সামাজিক সচলতা (social mobility)—কেৱল এইবোৰৰ দ্বাৰাহে সকলো প্ৰকাৰৰ শোষণ-মুক্ত এখন উদাৰ আধুনিক সমাজ সৃষ্টি কৰিব পাৰি। বামুণৰ বিৰুদ্ধে দেৱকান্ত বৰুৱা আৰু শৰৎচন্দ্ৰ সিংহৰ বিদ্বেষ অতি প্ৰচণ্ড। কিন্তু অসমত বামুণীয়া শোষণ, ভণ্ডামি আৰু ৰক্ষণশীলতাৰ বিৰুদ্ধে প্ৰচণ্ড বিপ্লৱৰ সূচনা কৰিছিল এজন বামুণেহে। তেওঁৰ নাম আছিল হেমচন্দ্ৰ বৰুৱা।

হেমচন্দ্ৰ বৰুৱাৰ মৃত্যু হৈছিল ১৮৯৬ খ্ৰীষ্টাব্দত। তেতিয়া শৰৎচন্দ্ৰ সিংহ বা দেৱকান্ত বৰুৱা কাৰো জন্মই হোৱা নাছিল। কিন্তু হেমচন্দ্ৰ বৰুৱাৰ দুৰ্জয় সাহস আৰু সৰ্বসংস্কাৰমুক্ত প্ৰগতিশীল মানসিকতাৰ অধিকাৰী হ'বলৈ শৰৎ সিংহ বা দেৱকান্ত বৰুৱাৰ আৰু এশবছৰ লাগিব।'

অসমৰ পিছপৰা জাতিবোৰৰ উন্নতিৰ নামত শৰৎ সিংহ আৰু তেওঁৰ অনুগামীসকলে কৰা এই সাম্প্ৰদায়িক ৰাজনীতিৰ বিৰুদ্ধে মোৰ মনটো বিদ্ৰোহী হৈ উঠাৰ প্ৰধান কাৰণ আছিল এয়ে যে মই ইয়াৰ মাজত অসমীয়া সমাজ ভাগি-ছিগি খানবান হৈ যোৱাৰ পূৰ্বলক্ষণ দেখা পাইছিলো। সাপ্তাহিক নীলাচলৰ সম্পাদক হৈয়ে মই অসমত স্থায়ীভাৱে বাস কৰা সকলোবোৰ জনগোষ্ঠীৰ ঐক্য আৰু পাৰস্পৰিক বুজাবুজিৰ ভিত্তিত এখন বৃহৎ আৰু উদাৰ অসমীয়া সমাজ গঠন কৰাৰ স্বপ্ন দেখিছিলো। সেই উদ্দেশ্যে মই 'অসমৰ ন-অসমীয়া মুছলমান', 'অসমৰ চাহ-মজদুৰ সম্প্ৰদায়', 'অসমৰ নেপালী সম্প্ৰদায়', 'অসমৰ ৰাজস্থানী সমাজ' আদি শিতানত সাপ্তাহিক নীলাচলৰ কেবাটাও বিশেষ সংখ্যা উলিয়াইছিলো। এই বিশেষ সংখ্যাবোৰে সেইবোৰ জনগোষ্ঠীৰ মাজত প্ৰবল আলোড়নৰ সৃষ্টি কৰিছিল। তেওঁলোকে পৰম উৎসাহ আৰু আনন্দেৰে সৈতে বৃহত্তৰ অসমীয়া সমাজ নিৰ্মাণৰ ঐতিহাসিক প্ৰচেষ্টাত সমান অংশীদাৰ হ'বলৈ আগবাঢ়ি আহিছিল। মই যি সময়ত এই কাম কৰিছিলো, ঠিক সেই সময়ত শৰৎ সিংহ আৰু তেওঁৰ অনুগামীসকলে কৰিছিল আহোম সন্মিলন, চুতীয়া সন্মিলন, সূত সন্মিলন, কোঁচ সন্মিলন–ইত্যাদি। অসমৰ মাত্ৰ সাত শতাংশ বৰ্ণহিন্দুৰ বিৰুদ্ধে বাকী আন সকলো সম্প্ৰদায়ৰ এই যুদ্ধং দেহি মনোভাব দেখি মোৰ মনত আশংকা হৈছিল যে এদিন নহয় এদিন বৰ্ণহিন্দুৰ ফালৰ পৰাও নিশ্চয় তাৰ এটা প্ৰতিক্ৰিয়া হ'ব। এতিয়া এই কথা বহুতেই সন্দেহ কৰে যে ১৯৭৯ খ্ৰীষ্টাব্দৰ পৰা আৰম্ভ হোৱা তথাকথিত বিদেশী-খেদা আন্দোলনৰ অন্তৰালত বিভিন্ন ৰাজনৈতিক শক্তি আৰু উদ্দেশ্যই কাম কৰিলেও তাৰ মাজত প্ৰচ্ছন্ন হৈ আছিল অসমীয়া বৰ্ণহিন্দু সকলৰ পুনৰুত্থানৰ দৃঢ় সংকল্প। এই কথা বিশ্বাস কৰিবলৈ স্থল আছে যে অসম-আন্দোলনৰ বীজ বপন কৰা হৈছিল শৰৎ সিংহৰ মুখ্যমন্ত্ৰীত্বৰ কাৰ্যকালত—যাৰ বাবে দায়ী আছিল তেওঁৰ অ' বি চি ৰাজনীতি। অৱশ্যে এই বিষয়ে এটা স্থিৰ সিদ্ধান্তত উপনীত হোৱাৰ আগতে বিস্তৃত অধ্যয়ন আৰু অনুসন্ধানৰ প্ৰয়োজন হ'ব।

## ॥ সোতৰ ॥

১৯৬৯ চনত কংগ্ৰেছত বিভাজন হোৱাৰ মুহূৰ্তৰ পৰাই মই ইন্দিৰা গান্ধী আৰু তেওঁৰ কংগ্ৰেছক সমৰ্থন কৰিছিলো। আনকি ১৯৭২ চনৰ বিধান সভাৰ নিৰ্বাচনত মই কংগ্ৰেছৰ স্ব-নিযুক্ত প্ৰচাৰকৰ তথা ঢুলীয়াৰ ভাওবো লৈছিলো। কিন্তু নিজৰ কাৰণে অপমান-জনক হ'লেও সত্যৰ খাতিৰত মই এই স্বীকাৰোক্তি লিপিবদ্ধ কৰি থব খোজো যে মই এজন সম্পূৰ্ণ স্বাধীন সাংবাদিক হোৱা হ'লে কংগ্ৰেছক যেনেভাৱে সমৰ্থন কৰিলোহেঁতেন, নীলাচলৰ সম্পাদক হিচাপে তাতকৈ বহুত বেছি অন্ধভাৱে আৰু নিৰ্লজ্জভাৱে সমৰ্থন কৰিছিলো। চৰকাৰী চাকৰি এৰিবলৈ বাধ্য হৈ মই যি নিৰাপত্তা-হীনতা অনুভৱ কৰিবলৈ ধৰিছিলো, মনৰ তেনে অৱস্থাত সাংসাৰিক দায়িত্বৰ কথা মনত ৰাখি আৰু এটা চাকৰি হেৰুৱাবলৈ মোৰ সাহস নাছিল। অৱশ্যে সাহস ঘূৰাই পাবলৈ মোৰ বেছি সময় নালাগিল। ১৯৭৭ চনৰ জুন মাহত মই যেতিয়া নীলাচলৰ সম্পাদকৰ পদ ত্যাগ কৰিলো, তেতিয়াও মোৰ হাতত অন্ন-সংস্থানৰ কোনো বিকল্প উপায় নাছিল। মই তেতিয়া চকু মুদি অন্ধকাৰলৈ জাঁপ দিছিলো।

কংগ্ৰেছ সম্পৰ্কে, বিশেষকৈ অসমৰ কংগ্ৰেছ শাসন সম্পৰ্কে, মোৰ মোহভঙ্গ হ'বলৈ বেছি সময় নালাগিল। ১৯৭৪ চনৰ আগভাগৰ পৰাই মই কংগ্ৰেছৰ বিৰুদ্ধে মুখ খুলিবলৈ আৰম্ভ কৰিলো। কিন্তু যেতিয়া ১৯৭৫ চনৰ ২৫ জুনত ইন্দিৰা গান্ধীয়ে দেশত জৰুৰী অৱস্থা ঘোষণা কৰিলে, তেতিয়া কংগ্ৰেছৰ মাজত দেখা দিয়া স্বৈৰাচাৰী প্ৰৱণতাৰ বিৰুদ্ধে মোৰ মন ভীষণভাৱে বিদ্ৰোহী হৈ উঠিল। অৱশ্যে সেই বিদ্ৰোহ প্ৰকাশ কৰিবলৈ জৰুৰী অৱস্থা চলি থকাৰ সময়ত মোৰ হাতত বিশেষ একো উপায় নাছিল। নিজে পোনপটীয়াকৈ একো লিখিব নোৱাৰি মই জৰ্জ লুই বৰহেছৰ একনায়কত্ববাদবিৰোধী গল্প, টমাছ মানৰ ৰচনা আৰু নেপোলিয়ন আৰু মাদাম দ্য ষ্টেল' নামৰ প্ৰবন্ধ সাপ্তাহিক নীলাচলত প্ৰকাশ কৰি জৰুৰী অৱস্থাৰ বিৰুদ্ধে মোৰ প্ৰতিবাদ ব্যক্ত কৰিছিলো। মোৰ এই কৌশল সকলোৱে নুবুজিলেও অন্ততঃ কিছুমান চিন্তাশীল লোকে যে বুজি পাইছিল সেই কথা জানি মোৰ বৰ ভাল লাগিছিল। ১৯৭৮ চনত বিশিষ্ট

শিক্ষাবিদ আৰু নগাওঁ বি টি কলেজৰ অধ্যক্ষ হৰেশ্বৰ গোস্বামীয়ে মোক প্ৰথমবাৰৰ কাৰণে এই কথা জানিবলৈ দিছিল।

১৯৭৭ চনৰ ১৯ জানুৱাৰীৰ দিনা জৰুৰী অৱস্থা উঠাই লোৱা হ'ল। লগে লগে নিৰ্বাচন ঘোষণা কৰা হ'ল। নিৰ্বাচনৰ ঘোষণা শুনাৰ লগে লগে মোৰ মনলৈ প্ৰথমে যিটো ভাব আহিল সেইটো হ'ল এই যে নীলাচলৰ সম্পাদক হিচাপে প্ৰথমবাৰৰ কাৰণে মোৰ জীৱনলৈ এটা সংকট আহিব ধৰিছে। মোৰ ধাৰণা সত্য বুলি প্ৰমাণ কৰি কেইদিনমানৰ ভিতৰতে কাকতখনৰ স্বত্বাধিকাৰীসকলে মোক তেওঁলোকৰ অফিচলৈ মাতি পঠালে। তেওঁলোকে অতি ভদ্ৰভাৱে মোক সুধিলে—'সাপ্তাহিক নীলাচলে ইমানদিনে কংগ্ৰেছক সমৰ্থন কৰি আহিছে। কিন্তু এইবাৰ আপুনি কাক সমৰ্থন কৰিব ?'

মই এক মুহূৰ্তও চিন্তা নকৰাকৈ উত্তৰ দিলো—'কংগ্ৰেছক সমৰ্থন কৰাৰ কোনো প্ৰশ্নই উঠিব নোৱাৰে। মই এইবাৰ জনতা পাৰ্টিক সমৰ্থন কৰিম।'

কথাষাৰ কৈয়েই মই নীলাচলৰ স্বত্বাধিকাৰী আটাইকেইজন ভাই-ককাইৰ মুখলৈ চালো। মোৰ অনুভৱ হ'ল যে তেওঁলোকে যেন কথাটো খুব ভাল পোৱা নাই। এইখিনিতে উল্লেখ কৰি থোৱা দৰকাৰ যে তেওঁলোকৰ এজনে কংগ্ৰেছ প্ৰাৰ্থী হিচাপে ১৯৭২ চনৰ বিধান সভাৰ নিৰ্বাচনত প্ৰতিদ্বন্দ্বিতা কৰিছিল আৰু আমাৰ এই আলোচনা অনুষ্ঠিত হ'বৰ সময়তো তেওঁ আছিল কংগ্ৰেছৰ এজন বিশিষ্ট বিষয়-ববীয়া। এনে অৱস্থাত মোৰ কথা শুনি তেওঁ ভাল নোপোৱাই স্বাভাৱিক। তদুপৰি ব্যৱসায়ী হিচাপে প্ৰতিটো কথাতে হিচাপী আৰু সাৱধানী হোৱাটোও তেওঁলোকৰ পক্ষে বিশেষভাৱে দৰকাৰী। মোৰ কথা শুনি দুজনমানে মৃদু আপত্তি তুলিলে। তেতিয়া তেওঁলোকক নিশ্চিন্ত কৰিবৰ কাৰণে মই কৈছো—'জনতা পাৰ্টিক সমৰ্থন কৰাৰ বাহিৰে মোৰ গত্যন্তৰ নাই। মোৰ কাৰণে ই নীতি আৰু বিবেকৰ প্ৰশ্ন। কিন্তু এটা কথা ঠিক যে সাপ্তাহিক নীলাচলে জনতা পাৰ্টিক সমৰ্থন কৰাৰ পিছত কংগ্ৰেছ ক্ষমতালৈ আহিবলৈ হ'লে স্বাভাৱিকতে আপোনালোক কিছু অসুবিধাৰ সন্মুখীন হ'ব লগা হ'ব পাৰে। সেই কাৰণে মই আজিয়েই আপোনালোকক কথা দিছো যে কংগ্ৰেছ যদি পুনৰ ক্ষমতালৈ আহে তেন্তে মই স্বেচ্ছাই পদত্যাগ কৰিম।'

মোৰ এই কথা শুনাৰ পিছত তেওঁলোকৰ বোধহয় ক'বলৈ আৰু একো কথা নাথাকিল, কাৰণ তেওঁলোকে স্পষ্টভাৱে বুজি পালে যে মোৰ মত পৰিবৰ্তন কৰা অসম্ভৱ। কিন্তু সত্যৰ খাতিৰত মই এই কথাও কৈ ৰখা উচিত হ'ব যে

তেওঁলোকে সেইদিনা মোৰ লগত যি ভদ্ৰোচিত ব্যৱহাৰ কৰিছিল, সেই পৰিস্থিতিত তেনেকুৱা ব্যৱহাৰ আন কোনো বাতৰিৰ কাকতৰ মালিকৰ পৰা বোধহয় আশা কৰিব নোৱাৰি। তেওঁলোকে মোৰ লগত তৰ্ক কৰিব পাৰিলেহেঁতেন। খুব কৌশলেৰে মোৰ ওপৰত হেঁচা প্ৰয়োগ কৰিবলৈ চেষ্টা কৰিব পাৰিলেহেঁতেন। কথাটো দ্বিতীয়বাৰ চিন্তা কৰি চাবলৈ মোক অনুৰোধ কৰিব পাৰিলেহেঁতেন। কিন্তু তেওঁলোকে সেইবোৰ একো নকৰিলে। নিজৰ ইচ্ছাৰ বিৰুদ্ধেও মোৰ ইচ্ছা অনুযায়ী কাম কৰিবলৈ অৰ্থাৎ নিৰ্বাচনত কংগ্ৰেছৰ বিৰুদ্ধে জনতা পাৰ্টিক সমৰ্থন জনাবলৈ তেওঁলোকে নীৰৱে সন্মতি দিলে।

নিৰ্বাচনত কংগ্ৰেছৰ পৰাজয় হ'ল। জনতা পাৰ্টি ক্ষমতালৈ আহিল। গতিকে মই পদত্যাগ কৰিব লগা নহ'ল। কিন্তু মোৰ কাৰণে বিপদ আহিল অন্য এফালৰ পৰা - যাৰ কাৰণে তেতিয়াই নহ'লেও কেইমাহমানৰ পিছত পদত্যাগ মোৰ কাৰণে হৈ পৰিল অনিবাৰ্য।

১৯৭৭ চনতে বিধান সভাবো কাৰ্যকাল ওৰ পৰিছিল। কিন্তু ইন্দিৰা গান্ধীৰ চৰকাৰে কিবা এটা নিয়ম কৰি বিধান সভাৰ ম্যাদ পাঁচবছৰৰ ঠাইত ছবছৰ কৰি থৈ যোৱাৰ ফলত কেন্দ্ৰত জনতা চৰকাৰ হোৱাৰ পিছতো অসমত আৰু এবছৰৰ কাৰণে কংগ্ৰেছ চৰকাৰ থাকি গ'ল। ১৯৭৪ চনৰ পৰাই মই কংগ্ৰেছৰ বিৰোধিতা কৰিবলৈ আৰম্ভ কৰিছিলো; এতিয়া ১৯৭৭ চনৰ লোকসভা নিৰ্বাচনত মই পূৰ্ণশক্তিৰে কংগ্ৰেছৰ বিৰুদ্ধে জনতা পাৰ্টিক সমৰ্থন কৰিলো। ফলত অতি স্বাভাৱিকভাৱেই মই অসমৰ কংগ্ৰেছ চৰকাৰৰ চকুৰ কুটা দাঁতৰ শূল হৈ পৰিলো। মোক কোনোপধ্যেই সৈমান কৰিব নোৱাৰি তেওঁলোকে মালিক পক্ষক বশ কৰি তেওঁলোকৰ যোগেদি মোৰ ওপৰত হেঁচা দিবলৈ এটা অতি নিন্দনীয় প্ৰচেষ্টা চলালে।

কেন্দ্ৰত জনতা চৰকাৰ হোৱাৰ কিছুদিনৰ পিছতে অসম চৰকাৰে সাপ্তাহিক নীলাচলৰ মালিক-পক্ষৰ বিৰুদ্ধে এটা ফৌজদাৰী গোচৰ তৰিলে। তেওঁলোকৰ বিৰুদ্ধে চৰকাৰৰ অভিযোগ আছিল এই যে তেওঁলোকে অশ্লীল কিতাপৰ ব্যৱসায় কৰে। কীৰ্তন-দশম আৰু চিত্ৰ-ভাগৱত প্ৰকাশ কৰা আৰু ব্যৱসায়ত বিৰাট সাফল্য অৰ্জন কৰা দত্তবৰুৱা কোম্পানীয়ে অশ্লীল কিতাপৰ ব্যৱসায় কৰি ধন ঘটিবলৈ চেষ্টা কৰিব—এই কথা বিশ্বাসযোগ্য নহয়। তদুপৰি আজি বাৰ-তেৰবছৰৰ পিছতো সেই গোচৰত দত্তবৰুৱা কোম্পানীৰ শাস্তি হোৱাৰ কথা কোনেও শুনা নাই। মোৰ মনত কোনো সন্দেহ নাই যে সাপ্তাহিক

নীলাচলে নিৰ্বাচনত জনতা পাৰ্টিক সমৰ্থন কৰাৰ কাৰণেই আৰু তাৰ পিছতো অবিৰতভাৱে অসমৰ কংগ্ৰেছ চৰকাৰৰ বিৰুদ্ধাচৰণ কৰি থকাৰ কাৰণে প্ৰতিশোধ লোৱাৰ উদ্দেশ্যেই নীলাচলৰ মালিকসকলৰ বিৰুদ্ধে এই গোচৰ তৰা হৈছিল। কাৰণটো যিয়েই নহওক, নীলাচলৰ মালিকপক্ষ এনে এটা গোচৰত জড়িত হৈ পৰাৰ ফলত তেওঁলোকৰ ওপৰত হেঁচা দি নীলাচলৰ সম্পাদকীয় নীতি সলনি কৰাবলৈ চৰকাৰৰ কাৰণে যে এটা নতুন বাট মুকলি হ'ল সেই বিষয়ে কোনো সন্দেহ নাই। মোৰ সন্দেহ সঁচা বুলি প্ৰমাণ কৰি ঠিক সেই সময়তে সাপ্তাহিক নীলাচলৰ পৰিচালনাৰ দায়িত্ব ললে ভবেন্দ্ৰ নাৰায়ণ দত্তবৰুৱাই। ইমানদিনে পৰিচালনাৰ দায়িত্বত আছিল মুনীন্দ্ৰ নাৰায়ণ দত্তবৰুৱা। মই চৰকাৰী চাকৰি এৰি সাপ্তাহিক নীলাচলৰ সম্পাদক পদত যোগ দিয়াৰ সময়ত আমাৰ মাজত এটা অলিখিত চুক্তি আছিল এই যে নীলাচলৰ পৰিচালক বা সম্পাদক কোনেও কোনো ৰাজনৈতিক দলত যোগ দিব নোৱাৰিব। কিন্তু নতুনকৈ পৰিচালনাৰ দায়িত্ব লোৱা ভবেন্দ্ৰনাৰায়ণ দত্তবৰুৱা ১৯৭২ চনৰ নিৰ্বাচনত আছিল কংগ্ৰেছ প্ৰাৰ্থী আৰু নীলাচলৰ পৰিচালনাৰ দায়িত্ব লোৱাৰ সময়ত গুৱাহাটী মহানগৰ যুৱ কংগ্ৰেছৰ সভাপতি। মই যি বুজিব লাগে বুজিলো। মই চৰকাৰী চাকৰি এৰি জীৱিকাৰ সন্ধানত আন এটা চাকৰিলৈ অহা নাছিলো। মই বিচাৰিছিলো এটা সম্মানজনক জীৱন—যিটো জীৱনত মই নিজকে অলপ শ্ৰদ্ধা কৰি চলিব পাৰো।

১৯৭৭ চনৰ জুন মাহত মই সাপ্তাহিক নীলাচলৰ সম্পাদকৰ পদ ত্যাগ কৰিলো। সেই সময়ত মোৰ হাতত এটা ফুটাকড়িও সঞ্চয় নাছিল ; নাছিল নতুনকৈ এটা চাকৰি পোৱাৰ সম্ভাৱনা। অনাহাৰ-অৰ্ধাহাৰৰ কাৰণে মই নিজকে মনে মনে প্ৰস্তুত কৰিছিলো। কিন্তু নীলাচলৰ চাকৰি এৰাৰ এমাহ নো যাওঁতেই বন্ধুবৰ জীৱকান্ত গগৈয়ে মোক আকৌ এখন নতুন কাকতৰ সম্পাদকৰ পদ যাচিলে। ১৯৭৭ চনৰ চেপ্টেম্বৰ মাহত মোৰ সম্পাদনাত আৰম্ভ হ'ল—'নাগৰিক'।

## ॥ ওঠৰ ॥

সাংবাদিকতাৰ প্ৰতি মোৰ কোনো বিশেষ মোহ নাছিল বা সাংবাদিকতা কৰি মই একো তৃপ্তিও নাপাওঁ। এই কথা মই সুযোগ পালেই ক'বলৈ লৈবো। কিন্তু মই 'নাগৰিক'ৰ সম্পাদক হৈ থকা দিনকেইটা আছিল তাৰ ব্যতিক্ৰম। মই 'নাগৰিক'ৰ সম্পাদনাৰ দায়িত্ব লোৱাৰ কিছুদিনৰ পিছতে আৰম্ভ হ'ল ঐতিহাসিক অসম-আন্দোলন তথা বিদেশী-খেদা আন্দোলন। এই আন্দোলন যদিও আনুষ্ঠানিকভাৱে ১৯৭৯ চনৰ পৰাহে আৰম্ভ হৈছিল, কিন্তু তাৰ উদ্যোগ-পৰ্ব আৰম্ভ হৈছিল ১৯৭৮ চনতে। মই আৰম্ভণিৰে পৰাই এই আন্দোলনৰ তীব্ৰ বিৰোধিতা কৰিছিলো। সেই সময়ত মোৰ হাতত এখন বাতৰি কাকত বা আলোচনী নথকা হ'লে এই বিৰোধিতা মই কেনেকৈ প্ৰকাশ কৰিলোহেঁতেন ক'ব নোৱাৰো; কিন্তু সৌভাগ্য-ক্ৰমে 'নাগৰিক' আৰু অসম আন্দোলন প্ৰায় একে সময়তে আৰম্ভ হোৱাৰ কাৰণে 'নাগৰিক' হৈ উঠিছিল মোকে ধৰি সকলো আন্দোলন-বিৰোধী শক্তিৰ অন্যতম মুখপত্ৰ। আমি অসম-আন্দোলনৰ বিৰোধিতা কৰি ভুল কৰিছিলো নে শুদ্ধ কৰিছিলো সেই কথা ইতিহাসে বিচাৰ কৰিব। কিন্তু আদৰ্শৰ তাড়নাত আৰু নিজৰ বিবেকৰ নিৰ্দেশত আমি যে কিছুমান মানুহে সমাজৰ সংখ্যাগৰিষ্ঠ মানুহৰ মতৰ বিৰুদ্ধে গৈ নিজৰ নৈতিক সাহস প্ৰকাশ কৰাৰ এটা সুযোগ পাইছিলো, সিয়েই আমাৰ জীৱনক এটা নতুন অৰ্থৰে মণ্ডিত কৰি থৈ গৈছে। মানুহৰ জীৱনত মাজে মাজে একোটা পৰীক্ষাৰ মুহূৰ্ত আহে। সেইবোৰ মুহূৰ্তত মানুহে নিজৰ ওচৰতে নিজে প্ৰমাণ কৰিব লগা হয়—কোনবোৰ বস্তুক তেওঁ জীৱনত আটাইতকৈ বেছি মূল্য দিয়ে। অসম-আন্দোলনৰ সময়ত আমাৰ বহুতৰে কাৰণে সেই পৰীক্ষাৰ মুহূৰ্তটো আহিছিল—যেতিয়া আমি প্ৰত্যেকেই বাছি লব লগা হৈছিল এই দুটাৰ ভিতৰত যিকোনো এটা: সমাজৰ বেছিভাগ মানুহেই ভুল পথে যোৱা বুলি বিশ্বাস কৰিও আমি ভয়তে তেওঁলোকক অনুসৰণ কৰি তেওঁলোকৰ পৰা প্ৰশংসাৰ হাতচাপৰি বিচাৰিম, নে নিজৰ বিবেক আৰু বিচাৰ-বুদ্ধিৰ দ্বাৰা পৰিচালিত হৈ সংখ্যাগুৰুৰ ভ্ৰূকুটি উপেক্ষা কৰি

তেওঁলোকৰ ঘৃণা আৰু ক্ৰোধৰ পাত্ৰ হম ? আমি বহুতেই দ্বিতীয় পথটো বাছি লৈছিলো। অসম-আন্দোলনৰ কথা মানুহে এদিন পাহৰি যাব। বেছি ভাগ মানুহেই এতিয়াই পাহৰিবলৈ আৰম্ভ কৰিছেই। কিন্তু আমি যিবোৰে অসম-আন্দোলনৰ বিৰোধিতা কৰিছিলো, তেওঁলোকে কিন্তু অসম-আন্দোলনৰ কথা কেতিয়াও পাহৰিব নোৱাৰো। এই আন্দোলনে আমাক দিছিল ঘোৰ সংকটৰ কৰ্মাট-শিলত নিজৰ মনুষ্যত্ব পৰীক্ষা কৰি চোৱাৰ সুযোগ ; নিজৰ আদৰ্শৰ কাৰণে সমাজৰ সংখ্যা-গৰিষ্ঠ মানুহৰ দ্বাৰা ঘৃণিত আৰু লাঞ্ছিত হোৱাৰ সুযোগ ; ইবছেনৰ An Enemy of the people হোৱাৰ সুযোগ। সেই কাৰণে 'নাগৰিক' আমাৰ কাৰণে মাত্ৰ এখন বাতৰি কাকত নাছিল। ই আছিল মানৱিক মৰ্যাদা সম্পৰ্কে আমাৰ নিজস্ব আদৰ্শ আৰু ধাৰণাৰ এখন ঘোষণা-পত্ৰ ; আমাৰ অহংকাৰ আৰু আত্ম-সম্মান-বোধৰ প্ৰতীক।

অসম-আন্দোলনৰ সময়ত 'নাগৰিক'ৰ ভূমিকা সম্পৰ্কে এতিয়াও মই অসমৰ বিভিন্ন ঠাইৰ পৰা দুই-এখন চিঠি পাই থাকো। এনেকুৱা এখন চিঠিৰ কথা মই ইয়াত বিশেষভাৱে উল্লেখ কৰিব খোজো। হেলিম হুছেইন নামৰ মৰিগাওঁৰ মোৰ এজন ডেকা বন্ধুৱে ১৯৮৯ চনৰ ২৫ ফেব্ৰুৱাৰীত মোলৈ লেখা এখন চিঠিত লিখিছিল—'……আজি তিনিবছৰৰ আগতে আপোনাৰ কিতাপ বিচাৰি বিচাৰি পঢ়োতে যি চাম লোকে আমাক আপোনাৰ অন্ধ সমৰ্থক বুলি উপলুঙা কৰিছিল, সেইসকল লোকেই এতিয়া আপোনাৰ বক্তব্য শুনিবলৈ আৰু পঢ়িবলৈ বিচৰা কাৰণে 'সময়লৈ' অজস্ৰ ধন্যবাদ। 'নাগৰিক'ৰ 'অশ্ৰুৰ উৎস যেতিয়া শুকাই যায়', আৰু 'এচকুৱা হৰিণৰ সাধু'পঢ়ি এজন ৫০ বছৰীয়া মানুহে হুকহুকাই কান্দি দিয়া মোৰ জীৱনৰ এক পাহৰিব নোৱৰা স্মৃতি। অথচ তেওঁ আছিল উগ্ৰ-জাতীয়তাবাদৰ পৃষ্ঠপোষক।'

মোৰ লেখাই যদি মোৰ আদৰ্শৰ বিৰুদ্ধাচৰণ কৰা মানুহ এজনৰো বুকু চেপি এনেকৈ চকুপানী বাহিৰ কৰি আনিব পাৰিছিল, তেন্তে এজন সাংবাদিকৰ কাৰণে তাতকৈ ডাঙৰ পুৰস্কাৰ আন কি হ'ব পাৰে ?

## ॥ উনৈশ ॥

১৯৮১ চনত অসম-আন্দোলনৰ ভৰপক ধৰিছিল ; ঠিক সেই সময়তে মই 'নাগৰিক' এৰিব লগা হ'ল।

১৯৭৮ চনত হাইলাকান্দিত কাছাৰ সাংবাদিক সংস্থাৰ বাৰ্ষিক অধিবেশন বহিছিল। বিশিষ্ট অতিথি হিচাপে নিমন্ত্ৰিত হৈ মই সেই অধিবেশনত যোগ দিবলৈ গৈছিলো। হাইলাকান্দি পাই দেখো, বিশিষ্ট বাঙালী সাংবাদিক আৰু বুদ্ধিজীৱী গৌৰকিশোৰ ঘোষো কলিকতাৰ পৰা আহিছে আন এজন বিশিষ্ট অতিথি হৈ। গৌৰকিশোৰ ঘোষৰ ৰচনাৰ লগত মোৰ ঘনিষ্ঠ পৰিচয় আছিল। মানুহজনক ব্যক্তিগতভাৱে লগ পালো সেই প্ৰথম।

আমাৰ প্ৰথম দেখাদেখি হৈছিল দিনৰ দহটামান বজাত। তেতিয়া তেওঁ মোৰ কাৰণে মিঃ ঘোষ ; মই তেওঁৰ কাৰণে হোমেন বাবু। ৰাতি শুবৰ পৰত আমাৰ যেতিয়া এৰাএৰি হ'ল, তেতিয়া তেওঁ মোৰ কাৰণে গৌৰদা ; মই তেওঁৰ কাৰণে ভাই হোমেন। অৰ্থাৎ মাত্ৰ এবেলাৰ ভিতৰতে আমাৰ মাজত ঘনিষ্ঠ বন্ধুত্বৰ সম্পৰ্ক গঢ়ি উঠিল। অৱশ্যে ইয়াৰ কাৰণে মই নিজে একো কৃতিত্ব দাবী কৰিব নোৱাৰো। মোৰ সদা-সংকুচিত স্বভাৱৰ কাৰণে মই উপযাচি কাৰো লগত বন্ধুত্বৰ সম্পৰ্ক স্থাপন কৰিব নোৱাৰো। আনহাতে গৌৰদাৰ স্বভাৱত আছে এক গভীৰ স্নেহ-প্ৰৱণতা আৰু পৰোপকাৰ-প্ৰৱণতা। তেওঁৱেই মোক আপোন কৰি অতি ওচৰলৈ চপাই নিছিল।

সেই সময়ত মই সপোনতো ভাবিব পৰা নাছিলো যে গৌৰকিশোৰ ঘোষৰ লগত হোৱা মোৰ এই আকস্মিক পৰিচয় আৰু বন্ধুত্বই এদিন মোৰ ভাগ্য-পৰিবৰ্তনত এটা ডাঙৰ ভূমিকা ল'ব। সাংবাদিক সন্মিলন শেষ হোৱাৰ পিছত আমি দুয়ো ঘৰাঘৰি গ'লো। দুখন নে এখন ভদ্ৰতা-সূচক পত্ৰ-বিনিময় কৰিলো। তাৰ পিছত আমি পৰস্পৰৰ লগত যোগাযোগ হেৰুৱাই পেলালো।

১৯৮০ চনৰ প্ৰথম ভাগতে মই এদিন গৌৰদাৰ পৰা এখন চিঠি পালো, চিঠিখনৰ সাৰ-মৰ্ম আছিল এয়েই যে তেওঁ আনন্দবাজাৰ পত্ৰিকাৰ চাকৰি এৰি এখন নতুনকৈ ওলাব ধৰা বাংলা দৈনিক কাকতৰ সম্পাদনাৰ দায়িত্ব ল'ব খুজিছে ; মই সেই কাকতত এটা বিশেষ দায়িত্ব লৈ যোগ দিব লাগে।

গোৰদাৰ পৰা এই অপ্ৰত্যাশিত চিঠিখন পাই মই আচৰিত হ'লো। অৱশ্যে আনন্দও পালো। কিন্তু তেতিয়া এই 'নাগৰিক' আৰু অসম-আন্দোলনক লৈ ইমান বেছি ব্যস্ত যে আন একো কথা ভাবিবলৈ আৰু সময় নাই। মই উত্তৰত গোৰদালৈ লিখিলো যে বাংলাভাষাৰ সীমিত জ্ঞানেৰে মোৰ পক্ষে বাংলা কাকতত কাম কৰা সম্ভৱ নহয়। তদুপৰি ঠিক এই মুহূৰ্তত অসমত মোৰ কৰিবলগীয়া ইমান কাম আছে যে অসম এৰি বা 'নাগৰিক' এৰি আন কোনো কামলৈ মন মেলাটো মোৰ পক্ষে সম্ভৱ নহয়।

কিন্তু গোৰদা নাছোড়বান্দা। তেওঁৰ সনিৰ্বন্ধ অনুৰোধত মই ১৯৮০ চনৰ জুলাই মাহত কলিকতালৈ গৈ তেওঁক দেখা কৰিলো। ইতিমধ্যে কাকতখনৰ প্ৰকাশৰ প্ৰস্তুতি বহুখিনি আগবাঢ়িছে। নামো ঠিক হৈছে। 'আজকাল'। মই গোৰদাৰ আগ্ৰহাতিশয্য দেখি তেওঁক কথা দিবলৈ বাধ্য হ'লো যে মই 'আজকালৰ' কাৰণে মাজে-মাজে লিখিম; কিন্তু 'নাগৰিক'ৰ পৰা ইস্তফা দি মোৰ পক্ষে স্থায়ীভাৱে 'আজকাল'ত যোগ দিয়া সম্ভৱ নহয়।

তাৰ পিছত কেবামাহো পাৰ হৈ গ'ল। গোৰদাই মাজে মাজে চিঠি লিখি 'আজকাল'ৰ কথা মোক সোঁৱৰাই থাকে। মই কিন্তু সেই সময়ত সঁচাকৈয়ে সেই কথাটোত কোনো গুৰুত্ব দিয়া নাছিলো। 'নাগৰিক'ৰ সম্পাদক হিচাপে মই যি দৰমহা পাইছিলো তাতকৈ দহগুণ বেছি দৰমহা পালেও 'নাগৰিক' এৰি যাবলৈ মোৰ সমূলি মন নাছিল। মই প্ৰথম যিদিনা 'নাগৰিক'ৰ সম্পাদক হিচাপে কামত যোগ দিওঁ, ঠিক সেই দিনাই কলিকতাৰ পৰা মোৰ এজন বন্ধু আহি মোক লগ ধৰি এটা ভাল চাকৰি যাচিছিল। সেইটো অৱশ্যে বাতৰি কাকতৰ চাকৰি নাছিল। কিন্তু দৰমহাৰ অংকটো আছিল যথেষ্ট ডাঙৰ; সকলো সা-সুবিধা মিলাই প্ৰায় দহহাজাৰ টকা। কোৱা বাহুল্য মাথোন যে চাকৰিটো গ্ৰহণ কৰাৰ কোনো প্ৰশ্নই নাছিল। কাৰণ চাকৰিটো লোৱা হ'লে 'নাগৰিক'ৰ প্ৰতিষ্ঠাতা বন্ধুবৰ জীৱকান্ত গগৈৰ প্ৰতি ডাঙৰ বিশ্বাসঘাতকতা কৰা হ'লহেঁতেন। তদুপৰি সেই চাকৰিটো গ্ৰহণ কৰা হ'লে নানা প্ৰকাৰে মোৰ অপযশো হ'লহেঁতেন। 'আজকাল'ৰ ক্ষেত্ৰত অৱশ্যে অপযশৰ প্ৰশ্ন নুঠিলেহেঁতেন। কিন্তু মই অনুভৱ কৰিছিলো যে 'নাগৰিক'ৰ যোগদি মই যি কাম কৰিব খোজো বা কৰিব পাৰো, 'আজকাল'ৰ যোগেদি সেই কাম নিশ্চয় কৰিব নোৱাৰো। সেই কাৰণে গোৰদাৰ প্ৰস্তাৱত ৰাজী হ'ব নোৱাৰো-বুলিয়েই মই বাৰে বাৰে তেওঁক কৈ থাকিব লগা হ'ল।

১৯৮১ জনৰ ৩০ জানুৱাৰীত গৌৰদাই টেলিগ্ৰাম আৰু টেলিফোন কৰি মোক কলিকতালৈ চমন কৰিবলে। অহা-যোৱাৰ কাৰণে বিমান-ভাৰা তেওঁলোকেই দিব। তেওঁৰ আগ্ৰহাতিশয্য দেখি অতি অনিচ্ছা-সত্ত্বেও মই কলিকতালৈ গ'লো। কিন্তু মনে মনে ঠিক কৰি গ'লো যে কোনো অৱস্থাতেই মই 'আজকাল'ৰ চাকৰি লবলৈ মান্তি নহম।

দিনৰ দহৰজাত 'আজকাল'ৰ অফিচলৈ গ'লো। গৈ দেখো, গৌৰদাৰ কোঠাত আৰু দুজন অচিনাকি মানুহ বহি আছে। গৌৰদাই তেওঁলোকৰ লগত মোক চিনাকি কৰি দিলে—মিহিৰ সিংহ আৰু পৃথ্বীশ চক্ৰবৰ্তী। মিহিৰ সিংহ এজন বিখ্যাত লেখক আৰু বুদ্ধিজীৱী। পৃথ্বীশ চক্ৰবৰ্তী আছিল দিল্লীৰ পৰা প্ৰকাশিত 'হিন্দুস্থান টাইমছ'ৰ চীফ অফ ব্যুৰো। প্ৰথমতে তেওঁলোক তাত উপস্থিত থকাৰ কাৰণটো মই একো বুজি পোৱা নাছিলো। ভাবিছিলো যে তেওঁলোক বোধহয় গৌৰদাৰ বন্ধু; এনেয়ে দেখা কৰিবলৈ আহিছে।

কিন্তু অলপ পিছতে সকলো কথা বুজি পালো। মানুহ এজন আহি খবৰ দিলে যে প্ৰতাপকুমাৰ ৰায় ( আজকালৰ প্ৰকাশক ) আহি পাইছে আৰু এখেতে সকলক মাতিছে। তেতিয়াহে মই বুজি পালো যে মিহিৰ সিংহ আৰু পৃথ্বীশ চক্ৰবৰ্তীৰ 'আজকাল'ৰ চাকৰিৰ কাৰণে ইণ্টাৰভিউ দিবলৈ আহিছে। কিন্তু মই ইয়াত কিয় ? মোক কিয় মাতি আনিছে ? মইতো 'আজকাল'ৰ চাকৰি-প্ৰাৰ্থী নহয় ?

মিহিৰ সিংহ আৰু পৃথ্বীশ চক্ৰবৰ্তীয়ে ইণ্টাৰভিউ দি ঘূৰি অহাৰ পিছত গৌৰদাই মোক ক'লে—'হোমেন, এইবাৰ তুমি বলা।'

গৌৰদাৰ কথা শুনি মই অলপ খঙেৰেই ক'লো—'মই ইণ্টাৰভিউ দিবলৈ কিয় যাম ? মইতো 'আজকাল'ৰ চাকৰি বিচৰা নাই।'

গৌৰদাই মোৰ খং উঠিছে বুলি বুজি পাই মৰমৰ মাতেৰে ক'লে—'তোমাক ইণ্টাৰভিউৰ কথা কোনে ক'লে ? প্ৰতাপকুমাৰ ৰায়ে তোমাৰ লগত চিনাকি হ'ব খুজিছে; কথা-বাৰ্তা পাতিব খুজিছে। তাকো ইণ্টাৰভিউ বুলি কয় নেকি ? বলা, বলা।'

ইয়াৰ পিছত আৰু মোৰ নগৈ উপায় নাছিল, কাৰণ নোযোৱা হ'লে চৰম অভদ্ৰতা হ'লহেঁতেন।

প্ৰতাপকুমাৰ ৰায়ে অৱশ্যে সঁচাকৈয়ে মোৰ বিষয়ে খা-খবৰ লোৱা আৰু কুশল-বাৰ্তা সোধাৰ বাহিৰে আন একো প্ৰশ্ন কৰা নাছিল। কিন্তু মইহে তেওঁক স্পষ্টভাষাৰে জনাই দিলো যে মই 'নাগৰিক'ৰ সম্পাদকৰ পদ এৰি কোনোপধ্যেই

'আজকাল'ৰ চাকৰীৰ লব নোৱাৰো। গৌৰদা আৰু অশোক ঘোষে ('আজকাল'ৰ অন্যতম স্বত্বাধিকাৰী আৰু সেই সময়ত অল ইণ্ডিয়া ফুটবল ফেডাৰেশ্যনৰ প্ৰধান সম্পাদক) তাত উপস্থিত আছিল। সকলোৰে মিলি আলোচনা কৰাৰ সূত্ৰত অৱশেষত ঠিক হ'ল যে সদ্যহতে মই 'আজকাল'ৰ কাৰণে মাহে এটা বা দুটা প্ৰবন্ধ লিখিম, আৰু তাৰ কাৰণে 'আজকালে' মোক মাহে পোন্ধৰশ টকাকৈ মানধন দিব। কিন্তু 'আজকাল'ৰ চাকৰিৰ 'অফাৰ' মোৰ কাৰণে সদায় মুকলি হৈ থাকিব আৰু মই যেতিয়াই খুচি তেতিয়াই 'আজকাল'ত যোগ দিব পাৰিম।

সেই বন্দৰস্ততে সন্তুষ্ট হৈ মই গুৱাহাটীলৈ ঘূৰি আহিলো। 'আজকাল' প্ৰকাশ হ'ল ১৯৮১ চনৰ ২৫ মাৰ্চত। তাৰ পিছদিনাৰ অৰ্থাৎ ২৬ মাৰ্চৰ কাকততে সম্পাদকীয় পৃষ্ঠাত 'আজকাল'ৰ কাৰণে লেখা মোৰ প্ৰথম বাংলা প্ৰবন্ধ-বিশেষ গুৰুত্ব সহকাৰে প্ৰকাশ কৰা হ'ল। প্ৰবন্ধটোৰ লগত মোক বাঙালী পাঠকৰ লগত চিনাকি কৰি দিয়া এটি চমু টোকাও প্ৰকাশ কৰা হৈছিল।

তাৰ প্ৰায় দুমাহৰ পিছত ৩০ মে'ত মই গৌৰদাৰ পৰা এখন টেলিগ্ৰাম পালো। টেলিগ্ৰামত মোক তেওঁ জোৰকৈ অনুৰোধ কৰিলে যে মই 'আজকাল'ত স্থায়ীভাৱে যোগ দিয়াটোকেই তেওঁলোক সকলোৱে বিচাৰে ; মই যেন তেওঁলোকক নিৰাশ নকৰো।

মই এইবাৰ উভয়-সংকটত পৰিলো। উভয়-সংকটৰ কাৰণ আছিল দুটা। প্ৰথমতে, কোনোবাই যে মোৰ সেৱা এনেকৈ বিচাৰিব পাৰে বা মোক ইমান মূল্য দিব পাৰে—এনে অভিজ্ঞতা মোৰ জীৱনত এই প্ৰথম। নীলাচলৰ চাকৰি এৰিম বুলি ভাবি থকাৰ সময়ত মই অসমৰ বিখ্যাত পত্ৰিকা-গোষ্ঠীৰ মালিকক তিনি বাৰ লগ ধৰি চাকৰিৰ কাৰণে কাকুতি কৰিছিলো। মোৰ সকলো কাকুতি-মিনতি তেওঁৰ একাণে সোমাই ইকাণে ওলাই গ'ল। তাৰো আগতে দৈনিক অসম ওলাবৰ সময়ত মই সহকাৰী সম্পাদক পদৰ কাৰণে আবেদন কৰিছিলো, মোক ইণ্টাৰভিউলৈকে নামাতিলে। অথচ এখন বাংলা কাকতে এবছৰ ধৰি মোক কাকুতি-মিনতি কৰি আছে তেওঁলোকৰ কাকতত যোগ দিবলৈ। এনে আদৰক মই নেওচা দিওঁ কেনেকৈ ?

দ্বিতীয়তে, 'নাগৰিকে' অসম-আন্দোলনৰ বিৰোধিতা কৰাৰ কাৰণে কাকত-খনৰ ওপৰত আন্দোলনকাৰীসকলৰ আক্ৰমণ দিনে দিনে ইমান বাঢ়ি হৈ আহিছিল যে কাকতখন আৰু কিমান দিন জীয়াই ৰাখিব পৰা হ'ব সেইটোৱেই এটা সন্দেহৰ বিষয় হৈ উঠিছিল। 'নাগৰিক'ৰ যদি অকালমৃত্যু হয় আৰু

আনহাতে মই 'আজকালে' যাচি দিয়া চাকৰিটোও প্ৰত্যাখ্যান কৰো, তেন্তে ভৱিষ্যতে মই কি অৱলম্বন কৰি জীয়াই থাকিম ?

মোৰ মনত উভয়-সংকট হ'ল যদিও অৱশেষত মই 'নাগৰিকক' আঁকোৱালি থকাৰ সিদ্ধান্ত ললো। গৌৰদাৰ টৌলিগ্ৰামখন লৈ মই জীৱকান্ত গগৈৰ ওচৰলৈ গৈ ক'লো—"মই 'নাগৰিক'ৰ সম্পাদক হিচাপে যি দৰমহা পাওঁ তাতকৈ বহুত বেছি দৰমহা দি 'আজকালে' মোক তেওঁলোকৰ চাকৰি লবলৈ বাৰম্বাৰ অনুৰোধ কৰিছে। কিন্তু মই একে দৰমহাতে 'নাগৰিকতে' থাকিব খোজো। আপুনি মোক কি কৰিবলৈ কয় ?'

ঠিক সেই মুহূৰ্তত জীৱকান্ত গগৈৰ মনত 'নাগৰিক'ৰ ভৱিষ্যততকৈ মোৰ ভৱিষ্যতৰ চিন্তা বোধহয় বেছি জৰুৰী হৈ দেখা দিছিল। তেওঁ, শান্তভাৱে মোক ক'লে—"মই আপোনাক 'আজকাল'লৈ যাবলৈকে কওঁ।"

এনেকৈয়ে মোৰ জীৱনৰ এটা নতুন অধ্যায়ৰ সূচনা হ'ল। ১৯৮১ চনৰ ১ জুনৰ পৰা মই 'আজকাল'ত উত্তৰ-পূৰ্বাঞ্চলৰ বিশেষ সংবাদদাতা হিচাপে স্থায়ী পদত যোগ দিলো। মোৰ সম্মতি-পত্ৰ পোৱাৰ পিছত গৌৰদাই মোলৈ লিখিলে—" 'আজকাল'ত তোমাক পাবৰ কাৰণে মোৰ মনত এটা বিশেষ ব্যাকুলতা আছিল। এতিয়া তোমাক পাই বৰ সুখী হৈছো।"

'আজকাল'ত কৰ্মজীৱন আৰম্ভ কৰাৰ কিছুদিনৰ পিছতে এদিন গৌৰদাৰ ঘৰত বাংলা সাহিত্যৰ বিখ্যাত অধ্যাপক আৰু সমালোচক ডঃ ক্ষেত্ৰ গুপ্তক লগ পাইছিলো। ডঃ গুপ্তই মোক ক'লে—'আপোনাৰ বাংলা গদ্যই আমাক বিশেষভাৱে মুগ্ধ কৰিছে। বাঙালীসকলে লেখা বেছিভাগ গদ্য সাধাৰণতে লেটু-সেটু আৰু উচ্ছ্বাপূৰ্ণ হয়। কিন্তু আপোনাৰ বাংলা গদ্য খুব পৰিপাটি, নিৰ্মেদ আৰু মিতবাক। আপোনাৰ বাংলা গদ্যত আমি এটা নতুন সোৱাদ পাইছো।'

মোৰ জীৱনৰ অতি আনন্দময় মুহূৰ্তবোৰৰ ভিতৰত সেইটোও আছিল এটা। মই জীৱনত গদ্যৰ সাধনা কৰাৰ বাহিৰে আন একোকেই কৰা নাই। তেনে স্থলত বাংলা ভাষাত লিখিবলৈ আৰম্ভ কৰিয়েই বাংলা ভাষা-সাহিত্যৰ এজন কৃতবিদ্য অধ্যাপকৰ পৰা এনে প্ৰশংসা-বাক্য শুনিবলৈ পাই স্বাভাৱিকতেই মোৰ মনটো আনন্দত নাচি উঠিছিল। অৱশ্যে সেই কথাটো ইয়াত এনেভাৱে উল্লেখ কৰাটো নিশ্চয় অশোভন আৰু বাল-সুলভ কাৰ্য হৈছে। কিন্তু আমি প্ৰত্যেকেই জানো নিজৰ মাজত গোটেই জীৱন ধৰি কিছুমান বালসুলভ দুৰ্বলতা বহন কৰি নুফুৰো ?

## ॥ বিশ ॥

মোৰ সাংবাদিক জীৱন সম্পৰ্কে লেখা চমু টোকাটো ইমানতে শেষ কৰিবৰ হ'ল। নিজৰ লেখা নিজেই পঢ়ি চাই টোকাটো লেখাৰ বিশেষ একো সাৰ্থকতা বিচাৰি নাপালো। অৱশ্যে পাঠকসকলৰ কথা ভাবিহে সেই কথা কৈছো। মোৰ নিজৰ কাৰণে অতীতৰ স্মৃতিচাৰণ কৰি এই কথাখিনি লেখাৰ এটা বিশেষ প্ৰয়োজন আছিল। কিছুমান মানুহে জীৱনটো দুবাৰ যাপন কৰে। এবাৰ— জীৱনটো তেওঁ আচলতে যেতিয়া যাপন কৰে, তেতিয়া। দ্বিতীয়বাৰ তেওঁ সেই জীৱনটো যাপন কৰে তাৰ বিষয়ে লিখি বা ধ্যান কৰি তাৰ মূল তাৎপৰ্য সন্ধান কৰিবৰ চেষ্টা কৰোতে। মই বাৰে বাৰে সেই চেষ্টা কৰি থাকোঁ। চাওঁতে চাওঁতে জীৱনৰ কুৰিটা বছৰ—চাবলৈ গ'লে জীৱনৰ শ্ৰেষ্ঠ বছৰবোৰ— সাংবাদিকতা কৰোতেই গ'ল। কিন্তু এই টোকাটো লিখিবলৈ গৈ আৱিষ্কাৰ কৰিলো যে আচলতে এই কুৰিটা বছৰৰ প্ৰায় অপচয়েই হ'ল। এই কুৰিটা বছৰত অসম তথা ভাৰতবৰ্ষত বহুতো গুৰুত্বপূৰ্ণ ঘটনা ঘটিছিল। মোৰ টোকাটোত সেইবোৰৰ বিশেষ একো উল্লেখ নাই বা সেই ঘটনাবোৰৰ ঐতিহাসিক তাৎপৰ্যৰ একো বিশ্লেষণ নাই। তাৰ কাৰণ থাইকৈ দুটা। প্ৰথমতে, সাংবাদিকতাৰ প্ৰতি মোৰ আন্তৰিক অনুৰাগ নাছিল কাৰণে মই এজন ভাল সাংবাদিক হ'বলৈ কেতিয়াও চেষ্টা নকৰিলো। ৰাজনৈতিক ঘটনা-প্ৰবাহৰ যথাযোগ্য বিশ্লেষণ আৰু মূল্যায়ন কৰিবলৈ যি ধৰণৰ অধ্যয়ন আৰু মনঃসংযোগ লাগে সেইটো মোৰ নাছিল। গতিকে স্বাভাৱিকতেই মোৰ সাংবাদিকতাও হ'ল পাল-মৰা বিধৰ। দ্বিতীয় কাৰণটো হ'ল এই যে মোৰ স্বভাৱটো বৰ বেছি অন্তৰ্মুখী হোৱাৰ কাৰণে বাহিৰৰ জগতত ঘটি থকা বেছিভাগ ঘটনাই মোৰ মনত দকৈ ৰেখাপাত কৰিব নোৱাৰে। এমাৰছন জীয়াই থকাৰ সময়ত আমেৰিকাত গৃহ-যুদ্ধ চলি আছিল। কিন্তু তেওঁৰ ডায়েৰিত ক'তো গৃহ-যুদ্ধৰ উল্লেখ নাই। মোৰ ডায়েৰি লেখাৰ অভ্যাস নাই। কিন্তু ডায়েৰি লেখাৰ অভ্যাস থকা হ'লে আৰু এমাৰছনৰ লগত একে সময়তে ময়ো আমেৰিকাত জীয়াই থকা হ'লে মোৰ ডায়েৰিতো কিজানি গৃহ-যুদ্ধৰ কোনো উল্লেখ নাথাকিলেহেঁতেন। কথাটো

ভাল নে বেয়া, উচিত নে অনুচিত, সেই কথা মই ইয়াত বিচাৰ কৰা নাই। কেৱল মোৰ নিজৰ বিষয়ে এটা তথ্য হিচাপেহে তাক উল্লেখ কৰিছো।


মোৰ সাংবাদিকতা ব্যৰ্থ হোৱা বুলি অনুভৱ কৰাৰ দ্বিতীয় কাৰণটো হ'ল এই যে সাংবাদিক হিচাপে মোৰ প্ৰধান লক্ষ্য আছিল দুনীৰ্তিৰ বিৰুদ্ধে যুদ্ধ কৰা ; কিন্তু মই সাংবাদিকতা আৰম্ভ কৰাৰ দিন ধৰি আজিলৈকে দুনীৰ্তি তিল মানো হ্ৰাস পোৱা দূৰৰ কথা, সি বছৰে বছৰে লুইতৰ বালিয়া বানৰ দৰে বাঢ়িহে আছে। অৱশ্যে সাংবাদিকৰ কলমৰ খোচতে দুনীৰ্তি-দৈত্য ধৰাশায়ী হ'ব এনে কথা ভবাৰ কোনো স্থল নাই। কিন্তু হাজাৰ হাজাৰ সাংবাদিকে হাজাৰখন মুখেৰে চিঞৰ-বাখৰ কৰি থাকিলেও দুনীৰ্তি-দৈত্যই যদি তালৈ কেৰেপকে নকৰে, তেন্তে বুজিব লাগিব যে হয় হাজাৰ হাজাৰ সাংবাদিকৰ সম্মিলিত শক্তিতকৈ দুনীৰ্তি বেছি শক্তিশালী, অথবা সাংবাদিকৰ চিঞৰ-বাখৰৰ মাজতে কিবা এটা কৃত্ৰিমতা আছে। মই দ্বিতীয়টোহে সত্য বুলি বিশ্বাস কৰো। সাংবাদিকে আন সকলোকে সমালোচনা কৰে, কিন্তু আত্মসমালোচনা কেতিয়াও নকৰে। মোৰ ব্যক্তিগত অভিজ্ঞতাৰ পৰা ধাৰণা হয় যে আন যি কোনো প্ৰফেশ্যনেল শ্ৰেণীৰ দৰেই সাংবাদিকসকলো দুনীৰ্তিৰ পৰা মুক্ত নহয়। বৰং কোনো কোনো ক্ষেত্ৰত বেছিহে। বেছিভাগ সাংবাদিকেই দুনীৰ্তিৰ বিৰুদ্ধে যুদ্ধ নকৰে। তেওঁলোকে নিজৰ পৃষ্ঠপোষকসকলৰ দুনীৰ্তিৰ ৰক্ষণাবেক্ষণ দিয়ে আৰু প্ৰতিদ্বন্দ্বী বা প্ৰতিপক্ষৰ পৃষ্ঠপোষকসকলৰ দুনীৰ্তিৰ বিৰুদ্ধে চিঞৰ-বাখৰ কৰে। এনে অৱস্থাত সমাজ নিকা কৰাৰ কামত সাংবাদিক-সকলৰ বিশেষ একো ভূমিকা থাকিব নোৱাৰে।

বহুতৰ কাৰণে সাংবাদিকতা এটা মিশ্যন হ'ব পাৰে। আন বহুতে তাৰ মাজত বিচাৰি পাব পাৰে আনন্দ আৰু উত্তেজনাৰ খোৰাক। মোৰ কাৰণে সি এই দুটাৰ এটাও নাছিল। মোৰ কাৰণে সি আছিল মাত্ৰ এটা চাকৰি। অন্ন-সংস্থানৰ এটা উপায়। কিন্তু নিবনুৱা হৈ থাকলৈ নাপাই মৰাতকৈ সেইটোনো বেয়া কি ? মই চৰকাৰী চাকৰি এৰি সাংবাদিক হৈছিলো। এটা কথা স্বীকাৰ কৰো যে চৰকাৰী চাকৰিতকৈ সাংবাদিকতাৰ চাকৰি হাজাৰ গুণে বেছি উপভোগ্য আৰু আনন্দময় বুলি মই অনুভৱ কৰো। সেই ফালৰ পৰা মোৰ কোনো খেদ নাই। প্ৰত্যেক মানুহেই জীৱিকাৰ কাৰণে এটা বৃত্তি গ্ৰহণ কৰিবই লাগে। কিন্তু প্ৰত্যেক মানুহেই যে নিজৰ ৰুচি বা মানসিকতাৰ লগত মিল থকা বৃত্তি বিচাৰি পাবই এনে কোনো কথা হ'ব নোৱাৰে। বৰং

বেছিভাগ মানুহৰে জীৱনৰ এটা দুখৰ কাৰণ হ'ল এই যে পৰিস্থিতিয়ে তেওঁক যি বৃত্তি বাছি লবলৈ বাধ্য কৰে তাৰ মাজত তেওঁ অকণো আনন্দ বিচাৰি নাপায়। তাৰ পৰিণাম স্বৰূপে বহুতেই নিউৰ'ছিছৰ বলি হয়। মোৰ সেইবোৰ সমস্যা নাই। মই সাংবাদিকতা ভাল নাপাওঁ, কিন্তু সেইবুলি মই সাংবাদিকতাক মোৰ মনৰ শান্তি বা আনন্দ নষ্ট কৰিবলৈ কেতিয়াও নিদিওঁ। জীৱিকাৰ তাড়নাত বাতৰি কাকতৰ কাৰণে এটা প্ৰবন্ধ বা প্ৰতিবেদন লিখিয়েই বাকী গোটেই দিনটোৰ কাৰণে মই সাংবাদিকতাৰ চিন্তা মনৰ পৰা সম্পূৰ্ণ দূৰ কৰি দিওঁ। তাৰ পিছত মই ডুবি যাওঁ মই ভাল পোৱা কেইখনমান কিতাপৰ মাজত, কেইটামান গানৰ মাজত, অস্তিত্ব-চেতনাৰ নানাবিধ সংকটৰ মাজত,— আৰু মোৰ মাজত।

দ্বিতীয় খণ্ড

# চিঠি-পত্র



পোঃ অঃ ঢেকীয়াজুলী
দৰং ( অসম )
তাং ৮. ৫. ৬৮

নিবেদন,

চিঠিখন ( ৪.৫.৬৮ তাৰিখৰ ) পালোঁ। চিঠিখনত আশীৰ্বাদ বিচৰাৰ কাৰণে আৰু স্নেহভাজন লিখাৰ বাবে তুমি বুলি সম্বোধন কৰিম বুলি ভাবিও নিবেদন বুলিয়েই লিখিলোঁ—কাৰণ মই সকলোকে আপোনাৰ শাৰীতেই থওঁ।—চিঠিখন পঢ়িয়েই মোৰ প্ৰথম প্ৰতিক্ৰিয়া হৈছিল—সেইদিনানো বাহুত কিয় আহিছিলোঁ আৰু যদি আহিছিলোঁয়েই ইমানবোৰ কথা নকলেওতো হ'লহেঁতেন। মোৰ মনৰ এই ভাৱৰ কাৰণ কেইবাটাও—প্ৰথমতে হ'ল নিজৰ বিষয়ে লিখাৰ এটা সঙ্কোচৰ ভাব—আত্মজীৱনী লিখাৰ নিচিনা জীৱন মোৰ নহয়, তেনে ধৃষ্টতা মোৰ নাই—অৱশ্যে সুঁৱৰি আনন্দ পোৱা দিনবোৰৰ কথা স্মৃতিকথা বা স্মৃতিৰ টুকুৰা, বা 'জীৱন বিচাৰি' যি কোনো শিৰোনামাত লিখিব পাৰি, পিচে আত্মজীৱনী বুলি নহয়।

দ্বিতীয়তে, মই কেবাটাও পাপত পাপী। লিখিবলৈ মন নগ'লে জোৰকৈ লিখিবলৈ বহিলে কলমটোৱে যেন আগবাঢ়িব নোখোজে—মনক শাসন কৰি কাম সমাধা কৰোঁ, পিচে নিজে সন্তুষ্ট হ'ব নোৱাৰোঁ। এই স্বভাৱটোক দেখাত এলাহ যেন লাগে যদিও মই নিজেই ক'ব নোৱাৰো এলাহ নে কি?—সেইদেখি লিখিম বুলি কথা দি যদি নিয়মিতভাৱে লিখাবোৰ পঠিয়াই থাকিব নোৱাৰোঁ, তেন্তে নিজকে দোষী দোষী যেন লাগিব। সময়ৰ অলপ অভাৱ যদিও সময়ৰ অভাৱ টোকে কাৰণ এটা বুলি দেখুৱাব নোখোজো—কাৰণ প্ৰবল ইচ্ছা থাকিলে সময়ে হাজাৰ কামৰ মাজতো নিজেই সময় উলিয়াই ল'ব। ঘৰুৱা আৰু বাজহুৱা জীৱনৰ টনা-আজোৰা সদায়েই থাকিব। ঘৰত একেবাৰে অকলশৰীয়া, তাতে শ্ৰীযুত দাসদেৱ অসুস্থ—ৰাতিপুৱাৰ পৰা সন্ধ্যালৈকে লানি নিছিগা মানুহৰ সোঁত—স্থিৰভাৱে বহি কিবা এটা কৰিবলৈকো যেন অৱকাশ নাই। শ্ৰীযুত দাসদেৱে হুলস্থুলীয়া পৰিবেশ এটাৰ মাজতো নিজৰ কাম কৰি যাব পাৰে। মই নিৰলে এঠাইত নবহিলে একো কৰিব নোৱাৰোঁ। এই বিলাক ভাৱেই জুমুৰি দি

ধৰি মোক বিমোৰত পেলাইছে। তাৰ উপৰি চিঠিৰ অন্তত লিখা এই কথাখিনিয়ে "মোৰ নতুন যাত্ৰাপথত মোৰ প্ৰতি আপোনাৰ শুভইচ্ছা আৰু আশীৰ্বাদ হিচাপে গ্ৰহণ কৰিম।" মোক যেন আৰু বিমোৰত পেলাইছে। জীৱনৰ নিৰাপদ দিশ এটাৰ স্বাৰ্থ ত্যাগ কৰি সাহিত্যৰ যোগে দেশসেৱা কৰিবলৈ ওলোৱাৰ নিচিনা মহৎ প্ৰচেষ্টা এটাত অলপ অৰিহণা যোগাব পাৰিলে নিজেই শান্তি পাম। পিচে মোৰ পৰা বেছি আশা কৰি হতাশ হ'বলগীয়া হ'লে বৰ বেজাৰ লাগিব। অসমৰ ডেকা সাহিত্যিক এগৰাকীৰ এই সাধু চেষ্টাত দেশৰে এজন হিচাপে গৌৰৱ অনুভৱ কৰিছোঁ—বিশ্বৰ সকলোৰে কাৰণে এনে আদৰ্শ অনুকৰণীয়। আদৰ্শৰ দৈন্যতাৰ যুগত এনেবিলাক জীয়া কথাই জী থকাৰ প্ৰেৰণা আনি দিয়ে। সকলো শুভানুধ্যায়ীৰে শুভ ইচ্ছা আৰু আশীৰ্বাদ লৈ সাধনাত সিদ্ধি লাভ হ'ব নিশ্চয়।

মই ভাবিছোঁ—মই মোৰ মনত থকা কথাখিনি গাঁথি যাম। যিবিলাক কথা আজিও মনৰ পৰা মচ খোৱা নাই, তেনে কথা। মোৰ ডায়েৰী লিখাৰ অভ্যাস নাই—বহুত বেয়া অভ্যাসৰ ভিতৰত ইয়ো এটা। সেই দেখি নিজৰ স্মৃতিশক্তিৰ ওপৰতে নিৰ্ভৰ কৰিব লাগিব। স্মৃতিকথাৰে আনৰ মহত্ব আৰু চাৰিত্ৰিক বীৰ্য্যৰ পৰিচয় দিব পাৰিলে ভালেই পাম। প্ৰত্যেক মানুহৰ জীৱনটোৱেই এখনি নাটক—সেই নাটক কেতিয়াবা নিজতকৈও আনেহে বেছি ভালকৈ প্ৰকাশ কৰিব পাৰে। মনৰ আৰু লেখনীৰ মধু সংযোগেই তো সাহিত্য। মোৰ কাপে সেই সৌন্দৰ্য্য জানো ফুটাই তুলিব পাৰিব?

"উৰুলীৰ" সম্পাদক শ্ৰীযুত হেম শৰ্মা দেৱেও এদিন একে অনুৰোধকে কৰিছিল ফোন যোগে। মই মোৰ অক্ষমতাৰ কথা ফোনতে বুজাই ক'লোঁ। এতিয়া এই চিঠিখনে মোক বিপদত পেলালে। অতি নোহোৱা স্মৃতিকথা জানো কামত আহিব? স্মৃতিৰ টুকুৰাবোৰ খুৱাই যাঁওতে ক'ৰবাত অগাপিচা হ'ব পাৰে—সেইদেখি সকলো চাই লোৱাৰ পিচতহে প্ৰকাশ কৰা নকৰাৰ কথা ভবাটো উচিত হ'বনেকি? মোৰ নিজৰ লেখা শক্তিৰ ওপৰতে মাজে মাজে বিশ্বাস হেৰায়।

ঘৰৰ সকলোৰে সৰ্বতোপ্ৰকাৰে মঙ্গল কামনা কৰিলোঁ। আমাৰ প্ৰীতি শুভাশীষ জনালোঁ।

ইতি—

আঃ পুষ্পলতা দাস

Caurisankar Bhattacharyya,
M.A., B.L, Advocate, M. L. A.
Leader United Legislature Party, Assam.
Member. Executive Council & the Court
GAUHATI UNIVERSITY

GAUHATI—8
Phone : 3668
Date. ৩০/৬/৬৮

শ্ৰদ্ধেয় শ্ৰীযুত বৰগোহাঞি,

মুকলি মনেৰে লিখা আপোনাৰ ২৩/৬/৬৮ তাৰিখৰ চিঠিখন পাই ভাল লাগিল। আপোনাৰ পদত্যাগ পত্ৰ যাতে সোনকালে গৃহীত হয় তাৰ বাবে মই চেষ্টা কৰিম। আপুনি আঞ্চলিক-ভিত্তিক সংগঠন এটাৰ কাৰণে আদৰ্শ, নীতি, আৰু কৰ্ম্মসূচী সম্বলিত আঁচনি এখন তৈয়াৰ কৰিবলৈ আগবাঢ়ি অহা বাবে অতি আগ্ৰহেৰে আপোনাক ধন্যবাদ জনাইছোঁ। আশা কৰোঁ, যিমান সোনকালে পাৰে আঁচনি খন তৈয়াৰ কৰি তাৰ প্ৰতিলিপি এটা মোলৈ পঠাব। আঞ্চলিক প্ৰয়োজনৰ লগে লগে চাব লাগিব যাতে প্ৰস্তাৱিত সংগঠনে ভাৰতৰ ঐক্য আৰু সংহতি সুস্থ পৰিবেশত গঢ়ি তোলাত আৰু আগবঢ়াই নিয়াত সহায় কৰে। মোৰ বোধেৰে আদৰ্শ হোৱা উচিত প্ৰকৃত সমাজতান্ত্ৰিক আৰু গণতান্ত্ৰিক সমাজ য'ত কোনো মানুহ বা জাতি-উপজাতিয়ে কাকো ধৰ্ম্ম, বৰ্ণ, ভাষা বা যিকোনো আহিলা লৈ শোষণ, নিপীড়ন বা অৱজ্ঞা কৰিব নোৱাৰিব। আশা কৰোঁ, এই কথাও বিবেচনা কৰি চাব যে বৰ্ত্তমান সময়ত আমাৰ সমাজৰ প্ৰয়োজন পূৰণৰ বাবে আৰু এটা নিকপ্‌কপীয়া ৰাজনৈতিক দল লগা হৈছে, নে সমভাৱাপন্ন সম-দৰদী লোক সকলৰ এটা বহল ভিত্তিক সংগঠন বা "ফ্ৰণ্টেই" যথেষ্ট হ'ব। অৱশ্যে আলোচনা-বিলোচনাৰ পিছতহে এটা চূড়ান্ত নিষ্পত্তি আৰু ৰূপ সম্ভৱপৰ হ'ব। এই প্ৰসঙ্গত মোৰ বা আন কোনো ব্যক্তিৰ ব্যক্তিগত ভূমিকা কি হ'ব বা হোৱা উচিত সেইটো বাস্তৱ পৰিস্থিতি আৰু বাস্তৱ প্ৰয়োজনে নিৰ্ণয় কৰিব। মোৰ মতে ইতিহাসৰ গতিত ব্যক্তিৰ ভূমিকা যিমানেই গুৰুত্বপূৰ্ণ নহওক লাগিলে, ই কেতিয়াও নিৰ্ণায়ক শক্তি হ'ব নোৱাৰে। নিৰ্ণায়ক শক্তি হৈছে ঐতিহাসিক প্ৰয়োজনীয়তা আৰু জনতাৰ চেতনা, প্ৰেৰণা আৰু সংঘাতৰ বিশিষ্ট স্তৰ।

সাহিত্য জগতত মোৰ কচৰৎ সম্পৰ্কে উনুকিয়াই দিয়াত মই অলপ লাজ পাইছোঁ। যৌৱন কালত অইন বহুতৰ দৰে ময়ো গল্প কবিতাত হাত দিছিলোঁ স'চা। বোধ হয় "জয়ন্তী" আৰু "আৱাহন"ত গল্প আৰু কবিতাৰে

নাম লৈ মোৰ কেইটামান কেঁচা লেখা প্ৰকাশিতো হৈছিল। তাৰ ভিতৰত "প্ৰেমতকৈও তীব্ৰ" নামৰ এটা লেখাই বোধহয় অতি সাধাৰণভাৱে গল্পৰ শাৰীত ঠাই পাব পৰাৰ যোগ্যতা অৰ্জ্জন কৰিছিল। মোৰ হাতত এতিয়া তাৰ কোনো চিনচাব নাই। বোধ হয় ১৯৪০ চনৰ আৱাহনৰ কোনো এটা সংখ্যাত সেইটো প্ৰকাশিত হৈছিল। কেতিয়াবা তাৰ সন্ধেদ পালে আপোনাক জনাম বাৰু।

শ্ৰদ্ধা ল'ব। ইতি

শ্ৰীগৌৰীশঙ্কৰ ভট্টাচাৰ্য্য

গুৱাহাটী—৮

২।৭।৬৮

প্ৰিয়বৰেষু,

তোমাৰ চিঠি পালো। ইমান খৰখেদাকৈ তোমাৰ 'ফৰ্ম্মাচ' টো "হাচিল" কৰিব নোৱাৰো। দুদিনমান পলম হ'ব। বেয়া নাপাবা।

আলোচনী উলিওৱা যে কিমান টান পাচত বুজিবা। সম্প্ৰতি তোমাৰ শুভ চেষ্টা সফল হ'ব বুলি আশা কৰিলো।

এইখন চিঠি নহয়, কেৱল প্ৰাপ্তি স্বীকাৰ হে।

তোমাৰ

শ্ৰীবেনুধৰ শৰ্ম্মা

বিহাবাৰী, গুৱাহাটী—৮

২. ৭. ৬৮

মৰমৰ হোমেন,

যোৱা শুক্ৰবাৰে মই যোৰহাট পাইছিলোগৈ; পায়েই তোমাৰ খবৰ লৈছিলো। শনিবাৰে তোমাৰ অফিচত খবৰ ললোঁগৈ; তুমি ভাত খাবলৈ গ'লাগৈ। গধূলি সাহিত্য সভাৰ অফিচলৈ তুমি আহিবা বুলি বাট চালো। কিন্তু ক'তো লগ নেপালো। তোমাৰ লগত ভালেমান কথা আছিল। ইতিমধ্যে মুনীন দত্তবৰুৱাৰ পৰা তোমাৰ আৰু তোমাৰ প্ৰস্তাৱিত কাগজৰ সম্পৰ্কে গম পালো।

তুমি ৪ জুনতে লিখা চিঠিখন কলেজৰ ঠিকনাত দিয়াৰ বাবে তাতে পৰি থাকিল। কালিহে মই পালো। দেউতাৰ খনো কালি দিলো। তাৰ উত্তৰত

আজি অইন কথা নিলিখোঁ। মই ইয়াকে কৈ থওঁ তোমাৰ এই কামত মোৰ পৰা পাব পৰা সকলোখিনি সহায় পাবা। তোমাৰ চাকৰি-ত্যাগৰ খবৰটো পাই মই কিমান সুখী হৈছোঁ তাক প্ৰকাশ কৰিব নোৱাৰোঁ। এতিয়া কিন্তু দায়িত্ব বাঢ়ি হ'ল। তুমি বিচৰা প্ৰবন্ধটো জুলাইৰ শেহত বা আগষ্টৰ প্ৰথম সপ্তাহৰ ভিতৰত যুগুত কৰি দিম। মইও আজি দুবছৰীয়া দুৰ্যোগ এটাৰ পাচত অলপমান থিতাপি লৈছোঁহে। মৰম ল'বা।

ইতি, তোমাৰ

অজিত

( অজিতকুমাৰ শৰ্মা )

৮. ১০. ৬৮

নিজবাপাৰ

মৰমৰ শ্ৰীবৰগোহাঁঞি

ফটো ৯খন আৰু Indian Express খন আপোনাৰ মানুহে মোক এতিয়া দিছেহি। ধন্যবাদ।

বাকী সকলো কথা আপুনি কোৱামতে হ'ব। নভেম্বৰত মই নিশ্চয় আপোনাক সময় দিব পাৰিম। নোৱাৰিলে আগতে (oct.ৰ শেষ দিনা) দিব লাগিব। নভেম্বৰ মাহটো কলিকতাত ব্যস্ত থকাৰ পৰিকল্পনা আছে। যি হয় মই জনাই দিম।

২৯ অক্টোবৰত মোৰ সৈতে চলিহা দেৱৰ ওচৰলৈ যাবতো? জনাব। ইতিমধ্যে আপুনিও তেখেতলৈ লিখিব Appointment এটাৰ কাৰণে (for interview)

আপোনাৰ

কণ্ঠক জিৰণি দিয়ক

ফোৰণু আইটিচ বব

আমনি দায়ক বন্ধু

মই জানো!

জনমভূমিত কি কলো পাহৰিলোঁ। কাগজ খন দেখাও নাই। যাহওক জনমভূমিত কোৱা কথা খিনি ভাল পাইছে বুলি শুনি ভাল লাগিছে। ইহঁতে লক্ষ্মীনাথক চৰ্কাৰী কৰি পেলোৱাতহে ব্যস্ত দেখোন। কোন গভৰ্ণৰে জোতা-নিপিন্ধি টিকট কাটিলে সেয়েহে খবৰ।

কালি মালিগাওঁত সাঃ সব সহায় নোহোৱাকৈ সুন্দৰ এখন সভা পাতিলে। বেজবৰুৱাৰ সৃষ্টিৰ পৰিবেশন আৰু কমলাবাৰী সত্ৰক লৈ বেজবৰুৱাক Mass অৰ মাৰ্জলৈ নিয়াৰ সাঃ সব কোনো চেষ্টা নোহোৱা দেখি চিত্ৰাৰ দিবৰ মন যায়। আপুনি লিখা বেজবৰুৱাৰ বিষয়ে প্ৰবন্ধটো (মিত্ৰ এজেঞ্চিয়ে ছপোৱা কিতাপ খনত নতুনকৈ) অতি অৰ্থপূৰ্ণ। বৰ সত্য কথা কৈছে। তথাপি এটা সময়ৰ important প্ৰতীক হিচাবে আমি ধৰিমেই লক্ষ্মীনাথক। আমাক প্ৰতীকৰ বৰ দৰ্কাৰ হৈছে।

দেশত কি ওলাল মই পঢ়া নাই। আপুনি খবৰটো দিয়াত ভাল লাগিল।

॥ পাৰিলে মই আপোনাৰ ঘৰত এদিন এই মাহত লগ ধৰিম—এনেয়ে ॥

মৰম শুভেচ্ছা লব।

**ভূপেন হাজৰিকা**

Hill Side
P.O. Silpukhuri
Gauhati—3. Assam
July 3, 1968

শ্ৰীমান বৰগোহাঞিও,

তোমাৰ চিঠিখন পাই মস্কিলত পৰিলোঁ। 'শুভেচ্ছা জনাইছোঁ' বুলি হাত ভৰি পথালিব পাৰি, পিচে দত্তবৰুৱাই টকা ভাঙি কাগজখন উলিয়াব আৰু তুমিও ঐকান্তিকভাৱে তাত লাগিবা, এনেস্থলত বাগি দি হাত সাৰিব নোখোজোঁ। আনহাতে প্ৰবন্ধ লিখা অভ্যাস কমিল, সময়ো নোপোৱা হ'লোঁ। বহুত সময়ত চিঠি লিখিবলৈকেও টান পোৱা হৈছোঁ। তাৰ উপৰি দুটা ভাষাত সমানে চলাব নোৱাৰোঁ। ইংৰাজীত প্ৰায়ে প্ৰবন্ধাদি দি থাকিব লাগে, অসমীয়াত লেখিবলৈ আগ্ৰহ নোহোৱা হয়। অসমীয়া সাহিত্যৰ লগতো সংযোগ কমিল। আজিকালি কিতাপ-পত্ৰ বহুতো ওলাল, আনহাতে বিষয়বস্তুৰ সংকীৰ্ণতাৰ কাৰণে সেইবিলাক পঢ়িবৰো মন নাযায়। পেনপেনীয়া গল্পসোপা স্কুলীয়া ছাত্ৰ-ছাত্ৰীৰ কাৰণেহে। ভাবাবিলাকো আমনি দায়ক পাওঁ। নিজেও জীৱনত আস্থা হেৰুৱাইছোনে কি? সংস্কাৰকামী মনোবৃত্তি লোপ পালে। এনে মনোবৃত্তি—a messianic urge নাথাকিলে লিখিবলৈ টান হয়। কৰ্মত আস্থা আছে বুলিহে হয়তো মানসিক জীৱন কিছু সজীৱ ৰাখিব পাৰিছো।

চৌপাশে যেতিয়া আদৰ্শৰ অভাৱ, ধৈৰ্য্যৰ অভাৱ দেখোঁ, তেতিয়া নিজৰ মনটোও কোঁচ খায়, ভাবোঁ লোকৰ আত্মজীৱনী, ভ্ৰমণ কাহিনী, চিকাৰ কাহিনী, খেমেলীয়া গল্প আদি পঢ়ি দিনবোৰ বগৰাই দিব পাৰিলেই ভাল।

বাৰু, দেখা হ'কচোন। তোমাৰ কাগজো ওলাওক। মাজে সময়ে কিবা দিব পাৰোনেকি। পিতাৰ বিষয়ে মই পলাশবাৰী সাহিত্য সভাৰ অধিবেশনত লিখিছিলোঁ। এইটো বিষয়ে পৰা যাব। সময়ত—পুৰণি লিখক আলচিব খুজিছা যদি, ধনাই বৰা, বিষয়চন্দ্ৰ বিশ্বাসী, চোলেইমান খাঁ ইত্যাদিও বাদ পাৰিব নালাগে। মই মুনীন্দ্ৰ দত্তবৰুৱাক কৈছিলোঁ—কাগজখন পঢ়ি সোৱাদ লগা হ'ব লাগে। আমি বঙালী, ইংৰাজী কাকত প'ঢ়ো, তাৰ ঘাই কাৰণ আকৰ্ষণীয়তা,—বিষয়বস্তুৰ বিচিত্ৰতা, লিখাৰ পঠনীয় ঠাঁচ ইত্যাদি দুই চাৰিখন আন ভাষাৰ আলোচনী হাতৰ কাষত ৰাখিলে আহিঁ পাবলৈ উজু হ'ব। এখন —The Sunday Standard Bombay.

ইতি—

তোমাৰ

শ্ৰীপ্ৰফুল্লদত্ত গোস্বামী

MEMBER OF PARLIAMENT
(LOK SABHA)

নতুন দিল্লী ঃ ১৬ চেপ্তেম্বৰ ঃ ৬৮

স্নেহৰ হোমেন,

তোমাৰ চিঠিখন অলপ আগতে পাইছোঁ। চিঠি পাই কিমান যে সন্তোষ পাইছোঁ, ভাষাৰে বুজাব নোৱাৰোঁ। তোমাৰ সম্পাদনাত ওলাব লগীয়া 'নীলাচল' বোলা কাকতখনৰ কাৰণে আমি আগ্ৰহেৰে বাট চাই আছোঁ। কাকতখন যে বাছকবনীয়া বস্তু হ'ব, সেই বিষয়ে মোৰ অকণো সন্দেহ নাই। তোমাৰ সম্পাদনাত ওলোৱা বস্তু যে ভাল হ'ব, সেই বিষয়ে সন্দেহ কৰিবলগীয়া কিবা আছে? এই বিষয়ে আনকি কালিও কথা পাতিছোঁ। তোমাৰ কৰ্মকুশলতাৰ বিষয়ে মোৰ যেনেকৈ আস্থা আছে, তেনেকৈ বাইদেৱেৰাবো আছে। ভগৱানে তোমাৰ মঙ্গল কৰক—ইয়াকে কামনা কৰিলোঁ।

তুমি বিচৰামতে ইয়াৰ লগতে মোৰ ফটো এখন পঠালোঁ। মই দেখিবলৈ বৰ অশুৱনী। সেইকাৰণে ফটো বোলা বস্তুটোলৈ বৰ ভয়। এই বাইশ

তাৰিখে গুৱাহাটী পামগৈ। তোঁতিয়া দেখা হ'ব নিশ্চয়। এই সংবাদটো মুনীনকো দিবা। এই এজন আমাৰ অতি আদৰ্শবাদী ডেকা, সেইকাৰণেই ভাল লাগে।

একপ্ৰকাৰ ভালে আছোঁ। তোমালোকৰ সকলোটিৰে মঙ্গল নিশ্চয়।

কোনৰ বিষয়ে একো চিন্তা নকৰিবা। মই গৈ ঠিক কৰি দিম। মৰম জানিবা।

ইতি—

তোমাৰ

হেম বৰুৱা

গুৱাহাটী

৮. ৮. ৬৮

মৰমৰ হেমেন,

তুমি আহাঁ। মোৰ পৰা তুমি আশাকৰা হিচাপে নাপালেও মই যথাসাধ্য দিবলৈ যত্ন কৰিম। তুমি নিশ্চিত থাকিব পাৰা। তোমাৰ 'বিভিন্ন নৰক'ক লৈ ইয়াত হুলস্থুল লাগি পৰিছে। অসম বাতৰিত চিঠিৰ উপৰি চিঠি আৰু দোকানত মানুহৰ ভিৰ। খনে হেনো দহটকাকৈ বিকিছে। তোমাক লৈ কতৰ যে কি দুশ্চিন্তা। মেননৰ নিচিনা তুমিও controversy খোঁদ নুফুৰা কিন্তু controversy—য়েহে তোমাক খেদি ফুৰে। ভাবি ভাবি মাজে মাজে তোমালৈ ঈৰ্ষা হয়।

তুমি আহি লোৱাচোন। গুৱাহাটীত তুমি নেদেখা নুশুনা কত কি যে আছে। ইয়াত তুমি চব পাবা। অসমক সকলো দিশৰ পৰা প্ৰতিনিধিত্ব কৰাৰ ইয়াৰ কিছুমানৰ যে কি প্ৰাণান্ত প্ৰয়াস, কিন্তু তেওঁলোকৰ এজনো এটা বিষয়ত অন্ততঃ সচেতন নহয় যে তেওঁলোকৰ এজনবো যিকোনো এক বিষয়ত চিন্তাৰ নায়কত্ব দিব পৰাৰ সামৰ্থ্য নাই। অথচ আমাৰ দৈন্য একমাত্ৰ সেইখিনিতে। সেইকাৰণেই আমি তোমাক বিচাৰোঁ।

মুনীনদা তলে পুতল মানুহ। বেয়া অৰ্থত নল'বা আকৌ। ওপৰত একো ধৰিব নোৱাৰি অথচ তলে সাগৰ সংকাশ। তুমি তেখেতক ভাল পাবা। তোমালোকলৈ অশেষ মৰম আৰু শুভেচ্ছা ৰ'ল।

তোমাৰ

অমিয়।

নতুন দিল্লী ঃ
১৬ চেপ্তেম্বৰ ঃ ৬৮ চন

প্ৰীতিভাজনেষু ঃ

আশাকৰোঁ ইতিমধ্যে গুৱাহাটীত লাগিলাহি। গুৱাহাটীত থানথিত লগাৰ পিছত চিঠি দিম বুলি ভাবি থাকোঁতেই এইমাত্ৰ আপুনি এখেতলৈ দিয়া চিঠিখন পালোঁ। "নীলাচল"ৰ পৰা পঠোৱা কুৰিটা লেফাফা টিকটসহ আৰু অলপ টিকট নোহোৱা লেফাফা পাইছোঁ।

মোৰ লেখাখিনি আপুনি ভালপোৱা বুলি জানি ভাল লাগিছে। ২য় ইন্‌ষ্টলমেণ্ট পঠাম অলপতে। মই মোৰ গল্প সংকলন এটা যুগুত কৰি 'লয়াৰ্ছ'লৈ পঠালোঁ। দত্তবৰুৱা ভাণ্ডৰীয়াই ছপাবলৈ গাত লৈছিল। সংকলনটোত মুঠতে ২২টা গল্প দিছোঁ। সংকলনৰ নাম দিছো "আৰ্চিঘৰ"। কেনে পাইছে? নামটো এখেতে দিছে। এখেতে দিয়া নামবোৰ সদায় বৰ ভাল হয়। তেখেতৰ "আচুফুল", "মনময়ূৰী", "বহাগতে পাতি যাওঁ বিয়া" আদি প্ৰত্যেকটো নামেই মনোগ্ৰাহী হৈছে, আপুনি কি কয়?

আপোনাৰ সম্পাদনাত ওলাবলগীয়া কাকতখন পঢ়িবলৈ আমি অতি আগ্ৰহেৰে বাট চাই আছোঁ। ওলোৱাৰ লগে২ এটা কপি সোনকালেই পঠাই যেন।

ইয়াৰ লগতে এখেতৰ ফটো একপি পঠালোঁ। আপোনাৰ ঘৰৰ এড্ৰেছটো দিয়ে যেন। আজিলৈ থওঁ।

প্ৰীতি-সম্ভাষণ জনাব।

ইতি
আপোনাৰ
বাইদেউ
( অণু বৰুৱা )

৩০ চেপ্তেম্বৰ
ডিব্ৰুগড়

প্ৰিয় বৰগোহাঞি,

যোৱা কালি গোটেই দিনটোৰ বাবে অৱসৰ আহি পৰিল। মহেশ্বৰ চুটীয়াৰ লগত কথা হোৱাৰ পাছত অলপ উৎসাহো পালোঁ। "উদ্যোগীকৰণ

নে কৰিব বিপ্লব?" বিষয়টোৰ ওপৰত এটা প্ৰবন্ধ প্ৰস্তুত কৰি পেলালো। একেবাহে লিখি শেষ কৰাৰ পাছত এবাৰ মাত্ৰ চকুফুৰাই আপোনালৈ পঠালো। আপুনি কেনে ধৰণৰ বিশ্লেষণ বিচাৰিছিল ক'ব নোৱাৰো। মোৰ নিজ চিন্তা ধাৰাৰ অনুভৱেৰেহে লিখা হ'ল।

স্কুলীয়া আৰু কলেজীয়া শিক্ষা দুয়োটাই ইংৰাজীৰ মাধ্যমেৰে গ্ৰহণ কৰিব লগা হোৱাত ও শিক্ষা সাং কৰিয়েই বনুৱা প্ৰতিষ্ঠানৰ লগত জড়িত হৈ পৰিব লগা হোৱা কাৰণে অসমীয়া মাতৃভাষা গুচি মাহীভাষাত পৰিণত হ'ল। ক'বলৈ লাজ লাগে। অসমীয়া ভাষাত লিখিলে বাৰে পাচি ভুল হয়। সেই কাৰণেই নিলিখোঁ। বীৰেণ ভট্টাচাৰ্য্যই আশ্বাস দিয়াৰ বাবে লৈখিছিলোঁ—ভুলবোৰ তেওঁ শুধৰাই ল'ব বুলি। আপুনি সেই আশ্বাস দিয়া নাই, মই খুজিবলৈ লাজ পাইছোঁ। ভুলবোৰ নিশ্চয় আপুনি শুধৰাই ল'ব।

'সমাজবাদৰ ভৱিষ্যৎ' সম্বন্ধে প্ৰবন্ধ প্ৰস্তুত কৰিবলৈ চেষ্টা কৰিম। কিছু তথ্যাপাতি সংগ্ৰহ কৰিব লাগিব।

লিখাবোৰৰ ওপৰত আপোনাৰ পোনপটীয়া সমালোচনা পালে সুখী হ'ম।

শুভইচ্ছা গ্ৰহণ কৰিব।

ইতি

নিবাৰণ বৰা

'বকুলবন'

যোৰহাট—১

১৬।৯।৬৮

প্ৰিয় বৰগোহাঞি,

আপোনাৰ চিঠিখন পাই বৰ সন্তোষ পালোঁ। মই নীলাচলত "পুৰণি পৃথিৱীৰ পোহৰ" শিতানত লিখিবলৈ ইচ্ছা কৰাৰ কাৰণ দুটা—

(১) আমাৰ কোনো এখন কাকততে পুৰণি সংস্কৃতি সম্পৰ্কে সৌৰৱাই দি থকা কথা নোলায়। অথচ এনে বিধ লিখা ভাল পোৱা এবিধ পাঠক আছে। বয়সস্থ লোক লাগে, অনুসন্ধিৎসু ডেকা লিখক লাগে, ইয়াৰ দ্বাৰা কিছু উপকাৰ পাব। প্ৰাচীন গ্ৰীচ, মিচৰ, চীন, হিন্দু আদি সংস্কৃতিৰ অনেক কথাই এতিয়াও

পঢ়ুৱৈৰ মনত আনন্দ দিব পাৰিব। Old Testament-ৰ পৰা ভালেমান কথা আমাৰ পাঠক সমাজক দিবলৈ আছে। সেইদৰে চক্ৰেটিছ, প্লেটো, এৰিষ্টটল ওমৰ আদিৰো।

যেহেতু, আপোনাৰ কাকতৰ কলেবৰ সৰু হ'ব সেইবাবে প্ৰথমতে অলপ পঠালোঁ। কাগজখন আপোনাৰ সম্পাদনাত ওখ খাপৰ হওক—এয়ে কামনা। আপুনি যেতিয়া চৰকাৰী চাকৰি এৰি সাহিত্যত লাগিছে, সাহিত্যই আপোনাক তৃপ্তি দিয়ক—এয়ে কামনা।

(২) আৰ্থিক অৱস্থা কেনেবা। চৰকাৰী চাকৰি এটা কৰি ১৯৬৭ চনৰ ৩১ ডিচেম্বৰত অৱসৰ প্ৰাপ্ত হ'লোঁ। কিন্তু আজিলৈকে পেঞ্চন বোলা আপুৰুগীয়া বস্তুটো লাভ হোৱা নাই। সেই কাৰণে যদি ২/৪ কাকত-পত্ৰই অলপ সহায় কৰি থাকে—তেন্তে মাহেকে পষেকে এটা দুটা পইছাৰ মুখ দেখা পাম।

আমি এনেদৰেই জীৱন যাপন কৰিছোঁ কিন্তু···।

দুই এদিনতে মই যাম। আপোনাক লগ পামগৈ। ফটো তেতিয়াহে দিম। আন্তৰিক শুভইচ্ছা। আপোনাৰ উদ্যম জয়যুক্ত হওক।

ইতি

**শ্ৰীআনন্দচন্দ্ৰ বৰুৱা**

দক্ষিণ আমোলাপটি

ডিব্ৰুগড়

১৭ অক্টোবৰ ১৯৬৮, চন

মৰমৰ বৰগোহাঞি,


আপোনাৰ দুয়োখন চিঠিয়েই পাইছো, এখন ১৩ তাৰিখে আৰু আনখন ১৫ তাৰিখে। Your very kind feelings have overwhelmed me. যোৱাকালি উত্তৰ এটা লিখিম বুলি চেষ্টা কৰিও লিখিব নোৱাৰিলোঁ। যোৱা কালি আবেলিলৈ নীলাচল খন পালোঁ। প্ৰবন্ধটোৰ লগতে ছপা হোৱা আপোনাৰ টোকাটো পঢ়িলোঁ। ৯ তাৰিখৰ সংখ্যাত শ্ৰীযুত প্ৰবোধ গোস্বামী ভাণ্ডৰীয়াই লিখা প্ৰবন্ধ সঁচাকৈয়ে উচ্চ খাপৰ weighty matter।

উবেইদুল বৰুৱাৰ লিখা ভাল হৈছে—more in the type of a working paper. ডঃ ভবেন্দ্ৰনাথ শইকীয়াৰ উপহাৰ সংখ্যাৰ লেখাটো আৰু এইবাৰৰটো লেখা পঢ়ি বৰ ভাল পালোঁ। এই কথা কব লাগিবই যে নীলাচল আকাৰত স্বভাৱত সমাবেশত অন্যান্য আলোচনীতকৈ বেলেগ মানে it's a different quality। বঙ্গালী উকীল বন্ধু এজনে সিদিনা ক'লে যে 'নীলাচল' আমাৰ প্ৰতিনিধিৰ টেবুল ওপৰত। কাগজ খনৰ circulation আশা কৰাতকৈ বহুগুণে বঢ়াৰ কাৰণ হয়তো কেইবাটাও। এটা আপোনাৰ সম্পাদনা, দত্ত বৰুৱা এণ্ড চন্সৰ goodwill আৰু হয়তো Editorial Policy। আপুনি ঠিকেই কৈছে বিপ্লৱ মানুহে ক'ৰ মুখটোৱে কৰিব। মানুহে ideas বিচাৰিছে। তাৰ ঠাইত দিয়া হৈছে সস্তীয়া সাহিত্য।

'উদ্যোগীকৰণ নে কৃষি বিপ্লৱ' লিখাটো আকৌ এবাৰ চকুফুৰাই দিব লাগে বুলি ক'ব। মই ২৬ তাৰিখে গুৱাহাটীলৈ যোৱা কথা আছে। তেতিয়াই এই সম্বন্ধে কথা হ'ম। সমাজবাদৰ ভবিষ্যৎ সম্বন্ধে লেখিবলৈ লৈছো। দুদিন দেৰীকৈয়ে পঠাম। আপোনাৰ হাতত এতিয়াও বহুতো প্ৰৱন্ধ আছে। নিবনুৱা সমস্যা সম্বন্ধে কৰা বিশ্লেষণ টো আপোনাৰ গ্ৰহণ যোগ্য হোৱা বাবে মই বৰ সকাহ পাইছো। এনে ধৰণৰ বিশ্লেষণ ৰাজনৈতিক দলবোৰে চোবাই খাবলৈ ৰাজী নহয়; গিলিবলৈয়ো ৰাজী নহয়।

আপোনাক কথা দিছো—আপোনাৰ কাকতলৈ প্ৰৱন্ধ-পাতি লেখি পঠিয়াম। মানসিক চিন্তা কৰাৰ জোখেৰে আৰু লেখিবৰ বাবে মনটো প্ৰস্তুত কৰিছো। Here again I must thank you. Your very first letter give me the kick. Your letters have overwhelmed me. ৰাজনীতিয়ে মোক বহুতো উপকাৰ কৰিলে—অপকাৰ কৰিলে মাত্ৰ এটা। মাতৃ ভাষাৰ লগত সম্পৰ্ক নাইকিয়া কৰাই পেলালে। মই দাবী কৰিব নোৱাৰা হ'লোঁ যে কোনো এটা ভাষা ও ভালকৈ জানো বুলি। ৰাজনৈতিক জীৱনত ভাষা শিকাৰ ঠাইত দুই চাৰিটা দোৱান শিকিব লগীয়া হ'ল। 'শিকিব লগা হ'ল হিন্দি, উৰ্দু, পাঞ্জাবী, আদি ভাষা, কথা ক'ব পৰাকৈ আৰু সম্ভৱ হলে বক্তৃতা দিব পৰাকৈ। বক্তৃতা দিবলৈ প্ৰায় এৰিলোৱেই।

মই বহুতো ষড়যন্ত্ৰৰ ফলত আগৰ মানুহটো হৈ থাকিব নোৱাৰিলোঁ। বোধ হয় Yet I have tried to remain as uncompromising as before। কিন্তু সক্ৰিয় হ'ব পৰা নাই।



"Nibaran you are in Politics"? I said 'yes'. [illegible] "You will have many disappointments, come and join the Bar you will have none". [illegible] Those who wish well of me point the finger at me to tell others that I have spoiled myself – [illegible] Snake ladder ludo [illegible] I am neither repentant for having been in Politics nor frustrated for my many failures in it. If I have not remained exceedingly brilliant yet, it does not ache my heart. [illegible]

[illegible] You have done me a great personal service. You have helped me to regain my self confidence. And this is my confession.

[illegible] It will be much, much, more than merely renewing our acquaintance. In fact we are trying to get acquainted anew.

[illegible]

ঁহলিৰাম ডেকাই ১৯৪৮ চনতে, ৰাজনৈতিক জীৱনৰ আৰম্ভণিতে এদিন কৈছিল—"Nibaran you are in Politics? I said, 'yes', উত্তৰত তেখেতে কৈছিল, "You will have many disappointments, come and join the Bar, you will have none." মই উকীল হোৱা উচিত বোধ নকৰিলোঁ, আজিও নকৰোঁ। Those who wish well of me point the finger at me to tell others that I have spoiled myself—কাৰণ মই উকীল নহ'লোঁ। হোৱা হ'লে ছাগে জীৱনটো Snake ladder ludo খেলত পৰিণত নহ'লহেঁতেন। I am neither repentant for having been in politics non frustrated for my many failures in it. If I have not remained execedingly brilliant yet, it

does not ache my heart. । লগ পালে, আপোনাৰ অৱসৰ থাকিলে, কেতিয়াবাকৈ কথা হ'ম।

আপোনাৰ চিঠিয়ে মোক যি উৎসাহ আৰু অনুপ্ৰেৰণা দিছে তাৰ বাবে আপোনাক কি বুলি ধন্যবাদ দিম বাৰু? You have done me a great personal service. You have helped me to regain my self-confidence. And this is my confession.

আশা কৰিছোঁ গুৱাহাটীলৈ ২৬ তাৰিখে যাম। আপোনাকো লগ পাম। It will be much, much, more than merely renewing our acquaintance. In fact we are trying to get acquainted anew.

আন্তৰিক শুভইচ্ছা গ্ৰহণ কৰিব, শ্ৰীযুত মুনীন দত্তবৰুৱা ডাঙৰীয়াক মোৰ শুভইচ্ছা জনাব। ইতি—

নিবাৰণ বৰা

পোঃ মোহনাঘাট
দক্ষিণ আমোলাপটি
ডিব্ৰুগড় ৩. ১২. ৬৮

মৰমৰ বৰগোহাঞি,

আপোনাৰ চিঠি খন যোৱাকালি গধূলি পালোঁ। উত্তৰ এটা নোপোৱাৰ বাবে ভাবিবলৈ বাধ্য হৈছিলো যে বাটত বিঘিনি ঘটিল। গুৱাহাটীৰ পৰা ল'ৰাটোৱে টকাখুজি চিঠি দিলে ৯দিনৰ মূৰত পাওঁ। ইয়াৰ পৰা T. M. O. কৰিলে সি পায় এসপ্তাহৰ পাছত। মাজতে I. A. C ত air Packetত পঠিয়াইছিলো। মফঃচলত থাকিলে ঘৰৰ পৰা চিঠি দিলে নেপাওঁ। পালেও দেৰিকৈ। বেনামী Telegram আহে এটা বিশেষ নামৰ এক অচিনাকি ব্যক্তিৰ পৰা। বোম্বাই, নাগপুৰ, কলিকতাৰ কোনো এক ঠিকনাৰ পৰা টকা বিচাৰি। এতিয়াৰ পৰা হয়তো চিঠি পাওঁতে সদায়েই দেৰী হ'ব—The, track has been discovered. But then that's that. আপোনাৰ চিঠিয়ে মোক দিয়ে enocouragement। It's no overstatement to say that your letters have put me to a systematic thinking. I am deeply, very deeply grateful to you

আপোনাৰ কাগজ নিতৌ গধুৰ হৈ আহিছে। বাটত যাওঁতে ল'ৰাহ'তে কথা পতা overhear কৰিছো "নীলাচল খন বুইছা এবাৰ পঢ়িলে প্ৰতি মঙ্গলবাৰলৈ বৈ থাকিবৰ ইচ্ছা যাব।" যৈনীয়ে স্কুলৰ পৰা আহি কৈছেহি কোনোবা এটা ল'ৰাই হেনো 'নতুন পুৰুষ' পঢ়িবৰ বাবে ৪ টকাত কপি এটা কাৰোবাৰ পৰা জোৰেৰে কিনি নিছে। 'নতুন পুৰুষ' নীলাচলৰ এটা শিতান নহয়, It is shaping itself into a movement. "এজন বিষয় ডেকা"ৰ লেখা is an aggressively plain analysis of the present day world of students, আন বহুতে হয়তো সাহ কৰি লিখিব পৰা নাই। When I read this column I just don't read it for the language. Yet I now read it for language even !

আন এটা মন্তব্য—এজন পুৰণি বন্ধুৰে বাটত লগ পাই নীলাচলৰ কথাৰে আৰম্ভ কৰিলে। একেবাৰে দহ মিনিট মান কথা হোৱাৰ পাছত চাৰিআলিত লগ এৰাএৰি হ'লোঁ— কলে, "কাগজ খনৰ আয়ুস কিমান দিন কিন্তু ক'ব পৰা নাই দেই।" He did not mean you, he meant the govt. Possibly he would like or wish you to be a martyr than a servant of the people.

'সমাজবাদৰ ভবিষ্যৎ' প্ৰবন্ধটো আৰু এবাৰ চকুফুৰাই চাইছো। পঠিয়াম সোনকালে।

সমবায়ৰ সম্পৰ্কে লেখিম বাৰু। কিন্তু— লেখিম আৰু কেইটামান বিষয়ে যেনে—"অসমৰ বনজ সম্পদ আৰু ভেনেটা শিল্প", "ট্ৰেড য়ুনিয়ন বনাম কৃষক সংগঠন।" বিষয় কেইটা উপযোগী হ'বনে ?

In the Indian Institute of Personnel manegement at Digboi I talked to a very unlikely crowd. I talked very differently than what was this expectation. Yet I had the satisfaction of having been able to carry home what I spoke. I had a temparry thrill of attaining success in a rather un expected situation.

ইংৰাজীত প্ৰবন্ধ বঙ্গদেশৰ পৰা বিছাৰিছে। এজন নকৈ চিনাকী হোৱা পুৰণি সমাজ কৰ্ম্মীয়ে। আধা লেখা হৈছে "India to day : East of Siliguri."। এটা কপি আপোনালৈ পঠাম বাৰু।

বঙ্গালী মধ্যবিত্ত সমাজে আপোনাক অধিক মনোযোগেৰে পঢ়ে।

যোৱা বাৰ গুৱাহাটীলৈ গ'লো ; অন্য এক ব্যস্ততাৰ মাজত থাকি আপোনাৰ লগত ভালকৈ কথা পতা নহ'ল। এইবাৰ গ'লে ঘৰলৈ যাম। হয়তো যাম শিবলংঅলৈ ডিচেম্বৰৰ শেষভাগত দুদিনৰ বাবে আহোতে গুৱাহাটী হৈ আহিম।

ইতি—

নিৰাৰণ বৰা

মৰমৰ হোমেন,

৫ ফেব্ৰুৱাৰী তাৰিখৰ নীলাচলৰ সম্পাদকীয় স্তম্ভত ওলোৱা শ্ৰী প্ৰসন্নলাল চৌধুৰীৰ স্বাক্ষৰিত অসম সাহিত্য সভা শীৰ্ষক প্ৰবন্ধটো পঢ়িলোঁ। প্ৰথমৰ ফালে তুমি লিখা বুলি ধৰি লৈছিলোঁ আৰু বহুতো পুৰণি কথা উলিয়া বাৰ এইবিলাক উলিওৱাৰ কাৰণ কি বুজিব পৰা নাছিলোঁ। বৰপেটাৰ সাহিত্যিক-সকলৰ ভিতৰত প্ৰসন্নৰ নাম কিয় লোৱা নাই বুলিও ভাবিছিলোঁ—শেহতীয়া তেওঁৰ নামটো পালোঁ। প্ৰবন্ধটো ভাল হৈছে, পাছৰ ফালে তেওঁৰ ব্যৰ্থতাৰ অনুভূতি প্ৰবন্ধটোত পৰিছে। কিন্তু সেইটো যিয়েই নহওক, বাতৰি কাকতৰ সম্পাদক হিচাপে দেশৰ জনতাৰ অনুভূতি ভালকৈ বুজিব ধৰিছা নিশ্চয়। অসমীয়া যে কেৱল সংখ্যাত দুখীয়া সেইটো নহয়। সংহতিৰ জৰী ডালো অতি দুৰ্বল। সেইবাবে প্ৰতি খোজতে আমি সাৱধান হ'ব লগীয়া হৈছে। সেই সূত্ৰতে ১৯১৯ চনত কলিকতা এ. এচ. এল. ক্লাবত কি দৰে তৰ্কযুদ্ধ এখন চলিছিল সেই কথা মনলৈ আহিছে। ইয়াৰ বিৱৰণ দীঘলীয়া হ'ব দেখি এইখন চিঠিত নিলিখোঁ, পাছলৈ থ'লো। যিজন লোকৰ নিজৰ শৰীৰৰ বেলেগ বেলেগ মাংসপেশীবিলাক একে লগ কৰি ৰাখোতা স্নায়ুবিলাক দুৰ্বল, সেইজন লোকে আক্ৰমণাত্মক মনোভাৱ লৈ যুদ্ধলৈ আগবঢ়াতো অসম্ভৱ। আৰু এটা কথা, এটা "নেশ্যনৰ" শক্তি সংখ্যাৰে নহয়, "নেশ্যনৰ" শক্তি চৰিত্ৰৰ ওপৰত। কিন্তু আমি অসমীয়া সেই সম্পদত কিমান সম্পদশালী তাকো আমি মনত ৰাখিব লাগে, আৰু এই সম্পদৰ অধিকাৰী কেনেকৈ হ'ব পাৰোঁ তাৰ বাবে আমি প্ৰধানতে যত্ন কৰিব লাগে। মোৰ এই চিঠিখন তোমালৈ ব্যক্তিগতভাৱে লিখিছোঁ। "প্ৰসন্ন"ই বহুতো কথা আমাৰ সন্মুখত দাঙি ধৰিছে বিশেষকৈ ভাষা আৰু সাহিত্যৰ ক্ষেত্ৰত।

নিজৰ ব্যৰ্থতাৰ অনুভূতিৰ চেকা পাৰি অলপ বিসদৃশ হ'লেও তেওঁৰ কথালৈ আমি মন কৰিব লগীয়া হৈছে। তেওঁলৈ মই বেলেগে এখন চিঠি লিখিব খুঁজিছোঁ।

আশাকৰোঁ ভাল। মৰম আৰু সম্ভাষণ জানিবা।

চেকীয়াজুলী ইতি
৭. ২. ৬৯ শ্ৰীঅমিয়কুমাৰ দাস

চেকীয়াজুলী
১৯ জানুৱাৰী, ১৯৭০

মৰমৰ হোমেন,

তোমালৈ এখন চিঠি লিখিছলোঁ—তোমাৰ চিঠিৰ উত্তৰত। চিঠিখন পাওঁতে পলম হৈছিল—মই গুৱাহাটীলৈ গৈ কেইবাদিনো থাকিবলগীয়া হৈছিল। চিঠিখন তালৈকে redirected হোৱাত পালোঁ আৰু উত্তৰত জনালোঁ তোমাৰ অনুৰোধত প্ৰবন্ধটো লিখিম বুলি আৰু সুবিধা হ'লে ২৫ ডিচেম্বৰ তাৰিখে উৰ্ভাটিবৰ বাটত লগ ধৰিম। কিন্তু ২৫ তাৰিখে বন্ধ থকাত প্ৰেছত নোসোমালোঁ—তাৰ কেইদিনমান পাছত তোমালোকৰ অফিচৰ পৰা (শ্ৰীযদু কাকতীৰ) এখন চিঠি পালোঁ আৰু জানিলোঁ যে তুমি পুনালৈ সৰ্বভাৰতীয় সাহিত্যিক সন্মিলনলৈ গৈছা। বোধকৰোঁ মাঘ বিহুৰ আগে আগে উৰ্ভাটি পাইছাহি। তোমাৰ বাবে প্ৰবন্ধটো লিখিবলৈ লৈছোঁ। কিন্তু তুমি যিটো বিষয় দিছা সেই বিষয়ে লিখোতে সময় লাগিব। লিখিবলৈ ল'লেও মনলৈ নানান প্ৰশ্ন আহি আছে—Introduction ৰ দৰে লিখিবলৈ লৈছোঁ। কিন্তু ভাবিছোঁ—এই বিলাকৰ পৰা মোৰ নিজৰ উপকাৰ হ'লেও আনৰবাবে শিকনীয় কিবা আছেনে? যিহওক, তোমাৰ নিৰ্দ্ধাৰিত তাৰিখ (৭ তাৰিখ) উকলি গ'ল। আৰু কিমানদিন সময় দিবা। যিহওক, তোমাৰ পৰা চিঠি পালে ভাল পাম।

আজিলৈ ইমানতে সামৰোঁ

ইতি
শ্ৰীঅমিয়কুমাৰ দাস

ঢেকীয়াজুলী
৫-২-৭০

মৰমৰ হোমেন

তোমাৰ চিঠিখন পালোঁ। তোমাৰ অনুৰোধমতে জীৱন দৰ্শন সম্পৰ্কে লিখিবলৈ ল'লেও শেষ কৰিব পৰা নাই। তোমাৰ নিৰ্দ্ধাৰিত সময়ৰ ভিতৰত দিব পৰাটো টান। যি হওক মই অলপতে গুৱাহাটীলৈ যাব লগা আছে, সেই সময়ত তোমাৰ লগত আলোচনা কৰিম। জীৱন দৰ্শনত "মোৰ" শব্দটো থকা বাবে আত্ম-জীৱনীৰ দৰে হয়। এতিয়া মই আগৰ দৰে লৰাধপৰা কৰিব নোৱাৰোঁ। লৰালৰিকৈ লিখা টান। বাতৰি কাকতৰ সম্পাদক থকা অৱস্থাত নিৰ্দ্ধাৰিত সময়ৰ ভিতৰত কাকত উলিয়াব লাগিব। তাৰ হেঁচা আছিল, সেইমতে কৰিব পাৰিছিলোঁ। তোমালোকৰ মৰমৰ অনুৰোধে এটা হেঁচা দিলেও শৰীৰে নিদিয়া হৈছে। সেইবাবে লাহে লাহে লিখিবলৈ যত্ন কৰিছোঁ। কিন্তু আত্মজীৱনীৰ দৰে হয় বুলি সন্দেহ হৈছে।

মৰম সম্ভাষণ জানিবা

ইতি

**অমিয়কুমাৰ দাস**

মৰমৰ হোমেন,

আগৰ চিঠিখনত ১৯১৯ চনত কলিকতাত ছাত্ৰ হিছাপে মোৰ অভিজ্ঞতাৰ এটা পুৰণি কথা তোমালৈ পাছলৈ লিখিম বুলি জনাই এইখন চিঠি পলম নকৰাকৈ তত্‌তাতৈয়াকৈ লিখিলোঁ। ১৯১৮ চনত কলিকতা এ. এছ. এল. ক্লাবৰ পৰা গুৱাহাটীত বহা অসম ছাত্ৰ সন্মিলনৰ প্ৰথম সন্মিলনৰ প্ৰবন্ধাৱলীখন প্ৰকাশিত হৈছিল। সেইখনত বেজবৰুৱাৰ অভিভাষণ, ও ৺বাণী কাকতি, ৺কামেশ্বৰ দাস প্ৰভৃতিৰ প্ৰবন্ধ প্ৰকাশিত হৈছিল। এইখনত ৺কামেশ্বৰ দাসৰ প্ৰবন্ধটোৰ শিৰোণামা আছিল 'আকাশ-ৰহস্য, (৺কামেশ্বৰ বাবু Astronomy-ৰ ছাত্ৰ আছিল।) এই প্ৰবন্ধটোত 'তাৰা', 'হাথী পটী'কে আদি কৰি কিছুমান শব্দ শুধৰাই 'তৰা', 'হাতীপটী' কৰা হ'ল। শুধৰাইছিল শ্ৰীকৃষ্ণকান্ত সন্দিকৈয়ে। প্ৰকাশকৰ নাম আছিল শ্ৰীলক্ষ্মীনাথ ফুকন। এই লৈ কলিকতাত পঢ়ি থকা অসমীয়া ছাত্ৰসকলৰ মাজত উৰ্জনি নাৰ্মনি লৈ তৰ্ক যুদ্ধ চলি আছিল। প্ৰায় প্ৰতি দেওবাৰেই এইদৰে এ.এছ.এল. ক্লাবৰ সভা বহে। দেৱশ-দুশমান

অসমীয়া ছাত্র সেই সময়ত কলিকতাত আছিল। মই ছিটি কলেজিয়েট স্কুলত শিক্ষকৰ কাম কৰি থকাত 'হল' পোৱাত একো অসুবিধা নাছিল। দুয়ো পক্ষৰ মাজত মনোমালিন্য লাহে লাহে বাঢ়িবলৈ ধৰিলে। অথচ আমি একে লগে থাকোঁ, একে লগে খাওঁ, একেলগে ফুৰোঁ। আনকি ৺ডাক্তৰ ভুবনেশ্বৰ বৰুৱায়ো উত্তৰ গুৱাহাটীৰ বুলি নামনিৰ পক্ষ ল'লে। বেলেগে কামৰূপৰ ছাত্ৰসকলৰ সন্মিলন পতাৰ কথাও হ'বলৈ ধৰিলে। উত্তেজনা এনেদৰে বাঢ়িবলৈ ধৰিলে যে এজন বৰপেটাৰ ছাত্ৰই (তেওঁ স্বৰ্গী হৈছে) "এইবাৰ বৰপেটাত বহা সাহিত্য-সন্মিলনত জুই লগাম" বুলি হুমিয়ালে। এনে এটা পৰিস্থিতিত কেনেকৈ দুয়ো পক্ষক মিলাব পাৰি এয়ে আমাৰ কিছুদিনৰ চিন্তা হৈছিল, আৰু মোৰেই অনুৰোধত অৱশেষত এটা Censure motion মোৰ ওপৰত দিয়াটো স্থিৰ হ'ল। কাৰণ মই সেই সময়ৰ এ. এছ. এল. ক্লাবৰ ছেক্রেটাৰী আছিলোঁ। যদিও ছেক্রেটাৰী আছিলোঁ, মই এই বিষয়ে একো জনা নাছিলোঁ। যিহওক, মোকে Scape goat কৰি এই Motion গ্ৰহণ কৰি দুয়ো পক্ষ লগ হ'ল। ১৯১৯ সনৰ চেপ্তেম্বৰ মাহ। এই Motion হোৱাৰ পাছত আমি একেলগে ওলাই আহি কলেজ স্কোৱাৰত বহিলোঁ। বহাত দেৱেশ্বৰে বন্ধুজনক ক'লে, "আপুনি শ্বাইলকৰ দৰে হৃদপিণ্ডৰ মঙহ লাগে বুলি তাকেই ল'লে।" এইদৰে তিক্ততাৰ মাজতো হাঁহি খেমালীৰে এই মনোভাৱৰ শাম কটাবলগীয়া হৈছিল। ইয়াৰ কিছুদিন পিছত মহাত্মা গান্ধীৰ আহ্বান আহিল। আমি সেই আহ্বানত এই বিলাক পাহৰি দেশৰ মুক্তিত লাগিলোঁ। আৰু বৰপেটাৰ ছাত্ৰ কেইজনমানে নিজৰ নিজৰ ঠাইত কাম নকৰি তেজপুৰলৈ আহি আমাৰ লগত কাম কৰি কাৰাবৰণ কৰিছিল।

আৰু এটা কথা মনলৈ আহিছে। কথাষাৰ হৈছে বুৰঞ্জীৰ অসম আৰু ভৌগোলিক অসম। এই দুয়োটা কথা একে নহয়, ইয়াৰ প্ৰভেদ আমি মনত পেলাবলৈ যত্ন নকৰোঁ। বুৰঞ্জীৰ অসম বৰ্তমানৰ দৰে নাছিল। বৃটিছে ৰাজনৈতিক শক্তিৰে সকলোকে এক কৰিছিল। আৰু—আমিও বৃটিছ আঁতৰি যোৱাৰ পাছত প্ৰায় সেই একে অসমৰ উত্তৰাধিকাৰী হ'লো। বৃটিছৰ ৰাজনৈতিক শক্তিৰ ভেটি আছিল পশুবল, কিন্তু আমি নৈতিক শক্তিৰ বলত বৃটিছক আঁতৰাই ভৌগোলিক অসমখন কেনেকৈ নৈতিক বলেৰে জয় কৰিব পাৰি তাৰ বাবে যত্ন নকৰিলোঁ। সংবিধানেই বোলা, আইনেই বোলা, সকলো নিৰ্ভৰ কৰিব গণতন্ত্ৰত,—গণতান্ত্ৰিক শক্তিৰ ওপৰত। কেৱলমাত্ৰ ভাব প্ৰৱণতাই

একোটা দাবী যুক্তি-যুক্ত হ'লেও বজাবলে যত্ন কৰি অসুবিধাত পৰিব লগীয়া হ'ব পাৰে। তালৈকো মন কৰিব লাগে।

বৰ্তমানে সাহিত্য সভাই আত্ম-নিৰ্ভৰশীল হ'বলৈ এৰি ৰাজনৈতিক শক্তিৰ আশ্ৰয় ল'ব লগীয়া হোৱাটো সাহিত্য সভাৰ বিকাশৰ কাৰণে ভালৰ লক্ষণ নহয়। গোৱালপাৰা জিলাৰ গাঁৱে গাঁৱে কংগ্ৰেছৰ আন্দোলনৰ কামত ফুৰোঁতে কিছুমান ঠাইত অসমীয়াত কথা ক'লে আপত্তি কৰিছিল—। সাহিত্য সভাক মই অসমীয়া ভাষা যাতে প্ৰচাৰ হয় তাৰবাবে যত্ন কৰিবলৈ কৈছিলোঁ। ১৯৩৪ চনৰ পাছত মহাত্মা গান্ধীৰ হৰিজন আন্দোলনৰ সময়ত চাহ বাগিচাৰ পৰা ওলাই অহা বনুৱা আৰু জনজাতীয় লোকসকলৰ মাজত স্কুল পাতিবলৈ আমি দিহা কৰিছিলোঁ —আৰু এই বিলাক স্কুলত অসমীয়া ভাষাৰেই শিক্ষা দিয়া হ'বলৈ ধৰিলে।

এটা সময় আছিল—যি সময়ত ব্ৰিটিছৰ শাসনত থাকি তেওঁলোকৰ অনুগ্ৰহৰ ছত্ৰছায়ত থাকি আমাৰ সাহিত্যিকসকলে সংহতিৰ বাবে প্ৰয়োজনীয় সাৱধানতালৈ যথেষ্ট মন দিয়া নাছিল। সেই বাবে মনৰ গোপন চুকত কিছুমান এন্ধাৰ গোট খাই থাকিল। আৰু তেনে এন্ধাৰেই সময়ে সময়ে জাতীয় জীৱনত ক'লা ডাৱৰৰ সৃষ্টি কৰি থাকে।

তোমাৰ ষ্টাফ ৰিপোৰ্টাৰে লোক পিয়া লব কথাও উল্লেখ কৰিছে। এই লোক পিয়লত অসমীয়া ভাষা-ভাষীৰ সংখ্যা কমিব বুলি আশঙ্কা কৰিছে। আশংকাৰ কথা। এটা সময় আছিল—যি সময়ত বাহিৰৰ পৰা অহা পমুৱা সকলে অসমীয়া ভাষা স্কুলত লোৱা বাবে আমি আনন্দিত হৈছিলোঁ। আমাৰ দেশৰ ৰেভিনিউ বিভাগৰ কৰ্মী সকলে তৃতীয় দশকত কিদৰে তেওঁলোকৰ পৰা টকা খাই মাটি দি নিজক চহকী কৰিছিল তাঁক মনত ৰাখিব লাগে আৰু এতিয়াও তাকে কৰিব ধৰিছে। এতিয়া চকুৰ আগত দেখি আছো কিমান অসমীয়া মানুহে নিজৰ মাটি-সম্পত্তি, ধনৰ লোভত বাহিৰৰ পৰা অহা লোকক বেচি দি আছে। ই অসমীয়াৰ ভৌগোলিক অসম ৰক্ষা কৰিবলৈ হ'লে দেশৰ সকলোৱে যত্ন কৰিব লাগিব। কেৱল মন্ত্ৰী কেইজনৰ ওপৰত এৰি দিলে নহ'ব। মনত ৰাখিব লাগিব যে ইংৰাজে ৰাজনৈতিক শক্তিৰেহে এইখন দেশ ৰাখিছিল; ইংৰাজৰ ৰাজনৈতিক শক্তিৰ আঁৰত পশুবল আছিল। আমি গণতান্ত্ৰিক শাসনৰ ব্যৱস্থা কৰি পশুবলৰ আশ্ৰয় ল'ব নোৱাৰোঁ। এই ৰাজনৈতিক শক্তিৰ ভেটি হ'ব লাগিব নৈতিক শক্তি। এইবাবে অসমীয়াভাষী লোকসকলৰ ওপৰতেই দায়িত্ব সৰহ। গণতান্ত্ৰিক চৰকাৰ গণতন্ত্ৰৰ নীতিমতেই পৰিচালিত হ'ব লাগিব।

এটা 'নেশ্যন'ৰ ভাৰ-প্ৰৱণতাৰ প্ৰয়োজন আছে, কিন্তু ভাৰ প্ৰৱণতাই সকলো সময়তে প্ৰকৃত বাট দেখুৱাব নোৱাৰে। চমুকৈ লিখিম বুলি দীঘলীয়া হ'ল।

যিয়েই হওঁক সাহিত্য সভা আত্ম-নিৰ্ভৰশীল কেনেকৈ হ'ব পাৰে তাৰবাবে সকলোৱে যত্ন কৰিব লাগিব। গভৰ্ণমেণ্টৰ অনুগ্ৰহৰ ওপৰত নিৰ্ভৰশীল হোৱাটো ভাল হোৱা নাই। তোমালৈ মোৰ মনলৈ অহা কিছুমান কথা জনালোঁ। বাৰ্তাৰ কাকতৰ দায়িত্ব লৈ দেশবাসীক বাটৰ সন্ধান দিব লাগিব। সেইবাবে মোৰ মনৰ কথা তোমাক জনালোঁ।

মৰম সম্ভাষণ জানিবা।

চেকীয়াজুলী                                    ইতি
৭-২-৬৯                                    শ্ৰীঅমিয়কুমাৰ দাস

শিলচর—২০-১০-৬৯ ইং
৺ বিজয়া ১৩৭ বাং
১৮৯১ শক্। সোমবাৰ

প্ৰিয় হোমেনদা,

শাৰদীয়া বিজয়া উপলক্ষে আপনাকে আমার আন্তৰিক অভিনন্দন ও সাদৰ শুভেচ্ছা, প্ৰীতি সম্ভাষণ জানাচ্ছি। আপনাৰ সাংবাদিকতাৰ মহান ও নিৰ্ভিক ব্ৰত সফল ও সাৰ্থক হউক, সুস্থ শরীরে দীৰ্ঘকাল ধৰে আপনি হতদরিদ্র জনতার কল্যাণ সেবায় ৰত থাকুন এই কামনাই কৰি। আপনি আমাদের দেশেৰ গৌৰব॥

প্ৰাক পুজা সংখ্যাৰ সাপ্তাহিক নীলাচলেৰ পনেৰো অক্টোবৰেৰ সংখ্যার প্ৰধান সম্পাদকীয় "দেশের অবস্থা" আৰও একটি HIT EDITORIAL রূপে চিহ্নিত হবে থাকবে। আমি কয়েকটি অসমীয়া শব্দে হোঁচট্ খেযেও বার বার লেখাটি পড়েছি অন্ততঃ দুই দশেক বন্ধু ও ৰাজনৈতিক পৰ্য্যবেক্ষকদেৰ পড়িয়ে শুনিয়েছি—সকলেই একবাক্যে আপনার লেখনীকে অকুণ্ঠ ধন্যবাদ দিয়েছেন। সৰ্বশেষে স্থানীয় দৈনিক পত্ৰিকায় 'প্ৰান্তজ্যোতিতে' এই প্ৰবন্ধের বাংলা অনুবাদ লিখে আপনাৰ পত্ৰিকাৰ যোগ্য স্বীকৃতি দিয়ে প্ৰকাশ কৰতে দিয়েছি। আপনাকে এক কপি অবশ্যই পাঠাবো।

এই প্ৰবন্ধে দেশের বিভ্ৰান্ত লোকের মনের কথাই ব্যক্ত হয়েছে। কংগ্ৰেছ তার অতীত পাপের প্ৰায়শ্চিত্ত করছে তার আগের ভাবমূৰ্ত্তি আর ফিরে পাবেনা।

আর বামমার্গী দলের লোকেদের কথা কী আর বলি? সবই একই নৌকার যাত্রী-প্রকোষ্ঠ আলাদা মাত্র! গত ২২ বছরের শাসনে যে কার্য্যটি মহান্ কংগ্রেস নিষ্ঠার সঙ্গে পালন করেছেন তা হচ্ছে দেশের লোককে জাতীয় শিক্ষার নিৰ্ম্মল আলোক থেকে চতুরভাবে সরিয়ে অন্ধকারে রাখা আর দ্বিতীয় কার্য্যটি করেছেন জাতীয় চরিত্র হনন, নৈতিক অধঃপতন, ব্যাভিচার, অনাচার, চুরি, ঘুষ, বেপরোয়া দুর্নীতি, ভেজাল, খাদ্যশস্যের বাজার নিয়ে ফাটকা, সাধারণ লোকের পরনের কাপড়, মুখের অন্ন, গৃহের আচ্ছাদন, প্রভৃতি নিয়ে কালোবাজারী। "কালোবাজার" আজ একটা সৰ্ব্বজনজ্ঞাত প্রকাশ্য বাজারের মর্য্যাদায় উঠে গেছে! কাজেই ২২ বছরে আমারা হাড়ে হাড়ে, অস্থিমজ্জায় বজ্জাত ও ধাড়িবাজ, নীচ স্বার্থপর সীমাহীন লোভী ও শিরায় শিরায় দুর্নীতিগ্রস্ত হয়ে পড়েছি। কাদের নিয়ে হোমেনদা—আপনি চলবেন, চালাবেন, চিন্তা করবেন? মাথার কেশাগ্র থেকে, ভরির নখাগ্র পর্য্যন্ত আমরা যে অসদাচরণ ও দুর্নীতির মহা ক্লেদাক্ত পঙ্কে নিমজ্জিত !! এই "সংবিধানের" আওতায় দরিদ্র, মেহনতী জনতা, শ্রমদক্ষ বেকার লোকদের, অবিচার, অনাচার ব্যাভিচার পিষ্ট সমাজের পেছনে পড়ে মার খাওয়া শ্রেণীর কোন সহজ ও সুলভ সুবিচারের আশা নেই। ধনিকেরা তাদের চোরাই অর্থের শক্তিতে আইনের বিচারকে করেছে কব্জাগ্রস্ত। সমাজে ও রাষ্ট্রীয় ব্যবস্থা ও শাসনের মধ্যে কতো লক্ষ লক্ষ অবিচার অন্যায়, মূর্খ ও দারিদ্রের চেপে পিছে মারছে - প্রতিকারের পয়সা ওদের নেই—যাদের পয়সা আছে আইন তাদের সাহায্যে সহস্রবাহু! সুতরাং এই উকিল, ব্যারিস্টারদের মোওকা ভিত্তিক সংবিধানকে চূর্ণ করতে হবে। আর আমার মনে হয় ২২ বছর তো দেখলাম—দেশের লোকের হাড়মাস সববে একাকার। গণতান্ত্রিক ব্যাভিচারী বিকার-নৃত্যও চরমে উঠেছে—আর নয়—আর চাইনে—এবার আসুক কঠোর নিৰ্ম্মম ন্যায়ের দণ্ড রুদ্রমূর্ত্তি নিয়ে—যার শাসন ও অন্যায় অবিচারের কঠোর শাস্তির দাপটে আমরা Line up হয়ে যাব। এই গণতান্ত্রিক বিকার বন্ধ হউক, স্তব্ধ হউক। বাইশ বছরের অনাচার, অন্যায়, দুর্নীতি ও মহতী জাতীয় স্বার্থ বিরোধী পাপের জাতীয় প্রায়শ্চিত্ত করে শুদ্ধ করার পথ নিই! কী বলেন হোমেনদা—খুব একটা অন্যায় বা খারাপ বলে গেছিনা তো? অকপটে লিখুন! পুনরায় বিজয়ান্তিক শুভেচ্ছান্তে—

বিনয় চৌধুরী
শিলচর—১

পোঃ বিহলাঙণি

নগাওঁ

১০. ৫. ৬৯

প্ৰিয়বৰেষু,

আজি বহুদিনৰ মূৰত আপোনালৈ চিঠিখন লিখিবলৈ বহিছোঁ। লিখা উচিত আছিল কৌতিয়াবাই; কিন্তু পৰা নাই—সুদীৰ্ঘ ব্যস্ততা—পৰীক্ষাৰ কাষত। ১০ মাৰ্চতে পৰীক্ষাৰ কাম আৰম্ভ হৈছে—শেষ হ'ব ১৩ মে'তহে। ৰাতিপুৱা ৭-১৫ ত লৰালৰিকৈ ভাত কেইটামান খাই ওলাই যাওঁ—H. S. L. C. পৰীক্ষাৰ সময়ত ঘৰ সোমাওঁহি ৯ বজাত, আৰু P. U. আৰু Degree পৰীক্ষাৰ সময়ত ৬ বজাত। তাৰ পিছত অৱসাদ। দৈনিক কাগজ কিখন পঢ়াৰ বাহিৰে আৰু কোনো কাম কৰাৰ বাবে আগ্ৰহ নাথাকে।

যি হওক 'নীলাচল' কৌতিয়াবাই পালোঁ। কেইটামান গল্প-প্ৰবন্ধ পঢ়িলোঁ। মোৰ চিঠিখনৰ ওপৰত ব্যক্তিগত বুলি লিখি দিয়া হ'লে ভাল হ'লহেঁতেন নেকি? তাত কেবাটাও ভুল আছে যেন পাওঁ। একেবাৰতে কি লেখি গৈছিলোঁ মনত নাই; বিশেষকৈ ৮৩ পৃষ্ঠাত দ্বিতীয় স্তম্ভত 'আগ্ৰহহীন' শব্দটো 'আগ্ৰহশীল' হে আছিল নেকি চাবচোন। কেবাজনো লোকে চিঠিখনৰ ভূয়সী প্ৰশংসা কৰি মোলৈ লিখিছে—বহুতে কৈছে—বহুতৰ মতে চিঠিখন সাপ্তাহিক নীলাচলত হে ওলাব লাগিছিল।

এইবাৰ ছমহীয়া 'নীলাচলত' ছপা ভুলৰ প্ৰাচুৰ্য্যই মোক স্তম্ভিত কৰিছে। ভাবিছোঁ-'নীলাচল'ৰ মানদণ্ড নামি গৈছে—অন্ততঃ এই ক্ষেত্ৰত। এখন ইংৰাজী আলোচনী ইমান ভুলেৰে ওলাওকচোন! নিৰোদ চৌধুৰীৰ "ত্ৰিভুজ" শব্দটো চৰকাৰে ভুলকৈ লিখি 'পস্তাৰ' মাৰিব পাৰে, কিন্তু সাহিত্য আলোচনী এখনৰ শিৰোনামাত সি অক্ষমনীয়। আমি ছমহীয়া আলোচনী এখনো নিৰ্ভুলকৈ উলিয়াব নোৱাৰোঁ; তেন্তে আমাৰ যোগ্যতা কিমান?

আৰু এটা কথা মনত লাগিছে। 'নীলাচল' (ছমহীয়া) মই বিশেষকৈ পঢ়োঁ প্ৰবন্ধবোৰৰ কাৰণে। এইবাৰ যেন 'নীলাচলে' ঐতিহ্য ৰাখিব পৰা নাই। নৱ বৰুৱাৰ লগত সাক্ষাৎকাৰ, ত্ৰৈলোক্য গোস্বামীৰ প্ৰবন্ধ, আৰু অমিয় দাসৰ প্ৰবন্ধ পঢ়ি ভাল লাগিল। তথাপিও কিবা যেন নাই নাই। আজিকালি চিন্তা-গধুৰ প্ৰবন্ধ লিখা মানুহ নোহোৱা হ'ল—কাৰণ চিন্তাই নোহোৱা হ'ল। একোটা ভাল প্ৰবন্ধ বহুতো পৰিশ্ৰমসাধ্য। আমাৰ অৱসৰ ক'ত?

আপুনি 'নীলাচল'ত উদ্যোগ সম্বন্ধে ধাৰাবাহিকভাৱে লিখি ভাল কৰিছে। কিন্তু মোৰ মনত কথা এটা লাগি আছে। কথাটো অইনে জানিলে হয়তো মোক টগুনিয়াব; কিন্তু আপুনি চিন্তা কৰি চাব। আমি অসমীয়া মানুহক চাকৰি-বাকৰি দিয়াৰ কথা কওঁ। কিন্তু আমাৰ কিমান মানুহ যোগ্য হৈ ওলাইছে? সৰু কথা এটা কওঁ। এবাৰ মোৰ তালৈ মানুহ এজন আহিল I. T. I ৰ Carpentry-ৰ Diploma পাচ। তেওঁক চাকৰি এটা লাগে—Craft teacher। এহেজাৰ টকা ধাৰ বিচাৰি বোলে চৰকাৰৰ পৰা পোৱা নাই। বহুদিন ঘূৰিলে। মই তেওঁক মোৰ ঘৰৰ আগফালে থকা চালি এখনতে কাঠমিস্ত্ৰীৰ কাম আৰম্ভ কৰিবলৈ ক'লোঁ। তেওঁৰ যন্ত্ৰ-পাতি নাই। তাৰ বাবে দেৰশমান টকা লাগিব। মই কোনোবা দোকানৰ পৰা ধাৰ কৰি দিম বুলি ক'লোঁ। তেওঁ কাম কৰি ফানি'চাৰ বেচি দাম দিব। বহু কেৰো মেঁহোৰ মূৰত ৪ দিনমানৰ মূৰত আহিম বুলি ক'লে। আজি ৮ বছৰে আৰু মানুহজনৰ দেখা নাই।

মোৰ প্ৰেছ আছিল। মই নিজে কাম কৰোঁ—আৰু ৪/৫ জন মান অসমীয়া ল'ৰাক শিকাই লৈছিলোঁ। শিলচৰৰ বঙালী ল'ৰা এজনে চাকৰি বিচাৰি আহিলত ৰাখি থলোঁ। এই ল'ৰাজন ১০ বজাত আহে আৰু ৪ই বজাত ছুটিৰ সময়ত হাতত থকা কামখিনি শেষ নোহোৱাকৈ নাযায়। এদিনত ৪ জন ল'ৰাই যিমান কাম কৰে, তেওঁ এদিনতে নিয়াৰিকৈ সিমানখিনি কৰে। তেতিয়া বিহলঙনি ৮ পৃষ্ঠাৰ, তেওঁ ৪ পৃষ্ঠাৰ কাম অকলে কৰে, বাকী ৪ পৃষ্ঠাতকৈ আধা সময়ত। কিন্তু অসমীয়া ল'ৰাকেইজনৰ ঈৰ্ষা হ'ল—৩ মাহ মানৰ মূৰত বাকী কেইজনৰ চক্ৰান্তত তেওঁ কাম এৰি যাব লগা হ'ল।

'বিহলঙনি'ৰ প্ৰায় ১৩০ জন এজেণ্ট আছিল। তাৰে মাত্ৰ ৪ জন মান বঙালী। অসমীয়া এজেণ্টৰ ভিতৰত নাহৰকটীয়াৰ সৰ্বানন্দ কাকতি বুলি এজন মানুহে মাত্ৰ নিয়মিত ভাবে পইছা দিছিল। আৰু বঙালী চাৰিওজনে নিয়মিতভাবে পইছা দিছিল। মোৰ দহহেজাৰ টকা এজেণ্টৰ তাত মৰা পৰিল (৩০%—৪০% কমিছন বাদে)—এই সৰহভাগ এজেণ্টেই অসমীয়া আৰু নামজলা লোক।

আমি মাৰোৱাৰী বা বাহিৰৰ শিল্পপতি আদিক দায় দিওঁ অসমীয়া মানুহ নোলোৱাৰ কাৰণে। আমাৰ ইয়াত কেবাটাও অসমীয়া মানুহৰ Saw-mill আছে—তাত শতকৰা ৮০ ভাগ কিয়, ৯৫ ভাগ অনা-অসমীয়া মানুহ।

মালিকৰ মতে অসমীয়া মানুহ কামত এলেহুৱা, সময়ৰ জ্ঞান নাই, তেন্তে বোধহয়। মানুহে কাৰবাৰ কৰে লাভৰ বাবে; যদি অসমীয়া মানুহ ৰাখিলে লাভজনক নহয়, কিয় ৰাখিব? শ্ৰীগুৰু প্ৰেছত বাৰু সকলো মানুহেই অসমীয়ানে? গুৱাহাটীত অসমীয়া মানুহৰ প্ৰেছ আৰু অন্যান্য ব্যৱসায় আছে। আপুনি এটা সমীক্ষা কৰাওকচোন তাত অসমীয়া মানুহ কিমান আছে।

মই সকলো অসমীয়া মানুহক দায় দিয়া নাই। কিন্তু এইটো ঠিক যে আমাৰ লগা জোখাই কৰ্ম্মকুশলতা আৰু দায়িত্বজ্ঞান কিমান হোৱাগৈ নাই; বোধ হয় এতিয়াও ঠিকাত পৰাগৈ নাই কাৰণে। আমি বাজহুৱা খণ্ডত অসমীয়া মানুহক চাকৰি দিব লাগে বুলি যেনেকৈ কওঁ, তেনেকৈ গাঁৱে গাঁৱে VI, VII আদিলৈ "পঢ়া আণ্ডাৰ মেট্ৰিক পাছ" অৰ্দ্ধ শিক্ষিত সকলৰ কাৰণে বহুমুখী শিক্ষানুষ্ঠানৰ ব্যৱস্থা কৰি শিক্ষা দিয়া উচিত। মোৰ বোধেৰে গাঁৱে গাঁৱে আৰ্টস্ কলেজ পতাৰ যি বায়ু উঠিছে তাক বোধ কৰি এনে অনুষ্ঠানৰ বাবে যত্ন কৰাতহে অধিক গুৰুত্ব দিয়া উচিত।

আপোনাক আৰু এটা কৈ থওঁ। ধৰক আমি যেতিয়া ৰাতিৰ চকীদাৰ বা মালী বিচাৰোঁ আমি সাধাৰণতে বিহাৰী বা নেপালী বিচাৰোঁ। কিয়? পোন-ছাটেই অসমীয়া মানুহ ল'বলৈ টান পাওঁ। ইয়াৰ ঠাইত আমি যেতিয়া অসমীয়া মানুহ ল'বলৈ ভাল পোৱা হ'ম—তেতিয়াহে আমাৰ স্থান ওপৰত হ'ব।

অলপতে গুৱাহাটীলৈ গৈছিলোঁ (২৩ তাৰিখে) আপোনাৰ তাত সোমাওঁ বুলিও সময় কৰিব নোৱাৰিলোঁ। গুৱাহাটীতে এজনে ক'লে, "নীলাচলে বিদেশী উদ্যোগপতিয়ে কলিকতাত কেচা মাল বেচাৰ কথা লিখিছে হয়, কিন্তু অসমীয়া উদ্যোগপতিয়েও তো বাণ্টি কৰা টিন বেচি থৈ আহিছে। তাৰ কথা নিলিখে কিয়?" মই বিস্তৃত বিৱৰণ ল'ব নোৱাৰিলোঁ। আপুনি কথাটোৰ অলপ সন্ধান ল'বচোন। অৱশ্যে এইটো ঠিক যে পুঁজিপতি পুঁজিপতিয়েই; সিহঁতৰ জাত নাই।

মোৰ জীৱনৰ অতি অন্তৰঙ্গ দুজন বন্ধু হেৰুৱাই মই এতিয়া একেবাৰে নিঃসঙ্গ হৈ পৰিছোঁ। ভবানন্দ ঢুকাল; আৰু এতিয়া ঢুকালে চন্দ্ৰেশ্বৰ ভট্টাচাৰ্য্য। স্কুলৰ কালৰে বন্ধু, ঠিক বন্ধু বুলিলেই যেন সম্বন্ধটো সম্পূৰ্ণ প্ৰকাশ নাপায়। 'ভট্ট'ৰ লগত ১৯০৪ চনৰে পৰা একেলগে পঢ়িছোঁ, একেলগে বহুদিন আছোঁ; ভবানন্দৰ লগত '০৬ চনৰে পৰা একেলগে পঢ়িছোঁ আছোঁ। আমি বহুদিনৰ পৰা দূৰে দূৰে—কিন্তু আমাৰ মন অতি ওচৰত। ভবানন্দ

আছিল almost radicalist, ভট্ট মধ্যমপন্থী socialist আৰু মই অলপ conservative। কিন্তু আমাৰ মনৰ এক অনিৰ্বচনীয় ঐক্যসূত্ৰ আছিল আৰু আজি সেই দুয়োজনক এজন এজনকৈ হেৰুৱাই মই সম্পূৰ্ণ নিঃসঙ্গতা অনুভৱ কৰিছোঁ। ভট্টৰ সান্নিধ্যত নহা মানুহে ভট্টৰ মহত্ত্ব বুজিব নোৱাৰে। ভট্ট প্ৰগতিশীল অসমীয়া সাহিত্যৰ ধ্বজাবাহক। ভট্ট ঢুকুৱা খবৰটো 'অসম বাতৰি'ত পঢ়াৰ পৰা মোৰ মন অতিশয় বিষাদভৰাই হৈ পৰিছে। ভট্টই এটা সম্পূৰ্ণ জীৱন নাপালে। ভবানন্দইও নাপালে।

এটা কথা বৰ আচৰিত লাগিল যে "নীলচলে" ভট্টৰ মৃত্যুৰ বাতৰি পৰ্য্যন্ত পৰিবেশন নকৰিলে। এজন সাহিত্যিক সাংবাদিকৰ মৃত্যুত যদি সাংবাদিকেই খবৰ নললে ল'ব কোনে? কমলাকান্তৰ ভাষাত কৈ উঠিবৰ মন যায়, 'ঠিক অসমীয়া মানুহ নহয়।' য'ত এজনৰ দেশপ্ৰেম আৰু আন এজনৰ দেশপ্ৰেমৰ তুলনা কৰি মহত্ত্ব প্ৰকাশ কৰাৰ চেষ্টা কৰা হয়, তাত যে মানুহ ক্ষুদ্ৰ গণ্ডীৰ উৰ্দ্ধত উঠিবলৈ বহুত বাকী সেই কথা ভাবি নিজে নিজে স্তম্ভিত হওঁ।

আজি পৰীক্ষা নাই। অলপ আজৰি পাই 'নীলাচল' (বিহু) খনকে অলপ পঢ়ি পাতে পাতে পোৱা বানান ভুলবোৰে আপোনালৈ চিঠিখন লিখিবলৈ সকীয়াই দিলে। লিখিলোঁ—পিছে আজি আৰু ডাকত নাযায়। সোমবাৰে যাব।

আপুনিতো নগাঁৱলৈ অহাৰ কথা আছিল—নাহিল দেখোন। আহিলে সোমাব নিশ্চয়।

আজিলৈ আহোঁ দেই। খাবাং খাচকৈ কথাবোৰ লিখাত বেয়া নাপাব আৰু।

প্ৰীতিৰে

আপোনাৰ

মহেশ গোস্বামী

শ্ৰীশ্ৰী গোবিন্দ ঃ

নং ৭৪০

আশীৰ্বাদ

শ্ৰীযুত হোমেন বৰগোহাঞি,

সম্পাদকৰ সমীপেষু

আপোনাৰ দ্বিতীয়খন চিঠিও যথা সময়ত পোৱা হৈছে। আপুনি নিৰ্বাচন কৰি দিয়া মনোগ্ৰাহী শিৰোনামাৰ বিষয়টো আমাৰ বাবে জটিল যেন হৈ পৰিছে

— তেনে অভ্যাস নথকা হেতু। তথাপি আপোনাৰ ইচ্ছা পূৰণৰ চেষ্টা কৰি চোৱা হ'ব। কিন্তু বৰ্তমান আমি বাইজৰ আমন্ত্ৰণ ক্ৰমে বিভিন্ন ঠাইলৈ যাব লগা হোৱাত কেতিয়ামানে বিষয়বস্তু আপোনালৈ পঠাব পৰা হ'ব জনাব পৰা হোৱা নাই। সম্ভৱ হলেই জনোৱা হ'ব।

ইতি ১২/১০/৯১

সত্যাধিকাৰ

আউনিআটি সত্ৰ

১১ই মে, ১৯৬৯

রবিবার

প্রিয়বরেষু

আপনার সম্পাদিত 'নীলাচল' পত্রিকার বিহু সংখ্যায় আমাৰ 'অভীক চৈতন্য' শীর্ষক কবিতাটির শ্রীমতী সুজাতা প্রিয়ংবদাকৃত অসমীয়া অনুবাদটি প্রকাশিত হয়েছে দেখে আমি আনন্দিত। আপনার প্রেরিত একখণ্ড 'নীলাচল' যথাসময়ে পেয়েছি। কৃতজ্ঞতার সঙ্গে প্রাপ্তিসংবাদ জানাচ্ছি। আমার দুর্ভাগ্য যে আমি বাংলা, সংস্কৃত ও ইংরাজী ছাড়া অন্য কোনো ভাষা জানিনা। যার ফলে আপনার সুসম্পাদিত সুরুচি শোভন 'নীলাচল' আমার কাছে নীলাচলের মতোই রহস্যময় হয়ে রইলো। যাই হোক অসমীয়া ভাষা বুঝতে পারি বা না পারি, "অভীক চৈতন্যে"র অসমীয়া রূপান্তরের যদি একটি file copy অনুগ্রহপূর্বক পাঠিয়ে দেন তা হ'লে অনুগৃহীত হবো।

একটি শুভ সংবাদ আপনাকে আনন্দের সঙ্গে জানাচ্ছি। আমার সম্পাদিত ত্রৈমাসিক সাহিত্য পত্রিকা 'এষা'র বৈশাখ সংখ্যায় আপনার 'একজন নারী' শীর্ষক একটি অতি সুন্দৰ প্রগতিশীল কবিতা প্রকাশ করছি। 'এষা' বেরুলেই আপনার নামে যথাসময়ে পাঠানো হ'বে। আপনার কবিতাটি বাংলায় অনুবাদ করে পাঠিয়েছেন কল্যাণীয়া সুজাতা প্রিয়ংবদা। এই বিদুষী অনুবাদিকার কল্যাণে আপনার সঙ্গে আমার মৈত্রী বিনিময়ের সুযোগ হ'লো। এর জন্যে সুজাতার কাছে আমি ঋণী। সুজাতা আমাকে পিতার মতো সম্মান করে।

আমি ইনভ্যালিড মানুষ। দুবার থ্রম্বোসিসে আক্রান্ত হয়ে এই ষাট বছর বয়সেই যেন আশী বছরে পৌঁছে গেছি। সেজন্যে কোথাও বেরুতে পারিনা। ঘরে বসে 'এষা' সম্পাদনা করি। শ্রীমান শক্তিপদ দাসগুপ্ত (ডাক নাম কেনু)

আমাৰ কাছে মাঝে মাঝে আসে। ওর বাড়ি ছিল সিলেটে। আপনার ভায়ের সহপাঠী। ওর মুখে শুনলুম আপনি খুব ভালো বাংলা জানেন। তাই আপনাকে বাংলায় চিঠি লিখলুম।

উত্তৰ পেলে অত্যন্ত আনন্দিত হ'বো। আপনি আমার অন্তহীন ভালবাসা ও শ্রদ্ধা নিন।

ইতি

ভবদীয়

শ্রীযুক্ত হোমেন বৰগোহাঞি কে

বিমল চন্দ্র ঘোষ

শ্রীমোহন চন্দ্র মহন্ত বি এল্

অধিবক্তা

যোৰহাট

তাং ১১/১২/৬৯

প্রিয় গোহাঁইদেউ,

আপুনি সাপ্তাহিক "নীলাচল"ৰ যোগেদি অসমৰ সংবাদ সাহিত্যত যুগান্তৰ আনিবনে? কৃতকার্য্যতাৰে যত্নপৰ হোৱা দেখি নথৈ সন্তোষ পাইছোঁ আৰু আন্তৰিক সম্বৰ্দ্ধনা জনাইছোঁ। কংগ্ৰেছৰ নৱজীৱনৰ সময়ত আপুনি যথাযোগ্য নেতৃত্ব দিয়া দেখি বৰ ভাল পাইছোঁ। ন্যস্তস্বাৰ্থ অন্যান্য কাকতে নিজৰ স্বৰূপ গোপন কৰি "ছিণ্ডিকেট"ৰ সমৰ্থক হৈ উঠাটোত একো নতুন বৈশিষ্ট্য দেখা নাই, গুণগ্ৰাহী নিৰপেক্ষ ৰাইজে তেওঁলোকৰ স্বৰূপ বুজি পাইছে আৰু পাব। অসমৰ চাহবাগানবিলাক কোন শ্ৰেণীৰ হাতলৈ সদ্যহতে যাবলৈ ধৰিছে আৰু কোনজনে তেওঁলোকৰ স্বাৰ্থ পূৰণ কৰিব পাৰিব, সেই কথা চাহ-বাগানৰ স্বাৰ্থৰক্ষাৰ নিমিত্তেই অৱতীৰ্ণ হোৱা কাকতবিলাকে বেছকৈ বুজিছে ; গতিকে সেই শ্ৰেণীৰ কাকতৰ পৰা অসমৰ জনসাধাৰণৰ স্বাৰ্থৰক্ষা হোৱাৰ সম্ভাৱনা নাই। এনে অৱস্থাত আপোনাৰ 'নীলাচল'লৈ সকলোৰে দৃষ্টি আকৰ্ষণ হৈছে আৰু সকলোৱেই আশাধাৰী হৈ সতৃষ্ণনয়নে চাই আছে। আশাধাৰীক নিৰাশ নকৰিব — জনসাধাৰণক বিশুদ্ধ নেতৃত্ব দিয়ক।

মহাত্মা গান্ধীৰ জন্মদিনত জন্মগ্ৰহণ কৰা আপোনাৰ কাকতখনিয়ে এইজন যুগাৱতাৰৰ পদানুসৰণ কৰি "সাপ্তাহিক সাংবাদিকতাত" বেছি আস্থাভাজন হোৱাটো উচিত হৈছে। মই আওহতীয়া অঞ্চলতো—য'ত দৈনিকে প্ৰৱেশ কৰিব নোৱাৰে - আপোনাৰ কাকতখনৰ প্ৰৱেশ আৰু আদৰ দেখিছোঁ। মোৰ মাজুপুত্ৰ শ্ৰীমান ত্ৰিগুণ মহন্তই সিদিনা এজাপ "নীলাচল" কিনি তেওঁৰ বন্ধু-বান্ধৱক বিলাই দিয়া দেখি সন্তোষ পাইছোঁ। ডেকাসকলে আপোনাৰ কাকত-

খনক "মোৰ" বোলা যেন লাগিছে। মনত পৰা দিনৰ পৰা সাংবাদিক হৈ থাকি, মই এতিয়ালৈকে অন্যান্য যি কেইখন কাকতত লেখি থকাৰ অভ্যাস কৰিছিলোঁ সেই সকলোৰে প্ৰতি নিৰাশ হৈছোঁ—সেইবিলাক ছিণ্ডিকেট বাদী হৈ যোৱাৰ বাবে। আপোনাৰ কাকততে মাজে মাজে যি পাবোঁ লেখিম। বুঢ়া (৬৬) বছৰীয়া আৰু বেমাৰী গাৰে দিন হাজিৰা অৰ্থাৎ ওকালতি কৰি পেট প্ৰৱৰ্তাব লগীয়া হোৱাত আজৰি নোহোৱা হৈছে। আপুনি হাকিমী পদবী এৰি সাংবাদিক হোৱাৰ দৰে মোৰো তেনে লিখক হ'বলৈকে ভাটী বয়সত মন গৈছে পিছে মনে প্ৰাণে মিলা কাকত আৰু নিজৰ স্বাধীনতা ৰক্ষা কৰাকৈ সুবিধা মিলা নাই। আকৌ আপোনাক শলাগ আৰু সম্বৰ্দ্ধনা। আজিলৈ সামৰিছোঁ।

ইতি

আপোনাৰ শুভাকাঙ্ক্ষী

**শ্ৰীমোহনচন্দ্ৰ মহন্ত**

প্ৰিয়বৰেষু

বৰগোহাঞি

আপোনাৰ ২৯ তাৰিখৰ চিঠিখন পালোঁ। ধন্যবাদ। শ্ৰীযুত দে ডাঙৰীয়াই মোক দেখা কৰিছে। বান বিধ্বস্ত আৰু প্ৰপীড়িত মিৰ্জা কেম্পত থকা লোকসকলৰ ভিতৰত কেবাজনৰো যক্ষ্মা ৰোগত আক্ৰান্ত হোৱাত—সেই সকলক আমাৰ হস্পিতালত ভৰ্তি কৰি চিকিৎসা কৰিব লগা হোৱাত বৰ্তমান হস্পিতালত শয্যাৰ বৰ অভাৱ থকা সত্ত্বেও আজি মই শ্ৰীদেৰ ল'ৰাজনৰ বয়স কম কাৰণে Paying bed এখনত ভৰ্তিৰ বন্দবস্ত কৰি আহিছিলো।

আপোনাৰ চিঠি পাই মই অগ্ৰিম টকা আধা দিবলৈ হুকুম কৰিছো আৰু যিমান শীঘ্ৰে পাবো শ্ৰীদেৰ ল'ৰাজনৰ বিনামূল্যে চিকিৎসাৰ ব্যৱস্থা কৰিম বুলি আশা দিছো। শ্ৰীদে এই কথাত মান্তি হৈছে—আৰু মোক বিশ্বাস কৰিছে বুলি ভাবিছোঁ।

প্ৰীতি আৰু শুভেচ্ছাৰে।

ইতি

আপোনাৰ

**গিৰিণ চৌধুৰী**

২৯'৭'৬৯

GAUHATI—7
Phone : 3668
Date : 11/8/70

প্ৰিয় শ্ৰীযুত বৰগোহাঞি,

কালি গধূলি আপোনাৰ চিঠিখন পালোঁ। আজিয়েই মই গুৱাহাটীৰ বাহিৰলৈ যাব লাগিব। কেতিয়ালৈ উভটিম ঠিক নাই। আপুনি বিচৰা বিষয়টোৰ ওপৰত মোৰ বক্তব্যও বাইজক জনোৱা প্ৰয়োজন। গতিকে ভাবি-চিন্তি সুচিন্তিত কিবা এটা লিখাৰ প্ৰয়াস নকৰি কলমৰ মুখত যি আহে লিখি পেলালোঁ। আপোনাৰ প্ৰশ্নাৱলীৰ গণ্ডিৰ ভিতৰত থাকিব পৰা হ'ব। মঠাউৰিৰ নিৰ্মান কাৰ্য্যৰ খৰছ, অধিগ্ৰহণ কৰা মাটিৰ মূল্য আদি বিষয় চুবই নোৱাৰিলোঁ। "অধিগ্ৰহণৰ" কেনেকৈ কৰাৰ বিষয়ে ভৱিষ্যতে কিবাকিবি লিখিবলৈ আশা ৰাখিলোঁ। যিখিনি লিখা হ'ল, সেই খিনিয়ে যদি আপোনাৰ অধ্যয়ন আৰু বিশ্লেষণত কিবা সহায় কৰে সেয়েই মোৰ কাৰণে পৰম সন্তোষৰ কথা হ'ব।

ইতি—
আপোনাৰ
শ্ৰীগৌৰীশংকৰ ভট্টাচাৰ্য্য

Shri M.M. Choudhury, B L.
Minister.
Revenue, Forests, Flood control etc.
Assam, Shillong

Shillong :
Dated. 5. 11. 1970

শ্ৰদ্ধেয় বৰগোহাঞি ডাঙৰীয়া,

আপোনাৰ ৪ নৱেম্বৰ তাৰিখৰ মোলৈ লিখা মৰম আৰু শুভেচ্ছা সূচক চিঠি খনিৰ বাবে আপোনাক ধন্যবাদ জনাইছোঁ।

আপোনাৰ লগত দেখা কৰিবলৈ পোৱা মোৰ পক্ষে সৌভাগ্যৰ কথা। মই ১৬ নৱেম্বৰ তাৰিখে গুৱাহাটীলৈ যাম বুলি ভাবি আছোঁ। গতিকে সেই তাৰিখে আবেলি দুই বজাত চাৰ্কিট হাউচত আপোনাক লগ পালে বাধিত হম। ১৫ নৱেম্বৰ বা তাৰ আগতে দেখা কৰাৰ সুবিধা নহ'ব। মই আপোনাক মোৰ লগত দেখা কৰিবৰ বাবে ছিলঙলৈ মাতিব খোজা নাই গতিকে গুৱাহাটীতে দেখা কৰিম।

শ্ৰীহোমেন বৰগোহাঞি
সম্পাদক নীলাচল
গৌহাটী।

সম্ভাষণ গ্ৰহণ কৰিব
আপোনাৰ
মহেন্দ্ৰ মোহন চৌধুৰী

GOSWAMIS CLINIC & NURSING HOME

TEZPUR

Dr. (Mrs) Lakshmi Goswami

M.R.C.P. (EDINBURGH)

D. R. C. O. G. (LONDON)

Phone : Clinic 329

Phone : RES 297

Consultation Hours

8-30—1 P. m.

3-00—6 P. m.

Sunday—8-30—1 P.m.

5/9/70

শ্ৰদ্ধেয় শ্ৰীযুত বৰগোহাঞিঃ

আপোনাৰ চিঠিৰ কাৰণে অশেষ ধন্যবাদ। চিঠিখন পাই এটা স্বস্তিৰ উশাহ পেলাইছো—what a relief আপুনি লিখিছে— "মই ভবাতকৈ আপোনাৰ লিখা অন্ততঃ তিনিগুণ বেছি ভাল হৈছে।" কথাটো অলপ Abstract নহলনে বাৰু? আপুনি প্ৰথমতে বা ভাবিছিলে কিমান? এই খিনিতে মোৰ এটা কথা মনত পৰিল; এক উকীলে এক সাক্ষীক সুধিলে— "আপোনাৰ বয়স কিমান?" সাক্ষী ভদ্ৰলোক গাঁৱৰ হোজা নগা মানুহ। ক'লে "সেই পহিলা উৰণ জাহাজ আহোঁতে মই আৰু পহিলা লেঙুটি লৈছো।" উকীল Nervous মানে নগাৰ গাঁৱলৈ বা প্ৰথম উৰণ জাহাজ কোন চনত গৈছিল আৰু নগা ল'ৰাই বা প্ৰথম লেঙুটি লওঁতে কিমান বয়সীয়া। এতিয়া মোৰে উকীলৰে অৱস্থা এৰেই। বেয়া নাপাব কিন্তু। আপোনাৰ অলপ ভবি টানিছো (অসমীয়া লেখাৰ চেষ্টা চলাইছো) তথাপি আপুনি ভাল হৈছে বুলি কোৱাৰ কাৰণে মোৰ আজিকালি বেছ অহংকাৰ। অকল prescription লিখি জীৱন অতিবাহিত কৰা সকলক (মোৰ স্বামীক) অলপ contemptৰ চকুৰে চাওঁ, মানে সহজ কথাত কবলৈ গলে মোৰ এটা বেছ "লিখিকা লিখিকা" ভাব, ভদ্ৰলোকে কথাটো মন কৰি কি কৈছে জানে, "হোমেনে কিন্তু মানুহক গছত উঠাই গুৰিৰ কাটি খুউব ভাল পায়"। মনে মনে ময়ো যিটো ভাবিছিলোঁ সেইটো তেওঁ মুখ ফুটাই কোৱাৰ কাৰণে বৰ খং উঠিছিল—তথাপি নিন্দুকে তেনেকৈ কয়েই বুলি কৈছো। অৱশ্যে এইটোৱে এটা কাম কৰিছে:- ভদ্ৰলোকে দেখোন আপোনাৰ কাগজৰ কাৰণে প্ৰবন্ধটো লেখাত লাগিছে। আমাৰ দেশৰ পুৰুষ সকলৰ ego দেখিছে? 'মানে ভাবখানা এই—"what you can do—I can do better." গতিকেই "The end should justify the

means বুলিয়েই মরো এটা air লৈ ফুৰিছো। আপোনাৰ চাহমজদুৰ সংখ্যাৰ কাৰণে আমাৰ দুয়োৰে অন্তৰভৰা অভিনন্দন জানিব। সংখ্যাটো পঢ়ি আমাৰ দুয়োৰে কি হৈছে জানে —A sense of shame and guilt." বৰ্ত্তমানৰ দ্বুৰীৰ দেওনা পাৰ হোৱা জাৰ্মান সকলৰ Barbed wire দি এতিয়াও ঘেৰি থোৱা Dachan, Aschaitz, Treblinkaৰ দৰে Concentration Camp বোৰ দেখি যিটো অনুভূতি মানে এই সংখ্যাটো পঢ়ি আমাৰো সেই একে হৈছে। এই জাৰ্মান সকলক কিয় এনে হ'বলৈ পালে বুলি সুধিলে কয় "আমিতো একো নাজানিছিলোঁ।" আমি পঢ়াশুনা কৰোঁ, drawing room-ত বহি কথাৰ ফুলজাৰি ফুটাওঁ, দেশৰ সমস্যাৰ প্ৰতি সজাগ বুলি অহংকাৰ কৰোঁ, অথচ আজি with all humility ৰে মই ক'ব লাগিব যে অসমৰ জনসংখ্যাৰ এক তৃতীয়াংশ যে চাহমজদুৰ সেইটো নাজানো। যেন নাজানো বুলি ক'লেই বে দোষ মৰিষণ হৈ যায়! আপোনাৰ এই সংখ্যাটোৱে অন্য একো নকৰিলেও অসমৰ সকলো চিন্তাশীল মানুহকেই shock দিব ও লাজত পেলাব। মানুহৰ মনটো যেতিয়া বেমাৰী হয় একো দৰৱে ভাল কৰিব নোৱাৰে তেতিয়া Electric shock therapy-ৰ প্ৰয়োজন হয়। তেনেকৈ আমাৰ দৰে callous মনুষ্য সমাজখনক সুস্থ কৰিবলৈ shock therapy-ৰ প্ৰয়োজন। সেই দিনৰ পৰা চাবলৈ গ'লে চাহমজদুৰ সংখ্যা বহুতো আগতে ওলাব লাগিছিল। "But it is better late than never!" একে লাইনতে কবলৈ গলে নীলাচলৰ চাহমজদুৰ সংখ্যা এটা "lonely but glorious happening."

আপুনি যে লিখাৰ কথা কৈছে subject দিলে এটা প্ৰচেষ্টা চলাব পাৰো।

শ্ৰদ্ধাৰে

মিচেচ গোস্বামী

নগাঁও
২৪/৫ ৭০
সন্ধ্যা

প্ৰিয়বৰেষু

আপোনালৈ চিঠি এখন লিখাৰ কথা ১১/৫ তাৰিখেই কৈ আহিছিলো। কিন্তু লিখা হোৱা নাই। ইতিমধ্যে আপোনাৰ প্ৰতিশ্ৰুত মাননীখেৰা পালোঁ। বিহু সংখ্যা নীলাচলো পালোঁ। চিঠিখন কিন্তু পোৱা নাই। প্ৰবন্ধ লিখিম বাৰু।

বহুত দিনৰ মূৰত আপোনাৰ ভাল সম্পাদকীয় এটা পঢ়িলোঁ অসমীয়াৰ সম্বাদ সম্পৰ্কীয়। আপোনাক মই কৈ আহিছোঁ যে সেইটো ভাল পাইছিলোঁ। আপুনি অসমীয়াৰ মৃত্যুৰ বাবে আমাৰ শিক্ষিত শ্ৰেণীক ঘাইকৈ জগৰীয়া কৰিছে ; কথাটো সঁচা। যোৰা ঢিং অধিৱেশনত সভাপতিয়ে মোক দুআষাৰ ক'বলৈ দিওঁতে মই কৈছিলোঁ যে সকলো মানুহে যদি বিয়া নিমন্ত্ৰণী পত্ৰও অসমীয়া ভাষাত লিখে, চৰকাৰলৈ কাগজপাতি অসমীয়া ভাষাত লিখে, অন্যান্য মানুহ লগ পাওঁতে অসমীয়াতে কথা-বতৰা পাতে, তেন্তে অসমীয়া ভাষা আইন প্ৰবৰ্তন সাৰ্থক হ'ব। আনহাতে সাহিত্য সভাৰ অধিৱেশনত ৫০ হাজাৰ মানুহ হোৱাৰ বা মেলা-মুখী হোৱাৰ সাৰ্থকতা হ'ব যদি এই ৫০ হাজাৰ মানুহেও একোখন অসমীয়া কাকত কিনে, অসমীয়া কিতাপ কিনে, আৰু বিয়া বাৰু বা উৎসৱত অসমীয়া কিতাপ উপহাৰ দিয়ে। আমাৰ মানুহে সভা-সমিতি পাতি যিমান টকা খৰচ কৰে, কিতাপ কাগজত সিমান খৰচ নকৰে। আমাৰ শৰীৰ পুষ্টিৰ বাবে যিমান খৰচ কৰোঁ, তাৰ দহ ভাগৰ এভাগো যদি মানসিক পুষ্টিৰ কামত খটাবৰ চেষ্টা কৰোঁ তেন্তে বহুত কাম হয়।

অসমীয়াখন সম্পৰ্কে কিন্তু আপুনি এশাৰীত দিয়া এটা মন্তব্যৰ কথা কৈ আহেছোঁ। -ইনকমটেক্সৰ দায় এৰাৰ বাবে কিছু টকা খৰচ কৰি নিজৰ প্ৰয়োজন মিটাৰ পিছত কাকত বন্ধ কৰাৰ কথা। এটা কথা আপুনি স্বীকাৰ কৰিব লাগিব যে প্ৰচাৰ লাগে। কাকত এখন যে ওলাই আছে তাৰ বিষয়ে কিমানে জানে বাৰু? আমাৰ যিমানবোৰ বিভিন্ন কাকতৰ এজেণ্ট আছে তেওঁলোকেও সকলোৰেই জানেনে? আমাৰ ১১০০/১২০০ হাইস্কুল, ১৫০ কলেজ—এইবোৰত প্ৰচাৰ কৰাৰ কিবা ব্যৱস্থা অসমীয়া কৰ্তৃপক্ষই লৈছিলনে? অন্ততঃ আমাৰ কলেজতো অসমীয়া সম্পৰ্কে কোনো চিঠি অহা মনত নপৰে। অথচ বিশ্বব্যাপি চলা ৰিডাৰছ ডাইজেষ্ট, লাইফ আদি কাগজে আমালৈকে যিমান বিজ্ঞাপন চিঠি পঠাই থাকে! প্ৰচাৰৰ বিষয়ত অসমীয়াই ভীষণ কাৰ্পণ্য কৰাৰ ফলতে গ্ৰাহকৰ সংখ্যা সীমাবদ্ধ হৈ ৰ'ল। প্ৰচাৰ নহলে ভাল বস্তুও নচলে। এসময়ত (১৯৫১-৫২) বিহলঙৌণ ৪০০০ চলিছিল, কিন্তু আমি এবছৰ প্ৰচাৰ কাৰ্য্য হাতত লোৱাত ১২৫০০ হেজাৰ হৈছিল। আনকি বিহলঙৌণ মাহেকীয়া হিচাবে বন্ধ হওতেও ৫০০০ কপি চলিছিল। আমাৰ ব্যৱসায়িক অজ্ঞতা আৰু মোৰ শাৰীৰিক অসুস্থতাৰ কাৰণে বন্ধ কৰিব লগীয়া হ'ল, লগতে এজেণ্ট বোৰে (মোৰ ব্যৱসায়িক অজ্ঞতাৰ বাবেই) পইছা মাৰিলে।

যিহক আমাৰ কাকতবোৰে এই প্ৰচাৰ দিশটোলৈ লক্ষ্য নকৰে।

আপোনাৰ কাকতৰ শ্ৰীবৃদ্ধিত সন্তোষ পাইছোঁ। কিন্তু অগেতে কোৰাদি আপোনাক কোনো লুকটাক নোহোৱাকৈ এটা কথা মই ক'ব খুজিছোঁ। এইটো কথা অকল মোৰ নহয়, মোৰ দৰে কেবাজনৰো।

মোৰ অভিযোগ হ'ল—নীলাচল প্ৰথমতে যেনে হ'ব বুলি ভাবিছিলোঁ—সেইটো হোৱা নাই। প্ৰগতিবাদী মতৰ নামত আপুনি মাজে মাজে ইন্দিৰাক সমৰ্থন কৰাত আপত্তি নাই; কিন্তু বাৰ্তাৰ কাকত দলীয় কাকত হৈ পৰিলে পিছত বেয়া লাগে। আপুনি এসময়ত ভাগৱতীক খুব তুলি দিলে। চৌধুৰীৰ বিৰুদ্ধে পাৰে মানে লিখিলে। ইপিনে ইন্দিৰাক খুব সমৰ্থন কৰিলে, নিজালিঙ্গাপ্পাক খুব তিৰস্কাৰ কৰিলে। একোটা কথাত একোজনক সদায় সমৰ্থন কৰিব নোৱাৰি; বিৰোধিতা কৰিবও নোৱাৰি। কিন্তু দলীয় অনুশাসন ভঙ্গ কৰা যিটো নৈতিক পতন (আৰু এই নৈতিক পতনে দেশ তললৈ নিবলৈ ধৰিছে) সেইটোৰ বিৰুদ্ধে লিখা চকুত নপৰিল। আপুনি যেতিয়া কোনো দলত থাকে, তেতিয়া বেয়া দেখিলে তাক গণতান্ত্ৰিক উপায়েৰে শুধৰোৱাৰ চেষ্টা কৰিব লাগে, কৰিব নোৱাৰিলে দল ত্যাগ কৰি নতুন দল গঠন কৰিব লাগে, বা তেনে দলত লগ দিব লাগে। ইন্দিৰাই 'বিবেক ভোট' উলিয়াই যি defectionৰ বিহপুলিত সাৰ জাবৰ দিলে, সি সকলো নৈতিকতা বিৰোধী। মই নিজালিঙ্গাপ্পা বা ইন্দিৰা কাৰো সমৰ্থক নহয়। কিন্তু দলত থাকি দলীয় শাসনৰ বিৰোধিতা কৰি দলতে থাকি বিভাজন প্ৰশ্ৰয় দিয়াৰ দলৰ নহয়।

আপুনি কিছুদিনৰ পৰা সুৰ সলোৱা যেন লাগিছে। মাজে মাজে আপুনি (কাকতৰ প্ৰচাৰ বঢ়াবৰ বাবেই বোধকৰোঁ) যৌন-নগ্ন ছবিবোৰ প্ৰকাশ কৰিলে; যাৰ ফলত 'নীলাচল' আমাৰ 'পৰিয়ালৰ কাকত' হৈ নাথাকিল। আনহাতে আপোনাৰ নতুন পুৰুষৰ আলোচনাত (মই তাহানি ছাত্ৰৰ দুৰ্নীতিৰ কথা আলোচনা কৰিবলৈ কোৱাৰ ঠাইত) তেওঁলোকৰ যৌন-জীৱন লৈ দীঘলীয়া সমীক্ষা প্ৰচাৰ কৰি কাৰ কিমান উপকাৰ-সাধিছে বুজি নাপালোঁ। এই সমীক্ষা লানিৰ সৰহ কথা অন্যান্য ভাষাৰ কিতাপ কাকতত প্ৰকাশিত নানা কথাৰ অসমীয়া ৰূপান্তৰ যেনেই লাগিছে। প্ৰকৃত সমীক্ষা বুলি জ্ঞান কৰিবলৈ টান লাগিছে। এই সমীক্ষাই আপোনাৰ কাকতৰ প্ৰচাৰ বৃদ্ধি কৰিব পাৰে কিন্তু কোনো সমস্যাক সমাধান নকৰে। আপুনি দকৈ ভাবি চাবচোন। ইয়াতকৈ নতুন পুৰুষৰ আৰু বহুত জৰুৰী সমস্যা আছে।

আপুনি তৰুণ তৰুণী সকলৰ মাজত, তাহানি মই আপোনালৈ লিখা চিঠিত উল্লেখ কৰা,—দুনীতিৰ বিৰুদ্ধে প্ৰচাৰ কৰিব বুলি আশা কৰিছিলোঁ। হোষ্টেল বোৰত, স্কুল কলেজত, বিশ্ববিদ্যালয়ত ছাত্ৰ সমাজৰ মাজত দিনক দিনে দুনীতি বাঢ়ি গৈছে। আমাৰ জাতীয় জীৱন যদি দুনীতি মুক্ত কৰিব লাগে আপুনি আৰম্ভ কৰিব লাগিব—ছাত্ৰ সকলৰ পৰা। আপুনি সেই বিষয়ত কিমান অনুপ্ৰাণিত কৰিব পাৰিছে ?

আৰু এটা কথা। আপুনি মাজে মাজে বহুতো কিতাপৰ তালিকা দিলে পঢ়িবৰ বাবে। কিন্তু আমাৰ classics, মহাভাৰত, ৰামায়ণ, কীৰ্ত্তন ঘোষা কিমান ছাত্ৰ-ছাত্ৰীক আপুনি seriously পঢ়াব পাৰিছে ? অন্যান্য দেশত সকলো শিক্ষিত লোকৰ বাবে এই নিজৰ classics পঢ়াটো 'must'—কোনোবাই নপঢ়াটো উপলুঙাৰ বিষয়। আনকি ইউৰোপৰ বহুতো কমিউনিষ্ট দেশতো বাইবেল পঢ়ে for the language of literature in it. আমাৰ কিমানে ৰামায়ণ মহাভাৰত কীৰ্ত্তন ঘোষা পঢ়ে ? বা আপুনি কিমান তৰুণ তৰুণীক—নতুন পুৰুষক এই নিজা সম্পদ আয়ত্ব কৰিবলৈ অনুপ্ৰাণিত কৰিব পাৰিছে ? বা সেই বিষয়ে কিবা কৰিছেনে ? গাভৰু সকলেও classics একেবাৰেই নপঢ়াৰ বাবে তেওঁলোক মাতৃ হৈ ভূমিৰ পৰা আঁতৰি পৰিছে।

আপোনাৰ সৰহ ভাগ সম্পাদকীয়তে বিদেশী ভাষাৰ কিতাপৰ বহুতো উদ্ধৃতি থাকে—যেন তেনে মূল্যবান কথা আমাৰ দেশত কোনো মানুহে কেতিয়াও কোৱাই নাই। আমাৰ দেশীয় সাহিত্যতো—দৰ্শনতো বহুত মূল্যবান কথা আছে ; আপুনিতো তাৰ উল্লেখ নকৰে। ৰাধাকৃষ্ণণ, ৰাজা গোপালাচাৰী, মুন্সি, ৰাজেন্দ্ৰ প্ৰসাদ আদি মনীষী সকলে যিমান কথা কৈ গৈছে। মহাত্মাৰ বিষয়ে আপুনি কি লিখিছে ? মহাত্মা গান্ধীৰ বচনাত উদ্ধৃতি কৰিবলৈ একেবাৰেই নাই নে ? মুঠতে এটা ধাৰণা হৈছে যে আপুনি সম্পূৰ্ণ পাশ্চাত্য অভিমুখী। আমি যেতিয়ালৈকে আমাৰ নিজৰ ভালটো নিজে বিচাৰি ল'ব নোৱাৰোঁ, ভালটোক ভাল বুলিব নোৱাৰোঁ—তেতিয়ালৈকে আমি কাকো অনুপ্ৰাণিত কৰিব নোৱাৰোঁ। আমি গভীৰ হ'ব লাগিব আমাৰ বায়ুপানী মাটিত। কথাটো পাহৰিলে নহ'ব।

আমাৰ ছাত্ৰ সমাজৰ, শিক্ষিত সমাজৰ দোষবোৰ আপুনি পুঙ্খানুপুঙ্খ ৰূপে আলোচনা কৰকচোন, ছাত্ৰ সমাজৰ দোষবোৰ আঙুলিয়াই দিয়ক চোন—

কাকতৰ বিক্ৰী হ্ৰাস হ'ব পাৰে, কিন্তু এক নৈতিক উন্নয়নৰ কাম কৰা হ'ব। আমাৰ এতিয়া আত্ম-সমালোচনা নহলে নহয়।

আমাৰ ল'ৰা বোৰে (ছোৱালীয়েও) শুদ্ধকৈ শব্দ লিখিব নোৱাৰে, যুক্তাক্ষৰ লিখিব নোৱাৰে, অভিধান নাচায়, ব্যাকৰণ নাচায়—তেনে শ শ প্ৰবন্ধ আপোনালৈ আহে। তাৰ এটা সমীক্ষা কৰকচোন। এই ভুলৰ গুৰি ক'ত? আমি এতিয়া (দেৱ বৰুৱাৰ অনুগ্ৰহত) নিয়ম কৰিলোঁ প্ৰাইমাৰী স্কুলত মেট্ৰিক পাছ শিক্ষক লোৱাৰ; আৰু এইবোৰ কোন বিভাগৰ? যি প্ৰায় ২৫ নম্বৰ grace পাই তৃতীয় বিভাগত পাছ কৰে। ফলত এওঁলোকে L.P. স্কুলত দিবলগীয়া প্ৰাথমিক জ্ঞান শুদ্ধ বানান, ধুনীয়া আখৰ আৰু শুদ্ধ নেওতা মতা এটাও নোৱাৰে। এই বোৰে কি শিকায় বাৰু? আমি স্কুলৰ শিক্ষক সকলৰ সভালৈ গ'লে তেওঁলোকৰ দাবী সমৰ্থন কৰি আহোঁ; কিন্তু কোনোবাই তেওঁলোকৰ দোষ বোৰ আঙুলিয়াই দিয়েনে? কাকতত তেওঁলোকৰ কৰ্ত্তব্যৰ অৱহেলাৰ কথা আলোচনা নহয়। আমাৰ ই নৈতিক অধঃপতন। সঁচা কথাটো আমি ক'ব নোৱৰা হ'লোঁ। আমাৰ কিমান অধ্যাপকে 'অধ্যাপক' নামটো লৈয়েই সন্তুষ্ট, দৰ্মহা, ভাট্টা বঢ়াৰ আন্দোলন লৈ ব্যস্ত; অথচ নিজৰ যোগ্যতা বঢ়োৱাৰ ক্ষেত্ৰত, পঢ়াশুনা কৰাৰ ক্ষেত্ৰত কিমান আগৰণুৱা? এই সমীক্ষা আপুনি কৰিছেনে?

আপুনি এ. চি. এছ. বিষয়াৰ কথা খুব লিখিছে। মই ভাল পাইছোঁ। কিন্তু কেজনমানৰ বাহিৰে আমাৰ কিমান A. C. S-এ অতিমাত্ৰা চাহাব হৈ গৈ জন সম্পৰ্ক এৰি পেলালে, গম ৰাখিছেনে? আমাৰ সকলোবোৰ বিষয়া "এমুঠি দান"ৰ কাৰণে কেনে লালায়িত, আপুনি নিশ্চয় খবৰ ৰাখিছে। আমাৰ চকুৰ আগত কিমান A. C. S. বিষয়াই দুৰ্নীতি কৰি ৰজা হৈ গ'ল। তেন্তে দেখি শুনি সেইসকলক সমৰ্থন কৰিব কেনেকৈ? কোনো সাংস্কৃতিক জীৱনৰ লগত (দুই এজনৰ বাহিৰে) সৰহ ভাগৰ সম্বন্ধ নাই। আমাৰ ইয়াত পাৰ্থসাৰথি ডি. চি আহি আমাৰ সাহিত্য সভাত লগ দিব পাৰে, বেজবৰুৱাৰ সভাত বেজবৰুৱাৰ বিষয়ে অসমীয়াতে পাণ্ডিত্যপূৰ্ণ ভাষণ দিব পাৰে; কিন্তু·· বৰুৱা নামৰ E. A C. এজনক (কবিতা লিখা ভেম আছে যাবেই) কোনো দিনে কোনো আলোচনা চক্ৰত বিশিষ্ট অতিথি হিচাপে মাতিও আমি আনিব নোৱাৰোঁ। কিন্তু মেদিনী চৌধুৰীক সকলোতে পাওঁ। গতিকে সকলোকে শ্ৰেণী হিচাবে ধৰিব নোৱাৰি। অসমীয়া ল'ৰাই অধিক সুবিধা পাওক—I.A.S. Compete কৰক তাৰ বাবে উৎসাহ দিব লাগে, সুবিধা

পোৱাৰ-দিহা কৰিব লাগে। কিন্তু অকল অসমীয়া বুলিয়েই বোধ কৰোঁ সমৰ্থন কৰিব নোৱাৰি। যোগ্যতা বঢ়াব লাগিব—তাৰ ব্যৱস্থা কৰিব লাগিব।

নীলাচল বাৰ্ত্তালোচনী; কিন্তু হ'লেও বৰ দীঘল প্ৰবন্ধ মোৰ ভাল নালাগে। প্ৰবন্ধকাৰসকলক যিমান পাৰে চুটিকৈ লেখিবলৈ দিব লাগে। Brevity is the soul of wit বুলি আপোনালোকৰ ইংৰাজী কিতাপ বোৰত আছে। আপুনিও সম্পাদকীয় বোৰ অতি দীঘলকৈ লিখে। বোধ কৰোঁ চমুৱাব পাৰিলে ভাল। তাৰ উপৰি (বেয়া নাপাব) আপোনাৰ দুই এটা শব্দৰ ভুল হয়—সেই বিষয়ে সাৱধান হ'ব। সিদিনা ব্যৱহাৰ কৰিছে 'অধোন্নতি', আচলতে অধোগতি হ'ব লাগে। 'ব্যাৱহাৰিক' বুলি লিখিছে হ'ব লাগে—'ব্যৱহাৰিক'। আমি ভুলকৈ লিখিলে আমাৰ ল'ৰা ছোৱালী বোৰে ভুল কৰিব নহয়। একোজন অধ্যাপক বা শিক্ষকতকৈ একোজন সম্পাদকৰ দায়িত্ব বেছিহে। শব্দ ব্যৱহাৰৰ দোষ, বৈয়াকৰণিক ভুল নীলাচলত বেছি হৈছে। ছাত্তাৰে ঠিকেই লিখিছে—সম্পাদকে চাব লাগে।

'নীলাচল'ৰ (বিহু) প্ৰবন্ধ পঢ়িলোঁ ভাল লাগিল। প্ৰবন্ধ সৰহ হলে ভাল লাগে। কিন্তু গল্প, উপন্যাস নহ'লে আলোচনী নচলে। গল্প মই সাধাৰণতে মহিম, ভৱেন আৰু শীলভদ্ৰৰ পঢ়ো। কিন্তু সিদিনা পাত লুটিয়াওঁতেহ হঠাৎ কামিনী ফুকনৰ গল্পৰ এটা স্তম্ভত শাৰী কেইটামান পঢ়ি পেলালোঁ—২২৪ পৃষ্ঠাৰ ৩য় কলমৰ তলৰ পৰা ৭।৮ শাৰীত। এই শাৰীটো নিদিয়া হলে গল্পটোৰ কি সৌন্দৰ্য্য হানি হল হে'তেন বাৰু? বা এই শাৰীটোৱে কি সৌন্দৰ্য্য বৃদ্ধি কৰিছে? সস্তীয়া প্ৰেমৰ গল্পৰ কাৰণে 'আমাৰ প্ৰতিনিধি' বিখ্যাত; কিন্তু 'নীলাচল' হোৱাটো আমি নিবিচাৰোঁ। যৌন আকৰ্ষণ নোহোৱাকৈ গল্প নহয়নে কি? যৌন জীৱন বাদেও আমাৰ সমাজৰ কিমান সমস্যাৰ ওপৰত গল্প হব পৰা কথা আছে। কাৰোবাক লিখিবলৈ অনুপ্ৰাণিত কৰক চোন। নীলাচলত যেন যৌন জীৱনৰ প্ৰাধান্যই বিস্তাৰ কৰিবলৈ সুবিধা পাইছে—এনে অনুমান হৈছে।

তাহানি মোক আপুনি কৈছিল—মোৰ যি মন যায়—তাকে লিখিবলৈ। এয়া একেবাৰে খোলা কথা—আপোনাক হে কৈছোঁ। মোৰ মত যে শুদ্ধ, তেনে ভাবিবৰ ধৃষ্টতা মোৰ নাই। আপুনি মোৰ ভুল আঙুলিয়াই দিলে মই গ্ৰহণ কৰিম। সেই তাহানিৰ পৰা আপোনাৰ পৰা বহুত আশা কৰি আছোঁ বিশেষকৈ আমাৰ ছাত্ৰ আৰু শিক্ষা জীৱনৰ পৰা দুৰ্নীতি দূৰীকৰণৰ ক্ষেত্ৰত।

ৰমনী শৰ্ম্মাই কেইটামান কথা লিখিছে। কিন্তু মোৰ দৃঢ় বিশ্বাস, আপুনি আৰম্ভ কৰিলে ছাত্ৰ সমাজক শুদ্ধ পথলৈ আনিব পাৰিব; দেশক নতুনকৈ গঢ় দিয়াৰ পথ প্ৰশস্ত হ'ব। অৱশ্যে ছাত্ৰ সমাজক সমালোচনা কৰাৰ পৰা সস্তীয়া জনপ্ৰিয়তা নাথাকিব; তাৰ সন্মুখীন হ'ব লাগিব। আপুনি পাৰিব—আৰম্ভ কৰক।

বেয়া নাপাব দেই। হঠাৎ এইখন লিখি পেলালোঁ। মনৰ কথা কৈছোঁ। কিবা আঘাত দিয়াকৈ কৈছোঁ যদি ক্ষমা কৰিব। ইতি

আপোনাৰ

**মহেশ চন্দ্ৰ দেৱ গোস্বামী**

পো অঃ নলবাৰী

কামৰূপ ঃ অসম

তাৰিখ ২৯।৯।৭০

নীলাচলৰ সম্পাদক গোহাঞি ডাঙৰীয়া,

আপুনি 'নীলাচল'ত কেইবাটাও সাহসী সম্পাদকীয় লেখিছে। তাৰ কাৰণে আপুনি প্ৰগতিকামী নাগৰিক মাত্ৰৰে শ্ৰদ্ধাৰ্হ। যোৱা ২৩ চেপ্তেম্বৰৰ সংখ্যাত লেখা 'শ্ৰী চলিহা আৰু অসম কংগ্ৰেছ' শীৰ্ষক সম্পাদকীয়ৰ কাৰণে আপুনি বিশেষভাৱে ধন্যবাদাৰ্হ।

অসমৰ সৰহভাগ বাৰ্তাৰ কাকত দল, উপদল, সম্প্ৰদায় বা অঞ্চলৰ মুখপত্ৰ স্বৰূপহে। ৰাইজ আৰু দেশৰ কল্যাণৰ হকে সকলো সংকীৰ্ণতাৰ ওপৰত উঠি মাত মতাৰ সাহস আমাৰ সৰহভাগ সাংবাদিকৰে নাই। আমাৰ সাংবাদিক সকলৰ বহুতৰে ধাৰণা যে কংগ্ৰেছ মানেই দেশ আৰু বৰ্তমান পৰিস্থিতিত কংগ্ৰেছৰ মুখ্যমন্ত্ৰী চলিহা মানেই কংগ্ৰেছ। অৰ্থাৎ, মুখ্যমন্ত্ৰী চলিহা মানেই অসম ৰাজ্য। চলিহা বিহীন অসমৰ কথা সাংবাদিকসকলে ভাবিবই নোৱাৰে, যেনেকৈ নোৱাৰে একাংশ কংগ্ৰেছীয়ে। ই যে আমাৰ অজ্ঞতা আৰু দুৰ্বলতাৰ চূড়ান্ত পৰিচায়ক এই বিষয়ে আমাৰ ধীনষ্ঠ-মানো সন্দেহ নাই।

বহুতে নীৰৱে অনুভৱ কৰিছে আমাৰ দুৰৱস্থাৰ কথা, কিন্তু মুখ ফালি কবলৈ নাই সাহস। আপুনি বাট দেখুৱাই দিলে। আমাৰ বিশ্বাস হৈছে যে ৰাইজে এতিয়া মুখ্যমন্ত্ৰী চলিহাৰ পদত্যাগৰ দাবী কৰিব। শয্যাপাটীত লোক-সম্পৰ্কৰ পৰা আঁৰত পৰি থকা মুখ্যমন্ত্ৰীয়ে যে দেশৰ চূড়ান্ত অহিত

কৰি আছে এইকথা ৰাইজে অনুভৱ কৰক। আৰু যদিহে দলৰ স্বাৰ্থৰ কাৰণে বৃদ্ধ মুখ্যমন্ত্ৰীজনাক এনেদৰে 'বাহিমন্ত্ৰী' কৰি ৰাখে, তেনেহ'লে ৰাইজে সম্মিলিতভাৱে কংগ্ৰেছ দলক ক্ষমতাৰ পৰা বিতাড়িত কৰিবলৈ আন্দোলন কৰিবলৈও সংকল্প গ্ৰহণ কৰক। দেশখন কেইজনমান মন্ত্ৰী বা বিধানসভাৰ সদস্যৰ খেলৰ সামগ্ৰী নহয়, ৰাইজো তেওঁলোকৰ খেলৰ পুতলা নহয়। ৰাইজে গভীৰভাৱে উপলব্ধি কৰা উচিত যে সুসংগঠিত হ'ব পাৰিলে চৰকাৰহে ৰাইজৰ পুতলা। যেতিয়া চৰকাৰ ৰাইজৰ ইচ্ছাৰ দ্বাৰা নিয়ন্ত্ৰিত হ'ব, তেতিয়াহে দেশত প্ৰকৃত গণতন্ত্ৰ প্ৰৱৰ্তন হ'ব।

এনে এখন গণতান্ত্ৰিক ভাৰতবৰ্ষ গঢ়াত ইন্ধন যোগাব বুলি আশা ৰাখি ধন্যবাদেৰে সামৰিলোঁ।

ইতি

শ্ৰীশশী শৰ্মা

KIRORI MAL COLLEGE
DELHI-7
F 14/10 Model Town
Delhi-7
২ ফেব্ৰুৱাৰী ১৯৭১

শ্ৰদ্ধেয় শ্ৰীযুত বৰগোহাঞিঃ,

আপোনাৰ ২৭ জানুৱাৰীৰ চিঠিখনৰ বাবে মোৰ আন্তৰিক ধন্যবাদ জানিব। আপোনাৰ দৰে প্ৰতিভাৱান সাহিত্যিক আৰু বুদ্ধিদীপ্ত সাংবাদিক এজনৰো দৃষ্টি মোৰ তেনেই তাকৰীয়া আৰু তাতে ভুখৰীয়া লেখনীৰ প্ৰতি আকৃষ্ট হোৱাত মই নিতান্তই আনন্দিত আৰু অনুপ্ৰাণিত হৈছো। সেয়ে আপুনি কৰা আহ্বানকো মই এটি বিশেষ সুযোগ বুলিয়েই লৈছো। কিন্তু অশেষ ইচ্ছা থকাতো আৰু বিশেষকৈ আপুনি বাছি দিয়া বিষয়তে অনেক কথাই গুজৰি গুজৰি থকা সত্ত্বেও আপোনাৰ পহিলা অনুৰোধটো সদ্যহতে ৰক্ষা কৰিবলৈ টান হ'ল। এটি বিদেশী ভাষাৰ প্ৰশিক্ষণ আৰু পৰীক্ষাত মই এতিয়াৰ পৰা অহা তিনি মাহলৈ ব্যস্ত থাকিব লগাত পৰিছো। সাপ্তাহিক নীলাচললৈকে পিছে পৰে নিয়মীয়াকৈ লিখিম বুলি পাণ্ডিছো। আশাকৰো আপুনি অসন্তোষ নাপাব—অৱশ্যে আজিকালিপাতি বিশেষ একো লাগতিয়াল নিজ বিষয়ত নিলিখি মই নিজকেই লগৰীয়া বোধ কৰি আহিছো।

এই চিঠিৰ সুযোগতে 'সাপ্তাহিক নীলাচল'ৰ ধাৰাবাহিক উৎকৃষ্ট সম্পাদনাৰ কাৰণে আপোনালৈ ওলগ জনালো। ই মোৰ দৃঢ় বিশ্বাস যে এই কাকতৰ মাধ্যমেদিয়েই অসমত বৌদ্ধিক চিন্তাচৰ্চাৰ ন ন দিগন্ত মুকলি হ'ব। আপোনাৰ সময়োপযোগী ও সাবলীল সম্পাদকীয় বিলাক আৰু ন-দৃষ্টিৰ তথ্যযুক্ত বিভিন্ন প্ৰবন্ধৰাজিয়েই তাৰ স্বাক্ষৰ। অসম আৰু অসমীয়াৰ স্বাৰ্থও পোন বাটেদি আগবঢ়োৱাত আপোনাৰ কাকতে সহায় কৰিছে।

আপোনালৈ পুনৰ ওলগ আৰু ধন্যবাদ জনালো।

নমস্কাৰ জানিব।

ইতি

নিৰোদ কুমাৰ বৰুৱা

সি/১৬

৩৭ বেলগাছিয়া রোড

কলকাতা – ৩৭

১৮ই অক্টোবর—৭১

প্রীতিভাজনেষু,

প্রায় এক মাস আগে আপনার চিঠি এখানে এসেছে। সে সময়টায় আমি কলকাতায় ছিলাম না। অক্টোবরের প্রথমে ফিরে আপনার চিঠি পেয়েছি। ইতিমধ্যে পুজো উপলক্ষ্যে এখানে দীর্ঘদিন পরে অনেকে এসেছেন। একটু সময় করে একটা ফটো তুলিয়ে নেওয়া আর হয়ে উঠছিলনা। পরে ঠিক করলাম কোনো কোনো বন্ধুর আঁকা যে দুয়েকটা স্কেচ্ আছে তার একটা পাঠিয়ে দেবো। যেটা পাঠাবো বলে ভাবলাম সেটা আবার খুঁজে পাইনা। হঠাৎ আজকে একটা পেলাম।

আপনি নিশ্চয়ই উত্তরের এত দেরি দেখে বিস্মিত হয়েছেন। আমি খুব লজ্জিত। তাই ক্ষমা প্রার্থনা করছি। আপনার পাঠানো ফটোটির জন্য আন্তরিক ধন্যবাদ। পেয়ে খুব খুশি হয়েছি। আপনার সম্পর্কে আমার ধারণা এই প্রতিকৃতির সঙ্গে মিলে যায়। আমি অবশ্য আপনাকে আশাহত করছি।

এবারে প্রস্তাবিত বইটির কথায় আসা যাক। কবিদের সংক্ষিপ্ত পরিচিতি থাকা নিশ্চয়ই প্রয়োজন। তবে ফটোর পরিবর্তে বোধহয় স্কেচ থাকলে ভালো। কবিতায় কবির যে আত্মপরিচয় ফুটে ওঠে তাতো দৈনন্দিন পরিচয়ের সঙ্গে

মেলেনা। ফটোতেও হয়তো কবির আত্মগত প্রকৃতি ঠিক ফোটেনা। তবে স্কেচ করতে গেলেও ফটো দরকার।

আপনি কি ইতিমধ্যে দশজন অসমীয়া কবির কবিতা বাছাই করে নিয়েছেন? তাহলে ওঁদের ফটোও সংগ্রহ করে নেওয়া দরকার। বাংলা কবিতা এখনো আমি বাছাই করিনি। আপনার চিঠির জবাব দিতে আমার এতো দেরি হয়েছে, অথচ বিষয়টি এতো গুরুত্বপূর্ণ যে আমার কৈফিয়ৎ দেবার চেষ্টা করাটা অন্যায়। নভেম্বরের প্রথমে আপনি বিদ্যাপতি উৎসবে যোগ দিয়ে কলকাতা হয়ে ফিরতে পারেন বলে লিখেছিলেন। কর্মসূচী যদি পরিবর্তিত হয়ে না থাকে তাহলে কবে কলকাতা আসছেন জানাবেন। দেখা হলে যে অত্যন্ত আনন্দিত হবো তা বলার অপেক্ষা রাখেনা, এছাড়া, সঙ্কলনের ব্যাপারেও সাক্ষাতে কথা হলে ভালো।

ভূমিকার দায়িত্ব আপনি আমাকে দিতে চাইছেন। কিন্তু বাস্তবিকই আধুনিক অসমীয়া কবিতা সম্পর্কে ভূমিকা লেখার যোগ্যতা আমার নেই। ভূমিকাটা লিখতে হবে অসমীয়া বাংলা মিলিয়ে সামগ্রীকভাবে আসামের কবিতা নিয়ে। আপনার সঙ্গে দেখা হলে এ সম্পর্কে আলোচনা হবে।

অবশ্য হয়তো কয়েকদিনের মধ্যে রাজনৈতিক পরিপ্রেক্ষিতে অনেক ওলট পালট হতে পারে। একটা সংকট আসন্ন বলেই মনে হচ্ছে। শরণার্থীদের অবস্থা কল্পনাতীত। ক্যাম্পাসের মাধ্যমে বাংলা দেশের অনেকের সঙ্গেই ঘনিষ্ঠ পরিচয় ও আলোচনার সুযোগ আমার হয়েছে। আমি প্রথম পর্য্যায় থেকেই যুদ্ধের সমর্থক।

তবে যাই হোক না কেন আশা করছি শীগ্‌গীরই আপনার সঙ্গে সাক্ষাৎ পরিচয় হবে।

নমস্কারান্তে

সুচিত্রা শ্যাম

Shillong
28. 9. 71

Chief Minister
Assam

প্ৰিয় বৰগোহাঞি,

আপোনাৰ চিঠিখনৰ উত্তৰ দিয়াত দেড়ী হোৱা বাবে ক্ষমা কৰে যেন। মই ৬ অক্টোবৰ তাৰিখে বাতিপুৱা ৮ বজাত গুৱাহাটী চাৰ্কিট হাউচত আপোনাক লগ পাব পাৰিম। তেতিয়া তাতে বাকী কথা পাতিম।

প্ৰশ্ন সমূহৰ অভ্যাস আগতীয়াকৈ পালে ভাল পালোঁহেঁতেন। মই পণ্ডিত মানুহ নহয়, ৰাজনৈতিক বিজ্ঞানতো মই তেনেই অপটু। সাধাৰণ কৰ্ম্মী হিচাপে কাম কৰোতে জীৱনত যিখিনি অভিজ্ঞতা লাভ কৰিছো সেয়ে মোৰ পুঁজি। এই পৃষ্ঠ ভূমিত যদি কিবা প্ৰশ্ন সোধে উত্তৰ দিবলৈ চেষ্টা কৰিম।

শ্ৰীহোমেন বৰগোহাঞি
সম্পাদক নীলাচল
মালি গাওঁ
গৌহাটী

শ্ৰদ্ধাৰে
আপোনাৰ
মহেন্দ্ৰ মোহন চৌধুৰী

Chief Minister
Assam

প্ৰিয় বৰগোহাঞি,

মোৰ আগৰ চিঠিখন বোধকৰো পাইছে। তাৰ তাৰিখটো অলপ সাল সলনি কৰিব লগীয়া হৈছে। মই ৬ অক্টোবৰ তাৰিখে ৰাতি পুৱাই বোম্বেলৈ যাব লাগিব। গতিকে আপোনাৰ লগত ৫ অক্টোবৰ ৰাতিপুৱা ৮ বজাতহে গুৱাহাটী চাৰ্কিট হাউচত কথা হ'ব পাৰিম। সেই মতে আহিলে ভাল পাম।

২৯/৯/৭১
শ্ৰীহোমেন বৰগোহাঞি
সম্পাদক "নীলাচল"
মালি গাওঁ

শ্ৰদ্ধাৰে
আপোনাৰ
মহেন্দ্ৰ চৌধুৰী

নং মুমস ৮৬।৭২
Chief Minister
Assam
২৩।৬।৭২

শ্ৰদ্ধেয় শ্ৰীবৰগোহাঞি ডাঙৰীয়া,

আপোনাৰ চিঠিখন পালোঁ। অশেষ ধন্যবাদ। অহা জুলাই ১ তাৰিখে

গুৱাহাটীত মোৰ ঘৰত ৰাতিপুৱা ৯ বজাত আপোনাক লগ পালে কৃতাৰ্থ হ'ম।

মৰম, প্ৰীতি আৰু শ্ৰদ্ধাৰে—

মৰমৰ

শৰৎচন্দ্ৰ সিংহ

শ্ৰীহোমেন বৰগোহাঁঞি

সম্পাদক নীলাচল

গুৱাহাটী।

১৭৭ ছাউথ এভিনিউ

নতুন দিল্লী

২১।১২।৭২

শ্ৰদ্ধেয় বৰগোহাঁই,

শ্ৰীমান লহকৰৰ হাতত দি পঠোৱা আপোনাৰ চিঠিখন পাইছো। তেওঁ ইতিমধ্যে দিল্লী বিশ্ববিদ্যালয়ৰ তেওঁৰ ছাত্ৰ বন্ধু কেইজনমানৰ সহায়ত Indian Institute of Medical Scienceৰ লগত যোগাযোগ কৰিছে। তথাপি কিবা বিশেষ অসুবিধা হ'লে মোক খবৰ কৰিবলৈ কৈছো।

ভাষা সমস্যাৰ ওপৰত ৰাজ্যসভাত মোৰ বক্তৃতাটো নীলাচলত সম্পূৰ্ণকৈ প্ৰকাশ কৰাৰ কাৰণে আৰু বিশেষকৈ অসম চৰকাৰৰ দুৰ্নীতি সম্বন্ধে মোৰ চিঠিখন প্ৰকাশ কৰিবলৈ সাহ কৰাৰ কাৰণে আপোনাক ধন্যবাদ নিদি নোৱাৰিলোঁ। জীৱনত বহু কাগজত বহু কিবাকিবি প্ৰকাশ হৈছে—কিন্তু তাৰ কাৰণে কোনো সম্পাদকক ধন্যবাদ দিয়াৰ আৱশ্যকতা বোধ কৰা নাই। মোৰ বক্তৃতাটো অসমৰ আন কাগজতো অৱশ্যে ওলাইছে, কিন্তু প্ৰত্যেকেই অসমীয়া ভাৱপ্ৰৱণতাৰ স্বাৰ্থত মিলখোৱা অংশ প্ৰকাশ কৰি মোৰ ৰাজনৈতিক আক্ৰমণৰ অংশ বাদ দিছে। চিঠিখনৰ মূল কথাখিনি হয়তো আন কাগজে প্ৰকাশ কৰিবলৈ সাহ নকৰিলেহেঁতেন, সেই কাৰণেই আপোনাৰ সম্পাদকীয় এটাৰ এটা লাইনৰ প্ৰত্যুত্তৰ হিচাপে চিঠিখন লিখাৰ কৌশল অৱলম্বন কৰিব লগীয়া হ'ল। বেয়া নাপাব।

ৰাজ্যসভা শেষ হ'ব ২৩ তাৰিখে। ১ তাৰিখৰ পৰা ৮ তাৰিখলৈ পাৰ্টিৰ ৰাষ্ট্ৰীয় সমিতি, সন্মিলন আদি আছে। গুৱাহাটীলৈ যোৱা হ'ব তাৰ পিচতহে।

প্ৰবন্ধ লিখাৰ চেষ্টাত আছো।

ইতি—

গোলাপ বৰবৰা

প্ৰিয়,

বৰগোহাঁঞি

সম্পাদক : নীলাচল

মই জনা দুটিমান কথাৰে এই প্ৰৱন্ধটি লৰালৰিকৈ আপোনাৰ 'নীলাচল'লৈ পঠালোঁ। আশাকৰোঁ আপোনাৰ ভাল। গানটো অতি মিঠাকৈ পৰিবেশন কৰাৰ বাবে ধন্যবাদ। ঢেকীয়াজুলীত সেই কাকতখন লৈ এচাম ডেকাৰ মাজত কঢ়াকঢ়ি হোৱা মোৰ নিজ চকুত পৰিছে। বৰ মৰম লগা সেই কঢ়াকঢ়ি! মৰম ল'ব।

আপোনালোকৰ

ভূপেন হাজৰিকা

নং মুমস ১১।৭২

মুখ্যমন্ত্ৰী

অসম

শিবলং

৭।৭।৭২

শ্ৰদ্ধেয় শ্ৰীবৰগোহাঁঞি,

আপোনাৰ চিঠিখন পালোঁ। কামখিনি কৰিবলৈ হাতত লৈছোঁ।

দুনীতি পৰায়ণ বিষয়াৰ প্ৰতি মোৰ মনোভাৱ সম্পৰ্কে আপোনাৰ ধাৰণা ঠিক হোৱা নাই। আমি দৃঢ় ব্যৱস্থা লৈ আছোঁ। কিন্তু এতিয়াই সকলো কথা কোৱা পদ্ধতি বিৰুদ্ধ হ'ব। মই কোৱা কথাখিনি বিধিনিয়ম আৰু অধিনিয়ম বিষয়ক আৰু তৎসমুদ্ভূত প্ৰতি-প্ৰৱন্ধক। সেইবোৰও দূৰীভূত কৰা হ'ব।

আশাকৰো আপোনাৰ সৰ্বাঙ্গীণ কুশল। মৰম, প্ৰীতি আৰু শ্ৰদ্ধাৰে—

আপোনাৰ গুণগ্ৰাহী

শৰৎচন্দ্ৰ সিংহ

( শ্ৰীশৰতচন্দ্ৰ সিংহ )

শ্ৰীহোমেন বৰগোহাঁঞি

সম্পাদক

সপ্তাহিক নীলাচল,

শ্ৰীগুৰু প্ৰেছ, গুৱাহাটী—১১

শ্ৰীহৰি নতুন পাৰা
যোৰহাট-১
১৮. ১০. ৭৩

শ্ৰীমান হোমেন,

তোমাৰ 'হালধীয়া চৰায়ে বাওধান খায়' উপন্যাস খনি পঢ়ি সন্তোষ পালোঁ। উপন্যাসখনিত গ্ৰাম্য জীৱনৰ আৰু বৰ্ত্তমান সমাজৰ এখন নিখুঁত চিত্ৰ অংকন কৰা হৈছে। বসেশ্বৰ আৰু বসেশ্বৰৰ ঘৈণীয়েকৰ নিচিনা ব্যক্তি আমাৰ সমাজত অনেক আছে। মাটিৰ মোহে বসেশ্বৰৰ জীৱনৰ কৰুণ পৰিণতি আনিলে। তাৰ ঘৈণীয়েক যথেষ্ট সহনশীলা। সনাতন শৰ্মাৰ নিচিনা মুখাপিন্ধা মানুহৰ আমাৰ সমাজত অভাৱ নাই। মই ভাবো তোমাৰ উপন্যাস পঢ়ি পাঠকে আনন্দ পাব। বছৰটোৰ এইখন শ্ৰেষ্ঠ উপন্যাস।

মোৰ মতৰ কোনো মূল্য নাই। অথচ এজন প্ৰবীণ ছাত্ৰৰ সাৰ্থক সৃষ্টিত আনন্দ পাইছোঁ। ৪৬ পৃষ্ঠাত শাওনমহীয়া বতৰৰ এটা সুন্দৰ বৰ্ণনা আছে। অ'ত ত'ত ছপাৰ ভুল আছে। ১৩৪ পৃষ্ঠাৰ শেহৰ শাৰীৰ ওপৰৰ শাৰীৰ বাক্যত খুঁত বৈছে। 'খুৰাৰ'ৰ ঠাইত গোৱাব হৈছে। পৰৱৰ্তী তাঙৰণত সেইবোৰ শুধৰাই দিব লাগে। একপ্ৰকাৰ আছোঁ। আশাকৰো তোমালোকৰ মঙ্গল।

স্নেহাশীষ ল'বা।

ইতি
তোমাৰ
শ্ৰীযতীন্দ্ৰ নাথ গোস্বামী

Biswanath College
Charali
16/1/73

My Dear Borgohain,

'নীলাচল'ত ওলোৱা বৰাক বনাম ব্ৰহ্মপুত্ৰ শীৰ্ষক প্ৰবন্ধটো পাঠকৰ্গৰ ওচৰত বিশেষভাৱে সমাদৃত হৈছে। সেই প্ৰবন্ধটো appreciate কৰি অসমৰ বিভিন্ন ঠাঁৱৰ পৰা দিয়া চিঠি এতিয়ালৈকে এই এৰাৰখন পাইছো; আৰু দুই এখন কিজানি পাব পাৰোঁ। এওঁলোকৰ বেছিভাগে অৱশ্যে ভাবি

সৌছিল যে প্ৰবন্ধটো মই খণ্ড খণ্ডকৈ লিখি 'নীলাচল' লৈ পঠাই আছো। গতিকে কিছুমান কথাৰ— যি বোৰৰ relevant to the context হ'ব বুলি তেওঁলোকে ভাবে— ওপৰত আলোকপাত কৰিবলৈ তেওঁলোকে মোক পৰামর্শ দিছিল। এতিয়া প্ৰবন্ধটো চুটি হ'ল বুলিহে তেওঁলোকে খেদ কৰিছে। মই তেওঁলোকলৈ চিঠি দিছো; তেওঁলোকক কৈছো যে প্ৰবন্ধটো মই খণ্ড খণ্ড কৈ লিখি থকা নাছিলো। একেলগে লিখি পঠাই দিছিলো; 'নীলাচলে' হে খণ্ড খণ্ড কৈ প্ৰকাশ কৰিছে। গতিকে তেওঁলোকৰ Suggestion বোৰ incorporate কৰিব পৰা নহ'ল।

সি যি কি নহওক, কিছুমান Publisher-এ প্ৰবন্ধটো পুস্তক আকাৰে প্ৰকাশ কৰাৰ ইচ্ছা প্ৰকাশ কৰিছিল। গুৱাহাটীত মোৰ জেঠেৰী এজন আছে। আপুনি অৱশ্যে নাজানিবও পাৰে যে শ্ৰীমাধৱৰাম ডেকা ( বৰ্ত্তমান গুৱাহাটী ডেভেলপমেণ্ট অথৰিটীৰ চেয়াৰমেন ) মোৰ জেঠেৰী। তেওঁৰ ওপৰতো হেনো দুই এজন Publishing firm-এ Pressure দি আছে। অলপতে মই গুৱাহাটীলৈ গৈছিলো; যোৱা ১৩ জানুৱাৰী তাৰিখে। মাত্ৰ এদিনৰ বাবে। তেওঁ এই request টো মোক জনালে। মই তেওঁক তলত দিয়া কথা কেইটা কৈ থৈ আহিছো।

(১) প্ৰবন্ধটো 'নীলাচল'ৰ সম্পাদকৰ অনুৰোধ ক্ৰমে লিখা হৈছিল। তাত 'নীলাচল'ৰ সম্পাদকীয় প্ৰবন্ধৰ উল্লেখো আছে। নীলাচলে প্ৰবন্ধটোৰ বাবে মোক remuneration দিব। যদিওবা তেওঁলোকৰ ( নীলাচল ) লগত All India Radio ৰ দৰে একো পকা বন্দবস্ত হোৱা নাই, তথাপি Professional Courtesy এটা আছে। গতিকে তেওঁলোকৰ formal consent নোহোৱাকৈ মই আন Publishing firm-অক তেওঁলোকৰ Property বিক্ৰী কৰিব নোৱাৰো আৰু কৰিলেও মোৰ discourtesy হব।

(২) প্ৰবন্ধটোৰ ওপৰত কিবা rejoinder ওলায় নেকি, সেইটো চাব লাগিব। মোৰ ব্যক্তিগত মতামত বা সিদ্ধান্তৰ ওপৰত rejoinder ওলালে বিশেষ ভাবিবৰ নাই; কাৰণ অসমৰ বহুজন সংখ্যক লোকে কাচাৰ বিচ্ছেদ নিবিচাৰে। তেওঁলোকে কাচাৰ খন অসমৰ ভিতৰত ৰাখিবও বিচাৰে, অথচ তেওঁলোকক বাংলা ভাষাও ব্যৱহাৰ কৰিবলৈ নিদিয়ে। মই চিন্তা কৰিবা লাগিব, কিবা factual inaccuracy আছে নে কি, সেইটোহে। এইটো বিষয়ে

আলোকপাত কৰিব পৰা লোক এতিয়াও কেইবা জনো জীৱিত আছে, যেনে শ্ৰীদেবেশ্বৰ শৰ্ম্মা (যোৰহাট) শ্ৰীৰাজেন্দ্ৰ নাথ বৰুৱা (গোলাঘাট) শ্ৰীঅমিয় কুমাৰ দাস (তেজপুৰ) ইত্যাদি। ১৯৩৭ চনৰ বা ১৯৪৬ চনৰ এম, এল, এ সকলৰ পৰা কিবা ওজৰ আপত্তি আছে নেকি, চোৱা যাওক।

(৩)' 'নীলাচল'ৰ প্ৰপ্ৰাইটৰৰ নিজা ফাৰ্ম এখন আছে। আন ফাৰ্ম'ক প্ৰৱন্ধটো কিতাপ আকাৰে উলিয়াবলৈ দিয়াৰ আগতে তেওঁলোকক offer টো দিয়া সমীচীন হব।

মোক brother in law ই কলে যে তেওঁ আপোনাক আৰু শ্ৰীমুনীন দত্তবৰুৱাক পাবিলে লগ কৰি মই ওপৰত উল্লেখ কৰা কথা তিনিটাৰ আধাৰত negotiate কৰিব। তেওঁ মোক দুই এদিন থাকি আপোনালোকক লগ ধৰি কথাটো এবেবাৰে finalize কৰি থৈ যাবলৈকে কৈছিল; কিন্তু থাকিব নোৱাৰিলোঁ। কলেজত Hostel Construction ৰ কাম চলি আছে। মই নাথাকিলে মিস্ত্ৰীবোৰৰ Payment নহ'ব। সেই দেখি মই আপোনালোকক লগ ধৰাৰ দায়িত্ব তেওঁৰ ওপৰতে দি আহিলোঁ।

আপুনি ভাবিচিন্তি মোলৈ চিঠি দিব বুলি আশা কৰিলোঁ। মোলৈ নিলিখি মোৰ brother in law ক সেই পিনেই ফোনত ক'লেও হ'ল। শ্ৰীযুক্ত দত্তবৰুৱালৈও লগতে চিঠি এখন দিলোঁ।

ইতি

সদানন্দ চলিহা

নগাঁও স্পিচিয়েল জেইল

৮/১/৭৬

প্ৰিয় বৰগোহাঁই,

ভোগালী বিহুৰ কাৰণে মোৰ আন্তৰিক শুভেচ্ছা আৰু শুভেচ্ছা গ্ৰহণ কৰিব। আপোনাৰ "পিতা-পুত্ৰ" ইয়াতে দুমাহ মানৰ আগতে পঢ়িলোঁ। শেষৰ পেৰাগ্ৰাফটোৱে ভাঙি ধৰা সমস্যাটোৰ সমাধানৰ পথ কি হ'ব তাকে ভাবিছো।

ইতি

গোলাপ বৰবৰা।

মন্ত্ৰী

শিক্ষা, পৰিবহণ, পৰ্য্যটন, ছাত্ৰ আৰু

যুৱকল্যাণ আৰু সাংস্কৃতিক পৰিক্ৰমা,

অসম,

দিনাংক—১৬।১।১৯৭৩

প্ৰিয় শ্ৰীবৰগোহাঞি,

আপোনাৰ ৩১।৮।৭৩ তাৰিখৰ চিঠিখন পাইছো। উত্তৰ দিয়াত পলম হোৱা বাবে মাৰ্জনা কৰিব। আপোনাৰ চিঠিখনে মোক নিশ্চয় মন্ত্ৰী হিচাবে প্ৰেৰণা যোগাব। মোৰ ওপৰত থকা আস্থাৰ কাৰণে অশেষ ধন্যবাদ জনাইছো।

দুৰ্নীতিৰ বিৰুদ্ধে ব্যৱস্থা লবলৈ মই সদায় সজাগ আছো। কিন্তু আপুনি উল্লেখ কৰা বিষয়টোৰ ওপৰত যি কোনো সিদ্ধান্ত ল'ব লাগিলে মই ভাবো প্ৰকাশন পৰিষদৰ কাৰ্যকৰী কমিটিয়েহে তেনে ব্যৱস্থা লোৱাটো উচিত হ'ব। প্ৰকাশন পৰিষদৰ কাৰ্যকৰী কমিটিৰ সদস্য হিচাবে আপুনি এতিয়ালৈ দৃঢ় নেতৃত্ব দি আহিছে। আশাকৰো এই ক্ষেত্ৰতো আপুনি আগভাগ ল'ব। পৰিষদৰ কাৰ্যকৰী কমিটিৰ পৰবৰ্তী সভাৰ কাৰ্যসূচীত এই বিষয়টো অন্তৰ্ভুক্ত কৰিবলৈ পৰিষদৰ সচিবক নিৰ্দেশ দিয়া হৈছে। সেই সভাতে আৱশ্যকীয় সিদ্ধান্ত হোৱা উচিত হ'ব।

আপোনাৰ সহায় আৰু সহযোগ থাকিলে দুৰ্নীতি নিবাৰণ কৰাত অসম চৰকাৰ আৰু বেছি দৃঢ়তাৰে আগবাঢ়িব পাৰিব। এইদৰে সকলো বিষয়তে চৰকাৰৰ দৃষ্টি গোচৰ কৰিলে কামবোৰ সুচাৰু ৰূপে সম্পাদন কৰাত আৰু এটি সুস্থ বাতাবৰণ সৃষ্টি কৰাত যথেষ্ট উপকৃত হ'ব বুলি আমাৰ দৃঢ় বিশ্বাস আছে। এনেধৰণৰ পুনৰ পৰামৰ্শৰ কাৰণে বাট চাই থাকিলো।

অতি শ্ৰদ্ধাৰে

আপোনাৰ

শ্ৰীহৰেন্দ্ৰ নাথ তালুকদাৰ

১৬।১।৭৩

Nibaran Bora
MOHONAGHAT
DIBRUGARH
PHONE : DR 460

Dated 31st december '73

প্ৰিয় বৰগোহাঞি,

মোৰ চিঠিখন পাব পায়। আপোনাক কেইবাদিনো Trunk-Call কৰি ব্যৰ্থ হৈছো। Exchange এ no reply বুলি কয়। যোৱা কেইদিন বাহিৰৰ

কৰ্মচাৰীৰ ধৰ্ম্মঘটৰ উথল মাথলৰ লগত জড়িত হৈ পৰিছিলোঁ। আজি সন্ধিয়া ধৰ্ম্মঘটৰ সামৰণিৰ লগত বাজহুৱা সভাত সভাপতিত্ব কৰি উভতি আহি আপোনালৈ লিখিব বহিছো।

ৰাজ্যিক কৰ্ম্মচাৰীৰ ধৰ্ম্মঘটৰ Import টো অসমৰ ৰাজনৈতিক নেতা সকলে বুজি নাপালে। যোৱা ৪ দিন ধৰি গুৱাহাটীৰ ৰাজনৈতিক কেন্দ্ৰৰ মোৰ সতীর্থ সকলক মই বুজাব নোৱাৰিলোঁ। ৰাজ্যিক কৰ্ম্মচাৰী সকলেও ধৰ্ম্মঘটৰ Import টো নিজেই বুজি নেপায়। সেইটো তেওঁলোকৰ দোষ নহয়। কিন্তু ৰাজনৈতিক নেতাসকলে বুজি নোপোৱাটোৱে দোষৰ সীমা চেৰাই গৈছে, বিশ্বাসঘাটকতাৰ পৰিসীমা চুইছে গৈ নেকি? অসম চৰকাৰৰ বিত্তীয় দুৰৱস্থাৰ কথাটো ৰাজনৈতিক আৰু Journalistic attitude আওকণীয়া যেন মোৰ অনুভৱ হয়। অথচ মই ভাবোঁ অসমৰ আটাইতকৈ ডাঙৰ দুৰৱস্থা আমাৰ ৰাজ্যৰ চৰকাৰী বিত্তীয় পৰিস্থিতি। আপুনি তীক্ষ্ম বুদ্ধি সম্পন্ন ব্যক্তি। আপুনি অসমৰ একমাত্ৰ লেখত ল'বলগীয়া সাপ্তাহিক কাকত খবৰ সম্পাদক। আপুনি কিয় আওকণীয়া হৈ থাকিব লাগে?

মই নিজে এই সম্বন্ধে যথেষ্ট অতীষ্ঠ হৈ পৰিছো। বিধান সভাত বাজেট অধিবেশনত যি ভেকো-ভাওনা হয় তাৰ বাবে দুঃখ পাইছো অধিক। বাক-স্বাধীনতা সম্পূৰ্ণ হৰণ হোৱাৰ আগতেই আপোনাৰ কাগজৰ ৩২ পৃষ্ঠা সদায় সপ্তাহে একোবাৰকৈ ছপা হৈ থাকোতেও অসমৰ বিত্তীয় পৰিস্থিতিৰ দুৰৱস্থাৰ গুৰিৰ কাহিনীটোৰ অপ্ৰিয় সত্য বৰ্ণনাৰ প্ৰকাশ হোৱাত কি বাধা আছে মই বুজিব পৰা নাই।

বিধান সভা আৰু লোকসভালৈ দৰ্খাস্ত কৰাৰ এটা বিধান কৰা হৈছে —জনসাধাৰণৰ বাবে। মই অসমৰ গণ-আদালতলৈ দৰ্খাস্ত কৰিব খুজিছো— অসমৰ মুখ্যমন্ত্ৰী আৰু দেশৰ প্ৰধান মন্ত্ৰীলৈ এখন মুকলি চিঠিৰে। তাৰ বাবে মই আপোনাৰ পৰা মতামত বিচাৰিছো। আপোনাৰ কাগজৰ এটা সংখ্যাৰ সম্পূৰ্ণ আধা এনে এখন দৰ্খাস্তৰ বাবে আপুনি ঠাই দিব পাৰেনে নোৱাৰে? যদি নোৱাৰে বিজ্ঞাপনৰ ৰূপে প্ৰকাশ কৰিলে আপোনাৰ কাগজে তাৰ বাবে কিমান charge কৰিব পাৰে বাৰু?

আজি সন্ধিয়া ৰাজ্যিক কৰ্ম্মচাৰী সকলৰ ধৰ্ম্মঘটৰ অৱসান মুহূৰ্ত্তত মই এক বিশেষ মিশ্ৰিত অনুভূতিৰ বশ হৈ আপোনালৈ লেখিছো, and I assure you that I am in myself.

ভুল নুবুজিব। প্ৰীতি সম্ভাষণ আৰু নৱবৰ্ষৰ শুভেচ্ছা গ্ৰহণ কৰিব।

আপোনাৰ শুভাকাংক্ষী
**নিবাৰণ বৰা**

RAJ BHAVAN
CHANDIGARH
6 3 74

শ্ৰদ্ধেয় বৰগোঁহাই

আপোনাৰ ১৫।২।৭৪ তাৰিখৰ চিঠিখন পাইছো। তাৰ বাবে ধন্যবাদ জনাইছো। চিঠি খনৰ উত্তৰ কেনেকৈ দিওঁ সেইটো ভাবি থিৰ কৰোঁতেই উত্তৰ দিয়াত দেড়ী হ'ল। ক্ষমা কৰে যেন।

আপোনাৰ মোৰ প্ৰতি যে যথেষ্ট চেনেহ আছে সেইটো মই ভালদৰে জানো। কিন্তু তাৰ প্ৰাচুৰ্য্যয়ো আপুনি মোৰ সম্পৰ্কে কৰা উক্তিয়ে মোক যথেষ্ট বিব্ৰত কৰিছে। সেই কথাটোও মই আপোনাক জনাই ৰখা উচিত বুলি বিবেচনা কৰিলো।

এতিয়া আপোনাৰ চিঠিৰ মূল কথাখিনিলৈ আহিছো। মোৰ পৰা আপুনি এখন মোৰ Political autobiography লিখাতো বিচাৰিছে। কিন্তু মোৰ মতে সেই বিষয়ত আপোনাৰ লিখক নিৰ্বাচন শুদ্ধ হোৱা নাই। মই নিজেও তেনে এখন কিতাপ শ্ৰীঅমিয় কুমাৰ দাস আৰু শ্ৰীবিজয় চন্দ্ৰ ভাগৱতী দেৱক লিখিবলৈ অনুৰোধ জনাই আহিছিলো। ফুকন-বৰদলৈ জন্ম শতাব্দী উদ্দেশ্যে যিখন কিতাপ সংকলন কৰিবলৈ প্ৰস্তাৱ কৰা হৈছে সেইটোও এই উদ্দেশ্য প্ৰণোদিত। মোৰ দ্বাৰা তেনে এখন গ্ৰন্থ প্ৰণয়ন সম্ভৱ নহয়। তেনেকুৱা গ্ৰন্থ এখনৰ উদ্দেশ্য সম্ভৱ কৰি তুলিবলৈ হলে যিমান খিনি বিদ্যা পঢ়াশুনা, সাহিত্য-প্ৰতিভা আৰু বিষয়জ্ঞানৰ প্ৰয়োজন তাৰ ভিতৰত মোৰ কোনোটে নেই নাই। আমি সাধাৰণ মানুহৰ জগত গোটেই জীৱনটো জড়িত কৰি যি খিনি সামান্য বাস্তৱ জ্ঞান লাভ কৰা সম্ভৱ হৈছিল তাৰ মাজেদিয়ে জীৱনটো অতিবাহিত কৰি দিলো। যৌবনৰ উদ্দামতা যিমান দিন আছিল তেতিয়া আত্মবিশ্বাস আছিল যথেষ্ট। সকলো কাম কৰিবলৈ সামৰ্থ্য আছে এনে এটা প্ৰেৰণাই সদায় উদ্বুদ্ধ কৰি ৰাখিছিল। সেই প্ৰেৰণা, সেই উৎসাহ উদ্যম, সেই আত্মপ্ৰত্যয়, সেই কৰ্ম্ম-শক্তি আজি জীৱনৰ

শেষ সীমাত ক্ৰমে হ্ৰাস পাই নাইকীয়া হৈ আহিছে। নানাৰকমৰ ঘটনাৰ বিবৰ্ত্তনে মনৰ গতিও পৰিবৰ্ত্তন কৰি দিছে। এনেকুৱা এটা মানসিক আৰু বাস্তৱ পৰিবেশত আপুনি মোৰ ওপৰত আৰোপ কৰিব খোজা দায়িত্ব গ্ৰহণ কৰিবলৈ মোৰ সাহ নাই। এই খিনি বিনয় বশতঃ কোৱা কথা নহয়। এই খিনি মোৰ প্ৰকৃত প্ৰাণৰ কথা। মোৰ এগৰাকী হিতাকাঙ্ক্ষী বন্ধু হিচাপে মোৰ মনৰ অনুভূতি আপোনাৰ ওচৰত ব্যক্ত কৰিবলৈ ( ব্যক্ত নকৰিলে ভাল হ'ল-হ'তেন যদিও ) সুযোগ পোৱাত মনটো বহুত পাতল হৈছে যেন অনুভৱ কৰিছো।

আপোনাৰ প্ৰকৃতি-গত দুৰ্ব্বলতা কিছুমান আছে। মই সেইটো জানো। মোৰ বহাগ বিহুৰ মাজ ভাগত অসমলৈ যোৱাৰ কথা আছে। যদি যোৱা হয় আপোনাৰ ঘৰলৈ গৈ আপোনাৰ লগত ক্ষন্তেক কথা হ'ম বুলি আশা ৰাখিছো। সময় পালে ভাল পাম।

শ্ৰীহোমেন বৰগোহাঁই
শ্ৰীগুৰু প্ৰেছ
গোহাটী—১১

শুভ কামনা আৰু পৰম শ্ৰদ্ধাৰে
আপোনাৰ
**মহেন্দ্ৰ মোহন চৌধুৰী**

শ্ৰীযুত হোমেন বৰগোহাঞি
সম্পাদক 'নীলাচল' গুৱাহাটী

প্ৰিয় শ্ৰীযুত বৰগোহাঞি,

গল্প এটা অনুবাদ কৰি পঠিয়ালোঁ পাতত দিব পৰা হৈছে নে নাই ক'ব নোৱাৰিলোঁ। কলিকতাৰ মাক্স মুল্যাৰ ভবনৰ পৰা জাৰ্মান কিতাপখন মগাই আনোতে কিছু সময় গ'ল, আৰু মাজতে পৰীক্ষাৰ বহীৰ deadline য়ে কিছু দিগ্ দিলে। গতিকে নবেম্বৰৰ প্ৰথম সপ্তাহৰ এইটো deadline ৰাখিবলৈ গৈ বেছ লৰালৰি হ'ল। সেয়ে মনোমত ধৰণৰ কামটো নহ'ল, আপুনি অনুগ্ৰহ কৰি এবাৰ ক'ত কি অদল-বদল কৰিব পাৰি চকু ফুৰাই চালে ভাল হয়। কিছুমান বিকল্প শব্দ কাঠপেঞ্চিললেৰে লিখি কাটি থৈ গৈছো, বা কিছুমান শব্দৰ চাৰিওপিনে বৃত্ত দি থৈছোঁ, আপুনি চালে ঠিক কৰিব পাৰিব কোনটো শব্দ উত্তম হ'ব, বা কোনটো শব্দ কাটি দিয়াই উচিত হ'ব। আপুনি এইখিনি সালসলনি কৰি দিবলৈ সংকোচ নকৰে যেন, মই ভালেই পাম—মুঠতে পঢ়িবলৈ, flow টো থাকিব লাগে, authenticity সম্প্ৰতি আমি এৰি দিব পাৰোঁ।

সময়ৰ অভাৱত ভালদৰে fair-copy কৰিও দিব নোৱাৰিলোঁ। তাৰ বাবে লজ্জিত আছোঁ। হাতৰ আখৰো বেয়া, কিছুমান বৰ সৰু, সৰু ছপা কৰোঁতে বহুতো ভুল-ভ্ৰান্তি হ'ব বুলি আশংকা হয়। অনুগ্ৰহ কৰি আহি-কাকত খিনি কোনোবা অভিজ্ঞ লোকৰ দ্বাৰা চোৱালে ভাল হয়। প্ৰয়োজন হ'লে মইও চাই দিব পাৰোঁ।

কিতাপত দেখিলো T.M ৰ জন্ম জুন ৬,১৮৭৫, নভেম্বৰত কেনেকৈ শতবাৰ্ষিকী পাৰিছে ধৰিব নোৱাৰিলোঁ। যিহওক, এইটোকে দিব পাৰি নেকি চাব। প্ৰথমতে খেয়াল নহল, পাছত হে মন কৰিলোঁ যে বস্তুটো বৰ দীঘল হ'ব, কিন্তু ইতিমধ্যে আৰু সলনি কৰিবৰ সময় নাই গতিকে এই হাতীটোকে পঠিয়ালোঁ, দোষ নধৰিব। হয়তো বিশেষ সংখ্যাটোত আৰম্ভ কৰি তাৰ পাছত ছোৱা ছোৱাকৈ দিব পৰা যাব।

আশা কৰোঁ আপোনাৰ গয়েথেৰ জীৱনীখনৰ কাম আগবাঢ়িছে। আপুনি কেতিয়া অসিহৰ পাৰে জনাব।

শ্ৰদ্ধাৰে, -

শ্ৰীলোঃ কুঃ চলিহা

৫. ১১ ১৯৭৫

পুঃ TMৰ বিষয়ে নজনা বাবে মুখবন্ধ যথা সম্ভৱ সংক্ষিপ্ত ৰাখিলোঁ। এই বিষয়ে অৰ্থাৎ TMৰ ৰচনাশৈলীৰ বিষয়ে নিশ্চয় আন গুণীজনৰ প্ৰবন্ধ পাতিৰ বেলেগ যোগাৰ হ'বই।

Nibaran Bora
P.O. Mohanaghat
DIBRUGARH-786008
Phone : 460
Date : ৪ জুন ৭৭

প্ৰিয় বৰগোহাঞি

যোৱাকালি টেলিফোন যন্ত্ৰযোগে কথা বতৰা হোৱাৰ পাছত আপোনাৰ আদেশমতে আকৌ লেখিবলৈ লওঁ। ওৱ খণ্ডটো লিখি পঠিয়ালোঁ। ইমানতে আপোনাৰ পৰা tips পালে ভাল হয় মানে মতামত। অন্ততঃ আৰু কেইটা instalment-অত এই কাহিনী শেষ কৰাটো আপুনি বিচাৰিছে। জেনৰ

দুনীতিৰ বিষয়ে আৰু বহু কথা কৈ ল'ব লাগিব। কিন্তু কথা হ'ল সেই কথাবোৰ প্ৰকাশ কৰাত আপোনাৰ মালিক পক্ষৰ পৰা যদি আপত্তি থাকে ?

পোলেন বৰকটকীৰ বিয়ালৈ গৈছিলোঁ। নিজে মাতিবলৈ আহিছিল। আগৰ চিনাকি নাই মোৰ ঘৰৰ ওচৰতে তেখেতৰ দপ্তৰ।

আন এটা বৰ মজাৰ কথা কওঁ। মই জীৱনত কবিতা লিখা নাই। কিন্তু গোৱালপাৰা কাৰাগাৰত থকা কালত বিহুৰ বতৰত কবিতা এটা লিখিছিলোঁ— অৰুন্ধতীলৈ পঠিয়াইছিলো কবিতাটো কোনো অখ্যাত অজ্ঞাত কবি শ্ৰীমতী ঈলা সৰকাৰৰ কবিতাৰ সহায় লৈ লিখা। তাৰ আগতে কটনিয়ানলৈ সেই লুকিং বেক লিখি এটাইছো। কবিতাটোৱে কোনোবা এটা খণ্ডত ঠাই পাব নেকি ? সেই একে সময়তে আপোনালৈকো এখন দীঘল চিঠি লৈখিছিলো— কবিতাতো সহ কিন্তু পঠিয়াবলৈ নহ'ল। চিঠি খন জেলৰ পৰা অনা পেৰাটোত বিচাৰিলে হয়তো ওলাব পাৰে। বিচাৰি চাম। চিঠিখন Provoke কৰিছিল তুলতুল বৰুৱাই লিখা অসম চৰকাৰৰ বেচম মন্ত্ৰী দাওলাগোপুৰ লগত হোৱা সাক্ষাতকাৰৰ বিষয়ে লিখা কথাখিনিয়ে।

Changing Political Scene and Assam কেনে পাইছে জনাব। কিন্তু কথা হ'ল এই পোতাশালৰ Series টো শেষ হোৱালৈকে সেইটো বৰ লগা হলে তাৰ তাৎপৰ্য্য হেৰাই যাব। ইফালে আপুনি 'পোতাশালৰ বাৰ্তাৰ'ৰ জাননী দিলেই।

কাৰাগাৰৰ পৰা মুক্ত হোৱা অৱশ্যে ৫ মাহৰো অধিক হ'ল। কিন্তু আহৰি বুলি পোৱা নাই। মানসিকভাবে মই বৰ Tired ; কিন্তু rest অৰ আৱশ্যক, জীৱনত প্ৰথম বাৰৰ বাবে অনুভৱ কৰিছো। নলিনী বাৰুতি ঘৰৰ পৰা কিছুদিন আঁতৰি থকা সম্ভৱ হৈ উঠা নাই। দ্বিতীয় জনী ছোৱালীৰ কলেজীয়া জীৱন আৰম্ভ হ'বৰ হৈছে, হয়তো Cotton লৈকে যাব। সেই সম্বন্ধেও যা যোগাৰ কৰিব লাগিব। জী-জোঁৱাই অহা কথা। বিয়াৰ পাছত এয়ে প্ৰথম। জুন মাহতো ব্যস্ত হৈয়েই থাকিব লাগিব যেন পাইছো। তাৰোপৰি খুটিপুতি উজুতি খাইছো। .আপোনালৈ লিখা লিখি কৰি এতিয়া দীঘলীয়া দায়িত্ব গোটাই লৈছো।

অলপ ব্যক্তিগত স্বাৰ্থৰ কথা কওঁ যিবোৰ কথা কাহানিও আগতে কোৱা নাই। আপুনি কৈছিল 'পোতাশালৰ বাৰ্তাৰ' কিতাপ আকাৰে ছপোৱাৰ কথা। ছপালে নিশ্চয় ভাল হ'ব।ময়ো বিচাৰো। ল'ৰাহতে কৈছে মোৰ

আগৰ প্ৰবন্ধ পাতিবোৰ গোটাই কিতাপ আকাৰত ছপাবলৈ। প্ৰবন্ধ বোৰ মোৰ হাতত নাই। আপোনাৰ তাৰ পৰা উদ্ধাৰ কৰা সম্ভৱ হ'বনে নহয় বাৰু? 'নৱযুগ'ৰ পিঠিতো কেইটামান আৰু 'অসম বাতৰি'ৰ পিঠিতো কেইটামান প্ৰবন্ধ আছে। আৰু আছে জোন বিৰিৰ এটা সংখ্যাত অসমৰ চাহ নীলাম বজাৰ সম্পৰ্কে। আপোনাৰ মতামত পাম বুলি আশা কৰিলো।

যোৱা ৰাতি 27733 Telephone কৰিছিলোঁ দেবেনৰ লগত কথা পতা সম্ভৱ নহ'ল। অভিজিৎৰ লগত কথা হ'ল—message দিলোঁ। আন কথাও হৈছিল—তাকৰকৈ।

আজিলৈ আহো। আপোনাৰ পৰা চিঠি পাবলৈ বাট চাই থাকিম।

শুভেচ্ছা গ্ৰহণ কৰিব। ইতি

নিবাৰণ বৰা

পুনঃ ঃ ইয়াত দিনে নিশাই বৰষুণ। বৰনৈৰ বাঢ়নি পানী বিপদ সীমাত। যোৰহাটত বানপানীৰ তাণ্ডৱ চলিছে। তেজপুৰত, ৰেল দুৰ্ঘটনা। সকলোবোৰ কথাই মনটো damp কৰি তুলিছে। ইয়াৰ পাছৰটো instalment আৰু এমাহৰ পাছত পঠালেও নহ'ব জানো?

Nibaran Bora
P.O Mohanaghat
DIBRUGARH-786008
Phone : 460
Date : ৮ জুন ৭৭

প্ৰিয় বৰগোহাঞি,

ইয়াৰ আগতে পঠোৱা এটা ৰাজনৈতিক প্ৰবন্ধ আৰু 'পোতাশালৰ বাতৰি'ৰ আন এটা কিস্তি নিশ্চয় ইতিমধ্যে পাইছে। পোতাশালৰ বাতৰিৰ আৰু দুটা কিস্তি একেলগে আজি পঠালোঁ। আপোনাৰ পৰা নিৰ্দেশ পৰামৰ্শ নেপালে আৰু কেইটা কিস্তিত শেষ কৰিব লাগে বুজিব নোৱাৰিম। যোৱা কালি জী-জোঁৱাই আহি ঘৰ সোমাইছেহি। দুই চাৰিদিনলৈ লিখা মেলা কৰাৰ mood নেথাকিব।

'পোতাশালৰ বাতৰি' ধাৰাবাহিক প্ৰকাশ হৈয়েই থাকিলে দেখোন আৱশ্যকীয়

প্ৰবন্ধটো প্ৰকাশ হোৱাত বহু বিলম্ব হ'ব। মই সেইটো আগতে প্ৰকাশ হোৱাটো বিচাৰোঁ। কাহিনী পঢ়াৰ অৱসৰ বাইজৰ সদায়েই থাকিব।

অমিত নাগৰ পৰা চিঠিৰ উত্তৰ পালোঁ। বোধহয় আপোনাৰ তাগিদাত।

আজি আপোনাৰ কাগজ ওলাল ছাগে। আমাৰ এইখিনি পাবহি অহা কালিলৈ সন্ধিয়া। এইখিনি সময় উৎকণ্ঠাৰে কটাব লাগিব।

চিঠিৰ উত্তৰ দিব। শুভেচ্ছা গ্ৰহণ কৰিব। ইতি

নিবাৰণ বৰা

Nibaran Bora
P.O Mohanaghat
DIBRUGARH-786008
Phone : 460
Date : ১৭ ৮ ৭৭

প্ৰিয় বৰগোহাঞি

মই যোৱা মাহৰ ২২ তাৰিখে গুৱাহাটীলৈ গৈছিলোঁ আৰু ৩ আগষ্ট তাৰিখে তাৰ পৰা নগাওঁ হৈ লক্ষ্মীপুৰলৈ আহোঁ। ৫ তাৰিখে নিশাহে আহি ঘৰ পাওঁহি। ঘৰলৈ আহি আপোনাৰ চিঠি খন পাওঁ। কিন্তু ৬ তাৰিখটো ঘৰত থাকি ৭ তাৰিখে তেজপুৰলৈ যাওঁতা হওঁ ছত্ৰ সন্থাৰ বাৰ্ষিক অধিবেশনলৈ। তাত এদিন এৰাতি থাকিব লগা হ'ল—সেই বাবে ১১ তাৰিখে নিশাহে আহি ডিব্ৰু পাওঁহি। Radio Talk এটাৰ recording আছিল। ১৫ আগষ্ট তাৰিখে নিশা ৭ বজাত "স্বাধীনতা আন্দোলনৰ সোঁৱৰণত" Dib centre-এ Broadcast কৰিছিল। যোৱা দুদিনে ব্ৰহ্মপুত্ৰৰ পানী বাঢ়ি চহৰ এৰিবলগা অৱস্থা কৰিছিল। আজিৰ পৰা পানী শুকাইছে যদিও চহৰলৈ সোমোৱা পানী ওলাই যাব পৰা নাই বা শুকুৱা নাই। বতৰ সামান্য দাঙিছে আজি। সেই বাবেই আপোনাৰ চিঠিৰ উত্তৰ দিয়া হোৱা নাই। মই গুৱাহাটীলৈ যাওঁতে শুনিছিলোঁ যে আপুনি বিষম পৰিস্থিতিৰ সন্মুখীন হৈছিল। আপোনাৰ দুৰ্গতি হ'ব পাৰে বুলি ভাবিব পৰা নাছিলো; সেয়েহে অলপ বেয়া নিশ্চয় পাইছিলো কিন্তু গুৱাহাটীলৈ গৈ আপোনাৰ কিবা কিবি crisis বুলি শুনাৰ পাছত অলপ উদ্বিগ্নহে হৈ পৰিছিলোঁ। আপোনাৰ

সংকটবোৰ বোলে জনাৰ উপায় নাই—কিছু ধাৰণা সম্ভৱ মাত্ৰ। বহুতে মোকেই কয় যে নীলাচলৰ policy নাই opportunism এই policy। আপোনাৰ সম্বন্ধে বৰ ভাল ভাব থকা মানুহেও কেতিয়াবা কটু মন্তব্য কৰে।

মোৰ পোতাশালৰ বাৰ্তাৰ এটা ছপা হৈয়েই বৈ গ'ল—কিতাপ আকাৰে ওলোৱাৰ কথা আছিল। এতিয়া ইয়াতে ছপাই কিতাপ আকাৰে উলিওৱাৰ কথা ভাবিছো। আপোনাৰ তাত দুটা প্ৰবন্ধৰ manuscript থাকি গ'ল। পাব পাৰোঁ নেকি বাৰু? ডাঃ ভূঞাৰ contradictionৰ উত্তৰ পঠিয়াইছো যোৱা কালি ডাকযোগে। ছপা হোৱা উচিত।

আপুনি ছুটীত থকা অৱস্থাত আৰু আপোনাৰ বৰ্ত্তমান মানসিক অৱস্থাত এইবোৰ কথা লিখি বিৰক্ত কৰা নিশ্চয় উচিত হোৱা নাই।

In the day there is immeasurable sadness. Yet I have lived accountably well emsuaing the circumstances that have confronted me. মইনো আপোনাৰ সমস্যাবোৰ নজনাকৈয়ে কি পৰামৰ্শ দিম; কিন্তু তাহানি ৪২ আন্দোলনত গোপনে থকাৰ সময়ত জেলৰ পৰা ওলাই আহি গান্ধীজীয়ে অৰুণা আচফ আলিলৈ লিখা Bibleৰ সেই শাৰীটো দুখৰ সময়ত মোৰো মনত পৰে, Oh ye! of little faith, have Patience! নিৰ্দিষ্ট জীৱনাদৰ্শ নহ'লে সংকট আৰু সংঘৰ্ষৰ সময়ত মনোকষ্ট অধিক হয়। মাজে মাজে জীৱনাদৰ্শ হেৰুৱাইময়ো তেনে অনুভব নকৰা নহয়।

With best wishes
Your friend
Nibaran Bora

Nibaran Bora
P. O. Mohanaghat
DIBRUGARH-786008
Phone-460
Date ১৬মে ১৯৭৭

প্ৰিয় বৰগোহাঞি,

গুৱাহাটীত লগ পোৱাৰ পাছত আজি লেখিবলৈ লৈছো। In the meantime much water has flown down the Bridge Saraighat.

মই নিয়মিত নীলাচল পঢ়ো বুলি ক'ব নোৱাৰো। মাজে মাজে পঢ়িছো মতামত নিদিলোৱেই বা।

অসমত ৰাজনৈতিক পৰিস্থিতি বৰ ঘনাই সলনি হৈছে বুলি ক'ব নোৱাৰি। বিধান সভাৰ যিসকল সদস্যই কংগ্ৰেছ মহাসভাৰ পৰা ইস্তফা দিছে তেওঁলোকৰ কেইজন মানেহে 'জনতা'ত যোগ দিছে। জগন্নাথ সিং-এ দিছে, ছত্ৰ গোপাল কৰ্মকাৰে নাই দিয়া। Telephone যোগে কৰ্মকাৰৰ লগত সামান্য আলাপ হৈছে—বহুতৰ আভাস পোৱা যেন লাগিল।

Northern Indian Hindu Bigotry অসমত শিপাইছে নেকি? ওপৰ অসমত আৰু নামনিৰো কিছু অংশত ই সংকটৰ সূচনা নকৰিব নেকি? দুখীয়া ৰাজ্য অসম আৰু ইয়াৰ দেউলীয়া চৰকাৰ খনৰ অৱস্থা একেই থাকিব নেকি? নে সালসলনিৰ পিছতো জনি ওৱাকাৰ হৈয়েই সগৌৰৱ অস্তিত্ব বজাই ৰাখিবনেকি? বজাই ৰাখিব?

Northern Indian Hindu Bigotry-ৰ ফেৰ মাৰিবলৈ N. E. India Muslem Association-ৰ জন্ম নেকি? গুৱাহাটীৰ পৰা বহু আঁতৰত থাকি কথাবোৰৰ সূত্ৰ পাবলৈ অসুবিধা হয়।

মই ভাবিছিলোঁ হয়তো ভুলকৈয়ে যে 'পৰিবৰ্তিত ৰাজনৈতিক পৰিস্থিতি আৰু অসম'—এনে শীৰ্ষক প্ৰবন্ধ এলানি আপোনাৰ কাকতত প্ৰকাশ পাব লাগে। এটাইতকৈ শেহৰ টো মই নিজে লিখাৰ দায়িত্ব লৈছো। এই সকল যেনে— দেবেশ্বৰ শৰ্ম্মা, গৌৰীশঙ্কৰ ভট্ট, দুলাল বৰুৱা, ফণী বৰা, গোলাপ বৰবৰা, অচিন্ত্য ভট্ট, হ্ৰীচৰণ নাৰ্জাৰী আদিক অনুৰোধ কৰা উচিত।

আমাৰ ইয়াত নিৰ্ব্বাচন এতিয়া নহয়। '৭৮ ফেব্ৰুৱাৰী মানতহে হয় গৈ নেকি? তেতিয়ালৈকে ৰাজনীতি মানে Horse trading অন্ততঃ আগষ্ট মাহৰ ১০ তাৰিখলৈতো অৱশ্যেই।

September মাহ মানত 'হেমন্ত'কাল ছোৱাত, আপুনি কিয় গুৱাহাটীত seminar এখন organise কৰিব নোৱাৰে? I could act as your secretary। বিষয়টো একেটাই The changing political scene and the State of Assam.

মাৰ্চ মাহৰ ২৮।২৯ তাৰিখে Dibrugarh University History Depttৰ seminar হৈ গ'ল। Paper খন পঢ়িলো। বাহিৰৰ পৰা অধ্যাপক সকলৰ পৰা উচ্চ প্ৰশংসা লাভ কৰি আনন্দিত হ'লো। পাঠ্যত Deptt এ এখন

দীঘলীয়া চিঠিত paper খনৰ সম্বন্ধে আৰু উচ্চ প্ৰশংসা কৰাৰ বাবে বৰ আচহুৰা অনুভৱ কৰিছো। paper খন তেওঁলোকে ছপাব। University-ৰ Campus-ৰ বাহিৰত—Leftist elements in the National movement of North East India আজি আলোচনা কৰিবৰ বাবে মানুহৰ বিৰাম নাই। সেয়েহে paper খনৰ copy আপোনালৈ পঠাবলৈ নহ'ল।

৬ এপ্ৰিলৰ পৰা ১২ এপ্ৰিললৈকে অৰুণাচলত আছিলোঁ। বাকিন স্মঠিনে Arunachal Peoples Party গঠন কৰা দিন কেইটাত। তাৰ ৰাজনীতিৰ সামান্য মাত্ৰ আভাসহে পাব পাৰিলোঁ।

জুন মাহত মেঘালয়লৈ যোৱাৰ কথা ভাবিছো, কিছুদিনৰ বাবে। যদি পোনে পোনে গৈ পোনে পোনে উভতি নাহো তেন্তে সদৰত সোমাই বৰ মানুহ দুই চাৰিজনক নিশ্চয় দেখা কৰি আহিম।

চিঠি খনতঁ মই আপোনালৈ দুটামান অনুৰোধ কৰিছো, বিষয় কেইটাৰ ওপৰত আপোনাৰ বিচাৰ বিবেচনা কেনেকৈ গম পাম বাৰু!

শুভেচ্ছা গ্ৰহণ কৰিব।

ইতি—

**নিবাৰণ বৰা**

## ৰাষ্ট্ৰীয় গ্ৰামীণ মজদুৰ কংগ্ৰেস

## INDIAN NATIONAL RURAL LABOUR FEDERATION

National office ; 162 South Avenue New Delhi—110011

(Phone ; 371580)

তেজপুৰ

১৫ ২.৮০

প্ৰিয় বৰগোহাঞি ডাঙৰীয়া,

আপোনাৰ চিঠি পাইছো। গভীৰ অনুভূতিৰে লিখা আপোনাৰ কথাকেষাৰে মোৰ প্ৰবন্ধটোৰ যি মূল্যাই নেথাকক, তাক যে বহুত গুণ বঢ়াইছে, তাত সন্দেহ নাই। আজিকালি বহুত সময়ত সংযোগ সূত্ৰ হেৰুৱাইছো যেন অনুভৱ কৰোঁ। সেই কাৰণে, প্ৰবন্ধটো লিখি ভয় হৈছিল, ই কাৰোবাৰ অন্তৰ স্পৰ্শ কৰিব পাৰিবনে নোৱাৰে এই ভাৰত। এতিয়া আপোনাৰ কথা কেষাৰে মোক আশ্বাস দিছে। মনত বল পাইছো। তাৰ কাৰণে আপোনাক অশেষ ধন্যবাদ।

আপুনি মোক ৰাজনৈতিক স্মৃতি কথা লিখিবলৈ দিয়া পৰামৰ্শটোৱে কামটোৰ কাৰণে ভাবিবলৈ মনত নতুনকৈ উৎসাহ দিছে।

মোৰ Diary লিখাৰ অভ্যাস নাই। সেই কাৰণে chronology হিচাপে মই পুৰণি কথা বিলাক লিখা সম্ভৱ নহয়। ৰাজনৈতিক আৰু সামাজিক প্ৰবাহৰ লগত যি সম্পৰ্ক ঘটিছে, আৰু তাৰ মৰ্ম্ম কথা যেনেকৈ বুজিছো, সেই সম্পৰ্কে আলোচনা কৰিব পাৰো। চেষ্টা কৰিম। এই বিষয়ে আপোনাৰ পৰা সময়ে সময়ে পৰামৰ্শ পাবলৈ আশা ৰাখিলো।

ৰাজনৈতিক ক্ষেত্ৰত ক্ষমতাৰ কাৰণে যুদ্ধ চলিব, সি স্বাভাৱিক আৰু চিৰন্তন কথা। কিন্তু সিয়েই ইমান স্থূল, নগ্ন আৰু ব্যক্তি কেন্দ্ৰিক হৈ পৰিছে যে ইমান দিন ভাবি অহা কথা বিলাক ওলট পালট হৈ গৈছে। সত্য, অহিংসা, গণতন্ত্ৰ, সমাজবাদ, ধৰ্ম, আধ্যাত্মিক, বিশ্ব মানৱতা আৰু জনগণৰ নামত আগৰ দৰেই জয়ধ্বনি হৈ আছে। কিন্তু এই শব্দবিলাকৰ অভিধানৰ অৰ্থই বেলেগ হৈছে বা অৰ্থশূন্য হৈ পৰিছে। কিন্তু চাৰিওফালে যি দেখিছো তাতকৈ, হয়তো গভীৰ সত্য আজিৰ অৱস্থাতে নিহিত আছে। ই সূৰ্যোদয়ৰ আগৰ অন্ধকাৰো হ'ব পাৰে। মোৰ এই বিশ্বাসো আছে যে মানুহৰ জীৱনত সদায় অগ্ৰগতিয়েই হৈছে। কিন্তু কিছুমান missing link-ৰ কাৰণে মানুহৰ ইতিহাস ভালকৈ বুজিবলৈ টান হৈ পৰে যেন পাইছো।

মই বৰ্ত্তমান সৰ্বভাৰতীয় ক্ষেত্ৰত কৃষি মজদুৰ সকলৰ সংগঠনৰ কামটো হাতত লৈছো—party politics-ৰ কামত নায়েই বুলি ক'ব লাগিব। Indian National Rural Labour Federation নামেৰে সংগঠন এটা কৰা হৈছে। এতিয়াও ই আৰম্ভণিৰ অৱস্থাত। শ্ৰমিক শ্ৰেণীৰ ভিতৰত কৃষি-শ্ৰমিকৰ সংখ্যাই বেছি। ঔদ্যোগিক মজদুৰৰ সংখ্যা গোটেই ভাৰতত ২ কোটিৰ বেছি নহব। কিন্তু কৃষি মজদুৰৰ সংখ্যা ৬ কোটি মান হৈছে। এই কৃষি মজদুৰ খিনিয়েই আটাইতকৈ বেছি পৰিশ্ৰম কৰে; কিন্তু তেওঁলোকেই সকলোতকৈ দুখীয়া। এওঁলোক সিঁচৰতি হৈ আছে কাৰণে সংগঠন কৰাও বৰ টান।। তথাপি এটা চেষ্টা কৰা হৈছে।

আশা কৰো, আপোনাৰ ভাল।

শ্ৰদ্ধা সম্ভাষণ লব।

ইতি

শ্ৰীবিজয় ভাগৱতী

# ৰাষ্ট্ৰীয় গ্ৰামীণ মজদুৰ কংগ্ৰেছ

INDIAN NATIONAL RURAL LABOUR FEDERATION

National Office : 162, South Avenue,
New Delhi—110011 ( Phone : 371580 )

তেজপুৰ
জিলা দৰং
১২. ১. ৮০

প্ৰিয় বৰগোহাঞি ডাঙৰীয়া,

যোৱা নৱেম্বৰ মাহৰ শেষ ভাগত অসমৰ বৰ্তমান পৰিস্থিতিৰ সম্পৰ্কত এটা প্ৰবন্ধ যুগুত কৰিছিলোঁ। কিন্তু দুই এজনক দেখুৱাৰ বাহিৰে, প্ৰকাশ কৰাৰ কথা ভাবিব নোৱাৰিলোঁ। আপোনালৈ সেই প্ৰৱন্ধটোকে আজি পঠাইছোঁ। প্ৰৱন্ধটোৰ কিছু কথা এতিয়া পুৰণি হৈ গৈছে। মই নতুনকৈ সংশোধন কৰা নাই। প্ৰৱন্ধটো দীঘল। সেইকাৰণে কাগজত প্ৰকাশ কৰা টান বুলি ভাবিছো। গোটেইটো প্ৰৱন্ধ নোলালে কটা কুটাকৈ দিলে, মোৰ সম্পূৰ্ণ ভাৱটো নোলাব। সেইকাৰণে, কাগজত প্ৰকাশ কৰাৰ কথা ভাবিব নোৱাৰিছিলোঁ। আপোনালৈ পঠোৱাৰ উদ্দেশ্য হ'ল, মোৰ মনৰ কথাখিনি অন্ততঃ যি কিজনক জনালে ভাল লাগে, তেওঁলোকক জনাবৰ ইচ্ছা। আপুনি প্ৰৱন্ধটো পঢ়ি কি বুজে আৰু ভাৱে মোক যেন জনায়। প্ৰকাশ কেতিয়াবা ক'ৰবাত হ'লে ভাল পাম। কিন্তু কেনেকৈ হ'ব পাৰিব ক'ব পৰা নাই। এই বিষয়েও আপোনাৰ পৰামৰ্শ বিচাৰিছোঁ।

মই বৰ্তমান তেজপুৰতে আছোঁ। ৰাজনৈতিক দল এৰা নাই যদিও, প্ৰকৃতপক্ষে মই retire কৰাৰ দৰে আছোঁ। কোনো কথাৰ লগতে সম্পৰ্ক নাই। কেৱল Rural workers'-ৰ সংগঠনৰ কাম সৰ্বভাৰতীয় ক্ষেত্ৰত কিছু কৰি আছো।

অসমৰ পৰিস্থিতিৰ কাৰণে উদ্বেগ বোধ কৰি আছো। একো কৰিব নোৱাৰি—আনকি নিজৰ ভাৱটোও প্ৰকাশ কৰিব নোৱাৰি, নিজৰ মনতে নিজে দোষী যেন অনুভৱ কৰি আছোঁ।

প্ৰৱন্ধটোত ৩৯ (ক) পৃষ্ঠাত লিখা কিছু কথা ৪০ পৃষ্ঠাৰ * দিয়া ঠাইত, ৪০ (ক) পৃষ্ঠাৰ কিছুকথা ৪১ পৃষ্ঠাৰ * দিয়া ঠাইত যোগ দি পঢ়িব লগাকৈ

আছে। এনেকৈ খেলিমেলিকৈ লিখা অৱস্থাত প্ৰবন্ধটো পঠোৱাৰ বাবে দোষ নধৰে যেন।

আশাকৰো, আপোনাৰ ভাল।

শ্ৰদ্ধা ল'ব।

ইতি

শ্ৰীবিজয় ভাগৱতী

শ্ৰীহোমেন বৰগোহাঞি
সম্পাদক, নাগৰিক
গুৱাহাটী

ডিব্ৰুগড়
২১।৭।৮০

মাননীয় বৰগোহাঞি ডাঙৰীয়া

পত্ৰে আন্তৰিক সম্ভাষণ জনালোঁ। মোৰ 'ব্যক্তিগত বিৱৰণ'টোক ১৭ জুলাইৰ নাগৰিকত প্ৰকাশ কৰি দিয়াৰ বাবে ধন্যবাদ।

৬ষ্ঠ পৃষ্ঠাৰ চতুৰ্থ কলমৰ দ্বিতীয় পেৰাগ্ৰাফৰ অন্তিম শাৰীত 'কল্যাণৰ' ঠাইত 'অকল্যাণ' হ'ব লাগিছিল। অনুগ্ৰহ কৰি এইবাৰৰ সংখ্যাত শুধৰণী উলিয়াই দিয়ে যেন।

আপোনাৰ সম্পাদকীয় বৰ চমৎকাৰ হৈছে। যোৱা ২৭ মাৰ্চৰ সংখ্যাৰ 'গণতন্ত্ৰত সংখ্যালঘুৰ ওপৰত দিয়া মন্তব্যখিনি আমি আমাৰ বুলেটিনত প্ৰকাশ কৰিছোঁ। বহুতো প্ৰশংসাসূচক চিঠিও পাইছোঁ।

আপুনি অস্থিৰতাৰ মাজত প্ৰকৃত দিকদৰ্শন কৰাই দি সমাজৰ প্ৰভূত কল্যাণ সাধন কৰি দিছে। বাইজে তাৰ স্বীকৃতি দিব নোৱাৰিব। ইতি

ভৱদীয়

শ্ৰীবিষ্ণুলাল উপাধ্যায়

প্ৰতি :
শ্ৰীযুত হোমেন বৰগোহাঞিদেৱ।

হাঁহচৰা চোতিয়া গাঁও
পোঃ আঃ হাঁহচৰা
শিৱসাগৰ
১৩/১/৮১

শ্ৰদ্ধেয় গোহাঞিদেৱ,

অসমৰ সাম্প্ৰতিক পৰিস্থিতিৰ ওপৰত এটা প্ৰবন্ধ পঠাইছো। প্ৰবন্ধটোৰ বহু কথা ইতিমধ্যে আমাৰ আৰু আনবহুতৰে লিখা মেলাত প্ৰকাশ পাইছে। সেইফালৰ পৰা ইয়াৰ মৌলিকত্ব একো নাই। কিন্তু এই প্ৰবন্ধত অসমৰ

পৰিস্থিতিৰ এটা শেহতীয়া ৰাজনৈতিক মূল্যায়ণ কৰিবলৈ চেষ্টা কৰা হৈছে— যিটো এইসময়ত এক প্ৰয়োজনীয় বিষয় হৈ পৰিছে বুলি আমাৰ ধাৰণা। বহু বন্ধুৱে এই সম্পৰ্কে আপোনাৰ পৰা এটা উত্তৰ পালে পৰম আনন্দিত হ'ব।

আপুনি ভৱিষ্যতৰ লগত চুক্তি কৰাৰ কথা নাগৰিকত পঢ়ি খুব উৎফুল্লিত হৈছো। অসমৰ পঙ্গু মধ্যবিত্তই মুৰেৰে খোজ কাঢ়িছে। তেওঁলোকৰ ভৰিদুখন তল কৰি মুৰটো ওপৰলৈ তুলি পোন কৰিবলৈ আমাক বহু চিন্তাবিদ, লিখক সাহিত্যিক, সাংবাদিকৰ প্ৰয়োজন হৈছে। আমাৰ জাতীয় জীৱনৰ এই সংকটকালত আপুনি ইতিমধ্যেই যোগ্যস্থান দখল কৰিছে—আপোনাৰ নিজৰ জোৰতে। আমি আপোনাক সহায় কৰা দূৰৰ কথা, আমাৰ অতি সংকটপূৰ্ণ মুহূৰ্তবোৰত আপোনাৰ দৰে লোকৰ মুখলৈহে আমি অকণমান সহায় বিচাৰি আশাৰে বাট চাইছিলোঁ। আমি বহু ক্ষতি স্বীকাৰ কৰিবলগীয়া হৈছো, বহু কমৰেডৰ তেজ দিবলগীয়া হৈছে, কিন্তু তাৰ বিনিময়ত বহুতো মূল্যবান বস্তুও লাভ কৰিছো। আপোনাৰ দৰে চিন্তাশীল লোকৰ বিবেক-বুদ্ধিৰ প্ৰতিশ্ৰুতি আমি পালোঁ এই ফেছীবাদী আক্ৰমণৰ উত্তাল জোৱাৰৰ মাজতো। আমি বৰ্তমানৰ যুঁজত ভৱিষ্যতক ৰক্ষা কৰিছোঁ। কেইজনমান নুমলীয়া কৰিয়ে যদি আপোনাক নতুন জীৱনৰ সন্ধান দিব পাৰে, আপোনালোকৰ দৰে লোকৰ উৎসাহ-উদ্দীপনাই সহস্ৰজন অসমীয়া যুৱকৰ প্ৰাণত আৰু বহুত তেজ আৰু সাহস যোগাব।

আচল কথা হ'ল, অসমৰ প্ৰকৃত জাতিৰক্ষাৰ আন্দোলন চলিব লাগিব জাতিধ্বংসকাৰী উগ্ৰজাতীয়তাবাদী আৰু ফেছীবাদী শক্তিবোৰৰ বিৰুদ্ধেহে। আমাৰ এই সংগ্ৰাম হ'ব অসমৰ শ্ৰমজীৱী জনগণৰ গণতান্ত্ৰিক আৰু জীৱন-জীৱিকাৰ আন্দোলনৰ অবিচ্ছেদ্য অঙ্গ। আপুনি অসমৰ এই জন-গণতান্ত্ৰিক সংগ্ৰামত খুব সচেতন আৰু নিৰ্মোহ, আবেগহীন চিত্তে অসমবাসীৰ চিন্তাৰ নেতৃত্ব দিবলৈ আগবাঢ়ি আহিবনে ? ই কেৱল আবেগৰ প্ৰশ্ন নহয়; নিৰ্মোহ যুক্তি, কষ্ট, ত্যাগ আৰু ভৱিষ্যত দৰ্শনৰ প্ৰশ্ন। আপোনাৰ লগতো আমি ঠিক এই চৰ্ততেই চুক্তি কৰিব বিচাৰোঁ।

আশাকৰোঁ মোৰ কথাখিনি আপোনাৰ ওচৰত অবাঞ্ছিত নহ'ব। নহ'লে বহুৱালোকৰ ওচৰত জানো আমাৰ কথাবোৰৰ কিবা দাম থাকিব ?

শেষত শ্ৰদ্ধা আৰু শুভেচ্ছাৰে সামৰিলোঁ। ইতি

আপোনাৰ অচিনাকী বন্ধু

হীৰেন গগৈ।

MEMBER OF PARLIAMENT
( RAJYA SABHA )

নতুন দিল্লী
১১৭ চাউথ এভিনিউ
১০/৪ ৭০

মৰমৰ বৰগোহাঞি,

আগত ৰঙালী বিহুৰ কাৰণে শুভেচ্ছা আগতীয়াকৈ জনালোঁ।

আপোনাৰ চিঠি কেইখন পোৱা ভালে কেইদিন হ'ল। প্ৰথম কেইদিনমান উত্তৰ দিম দিম বুলি এলাহতে গ'ল। তাৰ পিচত কেইদিনমান ৰাজ্যসভা নিৰ্বাচনৰ কাৰণে বিহাৰ আদিলৈ যাব লগা হ'ল। আহিয়েই ৬ এপ্ৰিলৰ আমাৰ দলৰ দিল্লী শোভাযাত্ৰাৰ কাৰণে ঘূৰা-পকা আৰু অন্যান্য কামত থাকিবলগীয়া হ'ল। শোভাযাত্ৰাৰ ওপৰত পুলিচৰ যি নিৰ্মম অত্যাচাৰ চলিল কাগজত পঢ়িছেই। মই, শ্ৰীমতী আৰু ল'ৰাটো সকলো তাত আছিলো। কোনোৰকম মাৰ নোখোৱাকৈ থাকিলো। অৱশ্যে কন্দুৱা গেছে চকু উথহালে। জৰ্জ বোঁচৰকমে আহত হৈ এতিয়াও হস্পিতালত। ৰাজনাৰায়ণো। ৫ তাৰিখৰ পৰা মোৰ ঘৰ লোকে লোকাৰণ্য; মণিপুৰৰ সকলে আজিও ইন্দিৰা গান্ধীৰ ঘৰৰ সন্মুখত সম্পূৰ্ণ ৰাজ্যৰ দাবীতে 'ধৰ্ণা' দি আছে। মই আজি অসম মেইলত ঘৰলৈ ওলাইছো। শ্ৰীমতীহ'ত ইয়াতে আছে। বিহুৰ পিচতে ঘূৰিম। ঘূৰি আহিবৰ সময়ত গুৱাহাটীত লগ ধৰিবলৈ চেষ্টা কৰিম।

আপুনি খোজা প্ৰবন্ধটো এতিয়াও লিখা হোৱা নাই। লিখি দিম। বেয়া নাপাব।

ইতি
শুভেচ্ছাৰে
গোপাল বৰবৰা

আজকাল
( বাংলা দৈনিক )
৯৬, আমহারস্ট স্ট্রিট ( রাজা রামমোহন সরণি )
কলকাতা—৭০০০০৯ তাং ২৪/২/৮০

স্নেহের হোমেন,

মহারাষ্ট্র থেকে গতকাল ফিরে তোমার চিঠি পেলাম। পূর্বাঞ্চল সম্পর্কে আমি যে কত দুর্ভাবনাগ্রস্ত তার কতকটা তুমি জান। শিলচরে যখন তোমার

সঙ্গে আমার প্রথম দেখা তখনই তার কিছুটা আমি তোমাকে বলি। তারপর গৌহাটি যাই, দুর্ভাগ্য তোমার সঙ্গে দেখা হল না। তুমিও যে কতটা চিন্তাগ্রস্ত তা আমি জানি বলেই তোমার সঙ্গে দেখা করার জন্য আমার অত উদ্বেগ হয়েছিল। আমি বুঝতে পারছিলাম যে আমাদের কিছু একটা করা উচিত যাতে এই বিস্ফোরণটা এড়ানো যায়। কিন্তু বিস্ফোরণ আসন্ন জেনেও প্রতিকারের কোনো চেষ্টাই করা গেল না। এইটাই আফশোষ। যাইহোক এখনও আমাদের অনেক কাজ বাকী। কয়েকটা কাজ এখনই শুরু করে দিই এসো।

তুমি আসামে যা ঘটছে তার পটভূমি, কার কী ভূমিকা ইত্যাদি বিষয়াবলী সম্পর্কে যাবতীয় তথ্য সংগ্রহ করে তার ভিত্তিতে এটা অন্তর্ভেদী বিশ্লেষণমূলক প্রতিবেদন রচনা করে ফেল। রিপোর্টিং ইংরাজী ভাষায় হলেই ভাল হয়। আমি দিল্লিতে র‍্যাডিকল হিউম্যানিস্ট পত্রিকার সম্পাদক তারকুন্ডে, পুনাতে দি নিউ কোয়েস্ট কাগজের সম্পাদক এ. বি. শাহ এবং বোম্বাইতে ফ্রিডম ফার্স্ট, কাগজের সম্পাদক কবি নিসিম ইজিকিয়েলকে চিঠি লিখছি যাতে এদের কেউ সরাসরি তোমার সঙ্গে যোগাযোগ করেন। এই প্রতিবেদনের একটা বাংলা এবং ইংরাজী কপি আমারও দরকার।

আমাদের ভারতবাসীদের একটা প্রধান চরিত্র-লক্ষণ হচ্ছে এই যে আমরা কেউ কারো কোনও খবর রাখিনা রাখতে চাইও না। ভাবপ্রবণতার প্রবাহে সতত ধাবমান আমরা হয় ভালবাসতে পারি, আর না হয় কাউকে ঘৃণা করতে পারি। কিন্তু কাউকে বুঝতে চেষ্টা করি না। কেননা কাউকে বুঝতে গেলে তাকে জানতে হয় আর জানতে গেলে প্রচুর পরিশ্রম করতে হয়। জানার ভিত্তি কখনও ভাবপ্রবণতা হতে পারে না। জানাশোনার শক্ত ভিত্তি হচ্ছে একমাত্র তথ্য। তথ্যকে বিশ্লেষণী মনের দ্বারা বিচার করতে যে পারে তার পক্ষেই অন্যকে বোঝা সম্ভব হয়। ভারতীয় সাংবাদিকতার বড় দুর্বলতা এইখানে। সস্তায় কিস্তিমাত করতে ভারতীয় সাংবাদিকরা এত ব্যস্ত যে পাঠকের মনকে বিচারশীল করে তোলার কোনো চর্চাই তারা করছেন না। এবার শেষ বয়সে হোমেন, তাই এমন শক্ত দায়িত্ব গ্রহণ করলাম ভবিষ্যৎ কী জানি না। তবে তোমাদের মত লোককে যদি সহায়ক পাই. হয়তো সিরিয়াস সাংবাদিকতার একটা গোরাপত্তন করা যেতে পারে।

এবার তোমাকে একটা কথা বলি। তুমি আমার সঙ্গে ভবিষ্যতে আর একটু সহজভাবেই ব্যবহার করার চেষ্টা করো। আমার ক্ষমতা খুবেই

সীমাবদ্ধ। এবং তুমি স্বভাবত লাজুক। কিন্তু দেখছ তো দেশের অবস্থা! এই সময় আমাদের কাছে আসতে হবে। না হলে সর্বনাশ রুখব কী করে? পারি বা না পারি চেষ্টা তো করতে হবে।

ভালবাসা জেনো

কল্যাণার্থী

গৌরকিশোর ঘোষ

আজকাল, ৯৬ রাজা রামমোহন সরণি, কলিকাতা ৭০০০০৯

১০/৫/৮০

হোমেন,

তোমার শরীর বর্তমানে সুস্থ জেনে কিছুটা নিশ্চিত বোধ করছি। আজকেই তোমার চিঠি পেলাম। তার মানে চিঠি পত্র এখন যাতায়ত করতে শুরু করেছে। এটা শুভ লক্ষণ।

আমি তোমার মনের অবস্থা বেশ বুঝতে পারি। এত বড় একটা প্লাবনের বিরুদ্ধে তোমরা কজন যেভাবে মানবতার পক্ষে সংগ্রাম করে চলেছ, আজকের এই হিসেবী দুনিয়ায় এর নজির পাওয়া মুস্কিল। কী ঝুঁকিই না তোমরা নিয়েছ! তবে তোমাদের মত লোক আছে বলেই আমার ভরসা আছে যে আমাদের ভবিষ্যৎ যতটা অন্ধকারাচ্ছন্ন বলে মনে করছি সেটা অবিমিশ্র অন্ধকার নয়।

তোমার চিঠি নিয়ে আমি সোমবার অম্লান দত্তের সঙ্গে দেখা করব। অম্লান জুন মাস থেকে বিশ্বভারতীর উপাচার্য্যের দায়িত্ব গ্রহণ করছেন। তোমার প্রস্তাবটা ভাল। আশা করি এ ব্যাপারে কিছু করা যাবে।

জুলাই মাসে তুমি কলকাতায় আসছ, এ খবরে খুশি হলাম। তোমার যদি অসুবিধা না হয় তাহলে আমাদের বাসায় এসে থাকতে পার। আমরা সকলেই বেশ খুশি হব। যদি পার তবে হাতে কদিন সময় নিয়ে কলকাতায় এসো। তোমাকে নিয়ে একবার শান্তিনিকেতনে যাবার প্রগ্রাম করব।

রবিজিৎ তোমার যে লেখাগুলোর অনুবাদ পাঠিয়েছিল, ওকে বলো সেগুলো আমি পেয়েছি। বর্তমান থেকে প্রকাশিত "ভাবনা চিন্তা" নামে এক পাক্ষিক পত্রিকায় সেগুলো ধারাবাহিক প্রকাশিত হবে। আমরা আসাম থেকে যে বিবেকের কণ্ঠস্বর ধ্বনিত হচ্ছে তার প্রতি বিবেকবান বাঙালীর দৃষ্টি আকর্ষণ

করতে চাইছি। প্রথম কিস্তিতে আমার ভূমিকা সহ নিরুপমার "কলাধার" এ প্রকাশিত লেখাটি ছাপা হয়েছে। দ্বিতীয় কিস্তি থেকে পরপর কয়েকটি সংখ্যাই আমার লেখাগুলো ছাপা হবে। তারপরে উপসংহারে আসাম আন্দোলন সম্পর্কে আমার বক্তব্য ছাপা হবে। রচনাগুলো প্রকাশের পর আমরা একটা পুস্তিকাতে ওগুলো গ্রন্থিত করব। "ভাবনা চিন্তা" তোমার ও নিরুপমার নামে পাঠানো হয়েছে, আশা করি তোমরা পেয়ে যাবে।

তোমার পক্ষে যদি সম্ভব হয় তাহলে ডঃ এ. বি. শাহকে চিঠি দিও। এবং ওঁর কাগজে আসাম সম্পর্কে তোমার সুচিন্তিত মত জ্ঞাপন করো। এটা জরুরি। কেন না তোমার দৃষ্টিকোণ থেকে আসামের এই সমস্যার যুক্তিপূর্ণ আলোচনা ওঁর কাগজে প্রকাশিত হওয়া দরকার। কেন না ওঁর কাগজ ভারতে শুধু নয় ভারতের বাইরে ও নানা জায়গায় যায়।

শিবনারায়ণ রায়ের সম্পাদনায় নতুন একটা বাংলা ত্রৈমাসিক প্রকাশিত হয়েছে। নাম 'জিজ্ঞাসা'। জুলাই মাসে যখন আসবে কাগজটা তখনই দেব।

সতত তোমাদের কুশল কামনা করি। ভালবাসা জেনো।

ইতি

গৌরদা

তৃতীয় খণ্ড

# 'নাগৰিক'ৰ নিৰ্বাচিত প্ৰবন্ধাৱলী



## গণতন্ত্ৰ দিৱসৰ চিন্তা

আৰ্ণল্ড টয়নবী প্ৰথমবাৰ ভাৰতলৈ অহাৰ সময়ত এজন সাংবাদিকে তেওঁক প্ৰশ্ন কৰিছিল : "এই দেশৰ কোনটো অভিজ্ঞতাই আপোনাৰ মনত আটাইতকৈ গভীৰ ৰেখাপাত কৰিলে ?" এক মুহূৰ্তও চিন্তা নকৰাকৈ টয়নবীয়ে উত্তৰ দিলে : "এই দেশৰ দৰিদ্ৰ গ্ৰামবাসী কৃষকে। উদয়াস্ত পৰিশ্ৰম কৰি তেওঁ যি যৎসামান্য উপাৰ্জন ঘৰলৈ আনে, সেই উপাৰ্জনত তেওঁৰ নিজৰ কোনো অধিকাৰ নাই। তেওঁৰ দুৱাৰ মুখত গুৰুঘৰৰ টেকেলা আহি হাজিৰ : গুৰু কৰ লাগে। ৰজা বা জমিদাৰৰ টেকেলা আহি হাজিৰ : ৰাজ কৰ অৰ্থাৎ খাজনা লাগে। মহাজনৰ টেকেলা আহি হাজিৰ : ধাৰৰ সুত লাগে। হতভাগ্য দৰিদ্ৰ কৃষকৰ সামান্য উপাৰ্জন সকলোৱেই ভগাভগি কৰি লৈ যায় ; তেওঁলৈ ৰাখি যায় কেৱল অন্তহীন অভাৱ অনাটন আৰু ক্ষুধাৰ যন্ত্ৰণা। কেইবাহাজাৰ বছৰ ধৰি এই দৃশ্যৰ কোনো পৰিৱৰ্তন হোৱা নাই। এই দৰিদ্ৰ কৃষক জনেই হ'ল চিৰন্তন ভাৰতবৰ্ষৰ প্ৰতীক।"

ছমাৰছেট মম ভাৰতলৈ অাঁহোতে তেওঁক ঠিক সেই একেটাই প্ৰশ্ন কৰা হৈছিল। আৰু আচৰিতভাৱে মমৰ উত্তৰটোও আছিল টয়নবীৰ সৈতে সম্পূৰ্ণ একে—যেন দুয়ো আগতীয়াকৈ আলোচনা কৰিহে উত্তৰটো ঠিক কৰিছিল। মমে কৈছিল :—"ভাৰতৰ কোনটো দৃশ্যই মোৰ মনত মচিব নোৱৰা সাঁচ বহুৱাইছে ? এইদেশৰ দৰিদ্ৰ কৃষকৰ দৃশ্যই। এক অকৰুণ অগ্নিবৰ্ষী সূৰ্যৰ তলত সি হাজাৰ বছৰ ধৰি পথাৰত পৰিশ্ৰম কৰিছে, কিন্তু কোনোদিনেই সি পেট ভৰাই খাবলৈ পোৱা নাই। শতাব্দীৰ পিছত শতাব্দী ধৰি সি বিনা প্ৰতিবাদে নিজৰ ভাগ্যক মানি লৈছে। অশেষ ধৈৰ্যৰে অপেক্ষা কৰি আছে। পৃথিবীত এই দৃশ্যৰ দ্বিতীয় এটা তুলনা নাই।"

শতাব্দীৰ পিছত শতাব্দী ধৰি সি বিনাপ্ৰতিবাদে নিজৰ ভাগ্যক মানি লৈছিল, অশেষ ধৈৰ্যৰে অপেক্ষা কৰিছিল, কাৰণ তাৰ সান্ত্বনা আছিল কৰ্মফলৰ দৰ্শন, পৰকালৰ সপোন, ধৰ্মৰ আফিম। যি সকল ভাব-বিলাসী লোকৰ দৃষ্টিত অতীত মাত্ৰেই সোণালী আৰু সুন্দৰ, সেইসকল লোকে মূৰ্খৰ দৰে সঁচাকৈয়ে বিশ্বাস কৰে যে য়ুৰোপীয় উপনিৱেশবাদীসকল এই দেশলৈ অহাৰ আগলৈকে ভাৰতত দাৰিদ্ৰ্য নাছিল, শোষণ নাছিল, ৰজাৰ পৰা খৰিভাৰীলৈকে

-সকলোৱেই স্বৰ্গসুখত বাস কৰিছিল। অন্ততঃ জাতীয় মুক্তি সংগ্ৰামৰ সুদীৰ্ঘ কালছোৱাত এই কথাকেই প্ৰতিপন্ন কৰিবলৈ চেষ্টা কৰা হৈছিল যে—বিদেশী বৃটিছ শাসনেই হ'ল ভাৰতীয় জনতাৰ দাৰিদ্ৰ আৰু শোষণৰ মূল কাৰণ, এবাৰ বৃটিছ সকলক খেদি ল'ব পাৰিলেই ভাৰতৰ মানুহে তেওঁলোকৰ হেৰোৱা স্বৰ্গৰাজ্য পুনৰ ঘুৰাই পাব। ১৯৪৭ চনত বৃটিছসকলে ভাৰত এৰি গ'ল, কিন্তু তাৰ ফলত এই দেশৰ কোটি কোটি দৰিদ্ৰ শোষিত মানুহৰ ভাগ্য কিবা পৰিৱৰ্তন হ'লনে ?

কংগ্ৰেছৰ ত্ৰিশ বছৰীয়া শাসনত ভাৰতত একো কাম নহ'ল সেই কথা নিশ্চয় ক'ব নোৱাৰি। ত্ৰিশবছৰৰ ভিতৰতে ভাৰতে এটা বিৰাট জাপ মাৰি মধ্য-বিংশ শতাব্দীৰ বিজ্ঞান আৰু প্ৰযুক্তি বিদ্যাৰ যুগত প্ৰবেশ কৰিলে। ভাৰত পৃথিৱীৰ দশম ঔদ্যোগিক শক্তিত পৰিণত হ'ল। শিক্ষাৰ প্ৰসাৰো আগতকৈ যথেষ্ট দ্ৰুততৰ হ'ল—যদিও অৱশ্যে স্বাধীনতা লাভৰ ত্ৰিশবছৰ পিছতো এই দেশত সাক্ষৰ লোকৰ সংখ্যা শতকৰা ত্ৰিশ জনৰ তলতেই আছে। কৃষি ক্ষেত্ৰতো ভাৰতৰ উন্নতি উপেক্ষা কৰিব নোৱাৰি। চলিত দশকত ভাৰতে প্ৰথম-বাৰৰ কাৰণে খাদ্যৰ ক্ষেত্ৰত আত্মনিৰ্ভৰশীলতা অৰ্জন কৰিব পাৰিছে। এই সকলোবোৰেই হ'ল—কিন্তু তাৰ ফলত কোটি কোটি দৰিদ্ৰ জনতাৰ কি লাভ হ'ল ? চৰকাৰী পৰিসংখ্যা আৰু তথ্য পাতিয়েই এই কথা প্ৰমাণ কৰিছে যে ভাৰতৰ শতকৰা ৭০ জন লোকেই এতিয়াও দাৰিদ্ৰ্য সীমাৰেখাৰ তলত বাস কৰে। সেই কথাকেই সহজ ভাষাৰে ক'বলৈ হ'লে ক'ব লাগিব যে—স্বাধীনতা লাভৰ ত্ৰিশ বছৰৰ পিছতো ভাৰতৰ শতকৰা ৭০ জন মানুহে অৰ্থাৎ ৬০ কোটি মানুহৰ ভিতৰত ৪২ কোটি মানুহেই দুবেলা দুমুঠি পেট ভৰাই খাবলৈ নাপায়, গাত এডোখৰ কাপোৰ ল'বলৈ নাপায়। দেশত খাদ্য—শস্যৰ ভঁৰাল উভৈনদী হৈ আছে, অথচ কোটি কোটি মানুহে খাবলৈ নাপায় ভোকৰ জুইত চেঁওলাই পাৰি মৰে। ভাৰতে পৃথিৱীৰ ভিতৰতে বৃহত্তম বস্ত্ৰ উদ্যোগ গঢ়ি তুলিছে, অথচ শতকৰা ৭০জন মানুহৰ গাতেই যথেষ্ট কাপোৰ নাই, প্ৰত্যেক বছৰেই শীতৰ বতৰত গোটেই দেশতে হাজাৰ হাজাৰ মানুহ কুকুৰ মেকুৰীৰ দৰে মৰে। ৰাজহুৱাখণ্ডত বিৰাট বিৰাট উদ্যোগ গঢ়ি তোলা হৈছে আৰু সেইবোৰকেই সমাজবাদৰ ভিত্তি বুলি চীৎকাৰ কৰি প্ৰচাৰ কৰা হৈছে ঃ অথচ সেইবোৰ উদ্যোগত উৎপাদিত হোৱা সামগ্ৰী সুলভ মূল্যত বিদেশত বিক্ৰী কৰিব লগা হয়, কাৰণ সেইবোৰ কিনিবৰ জোখাৰে দেশীয় মানুহৰ ক্ৰয় শক্তি নাই। তেন্তে

এইটো কি ধৰণৰ উন্নতি হ'ল—যি উন্নতিৰ ফল দেশৰ শতকৰা ৭০ জন মানুহেই ভোগ কৰিবলৈ নাপায়? এইটো কি ধৰণৰ উন্নতি হ'ল—যি উন্নতিৰ ফলত দেশৰ ৪০ কোটি মানুহৰ বক্ত আৰু ঘামৰ সমুদ্ৰ মন্থন কৰি তুলি অনা অমৃত ঘোড়শোপচাৰে আগবঢ়াই দিয়া হয় মাত্ৰ কেইলাখমান মানুহৰ ভোগৰ কাৰণে? এইটো কি ধৰণৰ উন্নতি হ'ল—যি উন্নতিৰ ফলত হাজাৰ হাজাৰ বছৰ ধৰি সুদিনৰ কাৰণে অশেষ ধৈৰ্য্যৰে অপেক্ষা কৰি থকা দৰিদ্ৰ-শোষিত কৃষক-বনুৱাক আৰু হাজাৰটা বছৰৰ কাৰণে অপেক্ষা কৰি থাকিবলৈ বাধ্য কৰা হয়। দেশত গঢ় উঠা বিৰাট বিৰাট তীৰ্থাৰ মিলবোৰক বিদ্ৰূপ কৰি চৰণ সিং আৰু ৰাজনাৰায়ণে কৈছে, "দেশৰ ভোকাতুৰ মানুহে তীৰ্থাবোৰ খাই পেটৰ ভোক পলুৱাবনেকি?" তীৰ্থা খাই মানুহৰ নিশ্চয় পেট নভৰে; কিন্তু সমাজবাদৰ চং আৰু সংসদী গণতন্ত্ৰৰ ঢং খাই মানুহৰ পেট ভৰিছেনে?

ইয়াৰ আগতেও হাজাৰ বছৰ অপেক্ষা কৰাৰ দৰে দেশৰ মানুহে স্বাধীনতাৰ পিছত আৰু ত্ৰিশটা বছৰ অপেক্ষা কৰিলে। তেওঁলোকক আগতে কোৱা হৈছিল যে বৃটিছসকল গ'লেই তেওঁলোকৰ সুদিন আহিব, সকলোৱেই পেট ভৰাই খাবলৈ পাব। বৃটিছসকল গ'ল, বেছিভাগ মানুহৰ পেটৰ জ্বালা আগতকৈ বাঢ়িল। তেন্তে দোষ কংগ্ৰেছীসকলৰ গাতেই। ত্ৰিশ বছৰ ধৈৰ্য ধৰি অপেক্ষা কৰাৰ পিছত ভাৰতৰ জনতাই এক ধাক্কা মাৰি কংগ্ৰেছকো ক্ষমতাচ্যুত কৰিলে। ক্ষমতা তুলি দিলে জনতা পাৰ্টিৰ হাতত। জনতা পাৰ্টি ক্ষমতালৈ অহা এবছৰো হোৱা নাই। মানুহক তেওঁলোকে ভাত-কাপোৰ দিব পাৰিব নে নোৱাৰে, সেই কথা কোৱাৰ সময় এতিয়াও হোৱা নাই এখোন। কিন্তু দিব পৰাৰ লক্ষণ মানুহে তেওঁলোকৰ গাত দেখিছেনে? মোৰাৰজী দেশায়ে দহবছৰ সময় লৈছে। দহবছৰৰ মুৰত তেওঁ সকলো মানুহকে কাম দিব। কাম মানেইতো ভাত, কাপোৰ, ঘৰ। কিন্তু চিৰ তৰুণ মোৰাৰজী দেশায়ে পাহৰি গ'লেও আমি এটা কথা নাপাহৰো যে মানুহ নশ্বৰ, মৰণশীল। দহবছৰৰ মুৰত নিজৰ কৃতকাৰ্যতাৰ কাৰণে বাহাদুৰি ল'বলৈ বা ব্যৰ্থতাৰ কাৰণে কৈফিয়ৎ দিবলৈ মোৰাৰজী দেশাই আমাৰ সমুখত থাকিবনে? মোৰাৰজী দেশায়ে শুনি বেয়া পালেও আমি কিন্তু এটা কথা ক'বলৈ বাধ্য হৈছো—যোৱা দহমাহে আমি দেখিছো যে জনতা চৰকাৰৰ বা পাৰ্টিৰ শতকৰা ৯০ ভাগ শক্তি খৰচ হৈছে ক্ষমতাৰ খোৱা-কামোৰাতহে, মানুহক ভাত-কাপোৰ দিয়াৰ চিন্তাত নহয়। বংশীলাল গ'ল, দেবীলাল আহিল, কৈলাশ যোশী

গ'ল, চেক্‌লেছা আহিল। শান্তাকুমাৰ যাওঁ যাওঁ হৈছিল, কোনোমতে এই যাত্ৰালৈ ৰক্ষা পৰিল। ভাৰতীয় দৰিদ্ৰ কৃষকৰ বন্ধু চৰণ সিঙক পূজা কৰিবলৈ চৰকাৰী খৰচত দিল্লীত দহলাখ কৃষক জমা হ'ল। চৰণ সিঙে দাবী কৰিছে যে—দৰিদ্ৰ কৃষকসকলে তেওঁক ভাল পায়, সেইকাৰণে দহোবন কাটি কৰিও আনে ভাড়া কৰা ট্ৰাক-বাছত উঠি দূৰ-দূৰান্তৰৰ পৰা গৈ তেওঁলোক দিল্লীত হাজিৰ হৈছেগৈ। আমাৰ কেৱল প্ৰশ্ন এইটোৱেই: আমাৰ জাতি-ভাই আৰ্যাবৰ্তৰ জাটসকলে যদি তেওঁক ইমানেই ভাল পায়, তেন্তে সেই প্ৰেম আৰু ভক্তিৰ যোড়শোপচাৰ তেওঁলোকে চৰণ সিঙক আগতেই নিদিলে কিয়? কিয় তেওঁলোকে বাট চাই ৰ'ল চৰণ সিং ভাৰতৰ গৃহমন্ত্ৰী হোৱা দিনটোলৈ? এইবোৰ ছলাহী কথাৰে আৰু মানুহক কিমান দিন ভুৰা দি ৰাখিব? আৰ্ণল্ড টয়নবী বা ছুমাৰছেট মমক ভাৰতৰ যিটো দৃশ্যই আটাইতকৈ বেছিকৈ অভিভূত কৰিছিল, সেইটো আছিল চিৰ দৰিদ্ৰ ভাৰতীয় কৃষকৰ দৃশ্য—শতাব্দীৰ পিছত শতাব্দী ধৰি যাৰ কোনো পৰিৱৰ্তন হোৱা নাছিল। কিন্তু পৃথিৱীৰ ইতিহাসত তিনি হাজাৰ বছৰত নোহোৱা পৰিৱৰ্তন যেনেকৈ যোৱা তিনিশ বছৰত হৈ গ'ল তেনেকৈ স্থানু, জড়বৎ, চিৰ অপৰিৱৰ্তনীয় ভাৰতীয় কৃষকৰো যোৱা ত্ৰিশবছৰত কিছু পৰিবৰ্তন নিশ্চয় হৈছে। ইন্দিৰা গান্ধী, মোৰাৰজী দেশাই বা চৰণ সিঙৰ প্ৰতিশ্ৰুতিত ভোল গৈ তেওঁলোকে আৰু বোধহয় ত্ৰিশটা বছৰো অপেক্ষা নকৰিব।

গণতন্ত্ৰ, সমাজবাদ, চিন্তা আৰু প্ৰকাশৰ স্বাধীনতা—এইবোৰ নিশ্চয় খুব ভাল কথা, দৰকাৰী কথা। কিন্তু বিয়াল্লিশ কোটি আধাপেটী আৰু লঘোনীয়া ভাৰতীয়ক প্ৰথমতে পেটৰ ভাত লাগে, কাৰণ সকলো স্বাধীনতাতকৈ প্ৰথম দৰকাৰী স্বাধীনতা হ'ল জীয়াই থকাৰ স্বাধীনতা। যি ৰাজনৈতিক আদৰ্শ আৰু কৰ্মসূচীয়ে কেইহাজাৰমান মানুহক চিন্তা আৰু প্ৰকাশৰ স্বাধীনতা, কেইলাখমান মানুহক অফুৰন্ত বিলাস বৈভৱ আৰু কেইকোটিমান মানুহক দুবেলা দুমুঠি ভাত দি বাকী কোটি কোটি সংখ্যাগৰিষ্ঠ মানুহক দি আহিছে কেৱল মিছা প্ৰতিশ্ৰুতি আৰু অন্তহীন ক্ষুধাৰ যন্ত্ৰণা, সেই বাক সৰ্বস্ব ফোঁপোলা ৰাজনৈতিক আদৰ্শ আৰু কৰ্মসূচীক মানুহে আৰু বেছিদিন বৰদাস্ত কৰি নাথাকিব। থকা উচিত নহ'ব।

আজি গণতন্ত্ৰ দিবসৰ দিনা মোৰ মনলৈ আহিছে লেনিনে মৃত্যুশয্যাত কোৱা এষাৰ কথা। তেওঁ কৈছিল: "চূড়ান্ত বিচাৰত আমাৰ সংগ্ৰামৰ কৃতকাৰ্যতা

যিটো কথাৰ ওপৰত নিৰ্ভৰ কৰিব—সেইটো হ'ল এই বাস্তৱ সত্যটো যে পৃথিৱীৰ বিপুল সংখ্যাগৰিষ্ঠ মানুহ বাস কৰে চীন, ভাৰত আৰু ৰাছিয়াত।" বিংশ শতাব্দীত এই তিনিওখন দেশতেই তিনিজন বিপ্লৱী মনিষীৰ জন্ম হৈছিল। ভাৰতত গান্ধীজী, ৰাছিয়াত লেনিন আৰু চীনত মাও চে-টুঙ। তিনিও নিজ নিজ দেশত নতুন সমাজ আৰু নতুন মানুহ সৃষ্টিৰ কাৰণে সাধনা কৰিছিল। ৰাছিয়া আৰু চীনত নতুন মানুহ সৃষ্টি হওক নহওক—এটা কথা নিশ্চয় হ'ল যে—মানুহৰ ওপৰত মানুহৰ যুগ যুগ ধৰি চলি অহা নিৰ্মম শোষণৰ তাত অন্ত পৰিল। ত্ৰিশ বছৰতকৈ কম সময়তে দুয়োখন দেশে এই অসাধ্য সাধন কৰিলে। কিন্তু গান্ধীজীৰ ভাৰতত নতুন মানুহ বা নতুন মূল্যবোধতো সৃষ্টি নহ'লেই, বৰং খাবলৈ নাপাই মৰা মানুহৰ সংখ্যা কম হোৱা বা নোহোৱা দূৰৰ কথা, দিনে দিনে সি বাঢ়িহে গৈ আছে। ভাৰতৰ ভোকাতুৰ মানুহে যেতিয়া এই সত্যটো ভালকৈ উপলব্ধি কৰিব, তেতিয়া তেওঁলোকে গোটেই কথাবোৰ নতুনকৈ চিন্তা কৰি নাচাবনে ?

২৬ জানুৱাৰী, ১৯৭৮

# ৰাজনীতি আৰু নৈতিকতা

চৰকাৰী চাকৰিৰ বিচাৰি ১৯৫৪ চনত মই অসম লোক সেৱা আয়োগৰ আগত হাজিৰ হৈছিলো। ইণ্টাৰভিউ লোৱা লোককেইজনৰ ভিতৰত এজন আছিল ড° ভুবনেশ্বৰ বৰুৱা। আয়োগৰ অন্যান্য সদস্য কেইজনে জাউৰিয়ে জাউৰিয়ে কৰা প্ৰশ্নৰ মাজতে ড° বৰুৱাই মোক কেৱল এটা প্ৰশ্ন কৰিলে: "ধৰি লোৱা নিৰ্বাচন হ'ব ধৰিছে। তোমাৰ সমৰ্থিত দুজন প্ৰাৰ্থী থিয় হৈছে। এজন কংগ্ৰেছ প্ৰাৰ্থী, আনজন নিৰ্দলীয় প্ৰাৰ্থী। কংগ্ৰেছ প্ৰাৰ্থীজনক ভাল মানুহ নহয় বুলি তুমি জানা। আনহাতে নিৰ্দলীয় প্ৰাৰ্থীজন অত্যন্ত সাধু প্ৰকৃতিৰ মানুহ। তুমি কোনজনক ভোট দিবা ?

সাধাৰণ অৱস্থাত মই এই প্ৰশ্নৰ কি উত্তৰ দিলোহেঁতেন নাজানো, কিন্তু সেই মুহূৰ্তত মোৰ একমাত্ৰ ধ্যান-জ্ঞান আছিল চৰকাৰী চাকৰিটো। মই অনুভৱ কৰিলো যে এই প্ৰশ্নটোৰ এটা সন্তোষজনক উত্তৰৰ ওপৰতে মোৰ চাকৰিৰ পোৱা নোপোৱা বহু পৰিমাণে নিৰ্ভৰ কৰিছে। লগতে মই এই কথাও অনুভৱ কৰিলো যে কংগ্ৰেছ প্ৰাৰ্থীজনক ভোট নিদিওঁ বুলি ক'লে মোৰ চাকৰিৰ পোৱাৰ আশা শূন্য। মই এনেকুৱা এটা উত্তৰ দিব লাগিব যিটোৰ দ্বাৰা "মিতিৰো বৰ চাউলো সিজিব—" অৰ্থাৎ মোৰ চাকৰিটোও সুনিশ্চিত হ'ব, লগতে মোৰ নৈতিক বিচাৰ বুদ্ধিও খুব অশ্ৰদ্ধেয় বুলি প্ৰমাণিত নহ'ব। ড° বৰুৱাই তেওঁৰ বিখ্যাত হাঁহিটোকে মুখখন উজ্জ্বলাই এটা চকু মুদি আনটো চকুৰে মোলৈ একে ঠিৰে চাই আছে। তেওঁৰ সেই একচকুৱা দৃষ্টিয়ে মোৰ কাষলটিৰ তলত কেঁচা ঘামৰ টোপাল বোৱাবলৈ আৰম্ভ কৰিছে। একমাত্ৰ চাকৰি প্ৰাৰ্থীসকলেহে মোৰ সেই সময়ৰ শাৰীৰিক আৰু মানসিক অৱস্থা অনুভৱ কৰিব পাৰিব। সুদীৰ্ঘ আধা মিনিট সময় পাৰ হৈ গ'ল। ড° বৰুৱাই আকৌ মাত লগালে: "কি হ'ল ? উত্তৰ নিদিয়া কিয় ? এনেকৈ নিবোকা চামোনটো হৈ বহি থাকিলে হ'বনে ?

মৰণত শৰণ লৈ মই উত্তৰ দিলো: "মই কংগ্ৰেছ প্ৰাৰ্থীজনকেই ভোট দিম।"

মোৰ কলিজা কঁপাই ড° বৰুৱাই গৰগৰীয়া মাতেৰে কৈ উঠিল: "ৰাম- ৰাম। তুমি কি ধৰণৰ ল'ৰাহে ? কংগ্ৰেছ প্ৰাৰ্থীজনক বেয়া মানুহ বুলি জানিও তুমি ভোট দিবা ?"

মই উত্তৰ দিলো : "চাৰ, গণতান্ত্ৰিক শাসন ব্যৱস্থাত দলীয় নীতি আৰু কাৰ্যসূচীৰ দ্বাৰাইহে দেশ শাসিত হয়, কোনো মানুহৰ ব্যক্তিগত সততা বা অসততাৰ দ্বাৰাই নহয়। কংগ্ৰেছ প্ৰাৰ্থী জন মানুহ হিচাপে বেয়া মানুহ হ'ব পাৰে, কিন্তু নিৰ্বাচনৰ প্ৰাৰ্থী হিচাপে তেওঁ মোৰ চকুত এটা ৰাজনৈতিক আদৰ্শৰ প্ৰতিভূ মাত্ৰ। তেওঁক সমৰ্থন কৰি মই আচলতে এটা ৰাজনৈতিক আদৰ্শকহে সমৰ্থন কৰিম। আনহাতে নিৰ্দলীয় প্ৰাৰ্থীজন মানুহ হিচাপে ভাল মানুহ হ'লেও তেওঁৰ যিহেতু কোনো নিৰ্দিষ্ট ৰাজনৈতিক আদৰ্শ আৰু কাৰ্যসূচী নাই আৰু তেওঁৰ পিছত কোনো দলীয় সমৰ্থন নাই, গতিকে কেৱল ব্যক্তিগত সততাৰ দ্বাৰাই তেওঁ গুৰুত্বপূৰ্ণ ৰাজনৈতিক আলোচনা আৰু সিদ্ধান্তবোৰৰ ওপৰত বিশেষ একো প্ৰভাৱ বিস্তাৰ কৰিব নোৱাৰিব।"

মোৰ উত্তৰ শুনি আয়োগৰ আটাইকেইজন সদস্য কেইমুহূৰ্তমান নীৰৱ হৈ থকাৰ পিছত ড° বৰুৱাই অৱশেষত মাত লগালে : "বাঃ দেখাত ল'ৰাটোক যিমান অজলা বুলি ভাবিছিলো সিমান অজলা ই নহয়। ল'ৰা চালাক আছে।"

ড° বৰুৱাই আচলতে কি অৰ্থ কৰিছিল মই আজিও নাজানো, কিন্তু চাকৰিটো মই পালো। তাৰ পিছত বহু বছৰ পাৰ হৈ গ'ল। চালাক উত্তৰ এটা দি চৰকাৰী চাকৰি এটা পাইছিলো, কিন্তু এটা সময়ত সেই চালাকি বিসৰ্জন দিয়াৰ ফলত চাকৰি এৰিবলৈকো বাধ্য হ'লো। কিন্তু ড° বৰুৱাৰ সেই প্ৰশ্নটোৰ কথা মই এতিয়াও পাহৰা নাই। বিশেষকৈ নিৰ্বাচন আহিলেই সেই প্ৰশ্নটোৰ কথা মোৰ মনত পৰে।

নিৰ্বাচন আকৌ আহিছে। আজি মই চাকৰি প্ৰাৰ্থী নহয়। কাৰো অনুগ্ৰহ প্ৰাৰ্থীও নহয়। অৰ্থাৎ আজি আৰু মোৰ চালাক হোৱাৰ কোনো প্ৰয়োজন নাই, প্ৰয়োজন আছে কেৱল সৎ হোৱাৰ, বিবেকী হোৱাৰ, দূৰদৰ্শী হোৱাৰ। আজিও যদি মই পুনৰ সেই একেটা প্ৰশ্নৰ সন্মুখীন হওঁ, তেতিয়াহ'লে মই তাৰ কি উত্তৰ দিম ?

আৰু এমাহতকৈ কম সময়ৰ ভিতৰতে কেৱল ময়েই নহয়, দেশৰ কোটি কোটি মানুহ সেই প্ৰশ্নৰ সন্মুখীন হ'ব। স্বাভাৱিকতেই মানুহৰ মনত প্ৰথম আৰু প্ৰধান প্ৰশ্নটো হ'ব : কোনটো দলক ভোট দিম ? অহা পাঁচটা বছৰৰ কাৰণে কোনটো দলৰ হাতত ক্ষমতা তুলি দিম ? ধৰি ল'লো যে প্ৰত্যেক ভোট-

দাতাই নিজৰ নিজৰ ৰাজনৈতিক আদৰ্শ আৰু বিচাৰ বুদ্ধি অনুযায়ী সেই প্ৰশ্নৰ উত্তৰ ঠিক কৰিব। কিন্তু যেতিয়া দ্বিতীয় প্ৰশ্নটো অৰ্থাৎ প্ৰাৰ্থীজনৰ ব্যক্তিগত সততাৰ প্ৰশ্নটো আহিব, তেতিয়া আপুনি কি কৰিব? যদি আপোনাৰ পছন্দৰ ৰাজনৈতিক দলটোৰ প্ৰাৰ্থীজন দেখদেখকৈ অসাধু, স্বাৰ্থপৰ আৰু সুবিধাবাদী হয়, যদি তেওঁৰ প্ৰতিদ্বন্দ্বীজন আপোনাৰ বিচাৰত অন্ততঃ আপেক্ষিকভাৱে হ'লেও আদৰ্শ চৰিত্ৰৰ মানুহ হয়, তেতিয়া আপুনি কি কৰিব?

এনেবোৰ প্ৰশ্নৰ কোনো সৰল আৰু পোনপটীয়া উত্তৰ নিশ্চয় নাই। আমাৰ বিচাৰ বুদ্ধিক ভীষণভাৱে প্ৰত্যাহ্বান জনোৱা বহুতো জটিল কথা আমি একে সময়তে বিবেচনা আৰু বিশ্লেষণ কৰি চাব লাগিব। তথাপি সাধাৰণভাৱে কেইটামান কথা আমি এতিয়াই নিশ্চয় আলোচনা কৰি চাব পাৰো।

আমাৰ দেশত ৰাজনীতি কৰা মানুহবোৰক সাধাৰণতে দুটা শ্ৰেণীত ভাগ কৰিব পাৰি। এক শ্ৰেণীৰ মানুহে ৰাজনীতি কৰে কেৱল ক্ষমতাৰ মোহত, বা ব্যক্তিগত স্বাৰ্থসিদ্ধিৰ আশাত। আধুনিক মনস্তত্ত্ববিদসকলে প্ৰমাণ কৰি দেখুৱাইছে যে মানুহৰ Urge for sex অৰ্থাৎ যৌন লিপ্সাতকৈ Urge for power অৰ্থাৎ ক্ষমতা লিপ্সা অনেক গুণে বেছি প্ৰবলতৰ প্ৰবৃত্তি। ক্ষমতাৰ লোভত বেছি ভাগ মানুহেই কৰিব নোৱৰা কাম একো নাই। এই শ্ৰেণীৰ মানুহে দলীয় ৰাজনৈতিক আদৰ্শ আৰু কাৰ্যসূচীক নিজৰ স্বাৰ্থসিদ্ধিৰ উদ্দেশ্যে অস্ত্ৰ হিচাপেহে ব্যৱহাৰ কৰে। ভাৰতত কংগ্ৰেছ, জনতা আদি শিথিল গণ-ভিত্তিক দলবোৰত এনেকুৱা মানুহৰ সংখ্যাই বেছি। ফলত এইবোৰ দলৰ পৰা আটাইতকৈ বেছি সংখ্যক মানুহে সুবিধা বা প্ৰয়োজন বুজি দলত্যাগ কৰে। যিটো বস্তুৱে এইবোৰ মানুহক একগোট কৰি বান্ধি ৰাখে, সেইটো হৈছে ক্ষমতাৰ অংশ পোৱাৰ লোভ। যেতিয়াই এনেবোৰ দলে ক্ষমতা হেৰুৱায় বা হেৰুওৱাৰ আশংকাই দেখা দিয়ে, তেতিয়াই ডুবিব ধৰা জাহাজৰ পৰা নিগনিবোৰে তৰা-নৰা ছিঙি পলোৱাৰ দৰে সুবিধাবাদী ক্ষমতা-সৰ্বস্ব মানুহবোৰেও দল ত্যাগ কৰি নতুনকৈ ক্ষমতা পোৱা দলত যোগ দিয়ে। আৰু যিহেতু মানুহৰ rationalise কৰাৰ অৰ্থাৎ নিজৰ যি কোনো কৰ্ম বা দুষ্কৰ্মৰ সপক্ষে যুক্তি উদ্ভাৱন কৰাৰ বুদ্ধি অন্তহীন, গতিকে এইসকল লোকেও এটা দল ত্যাগ কৰি আন এটা দলত যোগ দিয়াৰ সপক্ষে নাকটো

চিকুটিয়েই একো একোটা নতুন যুক্তি উলিয়াব পাৰে। ১৯৬৭ চনৰ আগলৈকে কংগ্ৰেছ যেতিয়া অপ্ৰতিদ্বন্দ্বী ক্ষমতাৰ অধিকাৰী আছিল, কংগ্ৰেছে ক্ষমতা হেৰুওৱাৰ কোনো ভয় নাছিল, তেতিয়া আদৰ্শৰ নাম লৈ কোনো এজন কংগ্ৰেছীয়েই নিজ দল ত্যাগ কৰি বেলেগ দলত যোগ দিয়া নাছিল। ১৯৬৭ চনত যেতিয়াই কংগ্ৰেছে দেশৰ বহুকেইখন ৰাজ্যত ক্ষমতা হেৰুৱালে, সেই মুহূৰ্তৰ পৰাই ভাৰতৰ সুবিধাবাদী দলত্যাগৰ ৰাজনীতিৰ ঘৃণনীয় প্ৰক্ৰিয়াৰ সূচনা হ'ল। ১৯৬৭ চনৰ পৰা ১৯৭৭ চনলৈকে এই এটা দশকৰ ভাৰতীয় ৰাজনীতিৰ গতি প্ৰকৃতি সূক্ষ্মভাৱে অনুধাৱন কৰি চালে দেখা যায় যে এই এটা দশকতে গান্ধীজীৰ দেশ ভাৰতত ৰাজনীতিৰ পৰা নৈতিক মূল্যবোধ আৰু আদৰ্শবাদিতা সম্পূৰ্ণৰূপে নিৰ্বাসিত হ'ল, তাৰ ঠাই ললে ক্ষমতাৰ অন্ধ অন্বেষণে। এই নৈতিক মূল্যবোধবৰ্জিত ক্ষমতা অন্বেষণৰ চূড়ান্ত পৰিণতি ঘটিল একনায়কত্ববাদী বৰ্বৰতাত, মানৱিক প্ৰমূল্যসমূহৰ পাইকাৰী বিনাশত নিৰ্লজ্জ চাটুকাৰিতা আৰু অন্ধ ব্যক্তিপূজাত, ক্ষমতাৰ বেদীত আত্ম-সন্মান আৰু বিবেকৰ বিসৰ্জনত।

সত্যৰ খাটিৰত এই কথা অৱশ্যেই স্বীকাৰ কৰিব লাগিব যে ৰাজনীতি কৰা দ্বিতীয় এক শ্ৰেণীৰ মানুহো নিশ্চয় আছে। তেওঁলোকে ৰাজনীতি কৰে আদৰ্শৰ তাড়নাত, ৰাজনীতি তেওঁলোকৰ কাৰণে সামাজিক ৰূপান্তৰৰ সঁজুলি মাত্ৰ। টমাছ মানৰ দৰে এইসকল লোকেও বিশ্বাস কৰে: "In our time, the destiny of man presents its meaning in political terms।"

কিন্তু অৱধাৰিত কাৰণত কংগ্ৰেছ আৰু জনতাৰ নিচিনা শিথিল গণ ভিত্তিক দলবোৰত এনে মানুহৰ সংখ্যা তাকৰ। আটাইকেইটা কমিউনিষ্ট পাৰ্টি আৰু ৰাষ্ট্ৰীয় স্বয়ংসেৱক সংঘৰ নিচিনা কঠোৰ অনুশাসন থকা আৰু আদৰ্শবাদী কৰ্মী-ভিত্তিক দলবোৰৰ মাজতেই এনে লোকৰ সংখ্যা বেছি। আজি কংগ্ৰেছ জহি-খহি যোৱাৰ লগে লগে তাৰ পৰা দলে দলে মানুহ ওলাই আহি যিভাৱে জনতাত যোগ দিছে, তেনেকৈ তেওঁলোকে চি পি. এমত যোগ দিব পাৰিবনে? ১৯৭২ চনৰ নিৰ্বাচনত পশ্চিম বংগত চি পি এম পৰাজিত (?) হোৱাৰ পিছত হাজাৰ হাজাৰ চি পি এম কৰ্মীয়ে কংগ্ৰেছী মস্তান আৰু পুলিচৰ ভয়ত বছৰৰ পিছত বছৰ ধৰি নিজৰ ঘৰলৈ আহিব নোৱৰা হৈছিল, তেওঁলোকে দিহিঙে-দিপাঙে অনাই-বনাই ঘূৰি ফুৰিব লগা

হৈছিল। কিন্তু সেই ব্যক্তি কোনোবা চি পি এম কৰ্মীয়ে নিজৰ দল ত্যাগ কৰিবলেনে? আপুনি চি পি এমৰ মতবাদ সমৰ্থন কৰেনে নকৰে সেইটো সুকীয়া কথা; কিন্তু এই কথা আপুনি স্বীকাৰ কৰিবই লাগিব যে এই-সকল লোক এটা বিশেষ আদৰ্শবাদৰ দ্বাৰা উদ্বুদ্ধ, ব্যক্তিগত ক্ষমতা-লিপ্সাৰ দ্বাৰা তাড়িত হৈ তেওঁলোকে নিজৰ বিবেক আৰু বিচাৰ-বুদ্ধি বিসৰ্জন দি দল বাগৰি ঘূৰি নুফুৰে।

আগন্তুক নিৰ্বাচনৰ পৰিপ্ৰেক্ষিতত এতিয়া প্ৰধান প্ৰশ্ন হ'ল আপুনি কেনেকুৱা মানুহক ভোট দিব? আপুনি প্ৰাৰ্থীজনৰ কেৱল নিৰ্বাচনী প্ৰতীকটো অৰ্থাৎ ৰাজনৈতিক দলটোকেই চাব, নে তেওঁৰ ব্যক্তিগত স্বভাৱ চৰিত্ৰও বিচাৰ কৰি চাব? যদি আপুনি দেখে যে আপোনাৰ পছন্দৰ ৰাজনৈতিক দলটোৰ প্ৰাৰ্থীজন মানুহ হিচাপে অসৎ আৰু বিশ্বাসৰ অযোগ্য অথচ দেশৰ বৃহত্তৰ স্বাৰ্থত আপুনি সেই দলটোক জয়যুক্ত কৰিবই খোজে তেতিয়া আপুনি কি কৰিব?

প্ৰাৰ্থীজনৰ স্বভাৱ-চৰিত্ৰ বুলিলে আমি ঘাইকৈ দুটা কথা বুজিব লাগে। এটা হ'ল তেওঁৰ ব্যক্তিগত নৈতিক চৰিত্ৰ, আনটো তেওঁৰ ৰাজনৈতিক চৰিত্ৰ। ব্যক্তিগত নৈতিক চৰিত্ৰ ব্যাখ্যা কৰি বুজাবৰ প্ৰয়োজন নাই। ৰাজনৈতিক চৰিত্ৰ মানে আমি এই কথাকেই বুজাব খুজিছো যে কোনো এটা দলৰ প্ৰতি এজন মানুহৰ আনুগত্যৰ ভিত্তি হোৱা উচিত তেওঁৰ গভীৰ আৰু অবিচল ৰাজনৈতিক বিশ্বাস, ৰাজনৈতিক দৰ্শন, সেই বিশ্বাস আৰু দৰ্শনৰ কাৰণে সৰ্বস্ব পণ কৰিব পৰা তেওঁৰ চাৰিত্ৰিক শক্তি। সেয়ে নহৈ যদি এজন মানুহে কেৱল ক্ষমতাৰ লোভত বা ব্যক্তিগত স্বাৰ্থসিদ্ধিৰ আশাতহে কোনোবা এটা দলত যোগ দিয়ে তেন্তে তেনে মানুহৰ কোনো ৰাজনৈতিক চৰিত্ৰ নাই বুলিয়েই ক'ব লাগিব।

ধৰি লওক, যেতিয়া মুছলীম লীগৰ ভৱিষ্যত অতি উজ্জ্বল যেন দেখা গৈছিল, তেতিয়া এজন মানুহ মুছলীম লীগত আছিল। যি মুহূৰ্তত মুছলীম লীগৰ ভৱিষ্যত নোহোৱা হৈ গ'ল, কংগ্ৰেছৰ জয় জয়কাৰ অৱস্থা হ'ল তেওঁ হৈ পৰিল কংগ্ৰেছৰ এজন প্ৰধান পাণ্ডা। কিন্তু যি মুহূৰ্তত কংগ্ৰেছ ক্ষমতাচ্যুত হ'ল ঠিক সেই মুহূৰ্তত তেওঁক দেখা গ'ল জনতাদলৰ নেতা-সকলৰ আগশাৰীত। অৰ্থাৎ যেতিয়াই যি দলৰ হাতত ক্ষমতা থাকে সেই-দলতে মূৰ সোমোৱাবলৈ এনেবোৰ মানুহৰ এটা অদ্ভুত ক্ষমতা আছে। তেওঁ

বাৰু নিজৰ ব্যক্তিগত স্বাৰ্থসিদ্ধিৰ আশাতেই এনেকৈ দল বাগৰি থাকে, কিন্তু আপুনি কিহৰ স্বাৰ্থত এনেবোৰ মানুহক সমৰ্থন কৰি থাকে ?

আমি ভাবো যে ভোট দিবৰ সময়ত কেৱল ৰাজনৈতিক দল বা আদৰ্শই একমাত্ৰ বিচাৰ্য বিষয় হোৱা উচিত নহয়। তাৰ লগতে প্ৰাৰ্থীজনৰ নৈতিক আৰু ৰাজনৈতিক চৰিত্ৰও বিচাৰ কৰি চাব লাগিব। কাৰণ মানুহ লগলাগিহে দল গঠন কৰে। এটা দলত যদি বেছিভাগ মানুহেই বেয়া হয়, তেন্তে সেইদলৰ কেৱল কাগজত লেখা ইস্তাহাৰখনে আপোনাৰ পেট ভৰাব নোৱাৰে। ১৯৭২ চনৰ নিৰ্বাচনত ইন্দিৰা গান্ধীৰ মিঠা কথা আৰু মিছা প্ৰতিশ্ৰুতিত অৰ্থাৎ দলীয় ইস্তাহাৰত ভোল গৈ কোটি কোটি মানুহে কংগ্ৰেছক অভূতপূৰ্ব সংখ্যাগৰিষ্ঠতা দিলে ; কিন্তু সেই সংখ্যাগৰিষ্ঠতা ইন্দিৰাগান্ধী বা কংগ্ৰেছে কি কামত লগালে ? কংগ্ৰেছে সংখ্যা গৰিষ্ঠতা বিচাৰিছিল দৰিদ্ৰতা দূৰ কৰিবৰ কাৰণে ; কিন্তু তাক কামত লগালে বংশানুক্ৰমিক ৰাজত্ব প্ৰতিষ্ঠা কৰাৰ উদ্দেশ্যত। কংগ্ৰেছে সংখ্যা গৰিষ্ঠতা বিচাৰিছিল দেশত সমাজবাদ স্থাপনৰ কাৰণে ; কিন্তু তাক প্ৰয়োগ কৰা হ'ল একনায়কত্ববাদ স্থাপন কৰাৰ কামত। এইটো ঘটিবলৈ পালে ঘাইকৈ এই কাৰণেই যে মানুহে কংগ্ৰেছৰ ইস্তাহাৰখনত যিমান গুৰুত্ব দিলে, কংগ্ৰেছৰ প্ৰাৰ্থীসকলৰ ব্যক্তিগত গুণাগুণৰ ওপৰত সিমানখিনি গুৰুত্ব নিদিলে। কিন্তু অতীতৰ ভুলৰ পৰা আমি সকলোৱেই শিক্ষা আহৰণ কৰা উচিত। দেশৰ বেছিভাগ মানুহেই আজি কংগ্ৰেছক ক্ষমতাচ্যুত কৰি এটা বিকল্প চৰকাৰ গঠন কৰিব খোজে। তাকে কৰি নতুনকৈ নিজৰ ভাগ্য পৰীক্ষা কৰি চাব খোজে। কিন্তু তাৰ অৰ্থ এইটো নহয় যে আজি জনতাৰ টিকট লৈ কিছুমান অসৎ আৰু দুৰ্নীতিপৰায়ণ মানুহ প্ৰাৰ্থী হিচাপে থিয় দিলেই কেৱল কংগ্ৰেছ বিৰোধিতাৰ নামত তেনে মানুহকো অন্ধভাৱে সমৰ্থন কৰিব লাগিব। আমি মনত ৰাখিব লাগিব যে কংগ্ৰেছৰ বিৰোধিতা কৰাটো যিমান প্ৰয়োজনীয় কথা, ঠিক সিমানেই প্ৰয়োজনীয় হ'ল সকলো প্ৰকাৰৰ অসততা আৰু দুৰ্নীতিৰ বিৰোধিতা কৰা। এটা নতুন বিকল্প চৰকাৰ গঠন কৰাটো যিমান প্ৰয়োজনীয় কথা নতুন নৈতিক মূল্যবোধ সৃষ্টি কৰা বা বিস্মৃত-প্ৰায় পুৰণি সৎ মূল্যবোধবোৰৰ পুনৰুদ্ধাৰ কৰাটোও ঠিক সিমানেই প্ৰয়োজনীয় কথা। যোৱা দহবছৰত দুৰ্নীতি আৰু নীতি-নিৰপেক্ষতাই ভাৰতৰ ৰাজনীতিক কলুষিত কৰি তুলিছে। ৰাজনীতিক নিৰ্মল আৰু পবিত্ৰ কৰি তুলিবৰ কাৰণেও অহা নিৰ্বাচনক এটা ডাঙৰ সুযোগ বুলি মানুহে গ্ৰহণ কৰিব লাগিব। সেই

উদ্দেশ্যেৰে কংগ্ৰেছ, জনতা, কমিউনিষ্ট যি দলৰেই প্ৰাৰ্থী নহওক কিয়—সকলো অসৎ সুবিধাবাদী আৰু দুৰ্নীতি পৰায়ণ মানুহক নিৰ্বাচনত পৰাস্ত কৰিব লাগিব। যিবোৰ ৰাজনৈতিক দলে জানি শুনিও অসৎ মানুহক প্ৰাৰ্থী হিচাপে থিয় কৰায়, সেইবোৰ দলকো এটা উচিত শিক্ষা দিব লাগিব। ইংৰাজীত ক'বলৈ হ'লে—They Should not take the people for granted. । আমি মনত ৰাখিব লাগিব যে দেশত কেৱল কংগ্ৰেছ, জনতা বা কমিউনিষ্টেই একমাত্ৰ দল নহয়। আৰু এটা দল আছে। সেইটো হ'ল স্বাৰ্থান্বেষী ৰাজনীতিকৰ দল। এই দলৰ মানুহবোৰে লোকক দেখুৱাই জনতা বা কংগ্ৰেছ যি দলতেই নাথাকক কিয়, আচলতে ভিতৰি ভিতৰি তেওঁলোক সকলোৱেই কেৱল এটা মাত্ৰ দলৰ সদস্য। সেইটো হৈছে ব্যক্তিগত স্বাৰ্থান্বেষী ৰাজনীতিকৰ দল। এইদলৰ মানুহবোৰক চিনি উলিয়াই ৰাইজে তেওঁলোকক শাস্তি দিব পাৰেনে নোৱাৰে সেইটোৱেই হ'ব আগন্তুক নিৰ্বাচনত ৰাইজৰ বিচাৰ বুদ্ধিৰ প্ৰতি আটাইতকৈ ডাঙৰ প্ৰত্যাহ্বান।

এটা ক্ষুদ্ৰ দ্বীপবাসী বৃটিছসকলে দুশ বছৰ ধৰি বিশাল ভাৰত উপমহাদেশ শাসন কৰিছিল। বেলিমাৰ নোযোৱা বিশ্বজোৰা সম্ৰাজ্য স্থাপন কৰিছিল। কেৱল সামৰিক শক্তিৰেই সেইটো কেতিয়াও সম্ভৱ নহ'লহেঁতেন ; সেইটো সম্ভৱ হৈছিল বৃটিছ সকলৰ চৰিত্ৰ-শক্তিৰ জোৰত। লৰ্ড লৰেন্সে এবাৰ এজন ভাৰতীয় ৰজাৰ বিৰুদ্ধে উত্থাপিত এটা গোচৰ বিচাৰ কৰিছিল। ৰজাজনে টেবুলৰ তলেদি লৰ্ড লৰেন্সক এটা ধনৰ মোনা দিবলৈ চেষ্টা কৰিলে। লৰ্ড লৰেন্সে তেতিয়া ৰজাজনক ক'লে, "ডেকা ল'ৰা, তুমি এই কাম কৰি এজন ইংৰাজক কৰিব পৰা আটাইতকৈ ডাঙৰ অপমানটোকেই কৰিছা। তোমাৰ কুমলীয়া বয়সৰ কথা বিবেচনা কৰি মই এইবাৰলৈ তোমাক ক্ষমা কৰিলো। কিন্তু মই তোমাক সাৱধান কৰি দিলো—ভৱিষ্যতে কেতিয়াও যেন এজন ইংৰাজ ভদ্ৰলোকৰ বিৰুদ্ধে এনে সাংঘাতিক অপৰাধ কৰিবলৈ সাহস নকৰা।" এনে প্ৰবল আত্মসন্মানবোধেই আছিল ইংৰাজসকলৰ নৈতিক চৰিত্ৰৰ প্ৰধান ভেটি, তাৰ জোৰতে মুষ্টিমেয় কেইজনমান ইংৰাজে ভাৰত জয় কৰিছিল। আনহাতে এই নৈতিক চৰিত্ৰৰ অভাৱেই আছিল ভাৰতীয়সকলৰ পতনৰ এটা প্ৰধান কাৰণ। সেই নৈতিক চৰিত্ৰ আজিও আমাৰ গঢ়ি উঠা নাই। আমি যাইকৈ ইংৰাজসকলৰ পৰাই ওৱেষ্ট মিনিষ্টাৰ-টাইপ সংসদী গণতন্ত্ৰৰ আহি গ্ৰহণ কৰিছো। কিন্তু Rules of the game অৰ্থাৎ খেলাৰ নিয়মবোৰ আমি এতিয়াও ভালকৈ

শিকা নাই। লর্ড জন বাছেলে কৈছিল, "It is the nature of the party in England to ask the assistance of men of genius, but to follow the guidance of men of character,"—ভাৰতৰ ৰাজনীতিয়ে এতিয়াও নৈতিক চৰিত্ৰক উচিত মৰ্যাদা দিবলৈ শিকা নাই। তাৰ ফলতেই স্বাধীনতা পোৱাৰ মাত্ৰ ত্ৰিশ বছৰৰ ভিতৰতে এই দেশৰ মাটিত ঘৃণ্যতম ব্যক্তিগত একনায়কত্ববাদে মূৰ দাঙি উঠিব পাৰিছিল। নৈতিক মূল্যবোধৰ পুনৰুদ্ধাৰেই আগন্তুক নিৰ্বাচনত আমাৰ এটা প্ৰধান লক্ষ্য হোৱা উচিত।

২ ফেব্ৰুৱাৰী, ১৯৭৮

## পাপৰ প্ৰায়শ্চিত্ত

জনতা পাৰ্টিৰ নেতা কৃষ্ণকান্তই অলপতে গুৱাহাটীত এটা অতি প্ৰাসংগিক কথা উত্থাপন কৰিছে। তেওঁ কৈছে যে আগন্তুক বিধান সভাৰ নিৰ্বাচনত অসমৰ কাৰণে এতিয়াও প্ৰধান প্ৰশ্ন হ'ল, "গণতন্ত্ৰ-বনাম-একনায়কত্ববাদ।" একনায়কত্ববাদ দেখোন কেতিয়াবাই ধৰাশায়ী হ'ল; তেন্তে কেৱল অসমৰ কাৰণে এতিয়াও এই প্ৰশ্ন জীয়াই আছে কিয় ?

জৰুৰী অৱস্থাৰ সময়ত যেয়ে যি নকৰক কিয়, তাৰ পিছত অন্ততঃ ৰেড্ডি-চাৱানৰ নেতৃত্বাধীন কংগ্ৰেছৰ নেতাসকলে জৰুৰী অৱস্থাৰ নিন্দা কৰিছে। তাৰ সমস্ত নৈতিক দায়-দায়িত্ব তেওঁলোকে অস্বীকাৰ কৰিছে। ভৱিষ্যতে কেতিয়াও জৰুৰী অৱস্থা ঘোষণা কৰা নহ'ব বুলি তেওঁলোকে দ্ব্যৰ্থহীন ভাষাৰে ঘোষণা কৰিছে। আনকি যি ইন্দিৰা গান্ধীয়ে নাও বুবাৰ পিছতো টিঙৰ পৰা নামিব খোজা নাই, জৰুৰী অৱস্থাৰ ঘোষণা এটা জঘন্য নৈতিক অপৰাধ আছিল বুলি প্ৰমাণিত হোৱাৰ পিছতো তাৰ চাফাই গাবলৈ এৰা নাই, সেই ইন্দিৰা গান্ধীয়েও অৱশেষত ক'বলৈ বাধ্য হৈছে যে—"আৰু এহেজাৰ বছৰৰ কাৰণে" ভাৰতত জৰুৰী অৱস্থা ঘোষণা কৰা নহ'ব। এই এষাৰ কথাৰ দ্বাৰাই তেওঁ স্বীকাৰ কৰি ললে যে জৰুৰী অৱস্থাৰ ঘোষণা আছিল সমগ্ৰ দেশৰ বিৰুদ্ধে এটা অক্ষমণীয় নৈতিক অপৰাধ। মুঠৰ ওপৰত কংগ্ৰেছৰ সৰু-বৰ সকলো নেতাই জৰুৰী অৱস্থাক গৰিহণা দি তাৰ নৈতিক দায়িত্বৰ পৰা নিষ্কৃতি ললে। একমাত্ৰ ব্যতিক্ৰম অসমৰ শৰৎ চন্দ্ৰ সিংহ। আজিলৈকে তেওঁৰ মুখৰ পৰা সেই বিষয়ে এটা শব্দও বাহিৰ হোৱা নাই। নহয়, এটা শব্দও বাহিৰ হোৱা নাই বুলি কৈ ভুল ক'লো। তেৱেঁই বোধহয় একমাত্ৰ কংগ্ৰেছী নেতা আৰু মুখ্যমন্ত্ৰী যিজনে জৰুৰী অৱস্থা আৰু বাতৰি কাকতৰ চেন্সৰ প্ৰথা উঠি যোৱাৰ পিছতো চেন্সৰ প্ৰথাৰ কাৰণে হামৰাও কাঢ়িছিল। কেইমাহমানৰ আগতে অসমৰ বাতৰি কাকতবোৰত এটা খবৰ ওলাইছিল যে—দুই এদিনৰ ভিতৰতে অসমৰ মন্ত্ৰীসভাৰ সালসলনি কৰা হ'ব পাৰে। শৰৎচন্দ্ৰ সিংহই তেতিয়া খণ্ডত একো নাই হৈ এই বুলি কৈছিল যে চেন্সৰপ্ৰথা উঠি যোৱাৰ পিছত বাতৰি কাকতবোৰে আকৌ দায়িত্বহীন আচৰণ কৰিবলৈ আৰম্ভ কৰিছে। অৰ্থাৎ তেওঁৰ মতে বাতৰি কাকতক দায়িত্ব জ্ঞান

শিকাৰলৈ চেষ্টৰ প্ৰথা নহ'লেই নহয়। অথচ শৰৎ সিংহই বাৰ্তাৰ কাকতৰ খবৰ ভিত্তিহীন আৰু অসত্য বুলি ঘোষণা কৰাৰ চৌধ্বিশ ঘণ্টাৰ ভিতৰতে অসমৰ মন্ত্ৰীসভাৰ সাংসৰ্জানি কৰা হ'ল। শৰৎ সিংহৰ পক্ষে এইটো কি ধৰণৰ দায়িত্ব জ্ঞানৰ কথা হ'ল? কি ধৰণৰ চেষ্টৰ প্ৰথাৰ দ্বাৰাই শৰৎ সিংহক দায়িত্ব জ্ঞান শিকোৱা যায়?

সমগ্ৰ দেশৰ ভিতৰত শৰৎ সিংহই আছিল জৰুৰী অৱস্থাৰ উগ্ৰতম সমৰ্থক। তাৰ এটা মাত্ৰ প্ৰমাণ দিলেই যথেষ্ট হ'ব। ১৯৭৫ চনৰ ২৬ জুনত দেশত জৰুৰী অৱস্থা ঘোষণা কৰা হ'ল। ১৯৭৬ চনৰ কাৰণে অসমৰ মুখ্য মন্ত্ৰীৰ সচিবালয়ে যিখন চৰকাৰী কেলেণ্ডাৰ প্ৰকাশ কৰিলে—তাত আছিল এটা অবিশ্বাস্য ঘোষণা : "ইতিহাস আৰম্ভ ১৯৭৫ চনৰ ২৬ জুনৰ পৰা।" অৰ্থাৎ ১৯৭৫ চনৰ ২৬ জুনৰ আগলৈকে ভাৰতত বিৰাজ কৰিছিল প্ৰাগঐতিহাসিক অন্ধকাৰ। গান্ধী, নেহৰু, দেশৰ স্বাধীনতা সংগ্ৰাম—আনকি তাৰো আগৰ বেদ উপনিষদ বুদ্ধ, অশোক, আকবৰ—এই সকলোবোৰেই শৰৎ সিংহৰ কাৰণে আছিল প্ৰাগঐতিহাসিক বৰ্বৰতা মাত্ৰ। যিদিনাই গণতন্ত্ৰ, নাগৰিক স্বাধীনতা, আইনৰ শাসন আৰু সমস্ত মানৱিক প্ৰমূল্যক টেঁটু চেপি হত্যা কৰা হ'ল, সেই দিনাই শৰৎ সিংহৰ কাৰণে আৰম্ভ হ'ল প্ৰকৃত ইতিহাসৰ, সূচনা হ'ল সভ্যতাৰ সোণালী যুগৰ। ইয়াতকৈ অসংগত ভাৱ-প্ৰৱণতা আৰু নিৰ্বেদ ঔদ্ধত্যৰ দ্বিতীয় এটা উদাহৰণ পৃথিৱীত আছেনে?

১৯৭৬ চনৰ শেষৰ ফালে গোৱালপাৰাৰ দক্ষিণ শালমৰাত এটা ৰাষ্ট্ৰীয়কৃত বেংকৰ শাখা অফিচ এটা স্থাপন কৰা হৈছিল। সেই উপলক্ষে হোৱা এখন ৰাজহুৱা সভাত শৰৎ সিংহই জৰুৰী অৱস্থাৰ বলেৰে বলীয়ান হৈ পৰম হৰ্ষিত কণ্ঠেৰে ঘোষণা কৰিছিল—"বিৰোধী দলবোৰে ফেটী-সাপৰ দৰে ফেট তুলি উঠিছিল, কিন্তু ইন্দিৰা গান্ধীয়ে সেই জৰুৰী অৱস্থাৰ মন্ত্ৰ মাৰি দিলে, ফেটী সাপে লগে লগে মাটিত মূৰ পেলাই শুই পৰিল।" দেশত জৰুৰী অৱস্থা চলি থকাৰ কাৰণে আৰু গণতান্ত্ৰিক প্ৰতিবাদৰ সমস্ত কণ্ঠস্বৰ নীৰৱ হৈ পৰাৰ কাৰণে শৰৎ সিংহই কি ধৰণৰ হিংস্ৰ উল্লাস অনুভৱ কৰিছিল, সেই কথা তেওঁৰ সেইদিনাৰ বক্তৃতা নিজ কাণেৰে নুশুনা মানুহে কেতিয়াও অনুভৱ কৰিব নোৱাৰিব। কোনো সন্দেহ নাই যে ভাৰতত জৰুৰী অৱস্থা চিৰস্থায়ী হোৱাটোকে শৰৎ সিংহই কামনা কৰিছিল। সেয়ে নোহোৱা হ'লে জৰুৰী অৱস্থা ঘোষণা নোহোৱাৰ দিনটোকে তেওঁ ইতিহাসৰো জন্ম লগ্ন বুলি ঘোষণা

নকৰিলেহেঁতেন। সেই কাৰণেই জৰুৰী অৱস্থাৰ বিৰুদ্ধে আজিলৈকে তেওঁৰ মুখৰ পৰা এষাৰো মাত ওলোৱা নাই।

কিন্তু মাত নমতাকৈ তেওঁ সাৰি যাব নোৱাৰিব। আৰু দুসপ্তাহৰ পিছতে নিৰ্বাচন। ১৯৭২ চনৰ জানুৱাৰী মাহত শৰৎচন্দ্ৰ সিংহই ষড়যন্ত্ৰ কৰি মহেন্দ্ৰ মোহন চৌধুৰীক খেদি অসমৰ মুখ্যমন্ত্ৰী হৈছিল। মুখ্যমন্ত্ৰী হৈছিল এই প্ৰতিশ্ৰুতিৰে যে প্ৰতিক্ৰিয়াশীল মহেন্দ্ৰ মোহন চৌধুৰীয়ে অসমত সমাজবাদ স্থাপন কৰিব পৰা নাই, তেওঁ কৰিব। কিন্তু আজি ছবছৰৰ পিছত সেই মহেন্দ্ৰমোহন চৌধুৰীকে গলবস্ত্ৰ হৈ মাতি আনি তেওঁ অসম কংগ্ৰেছৰ নেতৃত্ব শোধাই দিব লগা হৈছে। নিজৰ চৰম ব্যৰ্থতা আৰু অকৰ্মণ্যতাৰ ইয়াতকৈ কৰুণ স্বীকাৰোক্তি দ্বিতীয় এটা বোধহয় নাই। এই এটা মাত্ৰ কাৰ্যৰ দ্বাৰাই তেওঁ নিজেই নিজৰ দ্বাৰা ধিক্কৃত হৈছে, জনসাধাৰণৰ সমুখলৈ পুনৰ আহিবলৈ সকলো নৈতিক অধিকাৰ হেৰুৱাইছে। তথাপি তেওঁ আহিছে, আহিব। কিন্তু এইবাৰ নিৰ্বাচনী অভিযানত তেওঁ যলৈকে নাযাওক অসমৰ জনতাই দাবী কৰিব লাগিব যে—জৰুৰী অৱস্থাৰ বাবে তেওঁ ৰাজহুৱাভাৱে ক্ষমা খুজিব লাগিব। অকল তেওঁৱেই নহয়, তেওঁৰ সাংগোপাংগ প্ৰত্যেকজন কংগ্ৰেছীয়েই ক্ষমা খুজিব লাগিব; অনুতাপ কৰিব লাগিব। তেওঁলোকে সেইটো নকৰালৈকে বাইজে তেওঁলোকৰ আন কোনো কথা শুনিবলৈ ৰাজী হোৱাটো উচিত নহ'ব।

এক প্ৰকাৰে চাবলৈ গ'লে জৰুৰী অৱস্থা আৰু তাৰ আনুষংগিক সমস্ত অপৰাধৰ কাৰণে অসমেই বোছি পাপৰ ভাগী। এই অসমৰে ফখৰুদ্দিন আলি আহমদে (তেওঁৰ আত্মাৰ শান্তি হওক) ৰাষ্ট্ৰপতি হৈ জৰুৰী অৱস্থাৰ বে-আইনী ঘোষণাপত্ৰত বিনাবাক্যব্যয়ে চহী কৰিছিল। এই অসমৰে দেৱকান্ত বৰুৱাই কংগ্ৰেছ সভাপতি হৈ 'ইন্দিৰাই ভাৰত' বুলি ঘোষণা কৰি জঘন্যতম ব্যক্তি পূজাৰ সূচনা কৰিছিল। সেই একেজন ভদ্ৰলোকেই এই বুলিও কৈছিল যে—ইন্দিৰা গান্ধী ক্ষমতাচ্যুত হ'লেই ভাৰতত ঠগ আৰু পিণ্ডাৰীৰ ৰাজত্ব আৰম্ভ হ'ব। এখন গণতান্ত্ৰিক সুসভ্য ৰাষ্ট্ৰৰ আটাইবোৰ বিৰোধী দল আৰু চিন্তাশীল মানুহৰ বিৰুদ্ধে ইয়াতকৈ নীচ অক্ষমণীয় উক্তি পৃথিৱীৰ কোনো সভ্য দেশৰ মানুহে কেতিয়াও কৰা নাই। এই অসমেই জৱাহৰনগৰ কংগ্ৰেছ পাতি তাক ৰূপান্তৰিত কৰিছিল ইন্দিৰা-তনয় সঞ্জয় গান্ধীৰ অভিষেক উৎসৱলৈ। এই অসম কংগ্ৰেছেই বিবেক আৰু আত্ম-সম্মান বিসৰ্জন দি অকাল কুষ্মাণ্ড সঞ্জয় গান্ধীক দেৱতাৰ

আসনত বহুৱাই পূজা কৰিছিল, আকাশৰ পৰা তেওঁৰ মূৰত পুষ্প-বৃষ্টি কৰিছিল। মুঠতে জৰুৰী অৱস্থাৰ যিমানবোৰ অসৎ, অনৈতিক আৰু মানৱতাৰ অৱমাননাকাৰী দিশ—অন্ধ ব্যক্তিপূজা, কুৎসিৎ ষড়যন্ত্ৰ, ক্ষমতাৰ বেদীত বিবেক আৰু বিচাৰ বুদ্ধিৰ বিসৰ্জন, দুৰ্বলৰ বিৰুদ্ধে দুৰ্বিনীত আস্ফালন, ৰাজহুৱা ধনৰ অপচয়—এই সকলোবোৰতে আগভাগ লৈছিল অসমে। অসম কংগ্ৰেছে সেই পাপৰ প্ৰায়শ্চিত্ত নকৰালৈকে তেওঁলোকৰ ক্ষমা নাই। আসন্ন নিৰ্বাচনে তাৰেই সুযোগ আনি দিছে।

৯ ফেব্ৰুৱাৰী, ১৯৭৮

# আগন্তুক নির্বাচনত বাইজৰ কৰ্তব্য

১৭৪৮ চনত জন ওৱেলছ্‌লীয়ে ইংলেণ্ডৰ নাগৰিকসকলক উপদেশ দিছিল: "ভোট দিবৰ সময়ত এনেভাৱে চিন্তা কৰি ভোট দিবা যেন গোটেই নিৰ্বাচনটো তোমাৰ সেই এটা মাত্ৰ ভোটৰ ওপৰতে নিৰ্ভৰ কৰিছে, আৰু গোটেই পাৰ্লিয়ামেণ্টৰ (আৰু লগতে জাতিটোৰো) ভাগ্য নিৰ্ভৰ কৰিছে তুমি সমৰ্থন কৰিবলৈ ঠিক কৰা সেই একেজন মানুহৰ ওপৰত।"

জন ওৱেলছ্‌লীৰ সম্পূৰ্ণ বিপৰীত মেৰুত থিয় হৈ উইল ডুৰাণ্টে ১৯২৯ত চনত ঘোষণা কৰিলে: "নিৰ্বাচনবোৰ আচলতে ভেকোভাওনাৰ বাহিৰে আন একো নহয়। কোন সময়ত কোন দলে চৰকাৰ গঠন কৰিব সেই কথা সংখ্যা গৰিষ্ঠ ভোটদাতাৰ মৰ্জিৰ ওপৰত নিৰ্ভৰ নকৰে; সেইটো নিৰ্ভৰ কৰে ধনৰ বলেৰে বলীয়ান এটা সুসংগঠিত সংখ্যালঘিষ্ঠ ক্ষমতা চক্ৰৰ কাৰছাজিৰ ওপৰত। এই ক্ষমতা চক্ৰ বা মেচিনটোৱেই নেপথ্যৰ পৰা সূতা টানি ৰাজনীতিক সকলক নচুৱায়। ভোটদাতা সকলৰ একমাত্ৰ কাম হ'ল এই মেচিনে থিয় কৰাই দিয়া বিভিন্ন প্ৰাৰ্থীৰ মাজত নিজৰ ভোটবোৰ ভাগ কৰি দিয়া আৰু নিৰ্বাচনৰ ফলাফল ঘোষণা হোৱাৰ পিছত বিজয়ীসকলৰ জয়ধ্বনি দি পৰাজিতসকলক উপহাস কৰা।" অৰ্থাৎ উইল ডুৰাণ্টৰ মতে নিৰ্বাচনৰ সময়ত ভোটদাতাৰ নিজৰ স্বাধীন বিচাৰ বুদ্ধি প্ৰয়োগ কৰি ভোট দিয়াৰ সুযোগ নিতান্তই সীমাবদ্ধ।

দুশ বছৰৰ আগে-পিছে এই দুজন চিন্তাশীল আৰু মানৱ-দৰদী লোকে কৰা এই দুটা বিপৰীতধৰ্মী উক্তিয়ে ইয়াকেই প্ৰমাণ কৰে যে গণতন্ত্ৰৰ জন্ম লগ্ন বা শৈশৱাৱস্থাত সি মানুহৰ মনত যি বিপুল আশা আৰু আৱেগ জগাই তুলিছিল, দুশবছৰৰ বাস্তৱ অভিজ্ঞতাৰ পিছত সেই আশা আৰু আৱেগৰ খুব বেছি অৱশিষ্ট নাথাকিল। গণতন্ত্ৰ সম্পৰ্কেও মানুহৰ মোহভংগ ঘটিছে। কিন্তু মানুহে সৃষ্টি কৰা কোনো অনুষ্ঠানেই নিখুঁট নহয়। মানুহে অবিৰাম ভাৱে আদৰ্শ আৰু পৰোৎকৰ্ষৰ (perfection) সাধনা কৰে, কিন্তু বাস্তৱ ক্ষেত্ৰত বেয়াৰ ভিতৰতো যিটো আটাইতকৈ ভাল তাকে গ্ৰহণ কৰে, তাকে লৈ কাম চলাই যায়। নানা ভুল-ভ্ৰান্তি আৰু পৰীক্ষা-নিৰীক্ষাৰ মাজেদিয়েই মানুহ পৰোৎকৰ্ষৰ লক্ষ্য অভিমুখে আগবাঢ়ি যায়। গণতন্ত্ৰ এতিয়াও

সম্পূৰ্ণ নিখুঁট হৈ উঠা নাই। কিন্তু মানৱ সমাজৰ সুদীৰ্ঘ ইতিহাস পৰীক্ষা কৰি এই কথা স্বীকাৰ কৰিবই লাগিব যে মানুহে উদ্ভাৱন কৰা সকলো শাসন-ব্যৱস্থাৰ ভিতৰত গণতন্ত্ৰই এতিয়াও সৰ্বোত্তম বুলি প্ৰমাণিত হৈছে, কাৰণ গণতন্ত্ৰই মানুহক ভুল কৰাৰ মহৎ মানৱিক অধিকাৰ দিয়ে ; আৰু নিতান্ত তত্ত্বগতভাৱে হ'লেও প্ৰত্যেক ব্যক্তিৰ মানৱিক মৰ্যাদা আৰু সম্ভাৱনাক স্বীকাৰ কৰি লয়।

গণতন্ত্ৰৰ নানা দোষ-ত্ৰুটি থাকিব পাৰে, কিন্তু তাৰ মাজতো জন ওৱেলছলীৰ উপদেশ কাৰ্যকৰী কৰাৰ সুযোগ নথকা নহয়। ভাৰতে স্বাধীনতা লাভ কৰিয়েই গণতন্ত্ৰক এই দেশৰ শাসন-ব্যৱস্থা আৰু জীৱন পদ্ধতি হিচাপে গ্ৰহণ কৰিছিল, কেতিয়াবা যে ভাৰতৰ মাটিৰ পৰা গণতন্ত্ৰক নিৰ্মূল কৰাৰ চেষ্টা চলিব পাৰে সেই কথা ভাৰতৰ মানুহে কল্পনা কৰিব পৰা নাছিল। কিন্তু স্বাধীনতা লাভৰ ত্ৰিশটা বছৰ পূৰ নৌ হওঁতেই এই দেশত গণতন্ত্ৰক হত্যা কৰি একনায়কত্ববাদ স্থাপন কৰাৰ চেষ্টা চলিল। কিন্তু ভাৰতৰ দৰিদ্ৰ আৰু নিৰক্ষৰ জনতাই জন ওৱেলছলীৰ উপদেশ সাৰোগত কৰিয়েই যোৱা মাৰ্চৰ ঐতিহাসিক নিৰ্বাচনত সেই চেষ্টা ব্যৰ্থ কৰি দি গণতন্ত্ৰক ৰক্ষা কৰিলে। তেতিয়াৰ শাসক দলৰ টকাৰ ঝনঝননি, মিছা কথাৰ ফুচুলনি আৰু বিৰাট প্ৰচাৰ অভিযানে তেওঁলোকক বিভ্ৰান্ত কৰিব নোৱাৰিলে। সেই নিৰ্বাচনত ভাৰতৰ দৰিদ্ৰ আৰু নিৰক্ষৰ জনতাই গণতন্ত্ৰৰ প্ৰতি যি অবিচল আৰু সুগভীৰ আনুগত্যৰ পৰিচয় দিলে আৰু নানা প্ৰতিকূল অৱস্থাৰ বিৰুদ্ধেও যুঁজ কৰি গণতন্ত্ৰক ৰক্ষা কৰিলে, সমতুল্য উদাহৰণ সতকাই পাবলৈ নাই।

সেই যাত্ৰালৈ গণতন্ত্ৰ ৰক্ষা পৰিল, কিন্তু তাৰ ভৱিষ্যত এতিয়াও নিৰাপদ হোৱা নাই। এবাৰ সাপে খালে লেজুলৈকো ভয়। কিন্তু ভাৰতত গণতন্ত্ৰৰ বিৰুদ্ধে এতিয়াও যিবোৰ শক্তিয়ে অহৰ্নিশে কাম কৰি আছে, সেইবোৰ লেজু নহয়, আচল সাপেই। এবাৰ মানুহৰ তেজৰ সোৱাদ পোৱা বাঘে পুনৰ সেই তেজৰ সোৱাদ লোৱাৰ লোভ কেতিয়াও এৰিব নোৱাৰে। ঠিক তেনেকৈ এবাৰ একনায়কত্ববাদৰ নিচাৰ জুটি লৈ পোৱা ৰাজনীতিকেও সতকাই সেই নিচাৰ লোভ এৰিব নোৱাৰে। গতিকে দেশৰ মানুহে প্ৰত্যেকটো সুযোগতে গণতন্ত্ৰক শক্তিশালী কৰাৰ আৰু তাৰ শত্ৰুবোৰক নিৰ্মূল কৰাৰ হকে কাম কৰি যাবই লাগিব। গণতন্ত্ৰৰ শত্ৰুবোৰ সম্পূৰ্ণভাৱে ছত্ৰভংগ বা নিশ্চিহ্ন নোহোৱালৈকে সেই চেষ্টাৰ বিৰাম ঘটিব নোৱাৰে। আৰু দুদিনৰ পিছতে

অসমকে ধৰি দেশৰ পাঁচখন ৰাজ্যত বিধান সভাৰ নিৰ্বাচন অনুষ্ঠিত হ'ব। যোৱা মাৰ্চৰ নিৰ্বাচনৰ দৰে এইবাৰো দুটা প্ৰধান প্ৰতিপক্ষ হ'ল কংগ্ৰেছ আৰু জনতা পাৰ্টি। মাৰ্চৰ নিৰ্বাচনত জনতা পাৰ্টিয়ে গণতন্ত্ৰ ৰক্ষাৰ সংগ্ৰামত এক বিৰাট ঐতিহাসিক ভূমিকাত অৱতীৰ্ণ হৈছিল, সি হৈ উঠিছিল জনতাৰ সেই মুহূৰ্তৰ আশা-আকাংক্ষাৰ প্ৰতীক। ফলত জনতা পাৰ্টিয়ে দেশৰ মানুহৰ অভূতপূৰ্ব সমৰ্থন লাভ কৰিছিল। এই কথা সঁচা যে—তাৰ পিছৰে পৰা জনতা পাৰ্টিৰ কাম-কাজে মানুহক খুব বেছি আশান্বিত কৰিব পৰা নাই। এই কথাও সঁচা যে নিতান্ত তত্ত্বগতভাৱে কংগ্ৰেছৰ আদৰ্শ আৰু কাৰ্যসূচীৰ লগত জনতা পাৰ্টিৰ খুব বেছি পাৰ্থক্য নাই, বৰং আধুনিকতা-বাদী বৈজ্ঞানিক দৃষ্টিভংগী আৰু ধৰ্মনিৰপেক্ষতাৰ ক্ষেত্ৰত এতিয়াও কংগ্ৰেছেই জনতাতকৈ এহাত ওপৰত। কিন্তু কেৱল মুখেৰে কোৱা বা কাগজত লেখা কাৰ্যসূচীয়েই দেশখনক অভীষ্ট লক্ষ্যৰ অভিমুখে আগুৱাই লৈ যাব নোৱাৰে, তাৰ সাৰ্থকতা আৰু কাৰ্যকাৰিতা নিৰ্ভৰ কৰে মানুহৰ ওপৰত। সকলো ত্ৰুটি-বিচ্যুতি আৰু ব্যৰ্থতা সত্ত্বেও জনতা পাৰ্টি আৰু তেওঁলোকৰ সমৰ্থক দলবোৰেই আগন্তুক নিৰ্বাচনত সমৰ্থনৰ যোগ্য, কাৰণ তেওঁলোকৰ দেশত গণতন্ত্ৰক ৰক্ষা কৰিছে আৰু এতিয়াও গণতন্ত্ৰ-ৰক্ষা সংগ্ৰামৰ নেতৃত্ব বহন কৰিছে। আনহাতে প্ৰায়শ্চিত্তৰ দ্বাৰা পবিত্ৰ নোহোৱালৈকে কংগ্ৰেছ সমৰ্থনৰ যোগ্য নহয়, কাৰণ গণতন্ত্ৰক নিৰ্মমভাৱে হত্যা কৰাৰ চেষ্টা চলি থকাৰ সময়ত কংগ্ৰেছৰ কোনো এজন লোকেই তাৰ বিৰুদ্ধে বিন্দু মাত্ৰ প্ৰতিবাদ কৰা নাছিল। আজি ইন্দিৰা গান্ধীৰ বিৰুদ্ধে কংগ্ৰেছৰ সমালোচনা আৰু বেছি ক্ষমাৰ অযোগ্য, কাৰণ তাৰ দ্বাৰাই তেওঁলোকৰ চৰম নৈতিক কাপুৰুষতা প্ৰমাণিত হৈছে। গণতন্ত্ৰ আৰু একনায়কত্ববাদৰ মাজত মানুহে যেনেকৈ গণতন্ত্ৰকেই বাছি ল'ব লাগিব, ঠিক তেনেকৈ সাহস আৰু কাপুৰুষতাৰ মাজত মানুহে বাছি লব লাগিব সাহসক।

অসমৰ ক্ষেত্ৰত আৰু এটা কাৰণে ৰাইজে এবাৰ কংগ্ৰেছক বিৰোধী পক্ষৰ আসনত বহিবলৈ বাধ্য কৰা উচিত। একচেটিয়া শাসন-ক্ষমতাই যি কোনো ৰাজনৈতিক দলকে ৰোগ-জীৰ্ণ আৰু দুৰ্নীতিগ্ৰস্ত কৰি তোলে। ত্ৰিশবছৰ নিষ্কণ্টক আৰু নিৰৱচ্ছিন্ন ৰাজপাট ভোগ কৰি ঢোলপেটিয়া হোৱা কংগ্ৰেছৰ বৰ্তমান সেই অৱস্থা হৈছে। বিৰোধী পক্ষৰ আসনত বহি পাঁচবছৰ নিয়মিত কছৰৎ কৰিলে কংগ্ৰেছে হৃত স্বাস্থ্য পুনৰুদ্ধাৰ কৰিব পাৰিব। ৰাইজেও

কংগ্ৰেছক ক্ষমতাচ্যুত কৰি অন্ততঃ অসমত প্ৰথমবাৰৰ কাৰণে এই ৰোমাঞ্চকৰ অভিজ্ঞতা লাভ কৰিব পাৰিব যে—গণতন্ত্ৰত ৰাইজেই ৰজা, কেৱল ভোটৰ বলেৰেই তেওঁলোকে চৰকাৰ ভঙা-পতা কৰিব পাৰে। এবাৰ সেইটো কৰি দেখুৱাব পাৰিলে ৰাইজে নিজৰ শক্তি সম্পৰ্কে সচেতন হ'ব আৰু ক্ষমতা প্ৰয়াসী ৰাজনৈতিক দলবোৰৰ শ্ৰদ্ধা আদায় কৰিব পাৰিব। অৱশ্যে ৰাইজে সেই কাম কৰিব লাগিব সম্পূৰ্ণ মোহমুক্ত মন লৈ, কাৰণ জনতাই যে অসমক ৰাতিটোৰ ভিতৰতে স্বৰ্গৰাজ্যত পৰিণত কৰিব সেই আশা মৰীচিকা মাত্ৰ। গণতন্ত্ৰই জনসাধাৰণক নানা পৰীক্ষা নিৰীক্ষাৰ সুযোগ দিয়ে, সেইটোৱেই গণতন্ত্ৰৰ আটাইতকৈ ডাঙৰ আকৰ্ষণ। দেশত গণতন্ত্ৰ বৰ্তি থাকিলে ৰাইজে এদিন জনতা পাৰ্টিকো শিক্ষা দিয়াৰ সুযোগ পাব। সদ্যহতে গণতন্ত্ৰক ৰক্ষা কৰাটোৱেই ৰাইজৰ আটাইতকৈ ডাঙৰ আৰু জৰুৰী কৰ্তব্য।

২৩ ফেব্ৰুৱাৰী, ১৯৭৮

## লাচিত বৰফুকন কোন জন ?

দ্বিতীয় মহাযুদ্ধৰ সময়ৰ কথা। জাৰ্মান বিমান-বাহিনীৰ অবিৰাম বোমা-বৰ্ষণত লণ্ডন মহানগৰী প্ৰায় ধ্বংস-স্তূপত পৰিণত হৈছে। এনে সময়তে এদিন কেইজনমান সেনাপতিয়ে এটা অতি জৰুৰী বিষয়ৰ আলোচনাৰ কাৰণে প্ৰধান মন্ত্ৰী চাৰ্চিলক দেখা কৰিবলৈ গ'ল। কিন্তু তেওঁলোকে গৈ পোৱাৰ লগে-লগেই চাৰ্চিলৰ অফিচ-কক্ষত প্ৰৱেশাধিকাৰ নাপালে। তেওঁলোকক কোৱা হ'ল যে, প্ৰধান মন্ত্ৰী এটা অতি জৰুৰী বিষয়ৰ আলোচনাত ব্যস্ত হৈ আছে। গতিকে তেওঁলোকে অপেক্ষা কৰিব লাগিব। কিন্তু সেনাপতিকেইজনে এনে এটা জৰুৰী আৰু গুৰুত্বপূৰ্ণ সামৰিক বিষয় আলোচনা কৰিবলৈ গৈছিল যে—মুহূৰ্তমাত্ৰও অপেক্ষা কৰা তেওঁলোকৰ পক্ষে সম্ভৱ নহয়। অনুমতিলৈ অপেক্ষা নকৰি তেওঁলোক ভিতৰলৈ সোমাই গ'ল।

সেনাপতিকেইজনক বাহিৰত বহুৱাই থৈ চাৰ্চিলে এনে কি জৰুৰী বিষয়ৰ আলোচনা কৰি আছিল ? সেনাপতি কেইজনে ভিতৰলৈ গৈ সবিস্ময়ে আৱিষ্কাৰ কৰিলে যে চাৰ্চিলে কৃষি বিভাগৰ কেইজনমান বিষয়াৰ লগত আলু খেতিৰ বিষয়ে আলোচনা কৰি আছে। যি সময়ত শত্ৰুপক্ষৰ অবিৰাম বোমাবৰ্ষণে লণ্ডন চহৰক ধ্বংস-স্তূপত পৰিণত কৰিছে আৰু ইংৰাজ জাতি জীৱন-মৰণৰ সন্ধিক্ষণত উপনীত হৈছে, সেইসময়ত বৃটিছ প্ৰধান মন্ত্ৰী আলুখেতিৰ আলোচনাত ব্যস্ত ? সেনাপতিকেইজনে যেন নিজৰ কাণকেই বিশ্বাস কৰিব নোৱাৰিলে।

কিন্তু চাৰ্চিলে তেওঁলোকক বুজাই ক'লে : "যুদ্ধৰ কথা নিশ্চয় ভাবিব লাগিব, কিন্তু যুদ্ধৰ পিছত কি হ'ব সেই কথাও এতিয়াৰ পৰাই ভাবিব লাগিব। এদিন নহয় এদিন যুদ্ধ শেষ হ'ব, কিন্তু ভৱিষ্যতৰ কথা এতিয়াৰ পৰাই চিন্তা নকৰিলে যুদ্ধৰ পিছত সমগ্ৰ দেশ জুৰি দুৰ্ভিক্ষই দেখা দিব। যুদ্ধ জয়ৰ সুফল ভোগ কৰিবলৈ তেতিয়া খুব কম মানুহেই জীয়াই থাকিব। গতিকে যুদ্ধৰ কথা চিন্তা কৰাটো যিমান দৰকাৰী আলুখেতিৰ কথা চিন্তা কৰাটো সিমানেই দৰকাৰী।"

ইংৰাজ জাতিৰ মহত্ত্ব আৰু প্ৰতিভা এইখিনিতেই যে—যিজন মানুহে যুদ্ধৰ দাবানলৰ মাজত বহি আলুখেতিৰ কথা চিন্তা কৰিব পাৰিছিল, তেনে এজন

মানুহকেই ইংৰাজসকলে তেওঁলোকৰ ইতিহাসৰ আটাইতকৈ সংকটপূৰ্ণ সময়ত নেতাহিচাপে বাছি লৈছিল। নেতা দুবিধ। এবিধ নেতাই নিজৰ ভৱিষ্যতৰ চিন্তাত সমগ্ৰ দেশ বা জাতিৰ স্বাৰ্থ বিপন্ন কৰিবলৈ বিন্দুমাত্ৰ সংকোচ নকৰে। ব্যক্তিগত ক্ষমতা আৰু গৌৰৱ-অৰ্জনেই তেওঁলোকৰ একমাত্ৰ লক্ষ্য। কিন্তু তেওঁলোকে অতি কৌশলেৰে সেই উদ্দেশ্য গোপন কৰি ৰাখি "ডমাগগী" বা বাক চাতুৰ্যৰ সহায়েৰে একোটা তথাকথিত আদৰ্শৰ নামত বহুতো মানুহক মতলীয়া কৰি তুলিব পাৰে। ইতিহাসত এনেকুৱা নেতাৰ উদাহৰণ ভুৰি ভুৰি পোৱা যায় আৰু তেনে নেতাৰ ছলাহী কথাত ভোল গৈ আত্মহত্যা কৰা জাতি বা সমাজৰ উদাহৰণো বিৰল নহয়। দ্বিতীয়বিধ নেতাই প্ৰকৃততেই মানুহৰ মঙ্গলৰ চিন্তাত উদ্বুদ্ধ হৈ জাতিৰ বা সমাজৰ ভৱিষ্যতৰ কাৰণে নিজৰ ভৱিষ্যত সমূলঞ্চে বিসৰ্জন দিয়ে। কেৱল এইবিধৰ নেতাইহে বহুত দূৰলৈকে দেখিব পাৰে, কাৰণ একমাত্ৰ পৰিষ্কাৰ দাপোণতহে সকলো বস্তু স্পষ্টভাৱে প্ৰতিবিম্বিত হোৱাৰ দৰে এইসকল নিঃস্বাৰ্থ আৰু মানৱ-প্ৰেমী নেতাৰ মনৰ দাপোণতহে দূৰ ভৱিষ্যতো স্পষ্টভাৱে প্ৰতিবিম্বিত হয়।

দকৈ চিন্তা কৰি চালে দেখা যাব যে সাৰ্থক নেতৃত্বৰ এটা প্ৰধান গুণ হ'ল দূৰদৰ্শিতা। কণাই কণাক বাট দেখুৱাব নোৱৰাৰ দৰে কোনো অদূৰদৰ্শী মানুহৰ আনক নেতৃত্ব দিয়াৰ নৈতিক অধিকাৰ থাকিব নোৱাৰে। যুদ্ধৰ দাবানলৰ মাজতো চাৰ্চিলে যুদ্ধ পৰিচালনা কৰাৰ লগে লগে দূৰ ভৱিষ্যতৰ কথা চিন্তা কৰি আলুখৈতিৰ আঁচনি কৰিব পাৰিছিল; গান্ধীজীয়ে শিক্ষানীতি, অৰ্থনীতি, সাম্প্ৰদায়িক সম্প্ৰীতি আৰু অস্পৃশ্যতা নিবাৰণ আদি হাজাৰটা কাৰ্যসূচী হাতত লৈছিল। আব্ৰাহাম লিংকনে গৃহ যুদ্ধ চলি থকাৰ মাজতো জাতিৰ উদ্দেশ্যে ক'ব পাৰিছিল:—

"My Countrymen, ore and all, think calmly and well upon this whole subject. Nothing valuable can be lost by taking time. If there be an object to hurry any of you in hot haste to a step which you would never take deliberately that object will be frustrated by taking time; but no good object can be frustrated by it, ( First inaugural address )."

যি কোনো উদ্দেশ্য সাধনৰ কাৰণে কেৱল নেতাজন বুদ্ধিমান আৰু দূৰদৰ্শী হ'লেই নহ'ব, তেওঁক অনুসৰণ কৰা লোকসকলেও আন এক ধৰণৰ চিন্তাশক্তি

আৰু দূৰদৰ্শিতাৰ পৰিচয় দিব লাগিব। সেইটো হৈছে—আগপিছ ভাবি-চিন্তি নেতা বাছি লোৱাৰ ক্ষমতা। যি তথাকথিত নেতাই নিজৰ নাকটোৰ সিপাৰে কি আছে তাকে ক'ব নোৱাৰে বা পুৱা শুই উঠি গধূলি কি হ'ব সেই কথাও নাজানে, তেনে নেতাই নিজৰ অনুসৰণকাৰীসকলক খালে-ডোঙে পেলাই হাত-ভৰি ভঙাৰ বাহিৰে আন একো কৰিব নোৱাৰে। যিসকল লোকে সাময়িক উত্তেজনা আৰু ভাবোন্মাদৰ বশৱৰ্তী হৈ তেনেলোককেই নেতা হিচাপে গ্ৰহণ কৰে, তেনে "মৰে উৰুলি-পুঙা মৰে পদুলি-শুঙা" বিধৰ মানুহেও নিজৰ ধ্বংস নিজে মাতি আনে। নেতাৰ পদ বৰ লোভনীয় পদ, তাৰ কাৰণে অনেক প্ৰাৰ্থী ওলাব পাৰে। কিন্তু জনসাধাৰণে কাক নেতা হিচাপে বাছি ল'ব বা গ্ৰহণ কৰিব, সেইটো নিৰ্ভৰ কৰিব জনসাধাৰণৰ বিচাৰ-বুদ্ধি আৰু মানসিক পৰিপক্কতাৰ ওপৰত। কোনোবাই চিঞৰ এটা মাৰিলেই যিসকল লোকে আগপিছ নুগুনি ধপলিয়াই ওলাই আহে, যিসকল লোকে ধীৰ স্থিৰ চিন্তা আৰু যুক্তিতকৈ তেজগৰম কৰা হৈধৰ্নি বেছি ভাল পায়, যিসকল লোকে আনৰ সামান্য সতৰ্ক বাণী আৰু সমালোচনা সহ্য কৰিব নোৱাৰে, সেইসকল লোকে নিজৰ চপল স্বভাৱৰ মাচুল এদিন নহয় এদিন দিবই লাগিব। তাৰ উদাহৰণ বিচাৰি হাজাৰ হাজাৰ বছৰৰ ইতিহাস মেলি চাবৰ দৰকাৰ নকৰে, যোৱা এশবছৰৰ ইতিহাস মেলি চালেই হ'ল। বাচ্ছা-ই-সাকাও নামৰ এজন ডকাইতো ন মাহৰ কাৰণে আফগানিস্থানৰ ৰজা হৈছিল।

সংগ্ৰাম অহিংসই হওক বা সশস্ত্ৰই হওক, তাৰ এজন নেতা লাগিবই। সেই নেতাজন হ'ব লাগিব এজন ব্যক্তি—যাৰ মুখখন সকলোৱে চিনি পায়। মুখহীন সামূহিক নেতৃত্বই (Faceless Collective Leadership) স্বাভাৱিক অৱস্থাত ৰাষ্ট্ৰৰ শাসন কাৰ্য পৰিচালনা কৰিব পাৰে, কিন্তু সংগ্ৰামৰ সময়ত নেতৃত্ব দিবলৈ মাত্ৰ এজন গান্ধী, এজন লেনিন, এজন চাৰ্চিল, এজন হো চি মিন লাগিবই। কাৰণ সেই নেতাই সংগ্ৰামৰ সমস্ত সাফল্য আৰু ব্যৰ্থতাৰ নৈতিক দায়িত্ব স্বীকাৰ কৰি ল'ব লাগিব। সংগ্ৰাম সফল হ'লে আৰু তাৰ ফলত জনসাধাৰণৰ মঙ্গল হ'লে সেই নেতাৰ শিৰত বৰ্ষিত হ'ব জনতাৰ অভিনন্দন, ইতিহাসৰ জয়মাল্য—যেনেকৈ হৈছিল গান্ধী, ষ্টালিন, চাৰ্চিল, হো চি মিনৰ ওপৰত। কিন্তু সংগ্ৰাম ব্যৰ্থ হ'লে আৰু তাৰ ফলত জনসাধাৰণৰ সৰ্বনাশ হ'লে মাত্ৰ এজন নেতাই, এজন ব্যক্তিয়ে তাৰ সমস্ত নৈতিক দায়িত্ব স্বীকাৰ কৰি লৈ পাপৰ প্ৰায়শ্চিত্ত কৰিব লাগিব—যেনেকৈ হিটলাৰে কৰিছিল দুৰ্ভাগ্য

বাংকাৰত আত্মহত্যা কৰি, মুছোলিনায়ে কৰিছিল ৰাজপথৰ ল্যেম্প পোষ্টত ফাঁচিত ওলমি। সংগ্ৰামৰ সময়ত জনসাধাৰণে অনুসৰণ কৰিব লাগিব এজন নেতাক, এটা গ্ৰ'পানক নহয়।

গান্ধীজীয়েও কৈছিল :—

A true soldier does not argue, as he marches, how success is going to be ultimately achieved. But he is confident that, if he only plays his humble part well, some how or other, the battle will be won.

True discipline gives enthusiastic abedience to instructions even though they do not satisfy reason. A volunteer exercises his reason when he chooses his general, but after having made the choice, he does not waste his time and energy in scanning every instruction and testing it on the anvil of his reason before following it."

অৰ্থাৎ যি কোনো সংগ্ৰামৰ কাৰণে এজন সেনাপতি লাগিবই। স্বেচ্ছাসেৱক বাহিনীয়ে সেনাপতি বাছি ল'বৰ সময়তহে নিজৰ বিচাৰ বুদ্ধি প্ৰয়োগ কৰিব পাৰে, কিন্তু এবাৰ বাছি লোৱাৰ পিছত তেওঁৰ তৰ্ক কৰিবৰ কোনো অধিকাৰ নাই। বিনা বাক্যব্যয়ে তেওঁ নেতাৰ নিৰ্দেশ পালন কৰিব লাগিব। তেতিয়াহে যুদ্ধত জয়লাভ হ'ব।

সম্প্ৰতি আমাক কোৱা হৈছে যে অসমৰ অস্তিত্ব ৰক্ষাৰ কাৰণে আৰু এখন শৰাইঘাটৰ যুদ্ধ চলিব ধৰিছে। ভাল কথা। কিন্তু এই দ্বিতীয় শৰাইঘাটৰ যুদ্ধৰ লাচিত বৰফুকন কোন? তেওঁ ৰাইজৰ সমুখলৈ ওলাই আহক আৰু নিজ মুখে ঘোষণা কৰক—"ময়েই সেই দ্বিতীয় লাচিত বৰফুকন। এই সংগ্ৰামৰ সকলো নৈতিক দায়িত্ব মই স্বীকাৰ কৰি লৈছো। যুদ্ধৰ ফল ভাল হ'লে তোমালোক মোক জাতিৰ ত্ৰাণকৰ্তাৰ আসনত বহুৱাই পূজা কৰিবা; কিন্তু যুদ্ধৰ ফল বেয়া হৈ যদি বহু বীৰ, বহু সন্ত-সাধু, বহু সাধক-কৰ্মীয়ে দুহাজাৰ বছৰ ধৰি গঢ়ি তোলা এই অসমীয়া জাতি ধ্বংস হ'ব লাগে তেন্তে তাৰ সকলো নৈতিক দায়িত্ব স্বীকাৰ কৰি লৈ তোমালোকৰ শাওপাত শিৰোধাৰ্য কৰি লবলৈ মই প্ৰস্তুত আছো।"

এই দ্বিতীয়জন লাচিত বৰফুকনে সোঁ-শৰীৰেৰে আমাৰ আগত লেখা দি সংগ্ৰামৰ জয় পৰাজয়ৰ সকলো নৈতিক দায়িত্ব স্বীকাৰ কৰি লওক, আমি তেতিয়া কম ঃ—

আকৌ লাচিত শুনোৱা তোমাৰ ৰণ-দুৰ্মদ বাণী, আকৌ এবাৰ ৰঙা কৰি মৰো লুইতৰ বগা পানী।

কিন্তু তাকে নকৰি এটা মুখহীন সামূহিক নেতৃত্বই কেৱল বাতৰি কাকতত বিবৃতি দি অসমীয়া জাতিৰ ভাগ্যক লৈ ল'ৰা-ধেমালি কৰি থাকিব নোৱাৰে, কাৰণ সংগ্ৰামৰ খতিয়ান ল'বৰ সময়ত এই মুখহীন মানুহবোৰৰ কোনো এজনকে বিচাৰি পোৱা নাযাব। ইজনে সিজনৰ আগত বাণী দি পলাই সাৰিব।

অসমীয়া জাতিয়ে শৰাইঘাটৰ যুদ্ধক্ষেত্ৰত আত্মাহুতি দিবলৈ যোৱাৰ আগতে নিজকে এবাৰ প্ৰশ্ন কৰক ঃ "কোন আমাৰ লাচিত বৰফুকন ?"

১৭ জুলাই, ১৯৮০

## যুক্তি, তথ্য, আৰু সংখ্যা

**প্ৰশ্ন ঃ আমি উত্থাপন কৰা প্ৰশ্নটো আছিল ঃ**—ভাৰতৰ বাহিৰৰ পৰা অসমলৈ এনেকৈ বিদেশী বিলাকৰ অবাধ প্ৰব্ৰজন ঘটি থাকিলে অসমীয়াসকলৰ নিজৰ ভাষা, সংস্কৃতি আৰু স্বকীয়া জাতীয় পৰিচয় বিপন্ন নহ'বনেকি ?······

**উত্তৰ ঃ** কোনো দেশেই বিদেশী লোকৰ অবাধ আৰু অবৈধ প্ৰব্ৰজন সহ্য কৰিব নোৱাৰে। এতেকে এনে প্ৰব্ৰজনৰ প্ৰতিটো ছিদ্ৰ-পথ অবিলম্বে বন্ধ কৰিবই লাগিব। দ্বিতীয়তে, ভাৰতৰ বেছি ভাগ ৰাজ্যৰ দৰে অসমত অসমীয়া ভাষী লোকসকলৰ সংখ্যা অন্যান্য ভাষা-ভাষী লোকসকলৰ তুলনাত খুব বেছি নহয়। ১৯৭১ চনৰ লোক-পিয়ল অনুসৰি অসমৰ মুঠ জনসংখ্যাৰ তুলনাত অসমীয়া ভাষী মানুহৰ সংখ্যা মাত্ৰ শতকৰা ৬০.৮৯ ভাগ। এতেকে বাহিৰৰ পৰা অবাধ প্ৰব্ৰজন ঘটি থাকিলে অসমীয়া-ভাষী লোকৰ আনুপাতিক হাৰ ক্ৰমান্বয়ে হ্ৰাস পাই গৈ থাকিব। গতিকে যি কোনো উপায়েৰে বিদেশীৰ অনুপ্ৰবেশ বন্ধ হ'বই লাগিব—সেই বিষয়ে কাৰো দ্বিমত থাকিব নোৱাৰে।

দ্বিমত কেৱল এটা মাত্ৰ বিষয়তেই হৈছে। ভৱিষ্যতলৈ নতুনকৈ কাকো আহিবলৈ দিয়া নহ'ব। কিন্তু যিসকল ইতিমধ্যেই আহিল, তেওঁলোকক কোন চনৰ পৰা বিদেশী বুলি গণ্য কৰা হ'ব ?

সেইটো প্ৰশ্নলৈ যোৱাৰ আগতে আমি কেইটামান বিবদমান বিষয় প্ৰথমে নিষ্পত্তি কৰি লোৱা উচিত হ'ব। অসম আন্দোলনৰ নেতাসকলে এক বৃহৎ-সংখ্যক মানুহৰ মনত এনে এটা ভয় সুমুৱাই দিবলৈ সমৰ্থ হৈছে যে—বিদেশীৰ সংখ্যাধিক্যৰ ফলত অসমীয়াসকলৰ সংখ্যাগত শক্তি ইতিমধ্যেই যথেষ্ট হ্ৰাস পাই গৈছে আৰু তাৰ ফলত অসমীয়া জাতিৰ অস্তিত্বই বিপদাপন্ন হৈছে। সেই কাৰণেই ই "অসমৰ অস্তিত্ব-ৰক্ষাৰ শেষ সংগ্ৰাম"। এই ভয় যদি সঁচাকৈয়ে তথ্যৰ দ্বাৰা সমৰ্থিত হয়, তেন্তে আন্দোলনকাৰীসকলক সহজে আন্দোলনৰ পথৰ-পৰা নিবৃত্ত কৰিব পৰা নাযাব। কিন্তু তেন্তে এটা ভয়ৰ সঁচাকৈয়ে কিবা তথ্য গত ভিত্তি আছেনে ?

বৰ্তমানৰ ভাৰতবৰ্ষত বিভিন্ন জাতিৰ পৰিচয় গঢ়ি উঠিছে ভাষাক কেন্দ্ৰ কৰি ; ধৰ্মক কেন্দ্ৰ কৰি নহয়। বিভিন্ন ভাৰতীয় জাতি বুলিলে আমি বুজো অসমীয়া ভাষা কোৱা অসমীয়া, গুজৰাটী ভাষা কোৱা গুজৰাটী, তেলেগু ভাষা কোৱা অন্ধ্ৰবাসী—ইত্যাদি। হিন্দু, মুছলমান, বৌদ্ধ, খ্ৰীষ্টীয়ান—

সকলোৱেই অসমীয়া বা বাঙালী বা হিন্দুস্থানী হ'ব পাৰে। এতেকে যিসকল লোকে ক'ব খোজে যে অসমত বিদেশীৰ ক্ৰমবৰ্ধমান সংখ্যা বৃদ্ধিৰ ফলত অসমীয়া জাতিৰ অস্তিত্ব বিপন্ন হৈছে, তেওঁলোকে নিশ্চয় এই কথাই ক'ব খোজে যে—অসমত অসমীয়া ভাষাৰ অস্তিত্ব বিপন্ন হৈছে, অসমীয়া জাতিৰ ভাষিক অস্তিত্ব বিপন্ন হৈছে। কিন্তু আচলতে হৈছেনে?

দেশ বিভাজনৰ পিছত প্ৰথম বাৰৰ কাৰণে ১৯৫১ চনত লোক পিয়ল হ'ল। দেশবিভাজনৰ পিছতেই অসমলৈ "বিদেশী"ৰ সোঁত বৰলৈ ধৰিলে। এতেকে ১৯৫১ চনৰ পৰা ১৯৭১ চনলৈকে এই বিশ বছৰৰ ভিতৰত অসমত অসমীয়া ভাষী লোকৰ সংখ্যা বাঢ়িল নে কমিল—তাৰ হিচাপ ললেই অসমীয়া জাতিৰ ভাষিক অস্তিত্ব বিপন্ন হৈছেনে নাই সেই কথা আমি ঠাৱৰ কৰিব পাৰিম। যদি অসমীয়া মানুহৰ সংখ্যা কমিছে, তেন্তে সঁচাকৈয়ে দুশ্চিন্তাৰ কথা। কিন্তু যদি বাঢ়িছেহে তেন্তে আন্দোলনকাৰীসকলৰ এটা প্ৰধান যুক্তি সম্পূৰ্ণ ভিত্তিহীন বুলি গণ্য কৰিব লাগিব।

লোক পিয়লৰ হিচাপৰ পৰা দেখা যায় যে—১৯৫১ চনত অসমত অসমীয়া-ভাষী লোকৰ সংখ্যা আছিল উনপঞ্চাশ লাখ তেইশ হাজাৰ এশ সাতাশী জন। ১৯৭১ চনত সি হ'লগৈ উনাশীৰ লাখ চাৰি হাজাৰ নশ সোতৰ জন। অৰ্থাৎ মাত্ৰ বিশ বছৰৰ ভিতৰত অসমীয়া মানুহৰ সংখ্যা শতকৰা ৭৯.৬ ভাগ বৃদ্ধি পালে। সংখ্যাটোৰ গুৰুত্ব উপলব্ধি কৰিবলৈ চেষ্টা কৰক; মাত্ৰ বিশ বছৰত ভাৰতৰ অন্য কোনো ভাষা-ভাষী লোকৰে এনে অবিশ্বাস্য সংখ্যা বৃদ্ধি হোৱা নাই। উদাহৰণ স্বৰূপে, ১৯৫১ চনৰ পৰা ১৯৭১ চনৰ ভিতৰত ভাৰতৰ বিভিন্ন ভাষা কওঁতা মানুহৰ সংখ্যা-বৃদ্ধিৰ হাৰ তলত দেখুওৱা ধৰণৰ:—

| | |
|---|---|
| অসমীয়া | —৭৯.৬ (শতকৰা) |
| হিন্দী | — ৪২ |
| বঙলা | —৭৮ ৩ |
| তেলেগু | —৩৫ ৬ |
| মাৰাঠী | —৫৬.২ |
| তামিল | —৪১ ৯ |
| গুজৰাটী | —৫৮.৬ |
| মালয়ালম | — ৬৩ ৯ |
| কানাড়া | —৫০ ০০ |
| উৰিয়া | —৫০.৯ |

এই তথ্য-পাতিয়ে সন্দেহাতীতভাৱে প্ৰমাণ কৰে যে—বিদেশী লোকৰ প্ৰব্ৰজন বা অনুপ্ৰবেশৰ ফলত অসমীয়া জাতিৰ ভাষিক অস্তিত্ব বিপন্ন হোৱা দূৰৰ কথা, বৰং বহু লক্ষ নতুন লোকক নিজৰ বুকুৰ মাজত আত্মসাৎ কৰি অসমীয়া জাতিয়ে নিজৰ শক্তি আৰু কলেৱৰ আগতকৈ বহুখিনি বৃদ্ধিহে কৰিলে। যোৱা প্ৰায় এহাজাৰ বছৰ ধৰি অসমীয়া জাতি, অসমীয়া ভাষাৰ এই চালিকা-শক্তি প্ৰমাণিত হৈছে। পূবৰ পৰা অহা মঙ্গোলীয় টাই-আহোমৰ লোকসকল, পশ্চিমৰ পৰা কেইবা শতাব্দী ধৰি আহি থকা ব্ৰাহ্মণ-কায়স্থ আদি উত্তৰ ভাৰতীয় আৰ্যসকল আৰু পিছত অহা চাওতাল, কোল, মুণ্ডা আদি অনাৰ্য লোকসকল—এই সকলোকে অসমীয়া জাতিয়ে নিজৰ ভাষা আৰু সংস্কৃতিৰ বুকুত লীন নিয়াই নিজকে ক্ৰমে ক্ৰমে অধিক বৃহৎ আৰু শক্তিশালী কৰি আনি আছে। বৰ্তমান কালতো তাৰ ব্যতিক্ৰম হোৱা নাই। ১৯৪৭ চনৰ পৰা এতিয়ালৈকে বহু-লক্ষ বহিৰাগত অসমত প্ৰবেশ কৰা সত্ত্বেও অসমীয়া ভাষী মানুহৰ সংখ্যা কম হোৱাক ছাৰি ঠিক সেই সময় হোৱাৰ ভিতৰতে শতকৰা ৮০ ভাগ বৃদ্ধি হোৱাটোৱেই এই কথাৰ সত্যতা প্ৰমাণ কৰে। এনে অখণ্ডনীয় তথ্য আৰু যুক্তিৰ বিৰুদ্ধে যিসকল লোকে কব খোজে যে অসমীয়া জাতি আৰু অসমীয়া ভাষা মৰিবৰ উপক্ৰম হৈছে, তেওঁলোকে অসমীয়া ভাষা-সাহিত্যৰ ইতিহাসৰ বিষয়ে পুতৌ লগা অজ্ঞতা প্ৰদৰ্শন কৰাৰ উপৰিও অসমীয়া ভাষাৰ প্ৰচণ্ড প্ৰাণ-শক্তিৰ প্ৰতিও অশ্ৰদ্ধা প্ৰদৰ্শন কৰে। তাতোকৈ আচৰিত কথা এইটোহে যে—আমি যিসকল লোকে অসমীয়া ভাষা-সাহিত্যৰ চৰ্চা আৰু উৎকৰ্ষ-সাধনাকেই জীৱনৰ একমাত্ৰ ব্ৰত আৰু ধ্যান-জ্ঞান বুলি গ্ৰহণ কৰিছো, অসমীয়া ভাষা-সাহিত্যৰ চৰ্চা কৰিয়েই জীৱিকা নিৰ্বাহ কৰিছো, সেই সকল লোক হ'লো অসমীয়া ভাষাৰ শত্ৰু! আৰু যি সকল লোকে দহখন অসমীয়া কিতাপৰ নাম ক'ব নোৱাৰিব, সেইসকল লোকেই হ'ল অসমীয়া ভাষাৰ ৰক্ষা-কৰ্তা।

ওপৰত যিবোৰ পৰিসংখ্যা দিয়া হ'ল, সেইবোৰ প্ৰথমবাৰৰ কাৰণে দিয়া হোৱা নাই। যোৱা এবছৰ ধৰি বিভিন্ন লেখকে এই সংখ্যা আৰু তথ্যবোৰৰ সহায়েৰে আন্দোলনকাৰীসকলৰ ভয় অমূলক বুলি প্ৰমাণ কৰিবলৈ চেষ্টা কৰি আহিছে।

কিন্তু আন্দোলনকাৰীসকলে কোনো তৰ্কত সোমাবই নোখোজে। যুক্তি আৰু তথ্যৰ উত্তৰ তেওঁলোকে দিব খোজে আস্ফালন আৰু ভীতি-প্ৰদৰ্শনেৰে।

এইজোৰেই হ'ল বৰ্তমানৰ আন্দোলনৰ আটাইতকৈ ডাঙৰ দুৰ্বলতা। গণতন্ত্ৰ মানেই আলোচনা আৰু বিতৰ্ক, ফেচীবাদ মানেই জোৰ-জুলুম আৰু চীৎকাৰ। পৰিসংখ্যাৰ ক্ষেত্ৰতো এটা কথা প্ৰযোজ্য। এনড্ৰু লেঙে কৈছিল:—"Some people use statistics as a drunken man uses lamp-posts: for support rather than illumination."

ওপৰৰ কথাখিনিয়ে প্ৰমাণ কৰে যে ১৯৪৭ চনৰ পিছৰ পৰা অসমীয়া-ভাষী মানুহৰ সংখ্যা হ্ৰাস পোৱাৰ অভিযোগ বা অসমীয়া জাতিৰ অস্তিত্ব বিপন্ন হোৱাৰ আশংকা সত্য নহয়। বৰং অসমীয়া-ভাষী মানুহৰ সংখ্যা বাঢ়িছেহে। অৱশ্যে তাৰ অৰ্থ এই নহয় যে—বিদেশী প্ৰব্ৰজন অবাধে চলি থাকিলে ভৱিষ্যতেও কোনো সমস্যাৰ সৃষ্টি নহ'ব। বিদেশী প্ৰব্ৰজন সম্পূৰ্ণৰূপে বন্ধ কৰিব লাগিব আৰু এটা নিৰ্দিষ্ট সময়ৰ পিছত অহা সকলো বিদেশীকে বহিষ্কাৰ কৰিব লাগিব। সেই "নিৰ্দিষ্ট সময়টো" কি হ'লে সকলোৰে পক্ষে মঙ্গলজনক হ'ব—সেই কথা আমি তলত আলোচনা কৰিম।

কিন্তু তাৰ আগতে আৰু এটা কথা নিষ্পত্তি কৰি লোৱা প্ৰয়োজন। আন্দোলনকাৰীসকলে যদিও মুখেৰে কয় যে—ধৰ্ম-জাতি-নিৰ্বিশেষে সকলো বিদেশীৰ বহিষ্কাৰৰ দাবীতেই তেওঁলোকে আন্দোলন কৰিছে, কিন্তু বাতৰি কাকতত প্ৰকাশিত অজস্ৰ চিঠি-পত্ৰ আৰু প্ৰবন্ধৰ গূঢ়াৰ্থ ব্যাখ্যা কৰি এই কথা প্ৰমাণ কৰিব পাৰি যে—অন্ততঃ এক শ্ৰেণীৰ লোকৰ বিৰাগ আৰু বিক্ষোভৰ প্ৰধান লক্ষ্য হ'ল মুছলমানসকল।

সুক্ষ্ম কৌশলেৰে অবিৰাম প্ৰচাৰ চলাই তেওঁলোকে বহুতৰে মনত এনে এটা ভয় সুমুৱাই দিছে যে—বিদেশী মুছলমানৰ অনুপ্ৰৱেশৰ ফলত অসম অচিৰেই মুছলমানপ্ৰধান ৰাজ্যত পৰিণত হোৱাৰ সম্ভাৱনাই দেখা দিছে। অসমীয়া বাতৰি কাকত সমূহক ধন্যবাদ—যোৱা এবছৰত অসমৰ সকলো মুছলমানেই "বাংলাদেশী"ত পৰিণত হ'ল,—জ্যোতিপ্ৰসাদে বা অসম সাহিত্য সভাৰ অধুনাতম কৰ্ণধাৰসকলে গদগদ ভাষাৰে বৰ্ণনা কৰা ন-অসমীয়া মুছলমান-সকল আন্দোলনৰ ভূমিকম্পত এশহাত মাটিৰ তলত পোত গ'ল। সি যি কি নহওক, এতিয়া আমি বৈজ্ঞানিক প্ৰণালীৰে সংগ্ৰহ কৰা তথ্য-পাতিৰ ভেটিত বিচাৰ কৰি চাব লাগিব। অসমত মুছলমানৰ সংখ্যা সঁচাকৈয়ে অস্বাভাৱিকভাৱে বৃদ্ধি পাইছেনেকি? অনুপ্ৰৱেশজনিত কৃত্ৰিম সংখ্যাবৃদ্ধিৰ ফলত অসম ভৱিষ্যতে সঁচাকৈয়ে মুছলমান-প্ৰধান ৰাজ্যত পৰিণত হ'ব নেকি?

তলৰ সাৰণীখন খুব মনোযোগ দি অধ্যয়ন কৰক :—

॥ বিভিন্ন ধৰ্মৰ সংখ্যা-বৃদ্ধিৰ শতকৰা হাৰ ॥

শতকৰা বৃদ্ধিৰ হাৰ

| ধৰ্ম | ১৯৫১-৬১ | ১৯৬১-৭১ |
|---|---|---|
| হিন্দু — | ৩৩'৬৭ | ৩৭'১৮ |
| মুছলমান— | ৩৮'৩৭ | ৩০ ৯৯ |
| খ্ৰীষ্টীয়ান — | ৬৪'০৭ | ৪৪'৮০ |
| শিখ — | ১৮৬'০০ | ৪২'৮৪ |
| বৌদ্ধ — | ৭০ ৩১ | ৩৪ ৪৬ |
| জৈন | ১২০'৩৫ | ৩৮'৭১ |

ওপৰৰ পৰিসংখ্যাই প্ৰমাণ কৰে যে বহুতে আশংকা কৰাৰ দৰে অসমত মুছলমানৰ সংখ্যা বাঢ়ি যোৱা নাই ; বৰং ১৯৬১ চনতকৈ ১৯৭১ চনত শতকৰা প্ৰায় আঠ ভাগ কমিছেহে। এইটোও লক্ষ্যণীয় যে—অন্যান্য সকলো ধৰ্মৰ তুলনাত কেৱল হিন্দু-ধৰ্মী মানুহৰ সংখ্যাহে বাঢ়িছে ; তাৰ কাৰণবোৰ অৱশ্যে বুজিবলৈ টান নহয় ; প্ৰধানকৈ খ্ৰীষ্টধৰ্মী পাহাৰী জিলাকেইখন ফালি নি সুকীয়া ৰাজ্য গঠন আৰু ১৯৫১-৭১ চনৰ ভিতৰত অসমলৈ কেইবা লক্ষ হিন্দু শৰণাৰ্থীৰ আগমনেই জন-বিন্যাসৰ এই পৰিৱৰ্তনৰ প্ৰধান কাৰণ।

সি যি কি নহওক, ওপৰৰ সমস্ত তথ্য-পাতিৰ পৰা দুটা কথা স্পষ্টভাৱে প্ৰমাণিত হয় :

(১) ১৯৫১-৭১ চনৰ ভিতৰত কেইবা লাখো বঙ্গভাষী মানুহ অসমলৈ আহি ইয়াত স্থায়ীভাৱে বসতি কৰিবলৈ লোৱা সত্ত্বেও অসমত অসমীয়া ভাষী মানুহৰ সংখ্যা হ্ৰাস পোৱা নাই ; বৰং শতকৰা আশীভাগ বৃদ্ধিহে পাইছে।

(২) বহুতে আশংকা কৰাৰ দৰে অসমত মুছলমানৰ সংখ্যা বাঢ়ি ই এখন মুছলমান-প্ৰধান ৰাজ্যত পৰিণত হ'বলৈয়ো আগবঢ়া নাই ; বৰং মুছলমানৰ সংখ্যা মুঠ জনসংখ্যাৰ আনুপাতিক তুলনাত কমিহে আহিছে।

**প্ৰশ্ন :**—তাৰ মানে আপুনি ক'ব খোজেনেকি যে—বাহিৰৰ পৰা ইমানবোৰ মানুহ অহা সত্ত্বেও অসমীয়া ভাষা-সংস্কৃতি বিপন্ন হোৱাৰ কোনো আশংকাই দেখা দিয়া নাই ?

**উত্তৰ ঃ** ভাষা-সংস্কৃতিৰ অস্তিত্ব যদি কেৱল সংখ্যাৰ ওপৰতে নিৰ্ভৰ কৰে, তেন্তে অসমীয়া ভাষা-সংস্কৃতিৰ স্বকীয়া অস্তিত্ব কোনো বিপদৰ সম্মুখীন হোৱা নাই। বৰং মাত্ৰ দুটা দশকৰ ভিতৰত অসমীয়াভাষী মানুহৰ সংখ্যা শতকৰা আশী ভাগ বঢ়াৰ ফলত এক বৃহত্তৰ পাঠক বা ক্ৰেতা সমাজ সৃষ্টি হোৱাৰ শুভ লক্ষণহে দেখা গৈছে। চূড়ান্ত বিচাৰত সাহিত্যৰ এটা অৰ্থনৈতিক দিশো আছে ; সেইটো হ'ল বজাৰৰ সমস্যা। পাঠকৰ সংখ্যা যিমানেই বাঢ়িব, সাহিত্যৰ বজাৰো সিমানেই বহল হ'ব।

কিন্তু অসমীয়া ভাষা-সাহিত্যৰ বিপদ অন্যফালৰ পৰাহে আহিছে। এইটো এটা মন কৰিবলগীয়া কথা যে—যদিও ১৯৫১-৭১ চনৰ ভিতৰত অসমীয়াভাষী মানুহৰ সংখ্যা প্ৰায় শতকৰা আশী ভাগ বাঢ়িছে, ( ১৯৫১ চনত ৪৯ লাখ ; ১৯৬১ চনত ৬৭ লাখ ; ১৯৭১ চনত ৮৯ লাখ )—কিন্তু মুঠ জনসংখ্যাৰ আনুপাতিক তুলনাত অসমীয়াভাষী মানুহৰ— সংখ্যা কিঞ্চিৎ হ্ৰাস পাইছে। ১৯৫১ চনত অসমীয়া ভাষী মানুহ আছিল মুঠ জনসংখ্যাৰ শতকৰা ৬১ ৩২ ভাগ ; ১৯৬১ চনত শতকৰা ৬২ ৩৬ ভাগ ; কিন্তু ১৯৭১ চনত ই হ'লগৈ শতকৰা ৬০ ৮৯ ভাগ।

অসমত ভাষা ভিত্তিক জনসংখ্যাৰ শতকৰা হাৰ ( ১৯৭১ চনত ) তলত দেখুওৱা ধৰণৰ ঃ—

| | | |
|---|---|---|
| অসমীয়া — | শতকৰা | ৬০ ৮৯ ভাগ |
| বাঙালী — | ,, | ১৯·৭ |
| থলুৱা জনজাতীয় . | | ৭ ৫ |
| হিন্দী — | ,, | ৫ ৪ |
| নেপালী — | ,, | ২·৪ |
| উৰিয়া — | , | ১·০ |
| বিষ্ণুপ্ৰিয়া — | ,, | ০ ৮ |
| অন্যান্য — | ,, | ২·৩ |

অসমত অসমীয়াভাষী মানুহৰ সংখ্যা ১৯৬১ চনৰ শতকৰা ৬২·৩৬ জনৰ পৰা ১৯৭১ চনত শতকৰা ৬০ ৮৯ জনলৈ হ্ৰাস পোৱাৰ কাৰণ কিন্তু অনা অসমীয়া বিদেশী মানুহৰ প্ৰব্ৰজন নহয়। ১৯৬১ চনৰ পিয়লৰ পিছত অসমৰ আদিমতম থিলঞ্জীয়া জনগোষ্ঠী বড়ো-কছাৰীসকলৰ এটা বৃহৎ অংশই অসমীয়া ভাষাৰ লগত সম্পৰ্ক ছেদ কৰি নিজকে বড়োভাষী বুলি চিনাকি দিয়াৰ

ফলতেই অসমীয়াভাষী মানুহৰ শতকৰা হাৰ আগতকৈ হ্ৰাস পাইছে। লক্ষ্যণীয় যে ১৯৬০ চনত অসমীয়া ভাষিক জাতীয়তাবাদৰ হিংস্ৰ প্ৰকাশ ঘটাৰ পিছতেই বড়ো জনগোষ্ঠী নিজৰ স্বকীয়া ভাষা-সংস্কৃতি সম্পৰ্কে বিশেষ সচেতন হৈ উঠে। ঠিক সেইদৰে ১৯৮০ চনত অসমীয়া ভাষিক জাতীয়তাবাদৰ উদ্গীৰণৰ ঠিক পিছতেই মিচিং জনগোষ্ঠীয়েও নিজস্ব ভাষা-সংস্কৃতিৰ স্বকীয় সত্তা প্ৰতিপন্ন আৰু বিকশিত কৰিবলৈ বিশেষ তৎপৰ হৈ উঠিছে। অসমীয়া-সকলৰ ভাষিক সাম্ৰাজ্যবাদ আৰু আগ্ৰাসী মনোভাৱে অসমৰ খিলঞ্জীয়া জনজাতীয় লোকসকলক এনেকৈয়ে ক্ৰমশঃ অসমীয়া জাতিৰ মূল প্ৰবাহৰ পৰা দূৰলৈ ঠেলি দিছে। বড়ো ভাষাৰ আন্দোলনৰ সময়ত তেওঁলোকৰ ওপৰত চলা নিৰ্মম পুলিচী অত্যাচাৰৰ বিৰুদ্ধে অসম সাহিত্য সভা আৰু অসম ছাত্ৰ সংস্থা আদি অসমীয়া জাতীয়তাবাদী অনুষ্ঠানবোৰে এষাৰো প্ৰতিবাদ উচ্চাৰণ কৰা নাছিল; বৰং ধাৰণা হয় যে বড়ো ভাষাৰ আন্দোলন দমন কৰিবলৈ চৰকাৰে লোৱা সকলো ব্যৱস্থাৰ প্ৰতি তেওঁলোকৰ প্ৰচ্ছন্ন সমৰ্থনহে আছিল। এই মানসিক আঘাতত যন্ত্ৰণাদায়ক স্মৃতি অসমৰ জনজাতীয় লোকসকলে পাহৰি যাবলৈ খুব টান পাইছে। ১৯৭১ চনৰ লোক পিয়লত বড়োসকলে নিজকে অসমীয়া ভাষী বুলি নকৈ বড়ো ভাষী বুলি ঘোষণা কৰাৰ ফলত যেনেকৈ অসমীয়াভাষী মানুহৰ সংখ্যা শতকৰা ৬২ ভাগৰ পৰা শতকৰা ৬০ ভাগলৈ হ্ৰাস পাইছিল, ঠিক তেনেকৈ ১৯৮১ বা তাৰ পিছৰ যি কোনো পিয়লত মিচিং লোকসকলে নিজকে সম্পূৰ্ণভাৱে মিচিংভাষী বুলি ঘোষণা কৰিলে অসমীয়াভাষী মানুহৰ শতকৰা হাৰ আৰু কিঞ্চিৎ হ্ৰাস পাব। কিন্তু এই প্ৰক্ৰিয়াক বোধ কৰিবলৈ কোনো উপায় নাই। প্ৰত্যেক জনগোষ্ঠীৰে নিজস্ব ভাষা, সাহিত্য আৰু জীৱন-ধাৰাৰ বিকাশৰ মৌল অধিকাৰ মানি ল'বই লাগিব। এই অধিকাৰ খৰ্ব কৰিবলৈ যিমানেই চেষ্টা কৰা হ'ব, সিমানেই তেওঁলোকৰ আৰু অসমীয়াসকলৰ মাজৰ আৱেগিক দূৰত্ব ক্ৰমান্বয়ে বাঢ়ি গৈ থাকিব।

অসমৰ সাম্প্ৰতিক আন্দোলনৰ সমৰ্থকৰূপে পৰিচিত কেতবোৰ জনজাতীয় অনুষ্ঠানৰ নাম কাগজে-পত্ৰই মাজে সময়ে দেখা যায়। ভাৰতৰ স্বাধীনতা আন্দোলনৰ সময়ত কিছু সংখ্যক মুছলমানে কংগ্ৰেছৰ লগত থাকি মুছলিম লীগৰ বিৰোধিতা কৰিছিল। সেইসকলৰ মাজত মৌলানা আবুল কালাম আজাদৰ নিচিনা ইছলাম জগতৰ সৰ্বজন শ্ৰদ্ধেয় ব্যক্তিও আছিল। কিন্তু

তেওঁলোকে প্ৰকৃততে কিমানখিনি মুছলমানৰ প্ৰতিনিধিত্ব কৰিছিল—ইতিহাসে সেই কথা প্ৰমাণ কৰি দেখুৱালে। এনেক্ষেত্ৰত আন্দোলনৰ প্ৰতি সমৰ্থন জ্ঞাপন কৰা জনজাতীয় ব্যক্তি আৰু অনুষ্ঠানবোৰৰ অৱস্থাও তাতকৈ অকণো পৃথক নহয়। গতিকে এই কথা মানি ল'ব লাগিব যে—১৯৬০ চনৰ ভাষা-আন্দোলনে জনজাতীয় লোকসকলক অসমীয়া ভাষাৰ পৰা দূৰলৈ ঠেলি দিয়াৰ যি প্ৰক্ৰিয়াৰ সূচনা কৰিছিল, ১৯৮০ চনৰ আন্দোলনে তাত আৰু এটা হেঁচুকনি দিলে। ফলত ভৱিষ্যতৰ যি কোনো পিয়লত আৰু অধিক জনজাতীয় লোকে অসমীয়া ভাষা ত্যাগ কৰিব আৰু তাৰ ফলত অসমীয়াভাষী মানুহৰ সংখ্যা আৰু অধিক হ্ৰাস পাব। সাম্প্ৰতিক আন্দোলনৰ ইয়েই হ'ল প্ৰধান ফলশ্ৰুতি।

ইয়াতকৈয়ো ডাঙৰ বিপদ আহিব পাৰে ন-অসমীয়া মুছলমানসকলৰ পৰা। এই কথা নক'লেও হ'ব যে বহু লক্ষ ন-অসমীয়া মুছলমানে নিজকে অসমীয়া-ভাষী বুলি পৰিচয় দিয়াৰ ফলতেই অসমীয়াভাষী মানুহৰ সংখ্যা ১৯৫১ চনৰ পৰা ১৯৭১ চনৰ ভিতৰত শতকৰা ৮০ ভাগ বৃদ্ধি পাইছিল। কিন্তু যোৱা এবছৰত আন্দোলনৰ নেতাসকলৰ উক্তিত আৰু অসমীয়া সংবাদ পত্ৰত ন-অসমীয়া মুছলমান আৰু "বাংলাদেশী"ৰ পাৰ্থক্য একেবাৰে নোহোৱা হ'ল। ভৱিষ্যতৰ যি কোনো লোক পিয়লত এওঁলোকৰ কেইবা লক্ষ মানুহে নিজকে বাংলা-ভাষী বুলি পৰিচয় দিয়াৰ সম্ভাৱনা এতিয়া আৰু নুই কৰিব নোৱাৰি। ওপৰত অসমৰ ভাষা ভিত্তিক জনসংখ্যাৰ শতকৰা হাৰৰ যি তালিকা দিয়া হৈছে সেইখন সূক্ষ্মভাৱে বিশ্লেষণ কৰি চালেই বুজা যাব যে বৰ্তমানৰ বিভেদকাৰী প্ৰক্ৰিয়া চলি থাকিলে ১৯৯১ চনৰ লোক পিয়লত অসমীয়াভাষী মানুহৰ সংখ্যা শতকৰা ৫০ ভাগ বা তাতোকৈ তললৈ হ্ৰাস পাব পাৰে। অৰ্থাৎ অসমীয়া জাতিৰ অস্তিত্ব ৰক্ষাৰ কাৰণে যি খন সংগ্ৰাম কৰা হৈছে, সেই সংগ্ৰামৰ চূড়ান্ত পৰিণতি স্বৰূপে অসমত অসমীয়াসকলেই সংখ্যালঘুত পৰিণত হোৱাৰ সম্ভাৱনাহে দিনে দিনে স্পষ্টতৰ হৈ উঠিছে। আন্দোলনৰ নেতাসকলে খন্তেক থমকি ৰৈ এই কথাবোৰ দকৈ চিন্তা কৰি চাবৰ সময় হ'ল।

**প্ৰশ্ন :**—আন্দোলনকাৰীসকলে দাবী কৰিছে যে—বিদেশী নাগৰিকৰ চিনাক্তকৰণৰ কাৰণে ১৯৫১ চনৰ ৰাষ্ট্ৰীয় নাগৰিক পঞ্জী আৰু ১৯৫২ চনৰ ভোটাৰ তালিকাৰ সহায় ল'ব লাগে। চৰকাৰ এই প্ৰস্তাৱত ৰাজী নহয়।

বস্তুতঃ বিদেশী নাগৰিকৰ চিনাক্তকৰণৰ উদ্দেশ্যে চৰকাৰে ১৯৫১ চনৰ ৰাষ্ট্ৰীয় নাগৰিক পঞ্জীখন ব্যৱহাৰ কৰিব নোখোজাৰ কাৰণেই আন্দোলন আজিলৈকে চলি আছে। উক্ত ৰাষ্ট্ৰীয় নাগৰিক পঞ্জীখনৰ ওপৰত ভিত্তি কৰি বিদেশী নাগৰিকৰ চিনাক্তকৰণ কৰাত চৰকাৰৰ প্ৰধান অসুবিধা কি কি ?

**উত্তৰ ঃ**—১৯৫১ চনৰ ৰাষ্ট্ৰীয় নাগৰিক পঞ্জীখন কেনেকৈ আৰু কি উদ্দেশ্যে প্ৰস্তুত কৰা হৈছিল সেই কথা আগৰ এটা প্ৰশ্নৰ উত্তৰত ইতিমধ্যেই কৈ অহা হৈছে ; ( দ্ৰষ্টব্যঃ নাগৰিক, ২০ নৱেম্বৰ ১৯৮০ ) চৰকাৰৰ উদ্দেশ্য আছিল যে নিৰ্দিষ্ট সময়ৰ মূৰে মূৰে নতুন নতুন তথ্য সংযোজন কৰি এই নাগৰিক পঞ্জীখন আপ-টু-ডেট কৰি ৰখা হ'ব। কিন্তু সেই কাম কোনোদিনেই কৰা নহ'ল। তদুপৰি প্ৰয়োজনীয় ঠাইৰ অভাৱত এই নাগৰিক পঞ্জীখন দেশৰ কোনো ঠাইতেই সম্পূৰ্ণভাৱে ৰক্ষা কৰিব পৰা হোৱা নাই। তাৰ বহুতো অংশ কেতিয়াবাই হেৰাই গৈছে বা জহি খহি নোহোৱা হৈ গৈছে। এনে অৱস্থাত লক্ষ লক্ষ মানুহৰ ভাগ্য নিৰূপণৰ কাৰণে এনে এখন জৰাজীৰ্ণ আৰু অসম্পূৰ্ণ দলিলৰ ব্যৱহাৰ কোনো যুক্তিৰেই সমৰ্থন কৰিব নোৱাৰি।

১৯৫১ চনৰ ৰাষ্ট্ৰীয় নাগৰিক পঞ্জীখন ব্যৱহাৰ কৰাৰ ক্ষেত্ৰত দেখা দিয়া আৰু কেইটামান বিশেষ অসুবিধা তলত উল্লেখ কৰা হ'ল ঃ—

(১) আগতেই কোৱা হৈছে যে—লোক পিয়লৰ গণনা কাকতত সন্নিবিষ্ট তথ্যবোৰৰ প্ৰতিলিপি কৰি ৰাষ্ট্ৰীয় নাগৰিক পঞ্জী প্ৰস্তুত কৰা হৈছিল। যিহেতু এনেকুৱা কোটি কোটি কাকতৰ প্ৰতিলিপি কৰিব লগা হৈছিল আৰু পিছত সেইবোৰ মিলাই চাই শুদ্ধাশুদ্ধ নিৰূপণৰ কোনো ব্যৱস্থা কৰা হোৱা নাছিল, এতেকে এই কথা কোনেও দাবী কৰিব নোৱাৰে যে ১৯৫১ চনৰ নাগৰিক পঞ্জীখন সম্পূৰ্ণভাৱে শুদ্ধ আৰু ত্ৰুটিহীন। কোনো দায়িত্বশীল চৰকাৰেই এনে এখন সন্দেহ-ভাজন দলিলৰ ওপৰত ভিত্তি কৰি লক্ষ লক্ষ মানুহৰ ভাগ্য নিৰূপণ কৰিব নোৱাৰে।

(২) উক্ত ৰাষ্ট্ৰীয় নাগৰিক পঞ্জীখন মানুহৰ নামৰ তালিকা মাত্ৰ। তালিকা-ভুক্ত কোনো মানুহৰেই ৰাষ্ট্ৰীয়তা বা নাগৰিকত্বৰ কোনো উল্লেখ তাত নাই। অৰ্থাৎ ১৯৫১ চনৰ ৰাষ্ট্ৰীয় নাগৰিক পঞ্জীত কাৰোবাৰ নাম থাকিলেই যে তেওঁক ভাৰতীয় নাগৰিক বুলি গণ্য কৰিব লাগিব এনে কথা স্বতঃসিদ্ধ নহয়।

(৩) দেশ বিভাজনৰ পিছৰ পৰা যাঠিৰ দশকৰ শেষলৈকে তদানীন্তন পূৰ্ব পাকিস্তানৰ পৰা যিমানবোৰ হিন্দু শৰণাৰ্থী ভাৰতত তথা অসমত প্ৰবেশ

কৰিছে, তেওঁলোকক বহিষ্কাৰ কৰিবলৈ বা বিদেশী নাগৰিক বুলি চিহ্নিত কৰিবলৈ কেতিয়াও ১৯৫১ চনৰ ৰাষ্ট্ৰীয় নাগৰিক পঞ্জী ব্যৱহাৰ কৰা হোৱা নাই। সেই প্ৰশ্নই কেতিয়াও উঠা নাই। বৰং চৰকাৰে কেন্দ্ৰ আৰু ৰাজ্য পৰ্যায়ত পুনৰসংস্থাপন দপ্তৰ খুলি চৰকাৰী খৰচত এইসকল লোকক ভাৰতত পুনৰ্বাসন দিয়াৰ ব্যৱস্থাহে কৰি আহিছে। ১৯৫০ চনৰ The Immigrants (Expulsion from Assam) Act নামৰ আইনৰ সহায়েৰে বিদেশী অনুপ্ৰৱেশকাৰীসকলক অসমৰ পৰা বহিষ্কাৰ কৰা হয়, সেই আইন হিন্দু শৰণাৰ্থীসকলৰ ক্ষেত্ৰত প্ৰযোজ্য নহ'ব বুলি আইনখনত পৰোক্ষভাৱে কিন্তু স্পষ্টভাৱে কোৱা আছে। কোনবোৰ লোকৰ ক্ষেত্ৰত এই আইন প্ৰযোজ্য নহ'ব সেই কথা ব্যাখ্যা কৰি আইনখনত কোৱা হৈছে:—

"Provided that nothing in this section shall apply to any person who on account of civil disturbances or the fear of such disturbances in any area now forming part of pakistan has been displaced from or has left his place of residence in such area and who has been subsequently residing in Assam."

ওপৰৰ কথাখিনিৰ পৰা যুক্তিসংগতভাৱে এই কথা অনুমান কৰিব পাৰি যে—১৯৫১ চনৰ নাগৰিক পঞ্জীৰ ভিত্তিত কোনো হিন্দু শৰণাৰ্থীক বিদেশী বুলি চিহ্নিত কৰিব খুজিলে তেওঁ তেনে কাৰ্যৰ বিৰুদ্ধে আদালতৰ আশ্ৰয় ল'ব পাৰিব। আদালতৰ পক্ষেও The Immigrants (Expulsion from Assam) Act, 1950 খনৰ অস্তিত্ব অস্বীকাৰ কৰাটো বোধহয় সম্ভৱ নহ'ব।

মুঠতে এই কথা স্পষ্ট যে দেশৰ প্ৰচলিত আইনৰ ভিত্তিত হিন্দু শৰণাৰ্থী-সকলৰ ক্ষেত্ৰত ১৯৫১ চনৰ ৰাষ্ট্ৰীয় নাগৰিক পঞ্জীখন প্ৰয়োগ কৰাটো একেবাৰেই অসম্ভৱ।

(৪) বাকী থাকিল বহিৰাগত মুছলমানসকলৰ কথা। এই কথা সম্পূৰ্ণ সত্য যে—অনুপ্ৰৱেশকাৰী মুছলমানসকলক চিনাক্ত কৰি বহিষ্কাৰ কৰিবৰ কাৰণে উক্ত নাগৰিক পঞ্জীখন ব্যৱহাৰ কৰা হৈ আহিছে। কিন্তু এই ক্ষেত্ৰতো ১৯৫১ চনৰ নাগৰিক পঞ্জী সম্পূৰ্ণ নিৰ্ভৰযোগ্য দলিল নহয়। তাৰ দুটা প্ৰধান কাৰণ ওপৰৰ ১ আৰু ২নং অনুচ্ছেদত দিয়া হৈছে। তাৰ উপৰিও আৰু এটা ডাঙৰ কাৰণ আছে। ১৯৫০ চনত অসমৰ পশ্চিমাঞ্চলত হোৱা সাম্প্ৰদায়িক সংঘৰ্ষৰ ফলত লক্ষাধিক ভাৰতীয় মুছলমান পূৰ্ব পাকিস্তানলৈ

পলাই গৈছিল। তাৰ ঠিক পিছতেই ভাৰত আৰু পাকিস্তানৰ মাজত এখন আন্তৰ্জাতিক চুক্তি সম্পাদিত হয়। নেহৰু-লিয়াকৎ চুক্তি নামেৰে জনাজাত এই চুক্তিৰ ফলত এইসকল স্থানচ্যুত ভাৰতীয় মুছলমান পুনৰ অসমলৈ ঘূৰি আহিবলৈ সক্ষম হয়। কিন্তু প্ৰায় লাখৰ ওচৰ এনেকুৱা বহুতো মানুহ ১৯৫১ চনৰ নাগৰিক পঞ্জী প্ৰস্তুত হৈ উঠাৰ পিছতহে অসমলৈ ঘূৰি আহিবলৈ সক্ষম হ'ল বুলি চৰকাৰৰ ওচৰত তথ্য-পাতি আছে। অৰ্থাৎ এই সকল লোকৰ নাম ১৯৫১ চনৰ ৰাষ্ট্ৰীয় নাগৰিক পঞ্জীত নোসোমাল। এনেস্থলত মুছলমানসকলৰ ক্ষেত্ৰতো ১৯৫১ চনৰ ৰাষ্ট্ৰীয় নাগৰিক পঞ্জীখনক একমাত্ৰ নিৰ্ভৰযোগ্য দলিল বুলি গ্ৰহণ কৰা সম্ভৱনে ?

(৫) বিশ্বস্ত সূত্ৰৰ পৰা জানিব পৰা মতে আন্দোলনৰ নেতাসকলে এই কথা মানি লৈছে যে—১৯৫১-৬১ চনৰ ভিতৰত অসমত থিতাপি লোৱা সকলো মানুহকে ইয়াত নাগৰিক হিচাপে থাকিবলৈ দিয়া হ'ব ; কিন্তু তেওঁলোকৰ চিনাক্ত কৰণ হ'ব লাগিব।

যদি এইসকল লোকক সমস্ত নাগৰিক অধিকাৰসহ অসমত থাকিবলৈ দিয়া হয়েই, তেন্তে ১৯৫১ চনৰ নাগৰিক পঞ্জীৰ নিচিনা এখন সন্দেহযুক্ত দলিলৰ ভিত্তিত এই লক্ষ লক্ষ লোকক বিদেশী বুলি চিনাক্ত কৰি কাৰ কি লাভ হ'ব ? কেতবোৰ মানুহৰ যুক্তিহীন শিশুসুলভ খেয়াল চৰিতাৰ্থ কৰাৰ বাহিৰে এনে কাৰ্যৰ দ্বাৰা অসমৰ জনসাধাৰণৰ কি সামাজিক, ৰাজনৈতিক বা অৰ্থনৈতিক লাভটো হ'ব ? বৰং এনে কৰাৰ ফলত অযথা বহুতো ৰাজহুৱা ধনৰ অপচয় হ'ব ; সামাজিক সম্পৰ্কৰ ক্ষেত্ৰত অৰ্থহীন তিক্ততাৰ সৃষ্টি হ'ব ; বহুতো নিৰপৰাধ মানুহৰ জীৱনলৈ নামি আহিব অবৰ্ণনীয় দুখ-কষ্ট। তদুপৰি বিদেশী নাগৰিক চিনাক্তকৰণৰ নামত দুৰ্নীতি-গ্ৰস্ত প্ৰশাসন ব্যৱস্থাৰ সৰুবৰ সকলো কৰ্মচাৰীয়েই কি পৰিমাণৰ অভূতপূৰ্ব দুৰ্নীতিত লিপ্ত হৈ পৰিব —সেই কথা কল্পনা কৰিবলৈকে ভয় লাগে। অসমৰ যি প্ৰশাসন-ব্যৱস্থাই দুৰ্নীতি অৱলম্বন নকৰাকৈ দৰিদ্ৰতম কৃষকৰ মাজত ত্ৰাণ সাহায্য বা কৃষি-ঋণ পৰ্যন্ত বিলাব নোৱাৰে, সেই প্ৰশাসন-ব্যৱস্থাই লক্ষ লক্ষ আতংক-গ্ৰস্ত লোকক বিদেশী বুলি মাৰ্কা মাৰিবলৈ সুযোগ পালে কি যে নকৰাকৈ থাকিব—সেই কথা ৰাইজে এবাৰো ভাবি চাইছেনে ?

এনে এটা পৰিস্থিতি সৃষ্টি কৰিবৰ কাৰণেই অসমৰ ৰাইজে অপৰিসীম দুখ-কষ্ট বৰণ কৰি আন্দোলন চলাই যাব খোজেনে ?

২৭ নৱেম্বৰ, ১১ ডিচেম্বৰ, ১৯৮০

## শিক্ষা আৰু প্ৰগতি

আমেৰিকা যুক্তৰাষ্ট্ৰই ৰাছিয়াতকৈ বহুত আগতে আণৱিক বিস্ফোৰণ ঘটাই আধুনিক বিজ্ঞানৰ ক্ষেত্ৰত এক বিৰাট অগ্ৰগতি লাভ কৰিছিল। আমেৰিকাৰ আশা আছিল যে তেওঁলোকৰ একমাত্ৰ প্ৰতিদ্বন্দ্বী ৰাছিয়া সহজে কেতিয়াও তেওঁলোকৰ সমকক্ষ হ'ব নোৱাৰিব। কিন্তু নিজৰ শ্ৰেষ্ঠত্বৰ গৰ্বত আমেৰিকা আত্মহাৰা হৈ থাকোতেই ৰাছিয়াৰ মানুহে গৈ সৰ্বপ্ৰথমে চন্দ্ৰপৃষ্ঠত পদাৰ্পণ কৰিলে। লগে লগে ৰাছিয়া হৈ পৰিল মহাকাশ অভিযানৰ ক্ষেত্ৰত অগ্ৰদূত। ৰাছিয়াৰ এই অভূতপূৰ্ব সাফল্যই আমেৰিকাক ইমান সচকিত কৰি তুলিলে যে—সেই মুহূৰ্তৰ পৰাই তেওঁলোকে কঠোৰ আত্ম-সমালোচনা আৰম্ভ কৰি দিলে। আমেৰিকাৰ এই কথা বুজিবলৈ বাকী নাথাকিল যে বিজ্ঞান আৰু প্ৰযুক্তি বিদ্যাৰ যি বিস্ময়কৰ অগ্ৰগতিৰ ফলত ৰাছিয়াৰ এই চন্দ্ৰ অভিযান সফল হ'ল, সি একেদিনাই সম্ভৱ হোৱা নাই বা সি কেৱল বিশেষ এজন বা দুজন মানুহৰো কৃতিত্ব নহয়। নিশ্চয় সমগ্ৰ জাতিৰ বিৰাট ঐকান্তিক সাধনা আৰু বিশেষকৈ শিক্ষা-ব্যৱস্থাৰ বিপুল উন্নতিৰ ফলতহে সি সম্ভৱ হৈছে। লগে লগে আমেৰিকাৰ শিক্ষাবিদসকল ৰাছিয়ালৈ ঢাপলি মেলিলে সেই দেশৰ শিক্ষা ব্যৱস্থাৰ বিষয়ে অধ্যয়ন কৰিবলৈ। আমেৰিকালৈ ঘূৰি আহি তেওঁলোকে প্ৰতিবেদন দিলে যে—দ্বিতীয় মহাযুদ্ধৰ পিছৰ পৰা ৰাছিয়াৰ শিক্ষা ব্যৱস্থাই যি অবিশ্বাস্য উন্নতি কৰিছে, তাৰ লগত আমেৰিকাৰ কোনো তুলনাই নহয়।

আমেৰিকাত যি উচ্চতৰ গণিতৰ শিক্ষা কলেজতহে দিয়া হয়, সেই গণিত ৰাছিয়াৰ ছাত্ৰই স্কুলতে শিকে। যিহেতু মগজৰ শক্তি—শৰীৰৰ স্বাস্থ্য আৰু শক্তিৰ ওপৰত নিৰ্ভৰশীল, সেই কাৰণে শৰীৰ চৰ্চা ৰাছিয়াৰ ছাত্ৰৰ কাৰণে বাধ্যতামূলক। বেছি ভাগ আমেৰিকান ছাত্ৰই কিন্তু আজৰি সময়খিনি টেলিভিশ্যন চাই বা অলস আমোদ-প্ৰমোদ কৰি অতিবাহিত কৰে। তদুপৰি ৰাছিয়াৰ ছাত্ৰই আমেৰিকাৰ ছাত্ৰতকৈ দিনে কেইবাঘণ্টা বেছি সময় পঢ়া-শুনা কৰে। মুঠতে ৰাছিয়া যে হঠাতে আমেৰিকাতকৈ বহুগুণে বেছি আগবাঢ়ি গ'ল, তাৰ মূলতেই হ'ল সেই দেশৰ শিক্ষা-ব্যৱস্থা, ৰাছিয়াৰ শিক্ষক, ছাত্ৰৰ কঠোৰ তপস্যা।

ৰাছিয়াৰ অগ্ৰগতিত আতংকিত হৈ আমেৰিকায়ো নিজৰ শিক্ষা-ব্যৱস্থা নতুন সাঁচত ঢালিবলৈ চেষ্টা কৰিলে। পাঠ্যক্ৰমৰ সংস্কাৰ কৰা হ'ল। নতুন নতুন শৈক্ষিক কৌশল প্ৰয়োগ কৰা হ'ল। এই গোটেইবোৰ আছিল ষাঠিৰ দশকৰ মাজভাগৰ অৰ্থাৎ প্ৰায় পোন্ধৰ বছৰমান আগৰ ঘটনা। কিন্তু ইমানৰ পিছতো মাত্ৰ এই বছৰত আমেৰিকান শিক্ষাবিদ্ অধ্যাপক আইজাক ওৱাৰ্ছজুপে ৰাছিয়া আৰু আমেৰিকাৰ শিক্ষা-ব্যৱস্থাৰ তুলনা কৰি যি প্ৰতিবেদন দাখিল কৰিছে, সি আমেৰিকানসকলৰ কলিজা কঁপাই তুলিছে। অধ্যাপক ওৱাৰ্ছ-জুপৰ মতে ৰাছিয়াত গণিত আৰু বিজ্ঞান শিক্ষাৰ মান ইমান বেছি উন্নত যে তাৰ তুলনাত সৰ্বসাধাৰণ আমেৰিকান ছাত্ৰৰ শিক্ষাৰ কোনো মূল্যাই নাই। ৰাছিয়াই যোৱা এটা মাত্ৰ দশকত শিক্ষাৰ ক্ষেত্ৰত যি বিপ্লৱ সাধন কৰিছে তাৰ-ফলত বিজ্ঞান আৰু গণিতৰ ক্ষেত্ৰত পৃথিৱীৰ আন সকলো দেশতকৈ ৰাছিয়া বহুত বেছি বাট আগুৱাই গৈছে। কেৱল শিক্ষাৰ ক্ষেত্ৰত লাভ কৰা অগ্ৰগতিৰ ফলতেই ৰাছিয়াই সমগ্ৰ মানৱ-জাতিৰ ভৱিষ্যতৰ সঁচাৰ-কাঠি কৰায়ত্ব কৰিব পাৰিছে। তাৰ তুলনাত আমেৰিকা কিমান পিছুৱাই গৈছে সেই বিষয়ে উল্লেখ কৰি অধ্যাপক ওৱাৰ্ছজুপে কৈছে যে—যি ক্ষেত্ৰত প্ৰতিজন ৰাছিয়ান সৈনিকেই প্ৰযুক্তি-বিদ্যাৰ ক্ষেত্ৰত অতি উচ্চ-শিক্ষা-প্ৰাপ্ত, সেই ক্ষেত্ৰত আমেৰিকান সৈন্য বাহিনীত ভৰ্তি হোৱা প্ৰতি দহজন সৈনিকৰ ভিতৰত ছজনৰেই বিদ্যা-বুদ্ধি গড় হিচাপতকৈয়ো কম। অধ্যাপক ওৱাৰ্ছজুপৰ মতে ৰাছিয়াত শিক্ষা কেৱল কৃতকাৰ্যতাৰে মাপকাঠি নহয়, "ৰাছিয়ান সমাজ ব্যৱস্থাত প্ৰতিজন ব্যক্তিৰে জীৱনৰ মান-উন্নয়নৰো বা স্বাচ্ছন্দ্য আহৰণৰো একমাত্ৰ উপায় হ'ল শিক্ষা।"

মুঠতে ৰাছিয়াৰ শিক্ষা-ব্যৱস্থাৰ অগ্ৰগতিয়ে আমেৰিকাক আতংকিত কৰি তুলিছে। আধুনিক সভ্যতা হ'ল বৈজ্ঞানিক সভ্যতা। এই সভ্যতাত শিক্ষাৰ অবিহনে উন্নতি কৰিবলৈ আন একো উপায় নাই। কৃষি, শিল্প, সমৰ-বিদ্যা —এই সকলোবোৰেই বিজ্ঞান তথা শিক্ষাৰ ওপৰত একান্তভাৱে নিৰ্ভৰশীল। আমেৰিকাই বুজি পাইছে যে যি দেশেই শিক্ষাৰ ক্ষেত্ৰত আগবাঢ়ি যাব, সেই দেশেই মানৱ সমাজৰ নেতৃত্ব ল'ব আৰু পৃথিৱীৰ ভৱিষ্যত নিৰূপণ কৰিব।

অৱশ্যে এইবোৰ কথা আমাৰ অসমীয়া মানুহে জানিবৰ বা চিন্তা কৰিবৰ কোনো প্ৰয়োজন নাই। কাৰণ এইবোৰ কথা হ'ল অন্য কোনো গ্ৰহৰ উন্নততৰ মানৱ-সভ্যতাৰ কথা। আমাৰ অসমীয়া মানুহে স্কুল-কলেজৰ দুৱাৰত তলা লগাই "জয় আই অসম" বুলি কিৰিলি পাৰি ঘূৰি ফুৰিলেই কিবা এটা মন্ত্ৰৰ

ৰলেৰে অসমীয়া নামটো পৃথিৱীত বৰ্তি ৰব। নামটোৰ বাহিৰেতো অসমীয়া মানুহক একো নালাগে। ভাষা, সাহিত্য, সংস্কৃতি, উচ্চতৰ জ্ঞান-বিজ্ঞান— অসমীয়া মানুহক সেইবোৰ একো নালাগে, লাগে কেৱল "অসমীয়া" নামটো। কোনো সন্দেহ নাই যে যি গতিৰে অসমীয়া মানুহে শিক্ষাৰ ফালে পিঠি দিছে তাৰ ফলত এই শতাব্দীৰ ভিতৰতেই অসমীয়া মানুহৰ নামটোৰ বাহিৰে আন একো নাথাকিব।

২ অক্টোবৰ, ১৯৮০

## ছদ্মবেশী বিচ্ছিন্নতাবাদ

··· · they are capable of paralyzing governments ··· when paralysis spreads, control is lost, all functions stop. A vacuum is created for a force "not paralyzed" to move into the host and assume control.

—The Matarese Circle :—Robert Ludlum

দিন যোৱাৰ লগে লগে অসমৰ ঘটনাৱলীৰ মাজত এটা পেটাৰ্ণ পৰিষ্কাৰভাৱে ফুটি উঠিছে। বাংলাদেশৰ মুক্তি সংগ্ৰামৰ ইতিহাস স্মৰণ কৰিলেই এই পেটাৰ্ণ সহজে বোধগম্য হ'ব। আন্দোলনৰ বেছি ভাগ নেতা আৰু লক্ষ লক্ষ স্বেচ্ছাসেৱকে হয়তো এই কথা নাজানে; তেওঁলোকে আন্তৰিকভাৱে বিদেশী বিতাড়নৰ কাৰণেই আন্দোলন কৰিছে। কিন্তু যি কেইজন মুষ্টিমেয়লোকে আন্দোলনৰ পৰিচালক আৰু দিগদৰ্শক হিচাপে কাম কৰিছে, তেওঁলোকৰ লক্ষ্য এতিয়া সম্পূৰ্ণ পৰিষ্কাৰ।

আন্দোলনৰ একমাত্ৰ ঘোষিত লক্ষ্য হ'ল বিদেশী বিতাড়ন। কিন্তু অলপ মন কৰিলেই দেখা যাব যে—আন্দোলনকাৰীসকলে আৰম্ভণিৰে পৰাই বিদেশী বিতাড়নৰ উদ্দেশ্যে যিমান প্ৰবলভাৱে জনমত গঢ়ি তুলিবলৈ চেষ্টা কৰিছে, তাতোকৈ বহুত বেছি প্ৰবলভাৱে জনমত গঢ়ি তুলিবলৈ চেষ্টা কৰিছে ভাৰতৰ লগত অসমৰ সকলো সম্পৰ্ক ছিন্ন কৰাৰ উদ্দেশ্যে। আন কথাত ক'বলৈ গ'লে অসমক ভাৰতৰ পৰা বিচ্ছিন্ন কৰি এখন পৃথক স্বাধীন ৰাষ্ট্ৰ গঢ়ি তোলাই তেওঁলোকৰ চূড়ান্ত উদ্দেশ্য। কিন্তু আইনৰ ভয়ত তেওঁলোকে সেই কথা এতিয়াই পোনপটীয়াকৈ প্ৰকাশ নকৰি নিজৰ গা বচাই বেঁকা-বেঁকি বাটেৰে আগবাঢ়িবলৈ চেষ্টা কৰিছে। ঠিক এই মুহূৰ্তত তেওঁলোকৰ প্ৰধান লক্ষ্য হ'ল অসমৰ প্ৰশাসন আৰু জনজীৱন সম্পূৰ্ণৰূপে অচল কৰি দি এনে এটা পৰিস্থিতিৰ সৃষ্টি কৰা—যি পৰিস্থিতিত কেন্দ্ৰীয় চৰকাৰৰ পক্ষে সামৰিক শাসন প্ৰবৰ্তন কৰাটো অনিবাৰ্য হৈ উঠিব পাৰে। যিসকল লোকে এই দীৰ্ঘম্যাদী উদ্দেশ্য সন্মুখত ৰাখি পৰম ধৈৰ্যৰে সৈতে কাম কৰি আছে, তেওঁলোকৰ চতুৰালিক প্ৰশংসা নকৰি নোৱাৰি। কাৰণ তেওঁলোকে ভালকৈয়ে জানে যে— আনকি খুব কমসময়ৰ কাৰণেও অসমক সামৰিক শাসনৰ অধীনলৈ ঠেলি দিব

পাৰিলেই এই ৰাজ্যৰ সংখ্যাগৰিষ্ঠ জনগোষ্ঠীৰ মনত বিচ্ছিন্নতাবাদৰ বিষবৃক্ষ-ৰোপণ কৰিবলৈ অধিক সহজ হ'ব। সামৰিক শাসন এনেয়েই জনপ্ৰিয় হ'ব নোৱাৰে, তাতে আকৌ ভাৰতৰ সকলো ৰাজ্যৰ ভিতৰত কেৱল অসমেহে যেতিয়া সামৰিক শাসনৰ সোৱাদ ল'ব লগা হ'ব, তেতিয়া দেশৰ বাকী অংশৰ লগত অসমে খুব স্বাভাৱিকতেই এটা পাৰ্থক্য আৰু মানসিক দূৰত্ব অনুভৱ কৰিবলৈ আৰম্ভ কৰিব। তেনে অৱস্থাত বিচ্ছিন্নতাবাদী নেতাসকলৰ পক্ষে ভাৰত-বিৰোধী প্ৰচাৰ অভিযান চলাবলৈ অনেক বেছি সহজ হ'ব। কোনো সন্দেহ নাই যে—আন্দোলনৰ একাংশ নেতাই এই গোটেইবোৰ সম্ভাৱনা মনত ৰাখি অসমত সামৰিক শাসন অনিবাৰ্য কৰি তুলিবলৈ প্ৰাণপণ চেষ্টা চলাইছে। নহ'লে জনসাধাৰণৰ কুলাই-পাছিয়ে নধৰা দুখ-কষ্টলৈকো ভ্ৰূক্ষেপ নকৰি ৰাজ্যখনৰ প্ৰশাসন-যন্ত্ৰটোক ভাঙি-ছিঙি মৰিষমূৰ কৰি পেলাবলৈ চলাই থকা বৰ্তমানৰ আত্মঘাতী প্ৰচেষ্টাৰ আন কোনো ব্যাখ্যা বিচাৰি পোৱা নাযায়।

অৱশ্যে এই প্ৰচেষ্টা বিদেশী-বিতাড়নৰ দাবীৰ সমান্তৰালভাৱে আৰম্ভণিৰে পৰাই চলি আহিছে। অৰ্থনৈতিক ক্ষেত্ৰত তেল-অৱৰোধ, ৰাজনৈতিক ক্ষেত্ৰত সৰ্বভাৰতীয় ৰাষ্ট্ৰীয় দলবোৰৰ বিৰুদ্ধে ঘৃণা-অভিযান, প্ৰশাসনিক ক্ষেত্ৰত সৰ্বভাৰতীয় সেৱা সমূহৰ বিৰুদ্ধে বিদ্বেষ-সৃষ্টি, চৰকাৰী প্ৰশাসন আৰু বিধান সভা আদি প্ৰতিষ্ঠান সমূহক ধ্বংস কৰাৰ চেষ্টা আৰু সৰ্বশেষত সামৰিক বাহিনীৰ বিৰুদ্ধে অতি সূক্ষ্ম কৌশলেৰে অবিৰাম প্ৰচাৰ—এইবোৰৰ কোনোটোৱেই বিক্ষিপ্ত ঘটনা বা তদৰ্থ ৰণ-কৌশল নহয়; অসমৰ জনসাধাৰণৰ মনত ভাৰত-বিৰোধী বিচ্ছিন্নতাবাদী মনোভাব অতি গভীৰভাৱে প্ৰোথিত কৰি দিবলৈ চলাই থকা এটা বিৰাট ষড়যন্ত্ৰৰ এইবোৰ একো একোটা অংশ মাত্ৰ। আন্দোলনৰ একাংশ নেতাই অতি সুচিন্তিত আৰু সুপৰিকল্পিত কৌশলেৰে ভাৰতৰ লগত অসমৰ প্ৰত্যেকটো আৱেগিক, অৰ্থনৈতিক, ৰাজনৈতিক আৰু প্ৰশাসনিক যোগ-সূত্ৰ এটা এটাকৈ ছিঙি পেলাবলৈ চেষ্টা কৰিছে। সেই উদ্দেশ্যে জনসাধাৰণৰ সমৰ্থন পাবলৈ তেওঁলোকে এনে এটা "ইছু" (issue) বা বিষয় বাছি লৈছে—যিটো বিষয়ে জনসাধাৰণৰ মনত সংকীৰ্ণ গোষ্ঠীগত বা সম্প্ৰদায়গত উন্মাদনাৰ সৃষ্টি কৰি তেওঁলোকক অতি সহজেই উত্তেজিত কৰি তুলিব পাৰে। বহুদিনীয়া পুৰণি পোতা-পুখুৰী ঘোদালি দিলে তাৰে তলিৰ পৰা যেনেকৈ গেলা-পচা আৱৰ্জনা ওপৰলৈ উঠি আহে ঠিক তেনেকৈ কিছুমান ব্যক্তিগত ক্ষমতালোভী বুদ্ধিমান মানুহেও বছা বছা শব্দমালা আৰু স্লোগানৰ

সহায়েৰে জনসাধাৰণৰ মন ঘোদালি দি তাৰ তলিৰ পৰা জুগুপ্সা আৰু জিঘাংসাৰ প্ৰৱণতা তুলি আনিব পাৰে। ইতিহাসৰ লগত সামান্য পৰিচয় থকা যি কোনো শিক্ষিত মানুহেই এনেকুৱা ভুৰি ভুৰি উদাহৰণৰ কথা জানে। অসমত সম্প্ৰতি ঠিক এই ঘটনাই ঘটিব লাগিছে।

সৰ্বভাৰতীয় ৰাজনৈতিক দলবোৰৰ বিৰুদ্ধে চলোৱা ঘৃণাৰ অভিযানত অন্ধভাৱে যোগ নিদি জনসাধাৰণে এতিয়া নিজকে প্ৰশ্ন কৰিবৰ সময় হ'ল: অসমৰ পৰা সৰ্বভাৰতীয় দলবোৰ নিশ্চিহ্ন হৈ গ'লে যি শূন্যতাৰ সৃষ্টি হ'ব, তাৰ ঠাইত ৰাইজে কাক বহুৱাব? ৰাজনীতিত কোনো ভেকুৱাম বা শূন্যতা নিশ্চয় থাকিব নোৱাৰে। আন্দোলনকাৰীসকলৰ মাজত ৰাজনৈতিক দল বুলিবলৈ মাত্ৰ দুটা দল আছে; বাকী আটাইকেইটাই অৰাজনৈতিক অনুষ্ঠান। ৰাজনৈতিক দল দুইটাৰো কোনো বহল গণভিত্তি, গণতান্ত্ৰিক সংগঠন আৰু কাৰ্য-সূচী এতিয়ালৈকে কাৰো চকুত পৰা নাই। এই কথাও প্ৰমাণ কৰিবৰ কোনো উপায় নাই যে—এই আঞ্চলিক দল দুটাৰ আহ্বানতহে বৰ্তমান আন্দোলনৰ প্ৰতি অসমৰ একাংশ ৰাইজে বিপুলভাৱে সঁহাৰি দিছে। এই উত্তেজনাপূৰ্ণ আন্দোলনৰ সুযোগ লৈ তেওঁলোকে মাত্ৰ সাময়িক জনপ্ৰিয়তা অৰ্জন কৰিছে। এতিয়ালৈকে তেওঁলোকে কোনো ত্যাগৰ পৰীক্ষা দিব লগা হোৱা নাই, যোগ্যতাৰ পৰীক্ষা দিব লগা হোৱা নাই, প্ৰতিভাৰ পৰিচয় দিব লগা হোৱা নাই। কিন্তু আন্দোলনৰ নেতাসকলে যেতিয়া সৰ্বভাৰতীয় দলবোৰ বৰ্জন কৰিবলৈ ৰাইজৰ প্ৰতি আহ্বান জনায়, তেতিয়া তেওঁলোকে পৰোক্ষভাৱে এই কথাকেই নকয়নে যে ৰাইজে অসমৰ শাসন ক্ষমতা এই আঞ্চলিক দল দুটাৰ যি কোনো এটাৰ হাতত তুলি দিব লাগিব? সৰ্বভাৰতীয় দলবোৰৰ বিৰুদ্ধে চলোৱা প্ৰচাৰ অভিযানৰ যদি আন কিবা অৰ্থ আছে, তেন্তে আন্দোলনকাৰীসকলে ৰাইজক সেই কথা বুজাই ক'বনে?

অতি আপত্তিৰ কথা এইটোৱে যে আন্দোলনকাৰীসকলৰ ৰাজনৈতিক অংশটোহে ক্ষমতা-দখলৰ কাৰণে সৰ্বভাৰতীয় দলবোৰৰ লগত ৰাজনৈতিক আৰু গণতান্ত্ৰিকভাৱে প্ৰতিযোগিতা নকৰি অতি জঘন্য ফেচিষ্ট কৌশলেৰে এই দলবোৰক খতম কৰিবলৈ চেষ্টা কৰিছে। আন্দোলনৰ উত্তেজনাপূৰ্ণ বাতাবৰণে তেওঁলোকৰ এই অপচেষ্টাত সহায় কৰিছে। আন্দোলনকাৰীসকলৰ উদ্দেশ্য সৎ হোৱা হ'লে তেওঁলোকে নিজৰ কাৰ্যসূচী কেৱল বিদেশী বিতাড়নৰ দাবীতে সীমাবদ্ধ ৰাখি ৰাজনৈতিক দলবোৰৰ লগত মোকাবিলা কৰিবলৈ

পৰৱৰ্তী নিৰ্বাচনলৈ অপেক্ষা কৰিলেহেঁতেন। কিন্তু সেইখিনি আত্মবিশ্বাস তেওঁলোকৰ নাই। তেওঁলোকে ভালকৈয়ে জানে যে জনসাধাৰণৰ যি সাময়িক আবেগ উত্তেজনাৰ জোৱাৰে তেওঁলোকক জনপ্ৰিয়তাৰ তৰংগ-শীৰ্ষত তুলি দিছে, তাৰ ভাটা পৰাৰ লগে লগেই ( ভাটাতো এদিন পৰিবই ! ) তেওঁলোক ক'ত আছাৰ খাই পৰি নিশ্চিহ্ন হ'ব তাৰ একো নিশ্চয়তা নাই। সেই কাৰণে তেওঁলোকে গণতান্ত্ৰিক শক্তি পৰীক্ষালৈ বাট নাচাই সাম্প্ৰতিক আন্দোলনৰ সুযোগ লৈ ফেচিষ্ট পন্ধতিৰে সৰ্বভাৰতীয় দলবোৰক গতিয়াই খতম কৰি ভৱিষ্যতৰ কাৰণে নিজৰ পথ নিষ্কণ্টক কৰিব খোজে। সম্প্ৰতি চলি থকা "বিধায়ক ঘেৰাও কাৰ্যসূচী" এনে ফেচিষ্ট পন্ধতিৰ বাহিৰে আন একো নহয়।

বাইজে উত্তেজনাৰ সোঁতত উটি-ভাহি নগৈ এই গোটেই কথাবোৰ দকৈ ভাবি-চিন্তি চাবৰ সময় হ'ল। ন'হলে সমূখত ভয়ংকৰ বিপদ। ৰাজনৈতিক দলবোৰেও নিজকে ভীৰুতা আৰু পক্ষাঘাতৰ পৰা মুক্ত কৰি ৰাইজক এইবোৰ কথা বুজাই ক'বলৈ ওলাই আহিবৰ সময় হ'ল। নহ'লে তেওঁলোকে জনসাধাৰণৰ শ্ৰদ্ধা আৰু আস্থা হেৰুৱাব। অসম আজি এক ঐতিহাসিক সন্ধিক্ষণত উপনীত হৈছে, কাৰণ এটা দুৰ্ঘোৰ জনস্বাৰ্থ-বিৰোধী আৰু প্ৰতিক্ৰিয়াশীল চক্ৰই তেওঁলোকৰ প্ৰভুসকলৰ স্বাৰ্থত অসমক ভাৰতৰ পৰা বিচ্ছিন্ন কৰি ইয়াত এখন বহতীয়া স্বাধীন ৰাষ্ট্ৰ স্থাপন কৰিবলৈ মৰণ-পণ চেষ্টা কৰিছে। এনে এটা সময়ত প্ৰত্যেকজন মানুহেই সাহসৰ পৰিচয় নিদিলে আৰু দুৰ্বলৈকে চাই কাম নকৰিলে এসময়ত সকলোৱেই নিজৰ কাপুৰুষতা আৰু ভুলৰ কাৰণে ভয়ংকৰ মাচুল দিব লাগিব।

১৩ নৱেম্বৰ, ১৯৮০

# যি সকলে গান্ধীজীৰ নামত শপত খাইছে

গান্ধীজীৰ সমস্ত উক্তি আৰু ৰচনাৰ ভিতৰত এষাৰ কথাই মোক আটাইতকৈ বেছি চিন্তাৰ খোৰাক দিয়ে। তেওঁ এবাৰ কৈছিল: "মই একেটা সময়তে তিনিওটা শক্তিৰ বিৰুদ্ধে যুদ্ধ কৰিব লগা হৈছে: প্ৰথমতে বৃটিছসকলৰ বিৰুদ্ধে, দ্বিতীয়তে মোৰ দেশবাসী ভাৰতীয়সকলৰ বিৰুদ্ধে, তৃতীয়তে মোৰ নিজৰ বিৰুদ্ধে।"

অসমত আজি যিসকল লোকে গান্ধীজীৰ নামত শপত খাইছে, তেওঁলোকে যেন এই অবিস্মৰণীয় উক্তিৰ প্ৰতিটো আখৰৰ মাজত লুকাই থকা গূঢ়াৰ্থ উপলব্ধি কৰি সেইমতে নিজৰ ৰাজহুৱা আৰু ব্যক্তিগত জীৱন যাপন কৰিবলৈ চেষ্টা কৰে। এণ্ডাৰছেনৰ এটা বিখ্যাত গল্পত এজন ৰজাক তেওঁৰ তোষামোদকাৰী সভাসদসকলে "দেবাঙ্গভূষণ" পিন্ধাইছিল, অৰ্থাৎ দেবাঙ্গভূষণ পিন্ধোৱাৰ নামত ৰজাক উলঙ্গ কৰি পেলোৱা হৈছিল। বিৰাট জন-সমাবেশৰ মাজেদি ৰজাই উলঙ্গ হৈ খোজ কাঢ়িছে, কিন্তু সমবেত জনতাই নিজে মূৰ্খ বুলি পৰিগণিত হোৱাৰ ভয়ত সমস্বৰে হৰ্ষধ্বনি কৰিছে: "বাহ বাহ্, কি অপূৰ্ব সুন্দৰ দেবাঙ্গভূষণ।" আত্ম-প্ৰতাৰিত উলঙ্গ ৰজায়ো বিশ্বাস কৰিছে যে – বিস্ময় বিমুগ্ধ জনতাই তেওঁৰ দেবাঙ্গভূষণ দেখিয়েই হৰ্ষোল্লাস কৰিছে। অৱশেষত কিন্তু জনতাৰ মাজৰ পৰা এটি নিষ্পাপ সৰল শিশুৱে চিঞৰি উঠিল: "But the Emperor has nothing at all on!" ৰজাৰ গাত দেখোন একোৱেই নাই।

আমাৰ মাজত আজিও সেই সৰল সত্যবাক্ শিশুটিৰ আৱিৰ্ভাৱ হোৱা নাই। কিন্তু তাৰ অৰ্থ এই নহয় যে কিছুমান মানুহৰ উলঙ্গতা আমাৰ চকুতো ধৰা পৰা নাই। আমি কেৱল উৎকৰ্ণ হৈ অপেক্ষা কৰি আছো সেই অপাপবিদ্ধ আৰু অকুতোভয় শিশুটিৰ কাৰণে—যাৰ একেটি মাত্ৰ বিস্মিত চীৎকাৰে কিছুমান মানুহৰ বীভৎস নগ্নতাক তেওঁলোকৰ নিজৰ চকুতো প্ৰকট কৰি তুলিব, আৰু তাৰ পিছত তেওঁলোকে পলাবলৈ পথ বিচাৰি নাপাব।

১৮ ডিচেম্বৰ, ১৯৮০

## আত্ম-বিশ্লেষণৰ সময়

বিদেশী অনুপ্ৰৱেশকাৰীৰ বেদখলৰ পৰা অসমক মুক্ত কৰিবৰ কাৰণে সমগ্ৰ ৰাজ্যজুৰি যি স্বতঃস্ফূৰ্ত গণ-আন্দোলন হৈছিল, সেই অহিংস আৰু অভূতপূৰ্ব গণ-আন্দোলনে সমগ্ৰ ভাৰতৰ শ্ৰদ্ধা আৰু প্ৰশংসা অৰ্জন কৰিছিল। আনকি ভাৰতৰ বাহিৰলৈকো তাৰ বাৰ্তা বিয়পি পৰিছিল। কিন্তু যাৰ দোষতেই নহওক কিয় আজি সেই আন্দোলন বক্তাক্ত সাম্প্ৰদায়িক সংঘৰ্ষত পৰ্যবসিত হোৱা ঘটনাই প্ৰত্যেকজন মানৱ-দৰদী আৰু দেশ-হিতৈষী লোকক গভীৰভাৱে ব্যথিত কৰি তুলিছে।

এনে এটা ভয়াবহ পৰিণামৰ আশংকা কৰিয়েই আমি ২৯ নৱেম্বৰৰ নাগৰিকত লিখিছিলো: "অলপ ঠাণ্ডা মগজেৰে ভাবি চালেই বুজা যাব যে—এটা দীৰ্ঘস্থায়ী আন্দোলনৰ পৰিবেশে এই সকলো কু-মতলবী লোকক তেওঁলোকৰ অসৎ উদ্দেশ্য পূৰণৰ সুযোগ কৰি দিব আৰু তাৰ ফলত চিৰকালৰ শান্তিময় আৰু সাম্প্ৰদায়িকতাৰ কলুষ-মুক্ত অসমলৈ নতুনকৈ হিংসা-দ্বেষ আৰু সাম্প্ৰদায়িকতাৰ আমদানি হ'ব।" পৰম দুৰ্ভাগ্যৰ কথা যে আমাৰ আশংকা বাস্তৱত পৰিণত হ'ল।

অজস্ৰ নিৰীহ নিৰপৰাধ মানুহ আজি বিভিন্ন ফালৰ পৰা নিৰ্যাতনৰ বলি হৈছে। সামৰিক বাহিনীৰ দ্বাৰা আতিশয্যৰ অভিযোগ উঠিছে। বিভিন্ন জনগোষ্ঠীৰ মানুহেও পৰস্পৰৰ বিৰুদ্ধে অবৰ্ণনীয় অমানুষিক অত্যাচাৰ কৰাৰ বাতৰি আহিছে। প্ৰায় শতাধিক মানুহ নিহত আৰু চৌধ হাজাৰ মানুহ গৃহহীন হৈছে। সম্পত্তিৰ ক্ষয়-ক্ষতিৰ কোনো পৰিমাপ নাই। সকলো শ্ৰেণীৰ দুৰ্গত নিগৃহীত মানুহলৈ আন্তৰিক সমবেদনা জনোৱাৰ বাহিৰে সম্প্ৰতি আমাৰ আন একো বক্তব্য নাই। জৰ্জ ছান্টায়ানাই কৈছিল যে—বেছিভাগ মানুহেই নিৰ্ভেজাল সত্যক হজম কৰিব নোৱাৰে, তেওঁলোকৰ কাৰণে সত্যক সুস্বাদু কৰিবলৈ তাৰ লগত অলপ অসত্য মিহলি কৰি দিব লগা হয়। সেইটো কৰাৰ কোনো অভিলাষ আমাৰ নাই, কাৰণ জনপ্ৰিয়তাৰ প্ৰতি আমাৰ বিন্দুমাত্ৰ লোভ নাই। কিন্তু দোষীয়ে আইনৰ হাতত শাস্তি পাওক আৰু নিৰ্দোষী নিৰীহ জনসাধাৰণৰ ওপৰত বিভিন্ন ফালৰ পৰা চলা সকলো অত্যাচাৰ মুহূৰ্ততে বন্ধ হওক—এইটো আমি দাবী কৰো।

১৭ জানুৱাৰী, ১৯৮০

## সু-সংবাদ

অসমৰ সমস্যাৱলী আৰু তাৰ ফলত সৃষ্টি হোৱা আন্দোলনৰ বিষয়ে আলোচনা কৰিবলৈ প্ৰধানমন্ত্ৰীয়ে সদৌ অসম ছাত্ৰ সন্মিলনৰ নেতাসকলক দিল্লীলৈ নিমন্ত্ৰণ জনাইছে। বহুত দিনৰ মূৰত অসমৰ কাৰণে ই এটা সু-সংবাদ।

ছাত্ৰনেতাসকলৰ প্ৰতি প্ৰধানমন্ত্ৰীৰ এই সাদৰ নিমন্ত্ৰণে কেইবাটাও কথা প্ৰমাণ কৰিছে। ইয়াৰ দ্বাৰাই তেওঁ (১) অসমৰ সমস্যাৱলীৰ গুৰুত্ব স্বীকাৰ কৰি লৈছে, (২) অসমৰ গণ-আন্দোলন আৰু তাৰ উদ্দেশ্যৰ যৌক্তিকতা স্বীকাৰ কৰি লৈছে আৰু (৩) এই আন্দোলনত সদৌ অসম ছাত্ৰ সন্মিলনৰ অবিসংবাদী আৰু প্ৰশংসনীয় নেতৃত্বৰ ভূমিকাক যথাযোগ্য মৰ্যাদা দিছে। প্ৰধানমন্ত্ৰীয়ে যে— সাম্প্ৰতিক আন্দোলনৰ লগত প্ৰত্যক্ষ বা পৰোক্ষভাৱে জড়িত আন কাকো নামাতি কেৱল ছাত্ৰ-নেতাসকলকহে নিমন্ত্ৰণ কৰিছে তাৰো বিশেষ তাৎপৰ্য বোধ হয় নোহোৱা নহয়। অৱশ্যে ভৱিষ্যতৰ কথা এতিয়াই ক'ব নোৱাৰি।

অসমবাসীৰ এটা ন্যায্য দাবীৰ ওপৰত ভিত্তি কৰি ছাত্ৰসকলে এনে এটা বিপুল শক্তিশালী গণ-আন্দোলন গঢ়ি তুলিলে যাৰ তুলনা সমসাময়িক ভাৰতৰ ইতিহাসত পাবলৈ নাই। নিজৰ দাবীৰ অখণ্ডনীয় যৌক্তিকতা আৰু তাৰ পিছত থকা বিপুল জনসমৰ্থন সন্দেহাতীতভাৱে প্ৰমাণ কৰি দেখুওৱাৰ পিছত ছাত্ৰ-নেতাসকলে এতিয়া প্ৰধানমন্ত্ৰীৰ লগত অধিকতৰ শক্তিশালী স্থিতিৰ পৰা কথা ক'ব পাৰে। ছাত্ৰ-নেতা সকলে এই কথাও পাহৰিব যোৱা উচিত নহয় যে —অসমৰ সমস্যাৱলী যথাসম্ভৱ শীঘ্ৰে সমাধান কৰাত প্ৰধানমন্ত্ৰীৰ গৰজো কম নহয়, কাৰণ তাকে কৰিব নোৱাৰিলে অসমত ইন্দিৰা কংগ্ৰেছ তথা কংগ্ৰেছক পুনৰসংস্থাপিত কৰাটো তেওঁৰ পক্ষে অতিশয় কঠিন হ'ব। অথচ পশ্চিমবঙ্গ আৰু ত্ৰিপুৰা জয় কৰিব নোৱৰাৰ পিছত সমগ্ৰ দেশৰ ভিতৰতে আটাইতকৈ স্পৰ্শ-কাতৰ ৰাজ্য অসমত তেওঁ খোপনি পুতিবলৈ আগতকৈ বহুগুণে বেছি প্ৰয়োজন অনুভৱ কৰিব। ছাত্ৰসকলে এইবোৰ কথা মনত ৰাখিলে প্ৰধানমন্ত্ৰীৰ লগত খুব ভালকৈ দৰদাম কৰিব পাৰিব। কেৱল বিদেশী নাগৰিকৰ

বিতাড়নেই নহয় স্বাধীনতাৰ পিছৰে পৰা অসম তথা উত্তৰ-পূৰ্ব ভাৰতক প্ৰতি কেন্দ্ৰই দেখুৱাই অহা চৰম অৱহেলাৰো যাতে অৱসান ঘটে—ছাত্ৰ নেতা-সকলে এই সুযোগতে সেইবোৰ বিষয়েও প্ৰধান মন্ত্ৰীৰ লগত আলোচনা কৰাটো উচিত হ'ব।

প্ৰধানমন্ত্ৰীৰ নিমন্ত্ৰণত সঁহাৰি দিবলৈ আমি ছাত্ৰ নেতাসকলক অনুৰোধ কৰিলো। যিসকল লোকে গণতন্ত্ৰত আলোচনাৰ সাৰ্বভৌমত্বক স্বীকাৰ কৰে, তেওঁলোকে আলোচনাত বহিবলৈ অমান্তি হোৱাটো উচিত নহয়।

২৪ জানুৱাৰী, ১৯৮০

## অশ্ৰুৰ উৎস যেতিয়া শুকাই যায়

নিৰ্মল আৰু সুস্থ মনৰ অধিকাৰী প্ৰত্যেকজন মানুহেই ৰাতিপুৱা শুই উঠি আশা কৰে—আহিব ধৰা দিনটো যেন তেওঁৰ নিজৰ কাৰণে আৰু পৰিচিত-অপৰিচিত সকলো মানুহৰ কাৰণে শুভংকৰ হয়। তেওঁ যেন সকলোৰে মঙ্গলৰ বাতৰি শুনিবলৈ পায়। কিন্তু চিৰ-অভিশপ্ত সেইসকল তথাকথিত শিক্ষিত লোক—যি সকলে প্ৰতিদিনে ৰাতিপুৱা শুই উঠি বাতৰি কাকত পঢ়িব লগা হয়। প্ৰাচীন মানুহৰ প্ৰভাতী প্ৰাৰ্থনা বা শাস্ত্ৰ পাঠৰ স্থান এতিয়া দখল কৰিছে আধুনিক মানুহৰ বাতৰি কাকতে। বাতৰি কাকতে প্ৰতি প্ৰভাততে আমালৈ কি বাতৰি কঢ়িয়াই আনে? আফগানিস্থানৰ গৃহ যুদ্ধত ইছলামিক বিপ্লৱীসকলে চৰকাৰী সৈনিক কেইজনমানক জীয়াই জীয়াই ছাল বখলিয়াই হত্যা কৰিলে। কোচবিহাৰৰ এখন গাঁৱত এজন মাটিগিৰিয়ে চাৰিজন কৃষি-শ্ৰমিকৰ চকুকেইটা চোকা অস্ত্ৰৰে ঘূৰুটি উভালি পেলালে। উত্তৰ কামৰূপৰ কোনোবা এখন গাঁৱত শিশু সমন্বিতে পঁয়ত্ৰিশজন মানুহক জীয়াই জীয়াই পুৰি মৰা হ'ল। অশান্তি দমনৰ নামত চৰকাৰী সৈন্যবাহিনীয়ে কুমাৰী, বৃদ্ধা আৰু গৰ্ভৱতী তিৰোতাক নিৰ্বিচাৰে ধৰ্ষণ কৰিছে। কোনোবা এঠাইত উন্মত্ত জনতাই এজন নিৰপৰাধী মানুহক প্ৰকাণ্ড শিলেৰে থুন্দ থুন্দ এনেভাৱে হত্যা কৰিলে যে—তেওঁৰ আঙুলিৰ বাহিৰে মানুহজনক চিনাক্ত কৰিবলৈ আন একো উপায় নাছিল। এই সমস্ত নাৰকীয় হত্যা-কাণ্ড সংঘটিত হৈছে ধৰ্মৰ নামত, ভাষাৰ নামত, সংস্কৃতি আৰু জাতীয়তাবাদৰ নামত।

আধুনিক মানুহৰ নিচিনা অভিশপ্ত মানুহ আৰু কোন আছে· কাৰণ তেওঁ প্ৰতিদিনে বাতৰি কাকত পঢ়িব লগা হয়, প্ৰতিদিনে সেৱন কৰিব লগা হয় বাতৰি কাকতে উদ্গীৰণ কৰি থকা মাৰাত্মক বিষ-বাষ্প। এই বিষবাষ্পই শৰীৰৰ একো ক্ষতি নকৰে, কিন্তু ই মানুহৰ আত্মাক তিলে তিলে পক্ষাঘাত-গ্ৰস্ত কৰি তোলে। আধুনিক মানুহৰ জীৱনত বাতৰি কাকতে সৃষ্টি কৰা বিষ ক্ৰিয়া লক্ষ্য কৰি গুস্তাভ ফ্লবেয়েৰ ইমান বেছি আতংকিত হৈছিল যে—তেওঁ কৈছিল: "বাতৰি কাকত হ'ল আৰ্ছেনিকতকৈ মাৰাত্মক বিষ। মাত্ৰ এগিলাছেই তোমাক খতম কৰিবৰ কাৰণে যথেষ্ট। সাংবাদিকসকলে নিজৰ প্ৰতিবেদন লিখাৰ আগতে সদায় এই বিষ পান কৰি লয়।"

পৃথিবীৰ সকলো ধৰ্মই এখন নৰকৰ কল্পনা কৰিছে। মানুহৰ বিশ্বাস যে যি সকল লোকে এই পৃথিবীত নানা পাপ আৰু দুষ্কৰ্ম কৰে, তেওঁলোকে মৃত্যুৰ পিছত নৰকত নানাপ্ৰকাৰৰ শাস্তি ভুগিব লগা হয়। অৰ্থাৎ মৃত্যুৰ পিছত তেওঁলোক এনে এখন পৃথিবীলৈ গৈ পুনৰ দেহ-ধাৰণ কৰে—য'ত তেওঁলোকৰ কাৰণে অপেক্ষা কৰি আছে বিচিত্ৰ অন্তহীন যন্ত্ৰণা। কিন্তু প্ৰতিদিনে বাতৰি কাকতত মানুহৰ অবৰ্ণনীয় নাৰকীয় যন্ত্ৰণাৰ কথা পঢ়ি পঢ়ি অলপতে আমেৰিকাৰ বিখ্যাত "টাইম" আলোচনীত এজন পাঠকে প্ৰশ্ন কৰিছে:— "আমাৰ এই পৃথিবীতেই যে মানুহৰ জীৱন আন কোনোবা এখন পৃথিবীৰ নৰক নহয়, সেই কথা আমি কেনেকৈ জানিম?

আজিকালি বাতৰি কাকত পঢ়ি পঢ়ি মোৰ মনলৈকো সদায় সেই একেটা প্ৰশ্নই আহে।

মানুহৰ হিংস্ৰ আচৰণ বুজাবলৈ আমি প্ৰায়েই "পাশৱিক" শব্দটো ব্যৱহাৰ কৰো। কিন্তু সেইটো এটা প্ৰকাণ্ড ভুল। পশুৱে আত্মৰক্ষাৰ কাৰণে পৰস্পৰৰ লগত যুঁজ কৰে বা আহাৰৰ কাৰণে অন্য পশুক হত্যা কৰে। কিন্তু কোনো পশুৱে আদৰ্শৰ নামত বা নিজৰ বিকৃত মানসিকতা তৃপ্ত কৰিবৰ কাৰণে অন্য পশুক জীয়াই জীয়াই ছাল বখলিয়াই হত্যা নকৰে, তিৰোতাৰ যোনিপথত জ্বলন্ত লোহা বা ভঙা বটল সুমুৱাই দি যন্ত্ৰণা দি ৰং নেচায়, চোকা কটাৰীৰে চকু ঘুৰুকটি উলিয়াই নানে। মানুহে মানুহৰ ওপৰত যি অকল্পনীয় অত্যাচাৰ কৰিব পাৰে, তাক "পাশৱিক" বুলি কোৱাটো পশু-জগতৰ প্ৰতি এটা বিৰাট অপমান।

আবহমান কাল ধৰি মানুহে মানুহৰ ওপৰত এনেকৈ "মানৱিক" অত্যাচাৰ কৰি আহিছে। তাৰ ভিতৰত যিবোৰ মানুহে নিজৰ নিষ্ঠুৰ, বিকৃত আৰু ৰক্ত-পিপাষু মনোবৃত্তি চৰিতাৰ্থ কৰিবৰ কাৰণে আন মানুহক অবৰ্ণনীয় যন্ত্ৰণা দি আনন্দ লাভ কৰে। তেনেবোৰ মানুহৰ কথা বুজিব পাৰি, কাৰণ প্ৰকৃতিৰ কিবা প্ৰকাণ্ড ভুল বা নিষ্ঠুৰ খেয়ালৰ ফলত তেনেবোৰ মানুহৰ মস্তিষ্কৰ গঠনতেই এবিধ সহজাত ত্ৰুটি হৈ যায়। কিন্তু বুজিবলৈ টান হৈ পৰে মানুহে মানুহৰ ওপৰত কৰা সেইবোৰ নাৰকীয় নিৰ্যাতনৰ কথা—যিবোৰ কৰা হয় ধৰ্মৰ নামত, দেশপ্ৰেমৰ নামত, সাহিত্য-সংস্কৃতিৰ নামত। মধ্যযুগৰ স্পেইনত ধৰ্মীয় অসহিষ্ণুতা ইমান বেছি প্ৰবল হৈছিল যে—শাস্ত্ৰ-বাক্যৰ পৰা চুলি এডাল মান লৰচৰ কৰা মানুহকো জাকে জাকে জীয়াই জীয়াই পুৰি মৰা হৈছিল।

কিন্তু এবাৰ এজন ধৰ্ম গুৰুৱে অনুভৱ কৰিলে যে—জুলাজুইত মানুহটোক দলিয়াই দিলে তাৰ পুৰি মৰিবলৈ বেছি সময় নালাগে ফলত শাস্ত্ৰৰ বিৰোধিতা কৰি পাপ কৰাৰ কাৰণে তাৰ যিমান শাস্তি হ'ব লাগে সিমানখিনি নহয়। পাপীক উপযুক্ত শাস্তি দিবলৈ তেওঁ এটা অভিনৱ উপায় উদ্ভাৱন কৰিলে। উপায়টো মাছ খাবৰ কা'দি সিজোৱাৰ নিচিনা। পাৰ্থক্য কেৱল এয়েই যে—মানুহটোক খাবৰকাত নিদি এটা খুটাত বন্ধা হয় আৰু ওচৰতে একুৰা প্ৰকাণ্ড জুই ধৰা হয়। সেই জুইৰ অসহ্য তাপত তিলে তিলে সিদ্ধ হৈ মানুহটো কেইবা ঘণ্টাৰ মূৰত মৰে। কিন্তু এই অভিনৱ মৃত্যুৰ যন্ত্ৰণা যাতে আৰু বেছি দীঘলীয়া হয়, সেই উদ্দেশ্যে ধৰ্ম-গুৰুজনে আৰু এটা উপায় উলিয়ালে। মানুহজন যাতে সোনকালে অচেতন হৈ যন্ত্ৰণা অনুভৱ কৰিব নোৱৰা নহয়, সেই উদ্দেশ্যে তেওঁৰ বুকুখন আৰু মূৰটো বৰফত ভিজোৱা কাপোৰেৰে আবৃত কৰি দি তাত মাজে মাজে চেঁচা পানী ছটিয়াই থকা হয়। ফলত মগজে সহজে চৈতন্য হেৰুৱাই নেপেলায়, হৃৎপিণ্ড সহজে বন্ধ হৈ নাযায়, কিন্তু বাকী সৰ্বাঙ্গ তিলে তিলে সিদ্ধ হ'বলৈ ধৰে আৰু "পাপীয়ে" ঘণ্টাৰ পিছত ঘণ্টা ধৰি সেই যন্ত্ৰণা অনুভৱ কৰি থাকে। ধৰ্মক ৰক্ষা কৰিবৰ কাৰণে মানুহৰ মহৎ কল্পনাই এনে অসীম উচ্চতালৈকে আৰোহণ কৰিব লগা হৈছে।

সেই মধ্যযুগৰ পৰা মানুহ বহুবাট আগুৱাই আহিল, লগে লগে মানুহৰ কল্পনা শক্তিও আগতকৈ বহুগুণে বেছি বিকশিত হ'ল। হিটলাৰৰ কনচেনট্ৰেশ্যন কেম্পত, দক্ষিণ আমেৰিকাৰ সামৰিক একনায়কত্ববাদী দেশবোৰৰ কাৰাগাৰত, ষ্টেলিনৰ ৰাছিয়াত, শ্বাহ-শাসিত ইৰাণৰ চাৱাক্-নিয়ন্ত্ৰিত টৰ্চাৰ-চেম্বাৰত, পলপটৰ কাম্বোদিয়াত বৰ্ণ বৈষম্যবাদী দক্ষিণ আফ্ৰিকাৰ কাৰাগাৰত মানুহক নিষ্ঠুৰভাৱে যন্ত্ৰণা দি হত্যা কৰিবলৈ যিবোৰ নিত্য-নৱ কৌশল উদ্ভাৱিত হৈছে—সেইবোৰ দেখি শুনি মনলৈ কেৱল এটাই মাত্ৰ প্ৰশ্ন আহে: How do we know that life on this earth is not another world's hell? আমাৰ এই পৃথিৱীতে মানুহৰ জীৱন যে আন কোনোবা এখন পৃথিৱীৰ নৰক নহয়, সেই কথা আমি কেনেকৈ ক'ব পাৰো?"

মানুহৰ প্ৰতি মানুহৰ নিষ্ঠুৰতাৰ সীমা নাই—কেৱল সেইটোৱেই এই পৃথিৱীখন যে নৰক তাৰ প্ৰমাণ নহয়। তাতোকৈ ডাঙৰ প্ৰমাণ হ'ল এই যে—বেছিভাগ মানুহেই আনৰ অবৰ্ণনীয় দুখ-যন্ত্ৰণা দেখি বিচলিত হোৱা দূৰৰ কথা—ধৰ্ম, ভাষা, ৰাজনীতি, জাতীয়তা আদি নানা বিমূৰ্ত আদৰ্শ বা

ধাৰণাৰ নামত আনক নিষ্ঠুৰ যন্ত্ৰণা দি হত্যা কৰাটোকো এটা নৈতিক-কৰ্তব্য বুলি ভাবে। কোনোবা বাঙালী মাতৃ বা পত্নীৰ বুকু শুদা কৰি এজন মানুহক নিষ্ঠুৰভাৱে হত্যা কৰা হ'ল; সেই ঘটনাৰ প্ৰতি অসমীয়া তিৰোতাৰ একমাত্ৰ প্ৰতিক্ৰিয়া হ'ল: "বাঙালীবোৰ অতি বজ্জাৎ; এই খবৰটোকে ইমান ফলাও কৰি সিহঁতৰ কাগজত প্ৰকাশ কৰিব লগা হ'ল কিয় ?" সেই অসমীয়া তিৰোতা গৰাকীৰ নিজৰ স্বামীক যদি কোনোবাই তেনে ছয়তানী বৰ্বৰতাৰে হত্যা কৰিলেহেঁতেন, তেতিয়াহ'লে তেওঁৰ প্ৰতিক্ৰিয়া ঠিক একে ধৰণৰ হ'লহেঁতেননে ? কোনোবা অসমীয়া মাতৃৰ বুকু শুদা কৰি এজন সুকুমাৰ কিশোৰক চুৰি মাৰি বা শিশুক জ্বলাজুইত পেলাই হত্যা কৰা হ'ল; বাঙালী তিৰোতাৰ মুখত মন্তব্য শুনিবলৈ পালোঃ "বেটা অসমীয়াবোৰৰ উচিত শাস্তি হৈছে।" তেওঁৰ নিজৰ শিশুসন্তান তেনেভাৱে নিহত হোৱা হ'লে তেওঁ ঠিক তেনে এটা মন্তব্য কৰিব পাৰিলেহেঁতেননে ?

যুদ্ধ-বিগ্ৰহ বা বিপ্লৱ পৃথিৱীৰ পৰা অচিৰে বিলুপ্ত হ'ব তেনে আশা নকৰো, যদিও নিশ্চয় আশা কৰো যে—প্ৰেম আৰু অহিংসাৰ ভিত্তিত প্ৰতিষ্ঠিত এখন শান্তিপূৰ্ণ মানৱ সমাজ আৰু বিশ্বচৰকাৰেই সকলো মানৱদৰদী মানুহৰ অন্তিম লক্ষ্য। সেই লক্ষ্য অৱশ্যে এতিয়াও সুদূৰ-পৰাহত। কিন্তু সেই বুলি আমি ব্যক্তিগত আৰু সামাজিক জীৱনত হিংসা আৰু নিষ্ঠুৰতাক পৰিহাৰ কৰি চলিব নোৱাৰোনে ?

প্ৰতিদিনে বাতৰি কাকতত অবৰ্ণনীয় নিষ্ঠুৰতা হিংসা আৰু নৰহত্যাৰ বৰ্ণনাৰ প্ৰতি বিভিন্ন মানুহৰ প্ৰতিক্ৰিয়া লক্ষ্য কৰিলে বিস্মিত আৰু বেদনাভিভূত নোহোৱাকৈ থাকিব নোৱাৰি। বাঙালীৰ হত্যাত অসমীয়া নিৰ্বিকাৰ, অসমীয়াৰ হত্যাত বাঙালী উদাসীন। মাতৃত্ব, দাম্পত্য, অপত্য—এইবোৰ মানৱিক অনুভূতিৰ কি কোনো ভৌগোলিক সীমা আছে ? ধৰ্ম বা ভাষা আছে ?

উত্তৰ মেৰুৰ বৰফ-মৰুভূমিত বাস কৰা এ'স্কিমোসকল আমাতকৈ নিশ্চয় বহুগুণে বেছি অসভ্য (?) আৰু অনগ্ৰসৰ। কিন্তু আনৰ দুখত সহানুভূতি জনাবৰ কাৰণে তেওঁলোকে এটা অতি মৌলিক উপায় অৱলম্বন কৰে। কোনোবা এজন এ'স্কিমোৱে যদি কিবা প্ৰকাৰে আঘাত প্ৰাপ্ত হৈ যন্ত্ৰণা পায়, তেন্তে আন এজন এ'স্কিমোৱে অস্ত্ৰেৰে নিজৰ শৰীৰত নিজে আঘাত কৰি লয়—যাতে বন্ধু বা আত্মীয়জনৰ শাৰীৰিক যন্ত্ৰণা তেওঁ নিজেও অনুভৱ কৰিব পাৰে। আমি

বাবু সিমানাখিনি বৰ্বৰোচিত কাম কৰিব নালাগে, কিন্তু আমি যেতিয়া কোনোবা নিৰীহ নিৰপৰাধ মানুহৰ নিষ্ঠুৰ হত্যাৰ খবৰ পাওঁ, তেতিয়া আমি হিন্দু বা মুছলমান বা অসমীয়া বা বাঙালী নহৈ এজন পিতৃ-মাতৃ, পুত্ৰ, পত্নী বা ভ্ৰাতৃ হিচাপে সেই হত্যা-জনিত বিচ্ছেদৰ যন্ত্ৰণা অনুভৱ কৰিবলৈ চেষ্টা কৰিব নোৱাৰোনে? ৰক্ত পিশাচ খুনীৰ হাতত যি মাতৃয়ে নিজৰ একমাত্ৰ পুত্ৰক চিৰকাললৈ হেৰুৱাইছে, সেই মাতৃৰ বুকু ভঙা কান্দোনৰ কি বিশেষ কোনো ভাষা আছে?

অতি ভয়ৰ কথা হৈছে এই যে—বাৰ্তাৰ কাকতে বিয়পাই দিয়া বিষ পান কৰি কৰি সমাজৰ বেছিভাগ মানুহেই এনেবোৰ মৰ্মন্তুদ মানৱিক ট্ৰেজেদিকো জাতি-ধৰ্ম-ভাষাৰ মাঠকাঠিৰে বিচাৰ কৰিবলৈ লৈছে। তাৰ কাৰণ কি?

সকলো ৰোগৰ ভিতৰত ভয়ংকৰ ৰোগ হ'ল গলিত কুষ্ঠ। এই ৰোগৰ প্ৰধান লক্ষণ হ'ল এয়েই যে ই দেহৰ স্নায়ুতন্ত্ৰীৰ অনুভৱ শক্তি ধ্বংস কৰি দিয়ে। ফলত কুষ্ঠৰোগীয়ে শৰীৰত যন্ত্ৰণা অনুভৱ কৰাৰ শক্তি হেৰুৱায় পেলায় আৰু এফালৰ পৰা তেওঁৰ দেহৰ মাংসবোৰ গেলি-পচি, জহি-খহি যাবলৈ ধৰে। ছেইণ্ট ফ্ৰাণ্চিচ অব্ আছিছিয়ে কুষ্ঠৰোগীৰ সেৱাত নিজৰ জীৱন উছৰ্গা কৰিছিল। এদিন কেনেবাকৈ বকবক্কৈ উতলি থকা পানী তেওঁৰ ভৰিত পৰিল, কিন্তু তেওঁ গমেই নাপালে। তেতিয়াহে তেওঁ বুজি পালে যে ভয়ংকৰ কুষ্ঠৰোগে তেওঁকো আক্ৰমণ কৰিছে। ডাক্তৰী ভাষাত এনেবিধ স্নায়ু-বিধ্বংসী কুষ্ঠৰোগক burnt out case বুলি কোৱা হয়।

কুষ্ঠৰোগাক্ৰান্ত দেহৰ নিচিনাকৈ মানুহৰ হৃদয়েও যেতিয়া যন্ত্ৰণা অনুভৱৰ শক্তি হেৰুৱাই পেলায়, তেতিয়া নিশ্চয় বুজিব লাগিব যে সেই মানুহৰ হৃদয় কুষ্ঠৰোগৰ দ্বাৰা আক্ৰান্ত হৈছে। কোনো সন্দেহ নাই যে বৰ্তমান সমাজত বেছিভাগ মানুহৰ হৃদয় এনে কুষ্ঠৰোগৰ দ্বাৰা আক্ৰান্ত। সেয়েহে তেওঁলোকে বাৰ্তাৰ কাকতত প্ৰতিদিনে নিষ্ঠুৰ নৰহত্যাৰ বৰ্ণনা পঢ়িও পিতৃ-মাতৃ বা ভগ্নীৰ অশ্ৰু-প্লাৱিত হৃদয়েৰে কোনো ধৰণৰ যন্ত্ৰণা অনুভৱ নকৰে; সু-সজ্জিত ড্ৰইংৰুমত বহি তেওঁলোকে সেইবোৰ বাৰ্তাৰিক নিৰ্বিকাৰ চিত্তে ৰাজনৈতিক তত্ত্ব কথা হিচাপে আলোচনা কৰিব পাৰে। বাৰ্তাৰ কাকতত মানুহৰ নিষ্ঠুৰতম হত্যাকাণ্ডৰ বিৱৰণ পঢ়ি আনকি তিৰোতা মানুহেও যেতিয়া এটোপাল চকুপানী পেলোৱাৰ পৰিৱৰ্তে তাক হাস্য-পৰিহাসৰ বিষয় হিচাপে আলোচনা কৰিব পাৰে, তেতিয়া আৰু বিন্দুমাত্ৰ সন্দেহ বাকী থাকেনে যে তেওঁৰ হৃদয় কুষ্ঠৰোগে

আক্রমণ কৰা নাই? তেওঁৰ হৃদয়ত পবিত্ৰ অশ্ৰুৰ উৎস চিৰকাললৈ হেৰাই গৈছে? তেওঁ আৰু কোনোদিন কোনো যন্ত্ৰণা অনুভৱ কৰিব নোৱাৰে?

গ্ৰাহাম গ্ৰীণৰ "এ বাৰ্ণ্‌ট আউট কেছ' নামৰ উপন্যাসখনৰ নায়কে আৰ্তনাদ কৰি চিঞৰি উঠিছে: হে ভগৱান, হে ভগৱান, মোক যন্ত্ৰণা অনুভৱ কৰিব পৰা শক্তি ঘূৰাই দিয়া। মোক আন একো নালাগে, কেৱল যন্ত্ৰণা অনুভৱ কৰিব পৰা শক্তি ঘূৰাই দিয়া।"

মানুহে আটাইতকৈ ভয় কৰে যন্ত্ৰণাক, আটাইতকৈ বেছিকৈ পৰিহাৰ কৰি চলিব খোজে যন্ত্ৰণাক। কিন্তু মানুহৰ শৰীৰ একমাত্ৰ দুৰাৰোগ্য কুষ্ঠৰোগৰ দ্বাৰা আক্ৰান্ত হ'লেহে সি যন্ত্ৰণা অনুভৱ কৰাৰ শক্তি হেৰুৱায় পেলায়। কিন্তু কুষ্ঠৰোগৰ দ্বাৰা আক্ৰান্ত হৈ যি মানুহে যন্ত্ৰণা অনুভৱ কৰাৰ শক্তি হেৰুৱায় পেলাইছে, সেই বাৰ্ণ্‌ট আউট কেছ কুষ্ঠৰোগীৰ পক্ষে জীৱনৰ পৰমতম প্ৰাৰ্থনীয় বস্তু হ'ল যন্ত্ৰণা, যন্ত্ৰণা, যন্ত্ৰণা।

সমাজৰ বেছিভাগ মানুহৰে হৃদয় আজি কুষ্ঠ ৰোগাক্ৰান্ত, তেওঁলোকে যন্ত্ৰণা অনুভৱ কৰাৰ শক্তি হেৰুৱাই পেলাইছে। ঈশ্বৰে তেওঁলোকক সেই যন্ত্ৰণাবোধ ঘূৰাই দিয়ক; ঈশ্বৰে মানুহক দিব পৰা ইয়াতকৈ ডাঙৰ উপহাৰ আন একোৱেই নাই।

আমাৰ এই প্ৰাৰ্থনা শেষ কৰো ওৱাল্ট্‌ হুইটমেনৰ এটি পবিত্ৰ শ্লোকেৰে:—

Agonies are one of my changes of
garments. I do not ask the wounded person
how he feels, I myself become the
wounded person,
My hurts turn livid upon me as I
lean on a can and observe.

২৪ জানুৱাৰী, ১৯৮০

## দেশ আৰু মানুহ

যিসকল লোকে মানুহৰ মঙ্গলৰ কাৰণে চিন্তা কৰে বা কাম কৰে, তেওঁলোক লক্ষ্য সম্পৰ্কে একমত হ'লেও পথ সম্পৰ্কে তেওঁলোকৰ মাজত ভীষণ মতানৈক্যই দেখা দিব পাৰে। ই নিতান্তই স্বাভাৱিক। কেৱল স্বাভাৱিকেই নহয়, বাঞ্ছনীয়ও। যেনেকৈ দুটুকুৰা শিলৰ সংঘৰ্ষত স্ফুলিংগ বাহিৰ হয়, তেনেকৈ বিভিন্ন চিন্তাৰ সংঘাতত্তহে সত্যৰ দীপ্তি বাহিৰ হ'ব পাৰে। চিন্তাৰ সংঘাতে সৃষ্টি কৰা সত্যৰ দীপ্তি অনুসৰণ কৰিয়েই মানুহ ক্ৰমোৎকৰ্ষৰ পথত আগবাঢ়ি যায়। কিন্তু যেতিয়া দেখা যায় যে—কোনো এখন সমাজৰ এক শ্ৰেণী মানুহে যুক্তি আৰু আলোচনাৰ পৰিবৰ্তে পশু শক্তিৰ বলেৰে প্ৰতিবাদীৰ কণ্ঠ ৰোধ কৰিবলৈ চেষ্টা কৰে, আৰু সমাজৰ সংখ্যাগৰিষ্ঠ মানুহে তাৰ কোনো প্ৰতিবাদ নকৰি নীৰৱ দৰ্শকৰ ভূমিকা গ্ৰহণ কৰে, তেতিয়া বুজিব লাগিব যে—সেই সমাজৰ ভৱিষ্যত অন্ধকাৰ।

আধুনিক ভাৰতৰ দুজন পুৰুষোত্তম হ'ল গান্ধীজী আৰু ৰবীন্দ্ৰনাথ। ফৰাচী মনীষী ৰ'মা ৰ'লাই এওঁলোক দুজনৰ বিষয়ে লিখিছিল:—"হে ৰবীন্দ্ৰনাথ! হে গান্ধী! ভাৰতৰ সিন্ধু আৰু গঙ্গা দুই মহানদী—আপোনালোকৰ যুগল আলিঙ্গনে পুব আৰু পশ্চিমক আৱেষ্টন কৰক। প্ৰথমজন, আপুনি আলোকৰ সীমাহীন স্বপ্ন; দ্বিতীয়জন, আপুনি আত্মোৎসৰ্গ আৰু শৌৰ্যৰ প্ৰতিমূৰ্তি। আপোনালোক দুয়োজনেই ভগৱানৰ আত্মজ। আজি হিংসা-বিদ্বেষত জৰ্জৰিত এই পৃথিবী। ইয়াৰ বুকুত আপোনাসকলে বিধাতাৰ বীজ ৰোপণ কৰক।"

এনেহেন দুজন পুৰুষৰ মাজতো ভাৰতৰ মুক্তি সংগ্ৰামৰ সময়ৰ নানা মৌলিক প্ৰশ্নক কেন্দ্ৰ কৰি প্ৰচণ্ড মতানৈক্যৰ সৃষ্টি হৈছিল। বিবদমান সেই প্ৰশ্নবোৰৰ ভিতৰত অন্যতম আছিল গান্ধীজীৰ যঁতৰ-প্ৰীতি, বিদেশী দ্ৰব্য বৰ্জন, জাতীয়তাবাদ, আন্তৰ্জাতিকতাবাদ—ইত্যাদি। ভাৰতৰ অবিসংবাদী নেতা গান্ধীজীৰ লগত হোৱা তীব্ৰ মতানৈক্যৰ ফলত ৰবীন্দ্ৰনাথক দেশৰ সংখ্যাগৰিষ্ঠ মানুহে নিন্দাৰ বিষ-বাণেৰে জৰ্জৰিত কৰি তুলিছিল, তেওঁক প্ৰায় এঘৰীয়া কৰি পেলাইছিল। সেই সময়ত ৰবীন্দ্ৰনাথৰ দুৰৱস্থা আৰু নিঃসঙ্গবোধে এনে চৰম সীমা পাইছিলগৈ যে—১৯২১ চনৰ ঐতিহাসিক অসহযোগ

আন্দোলন চলি থকাৰ সময়তে তেওঁ প্ৰমথ চৌধুৰীলৈ লিখা এখন চিঠিত লিখিছিল ঃ—

"সেই তেৰেই মোক বন্দেমাতৰমৰ কথা পাহৰাই দিছে। মই দেশচ্যুত গৃহচ্যুতৰ দলত। ভূগোলৰ পাণ্ডাবোৰক যদি মই আজি মানি লওঁ, তেন্তে মোৰ জাত যাব। কিন্তু দুৰ্ভাগ্যক্ৰমে ভূগোলৰ প্ৰতিমাবোৰ কেৱল পাণ্ডা নহয়, সিহঁত গুণ্ডা। গতিকে মাৰ খাব লাগিব। ঠিক আছে মাৰেই খাওঁ। ইতিমধ্যে মাৰ আৰম্ভ হৈ গৈছে।"

আজিৰ ভাৰতবৰ্ষ কেৱল গান্ধীজীৰ ভাৰতবৰ্ষ নহয়, সি ৰবীন্দ্ৰনাথৰো ভাৰতবৰ্ষ। এজনে আমাক দি গৈছে আত্মোৎসৰ্গ আৰু শৌৰ্যৰ মৃত্যুঞ্জয় আদৰ্শ, আনজনে দি গৈছে আলোকৰ সীমাহীন স্বপ্ন। আহক, আমাৰ সকলোৰে এক গভীৰ নৈতিক সংকটৰ মুহূৰ্তত আমি ৰবীন্দ্ৰনাথৰ এক মহাবাণী স্মৰণ কৰোঁ ঃ

"স্বজাতিৰ সিংহাসন উচ্চ কৰি গড়ো,
এই কথা মনে ৰেখো, সত্য আৰো বড়ো।
স্বদেশেৰে চাও যদি তাৰো উৰ্দ্ধে ওঠো
কোৰো না দেশেৰ লাগি মানুষেৰে ছোটো।
তোমাৰ লেখনী যেন ন্যায়দণ্ড ধৰে,
নিৰ্বিচাৰে শত্ৰুমিত্ৰ সকলেৰ পৰে।"

৩১ জানুৱাৰী, ১৯৮০

## স্থায়ী সমাধান

অসমত চলি দীঘলীয়া গণ-আন্দোলনৰ স্থায়ী আৰু প্ৰধান সুফল এইটোৱেই হ'ল যে—ই অৱশেষত কেন্দ্ৰীয় চৰকাৰৰ কপট-নিদ্ৰা ভঙ্গ কৰিবলৈ সমৰ্থ হ'ল। ইয়াৰ পিছত আৰু অসমৰ ন্যায্য দাবী আৰু তীব্ৰ জনমতৰ প্ৰতি উদাসীন হৈ থাকিবলৈ কেন্দ্ৰীয় চৰকাৰৰ সাধ্য নাই। পূৰ্ব সীমান্তক শান্ত কৰি ৰাখি ভাৰতৰ নিৰাপত্তা আৰু অখণ্ডতা অক্ষুণ্ণ ৰাখিবলৈ হ'লে কেন্দ্ৰীয় চৰকাৰে অনতিবিলম্বে অসমৰ সমস্যাৱলীৰ সমাধান কৰিবই লাগিব। অসমক যদি হাতৰ তলুৱা বুলি কল্পনা কৰা যায়, তেন্তে উত্তৰ-পূব ভাৰতৰ অন্যান্য পাৰ্বত্য ৰাজ্যকেইখন হ'ল হাতৰ আঙুলি। গতিকে এই কথা বুজিবলৈ একো টান নহয় যে—অসমত শান্তি আৰু সুস্থিৰতা বিৰাজ কৰাৰ ওপৰতে নিৰ্ভৰ কৰিছে সমগ্ৰ উত্তৰ-পূব ভাৰত তথা ৰাষ্ট্ৰৰ নিৰাপত্তা। পৰম দুৰ্ভাগ্যৰ কথা যে এই সৰল সত্যটোকে ৰাষ্ট্ৰীয় নেতাসকলৰ মনত প্ৰতীয়মান কৰাবলৈ অসমত এটা ভূমিকম্পৰ সৃষ্টি কৰিব লগা হ'ল।

আধুনিক চিকিৎসা বিজ্ঞানৰ বিস্ময়কৰ অৱদান এণ্টি-বায়টিক ঔষধৰ মাত্ৰ এপালি বা দুপালি খালেই শৰীৰৰ ৰোগ-যন্ত্ৰণাৰ উপশম হয়; কিন্তু ৰোগটো সম্পূৰ্ণভাৱে নিৰ্মূল কৰিবলৈ এটা পূৰা ক'ৰ্ছ খালেহে গুণ দিয়ে। এতিয়া অসমৰ পুৰণি সঞ্চিত ৰোগ নিৰ্মূল কৰিবলৈ সংকল্প লোৱাৰ মুহূৰ্ততে কেন্দ্ৰীয় চৰকাৰে যেন এই কথা পাহৰি নাযায় যে পেনিচিলিনৰ মাত্ৰ এটা বা দুটা বেজী দি এই বিষাক্ত ব্যাধি সাময়িকভাৱে হেঁচা দি থবলৈ চেষ্টা কৰিলে ভৱিষ্যতে তাৰ ফল অতি বিষময় হ'ব। অসমৰ সমস্যাৱলীৰ স্থায়ী সমাধানৰ কাৰণে সম্ভৱপৰ সকলো ব্যৱস্থা ল'লেহে কেন্দ্ৰীয় চৰকাৰে নিজকে নিৰাপদ বুলি অনুভৱ কৰিব পাৰিব। অন্যথাই বৃটিছ শাসনত ভাৰতৰ পশ্চিম সীমান্ত চিৰ-অশান্ত উপদ্ৰুত অঞ্চল হৈ থকাৰ দৰে স্বাধীন ভাৰতত পূব সীমান্ত তেনে এটা অশান্ত অঞ্চলত পৰিণত হোৱাৰ ভয়ংকৰ সম্ভাৱনা দিনে দিনে স্পষ্টতৰ হৈ উঠিছে।

অসমৰ সমস্যাৱলীৰ স্থায়ী সমাধানৰ কাৰণে কি কি ব্যৱস্থা লোৱাটো জৰুৰী হৈ পৰিছে?

১৯৭৮ চনৰ জুলাইৰ পৰা চেপ্তেম্বৰলৈকে "নাগৰিকত" প্ৰকাশিত "বহিৰাগতৰ সমস্যা" শীৰ্ষক প্ৰবন্ধমালাত আমি এই প্ৰস্তাৱ উত্থাপন কৰিছিলো

যে—ৰাষ্ট্ৰীয় সংবিধানৰ প্ৰয়োজনীয় সংশোধন কৰি এনে এটা ব্যৱস্থা প্ৰৱৰ্তন কৰিব লাগে—যাৰ ফলত এটা নিৰ্দিষ্ট সময়ৰ পিছত বাহিৰৰ পৰা অহা কোনো মানুহেই অসম তথা উত্তৰ-পূব ভাৰতত মাটি-বাৰী দখল কৰি স্থায়ী-ভাৱে বসবাস কৰাৰ অধিকাৰ নাপাব। এই প্ৰস্তাৱৰ সপক্ষে আমি নানা যুক্তিও দিছিলো। আমি আকৌ দোহাৰি ক'ব খোজো যে—উত্তৰ-পূব ভাৰতৰ বিশেষ জিয়'পলিটেকেল্ অৱস্থিতি আৰু এই অঞ্চলৰ বিশেষ ঐতিহাসিক পটভূমি আৰু সাংস্কৃতিক বৈশিষ্ট্যৰ প্ৰতি লক্ষ্য ৰাখি এনে এটা ব্যৱস্থা লোৱাৰ বাহিৰে উত্তৰ-পূব ভাৰতৰ সমস্যাৱলীৰ স্থায়ী সমাধানৰ আন কোনো পথ নাই।

দ্বিতীয়তে, দিনকণা মানুহৰ পক্ষেও এই কথা বুজিবলৈ একো টান নহয় যে — এই অঞ্চলত আগ্নেয়গিৰিৰ সাম্প্ৰতিক উদ্গীৰণৰ প্ৰধান কাৰণটোৱেই হ'ল অৰ্থনৈতিক। এই অঞ্চলটোৰ উন্নয়নৰ প্ৰতি কেন্দ্ৰীয় চৰকাৰৰ চৰম অৱহেলা আৰু ইয়াৰ অৰ্থনীতিৰ ঔপনিৱেশিক চৰিত্ৰই লাখ লাখ নিবনুৱাৰ সৃষ্টি নকৰা হ'লে বা ছাত্ৰসকলক ভৱিষ্যত সম্পৰ্কে হতাশাগ্ৰস্ত কৰি নোতোলা হ'লে এনে এটা দীঘলীয়া আন্দোলন চলাবলৈ ইমান লাখ লাখ স্বেচ্ছাসেৱক কেতিয়াও নোলালহেঁতেন। ভাৰতৰ অন্যান্য ৰাজ্যতো নিশ্চয় এনে উৎকট নিবনুৱা সমস্যা আছে; কিন্তু মনত ৰখা দৰকাৰ যে - যিটো খোচ চকুত লাগিলে চকুটো চিৰকাললৈ কণা হৈ যাব পাৰে, সেই একেটা খোচ বুকু বা পিঠিত লাগিলে খুব বেছি মাখিছাল ছিগিব পাৰে। উত্তৰ-পূব ভাৰতলৈ স্থায়ী শান্তি ঘূৰাই আনিবলৈ হ'লে দ্ৰুত আৰ্থিক বিকাশ আৰু কৰ্ম-সংস্থানৰ ব্যৱস্থা লোৱাটোও হ'ল অন্যতম পূৰ্বচৰ্ত।

এই কথা কোনেও অস্বীকাৰ নকৰে যে আন্দোলনৰ সঙ্গত কাৰণ আছে। কিন্তু সেই আন্দোলনে যদি racial hatred বা জাতি-বিদ্বেষৰ ৰূপ লয়, তেন্তে সিও হিংসা আৰু প্ৰতিহিংসাৰ এটা স্থায়ী বাতাবৰণ সৃষ্টি কৰি অঞ্চলটোৰ ভৱিষ্যত বিপন্ন কৰি তুলিব। অঞ্চলটোৰ কল্যাণকামী প্ৰত্যেকজন বিবেকবান লোকেই মনুষ্যত্বৰ পৰিপন্থী সকলো ধৰণৰ জাতি-বিদ্বেষৰ বিৰুদ্ধে সজাগ আৰু সক্ৰিয় হৈ উঠা উচিত।

৭ ফেব্ৰুৱাৰী, ১৯৮০

## অসমৰ সমস্যাৰ সম্পৰ্কত কেন্দ্ৰীয় চৰকাৰৰ উভয়-সংকট

অসমত এতিয়া সকলোৰ মুখে মুখে একেটাই প্ৰশ্ন ঃ—ৰাজ্যখনলৈ স্বাভাবিক অৱস্থা কেতিয়া ঘূৰি আহিব ? ল'ৰা-ছোৱালীবোৰ আকৌ কেতিয়া স্কুল-কলেজলৈ ঘূৰি যাব পৰা অৱস্থা হ'ব ?

প্ৰধানমন্ত্ৰীয়ে ছাত্ৰ নেতাসকলৰ যি 'পাঁচটা দাবী মানি লৈছিল, সেই পাঁচোটা দাবীৰে সাৰমৰ্ম এয়েই আছিল যে—অসমত বহু সংখ্যক বিদেশী নাগৰিক থকা বুলি কেন্দ্ৰীয় চৰকাৰে অৱশেষত স্বীকাৰ কৰি লৈছে আৰু তেওঁলোকক বহিষ্কাৰ কৰিবলৈ যথাবিহিত ব্যৱস্থা লোৱা হ'ব বুলি প্ৰতিশ্ৰুতি দিছে। ছাত্ৰনেতাসকল অসমলৈ ঘূৰি অহাৰ পিছত কেন্দ্ৰীয় গৃহ মন্ত্ৰীয়ে সেই একেখিনি কথাকে দোহাৰি লোক সভাতো এটা বিবৃতি দিলে। কিন্তু স্পষ্টীকৰণ হিচাপে তেওঁ সেই বিবৃতিৰ লগতে আৰু এটা কথা যোগ কৰি দিলে। সেইটো হ'ল এই যে—সকলোবোৰ বিদেশী নাগৰিকক বহিষ্কাৰ কৰা হ'ব স'চা, কিন্তু নেহৰু-লিয়াকৎ চুক্তি আৰু ইন্দিৰা-মুজিব চুক্তিৰ অধীনত যিসকল বিদেশাগত লোকক ভাৰতত বাস কৰিবলৈ অনুমতি দিয়া হ'ল, তেওঁলোকক কিন্তু বিদেশী নাগৰিক বুলি গণ্য কৰা নহ'ব।

**ইন্দিৰা গান্ধীৰ সন্মুখত বিপদ ঃ**

গৃহমন্ত্ৰীয়ে লোকসভাত দিয়া বিবৃতিৰ পিছতে বাতৰিকাকতত ওলোৱা দুটা তাৎপৰ্যপূৰ্ণ খবৰ সচেতন ৰাইজে নিশ্চয় লক্ষ্য কৰিছে। প্ৰথমটো হ'ল গৃহ-মন্ত্ৰীৰ ঘোষণাৰ প্ৰতি অসমৰ পূৰ্বাঞ্চলীয় লোক পৰিষদৰ প্ৰতিক্ৰিয়া। পৰিষদৰ নেতাসকলে একে আষাৰেই স্পষ্টকৈ কৈ দিছে যে—ইন্দিৰা-মুজিব চুক্তিৰ ভিত্তিত বিদেশী নাগৰিকৰ সংজ্ঞা নিৰূপণ কৰিবলৈ হ'লে এই সমস্যাৰ কেতিয়াও সমাধান নহ'ব। অৰ্থাৎ ইন্দিৰা-মুজিব চুক্তি অসমৰ কাৰণে গ্ৰহণীয় নহয়। পূৰ্বাঞ্চলীয় লোক পৰিষদৰ এই অভিমতকে যদি অসমৰ সংখ্যাগৰিষ্ঠ ৰাইজে সমৰ্থন কৰে, তেতিয়াহ'লে অদূৰ ভৱিষ্যতত সমস্যাটোৰ সমাধান হোৱাৰ বা আন্দোলন অন্ত পৰাৰ কোনো সম্ভাৱনা নাই।

সেই কথাকে স্পষ্ট কৰি দিছে প্ৰধানমন্ত্ৰী ইন্দিৰা গান্ধীয়ে। ৭ ফেব্ৰুৱাৰীৰ

দিনা বায়বৌবিলৰ এখন জনসভাত দিয়া বক্তৃতাত প্ৰধানমন্ত্ৰীয়ে অসমৰ সমস্যাৰ কথা উল্লেখ কৰি কয় যে—বিদেশী নাগৰিকক অসমৰ পৰা বহিষ্কাৰ কৰিব লাগিব সঁচা, কিন্তু সেই বুলি কলমৰ এটা খোচতে লাখ লাখ মানুহক অভাৰতীয় কৰি পেলাব নোৱাৰি বা তেওঁলোকক খেদি পঠাবও নোৱাৰি।

প্ৰধানমন্ত্ৰীয়ে এই কথা কোৱাৰ বিশেষ অৰ্থ আছে। কাৰণ অসমৰ বিদেশী নাগৰিকৰ সমস্যাটোৱে তেওঁৰ শাসনকালতে জটিল ৰূপ ধাৰণ কৰিছিল, আৰু ইচ্ছাকৃতভাৱেই হওক, তাৰ সমাধানৰ পথো তেৱেঁই দুৰ্গম কৰি ৰাখিছে। অৱশ্যে কথাটো অলপ বিশ্লেষণ কৰি চালেই দেখা যাব যে তাৰ কাৰণে সকলো দোষ কেৱল ইন্দিৰা গান্ধীৰ মূৰৰ ওপৰতে জাপি দিব নোৱাৰি।

পূৰ্ব পাকিস্তানৰ ধ্বংসস্তূপৰ ওপৰত স্বাধীন বাংলা দেশ গঢ়ি উঠিছিল যাইকৈ ভাৰতৰ সাহায্যত। ভাৰতৰ সাহায্যৰ অবিহনে পূৰ্ব পাকিস্তানৰ পক্ষে নিজকে স্বাধীন বাংলাদেশলৈ ৰূপান্তৰিত কৰাটো কোনোপধ্যেই সম্ভৱ নহ'লহেঁতেন। যাইকৈ দুটা বিবেচনাত ভাৰতে বাংলাদেশৰ বিচ্ছিন্নতাবাদী মুক্তি সংগ্ৰামক সহায় কৰিছিল। প্ৰথমটো হ'ল সামৰিক, অৰ্থাৎ ৰাষ্ট্ৰীয় নিৰাপত্তাৰ প্ৰশ্ন। ভাৰতে আশা কৰিছিল যে—পূব আৰু পশ্চিমত বিভক্ত বৈৰীভাৱাপন্ন পাকিস্তানৰ অন্ততঃ পূব খণ্ডত যদি ভাৰতৰ এখন বন্ধুৰাষ্ট্ৰ গঢ়ি উঠে, তেন্তে অন্ততঃ দেশৰ পূব সীমান্তত ভাৰতৰ সামৰিক দুশ্চিন্তা আৰু ব্যয়ভাৰ বহুখিনি হ্ৰাস পাব। দ্বিতীয়তে ধৰ্মভিত্তিক ৰাষ্ট্ৰ পূৰ্ব পাকিস্তানৰ ঠাইত যদি এখন ধৰ্মনিৰপেক্ষ আধুনিক ৰাষ্ট্ৰ গঢ়ি উঠে, তেন্তে সেই দেশৰ পৰা ভাৰতলৈ সংখ্যালঘুৰ অবিৰাম প্ৰব্ৰজনৰ সোঁত বন্ধ হ'ব।

বাংলাদেশৰ মুক্তি সংগ্ৰামৰ লগত ভাৰতবৰ্ষ, বিশেষকৈ পূৰ্বাঞ্চল ৰাজ্যকেইখন গভীৰ আৱেগেৰে সৈতে জড়িত হৈ পৰিছিল। স্বাধীন বাংলাদেশ স্থাপিত হোৱাৰ পিছতে যেতিয়া শেখ মুজিবুৰ ৰহমানে তেওঁলোকৰ নতুন সাৰ্বভৌম স্বাধীন ৰাষ্ট্ৰখন ধৰ্মনিৰপেক্ষ ৰাষ্ট্ৰ হ'ব বুলি ঘোষণা কৰিলে আৰু ভাৰতৰ লগত দীৰ্ঘম্যাদী বন্ধুত্ব আৰু সহযোগিতাৰ চুক্তি সম্পাদন কৰিলে, তেতিয়া বাংলাদেশৰ প্ৰতি ভাৰতৰ প্ৰেম আৰু সদিচ্ছা দুগুণে উথলি উঠিল। তেনে এটা আবেগ-বিহ্বল বাতাৱৰণতে সম্পাদিত হ'ল ইন্দিৰা-মুজিব চুক্তি—যি চুক্তিৰ অন্যতম চৰ্ত আছিল এয়েই যে—১৯৭১ চনৰ ২৫ মাৰ্চৰ আগলৈকে (অৰ্থাৎ বাংলাদেশ ধৰ্ম-নিৰপেক্ষ ৰাষ্ট্ৰ বুলি ঘোষিত হোৱাৰ আগলৈকে)

হিন্দু, মুছলমান, বৌদ্ধ নির্বিশেষে যি সকল লোক সেই দেশৰ পৰা ভাৰতলৈ আহিছিল, তেওঁলোকৰ সকলোকে ভাৰতীয় নাগৰিক বুলি গ্ৰহণ কৰা হ'ব; সেই তাৰিখৰ পিছত বাংলাদেশৰ পৰা কোনোবা লোক আহি ভাৰতত অনুপ্ৰৱেশ কৰাৰ কথা প্ৰমাণিত হ'লে তেনেলোকক বাংলা দেশ চৰকাৰে ঘুৰাই ল'ব।।

কেন্দ্ৰীয় গৃহমন্ত্ৰীয়ে লোকসভাত কৰা ঘোষণাৰ তাৎপৰ্য আৰু প্ৰধান মন্ত্ৰীৰ উভয় সংকটৰ কথা উপলব্ধি কৰিবলৈ এতিয়া নিশ্চয় কাৰো পক্ষে কঠিন নহ'ব। কেন্দ্ৰীয় চৰকাৰৰ চকুত এতিয়া কেৱল সেই সকলেই বিদেশী নাগৰিক—যি সকল লোক ১৯৭১ চনৰ ২৫ মাৰ্চৰ পিছত ভাৰতলৈ আহিছে। যদি অসমে দাবী কৰে যে—তাৰ আগতে অহা লোক সকলকো বিদেশী বুলি চিহ্নিত কৰি বহিষ্কাৰ কৰিব লাগিব, তেতিয়াহ'লে সেই দাবী মানি লোৱাটো কেন্দ্ৰীয় চৰকাৰৰ পক্ষে, বিশেষকৈ প্ৰধানমন্ত্ৰী ইন্দিৰা গান্ধীৰ পক্ষে প্ৰায় অসম্ভৱেই হ'ব যেন লাগে। তাৰ কাৰণ হ'ল :—এখন ৰাষ্ট্ৰৰ প্ৰধান মন্ত্ৰীয়ে আন এখন ৰাষ্ট্ৰৰ প্ৰধানমন্ত্ৰীৰ লগত আনুষ্ঠানিকভাৱে কৰা এখন আন্তৰ্জাতিক চুক্তি এতিয়া লংঘন কৰা যায় কেনেকৈ? বিশেষকৈ ভাৰতৰ হৈ উক্ত চুক্তিত চহী কৰা আৰু এতিয়া সেই চুক্তিৰ বিৰুদ্ধে যাবলগীয়া ব্যক্তি গৰাকী যদি একে গৰাকী ব্যক্তি অৰ্থাৎ ইন্দিৰা গান্ধীয়েই হয়?

ইন্দিৰা গান্ধীৰ সন্মুখত ই নিশ্চয় এটা জটিল সমস্যা। আনহাতে অসমেও ক'ব পাৰে যে—কেৱল ১৯৭১ চনৰ ২৫ মাৰ্চৰ পিছত অহা বিদেশী অনুপ্ৰৱেশকাৰী সকলক বহিষ্কাৰ কৰিলে অসমৰ সমস্যাৰ কোনো সমাধানেই নহ'ব, কাৰণ তেনেলোকৰ সংখ্যানো কেই হাজাৰ বা কেই লাখ হ'ব?

এতিয়া সমস্যাটো হ'ল এই : - প্ৰধানমন্ত্ৰী ইন্দিৰা গান্ধীয়ে ক'ব যে—দুখন ৰাষ্ট্ৰৰ মাজত হোৱা এখন আনুষ্ঠানিক আন্তৰ্জাতিক চুক্তি তেওঁ কেতিয়াও লংঘন কৰিব নোৱাৰে, কাৰণ এনে কাৰ্য সকলো আন্তৰ্জাতিক আচৰণ বিধিৰ পৰিপন্থী হ'ব। তদুপৰি চুক্তি সম্পাদিত হ'বৰ সময়ত কোনেও তাৰ বিৰুদ্ধে প্ৰতিবাদ কৰা নাছিল।

অসমৰ ৰাইজে তথা সাম্প্ৰতিক আন্দোলনৰ নেতাসকলে ক'ব যে-এই চুক্তি অসমে কেতিয়াও মানিব নোৱাৰে। কাৰণ কেৱল সেই চুক্তি মানি কাম কৰিবলৈ হ'লে অসমত বিদেশী নাগৰিকে সৃষ্টি কৰা সমস্যাৰ কোনো সমাধানেই নহ'ব।

দুয়ো পক্ষই যদি এনে অনমনীয় আৰু অলৰ-অচৰ স্থিতি লয় বা লবলৈ বাধ্য হয়, তেন্তে সমস্যাটোৰ সমাধান হোৱাৰ বা আন্দোলনৰ সামৰণি পৰি আঁচৰে

ৰাজ্যখনলৈ স্বাভাৱিক অৱস্থা ঘূৰি অহাৰ কিবা আশা আছেনে? সদ্যহতে আমি কিন্তু কোনো আশাৰ পোহৰ দেখা নাই। দোষ কাৰ বেছি?

সমস্যাটোৱে বৰ্তমানৰ জটিল ৰূপ ধাৰণ কৰাৰ কাৰণে কম-বেছি পৰিমাণে সকলোৱেই দোষী। যি সময়ত যি কাম কৰিব লাগে তাকে নকৰাৰ কাৰণে অসমৰ ৰাজনৈতিক নেতা আৰু সাংবাদিকসকল নিশ্চয় দোষী। ৰাজনৈতিক নেতাসকলে সময়মতে আন্দোলন কৰা হ'লে আৰু সাংবাদিকসকলে যথা সময়ত সমস্যাটোৰ কথা ৰাইজক সকীয়াই দিয়া হ'লে আজি ছাত্ৰ সকলে এনে দীঘলীয়া আন্দোলন কৰি অশেষ কষ্ট ভুগিব লগা নহ'লহেঁতেন।

কিন্তু আটাইতকৈ বেছি দোষী কেন্দ্ৰীয় চৰকাৰ। কেন্দ্ৰীয় চৰকাৰৰ ইনটেলিজেন্স ব্যুৰো বা চোৰাংচোৱা সংস্থাৰ প্ৰাক্তন অধিকৰ্তা শ্ৰী বি এন. মল্লিকে ১৯৬৪ চনতে এখন প্ৰতিবেদন দাখিল কৰি কৈছিল—পূব পাকিস্তানৰ পৰা অসমলৈ ক্ৰমাগতভাৱে আহি থকা মুছলমান অনুপ্ৰবেশকাৰীসকল দেশৰ ৰাষ্ট্ৰীয় নিৰাপত্তাৰ কাৰণে এটা ডাঙৰ বিপদ হৈ পৰিছে। তেওঁৰ হিচাপমতে ১৯৬৪ চনতেই অসমত এনেকুৱা অনুপ্ৰবেশকাৰীৰ সংখ্যা আছিল প্ৰায় দুইলাখ। তেওঁ সেই প্ৰতিবেদনত আৰু কৈছিল যে—১৯৬২ চনৰ চীনা আক্ৰমণৰ সময়ত দৰং আৰু নগাওঁ জিলাৰ দুখন ঠাইত পাকিস্থানী পতাকা উৰুৱা হৈছিল। ভৱিষ্যত বিপদৰ কথা চিন্তা কৰি তেওঁ এই অনুপ্ৰবেশকাৰীসকলক বহিষ্কাৰ কৰিবলৈ আৰু অসম পাকিস্তান সীমান্তত এক মাইল বহল এখন ন'-মেনছ্‌ লেণ্ড বা নিৰ্জন ভূমি সৃষ্টি কৰিবলৈ এখন বিশদ আঁচনি দাখিল কৰিছিল। তেতিয়াৰ কেন্দ্ৰীয় চৰকাৰে নীতিগতভাৱে সেই আঁচনি গ্ৰহণ কৰি তাক কাৰ্যকৰী কৰিবলৈকো কিছু কিছু ব্যৱস্থা হাতত লৈছিল। কিন্তু প্ৰচণ্ড ৰাজনৈতিক হেঁচাত পৰি ১৯৬৬ চনত বি. এন. মল্লিকৰ আঁচনি কাৰ্যকৰী কৰাৰ কাম সম্পূৰ্ণৰূপে পৰিহাৰ কৰা হয়। তেতিয়া ভাৰতৰ প্ৰধানমন্ত্ৰী আছিল ইন্দিৰা গান্ধী।

সময়মতেই বি. এন. মল্লিকৰ আঁচনি কাৰ্যকৰী কৰা হ'লে অসম আজি এনেকৈ জ্বলন্ত আগ্নেয়গিৰিত পৰিণত নহ'লহেঁতেন।

১৪ ফেব্ৰুৱাৰী, ১৯৮০

## গণতন্ত্ৰত সংখ্যালঘু

আদৰ্শ গণতন্ত্ৰই দুই ধৰণৰ সংখ্যালঘুক সদায় ৰক্ষা কৰি চলিব লাগিব। অন্যথাই গণতন্ত্ৰৰ নৈতিক গৰিমা সমূলে নষ্ট পাব।

কোনো ৰাষ্ট্ৰতেই, বিশেষকৈ আধুনিক কালৰ কোনো ৰাষ্ট্ৰতেই, কেৱল একেটা মাত্ৰ ধৰ্মীয়, ভাষিক বা এ'থ্নিক্ সম্প্ৰদায় বাস নকৰে। বিভিন্ন ধৰ্মত বিশ্বাস কৰা, বিভিন্ন ভাষা কোৱা আৰু বিভিন্ন জাতি-গোষ্ঠীৰ পৰা উদ্ভৱ হোৱা বাৰে-বৰণীয়া মানুহে একেলগে সমাজ পাতি বাস কৰে। সেইবোৰৰ ভিতৰত এটা বিশেষ ধৰ্ম বা ভাষা বা গোষ্ঠীৰ মানুহ সংখ্যাত বেছি হয়, অন্যান্যসকল সংখ্যালঘুত পৰিণত হয়। নিতান্ত যান্ত্ৰিকভাৱে ক'বলৈ গ'লে গণতন্ত্ৰ যিহেতু সংখ্যাৰ দ্বাৰাই শাসন, অৰ্থাৎ সংখ্যাগৰিষ্ঠৰ মৰ্জি অনুসৰিয়েই গণতান্ত্ৰিক শাসন-ব্যৱস্থা পৰিচালিত হয়, এতেকে এটা উচ্চতৰ নৈতিক আদৰ্শৰ দ্বাৰা পৰিচালিত নহ'লে গণতান্ত্ৰিক শাসন-ব্যৱস্থাত বিভিন্ন ধৰণৰ সংখ্যালঘুৰ স্বাৰ্থ পদে পদে বিপন্ন হোৱাৰ আশংকা থাকে। সংবিধান বা আইনত সংখ্যালঘুক সুৰক্ষা দিয়াৰ নানা ব্যৱস্থা থাকিব পাৰে, কিন্তু সংখ্যা গৰিষ্ঠৰ সমৰ্থনৰ ওপৰত নিৰ্ভৰশীল শাসক আৰু ৰাজনীতিক সকলে সেইবোৰ কাৰ্যকৰী কৰাৰ পৰিৱৰ্তে উলংঘা কৰাৰ উদাহৰণেই বেছি। স্বাধীন ভাৰতত হিন্দু-মুছলমানৰ সাম্প্ৰদায়িক সংঘৰ্ষত হিন্দু প্ৰধান পুলিচে মুছলমানৰ বিৰুদ্ধে পক্ষপাতিত্ব কৰা আৰু হৰিজনসকলৰ ওপৰত অবিৰাম নৃশংস অত্যাচাৰত পুলিচ আৰু চৰকাৰী শাসন-যন্ত্ৰৰ নিষ্ক্ৰিয়তাই এই কথাকে প্ৰমাণ কৰে। আনহাতে সংখ্যালঘুসকলে কিবা ন্যায্য অভিযোগ উত্থাপন কৰিলেও তেওঁলোকৰ বিৰুদ্ধে সাম্প্ৰদায়িকতাৰ অপবাদ আনি তেওঁলোকৰ মুখ বন্ধ কৰিবলৈ চেষ্টা কৰা হয়। এনেস্থলত গণতন্ত্ৰক সকলো শ্ৰেণীৰ মানুহৰ কাৰণে অৰ্থপূৰ্ণ কৰি তুলিবলৈ হ'লে সংখ্যাগৰিষ্ঠ সম্প্ৰদায়ৰ বিবেকবান মানৱদৰদী লোক-সকলে সংখ্যালঘুৰ হৈ মাত মতাৰ দায়িত্ব স্বেচ্ছাই নিজৰ কান্ধত তুলি লোৱা উচিত। দুৰ্বলৰ ওপৰত উৎপীড়ন কাপুৰুষোচিত কাৰ্য। গণতন্ত্ৰত সংখ্যালঘু-সকল সদায় দুৰ্বল, গতিকে তেওঁলোকক ৰক্ষা কৰাটো সংখ্যাগৰিষ্ঠ সম্প্ৰদায়ৰ নৈতিক দায়িত্ব। এই ক্ষেত্ৰত টমাছ জেফাৰছনে দি থৈ যোৱা সূত্ৰকেই শেষ কথা বুলি ক'ব পাৰি ঃ

"সকলোৰেই এই পবিত্ৰ নীতি মনত ৰাখি চলিব লাগিব যে—যদিও সকলো ক্ষেত্ৰতে সংখ্যাগৰিষ্ঠৰ ইচ্ছাই বৰ্তিব লাগিব, কিন্তু সেই ইচ্ছা শুদ্ধ আৰু বৈধ বুলি স্বীকৃত হ'বলৈ হ'লে প্ৰথমে সি যুক্তিপূৰ্ণ হ'ব লাগিব। ঠিক সেইদৰে সংখ্যালঘু সকলৰো সমান অধিকাৰ আছে আৰু সমদৰ্শী আইনে সেই অধিকাৰ ৰক্ষা কৰিব লাগিব। অন্যথাই সি হ'ব উৎপীড়ন।"

দ্বিতীয় যি শ্ৰেণীৰ সংখ্যালঘুক গণতন্ত্ৰই সৰ্বপ্ৰকাৰৰ সুৰক্ষা দিব লাগিব, নিদিলে মানৱ-সমাজৰ ভৱিষ্যতেই তমসাগ্ৰস্ত হ'ব, তেওঁলোক হ'ল চিন্তা আৰু আদৰ্শৰ ক্ষেত্ৰত সংখ্যালঘু। যি সময়ত দহলাখ মানুহে ঐক্যবদ্ধ হৈ এটা বিশেষ মত প্ৰচাৰ কৰি গগন খলক লগাইছে, সেই সময়ত হয়তো মাত্ৰ এজন মানুহে তাৰ বিৰোধিতা কৰি ঘৰত বহি আছে বা নিজৰ মতান্তৰ প্ৰকাশ কৰিছে। এতিয়া এই দহলাখ মানুহ সংখ্যা গৰিষ্ঠ হ'ল বুলিয়েই অতি কৰুণভাৱে সংখ্যালঘু সেই এজন মাত্ৰ মানুহৰ কণ্ঠ ৰুদ্ধ কৰি দিয়া হ'বনেকি? সভ্যতাৰ ইতিহাসত এনে কোনো নজীৰ নাই যে-একমাত্ৰ সংখ্যা গৰিষ্ঠৰ বজ্ৰ নিনাদেই সত্য। বৰং তাৰ বিপৰীতটোহে যুগে যুগে সত্য বুলি প্ৰমাণিত হৈ আহিছে। সমাজৰ বেছিভাগ মানুহেই যি স্থূলত ধৰা-বন্ধা পথত চলে, জনপ্ৰিয়তাৰ দ্বাৰা প্ৰলুব্ধ হয়, সংস্কাৰ আৰু সংখ্যাগৰিষ্ঠৰ মতৰ ওচৰত নতিস্বীকাৰ কৰে, সেই ক্ষেত্ৰত নতুন সত্য আৰু আদৰ্শ প্ৰচাৰ কৰা লোকসকল সদায় সংখ্যালঘু হয়। অথচ ধৰ্ম, দৰ্শন, বিজ্ঞান, ৰাজনীতি আদি সকলো ক্ষেত্ৰতে সংখ্যালঘুৰ নিঃসংগ কণ্ঠ-স্বৰেই যুগে যুগে সভ্যতাৰ নব নব অধ্যায়ৰ সূচনা কৰি মানুহৰ প্ৰগতি অব্যাহত কৰি ৰাখিছে। সেই কাৰণে গণতন্ত্ৰৰ এটা প্ৰধান নৈতিক দায়িত্ব হ'ল চিন্তা আৰু বিবেকৰ ক্ষেত্ৰত যি সকল লোক সংখ্যালঘু, তেওঁলোকক সৰ্বপ্ৰকাৰে ৰক্ষা কৰা। সমসাময়িক এজন ভাৰতীয় পণ্ডিতে কৈছে :—"সংখ্যাগৰিষ্ঠই শাসন কৰিব, সংখ্যালঘিষ্ঠৰ মত প্ৰকাশৰ স্বাধীনতা থাকিব। এই দুই "বিপৰীতৰ' সাযুজ্যই গণতন্ত্ৰ।"

মানৱ মনৰ বিকাশৰ ক্ষেত্ৰত জনপ্ৰিয়তাৰ লোভ এটা প্ৰধান শত্ৰু। হেনৰিক ইবছেনে কৈছিল : "যি মানুহে অকলে সমগ্ৰ পৃথিবীৰ বিৰুদ্ধে থিয় হ'ব পাৰে, তেওঁকহে মই প্ৰকৃত বীৰ বুলি কওঁ।" তেওঁ এই কথা ক'ব লগা হোৱাৰ যথেষ্ট কাৰণ আছিল। তেওঁৰ দুখন নাটকৰ কাৰণে উদাৰপন্থী আৰু ৰক্ষণশীল উভয়মহলেই তেওঁৰ বিৰুদ্ধে এনে প্ৰচণ্ড আক্ৰমণ আৰম্ভ কৰিলে যে—An Enemy of the People নামৰ নাটক লিখি তেওঁ তাৰ জবাব দিব

লগা হ'ল। সেই নাটকৰ প্ৰধান লক্ষ্য আছিল Unthinking Compact majority অৰ্থাৎ "চিন্তা-বিমুখ যূথবদ্ধ সংখ্যাগৰিষ্ঠৰ" বিৰুদ্ধে প্ৰত্যাক্ৰমণ।

যি স্থলত নৈতিক সাহসেৰে বলীয়ান সত্যসন্ধ সংখ্যালঘুৱে মানৱ প্ৰগতিৰ নৱ নৱ পথ উন্মোচন কৰে, সেই ক্ষেত্ৰত "চিন্তা বিমুখ যূথবদ্ধ সংখ্যাগৰিষ্ঠই" সেই পথত নৱ নৱ অন্তৰায় সৃষ্টি কৰিবলৈ চেষ্টা কৰি থাকে। মানৱিক প্ৰগতিৰ কাৰণে চিন্তাশীল সংখ্যালঘু সকলক ৰক্ষা কৰাটো সমাজৰ অৱশ্য পালনীয় কৰ্ত্তব্য।

২৭ মাৰ্চ, ১৯৮০

## আন্দোলন চলি থাকিবই লাগিব

কোনো গণ-আন্দোলনেই চিৰকাল চলি থাকিব নোৱাৰে। এদিন নহয়, এদিন তাৰ শেষ আছে। ষাঠিৰ দশকত, স্বয়ং মাও-ছে-টুঙৰ নেতৃত্বত, সেই দেশৰ যুৱকসকলৰ দ্বাৰা পৰিচালিত সাংস্কৃতিক আন্দোলন প্ৰায় চাৰি বছৰ ধৰি চলিছিল। সেই আন্দোলনৰ বতৰাই পৃথিৱী তোলপাৰ লগাইছিল। তথাপিতো সেই আন্দোলন এদিন শেষ হ'ল। কেৱল শেষ হোৱাই নহয়, সেই আন্দোলনে লাঞ্ছিত আৰু ক্ষমতাচ্যুত কৰা দেং জিয়াও পিঙ আজি চীনৰ সৰ্বশক্তিমান নেতাৰ আসনত। সেই আন্দোলনৰ নায়িকা মাও-পত্নী আজি কাৰাগাৰত। ভাগ্যৰ কথা কোনেও ক'ব নোৱাৰে; চৰ্কিৰ দৰে ই ওপৰলৈ উঠে, তললৈ নামে. অবিৰামভাৱে ঘূৰি থাকে। তাকে জানি মানুহ সদায় নম্ৰ হ'ব লাগে, কৃতকাৰ্যতা বা ব্যৰ্থতা একোতেই আত্মহাৰা হ'ব নালাগে।

অসমত ছমাহ ধৰি চলি থকা গণ-আন্দোলনবো সামৰণি পৰাৰ লক্ষণ দেখা গৈছে। দুয়ো পক্ষই এৰা-ধৰাৰ মনোভাৱ দেখুৱাইছে। কিন্তু প্ৰকৃত পক্ষে ছাত্ৰ সমাজ আৰু গণ সংগ্ৰাম পৰিষদৰেই জয় হৈছে। যিটো সমস্যাৰ অস্তিত্বকে ইয়াৰ আগলৈকে কেন্দ্ৰীয় আৰু অন্যান্য ৰাজনৈতিক দলবোৰে স্বীকাৰ কৰি লোৱা নাছিল, সেই সমস্যাক প্ৰচণ্ড শক্তিৰে দাঙি ধৰি তাৰ সমাধানৰ ব্যৱস্থা কৰিবলৈকো তেওঁলোকে কেন্দ্ৰীয় চৰকাৰক বাধ্য কৰিব পাৰিলে। তাতোকৈ বহুগুণে ডাঙৰ কথা এইটোহে যে এই আন্দোলনে কেন্দ্ৰীয় চৰকাৰ আৰু সমগ্ৰ দেশবাসীৰ চেতনাত অসমৰ অস্তিত্ব এনে দকৈ দাগ কাটি বহুৱাই দিলে যে ইয়াৰ পিছত অসমৰ কথা পাহৰি থাকিবলৈ বা অৱজ্ঞা কৰিবলৈ কাৰো কস্মিনকালেও দুঃসাহস নহ'ব। আন্দোলনৰ বিৰোধী বা কঠোৰ সমালোচক-সকলেও ছাত্ৰসকলৰ এই বিৰাট সাফল্যৰ কথা অস্বীকাৰ কৰিব নোৱাৰিব।

সোনকালেই হওক বা দেৰিকৈয়ে হওক, এদিন নহয় এদিন আন্দোলনৰ অন্ত পৰিব। কিন্তু আন্দোলন স'চাকৈয়ে অন্ত পৰিবনে? পৰা উচিতনে? আমি ভাবো যে ৰাজপথৰ আন্দোলন শেষ হোৱাৰ পিছতহে ছাত্ৰসকল আচল প্ৰত্যাহ্বানৰ সন্মুখীন হ'ব লাগিব; কাৰণ তেওঁলোকে এই আন্দোলন কৰিছে ভাষা আৰু সংস্কৃতিৰ নামত। ফুলনি-বাৰীখন গৰু-ছাগলীৰ পৰা নিৰাপদ কৰিবলৈ তাৰ চাৰিওফালে মজবুত বেৰা দিলেই কৰ্ত্তব্যৰ ওৰ নপৰে, ফুলগছৰ

গৰ্বিত সাৱপানী দিয়া আৰু বন-বাত চিকনাই ৰখাটো তাতোকৈয়ো ডাঙৰ কৰ্তব্য। বেৰাখন দিবলৈ এদিন বা এবেলা লাগে, কিন্তু ফুলগছৰ যতন লোৱাটো নিত্য-নৈমিত্তিক কৰ্তব্য। পৃথিবীৰ সকলো জাতিৰ উন্নতিৰ ইতিহাস পঢ়ি দেখিছো যে কঠোৰ সৃষ্টিশীল সাধনাৰ জৰিয়তে মানুহৰ চিন্তাৰ জগতত আন্দোলন সৃষ্টি নকৰাকৈ কোনো জাতিয়ে ক'তো কেতিয়াও উন্নতি কৰিব পৰা নাই। ৰাজপথৰ আন্দোলন সফলভাৱে সমাপ্ত কৰাৰ পিছত ছাত্ৰসকলে এতিয়া অসমীয়া মানুহৰ মনৰ মাজত আন্দোলন সৃষ্টি কৰাৰ দায়িত্ব লব লাগিব। সেইটো কৰিবলৈ তেওঁলোকে "উপদেশতকৈ আহি ভাল" আপ্তবাক্য সাৰোগত কৰি ছাত্ৰসকলৰ নিজৰ মাজত এটা সংস্কাৰ আন্দোলন আৰম্ভ কৰিব লাগিব। সংস্কৃতি এটা বাকচত ভৰাই থোৱা মূল্যবান বস্তু নহয় যে তাক অষ্টপ্ৰহৰ পহৰা দি থাকিব লাগিব। সংস্কৃতি হ'ল প্ৰতিজন ব্যক্তিৰ নিজৰ জীৱন-ধাৰা, কাম-কাজ, চিন্তা, আচৰণ আৰু অভ্যাসৰ মাজেদি ফুটি উঠিব লগা এটা বস্তু। প্ৰত্যেকজন মানুহ যদি সংস্কৃতিবান হয়, তেন্তে সংস্কৃতি আপোনা-আপুনি বিকশি উঠে। অসমৰ ছাত্ৰ সকলে প্ৰমাণ কৰিছে যে তেওঁলোকৰ মাজত বিপুল প্ৰাণ-শক্তি আৰু আদৰ্শবাদিতা লুকাই আছে। সেই শক্তিক যদি তেওঁলোকে অসমৰ সাংস্কৃতিক জীৱন নিৰ্মলতৰ আৰু সুন্দৰতৰ কৰাৰ কামত নিয়োজিত কৰে, তেন্তে তেওঁলোকৰ প্ৰতি জাতি চিৰ-কৃতজ্ঞ হৈ ৰ'ব। যিবোৰ বিজতৰীয়া প্ৰভাৱে আমাৰ পূজা-পাৰ্বণ-উৎসৱ কুশ্ৰী আৰু কলুষিত কৰি তুলিছে, যি কাউবয় কালচাৰে আমাৰ নতুন পুৰুষক বিপথগামী কৰিছে, ভাৰতীয় নব্য ধনী শ্ৰেণীৰ যিবোৰ ভণ্ডামি আৰু বান্দৰামিয়ে আমাৰ উঠি অহা ল'ৰা ছোৱালী-বোৰৰ চকুৰ আগত এটা শ্ৰম-বিমুখ, স্বাৰ্থপৰ আৰু অলস ভোগ-সৰ্বস্ব জীৱনৰ আদৰ্শ দাঙি ধৰিছে এই সকলোবোৰ অশুভ শক্তিৰ বিৰুদ্ধে ছাত্ৰসমাজে এটা প্ৰবল নৈতিক আন্দোলন গঢ়ি নুতুলিলে আমাৰ সংস্কৃতিৰ ভৱিষ্যত সঁচাকৈয়ে অন্ধকাৰ।

৩ এপ্ৰিল, ১৯৮০

# আলোচনাৰ পথলৈ ঘূৰি আহক

মানুহে জীৱনৰ পৰা পোৱা শিক্ষাবোৰৰ ভিতৰত এটা প্ৰধান শিক্ষা হ'ল এয়েই যে প্ৰকৃতিয়ে কোনো ভুলৰেই ক্ষমা নকৰে। ভুল কৰিলে এদিন নহয় এদিন তাৰ মাচুল দিবই লাগিব। অসমত চলা যি দীঘলীয়া আন্দোলনে আজি কেন্দ্ৰীয় চৰকাৰক আতংকিত কৰি তুলিছে সেই আন্দোলন প্ৰকৃতপক্ষে কেন্দ্ৰীয় চৰকাৰে নিজেই সৃষ্টি কৰিছে। দেশৰ স্নায়ুকেন্দ্ৰ ৰাজধানীৰ পৰা বহু যোজন দূৰত এচুকীয়া হৈ পৰি থকা উত্তৰ-পূব অঞ্চলটো আৰু তাৰ সহজ-সৰল অধিবাসীসকলৰ প্ৰতি স্বাধীন ভাৰতৰ চৰকাৰে ইমান বেছি অৱহেলা আৰু অবিচাৰ কৰিলে যে আজি তাৰ প্ৰায়শ্চিত্তৰ দিন আহিছে। মানুহে মৰম দিলেহে মৰম পায়। উত্তৰ পূব অঞ্চলটোৰ প্ৰতি কেন্দ্ৰৰ নিৰ্মমিয়াল আৰু সহানুভূতিহীন মনোভাৱে এই অঞ্চলৰ ৰাইজৰ মনও দেশৰ বাকী অংশৰ প্ৰতি বিদ্বিষ্ট কৰি তুলিছে। এতিয়া এই অঞ্চলৰ ৰাইজৰ পুঞ্জীভূত অভিমান ভাঙি তেওঁলোকক পুনৰ আপোন কৰি লোৱাৰ দায়িত্ব কেন্দ্ৰীয় চৰকাৰৰ। কিন্তু সৈন্য-বাহিনীৰ কামান-বন্দুকেৰে যদি চৰকাৰে অসমৰ মানুহৰ অভিমান ভাঙিব পাৰিম বুলি আশা কৰিছে, তেন্তে তাতকৈ ডাঙৰ ভুল আন একোৱেই নহ'ব। মই এই শিতানত বাৰম্বাৰ এটা সতৰ্ক-বাণী উচ্চাৰণ কৰি আহিছো যে'বুটিছ ৰাজত্বত ভাৰতৰ পশ্চিম সীমান্ত চিৰকলীয়া অশান্ত অঞ্চল হৈ থকাৰ দৰে স্বাধীন ভাৰতত পূব সীমান্ত তেনে এটা স্থায়ী অশান্ত সীমান্তত পৰিণত হোৱাৰ আশংকা দিনে দিনে ঘনীভূত হ'ব ধৰিছে। কেন্দ্ৰীয় চৰকাৰৰ সামান্য এটা ভুল হিচাপে সেই আশংকা যি কোনো মুহূৰ্ত্তেতে বাস্তৱত পৰিণত কৰিব পাৰে। গতিকে কেন্দ্ৰীয় চৰকাৰ অতিশয় সাৱধানী হ'ব লাগিব, দীৰ্ঘম্যাদী স্বাৰ্থৰ খাতিৰত তেওঁলোকে প্ৰয়োজনতকৈ বেছি ধৈৰ্য শক্তিৰো পৰিচয় দিব লাগিব। অসমক উপদ্ৰুত অঞ্চল বুলি ঘোষণা কৰা অধ্যাদেশখন ততালিকে প্ৰত্যাহাৰ কৰি লোৱাটোৱেই হ'ব সেই পথত কেন্দ্ৰীয় চৰকাৰে লব পৰা প্ৰথমটো পদক্ষেপ।

আমি জীৱনৰ পৰা পোৱা দ্বিতীয়টো প্ৰধান শিক্ষা হ'ল এয়েই যে আমি ভাল আৰু বেয়াৰ মাজত যি কোনো এটাক বাছি লবলৈ কাচিংহে সুযোগ পাওঁ, বেছি ভাগ সময়তে দুটা বেয়াৰ মাজত যিটো কম বেয়া তাকে বাছি লোৱাই সংসাৰ জ্ঞানীৰ কাম। একমাত্ৰ শিশুৱেহে লাগু বোলা বস্তুটো পোৱা দুঃসাধ্য

আৰু অসম্ভৱ বুলি জানিও তাকে পাবলৈ কান্দি থাকে ; যি মানুহক জীৱনৰ তিতা-কেঁহা অভিজ্ঞতাই চেপি-খুন্দি শান্ত কৰিছে, তেওঁ সদায় Ideal আৰু Possible অৰ্থাৎ যিটো আদৰ্শনীয় আৰু যিটো সম্ভৱ এই দুয়োটাৰে মাজত সামঞ্জস্য ঘটাবলৈ চেষ্টা কৰে। মহাত্মা গান্ধীৰ নিচিনা যুগাৱতাৰ পুৰুষৰ নেতৃত্বত ভাৰতৰ কোটি কোটি জনতাই দেশৰ স্বাধীনতাৰ কাৰণে সুদীৰ্ঘ সংগ্ৰাম কৰিছিল, কিন্তু তেওঁলোকেও স্বাধীনতাৰ বিনিময়ত দেশ বিভাজনৰ ভয়ংকৰ মূল্য দিব লগা হ'ল। অৰ্থাৎ তেওঁলোকে যিটো বিচাৰিছিল ঠিক সেইটো নাপালে, বাস্তৱতাৰ লগত তেওঁলোকে আপোচ কৰিবলৈ বাধ্য হ'ল। ইতিহাসৰ এইবোৰ অভিজ্ঞতাৰ পৰা আমি শিক্ষা লবলৈ চেষ্টা কৰা উচিত।

অসমৰ সাম্প্ৰতিক আন্দোলন কোনো বিদেশী শাসক বা শোষকৰ বিৰুদ্ধে নহয়। গতিকে কেন্দ্ৰীয় চৰকাৰে যেনেকৈ অসমৰ বাইজৰ পোনে বন্দুক টোৱাই কথা ক'বলৈ বিচৰাটো অতি গৰ্হিত আৰু অদূৰদৰ্শী কাম হৈছে, ঠিক তেনেকৈ অসমৰ বাইজেও তৈল-ক্ষেত্ৰৰ পিকেটিং মাত্ৰ দুদিন বা তিনিদিনৰ কাৰণেও বন্ধ নকৰি আলোচনাৰ কাৰণে অনুকূল পৰিবেশ সৃষ্টি কৰাত সহায় কৰিছে বুলি ক'ব নোৱাৰি।

অসমীয়াৰ চিৰ চেনেহৰ বহাগ বিহুলৈ আৰু মাত্ৰ কেইটামান দিন বাকী। আলোচনাৰ পৰিবেশৰ সৃষ্টি কৰিবলৈ ই এটা সোণালী সুযোগ। বিহুৰ আগে আগে কেন্দ্ৰীয় চৰকাৰে দুয়োখন অধ্যাদেশ প্ৰত্যাহাৰ কৰি লওক। অসমৰ বাইজেও বিহুৰ নামতে অন্ততঃ এসপ্তাহ তৈল-ক্ষেত্ৰৰ পিকেটিং স্থগিত ৰাখক। তাৰ পিছত আলাপ-আলোচনা আৰু এৰা-ধৰাৰ মাজেদি নতুন বছৰৰ লগে লগে অসমৰ বুৰঞ্জীত এটা নতুন অধ্যায়ৰ সূচনা কৰিবলৈ সকলোৱে আন্তৰিকভাৱে যত্নপৰ হওক। অন্যথাই সন্মুখত ভয়ংকৰ বিপদ।

১০ এপ্ৰিল, ১৯৮০

# জাগ্ৰত উত্তৰ-পূব ভাৰত

কেইমাহমানৰ আগতে বিদ্ৰোহী মিজো নেতা লালডেঙ্গাই এটা সাক্ষাৎকাৰত কৈছিল : মঙ্গোলীয়সকল এতিয়া জাগি উঠিছে, সময় আহিছে মঙ্গোলীয় অভ্যুত্থানৰ।

লালডেঙ্গাৰ উক্তিৰ তাৎপৰ্য বিচাৰ কৰি চোৱাৰ আগতে কেইটামান প্ৰাসংগিক কথা কৈ লোৱা যাওক। মঙ্গোলীয়সকল মঙ্গোলীয় হিচাপে অৰ্থাৎ তেওঁলোকৰ স্বকীয় ইতিহাস-চেতনাৰ আলোকত জাগি উঠিছে নে নাই সেইটো এতিয়াও স্পষ্ট নহয়। কিন্তু যিটো কথা দিবালোকৰ দৰে স্পষ্ট, সি হ'ল এই যে সমগ্ৰ উত্তৰ-পূব ভাৰত যেন কিবা এক প্ৰবল আৱেগৰ অভিঘাতত মুহুৰ্মুহুঃ আন্দোলিত হৈছে, কিবা এক বিৰাট শূন্যতাবোধৰ আৰ্তিয়ে যেন অঞ্চলটোক অস্থিৰ কৰি তুলিছে। আৰু উত্তৰ-পূব ভাৰত হ'ল প্ৰধানতঃ মঙ্গোলীয়সকলৰ বাসভূমি।

আপাত দৃষ্টিত উত্তৰ-পূব ভাৰতৰ সাতখন ৰাজ্যৰ মাজত প্ৰধানকৈ ভূগোলৰ বন্ধনৰ বাহিৰে আন মিল খুব বেছি নাই যেন লাগিব পাৰে। সৌ সিদিনালৈকে মিজোৰাম অসমৰ এখন জিলা আছিল মাথোন, অথচ মিজোসকলৰ সৈতে আমাৰ অন্যান্য হিন্দু-মুছলমান-খ্ৰীষ্টিয়ান অধিবাসীসকলৰ মানসিক দূৰত্ব ইমান বেছি আছিল (আৰু এতিয়াও হৈ আছে) যে মিজোৰাম অসমত নহৈ পলিনেছিয়া বা মালয়েছিয়াত হোৱা হ'লেও বৰ বেছি তফাৎ নহ'লহেঁতেন। মিজোসকলৰ নেতা লালডেঙ্গাই আজি দাবী কৰিছে যে উত্তৰ-পূব ভাৰতত এটা "মঙ্গোলীয় নৱ-জাগৃতি" আৰম্ভ হৈছে আৰু তেওঁলোকেই এই নৱ-জাগৃতিৰ অগ্ৰদূত। অথচ সিদিনালৈকে তেওঁলোকে নিজৰ গোড়া খ্ৰীষ্টীয়ান পৰিচয়ত ইমান গৰ্বিত অনুভৱ কৰি আছিল যে—তেওঁলোকে বিশ্বাস কৰিছিল যে তেওঁলোকেই হ'ল বাইবেলত কথিত ইহুদীসকলৰ "লষ্ট ছেছেনথ ট্ৰাইব"।

অসমৰ হিন্দু-মুছলমান উভয় সম্প্ৰদায়ৰ মানুহে তেওঁলোকৰ নিকটতম প্ৰতিবেশী নগা-খাচী-মিজো-গাৰোসকলৰ সৈতে যিমান আত্মীয়তা অনুভৱ কৰে, তাতকৈ বহুত বেছি আত্মীয়তা অনুভৱ কৰে বাঙালী, বিহাৰী, মাৰাঠী অথবা তামিল সকলৰ সৈতে, কিয়নো তেওঁলোক আটায়ে শতাব্দী প্ৰাচীন

একেটা সাংস্কৃতিক পৰম্পৰাৰ সমান উত্তৰাধিকাৰী শিল্প-সাহিত্য-সংগীতত প্ৰতিফলিত একেই জীৱনৰ তেওঁলোক সমান অংশীদাৰ। কলিকতাৰ বাঙালী বা কালিকটৰ মালয়ালীসকলৰ জীৱনক তেওঁলোকে নিজৰ জীৱনৰ নিচিনাকৈয়ে নিবিড়ভাৱে জানে, কাৰণ বাঙালী আৰু মালয়ালীসকলৰ সাহিত্য, সংগীত, চিত্ৰকলা আৰু চলচ্চিত্ৰৰ সৈতে তেওঁলোকৰ পৰিচয় অতি নিবিড়। কিন্তু গাতে লাগি থকা মিজো, খাচী, গাৰো বা নগাসকলৰ হৃদয়ৰ কিমানকণ খবৰ আমি ৰাখোঁ, বা ৰাখিব পাৰোঁ? এই কথা অস্বীকাৰ কৰিবলে সত্যৰ অপলাপ হ'ব যে উত্তৰ-পূব ভাৰতৰ সকলো জনগোষ্ঠী বিচ্ছিন্ন দ্বীপৰ দৰে হৈ আছে, কোনেও কাৰো সৈতে হৃদয়ৰ যোগাযোগ স্থাপন কৰিবৰ পৰা নাই।

কিন্তু ইয়েই সমস্ত সত্য নহয়। কিয় নহয়, তাক জানিবলৈ হ'লে আমি উভতি যাব লাগিব সুদূৰ অতীতলৈ, ইতিহাসৰ প্ৰায় উষা-লগ্নলৈ।

দ্ৰাবিড় আৰু আৰ্যসকলে গোটেই দেশখনক নিজৰ মাজত এনেভাৱে ভগাই-লৈছিল যে অন্য কোনো জাতিৰ অস্তিত্ব সহজে কাৰো চকুত বিশেষভাৱে নপৰে। কিন্তু পশ্চিম পিনৰ পৰা আৰ্যসকলে প্ৰৱেশ কৰাৰ কেইবা শতাব্দীৰ আগৰে পৰা পূব পিনৰ পৰাও আৰু এক জনস্ৰোত আহি ভাৰতত প্ৰৱেশ কৰে। অষ্ট্ৰিক ভাষা গোষ্ঠীৰ এই সকল লোকেই হ'ল অসম তথা উত্তৰ-পূব ভাৰতৰ আদিমতম অধিবাসী। এওঁলোক সকলোৱেই আছিল মঙ্গোলীয়। এওঁলোকৰ অসম আগমনৰ কেই শতাব্দীমানৰ পিছত পশ্চিম চীনৰ ইয়াং-ছে-কিয়াং আৰু হোৱাংহো নদীৰ তীৰভূমিৰ পৰা আৰু এদল মানুহে আৰম্ভ কৰিলে তেওঁলোকৰ নিৰুদ্দেশ-যাত্ৰা। এওঁলোক আছিল তিব্বতী-বৰ্মী ভাষা-গোষ্ঠীৰ মানুহ। এওঁলোকে আহি তিব্বতৰ মাজেদি প্ৰবাহিত ব্ৰহ্মপুত্ৰৰ পাৰত উপনীত হৈ সেই বিশাল সুন্দৰ নদীটিক প্ৰথম আৱিষ্কাৰ কৰে আৰু ব্ৰহ্মপুত্ৰৰ গতিপথ অনুসৰণ কৰি তাৰ পাৰে পাৰে আগবাঢ়ি গৈ থাকে। কোনো সন্দেহৰ কাৰণ নাই যে তেওঁলোকে নিজৰে ভাষাত ব্ৰহ্মপুত্ৰৰ এটা নাম দিছিল, কিন্তু অসমত আৰ্যসকলৰ উপনিৱেশ গঢ়ি উঠাৰ পিছত বহুত ঠাই আৰু নদীৰ নামৰ সংস্কৃতকৰণ আৰম্ভ হয় আৰু চীনৰ পৰা আগত মঙ্গোলীয় অভিযাত্ৰী সকলৰ প্ৰথম প্ৰেম সেই ভীষণ সুন্দৰ নদীটিও হৈ পৰে আৰ্য-দেৱতা ব্ৰহ্মাৰ পুত্ৰ।

সি যি কি নহওক, সুদূৰ চীনৰ পৰা অহা মঙ্গোলীয় ভাগ্যান্বেষীসকল উত্তৰ পিনৰ পৰা আহি অসমৰ প্ৰৱেশ পথত উপনীত হৈ দুভাগত বিভক্ত হৈ যায়ঃ এদল পোনে পোনে যায়গৈ উত্তৰ ব্ৰহ্মলৈ আৰু আনটো দলে অসমত

প্ৰবেশ কৰি সমগ্ৰ ব্ৰহ্মপুত্ৰ উপত্যকাত সিঁচৰতি হৈ পৰে। ধুবুৰীলৈকে আহি তেওঁলোকৰ এটা দলে গাৰোপাহাৰ, পাৰ্বত্য ত্ৰিপুৰা, উত্তৰ কাছাৰ আদি অঞ্চলত বসতি স্থাপন কৰে আৰু আন এটা দলে সিমান দূৰলৈ নগৈ যি ঠাইত ব্ৰহ্মপুত্ৰ অসম সোমাইছে, তাৰে পৰা দক্ষিণলৈ গুচি যায় আৰু নগা পাৰ্বত্য-ভূমি দখল কৰি লয়। ইপিনে যিটো দল অসমত নোসোমাই পোনে পোনে উত্তৰ ব্ৰহ্মলৈ গৈছিল, তেওঁলোকৰো বহুত মানুহ কেইশতাব্দীমানৰ পিছত আকৌ অসমলৈকে গুচি আহিল।

তেওঁলোকে আহি বসতি কৰিবলৈ ল'লে লুচাই পাহাৰ (এতিয়া মিজো-ৰাম), মণিপুৰ আৰু নগা পৰ্বতৰ দক্ষিণ ফালৰ কোনো কোনো অংশত। তিব্বতী-বৰ্মী ভাষা-গোষ্ঠীৰ যি দ্বিতীয় মঙ্গোলীয় জন-তৰংগই আহি সমগ্ৰ উত্তৰ-পূব ভাৰতকে প্লাবিত কৰি পেলালে, তেওঁলোকে খাছী-জয়ন্তীয়া পৰ্বতমালাক বেষ্টন কৰি পেলালেও তাৰ শিখৰ দেশত আৰোহণ কৰিব নোৱাৰিলে। সেয়েহে উত্তৰ পূব-ভাৰতৰ তিব্বতী-বৰ্মী ভাষা সমুদ্ৰৰ মাজত খাছী-জয়ন্তীয়া পাহাৰৰ মন-খমেৰ ভাষা গোষ্ঠী অৰ্থাৎ খাছী আৰু জয়ন্তীয়া ভাষা এতিয়াও এক নিঃসঙ্গ দ্বীপৰ দৰে বিৰাজ কৰি আছে।

তেনেহ'লে দেখা গ'ল যে উত্তৰ-পূব ভাৰতৰ সমস্ত পাৰ্বত্য উপজাতি—মিজো, নগা, ত্ৰিপুৰী, খাছী, জয়ন্তীয়া, গাৰো, মণিপুৰী, ডিমাছা, কাৰ্বি, ফাংগী, হুমাৰ, কুকি, লাখাৰ আৰু অৰুণাচলৰ সমস্ত বৈচিত্ৰ্যৰ মাজত এক্য হ'ল তেওঁলোকৰ প্ৰধান ঐক্যসূত্ৰ।

আৰু অসমৰ সমতলৰ অৰ্থাৎ ব্ৰহ্মপুত্ৰ উপত্যকাৰ অধিবাসী—তেওঁবিলাক কোন? তেওঁলোকৰো শতকৰা নব্বৈ ভাগতকৈ বেছিখিনি হ'ল মঙ্গোলীয় গোষ্ঠীৰ মানুহ। অসমত প্ৰবেশ কৰা দ্বিতীয় মঙ্গোলীয় জন-তৰংগৰ যিবিলাক মানুহে পৰ্বত-পাহাৰৰ কোলাত আশ্ৰয় নিবিচাৰি বিশাল ব্ৰহ্মপুত্ৰ আৰু তাৰ উপনৈবোৰৰ তীৰভূমিত বিয়পি পৰিল, তেওঁলোক হ'ল বড়ো জনগোষ্ঠীৰ। সংখ্যা আৰু সংস্কৃতিৰ দিশৰ পৰা অসম তথা উত্তৰ-পূব ভাৰতৰ আটাইতকৈ বেছি গুৰুত্বপূৰ্ণ এই বড়ো জনগোষ্ঠী। এতিয়াও যিসকলৰ মাতৃভাষা "বড়ো" তেনে পাঁচলাখ মানুহৰ উপৰিও অসমীয়া ভাষী কোচ, কছাৰী, লালুং, চুতীয়া, মৰাণ, বৰাহী ইত্যাদি সকলো সম্প্ৰদায়ৰে মানুহবোৰ মূলতে তিব্বতী-বৰ্মী ভাষা গোষ্ঠীৰ "বড়ো" মানুহ। মিচিংসকল অসমত অপেক্ষাকৃতভাৱে নৱাগত; অসমলৈ আহি ইয়াত বসতি কৰাৰ আগতে এওঁলোক বৰ্তমান

অৰুণাচল নামেৰে পৰিচিত হিমালয়ৰ পাদদেশৰ পৰ্বতমালাত সহস্ৰাধিক বছৰ কটাই দিছিল। এওঁলোকো তিব্বতী-বৰ্মী ভাষা গোষ্ঠীৰ মঙ্গোলীয়। এতিয়া ব্ৰহ্মপুত্ৰ উপত্যকাত সংখ্যা আৰু উচ্চাকাংক্ষাৰ পিনৰ পৰা মিছিংসকলেই হ'ল বড়োসকলৰ পিছতে আটাইতকৈ গুৰুত্বপূৰ্ণ উপজাতি।

মঙ্গোলীয় বিজয়-অভিযান কিন্তু তাতেই বৈ নাথাকিল। মঙ্গোলীয় অভিযাত্ৰী সকলৰ দ্বিতীয় দলটো অৰ্থাৎ তিব্বতী-বৰ্মীসকল আহি প্ৰবেশ কৰাৰ প্ৰায় দুহাজাৰ বছৰৰ পিছত খ্ৰীষ্টীয় ত্ৰয়োদশ শতাব্দীত আৰু এটা মঙ্গোলীয় গোষ্ঠীয়ে অসমত প্ৰবেশ কৰিলেহি; তেওঁলোক হ'ল বিশাল মঙ্গোলীয় জাতি-পুঞ্জৰ অন্যতম "তাই" গোষ্ঠীৰ মানুহ। প্ৰায় আঢ়ৈ হাজাৰ বছৰৰ পূৰ্বে তেওঁলোকৰ আদিবাসস্থান আছিল দক্ষিণ চীনৰ হুনান প্ৰদেশ। ভাগ্য জড়িত হৈ তেওঁলোক দক্ষিণ এছিয়াৰ বিভিন্ন দেশত সিঁচৰতি হৈ পৰে আৰু তেওঁলোকে বহুতো উপনিবেশ গঢ়ি তোলে; অৱশেষত তেওঁলোকৰে এটা ক্ষুদ্ৰ গোষ্ঠীয়ে প্ৰায় এহেজাৰমান মানুহ ১২২৮ খ্ৰীষ্টাব্দত আহি অসমত প্ৰৱেশ কৰে। কেইবা-হাজাৰো বছৰ ধৰি পশ্চিম আৰু পূৱ উভয় দিশৰ পৰা বাহিৰৰ যিমান মানুহে ভাৰতত প্ৰবেশ কৰেহি, তেওঁলোকৰ ভিতৰত এই "তাই মঙ্গোলীয়" গোষ্ঠীৰ আহোমসকলেই হ'ল সৰ্বশেষ "বহিৰাগত"। তেওঁলোকৰ পিছত বাহিৰৰ পৰা অহা আন কোনো জনগোষ্ঠীয়েই ভাৰতৰ মাটিত স্থায়ীভাৱে বসতি কৰাহি নাই।

ভাৰতৰ উত্তৰত আৰ্যসকলে আৰু দক্ষিণত দ্ৰাবিড়সকলে দুটা বিৰাট সভ্যতা গঢ়ি তুলিছিল। স্বীকাৰ কৰিবই লাগিব যে উত্তৰ-পূৱ ভাৰতত মঙ্গোলীয়সকলে সেই দুই সভ্যতাৰ সমতুল্য কোনো সভ্যতা গঢ়ি তুলিব পৰা নাছিল। কিন্তু লগতে এই কথাও স্বীকাৰ কৰিব লাগিব যে কমপক্ষেও সাত হাজাৰ বছৰ ধৰি এই মঙ্গোলীয় গোষ্ঠীৰ লোকসকল উত্তৰ-পূৱ ভাৰতৰ দুৰ্গম গিৰি বনত তেওঁলোকৰ সমস্ত স্বকীয় বৈশিষ্ট্য লৈ টিকি আছে, আৰ্য সভ্যতাই তেওঁলোকক গ্ৰাস কৰিব নোৱাৰিলে। আৰ্যসকল অৱশ্যেই অসমলৈ আহিছে; মহভাৰতৰ যুগৰো আগৰে পৰা সেই সিদিনা আহোমসকলৰ ৰাজত্বৰ দিনলৈকে তেওঁলোক আহি আছে। যি অসমীয়াভাষাক কেন্দ্ৰ কৰি আজিৰ অসমীয়া জাতি গঢ়ি উঠিছে, সেই অসমীয়া ভাষাও আৰ্যসকলৰে দান। কিন্তু সেই আৰ্য প্ৰভাৱ ব্ৰহ্মপুত্ৰ উপত্যকাৰ অসমীয়াভাষীসকলৰ মাজতে সীমাবদ্ধ আছিল; ব্ৰহ্মপুত্ৰ উপত্যকাৰ দুইকাষৰ পৰ্বতমালাৰহে নালাগে, ব্ৰহ্মপুত্ৰ উপত্যকাৰে মঙ্গোলীয় ভাষী জনগণৰ মাজতো সি প্ৰবেশ কৰিব পৰা

নাছিল। শতাব্দীৰ পিছত শতাব্দী ধৰি তেওঁলোকে আৰ্যসকলৰ জগৎ সম্পৰ্কে একোকে জনা নাছিল। যেতিয়াই এই কথা কোৱা হয় যে—অসম চিৰকাল সাংস্কৃতিক ভাৰতৰ অবিচ্ছেদ্য অঙ্গ আছিল, তেতিয়া কেৱল আৰ্য-ভাষী ব্ৰহ্মপুত্ৰ উপত্যকা সম্পৰ্কেহে এই কথা কোৱা হয়। খাছী—নাগা—মিজো গাৰো সকলৰ দেশ কোনো কালেই ৰাজনৈতিক বা সাংস্কৃতিক ভাৰতৰ অংশ বিশেষ নাছিল। আনকি ব্ৰহ্মপুত্ৰ উপত্যকাৰে বড়ো, টিৱা, ৰাভা, মিছিং, দেউৰী ইত্যাদি উপজাতিবোৰৰ জীৱনৰ বাহিৰঙ্গখিনিকহে মাত্ৰ আৰ্য প্ৰভাৱে স্পৰ্শ কৰিব পাৰিছিল, তেওঁলোকৰ জীৱনৰ গভীৰলৈ সি প্ৰবেশ কৰিব পৰা নাছিল।

সকলোকে ধৰি পায় আঢ়ৈলাখ বৰ্গ কিলোমিটাৰ বিস্তৃত আৰু প্ৰায় আঢ়ৈ কোটি লোক অধ্যুষিত উত্তৰ-পূব ভাৰত এখন মঙ্গোলীয় জগৎ। সকলো সময়তে এই কথা যাৰ মনত নাথাকিলে উত্তৰ-পূব ভাৰতৰ হৃদয়ত প্ৰবেশ কৰিব নোৱাৰি অথবা এই অঞ্চলৰ বিশেষ সমস্যাবোৰো ভালদৰে বুজা সম্ভৱ নহয়। এদিন আৰ্য ভাষী অসমীয়াসকলেই আছিল এই অঞ্চলৰ মধ্যমণি। তেতিয়া আন আটাইবোৰ উপজাতি আছিল নিদ্ৰিত অৱস্থাত। তদুপৰি, তেতিয়া তেওঁলোক নিজৰ নিজৰ ক্ষুদ্ৰ ক্ষুদ্ৰ জগতত নিজেই আছিল স্বৰাজ, এক বৃহত্তৰ জাতিসত্তাৰ পৰিয়ালভুক্ত হৈ নিজৰ স্বকীয়া আত্মপৰিচয় বজাই ৰখাৰ সমস্যাই তেতিয়া তেওঁলোকক পীড়িত কৰা নাছিল। কিন্তু আজি তেওঁলোক আটায়েই জাগি উঠিছে আৰু এই জাগৰণৰ চেষ্টা কৰিছে। এতিয়া অসমীয়াসকলে তেওঁলোকৰ মধ্যমণি হৈ থকাৰ দাবী পৰিহাৰ কৰি আন সকলোকে সমান অংশীদাৰ বুলি মানি ল'লেহে এই অঞ্চললৈ স্থায়ী শান্তি আৰু স্থিৰতা ঘূৰি আহিব।

এই প্ৰসংগত এটা আচৰিত কথা লক্ষ্য কৰা গৈছে। উত্তৰ-পূব ভাৰতৰ সাতখন ৰাজ্যক লৈ এখন স্বাধীন ৰাষ্ট্ৰ স্থাপনৰ চেষ্টা চলিছে বুলি কিছুদিন ধৰি কথা এটা শুনি থকা গৈছে। এই চেষ্টাত মিজো, মণিপুৰী আৰু ত্ৰিপুৰী উগ্ৰপন্থী বিচ্ছিন্নতাবাদীসকলৰ সৈতে যিসকল অসমীয়াই হাত মিলাইছে, তেওঁলোক আটায়েই এদিন উত্তৰ ভাৰতৰ বিভিন্ন ঠাইৰ পৰা অহা উচ্চ-বৰ্ণ হিন্দু অসমীয়া। অৰ্থাৎ অসমৰ বড়ো, মিছিং, ৰাভা, টিৱা, কাৰ্বি, দেউৰী, আহোম আদি সকলো মঙ্গোলীয় জনগোষ্ঠীয়েই চিৰকাল ভাৰতীয় হৈ থাকিবলৈ বিচাৰে, কিন্তু ভাৰতৰ পৰা ওলাই এখন ভাৰত-বিৰোধী স্বাধীন ৰাষ্ট্ৰ স্থাপন কৰিবলৈ তৎপৰ হৈ উঠিছে কনৌজ আৰু নবদ্বীপৰ পৰা অহা বৰ্ণহিন্দু অসমীয়াসকল।

সি যি কি নহওক, উত্তৰ-পূব ভাৰতৰ বিচ্ছিন্নতাবাদী প্ৰৱণতাবোৰৰ মূল

কাৰণবোৰ পৰম সহানুভূতিৰে সৈতে বিশ্লেষণ কৰি এই অঞ্চলৰ অধিবাসীসকলৰ অন্তৰ জয় কৰিবলৈ চেষ্টা কৰিব লাগিব। বাস্তৱৰ মুখামুখি হোৱাৰ সাহস নাথাকিলে কেতিয়াও সেইটো কৰা সম্ভৱ নহ'ব। আটাইতকৈ ডাঙৰ বাস্তৱ সত্যটো হ'ল এই যে পাহাৰতে হওক বা সমতলতে হওক উত্তৰ-পূব ভাৰতৰ সমস্ত মঙ্গোলীয় উপজাতিয়েই এতিয়াও নিজকে ভাৰতীয়ত্বৰ উত্তৰাধিকাৰী আৰু অংশীদাৰ বুলি অনুভৱ কৰিব পৰা নাই। আমেৰিকাৰ নিগ্ৰো লেখক জেমছ বল্ডুইনে এসময়ত কৈছিল :—

I was a kind of bastard of the West, when I followed the line of my past, I did not find myself in Europe but Africa. And this meant in some subtle way, in a really profound way. I brought to Shakespeare, Bath, Renbrardt, to the stones of Paris to the Cathedral of Chartres and to the Empire stat Building, a special attitude. There were not really my creations they did not contain my history. I might search them in vain for ever for any reflection of myself—মোৰ মনত বিন্দুমাত্ৰও সন্দেহ নাই যে—উত্তৰ-পূব ভাৰতৰ মঙ্গোলীয় বুদ্ধিজীৱীসকলেও ভাৰতীয় সভ্যতা-সংস্কৃতিৰ প্ৰতি একেই মনোভাৱ পোষণ কৰে। ৰামায়ণ, মহাভাৰত, তানসেন-মীৰাবাই, কোনাৰক - তাজমহল, গালিব-ৰবীন্দ্ৰনাথ—এই সকলোবে পিনে চাই মিজো-নাগা, খাচী - গাৰো—বড়ো - মিছিং সম্প্ৰদায়ৰ ভাবুক আৰু বুদ্ধিজীৱীসকলে নিশ্চয় স্বগতোক্তি কৰে :—These were really not my creations they did not contain my history.

কিন্তু ভাৰতীয়ত্ব কেৱল অতীত নহয়, সি বৰ্তমান আৰু ভৱিষ্যতো। বৰ্তমানো প্ৰতি মুহূৰ্ততেই পৰিণত হৈ আছে অতীতলৈ। যি অতীতৰ আমি সকলোৱেই সমান অংশভাক হম তেনে এটা অতীত গঢ় ল'বৰ কাৰণে দেশখন ভৌগোলিক আৰু সাংস্কৃতিক সীমান্তত বাস কৰা মঙ্গোলীয় জনগোষ্ঠীক কিছু সময় দিবই লাগিব। অশেষ ধৈৰ্য আৰু সহানভূতিৰ অবিহনে সি সম্ভৱ নহ'ব। যি প্ৰশ্নৰ মুখামুখি হৈ জেমছ ভুইনে কৈছিল—I might search them in vain for ever for any reflection of myself. সেই একেটা প্ৰশ্নৰ মুখামুখি হৈ এজন আমেৰিকান নিগ্ৰো হ'বাছ প'টাৰে কৈছে :

I word my soul to the Bible, the constitation, and the Declaration of Independence to Shakespeare and Melville, to Freud and Max, and to the English language in which I thought, spoke and wrote.

আমিও এনে কিবা কিছুমান সৃষ্টি কৰিব লাগিব, যিবোৰ সৃষ্টি প্ৰান্তবাসী নবাগতসকলে আপোন বুলি ভাবিব পাৰে। যি জন মঙ্গোল বীৰ চেংগিজ খাই ১২১৫ খ্ৰীষ্টাব্দত বেইজিং চহৰ আক্ৰমণ কৰি গোটেই চহৰখনক ধ্বংসস্তূপত পৰিণত কৰিছিল, সেই চেংগিজ খাঁক চীনৰ কমিউনিষ্ট শাসকসকলে অলপতে মঙ্গোলীয়ান জনগণৰ বীৰপুৰুষ বুলি ঘোষণা কৰিছে। ৰাষ্ট্ৰীয় ঐক্য আৰু নিৰাপত্তাৰ স্বাৰ্থতেই তেওঁলোকে এই কামলক স্বায়ত্ত শাসনৰ উপৰিও এইবোৰ সংখ্যালঘু সম্প্ৰদায়ৰ নিজস্ব ভাষা-সাহিত্য, সংস্কৃতি আৰু ধৰ্মৰ বিকাশৰ বাবে বিশেষ ব্যৱস্থা গ্ৰহণ কৰা হৈছে।

উত্তৰ-পূৰ্ব ভাৰতৰ মঙ্গোলীয় জনগোষ্ঠীবোৰৰ বিষয়েও বহুতো কথা নতুনকৈ ভাবি চোৱাৰ সময় আহিছে। কেৱল ৰঙা চকু দেখুৱাই বা ভাৰ্লাৰ বোলাই তেওঁলোকৰ সমস্যা সমাধান কৰিব পৰা নাযাব।

চীনদেশত পঞ্চাশটামান উপজাতি আছে আৰু তেওঁলোকৰ ভিতৰতে বহুতো মঙ্গোলীয় উপজাতি বাস কৰে স্পৰ্শকাতৰ সীমান্ত অঞ্চলত। তেওঁলোকক অসন্তুষ্ট কৰি থৈ সীমান্তক বিপদমুক্ত কৰি ৰখা সম্ভৱ নহয়। সেইবাবে এই সকল লোকৰ তুষ্টি-বিধানৰ বাবে চীন চৰকাৰে বিশেষভাৱে লক্ষ্য ৰাখিব লগীয়া হৈছে।

১৪ মে, ১৯৮১

# শিক্ষা-দীক্ষা

একালৰ বিখ্যাত বিপ্লৱী আৰু এতিয়া একনিষ্ঠ সমাজ-সেৱক পান্নালাল দাসগুপ্তৰ মুখত অলপতে এষাৰ অতি মূল্যবান কথা শুনিলো। এটা বক্তৃতা প্ৰসংগত তেওঁ কৈছিল : আমি ভাৰতীয়সকলে কাচিৎহে শিক্ষা শব্দটো অকলে ব্যৱহাৰ কৰিছিলো; শিক্ষাৰ প্ৰসঙ্গ ওলালেই আমি কওঁ শিক্ষা-দীক্ষা। অৰ্থাৎ দীক্ষাৰ পৰা শিক্ষাক বিচ্ছিন্ন কৰিব চাব নোৱাৰি।

দীক্ষানো কি? দীক্ষা হ'ল গুৰুৱে দিয়া মন্ত্ৰোপদেশ বা জীৱন-পথৰ সন্ধান। কাৰো সহায় নোলোৱাকৈ নিজে নিজে পাঠাভ্যাস কৰিও হয়তো শিক্ষা অৰ্জন কৰিব পাৰি, কিন্তু সমস্ত শিক্ষাৰ সাৰ-বস্তু দীক্ষা-মন্ত্ৰ কেৱল গুৰু-সান্নিধ্যতহে লাভ কৰিব পাৰি। আৰু এই দীক্ষাৰ অবিহনে শিক্ষা অসম্পূৰ্ণ। আন কথাত ক'বলৈ গ'লে ছাত্ৰৰ জীৱনত কিতাপ-পত্ৰতকৈ শিক্ষকৰ ব্যক্তিত্বৰ ভূমিকা কোনো গুণেই কম নহয়।

কিন্তু আজিকালি আমি শিক্ষা-দীক্ষা শব্দটো কাচিৎহে ব্যৱহাৰ কৰো। কেৱল কওঁ শিক্ষা। তাৰ অৰ্থ হ'ল এয়ে যে—বৰ্তমানৰ ছাত্ৰৰ জীৱনৰ পৰা দীক্ষাৰ প্ৰয়োজন আৰু শিক্ষকৰ শ্ৰদ্ধান্বিত স্থান প্ৰায় অন্তৰ্হিত হৈছে। আজিকালি যে আমি দীক্ষা শব্দটো ব্যৱহাৰ কৰিবলৈ প্ৰায় এৰিয়েই দিছো, সি এক প্ৰকাৰে যুক্তি সঙ্গত কথাই হৈছে; শিক্ষকে যিভাৱে নিজস্ব বিসৰ্জন দি ছাত্ৰৰ ওচৰত নতশিৰ হৈছে আৰু ফলত পাইকাৰী হাৰত ছাত্ৰৰ হাতত মাৰ খাবলৈ ধৰিছে, তেনে অৱস্থাত দীক্ষা শব্দটোৰ কোনো প্ৰয়োজন নোহোৱা হৈ গৈছে। কি বিপৰীত কাল। আগৰ দিনত শিক্ষকৰ বেতৰ ভয়ত ছাত্ৰ কঁপি থাকে আৰু আজিকালি ছাত্ৰৰ চৰ-ঘোচাৰ ভয়ত থৰহৰি কম্পমান হৈ থাকে শিক্ষক?

কিন্তু প্ৰকৃতপক্ষে দীক্ষাৰ অবিহনে যে শিক্ষা অসম্পূৰ্ণ, সেইকথা অতীতত যিমান সত্য আছিল, এতিয়াও সি সমানেই সত্য। সেই কথা ভাৰতত যিমান সত্য আছিল, পাশ্চাত্য জগততো সিমানেই সত্য আছিল। ছাত্ৰৰ জীৱনত শিক্ষকৰ স্থান সম্পৰ্কে আমেৰিকান দাৰ্শনিক ডাঃ মৰ্টিমাৰ এড্লাৰে লিখিছে :

"ছক্ৰেটিছে শিক্ষাদানৰ কলাক ধাত্ৰী-বিদ্যাৰ লগত তুলনা কৰিছিল। ধাত্ৰীয়ে যেনেকৈ প্ৰসূতিক সন্তান জন্ম দিয়াত সহায় কৰে, শিক্ষকেও ঠিক তেনেকৈ ছাত্ৰৰ মনক নতুন ভাব-চিন্তা, জ্ঞান আৰু বোধশক্তি জন্ম দিয়াত সহায় কৰে। এই

ক্ষেত্ৰত মৌলিক ধাৰণাটো হ'ল এয়েই যে শিক্ষাদানৰ কলা হ'ল এটা বিনম্ৰ সহায়িকা কলা। শিক্ষকে জ্ঞান সৃষ্টি নকৰে অথবা মোনাত বস্তু ভৰোৱাৰ দৰে ছাত্ৰৰ শূন্য নিষ্ক্ৰিয় মনত জ্ঞান ভৰাইয়ো নিদিয়ে। শিক্ষাৰ্থীজনহে জ্ঞান আৰু ধাৰণাৰ প্ৰকৃত সক্ৰিয় উৎপাদক, শিক্ষকজন নহয়।

শিক্ষাদানৰ লগত সদায় দুটা মন জড়িত: এটা মন শিকাওঁতাৰ, আনটো শিকোতাৰ। শিক্ষকজন কেৱল কথা কোৱা কিতাপ বা গ্ৰামোফোনৰ এখন জীৱন্ত ৰেকৰ্ড মাত্ৰ নহয়। তেওঁ তেওঁৰ ছাত্ৰৰ লগত কথোপকথন বা ভাবৰ আদান-প্ৰদানত প্ৰবৃত্ত হ'ব লগা হয়। এই কথোপকথন কেৱল কথা কোৱাতকৈ বহুত বেছি গভীৰ-স্পৰ্শী, কাৰণ কেৱল মুখৰ কথাই জ্ঞান ছাত্ৰৰ মনলৈ বহন কৰি নিনিয়ে, অচেতন ভাবেই সি তেওঁৰ ব্যক্তিত্বৰ পৰা ছাত্ৰৰ মনলৈ সঞ্চাৰিত হয়। যি কোনো আদৰ্শ ছাত্ৰ আৰু শিক্ষকৰ সম্পৰ্কত এই সূক্ষ্ম বস্তুটোৰ অস্তিত্ব নথকা হ'লে আমি কেৱল বিশ্বকোষ পঢ়ি অনাতাঁৰ কথিকা শুনি বা টেলিভিশ্যন চায়েই বিদ্যাৰ্জন কৰিব পাৰিলোহেঁতেন।

ই হ'ল এটা দ্বি-মুখী সম্পৰ্ক। শিক্ষকে দিয়ে, ছাত্ৰই গ্ৰহণ কৰে। - ছাত্ৰ হ'ল ডিচ্চাইপল (Disciple) বা শিষ্য; অৰ্থাৎ ছাত্ৰৰ মানসিক বিকাশৰ কাৰণে শিক্ষকে যি ডিচিপ্লিন্ বা অনুশাসন জাপি দিয়ে, ছাত্ৰই তাক গ্ৰহণ কৰে। কিন্তু ই কোনো স্বেচ্ছাচাৰী কৰ্তৃত্বৰ ওচৰত নিষ্ক্ৰিয় আত্মসমৰ্পণ নহয়। ই হ'ল শিক্ষক নিৰ্দেশ ছাত্ৰই সক্ৰিয়ভাৱে চিন্তা কৰি গ্ৰহণ কৰা কাৰ্য। পৰিপক্কতা আৰু আত্মনিৰ্ভৰশীলতা অৰ্জন কৰিবলৈ শিশুৱে যিভাৱে পিতৃ মাতৃক ব্যৱহাৰ কৰে, আদৰ্শ সৎ ছাত্ৰয়ো শিক্ষকক ঠিক তেনেভাৱেই ব্যৱহাৰ কৰে। শিক্ষকৰ সহায় ল'ব নোখোজা গোৱাঁৰ আৰু উদণ্ড ছাত্ৰই জীৱনৰ অপচয় কৰে আৰু নিজকে ধ্বংস কৰে।"

২১ মে', ১৯৮১

# বাংলাদেশৰ ভৱিষ্যত

বাংলাদেশৰ লগত অসম সমগ্ৰ পূব ভাৰতৰ ভাগ্য এনে অচ্ছেদ্যভাৱে জড়িত যে—এই দেশৰ ক্ষুদ্ৰ-বৃহৎ প্ৰত্যেকটো ঘটনাই আমাক গভীৰভাৱে চিন্তিত কৰি তোলে। যোৱা দুবছৰ ধৰি অসমত যিবোৰ ঘটনা ঘটিব ধৰিছে, এইবোৰৰো মূল কাৰণেই হ'ল পূৰ্ব বংগ বনাম পূৰ্ব পাকিস্তান বনাম বাংলাদেশ। জিয়াউৰ ৰহমানৰ হত্যাৰ পিছত বাংলাদেশত আকৌ এক ভীষণ ৰাজনৈতিক সংকটে দেখা দিছে। অতীতৰ অভিজ্ঞতাৰ পৰা দেখা গৈছে যে—বাংলাদেশত অস্থিৰতা বা অশান্তি আৰম্ভ হ'লেই তাত সংখ্যালঘু সম্প্ৰদায়বোৰৰ নিৰাপত্তা বিপন্ন হয় আৰু তেতিয়া তেওঁলোকে জাকে জাকে চুবুৰীয়া ৰাজ্যকেইখনত আহি প্ৰবেশ কৰে। ঠিক এনেভাৱেই যোৱা তিনি দশকৰ ভিতৰত প্ৰায় ৬০/৭০ লাখ মানুহ বাংলাদেশৰ পৰা পূব ভাৰতৰ ৰাজ্যকেইখনলৈ গুচি আহিছে আৰু এই সমগ্ৰ অঞ্চলটোত নানাবিধ জটিল সমস্যাৰ সৃষ্টি কৰিছে। বাংলাদেশত এতিয়াও প্ৰায় এককোটি সংখ্যালঘু লোক অৱশিষ্ট আছে। বাংলাদেশৰ ঘটনাৱলীয়ে এই কাৰণেই আমাক সততে উদ্বিগ্ন কৰি ৰাখে যে-যি কোনো কাৰণতেই নহওক কিয় তাৰ এক দশমাংশ লোকো ভাৰতলৈ গুচি আহিব লগীয়া অৱস্থা হ'লে অসমকে ধৰি পূব ভাৰতৰ ৰাজ্যকেইখনত অভূতপূৰ্ব ৰাজনৈতিক, অৰ্থনৈতিক আৰু সাংস্কৃতিক সমস্যাৰ উদ্ভৱ হ'ব, আৰু তাৰ ফলত সমগ্ৰ দেশৰেই ঐক্য আৰু নিৰাপত্তা বিপন্ন হ'ব। অতএব কোৱা বাহুল্য মাথোন বাংলাদেশলৈ স্থায়ী শান্তি আৰু সুস্থিৰতা ঘূৰি আহিলেহে আমিও নিজৰ শান্তিৰ বিষয়ে নিশ্চিত হৈ স্বস্তিৰ নিশ্বাস ল'ব পাৰো।

কিন্তু দেখা গৈছে যে সেই আশা এতিয়াও-সুদূৰ পৰাহত। পাকিস্তানী অপ-শাসনৰ বিৰুদ্ধে তেতিয়াৰ পূৰ্ব পাকিস্তানৰ জনসাধাৰণে বিদ্ৰোহ ঘোষণা কৰোতে ভাৰতে তেওঁলোকক এই আশাতেই সমৰ্থন দিছিল যে এই অঞ্চলত ধৰ্ম-নিৰপেক্ষতাৰ ভেটিত এখন আধুনিক ৰাষ্ট্ৰ প্ৰতিষ্ঠিত হ'লে তাৰ ফলত ভাৰতো নানা প্ৰকাৰে উপকৃত হ'ব; আন একো ন'হলেও অন্ততঃ সেই দেশৰ পৰা ভাৰতলৈ সংখ্যালঘুৰ অবিৰাম প্ৰবাহ বন্ধ হ'ব। শ্বেখ মুজিবৰ ৰহমানৰ নিৰ্মম হত্যাৰ লগেলগেই সেই আশাৰো সমাধি ঘটিল। নতুন সামৰিক নায়ক জিয়াউৰ ৰহমানে ধৰ্ম-নিৰপেক্ষতাৰ আদৰ্শক বিসৰ্জন দি বাংলাদেশক পুনৰ

এখন ইছলামিক ৰাষ্ট্ৰ হিচাপে গঢ়ি তোলাৰ সংকল্প ঘোষণা কৰিলে। কেৱল সেয়েই নহয়, তেওঁৰ আমোলতে বাংলাদেশৰ মুক্তি-সংগ্ৰামৰ বিৰোধিতা কৰা কট্টৰ সাম্প্ৰদায়িক শক্তিবোৰো পুনৰ মূৰ দাঙি উঠিল। ফলত বাংলাদেশত সংখ্যালঘু লোকসকলৰ ভৱিষ্যত পুনৰ অনিশ্চিত হৈ পৰিল, লগে লগে বাঢ়ি পাৰলৈ ধৰিলে ভাৰতৰ উদ্বিগ্নতা।

তথাপি জিয়াউৰ ৰহমানে বাংলাদেশলৈ কিছু সুস্থিৰতা ঘূৰাই আনিছিল আৰু নিজৰ সংযত আচৰণ আৰু বিচাৰ বুদ্ধিৰ দ্বাৰা উগ্ৰপন্থী শক্তিবোৰক নিয়ন্ত্ৰণত ৰাখিবলৈ সমৰ্থ হৈছিল। কিন্তু তেওঁৰ হত্যাই পুনৰ এটা বিপজ্জনক অনিশ্চয়তাৰ সৃষ্টি কৰিলে। এটা কথা ঠিক যে বাংলাদেশৰ সামৰিক বাহিনীয়ে সেই দেশৰ বহুধা বিভক্ত আৰু আত্ম-কলহ-মত্ত ৰাজনৈতিক দলবোৰৰ হাতত দেশৰ শাসন ক্ষমতা এৰি নিদিয়ে। কিন্তু সামৰিক বাহিনী নিজেই ইমান ৰাজনীতি প্ৰভাৱিত আৰু অনুশাসনহীন যে—তেওঁলোকৰ মাজত চলা ক্ষমতাৰ ক্ষমাহীন প্ৰতিদ্বন্দ্বিতাই দেশখনত দীঘলীয়া অৰাজক অৱস্থাৰ সৃষ্টি কৰিব বুলি সকলোৱেই ভয় কৰিছে। বাংলাদেশ স্বাধীন হোৱা মাত্ৰ ন বছৰহে হৈছে ; এই ন বছৰতে দুজনকৈ ৰাষ্ট্ৰপতিৰ নিৰ্মম হত্যাৰ উপৰিও প্ৰায় চল্লিশ হাজাৰ লোক ক্ষমতাৰ ৰক্তাক্ত প্ৰতিদ্বন্দ্বিতাত নিহত হৈছে। নতুন ৰাষ্ট্ৰৰ জনক শ্বেখ মুজিবৰ ৰহমানৰ বিৰাট ব্যক্তিত্ব আৰু জিয়াউৰ ৰহমানৰ প্ৰশংসনীয় নেতৃত্ব সত্ত্বেও এনে অৰাজক অৱস্থা চলি আছিল, এতিয়াতো সেইদেশত সৰ্বজন-পৰিচিত এজনো নেতাই নাই ; সন্দেহ নাই যে—বাংলাদেশৰ পৰিস্থিতি আমাৰ সকলোৰে কাৰণে বিৰাট উদ্বেগৰ কাৰণ হৈ পৰিছে।

বাংলাদেশৰ ঘটনাৱলীয়ে পূব ভাৰতৰ ৰাজ্যকেইখনক ঘাইকৈ দুই প্ৰকাৰে প্ৰভাৱিত কৰিব। জিয়াউৰ ৰহমানৰ উত্তৰাধিকাৰী কোন হয় তাৰ ওপৰতে অৱশ্যে বহুখিনি কথা নিৰ্ভৰ কৰিব। যদি তাৰ উগ্ৰপন্থী "ফাণ্ডামেণ্টেলিষ্ট" শক্তিবোৰ ক্ষমতাশালী হৈ উঠে, তেন্তে আতংকগ্ৰস্ত সংখ্যালঘুৰ আৰু এটা ডাঙৰ সোঁত পূব ভাৰতলৈ ববলৈ আৰম্ভ কৰিব। তাৰ পৰিণাম কি হ'ব সি সহজেই অনুমেয়। দ্বিতীয়তে উত্তৰ-পূব ভাৰতৰ হিংসাত্মক বিচ্ছিন্নতাবাদী আন্দোলন-বোৰৰ ওপৰতে বাংলাদেশৰ ঘটনাৱলীৰ এটা বিৰাট প্ৰভাৱ পৰিব। এই কথা এতিয়া আৰু গোপন হৈ থকা নাই যে—জিয়াউৰ ৰহমানৰ আমোলতো বাংলাদেশ আছিল মিজো আৰু ত্ৰিপুৰী বিদ্ৰোহীসকলৰ প্ৰধান ঘাটি আৰু প্ৰশিক্ষণ কেন্দ্ৰ ; আনহাতে এই মিজো আৰু ত্ৰিপুৰী বিদ্ৰোহীসকলৰ জৰিয়তে সমগ্ৰ উত্তৰ-পূব

ভাৰতৰ বিচ্ছিন্নতাবাদী গোষ্ঠীবোৰে ঘনিষ্ঠ যোগাযোগ ৰক্ষা কৰি চলিছিল। এতিয়া পৰিবৰ্তিত অৱস্থাত যদি বাংলাদেশৰ নতুন চৰকাৰ এই বিদ্ৰোহীসকলৰ পৃষ্ঠপোষক হ'বলৈ অনিচ্ছুক বা অসম্মত হয়, তেন্তে উত্তৰ-পূৱ ভাৰতৰ বিচ্ছিন্নতাবাদী বিদ্ৰোহে এটা নতুন ভাঁজ ল'বলৈ বাধ্য হ'ব পাৰে।

বুদ্ধিমান মানুহে সদায় আনৰ অভিজ্ঞতাৰ পৰা শিক্ষা ল'বলৈ চেষ্টা কৰে। আনকি সাম্প্ৰতিক অসম-আন্দোলনৰ সমান্তৰালভাৱে যি অন্তঃসলিলা বিচ্ছিন্নতা-বাদী বাসনা বহমান হৈ আছে, তাৰো উৎস হ'ল বাংলাদেশৰ স্বাধীনতা। এইটো কেৱল অনুমানৰ কথা নহয়। সাম্প্ৰতিক অসম আন্দোলনৰ এজন শীৰ্ষ স্থানীয় নেতাই ১৯৭৫ চনৰ ৭ জানুৱাৰীত তেওঁৰ এজন বন্ধুলৈ এখন চিঠি লিখি বাংলাদেশৰ নিচিনাকৈ অসমো স্বাধীন হোৱাৰ যুক্তি দাঙি ধৰিছিল। তেতিয়া তেওঁৰ কথাক বন্ধুজনে কল্পনাবিলাস বুলি উৰাই দিছিল। কিন্তু তেওঁৰ যোৱা তিনি বছৰৰ বিভিন্ন উক্তি আৰু কাৰ্য অনুধাৱন কৰি বন্ধুজনে সেই চিঠিখনৰ কথাক আৰু কল্পনাবিলাস বুলি নাভাবে। কেৱল তেওঁলৈ আৰু তেওঁৰ মন্ত্ৰ শিষ্যসকললৈ এটা মাত্ৰ অনুৰোধঃ—স্বাধীন বাংলাদেশৰ বক্তাক্ত ইতিহাসলৈ আপোনালোকে এবাৰ চকু মেলি চাওক আৰু শান্তভাৱে সকলোবোৰ কথা বিবেচনা কৰি চাওক। অসমকো আপোনালোকে এখন দ্বিতীয় বাংলাদেশ কৰিব খোজেনে?

৪ জুন, ১৯৮১

## বাভা-দিবস ঃ চৰকাৰী আৰু বে-চৰকাৰী

অসম চৰকাৰে এইবাৰ চৰকাৰীভাৱে বিষ্ণুপ্ৰসাদ বাভাৰ মৃত্যু-দিবস উদ্‌যাপন কৰি এটা নতুন নজীৰ স্থাপন কৰিলে। কিন্তু চৰকাৰৰ এই কাৰ্যত আন্তৰিকতাতকৈ ব্যৱসায়ী-বুদ্ধিহে যে বেছি প্ৰবল হৈ দেখা দিছে সেই কথা কাৰো চকুত নপৰাকৈ থকা নাই। পৰিস্থিতি আৰু কাৰ্য-কাৰণ বিশ্লেষণ কৰিলেই সেই কথা ওলাই পৰে। সৰ্বাত্মক সংকটৰ সন্মুখীন হৈ এটা নীতি-ভ্ৰষ্ট চৰকাৰে অৱশেষত আত্মৰক্ষাৰ কাৰণে অস্ত্ৰ হিচাপে ব্যৱহাৰ কৰিছে বিষ্ণুপ্ৰসাদ বাভাৰ ভাব-মূৰ্তিক—পানীত ডুবি মৰিব খোজা মানুহে যেনেকৈ আশ্ৰয় কৰে তৃণখণ্ডকো।

অৱশ্যে এই ক্ষেত্ৰত চৰকাৰ অকলশৰীয়া নহয়। এই ভণ্ডামি আৰু সুবিধাবাদিতাৰ প্ৰতিযোগিতাত সমান উৎসাহেৰে অৱতীৰ্ণ হৈছে অসমীয়া ছাত্ৰ আৰু যুৱকৰ এটা বিৰাট অংশ—যিসকলে নিজকে অসমীয়া জাতীয়তাবাদৰ একমাত্ৰ ধ্বজাবাহী আৰু অসমীয়া সাহিত্য-সংস্কৃতিৰ একমাত্ৰ ত্ৰাণকৰ্তা বুলি ভাবে। যোৱা দুবছৰমান ধৰি তেওঁলোক হঠাৎ জ্যোতিপ্ৰসাদ আৰু বিষ্ণুপ্ৰসাদৰ নামত উন্মত্ত হৈ উঠিছে। সৰু ল'ৰা-ছোৱালীৰ হাতত নতুন পুতলা এটা পৰিলে সিহঁতে যেনেকৈ জগত-সংসাৰ পাহৰি নতুন খেলাত নিমগ্ন হৈ পৰে, ঠিক যেন সেই অৱস্থা। জ্যোতিপ্ৰসাদ আৰু বিষ্ণুপ্ৰসাদ হ'ল অসমীয়া জাতিৰ নৱাৱিষ্কৃত কাল্ট-ফিগাৰ্।

এই কটুক্তিৰ যথেষ্ট কাৰণ আছে। কোনো এজন ব্যক্তিক আমি যেতিয়া শ্ৰদ্ধাৰ পাত্ৰ বুলি বিবেচনা কৰো, তেতিয়া তেওঁৰ জীৱনৰ সৰ্বশ্ৰেষ্ঠ শিক্ষা আৰু তেওঁৰ সাধনাৰ উত্তমোত্তম ফচলখিনিক আমাৰ জীৱনত গ্ৰহণ কৰাটোৱেই হ'ল তেওঁৰ প্ৰতি শ্ৰদ্ধা প্ৰদৰ্শনৰ একমাত্ৰ পন্থা। তেওঁৰ শিক্ষাক সম্পূৰ্ণৰূপে অৱজ্ঞা কৰিম, অথচ তেওঁৰ স্মৃতিক দেৱতাৰ বেদীত বহুৱাই পূজা কৰিম—এনে মনোভাৱ ভণ্ডামী আৰু আত্ম-প্ৰতাৰণাৰ পৰিচায়ক। যিসকল লোক প্ৰকৃততে মহৎ তেওঁলোকৰ মহত্বৰ প্ৰধান লক্ষণ হ'ল—সুসংহত ব্যক্তিত্ব, অৰ্থাৎ দুৰূহ সাধনাৰ দ্বাৰা নিজৰ মাজৰ বহুখিনি দ্বন্দ্বৰ অৱসান ঘটাই আদৰ্শৰ এটা স্থিৰ বিন্দুত উপনীত হ'বলৈ সক্ষম হয়। এক বিশেষ লক্ষ্যৰ ঐক্যসূত্ৰেৰে তেওঁলোকৰ সমস্ত জীৱনটো গঠিত হয়। এনেস্থলত কোনোবাই যদি তেওঁৰ

চিন্তা বা আদৰ্শৰ এটা অংশক বিচ্ছিন্ন কৰি উলিয়াই সেইখিনিক পূজা কৰে আৰু বাকীখিনিক সম্পূৰ্ণৰূপে অৱজ্ঞা কৰে তেন্তে তাৰ দ্বাৰা এহাতেদি পূজাৰ বেদীত প্ৰতিষ্ঠিত মহৎ লোকজনৰ প্ৰতি চৰম অসম্মান প্ৰদৰ্শন কৰা হয় আৰু আনহাতে পূজাৰীসকলৰ চৰম নীচতাও প্ৰমাণিত হয়।

সম্প্ৰতি জ্যোতিপ্ৰসাদ আৰু বিষ্ণুপ্ৰসাদৰ ক্ষেত্ৰত ঠিক সিয়েই ঘটিছে। কোনেও তেওঁলোকক সম্মান কৰিব খোজা নাই, প্ৰত্যেকেই নিজৰ নিজৰ সংকীৰ্ণ স্বাৰ্থত তেওঁলোকক ব্যৱহাৰ কৰিছে। জ্যোতিপ্ৰসাদ আৰু বিষ্ণুপ্ৰসাদ উভয়েই সুদীৰ্ঘ আৰু ৰক্তাক্ত পথ-পৰিক্ৰমাৰ অন্তত জীৱনৰ এটা স্থিৰ লক্ষ্যত উপনীত হৈছিল; মানুহ আৰু মানুহৰ সংস্কৃতিৰ মৌল ৰূপান্তৰৰ এক অব্যৰ্থ মূলমন্ত্ৰ বিচাৰি পোৱা বুলি তেওঁলোকে অনুভৱ কৰিছিল। তেওঁলোকৰ জীৱনৰ অন্যান্য সমস্ত উক্তি আৰু কাৰ্যক এই কেন্দ্ৰীয় শিক্ষাৰ পৰা বিচ্ছিন্ন কৰি চাবলৈ হ'লে তেওঁলোকৰ প্ৰতি চৰম অসম্মানহে দেখুওৱা হ'ব, কাৰণ তেতিয়া প্ৰমাণ হ'ব যে—তেওঁলোকৰ কথাবোৰ আছিল পাগলৰ অসংবদ্ধ প্ৰলাপ মাত্ৰ।

কিন্তু জ্যোতিপ্ৰসাদ আৰু বিষ্ণুপ্ৰসাদ পাগল নাছিল—তেওঁলোক আছিল দূৰাভিসাৰী বিপ্লৱী অভিযাত্ৰী। পাগল সেইসকল—যিসকল মতলববাজ লোকে জ্যোতিপ্ৰসাদ আৰু বিষ্ণুপ্ৰসাদক নিজৰ শাৰীলৈ নমাই আনি সকলোকে ঠগিব পাৰিছো বুলি ভাবি মূৰ্খৰ দৰে অট্টহাস্য কৰিছে।

কংগ্ৰেছী চৰকাৰ আৰু অসমীয়া জাতীয়তাবাদী সকলক দেখাত দুটা বিৰোধী শিবিৰত থকা যেন লাগে। কিন্তু ভালকৈ খবৰ লৈ চালেই দেখা যাব যে দুয়ো দুয়োৰে প্ৰতিযোদ্ধা নহয়, বৰং সহযোগীহে। এই দুয়ো দলৰে বিষ্ণুপূজাই সেই কথাকে আকৌ এবাৰ প্ৰমাণ কৰি দেখুৱালে। যি চৰকাৰে বিষ্ণুৰাভাক কমিউনিষ্ট বুলি ক'কালত পঘাৰে বান্ধি জেললৈ চোঁচৰাই নিছিল, সেই চৰকাৰ আজি বিষ্ণুপূজাৰ পুৰোহিত। কমিউনিষ্ট নিধনেই যি সকল অসমীয়া জাতীয়তাবাদীৰ প্ৰধান লক্ষ্য, তেওঁলোকৰো উপাস্য দেৱতা বিষ্ণু ৰাভা, ভূতৰ মুখত ৰাম-নামৰ প্ৰকৃষ্টতৰ উদাহৰণ দ্বিতীয় এটা আছেনে?

২৫ জুন, ১৯৮১

# মিজোসকলৰ দৃষ্টিত অসম-আন্দোলন

যোৱা মাহৰ শেষ সপ্তাহত মই মিজোৰামলৈ গৈছিলো আৰু তাত পাঁচদিন আছিলো। মই যিদিনা আইজালত উপস্থিত হ'লো, সেই দিনাই মুখ্যমন্ত্ৰী বিগ্ৰেডিয়াৰ ছাইলো জৰুৰী কামত দিল্লীলৈ যাব লগা হ'ল। গতিকে তেওঁৰ লগত দেখা হোৱা মোৰ পক্ষে সম্ভৱ নহ'ল। কিন্তু মুখ্যমন্ত্ৰীৰ বাহিৰে মিজোৰামৰ প্ৰায় আটাইবোৰ শীৰ্ষস্থানীয় ৰাজনৈতিক নেতা, মন্ত্ৰী, উচ্চ পদস্থ বিষয়া, বুদ্ধিজীৱী আৰু জনদিয়েক বিদ্ৰোহী নেতাক লগ ধৰি মই মিজো-বিদ্ৰোহৰ ঐতিহাসিক পটভূমি আৰু মিজোসকলৰ অনুভূতি বুজিবলৈ চেষ্টা কৰিছিলো। অৱশ্যে এই সংক্ষিপ্ত ৰচনাত সেইবোৰ দীঘলীয়া প্ৰসংগৰ অৱতাৰণা কৰিবলৈ ঠাই নহ'ব। কেৱল অসমক মিজোসকলে কি চকুৰে চায় সেই বিষয়েই মই চমুকৈ আলোচনা কৰিম।

মাত্ৰ কেইবছৰমান আগলৈকে মিজোৰাম অসমৰ এখন জিলা মাত্ৰ আছিল। তেতিয়া অসমীয়া মানুহৰ প্ৰতি মিজোসকলৰ মনত বিশেষ সদ্ভাৱ নাছিল। তাৰ কাৰণ আছিল মাইকৈ দুটা। প্ৰথমতে, তেওঁলোকে দৃঢ়ভাৱে বিশ্বাস কৰিছিল যে—অসম চৰকাৰে মিজোসকলৰ উন্নতিৰ বিষয়ে সমূলি চিন্তা নকৰে। দ্বিতীয়তে, দাগী অপৰাধীক কলীয়াপানীলৈ পঠোৱাৰ দৰে মিজোৰামলৈ বাছি বাছি পঠোৱা হয় অযোগ্য আৰু অবাঞ্চিত অফিচাৰসকলক—যিসকলে মিজোসকলৰ মনত অসমীয়া তথা ভাৰতীয় মানুহৰ বিষয়ে অতি বেয়া ধাৰণাৰ সৃষ্টি কৰে। মাইকৈ এই দুটা কাৰণতে অসমীয়া মানুহৰ প্ৰকৃত উদ্দেশ্য সম্পৰ্কে মিজোসকলৰ মনত নানা সন্দেহ আৰু অবিশ্বাস ঘনীভূত হৈছিল। অৱশ্যে এজন অসমীয়া অফিচাৰৰ স্মৃতি মিজোৰামত প্ৰায় কিম্বদন্তীত পৰিণত হৈছে। তেওঁ মিজোসকলৰ লগত এনেভাৱে মিলি গৈছিল আৰু মিজোসকলৰ সৰ্বাংগীন উন্নতিৰ বাবে এনেভাৱে চিন্তা কৰিছিল যে তেওঁৰ কথা আজিও মিজোসকলে শ্ৰদ্ধা আৰু কৃতজ্ঞতাৰে সোঁৱৰে। তেওঁ শ্ৰীসত্যেন্দ্ৰনাথ বৰকটকী।

সি যি কি নহওক, একেলগে থকা অৱস্থাত দিনে-ৰাতিয়ে কাজিয়া কৰি থকা ভাই-ককায়ে বেলেগ হোৱাৰ লগে লগে পৰস্পৰৰ প্ৰতি চেনেহত পমি যোৱাৰ দৰে পৃথক ৰাজ্য হৈ ফাটি যোৱাৰ পিছৰে পৰা মিজোসকলে অসমীয়া-সকলৰ প্ৰতি সদ্ভাৱ পোষণ কৰিবলৈ আৰম্ভ কৰিছে। অৱশ্যে তাৰ কাৰণে

অসমীয়াসকলে আত্মপ্ৰসাদ অনুভৱ কৰিবলৈ কোনো কাৰণ নাই। মিজোৰামত বঙালী-বিদ্বেষ অতি প্ৰবল। তাৰ কাৰণ কি? মিজো বন্ধুসকলে মোক ক'লে ঃ—

"মানুহে ওচৰ-চুবুৰীয়াৰ লগতহে কাজিয়া কৰিব পাৰে, ওচৰ-চুবুৰীয়াক দেই গৈ দূৰৰ্ণিৰ মানুহৰ লগত কাজিয়া কৰিব নোৱাৰে। আমাৰ পিৰালীয়ে পিৰালীয়ে লাগি থকা ওচৰ চুবুৰীয়া হ'ল (কাছাৰৰ বাঙালীসকল।) অসমীয়া সকলে যেনেকৈ মাৰাঠী বা পাঞ্জাবীৰ লগত কাজিয়া নকৰি সদায় গাতে লাগি থকা বাঙালীৰ লগতহে কাজিয়া কৰে, আমিও তেনেকৈ দূৰৰ্ণিৰ অসমীয়াসকলৰ লগত কাজিয়া নকৰি পদুলিলৈ ওলাই'গ'লেই লগ পোৱা বাঙালীসকলৰ লগতে কাজিয়া কৰো।"

মিজোৰামত প্ৰায় ডেৰশজনমান অসমীয়া মানুহ আছে। আটাইবিলাকেই চৰকাৰী চাকৰিয়াল। বাঙালীৰ সংখ্যা প্ৰায় তিনিহাজাৰ, নেপালী পাঁচহাজাৰ আৰু চাক্‌মা চল্লিশ হাজাৰ। বিদেশী সমস্যামানে মিজোসকলে ঘাইকৈ বুজে বাঙালী আৰু চাক্‌মাসকলক।

কিন্তু সম্প্ৰতি বাঙালীসকলৰ প্ৰতি সহনশীলতাৰ ভাব বাঢ়িবলৈ ধৰিছে। মিজোসকলে উপলব্ধি কৰিছে যে মাত্ৰ তিনিহাজাৰ বাঙালীয়ে তেওঁলোকৰ ভাগৰ ভাত কাঢ়ি খাব নোৱাৰে, আনহাতে বাঙালীসকলক খেদি দিবলৈ হ'লে চৰকাৰ চলাবলৈ আৰু বিভিন্ন কাৰিকৰী পদ পূৰাবলৈ মানুহেই নোহোৱা হয়, গতিকে মিজোসকলৰ চকুত এতিয়া আটাইতকৈ বিপজ্জনক "বিদেশী" হ'ল চাক্‌মাসকল। মিজো আৰু চাক্‌মাসকলৰ সহজে মিল হোৱাৰ কোনো আশা নাই।

আজিকালি এটা কথা প্ৰায়েই শুনা যায় যে—উত্তৰ-পূব ভাৰতৰ আটাই কেইখন ৰাজ্যৰ বিচ্ছিন্নতাবাদী বিদ্ৰোহীসকলৰ মাজত ঘনিষ্ঠ যোগাযোগ স্থাপিত হৈছে। নাগা, মণিপুৰী, মিজো আৰু ত্ৰিপুৰী বিদ্ৰোহীসকলৰ মাজত যে ঘনিষ্ঠ যোগাযোগ আছে সেই বিষয়ে কোনো সন্দেহ নাই। কিন্তু অসমীয়াসকলৰ লগতো আছেনে?

মই নিজে আইজলত কাৰো আগত এই প্ৰশ্ন উত্থাপন কৰা নাছিলো। কিন্তু বহুতো বন্ধুৱে স্বতঃপ্ৰণোদিত হৈ এই প্ৰসংগ উত্থাপন কৰিছিল আৰু সাম্প্ৰতিক অসম আন্দোলনৰ প্ৰতি উচ্ছ্বসিত সমৰ্থন আৰু প্ৰশংসা ব্যক্ত কৰিছিল। এজন উচ্চপদস্থ মিজো বিষয়াই মোক কৈছিল ঃ

"আপুনি গুৱাহাটীলৈ ঘূৰি গৈ অসম-আন্দোলনৰ নেতাসকলক ক'ব যে—আমি উদগ্ৰ কৌতূহল আৰু প্ৰশংসাৰে সৈতে তেওঁলোকৰ কাৰ্যকলাপ লক্ষ্য কৰি আছো। আপুনি এই কথা তেওঁলোকক ক'ব যে—তেওঁলোকে নিজৰ বিষয়ে যিমান কথা জানে, আমি তেওঁলোকৰ বিষয়ে তাতকৈ বহুত বেছি কথা জানো।"

মই আইজালত থকা অৱস্থাতে এদিন ৰাতি এজন অৱসৰ-প্ৰাপ্ত মিজো সৰ্দাৰক বিষয়াই মোক দেখা কৰিবলৈ আহিল। তেওঁ মোক প্ৰায় দুঘণ্টামান সময় ধৰি যিখিনি কথা কৈছিল তাৰ সাৰাংশ হ'ল এই:—মই আপোনাক লগ পাই খুব আনন্দিত হৈছো, কাৰণ আপুনি এজন আহোম। আহোম, মিজো, নাগা, মণিপুৰী—সকলোৱেই একে পৰিয়ালৰ ভাই, কাৰণ আমি সকলোৱেই মঙ্গোলীয়। অসমখন আহোমৰ দেশ। গতিকে অসমত বিদেশী খেদা আন্দোলন হোৱাত আমি বৰ ভাল পাইছো। কাৰণ এদিন নহয় এদিন আমি উত্তৰ-পূবঃভাৰতৰ আটাইবোৰ মঙ্গোলীয় জনগোষ্ঠীয়ে মিলি এখন মঙ্গোলীয় ফেডাৰেল ৰাষ্ট্ৰ গঢ়ি তুলিবই লাগিব। এতিয়া সেইটোৱেই মোৰ জীৱনৰ একমাত্ৰ ব্ৰত। মই লালডেঙ্গাৰ "বৃহত্তৰ মিজোৰাম" সমৰ্থন নকৰো। মই বিচাৰো উত্তৰ-পূব ভাৰতত এখন বৃহৎ মঙ্গোলীয় ৰাষ্ট্ৰ। আহোমসকলে এই কামত আগৰণুৱাৰ ভূমিকা লব লাগিব।"

মন্তব্য নিষ্প্ৰয়োজন।

২৩ জুলাই, ১৯৮১

# "আমাৰ উপকণ্ঠত ৰৈ মই কোন কৰি..."

জীৱনৰ সঞ্জীৱনী সুধা হ'ল—আশা। যি মানুহে আশা হেৰুৱাইছে, তেওঁ সৰ্বস্ব হেৰুৱাইছে। আনহাতে যিজন মানুহে পুৱা শুই উঠি গোটেই দিনটোলৈ বা নতুন বছৰৰ দুৱাৰদলিত ভৰি দি গোটেই বছৰটোলৈ আশাৰ চকুৰে চাব পাৰে, তেওঁতকৈ সুখী আৰু ভাগ্যবান মানুহ আন কোনো নাই। যি আশাৰ সুদৃঢ় ভিত্তি হ'ল গভীৰ আত্মবিশ্বাস আৰু বিপুল কৰ্মোদ্যম, সেই আশাই জীৱনৰ আটাইতকৈ মূল্যবান সম্পদ।

আজি নতুন বছৰৰ ৰাতি পুৱাতে এনে এক সুন্দৰ আশাই মোৰ মন ভৰাই তুলিছে। পাৰ হৈ যোৱা বছৰটো আছিল বিভিষীকাপূৰ্ণ। কিন্তু সেই বছৰটোৰ বুকুত কেৱল বিভীষিকাই নাছিল, তাৰ লগে লগে তাত আছিল নতুন সুন্দৰ দিনৰ প্ৰতিশ্ৰুতি। সেই দীঘলীয়া আন্ধাৰ ৰাতিৰ অমঙ্গলীয়া নিয়তি চৰায়ে মানুহৰ ঘৰৰ চালত পৰি "নিৰ্ওনিও"কৈ মাতি যেনেকৈ মানুহৰ বুকু কঁপাইছিল, ঠিক তেনেকৈয়ে উজ্জ্বল সুন্দৰ প্ৰভাতৰ বাৰ্তা বহু কুলি কেতেকী আদি গান গোৱা চৰায়েও জাগৰণী সংগীতৰ আখৰা কৰিছিল। একমাত্ৰ সংকটৰ মুহূৰ্তেতেই মানুহৰ চৰিত্ৰ শক্তিৰ পৰীক্ষা হয়। সেই কথা যদি সঁচা হয়, তেন্তে এই কথা স্বীকাৰ কৰিব লাগিব যে—বিভীষিকাপূৰ্ণ বিগত বছৰটোৱে সৃষ্টি কৰা অভূতপূৰ্ব সংকটৰ মুখামুখি হৈ অসমৰ আদৰ্শবাদী আৰু উৎসৰ্গীকৃত প্ৰাণ তৰুণ শক্তিয়ে যি চৰিত্ৰ শক্তিৰ পৰিচয় দিয়ে, তাৰ তুলনা নাই। গানৰ দেউকাত নতুন উজ্জ্বল প্ৰভাত কঢ়িয়াই অনা এই বৈতালিক কবি কুলেই মোৰ সীমাহীন আশাৰ প্ৰধান ভিত্তি। হেনৰিক্ ইবছেনে এখন নাটকত এটা চৰিত্ৰৰ মুখেদি কোৱাইছিল: "·· that man is right who has allied himself most closely with the future."—মই ভাবো যে মযো শুদ্ধ পথেৰেই আগবাঢ়িছো। মই ভৱিষ্যতৰ লগত মৈত্ৰীৰ চুক্তি কৰিছো। আহিব ধৰা সেই উজ্জ্বল সুন্দৰ ভৱিষ্যতৰ লগত মোৰ প্ৰধান যোগসূত্ৰ হ'ল অসম্ভৱ। এই নতুন কবিকুল মানুহৰ প্ৰেমত এই সুন্দৰ সুকুমাৰ কিশোৰ আৰু তৰুণ সকল—সনন্ত, সমীৰ, খনীন, ছামচুল ইছলাম, মনোজ, প্ৰতাপজ্যোতি, বিপুল-জ্যোতি, উত্তমকুমাৰ, ৰাজীৱকুমাৰ, গীতাৰ্থ, কিশোৰ, ৰবিনচন্দ্ৰ, ৰফিকুল হোছেইন, পুলিন, ব্ৰীজলাল, হৰিৰজন, সমীন্দ্ৰ আৰু অনেক।

আবহমান কাল ধৰি মানুহে জানি আহিছে কবিতা আৰু গানৰ অমিতশক্তি।

মানুহৰ যেনেকৈ মৃত্যু নাই কবিতাৰো তেনেকৈ মৃত্যু নাই। যদিহে অৱশ্যে সেই কবিতা তৈয়াৰ কৰা হয় মানুহৰ আত্মাৰ অগ্নিবর্ণ গহন পাত্ৰত।

আঢৈ হাজাৰ বছৰৰ আগৰ কথা। এথেন্স আৰু স্পার্টাৰ মাজত প্ৰায়েই হৈ থকা যুদ্ধবোৰৰ ভিতৰত কোনো এখনযুদ্ধত চৌধশজন স্পার্টান সৈন্য, এথেন্সৰ হাতত বন্দী হ'ল। সেইদিনৰ প্ৰচলিত ৰীতি অনুযায়ী আটাইবোৰ বন্দী সৈন্যৰ প্ৰাণদণ্ডৰ আদেশ হ'ল। বন্দী সৈন্যসকলক যেতিয়া শাৰী পতাই বধ্যভূমিলৈ লৈ যোৱা হ'ল, চৈধ্যশ বন্দী সৈন্যই সমস্বৰে আবৃত্তি কৰিবলৈ আৰম্ভ কৰিলে ইস্কাইলাছৰ কবিতা। অর্থাৎ সমাসন্ন মৃত্যুৰ ভয়ত কোনো এজন সৈন্যই কাতৰ নহ'ল, বৰং ইস্কাইলাছৰ বজ্ৰ-গর্ভ কবিতা আবৃত্তি কৰি কৰি তেওঁলোকে হাঁহি-মুখে মৃত্যুৰ মুখ গহ্বৰলৈ আগবাঢ়িল। কিন্তু প্ৰাচীন জগতৰ সুসভ্যতম জাতি গ্ৰীকসকলৰ কবিতাৰ প্ৰতি এনেকুৱাই গভীৰ শ্ৰদ্ধা আছিল যে লগে লগে সেই বন্দী সৈন্যসকলক মুক্ত কৰি দিয়া হ'ল। মাজে মাজে মই দিবা-স্বপ্ন দেখি সুখ পাওঁ যে মোৰ যেন ফাঁচীৰ হুকুম হৈছে, আৰু মই ফাঁচীৰ মঞ্চলৈ আগবাঢ়িছো সনস্ত তাঁতিৰ এই অনুপম সুন্দৰ কবিতা আবৃত্তি কৰি কৰি…

"চৌদিশে মই জয় আৰু জয়
এই জয়ৰ বাবে আন্ধাৰতে উদ্ভাসিত পোহৰ
পোহৰত হিৰন্ময় হৈ নাচো মই, নাচি নাচি নদী
হৈ উজানৰ পৰা ক্ৰমশঃ মই গৈ থাকো—গৈ
থাকো আৰু গৈ থাকো
মইতো অমোঘ সময়—দুঃস্থজনৰ কাংক্ষিত সৌৰভ
—মই কামনা বাসনা
মোৰ ৰক্তৰ পৰা সৃষ্টি হয় মানুহৰ অমল উৎসৱ
চৌদিশে মই জয় আৰু জয়

*    *    *    *

তোমালোকে দেখিছানে মোক
কি সুন্দৰ পথত মই গৈ আছো—আৰু
মই গৈ থকা পথৰ
দুয়োকাষে পোহৰ—কি উজ্জ্বল পোহৰ
তোমালোকে দেখিছানে
মোৰ হাতত কি আমোঘ শক্তি!

ফাঁচী-কাঠত ওলমি মোৰ চকুৰ পৰা পৃথিৱীৰ পোহৰ শেষবাৰলৈ অন্তৰ্হিত হোৱাৰ আগতে বা বাক যন্ত্ৰ ভাগি অচল হৈ যোৱাৰ আগতে মই চিঞৰি আবৃত্তি কৰিম সনন্তৰ এই নৱ জীৱনদায়িনী কবিতা ঃ

সৃষ্টি আৰু ধ্বংসৰ মই যে মন্ত্ৰ-সম ধ্বজা
মই মানুহৰ কৰুণ অনুভূতি আৰু জ্যোৎস্নাময় স্থিতি
বিশাল বুকুৰ প্ৰসাৰিত চেতনাত মই মানুহৰ
আশা—মই জীৱন
চৌদিশে মই জয় আৰু জয়, জয় আৰু জয়
মই আমোঘ সময়
মই মানুহৰ অমল উৎসৱ।

সনন্তৰ কবিতা ওঁঠত লৈ ফাঁচী-কাঠত ওলমাৰ কথা ক'লো ; কিন্তু কি দুখত কিম্বা কি সুখত মই ফাঁচী-কাঠত ওলমিবলৈ যাম ? কি সেই অপ্ৰতিৰোধ্য প্ৰেম—যিহে মোক টানি নিব ফাঁচীৰ মঞ্চলৈ ? দীনেশ ডেকাই মোক শিকাই দিছে সেই প্ৰশ্নৰ উত্তৰ ঃ

তোমাৰ প্ৰেমৰ কি অপূৰ্ব শৃংগাৰ, সহজ হাঁহিৰে
প্ৰতিদানত যাচে মোক—সীমাহীন দুখৰ সাগৰ,
ফাঁচীকাঠত ওলমি
বন্দীশালৰ অন্ধকাৰকো আদৰি
অথবা ৰক্তাক্ত কৰি ৰাজপথ—অলিফুলে সস্নেহে
গ্ৰহণ কৰো তোমাৰে নিবিড় আলিংগন।
তুমিয়েতো দান কৰা মোক—সীমাহীন
নীলিমাৰ হাঁহি,
গৰ্বোন্নত শৃংগৰ অটল দৃষ্টি।
তুমিয়েতো প্ৰজ্বলিত কৰা মোৰ বুকুত
এই মাটি এই মানুহৰ প্ৰতি অনিৰ্বাণ ভাল পোৱা
হে জীৱন, মই যে তোমাৰেই আশ্চৰ্য প্ৰেমৰ
প্ৰেমমুগ্ধ সন্তান······

মানুহৰ প্ৰতি এই অনিৰ্বাণ ভালপোৱাই হ'ল—নৱ প্ৰভাতৰ বৈতালিক এই কবিকুলৰ প্ৰেৰণাৰ একমাত্ৰ উৎস। কিন্তু তেওঁলোকে জানে যে—যি মানুহক তেওঁলোকে এনেকৈ প্ৰাণ ভৰি ভাল পায়, যি মানুহৰ উত্তৰোত্তৰ

বিকাশৰ পথ উন্মুক্ত কৰাটোৱেই হ'ল প্ৰত্যেক মানুহৰ জীৱনৰ পৱিত্ৰতম কৰ্তব্য, সেই মানুহ কিন্তু আজিও পূতিগন্ধ পাতালত নিৰ্বাসিত। আমাৰ দেশৰ সেই অগণন শোষিত বঞ্চিত মানুহৰ কাৰণে জীৱন আজিও এটা অন্তহীন অভিশাপ মাত্ৰ। এই অভিশাপৰ অন্ত পেলাই অন্ধকাৰ পাতালত চিৰ-নিৰ্বাসিত আমাৰ প্ৰিয়তম মানুহবোৰক ৰৌদ্ৰ নীলিমা-দীপ্ত মুক্ত আকাশৰ তললৈ উলিয়াই অনাটোৱেই হ'ল আমাৰ যুগৰ সকলো মানুহৰ কাৰণে একমাত্ৰ কৰ্তব্য। সেই কৰ্তব্যৰ আহ্বান যিসকলে কাণ পাতি শুনিছে আৰু তাৰ প্ৰতি সহাঁৰি দিছে, তেওঁলোকেই হ'ল মানুহৰ মুক্তি-যুদ্ধৰ প্ৰকৃত সেনানী।

এই মুক্তি-যুদ্ধত কবিৰ ভূমিকা কি? পাবলো নেৰুডাই কৈছিল :—It has been the privilege of our time—with its wars revolutions and tremendous social upheavals,—to cultivate more ground for poetry than anyone had evour imagined.

১৯৪০ চনত অসমীয়া কবিতাত নতুন যুগৰ সূচনা কৰা তৰুণ আৰু কিশোৰ কবিসকলে পাবলো নেৰুডাৰ এই উক্তিৰ সত্যতা প্ৰমাণ কৰিছে। বস্তুতঃ মোৰ ধাৰণা হয় যে—এই অসমীয়া কবি-গোষ্ঠীৰ কবিতাত মানুহৰ মুক্তি সংগ্ৰামত আত্মোৎসৰ্গ কৰাৰ যি অংগীকাৰ ধ্বনিত হৈছে, সমসাময়িক আন কোনো ভাৰতীয় ভাষাৰ কবিতাতেই সিমানখিনি হোৱা নাই। ৰবীন্দ্ৰনাথে কৈছিল :

পূৰ্ব দিগন্তৰ বাণী আশাৰ বাণী, আলোকৰ বাণী, ভাৰতৰ পূৰ্ব-প্ৰান্ত অসমৰ পৰাই যে আমাৰ এই বিশাল দেশৰ চৰম মুক্তি সংগ্ৰামৰ তূৰ্য-নাদ ঘোষিত নহ'ব সেই কথা কোনে ক'ব পাৰে?

উজ্জ্বল গৰিমাময় সূৰ্যোদয়ৰ প্ৰতীক্ষাত ৰত এই দুঃখ-ব্ৰতী কবিসকলৰ বাণী কাণ পাতি শুনক, সমস্ত ক্লীৱত্ব আৰু অৱসাদ দূৰীভূত হৈ আপোনাৰ মনো আশা-উদ্দীপনাৰে ভৰি পৰিব। সমস্ত বিপদ-বিঘিনি, দুখ-যন্ত্ৰণা আঘাত আওকাণ কৰি কেনেকৈ ৰণাংগণত নিজৰ স্থানত অবিচল হৈ থাকিব লাগে সেই কথা সমীৰ তাঁতীয়ে কি অগ্নি-গৰ্ভ ভাষাৰে আমাক সকীয়াই কৈছে—শুনক-চোন :

> আঘাত আহক। কোবাল ধুমুহাৰ দৰে হোহোৱাই আঘাত আহক।
> অকস্মাৎ দুখৰ দৰে আঘাত আহক দুৰ্বল দেহৰ দৰে সব কিছু ভাগি

পৰক। চকুৰ পচাৰতে ভাগি পৰক। ভাগি পৰক প্ৰতিনিয়ত দেখি
থকা আদৰ্শহীন
গছ-বিৰিখবোৰ। অতীতক খামুচি ধৰি থকা অহংকাৰী
মন্দিৰ চূড়াবোৰ।
মোহাবিষ্ট অপৰাহ্নৰ উন্মাদ শ্লোগানবোৰ। তথাপিতো
তোমালোক থিয় হৈ থাকা।

কেতিয়াও পিছ নোহোঁহকিবা নিজৰ নিজৰ ঠাইত থিয় হৈ থাকা। প্ৰতি মুহূৰ্ততে মনত ৰাখিবা যে তুমি কেতিয়াও অকলশৰীয়া নহয়, কাৰণ এতিয়া ৰতাহ বলিলেই শুনা যায় ৰতাহৰ শব্দ ঃ

বিস্তাৰিত হয় সংগ্ৰামৰ পথাৰত
মেহনতী শ্ৰমিক, কৃষক আৰু
নিপীড়িত মানুহৰ বিপ্লৱী ঐক্য।

( প্ৰতাপজ্যোতি সন্দিকৈ )

হ'ব পাৰে, এতিয়া বৰ দুঃসময় চলিছে, চাৰিওফালে শৱ-ভুক শিয়াল শগুণৰ ৰাজত্ব ঃ

মাজ নিশা ফুলা ফুলৰ সুবাস, নীৰৱতাৰ প্ৰেম,
জীৱনৰ আমন্ত্ৰণ,
পোহৰৰ আমন্ত্ৰণ, দলিত জনৰ কণ্ঠ
এই সকলোবোৰেই এতিয়া আক্ৰান্ত। দেশৰ মাটিত
তেজৰ চেকুৰা, মানুহৰ গান লুণ্ঠিত, অমানুহৰ
গান মুখৰিত।

( খনীন দাস )

কিন্তু এই বিভীষিকাময় ৰাতিৰ অৱসান হ'বলৈ আৰু নো কিমান পৰ? শুনকচোন এই বণুৱা কবিসকলৰ কণ্ঠে কণ্ঠে কি বিপুল আশাৰ দুৰ্মদ সংগীত বাজিব ধৰিছে ঃ

ফেহুজালী দিলেই দেখিবা—অনিবাৰ্য ৰাতিপুৱাৰ
ৰক্তিম সূৰ্য। ( খনীন দাস )

মই সত্যসন্ধ অপৰাজেয় পণ। মই প্ৰতিবাদৰ কঠিন কাব্য।

* * *

আজি নিশাৰ অন্তিম পোহৰত ফেহুজালী দিলেই

সকলোৱে কাণ পাতি শুনিবা ঃ মুক্তিমান শব্দৰ
কণ্ঠেৰে দশোদিশ কঁপাই
কালান্তৰৰ জমদগ্নি সংগীত বাজিব।
(মনোজ বৰপুজাৰী)

আশীৰ উপকণ্ঠত বৈ মই কোন কবি
জুই-পানী-মাটিৰ নিৰ্বন্ধতাত জীয়াই ৰাখিছো সত্তা—
জীয়াই ৰাখিছো মোৰ আজুৰি নিব খোজা
কণ্ঠৰ শংখ নিনাদ… (চামচুল ইচলাম
শুনাহে শুনা—বাজে আজি দুন্দুভি…বাজে
চৌদিশে বিকুল
ক'ত পলাবা? ক'ত আছে তোমাৰ বাবে
সুৰক্ষিত গৰ্বিত আসন?
হে ক্ষমাহীন অনিবাৰ্য সময়। কাংক্ষিত শান্তিময়
দিনৰ প্ৰোজ্জ্বল প্ৰেৰণাৰে গৰ্জি উঠা।
অনাবিল পোহৰৰ কণ্ঠ উন্মুক্ত হওক। উন্মোচিত
হওক সুগভীৰ প্ৰত্যয়।
(বিপুলজ্যোতি শইকীয়া)

চকুত মানুহৰ মুক্তিৰ স্বপ্ন আৰু বুকুত চৰম আত্মোৎসৰ্গৰ সংকল্প লৈ এই পদাতিক কবি বাহিনী অগ্ৰসৰ হৈছে ৰণ-ক্ষেত্ৰলৈ, গীতাৰ্থ পাঠকৰ ভাষাতে যি সকলৰ হাতত অস্ত্ৰ হ'ল "তথাপিও অনিৰুদ্ধ মোৰ যোদ্ধা শব্দ।" কি নিৰ্ভুল ভাষাৰে উত্তম কুমাৰ বৰুৱাই বৰ্ণনা কৰিছে এই ৰণুৱাসকলক।

স্তব্ধ প্ৰহৰত অমৃত ঢালা
কাৰণ তুমিয়েতো নীলকণ্ঠ
মাথো তুমি তুমিয়েই আজি
এন্ধাৰত দুৰ্জেয় প্ৰতিদ্বন্দ্বী…

মুক্তিকামী মানুহৰ চিৰশত্ৰু কুচক্ৰী শোষক আৰু তেওঁলোকৰ ভেৰণীয়া গুণ্ডা-বাহিনীয়ে "এন্ধাৰৰ দুৰ্জেয় প্ৰতিদ্বন্দ্বী"—এই সূৰ্য সেনানীসকলক জনতাৰ চকুত হেয় প্ৰতিপন্ন কৰিবলৈ বা তেওঁলোকৰ বিৰুদ্ধে জনতাৰ মনত নানা সন্দেহ আৰু অবিশ্বাস সৃষ্টি কৰিবলৈ বিৰামবিহীন চেষ্টা কৰি থাকিব পাৰে, কিন্তু জনতাই অচিৰে এই কথা বুজি উঠিবই যে—

আইৰ সমান নৈৰ সমান বাহুমান এই স্বদেশৰ
সগৰ্ভা মাটিৰ বুকুতেই আমি যে সোমাই আছো
বিশাল প্ৰতিশ্ৰুতি মহীৰূহ হৈ। অকৃত্ৰিম
এই ভাল পোৱাৰে আমিয়ে তিলে তিলে নিৰ্ভেজাল
কুচক্ৰান্তৰ প্ৰতিটো বীজ.. নিঃশেষ কৰিছো (ৰফিকুল হুচেইন)

কিন্তু আৰু কোনো ভয় নাই। লুইতৰ বলিয়া বানৰ মুখত খেৰ-কুটা উটি যোৱাৰ দৰে মানুহৰ শত্ৰুবোৰে সৃষ্টি কৰা সমস্ত বাধা-বিঘিনি আৰু ষড়যন্ত্ৰ দুৰ্জেয় মুক্তি বাহিনীৰ প্ৰবল আক্ৰমণৰ আঘাতত বালিৰ ভেটাৰ দৰে ভাগি নিশ্চিহ্ন হৈ যাব। ব্ৰজলাল হৰিজনৰ আত্ম প্ৰত্যয়-দীপ্ত এই দৃপ্ত ঘোষণাৰ পিছত সেই বিষয়ে আমাৰ মনত বিন্দুমাত্ৰ সন্দেহ নাইঃ

সিহঁতে নোৱাৰে কেতিয়াও নোৱাৰে
উত্তৰৰ পৰা বৈ অহা
নৱ-মুক্তিৰ ঢৌক ৰোধিব।
ই আহিছে, আহি থাকিবই—
শিলৰ প্ৰকাণ্ড বান্ধ
এদিন খহাই নিবই।

* * * *

বিংশ শতাব্দী শেষ হ'বলৈ আৰু মাত্ৰ দুটা দশক বাকী। তাৰে নৱমটো দশক আজি আৰম্ভ হ'ল। পাৰ হৈ যোৱা বেইবাটাও দশক দেশৰ কোটি কোটি মানুহৰ কাৰণে বঞ্চনা আৰু আশা-ভংগ আৰু বিশ্বাসঘাতকতাৰ দশক। কিন্তু জগতে এই বিষয়েও বিন্দুমাত্ৰ সন্দেহ নাই যে— মানৱ সভ্যতাৰ সমগ্ৰ ইতিহাসত বিংশ শতাব্দী এটা অত্যুজ্জ্বল গৌৰৱ-মণ্ডিত শতাব্দী। এই শতাব্দীতে আমি যেনেকৈ দুখনকৈ সৰ্বনাশী বিশ্বযুদ্ধ দেখিছো, ঠিক তেনেকৈয়ে দেখিছো ইতিহাসৰ গতি সলনি কৰি দিয়া যুগান্তকাৰী সমাজ বিপ্লৱ আৰু বিজ্ঞান বিপ্লৱ। এই শতাব্দীতে পৃথিৱীৰ বহুদেশৰ কোটি কোটি মানুহৰ জীৱনত নৱ-জীৱনৰ সূৰ্যোদয় হ'ল। কেৱল কি ভাৰতবৰ্ষৰ মানুহ অমানিশাৰ শীতাৰ্ত অন্ধকাৰত নিমজ্জিত হৈ ৰ'ব? আজি নতুন বছৰৰ একমাত্ৰ পবিত্ৰ সংকল্প এয়েই হোৱা উচিত যে—এই শতাব্দী শেষ হোৱাৰ আগতেই ভাৰতবৰ্ষতো মানুহৰ মুক্তি সংগ্ৰামৰ সফল পৰিসমাপ্তি ঘটিব লাগিব। একবিংশ শতাব্দী আৰম্ভ হোৱাৰ আগতেই ভাৰতৰ মানুহেও নৱ-মুক্তিৰ ৰৌদ্ৰালোকিত

নতুন যুগত প্ৰবেশ কৰিব লাগিব। আগন্তুক দুটা দশক অবিৰাম সংগ্ৰামৰ দশক।


অতি তুচ্ছ কথা যদিও সামৰণিত এই কথা ক'বই লাগিব যে পাৰ হৈ যোৱা বছৰটোত মানুহৰ সভ্যতা-সংস্কৃতিৰ চিৰন্তন শত্ৰুবোৰে অসমক সুমহৎ মানবিক প্ৰমূল্যসমূহৰ বধ্যভূমিত পৰিণত কৰিবলৈ আপ্ৰাণ চেষ্টা কৰিছিল। মানৱতাৰ অতন্দ্ৰ প্ৰহৰীসকলৰ প্ৰবল প্ৰতিৰোধৰ ফলত সেই চেষ্টা অতি কৰুণভাৱে ব্যৰ্থ হ'ল। কিন্তু সেই বুলি এতিয়াই আত্মসন্তুষ্টিৰ কোনো অৱকাশ নাই আৰু ভৱিষ্যতেও কোনোকালে নহ'ব। বেৰ্টল্ট ব্ৰেখ্‌টে আমাক বাৰে বাৰে সকীয়াই কৈ গৈছে ঃ

If we could learn to look instead of gawking,
We'd see the horror in the heart of force,
If only we could act instead of talking,
We wouldn't always end up on our arse.
This was the thing that nearly has us mastered ;
Don't yet rejoice in his defeat, yon men !
Although the world stood up and stopped
the bastard,
The bitch that bore him is in heat again.

১ জানুৱাৰী, ১৯৮১

চতুৰ্থ খণ্ড

# 'নীলাচল'ৰ নিৰ্বাচিত প্ৰবন্ধাৱলী



# আমাৰ কথা

অসমৰ সমূহ ৰাইজলৈ আমি এখন নতুন সংবাদ পত্ৰিকা আগ বঢ়াইছোঁ। ভাৰতৰ অন্যান্য ভাষাৰ তুলনাত অসমীয়া ভাষাত বাতৰি কাকত আৰু আলোচনী আদিৰ সংখ্যা ইমান কম যে আন একো কাৰণে নহ'লেও কেৱল এই কাৰণেই এখন নতুন অসমীয়া কাকতৰ জন্ম-বাৰ্তাক সকলোৱে ওলগ জনাব বুলি আমি আশা কৰিছোঁ। গণতান্ত্ৰিক জীৱন-পদ্ধতি সাৰ্থক কৰি তুলিবলৈ হ'লে যথেষ্ট সংখ্যক বাতৰি কাকতৰ একান্ত প্ৰয়োজন; কাৰণ একমাত্ৰ বাতৰি কাকতৰ যোগেদিহে ৰাষ্ট্ৰৰ জনসাধাৰণে সকলো বিষয়ৰ ওপৰতে অন্তহীন গণতান্ত্ৰিক বিতৰ্ক আৰু আলোচনাত অংশ গ্ৰহণ কৰিব পাৰে, আৰু চৰকাৰৰ লগতো সততে সম্পৰ্ক ৰক্ষা কৰি চলিব পাৰে। অসমৰ বৰ্তমান জনসংখ্যালৈ চাই অসমীয়া ভাষাত বাতৰি কাকত আৰু আলোচনীৰ সংখ্যা ইমান কম যে ৰাইজৰ মংগলকামী কোনো মানুহেই এই বিষয়ে চিন্তিত নোহোৱাকৈ থাকিব নোৱাৰে, কাৰণ বাতৰি কাকতৰ প্ৰতি আগ্ৰহৰ অভাৱ একপ্ৰকাৰে চাবলৈ গ'লে সামাজিক চেতনাৰে অভাৱ আৰু এই সামাজিক চেতনাৰ অবিহনে কোনো মানুহেই নিজৰ গণতান্ত্ৰিক অধিকাৰ সাব্যস্ত কৰিব নোৱাৰে। অসমৰ প্ৰতিজন নাগৰিকেই এইকথা উপলব্ধি কৰিবলৈ চেষ্টা কৰা উচিত যে সকলো ক্ষেত্ৰতে এই ৰাজ্যৰ শোচনীয় অনগ্ৰসৰতাৰ অন্যতম ঘাই কাৰণ হ'ল যথেষ্ট সংখ্যক শক্তিশালী বাতৰি কাকতৰ অভাৱ; কাৰণ গণতান্ত্ৰিক সমাজব্যৱস্থাত জনসাধাৰণৰ নিজৰ প্ৰাপ্য সা-সুবিধা আদায় কৰাৰ একমাত্ৰ অস্ত্ৰ হ'ল সু-সংগঠিত ৰাজহুৱা মত, আৰু এই ৰাজহুৱা মত সংগঠিত কৰি তুলিব পাৰে কেৱলমাত্ৰ স্বাধীন মতাৱলম্বী শক্তিশালী বাতৰি কাকতেহে।

গতিকে, অৱস্থা সকলো প্ৰকাৰে প্ৰতিকূল বুলি জানিও আমি এখন নতুন সংবাদ-পত্ৰিকা উলিয়াবলৈ সাহ কৰিলোঁ কেৱল এই বিশ্বাসত যে অসমৰ ৰাইজৰ স্বাৰ্থ-ৰক্ষাৰ কাৰণে এনে এখন কাকতৰ একান্ত প্ৰয়োজন আছে। আমি শক্তি আহৰণ কৰিছোঁ কেৱল অন্তৰৰ এই বিশ্বাসৰ পৰা যে—আমি যদি ত্যাগ আৰু সেৱাৰ মনোভাৱেৰে নিজৰ কৰ্তব্যত ব্ৰতী হওঁ, আৰু কোনো অৱস্থাতেই নিজৰ বিবেক আৰু স্বাধীনতাক বিসৰ্জন নিদিয়াকৈ ৰাইজৰ ন্যায্য দাবীক আমাৰ কাকতত প্ৰকাশ কৰিবলৈ সমৰ্থ হওঁ, তেন্তে আমি অৱশ্যেই অসমৰ সমূহ ৰাইজৰ

অকুণ্ঠ সহযোগিতা আৰু শুভ-ইচ্ছা লাভ কৰিবলৈ সমৰ্থ হম। বাইজৰ সেৱা কৰিবলৈ আমাক বলশক্তিও দিব লাগিব বাইজেই।

অসমৰ অন্যান্য বাতৰি কাকত আৰু আলোচনী সমূহৰ প্ৰতিও আমাৰ এষাৰ ক'বলগীয়া আছে। সেইটো হৈছে এই যে জন-সেৱাৰ সকলো ক্ষেত্ৰতে আমি তেওঁলোকৰ লগত ঘনিষ্ঠতম সহযোগিতা ৰক্ষা কৰি চলিলেও এটা বিষয়ত কিন্তু আমি তেওঁলোকৰ লগত অতি কঠোৰ-ভাৱে প্ৰতিযোগিতা কৰিম। সেই প্ৰতিযোগিতা অৱশ্যে গ্ৰাহকসংখ্যা বৃদ্ধিৰ অথবা ব্যৱসায়িক সাফল্যৰ প্ৰতিযোগিতা নিশ্চয় নহয়, সি হ'ব দেশৰ কাৰণে কোনে কিমান ত্যাগ কৰিব পাৰে তাৰ প্ৰতিযোগিতা; সামাজিক অন্যায়ৰ বিৰুদ্ধে চলা বিৰাম-হীন যুদ্ধত দুখ-স্বীকাৰৰ প্ৰতিযোগিতা। এই প্ৰতিযোগিতাত অংশ লবলৈ আমি সকলো সহযোগী বাতৰি কাকত আৰু আলোচনীকে আহ্বান জনাইছোঁ। আমাৰ দেশ আৰু জাতি আজি এনে এটা জীৱন-মৰণ সমস্যাৰ সন্মুখত আহি উপনীত হৈছে যে ইয়াৰ অস্তিত্ব ৰক্ষা নিৰ্ভৰ কৰিছে সকলো দেশপ্ৰেমিক ব্যক্তি আৰু অনুষ্ঠানৰ ত্যাগ স্বীকাৰ আৰু দুখ-বৰণৰ প্ৰতিযোগিতাৰ ওপৰতহে। ই কেৱল এটা অলংকাৰপূৰ্ণ অতিশয়োক্তি মাত্ৰ নহয়; প্ৰকৃততেই ই এটা নিৰ্মম বাস্তৱ সত্য।

আৰু—কোৱা বাহুল্য মাথোন—যে আমাৰ কাকত হ'ব বিৰোধী দলৰ মুখপত্ৰ। অৱশ্যে এই বিৰোধী দল বিধান সভাৰ বিৰোধী দল নহয়, শাসক দলৰ বিৰোধী দল নহয়, কোনো ৰাজনৈতিক বিৰোধী দল নহয়। আমাৰ কাকত হ'ব সেই সকল লোকৰ মুখপত্ৰ—যি সকলে বিৰোধিতা কৰে সৰ্ব-প্ৰকাৰ অসত্য আৰু অন্যায়ৰ, নৈতিক ভীৰুতাৰ আৰু ভণ্ডামিৰ স্বাৰ্থপৰতাৰ আৰু সমাজদ্ৰোহিতাৰ। সৰ্বোপৰি, আমাৰ কাকত হ'ব সেই সকল লোকৰ মুখপত্ৰ, যি সকলে বিৰোধিতা কৰে মানৱ-স্বাধীনতাৰ বিৰুদ্ধে হোৱা সকলো ষড়যন্ত্ৰৰ। কোনেও যেন এই আশা নকৰে যে গুৰুত্বপূৰ্ণ ঐতিহাসিক প্ৰশ্নবোৰৰ ক্ষেত্ৰত আমি নিৰপেক্ষ হৈ থাকিম, কিম্বা বৃহৎ ৰাজনৈতিক আৰু সামাজিক সমস্যা সমূহ সম্পৰ্কে হোৱা বিতৰ্কত আমি ভূমিকা ল'ম কেৱল মুকলি মনৰ নিৰপেক্ষ শ্ৰোতাৰ। এই বিষয়ত দাৰ্শনিক বাৰ্কেলৰ লগত আমি সম্পূৰ্ণ একমত:

I have rejected the view that only indifferent men are impertial men. The conception of individual intelligence, which confuses empty minds with open minds, is degenerate and must be repudiated.—অপ্ৰিয় সত্য হ'লেও আমি এই কথা ক'বলৈ

বাধ্য হৈছোঁ যে বর্তমান আমাৰ সমাজত এনে উদাসীন মানুহৰ সংখ্যাই বেছি, আৰু সমাজৰ বোজাস্বৰূপ এই উদাসীন মানুহবিলাকৰ বিষয়ে ভৱিষ্যতে আমি বহুতো অপ্রিয় কথা ক'ম।

কাকত হিচাপে আমাৰ লক্ষ্য ইমান সামান্য, আদৰ্শ ইমান সাধাৰণ, যে সেই বিষয়ে সাড়ম্বৰ ঘোষণাৰ প্ৰয়োজন নাই বুলিয়েই আমি ভাবোঁ; আমি মনে-প্ৰাণে গণতান্ত্ৰিক আদৰ্শ আৰু সমাজব্যৱস্থাত বিশ্বাস কৰোঁ, কিন্তু লগতে এই কথাও বিশ্বাস কৰোঁ যে অন্তহীন সতৰ্কতাৰ অবিহনে গণতন্ত্ৰ পদে পদে পথভ্ৰষ্ট হোৱাৰ সম্ভাৱনা থাকে। গণতান্ত্ৰিক ৰাষ্ট্ৰত বাতৰি কাকতৰ আটাইতকৈ ডাঙৰ দায়িত্ব হ'ল চিৰ জাগ্ৰত প্ৰহৰী কুকুৰৰ দৰে সকলো বিপদৰ আক্ৰমণৰ পৰা গণতন্ত্ৰক ৰক্ষা কৰাটো। আমি সেই দায়িত্ব নিষ্ঠাৰে সৈতে পালন কৰিবলৈ প্ৰতিজ্ঞাবদ্ধ। দ্বিতীয়তে আমি বিশ্বাস কৰোঁ যে গণতন্ত্ৰ হ'ল এখন মুক্ত সমাজৰ মুক্ত চিন্তা, আলোচনা আৰু বিতৰ্কৰ নামান্তৰ মাত্ৰ, যি সমাজতে প্ৰতিটো সামাজিক প্ৰশ্ন বা সমস্যাৰ ওপৰত মুকলি চিন্তা, আলোচনা আৰু তৰ্ক-বিতৰ্কৰ মাত্ৰা বেছি, সেই সমাজতেই গণতন্ত্ৰ অধিক সক্ৰিয়, সুদৃঢ় আৰু ফলপ্ৰসু। এই কথা অস্বীকাৰ কৰিবলৈ কাৰো উপায় নাই যে আমাৰ দেশত, বিশেষকৈ অসমত চিন্তা কৰা বা আলোচনা কৰাৰ প্ৰবণতা প্ৰায় অনুপস্থিত: সেয়েহে ইয়াত গণতন্ত্ৰৰ আদৰ্শই পদে পদে উজুটি খায় unthinking compact majority-ৰ জড়ত্বাৰ পাথৰত, আৰু ফলত সি হৈ পৰে পঙ্গু। আৰ্থাৰ কোয়েছলাৰে এবাৰ মন্তব্য কৰিছিল যে ৰাজনৈতিক নেতাসকলে জনসাধাৰণক সদায় কাম কৰিবলৈ আৰু কঠিন পৰিশ্ৰম কৰিবলৈ বাৰম্বাৰ আহ্বান জনায় কিন্তু নিজৰ স্বাৰ্থ বিপন্ন হোৱাৰ ভয়ত ভুলতো এবাৰ তেওঁলোকক আহ্বান নকৰে চিন্তা কৰিবৰ কাৰণে। কাৰণ তেওঁলোকে জানে যে জনসাধাৰণে চিন্তা কৰিবলৈ আৰম্ভ কৰিলেই তেওঁলোকৰ স্বৈৰাচাৰৰ অন্ত পৰে। আমি অনুভৱ কৰিছোঁ যে আমাৰ দেশত গণতন্ত্ৰক সুদৃঢ় আৰু শক্তিশালী কৰিবলৈ মুক্ত চিন্তা আৰু বিতৰ্কৰ এটা বাতাৱৰণ সৃষ্টি হোৱা দৰকাৰ, আৰু সেই উদ্দেশ্যেৰে আমি আমাৰ কাকতক অসমৰ তথা ভাৰতৰ চিন্তাশীল বুদ্ধিজীৱীসকলৰ কুৰুক্ষেত্ৰ ৰণাঙ্গণত পৰিণত কৰিবলৈকো কুণ্ঠাবোধ নকৰোঁ। মেথ্যু আৰ্ণল্ডে ভাবিছিল যে যি সময়ত মূল্যবোধসমূহ সন্দেহ-ভাজন হৈ পৰে, সেই সময়ত কাব্য ৰচনাতকৈও অধিক জৰুৰী প্ৰয়োজন হয় সমালোচনাৰ। কোৱা বাহুল্য মাথোন যে এই সমালোচনা কেৱল কিতাপৰ বা শিল্প-কলাৰ নহয়। সেই

সমালোচনাৰ বিষয়বস্তু হ'ল সমগ্র সমাজ। সমসাময়িক ভাৰতীয় জীৱনত এনে এটা অৱস্থাৰ উদ্ভৱ হৈছে বুলি আমি ভাবোঁ আৰু সেই কাৰণে আমাৰ উদ্দেশ্য হ'ব বিভিন্ন দৃষ্টি কোণৰ পৰা সমাজৰ বিষয়ে খৰচি মাৰি চিন্তা কৰা, আলোচনা কৰা, বিশ্লেষণ কৰা, আৰু সমালোচনা কৰা—যাতে চিন্তা-বিমুখ স্বাৰ্থপৰ নেতাৰ হাতৰপৰা প্ৰথাসিদ্ধ মিথ্যাচাৰৰ পৰা, অৰ্দ্ধ-সত্য, অসত্য আৰু ভুল সংস্কাৰৰ নাগপাশৰ পৰা আমি সমাজক মুক্ত কৰিব পাৰোঁ।

প্ৰথম বছৰ, প্ৰথম সংখ্যা—১৯৬৮

# ৰাজহুৱা ক্ষয়ৰোগ

স্কুল-কলেজত ভাষা-শিক্ষাৰ প্ৰতি দেখুওৱা ইচ্ছাকৃত অৱহেলাৰ পৰিণাম কিমান বিষময় হৈছে, সেই বিষয়ে সকলো লোকেই সমানে সচেতন নহয়। অজ্ঞতাই তাৰ একমাত্ৰ কাৰণ। উন্নত বীজ, উন্নত কৃষি-পদ্ধতি, ৰাসায়নিক সাৰ আদি বস্তুবোৰকেই যিসকল লোকে জীৱনৰ একমাত্ৰ সাৰকথা বুলি ভাবে আৰু ভাষা-সাহিত্য যি সকলৰ চকুত কেৱল বিলাসৰ সামগ্ৰী, এটা সৰু কথাৰ প্ৰতি তেওঁলোকৰ মনোযোগ আকৰ্ষণ কৰিব খোজো। পৰীক্ষাত উত্তীৰ্ণ হ'ব নোৱৰা লাখ লাখ ল'ৰা-ছোৱালী দৰিদ্ৰ পিতৃ-মাতৃৰ কাৰণে এটা বিৰাট সমস্যা। এইসকল পিতৃমাতৃয়ে যদি নিজৰ ল'ৰা-ছোৱালীৰ যি কোনো এটা বিষয়ৰ এখন পাঠ্য-পুথি কেতিয়াবা খুলি চায়, তেতিয়া তেওঁলোকে দেখিব যে পৰীক্ষাত উত্তীৰ্ণ হ'ব নোৱৰাৰ কাৰণে কেৱল ল'ৰা-ছোৱালীকে সম্পূৰ্ণৰূপে জগৰীয়া কৰিব নোৱাৰি। পাঠ্য-পুথিৰ ভাষা হোৱা উচিত সৰল, পোনপটীয়া আৰু সহজে বোধগম্য। জনালোকে এই কথাও জানে যে ভাষাৰ ওপৰত বিশেষ দখল নাথাকিলে কোনেও সৰল ভাষা লিখিব নোৱাৰে। সম্প্ৰতি অসমৰ স্কুল-সমূহত চলা পাঠ্য-পুথিবোৰৰ বেছিভাগৰেই ভাষা ইমান অনাৱশ্যকভাৱে জটিল আৰু প্ৰকাশ-ভংগী ইমান আড়ষ্ট যে তাৰ অৰ্থোদ্ধাৰ কৰা ল'ৰা-ছোৱালীৰ পক্ষে প্ৰায় অসম্ভৱ। ফলত এইবোৰ পাঠ্য-পুথিয়ে শিক্ষাদানত একো সহায় কৰা নাই, বৰং কেৱল কেতবোৰ মানুহৰূপী ভাটৌৰ সৃষ্টি কৰিছে। আমি ভাবো যে সম্প্ৰতি অসমৰ শিক্ষা-জগতৰ এটা প্ৰধান সমস্যা হৈছে উপযুক্ত আৰু সুলিখিত পাঠ্যপুথিৰ সমস্যা। আঞ্চলিক ভাষা শিক্ষাৰ মাধ্যম হোৱাৰ পিছত এই সমস্যাৰ গুৰুত্ব আগতকৈ হাজাৰ গুণে বাঢ়িছে। শুদ্ধ, সৰল আৰু মনোগ্ৰাহী ভাষাত পাঠ্য-পুথি লিখিব পৰা উপযুক্ত লোকৰ অভাৱেই এই সমস্যাৰ প্ৰধান কাৰণ। যেতিয়ালৈকে স্কুল কলেজত ভাষা-শিক্ষাৰ মান উন্নত কৰিবলৈ যথোচিত ব্যৱস্থা লোৱা নহ'ব, তেতিয়ালৈকে এই সমস্যা দূৰ হোৱাৰ কোনো আশা নাই।

অসমীয়া ভাষা-শিক্ষাৰ প্ৰতি অৱহেলাই তথাকথিত শিক্ষিত শ্ৰেণীৰ মাজতো কি ধৰণৰ কিম্ভূতকিমাকাৰ জীৱৰ সৃষ্টি কৰিছে, তাৰ এটা উদাহৰণ দিওঁ। কিছুদিনৰ আগতে এটা সৰ্বভাৰতীয় গৱেষণা প্ৰতিষ্ঠানে এটা বিশেষ বিষয়ৰ

ক্লাছিক্ শ্রেণী-ভুক্ত এশখন ইংৰাজী গ্ৰন্থ ভাৰতৰ বিভিন্ন আঞ্চলিক ভাষালৈ অনুবাদ কৰাবলৈ এখন আঁচনি হাতত ল'লে। অসমীয়া ভাষালৈ অনূদিত এনেকুৱা পাঁচখন গ্ৰন্থৰ চানেকি অনুবাদ পৰীক্ষা কৰি চাবলৈ মোক দিয়া হৈছিল। প্ৰত্যেকজন অসমীয়া অনুবাদকেই আছিল কলেজৰ অধ্যাপক। ভাষাৰ ওপৰত সকলোৰে সমান দখল নাথাকিব পাৰে, ফলত ভাষান্তৰ কৰোঁতে মূলৰ সৌন্দৰ্য অটুট ৰখাটো সকলোৰে পক্ষে সম্ভৱ নহ'ব পাৰে। কিন্তু মূলৰ সৌন্দৰ্য ৰক্ষা কৰা দূৰৰ কথা—উপৰোক্ত অনুবাদক কেইজনে যি ভাষাত কিতাপকেইখন অনুবাদ কৰিলে, তাক আৰু কোনোপধ্যেই অসমীয়া ভাষা বুলি ক'ব নোৱাৰি। বিশ্ববিদ্যালয়ৰ সৰ্বোচ্চ ডিগ্ৰীধাৰী আৰু কলেজৰ অধ্যাপক এই লোককেইজনে নিজৰ অনুবাদৰ নমুনাৰ দ্বাৰাই প্ৰমাণ কৰিলে যে তেওঁলোকে ইংৰাজী ভাষা যিমান নাজানে, তাতোকৈ বেছি নাজানে নিজৰ মাতৃ-ভাষা অসমীয়া। তাৰে এজনৰ অনুবাদৰ এটা মাত্ৰ নমুনা দিওঁ:

মূল গ্ৰন্থত এটা বাক্য আছিল :......The minutes of the meeting were suitably edited for public Consumption.

অসমৰ কোনো এখন কলেজৰ এজন ইতিহাসৰ অধ্যাপকে এই ইংৰাজী বাক্যৰ অসমীয়া অনুবাদ কৰিলে: "সভাৰ কাৰ্য-বিৱৰণী ৰাজহুৱা ক্ষয়যোগৰ কাৰণে উপযুক্তভাৱে সম্পাদনা কৰা হৈছিল!"

আজি অসমীয়া ভাষাক উচ্চ শিক্ষাৰ মাধ্যম কৰা হৈছে। প্ৰতিবছৰে হাজাৰ হাজাৰ গ্ৰন্থ বিদেশী ভাষাৰ পৰা অসমীয়ালৈ অনুবাদ কৰাৰ প্ৰয়োজন অনিবাৰ্য হৈ দেখা দিছে। কিন্তু কলেজৰ অধ্যাপকৰেই যদি ভাষা-জ্ঞানৰ নমুনা এই হয়, তেন্তে ঈশ্বৰে যেন অসমীয়া ভাষাক ৰক্ষা কৰে!

২৪ চেপ্তেম্বৰ, ১৯৭৫

# আমি হাঁহিবলৈ পাহৰিছোঁ

'জগতৰ বৰ্তমান পৰিস্থিতিত 'লেম্পুন্' অৰ্থাৎ ব্যক্তিগত বিদ্রূপাত্মক ৰচনা নিলিখাকৈ থকাটো একেবাৰে অসম্ভৱ হৈ উঠিছে।' কথাষাৰ কৈছিল ৰোমান কবি জুভেনালে, প্ৰায় দুহাজাৰ বছৰ আগতে। ৰোম সম্ৰাজ্যৰ কি বিশেষ পৰিস্থিতিলৈ লক্ষ্য কৰি জুভেনালে এই কথাষাৰ কৈছিল সেই কথা ইতিহাসৰ ছাত্ৰসকলেহে ভালকৈ জানিব ; কিন্তু সাহিত্যৰ ইতিহাস মেলি চালে দেখা যায় যে দেশে দেশে যুগে যুগে সদায় এনে একোটা পৰিস্থিতিৰ উদ্ভৱ হৈ আহিছে—যি পৰিস্থিতিত সমাজৰ পাপ, অনাচাৰ, দুৰ্নীতি আৰু ভণ্ডামিৰ বিৰুদ্ধে তীব্ৰ ব্যঙ্গ বাণ নিক্ষেপ কৰাৰ প্ৰয়োজন অপৰিহাৰ্য বুলি অনুভৱ কৰা হৈছে। প্ৰাচীন গ্ৰীচত আৰ্চিলোকাচৰ পৰা আৰম্ভ কৰি এৰিষ্টফানিচলৈকে, ৰোমত পেৰ্চিয়াচ্ লুচিয়াচৰ পৰা জুভেনাল্ আৰু লুচিয়ানলৈকে, নৱ-জাগৃতিৰ যুগত বেৰ্ণাৰ্ড ডি ফক্স'ৰ স্ৰষ্টাসকলৰপৰা আৰম্ভ কৰি উলৰিখ্ ভন্ হাটনলৈকে, তাৰ পিছৰ যুগবোৰত স্পেইনৰ চাৰ্ভেণ্টিচ্, ইংলণ্ডৰ চুইফ্ট, জাৰ্মানীৰ হাইনে, ফ্ৰান্সৰ ভল্টেয়াৰ আৰু মলিয়াৰ আদিৰ পৰা বৰ্তমান যুগৰ জৰ্জ বাৰ্ণাৰ্ড শ'লৈকে এনে কিছুমান লোকে তীব্ৰ ব্যঙ্গ বাণেৰে সমাজৰ অনাচাৰ আৰু ভণ্ডামিক আক্ৰমণ কৰাৰ পথ বাছি লৈছে—যি সকল লোকক বিশ্বসাহিত্যৰ অবিনাশী কীৰ্তি স্তম্ভ বুলি গণ্য কৰা হয়।

মানুহৰ বহুতো সংজ্ঞাৰ ভিতৰত এটা তাৎপৰ্যপূৰ্ণ সংজ্ঞা হ'ল এয়েই যে মানুহ এটা হাঁহিব পৰা প্ৰাণী (man is a laughing animal)। হায়েনায়ো হাঁহে বুলি বাহুতে কয়, কিন্তু মানৱীয় অৰ্থত হাঁহি বুলিলে যি বৈচিত্ৰ্যময় ধাৰণা আমাৰ মনলৈ আহে—হায়েনাৰ হাঁহি সেই ধৰণৰ হাঁহি নিশ্চয় নহয়। যি কোনো অসংগতিপূৰ্ণ পৰিস্থিতিয়েই আমাৰ মনত হাঁহিৰ উদ্ৰেক কৰে। অৱশ্যে আনন্দ অনুভৱ কৰিলেও আমি স্বতঃস্ফূৰ্তভাৱেই হাঁহোঁ, কিন্তু বয়সীয়া মানুহে জীৱনত যিমানবাৰ হাঁহে তাৰ হেতু বা কাৰণ বিশ্লেষণ কৰিলে দেখা যাব যে স্বাভাৱিক বা প্ৰত্যাশিত অৱস্থাৰ লগত বাস্তৱ ঘটনাৰ যেতিয়াই সংঘৰ্ষ হয় বা অসংগতিপূৰ্ণ পৰিস্থিতিৰ উদ্ভৱ হয়, তেতিয়াই আমি হাঁহোঁ, বিদ্ৰূপ কৰোঁ, কৌতুক অনুভৱ কৰোঁ। সৰু ল'ৰাই যেতিয়া বয়সীয়া মানুহৰ দৰে কথা কয় আমি তেতিয়া হাঁহোঁ ; চুৰিয়াৰ লগত কোনোবাই যেতিয়া

নেক্‌টাই মাৰে, আমি তেতিয়া হাঁহোঁ ; বিলাতী কায়দাৰে খাবলৈ বহি কোনো-বাই যেতিয়া কাটা-চামুচৰ ভুল ব্যৱহাৰ কৰে, আমি তেতিয়া হাঁহোঁ। অৰ্থাৎ হাঁহি মানেই এক প্ৰকাৰ প্ৰচ্ছন্ন সমালোচনা।

কোনো অৱস্থাতেই সমাজ বা ব্যক্তি নিখুঁত আৰু সম্পূৰ্ণ হ'ব নোৱাৰে। গতিকে সমালোচনাৰ প্ৰয়োজন সদায় থাকে। কিন্তু আন সকলো প্ৰকাৰৰ সমালোচনাতকৈ ব্যঙ্গ সমালোচনা কেইবাটাও কাৰণত অধিক ফলপ্ৰসূ আৰু বাঞ্ছনীয়। প্ৰথমতে অধিক মানৱীয়। দ্বিতীয়তে—ই আঘাত কৰাৰ লগে লগে আনন্দও দিয়ে। অন্ততঃ দ্ৰষ্টা বা শ্ৰোতা বা পাঠক-সকলক। তৃতীয়তে—ই অধিক মৰ্মঘাতী, অতএব সৰ্বাধিক কাৰ্যকৰী। ৰাবেলা বা ভল্‌টেয়াৰৰ একোটা ব্যঙ্গ-বাণে হাঁহিত মানুহৰ পেটু-নাড়ী ছিঙিও সমাজৰ যিমানখিনি জঞ্জাল একে কোবতে চাফ্ কৰি দিব পাৰে, গোমাৰোমুখীয়া বিশ্বকোষ প্ৰণেতা সকলৰ বা পণ্ডিতসকলৰ লাখ লাখ নীতিবাক্যয়ো সিমানখিনি কাম কৰিব নোৱাৰে। ইত্যাদি কাৰণতে প্ৰতিভাবান সংস্কাৰকসকলে সমাজক নিৰ্মল কৰিবলৈ যুগে যুগে ব্যঙ্গ-সমালোচনাৰ আশ্ৰয় লৈ আহিছে।

অসমীয়া সাহিত্যও ব্যঙ্গ-সমালোচনাত একেবাৰে দুখীয়া নহয়। অসমীয়া সাহিত্যৰ আধুনিক যুগৰ সূচনাৰ সময়তে হেমচন্দ্ৰ বৰুৱা আৰু গুণাভিৰাম বৰুৱাই ব্যঙ্গবাণ হাতত তুলি লৈছিল, সত্যনাথ বৰাইও সেই তূণ পূৰ্ণ কৰাত কিছু বৰঙণি আগবঢ়াইছিল, অৱশেষত লক্ষ্মীনাথ বেজবৰুৱাৰ হাতত পৰি সেই অস্ত্ৰই লাভ কৰিছিল শানিত ক্ষুৰধাৰ। জেফ্ৰে নামৰ এজন চিন্তাশীল লোকে কৈ গৈছে যে ব্যঙ্গ সমালোচনা হোৱা উচিত চোকা তৰোৱালৰ দৰে—যাতে যি একে ঘাপতে কাটিব পাৰে ; কৰতৰ নিচিনাকৈ সি মঙহ ৰেঁপি ৰেঁপি কটা উচিত নহয়। লক্ষ্মীনাথ—বেজবৰুৱাৰ কিছুমান ব্যঙ্গাস্ত্ৰ অৱশ্যে কৰত হৈয়েই ৰৈছিল ; কিন্তু এটা বিষয়ে কোনো সন্দেহ নাই যে তেওঁৰ কথাৰ কোবত, হাঁহিৰ জোকাৰণিত মানুহৰ সৰ্ব-শৰীৰ যেনেকৈ কঁপি উঠিছিল, সেই কঁপনিত সমাজতো এটা সৰু সুৰা ভূমিকম্পৰ সৃষ্টি হৈছিল। বেজবৰুৱাৰ পিছতো ঘাইকৈ মহীচন্দ্ৰ বৰাব ৰচনাত আৰু কিছু পৰিমাণে হলিৰাম ডেকাৰ ৰচনাত অসমীয়া ব্যঙ্গবাণ ব্যৱহাৰযোগ্য অৱস্থাত মামৰে নধৰাকৈ আছিল। কিন্তু যোৱা বহুবছৰ ধৰি আমি এটা কথা অতি দুখেৰে সৈতে লক্ষ্য কৰিছোঁ যে আমি অসমীয়া মানুহবোৰে হাঁহিবলৈ, ঠাট্টা-তামাছা কৰিবলৈ, কৌতুক অনুভৱ কৰিবলৈ একেবাৰে পাহৰি গৈছোঁ। সমাজৰ অন্যায়, অনাচাৰ বা অসংগতি

যে আমাৰ চকুত নপৰে এনে নহয়, সেইবোৰ যে আমি সমালোচনা নকৰো এনেও নহয়, কিন্তু আমি সমালোচনা কৰো খণ্ডত জৰুলি-পকি বা মুখ ক'লা কৰি; হাস্যৰসৰ আমোঘ অস্ত্ৰ প্ৰয়োগ কৰাৰ কথা আমি প্ৰায় পাহৰিয়েই গৈছো। কুমাৰ শ্ৰীমধুসূদন বা ভলভলীয়াৰ দৰে দুই এজনে এৰাধৰাকৈ এই চেষ্টা কৰি আছে; কিন্তু তেওঁলোকৰ কৌতুক সৃষ্টিৰ চেষ্টা সাহিত্যতকৈ সাংবাদিকতাৰ প্ৰয়োজনতহে বেছিকৈ হোৱাত সি আমাৰ কসতৃষ্ণা নিবাৰিত কৰিব পৰা নাই আৰু সামাজিক সমালোচনাৰো অমোঘ অস্ত্ৰত পৰিণত হৈ উঠা নাই। দুই-এজন ডেকা লিখকৰ ৰচনাত মাজে মাজে তীব্ৰ বিদ্ৰূপ বা বক্ৰোক্তি দেখা যায়; আকাশবাণীৰ দেওবৰীয়া নাট্যানুষ্ঠানতো শ্ৰোতাক হাঁহুৱাবৰ কাৰণে প্ৰাণান্তিক চেষ্টা কৰা হয়; কিন্তু হিউমাৰৰ অভাৱত প্ৰথম বিধ ৰচনা কেৱল কটুক্তি বা ভৰ্ৎসনা (Invective) হৈয়েই থাকে, আৰু প্ৰকৃত কলাৰূপ বা সাহিত্যিক সৌন্দৰ্যৰ অভাৱত দ্বিতীয় বিধ ৰচনাৰ বেছি ভাগেই হয় কেৱল বহুৱালি (clowning)। দেশৰ বৰ্তমান পৰিস্থিতিত—বিশেষকৈ সমাজৰ সৰ্বক্ষেত্ৰে নেতৃস্থানীয় লোকসকলৰ বাগ্মিতা আৰু ভণ্ডামি দেখি দেখি জুভেনালৰ দৰে আমিও অনুভৱ কৰিছো যে এই সময়ত ব্যংগ্য নিলিখাকৈ থকা অসম্ভৱ। অথচ আচৰিত কথা এই যে অসমীয়া ভাষাত ব্যঙ্গ সাহিত্যৰ অস্তিত্ব নোহোৱাহে হৈ আহিছে। ই ভালৰ লক্ষণ নহয়। জাতি হিচাপে ই আমাৰ কিবা এটা মানসিক ব্যাধি বা দৈন্যৰ কথাহে প্ৰকাশ কৰিছে। আমাৰ সমাজৰ প্ৰতিভাশালী জনদিয়েক লিখকৰ ব্যঙ্গবাণ হাতত তুলি ল'বলৈ আমি আহ্বান জনালো। চাৰ্চিলে কোৱাৰ দৰে—To lash the vices of a guilty age—এই অপৰাধী যুগটোৰ অনাচাৰ অনীতিক তীব্ৰভাৱে আঘাত কৰিবলৈ ব্যঙ্গবাণৰ অতিশয় প্ৰয়োজন হৈ পৰিছে।

১০ ডিচেম্বৰ, ১৯৬৯

# চোৰ আৰু কুকুৰ

বহুতো মানুহে ঘৰ-সম্পত্তি পহৰা দিবলৈ কুকুৰ পোহে। ৰাতি চোৰ আহিলে কুকুৰে ভুকিবলৈ আৰম্ভ কৰে, আৰু ফলত গৃহস্থই সাৰ পাই চোৰক খেদা ধৰে। কিছুমান বুদ্ধিমান চোৰে এই সমস্যা সমাধান কৰিবৰ কাৰণে এটা বিশেষ কৌশল অৱলম্বন কৰে। সিহঁতে লগত মাংসৰ টুকুৰা লৈ আহে, আৰু কুকুৰে ভুকিবলৈ মুখ মেলিবলৈ পোৱাৰ আগতেই তাৰ আগত এটুকুৰা এটুকুৰাকৈ মাংস দলি মাৰি দিয়ে। বেছি ভাগ কুকুৰৰ পক্ষেই মাংসৰ লোভ দমন কৰা কঠিন হৈ পৰে আৰু ভুকিবলৈ এৰি সিহঁত মাংস খোৱাত ব্যস্ত হৈ পৰে। সেই সুযোগতে চোৰে নিজৰ কাৰ্য সমাধা কৰে।

কবিতাত কাহিনীৰ অৱতৰণাক বিদ্রূপ কৰিবলৈ গৈ সুপ্ৰসিদ্ধ ইংৰাজ কবি আৰু সমালোচক টি এচ এলিয়েটে তেওঁৰ কোনোবা এটা প্ৰবন্ধত চোৰ-আৰু কুকুৰৰ এই উপমাটো ব্যৱহাৰ কৰিছে। চোৰে মাংস দি কুকুৰৰ মুখ বন্ধ কৰি নিজৰ চুৰি-কাৰ্য সমাধা কৰাৰ দৰে কিছুমান লিখকে কবিতাত প্লট বা কাহিনীৰ দ্বাৰা পাঠকক ব্যস্ত ৰাখি নিজৰ আচল কাৰ্য অৰ্থাৎ শব্দৰ মায়া সৃষ্টিৰ কাৰ্য সমাধা কৰে। সাহিত্যৰ চিৰিয়াচ ছাত্ৰসকল এলিয়ট চাহাবৰ এই বিখ্যাত উক্তিৰ লগত নিশ্চয় ভালকৈয়ে পৰিচিত।

যিহেতু সদ্যহতে কবিতা আমাৰ আলোচ্য বিষয় নহয়, সেই কাৰণে এটা সম্পূৰ্ণ বেলেগ প্ৰসংগতহে চোৰ আৰু কুকুৰৰ উপমাটো আমাৰ মনলৈ আহিল। ঘৰ পহৰা দিবলৈ যেনেকৈ কুকুৰ থাকে, তেনেকৈ সমাজৰ স্বাৰ্থ আৰু বিবেক পহৰা দিবলৈকো কিছুমান মানুহ থাকে। এই মানুহ বিলাকৰ কিছুমানক সমাজে নিয়োগ কৰে, কিছুমানে নিজৰ বিবেকৰ নিৰ্দেশতেই সেই কামলৈ আগ বাঢ়ি যায়। কোৱা বাহুল্য মাথোন যে এই মানুহবিলাকৰ দায়িত্বজ্ঞান আৰু কৰ্তব্যপৰায়ণতাৰ ওপৰতে সমাজৰ কল্যাণ আৰু নিৰাপত্তা বহুপৰিমাণে নিৰ্ভৰ কৰে। সমাজক লুণ্ঠন কৰি বা সমাজৰ সৰ্বস্ব অপহৰণ কৰি নিজৰ ভঁৰাল চহকী কৰিবলৈ বিচৰা চোৰ-ডকাইতৰ সংখ্যা একেবাৰে কম নহয়, আৰু কিছুমান বিবেক সম্পন্ন অতন্দ্ৰ প্ৰহৰীৰ অবিহনে এই চোৰ-ডকাইত বোৰৰ অভিসন্ধিৰ সন্মুখত সমাজখন এদিনৰ কাৰণেও—নিৰাপদ নহয়।

অসাধু আৰু শোষক ব্যৱসায়ী, স্বাৰ্থান্ধ ৰাজনীতিজীৱী, লোভী আৰু নীচমনা ৰাজ বিষয়া—এই সকলেই হ'ল আমাৰ সমাজৰ চোৰ-ডকাইত ; আৰু সাংবাদিক, বুদ্ধিজীৱী, বিপ্লৱী ৰাজনৈতিক কৰ্মী, সমাজ-সমালোচক, ছাত্ৰ সম্প্ৰদায়—এই সকল হ'ল সমাজৰ সম্পত্তি আৰু বিবেক পহৰা দিয়া কুকুৰ। এটা কথা সম্প্ৰতি সকলোৱেই নিশ্চয় লক্ষ্য কৰিছে যে আমাৰ সমাজত বৰ্তমান চোৰ-ডকাইতৰ উৎপাত বাঢ়িছে, এপদ এপদকৈ সমাজৰ সকলো সা-সম্পত্তি আৰু বিবেক চোৰৰ হস্তগত হৈছে—এক কথাত ক'বলৈ গ'লে দেশত চোৰৰ অবাধ ৰাজত্ব চলিছে। এইটো কেনেকৈ সম্ভৱ হ'ল? আমাৰ সমাজধনক পহৰা দিয়া আৰু সমাজৰ সৰ্বশ্ৰেষ্ঠ সম্পদ বিবেকক পহৰা দিয়া কুকুৰবোৰ ক'লৈ গ'ল? তাৰ একমাত্ৰ উত্তৰ এয়েই যে বুদ্ধিমান চোৰে এই ক্ষেত্ৰতো চিৰকালৰ সেই ক্লাছিক্ কৌশল অবলম্বন কৰিছে, মাংসৰ টুকুৰাৰে কুকুৰৰ মুখ বন্ধ কৰি নিজৰ কাম হাচিল কৰিছে। কোনোবা ডেকাই দুৰ্নীতি পৰায়ণ ৰাজনীতিজীৱীৰ বিৰুদ্ধে ৰৰকৈ মাত মাতিছে—দিয়া তেওঁক এটা ভাল চাকৰি বা বিদেশত পঢ়িবলৈ বৃত্তি। থলুৱা লোকৰ স্বাৰ্থৰক্ষাৰ হকে কোনোবাই চিঞৰ-বাখৰ লগাইছে,—দিয়া তেওঁক এটা শকত ধনৰ টোপোলা বা ভাল এটা চাকৰি বা ব্যৱসায়ৰ এটা অংশ। কোনোবা সাংবাদিকে কাৰোবাৰ দুৰ্নীতিৰ স্বৰূপ উন্মোচন কৰি দিয়াৰ আশঙ্কা আছে—দিয়া তেওঁক এখন মটৰ গাড়ী বা হাজাৰ-অযুত টকাৰ স্থায়ী বিজ্ঞাপনৰ প্ৰলোভন। কোনোবা লিখক বা বুদ্ধিজীৱীয়ে সামাজিক অন্যায় আৰু দুৰ্নীতিৰ বিৰুদ্ধে নিৰ্মমভাৱে কলম চলাইছে,—দিয়া তেওঁক আওপাকে-সোঁপাকে নানাবিধ লাভজনক লিখনী-কৰ্মৰ কণ্ট্ৰেক্ট বা বিদেশ-ভ্ৰমণৰ সুবিধা। কোনোবা ছাত্ৰনেতা বা ডেকা ৰাজনৈতিক কৰ্মীয়ে বিপ্লৱৰ ভয় দেখুৱাইছে,—দিয়া তেওঁক এম. এল. এ.—এম. পি হোৱাৰ এটি টিকট বা অদূৰ ভৱিষ্যতত মন্ত্ৰী পতাৰ প্ৰলোভন। উদাহৰণ বঢ়াই লাভ নাই, তাকে কৰিবলৈ হ'লে—সম্পূৰ্ণ এখন মহাভাৰত লাগিব। মূঠ কথা এয়েই যে যি সকল লোক আজি সমাজৰ পহৰা দিয়া কাৰ্যত নিযুক্ত আছে সেই সকল লোকৰ সকলোৱেই নিশ্চয় নহয়, কিন্তু বহুতেই চোৰে তেওঁলোকৰ মুখৰ আগত দলিয়াই দিয়া মাংসৰ টুকুৰা চোবোৱাত ব্যস্ত হৈ ভুকিবলৈ সমূলি পাহৰি গৈছে, আৰু তেওঁলোকৰ এই কৰ্তব্যবিমুখতাৰ ফলত সমাজ সৰ্বস্বান্ত হ'ব ধৰিছে। কুকুৰৰ মুখত মাত নাই, কিন্তু চোৰৰ বিজয় উল্লাসৰ হাঁহিত কাণ ফাটি যোৱাৰ উপক্ৰম হৈছে।

সমাজ সাৱধান হ'ব হ'ল। পাৰিলে তেওঁলোকে কুকুৰবোৰ বদলি কৰক, নোৱাৰিলে মাংসৰ লোভত ভুকিবলৈ পাহৰি যোৱা কুকুৰবোৰক চিনি থওক। এদিন নিশ্চয় আহিব হিচাপ-নিকাচৰ দিন, বিচাৰৰ দিন, সাক্ষী দিয়াৰ দিন।

২০ আগষ্ট, ১৯৬৯

# পোচ্চবজন মান্বুহ

চেনি, দাইল, কেৰাচিন তেল, বেবীফুড বজাৰত এতিয়া একো বস্তুৱেই সকলোকে জোৰাকৈ পাবলৈ নাই। কিন্তু ক'লা বজাৰত সেইবোৰ বস্তুৰ অভাৱ নাই। ছয় টকা দামৰ বেবীফুডৰ টিন কোনো দোকানতে পাবলৈ নাই, কিন্তু দহটকা দামত কিনিব খুজিলে ক'লা বজাৰত যিমান লাগে সিমান কিনিব পাবি। বেপাৰীসকলে কোৱামতে সংযোগ ব্যৱস্থা বিচ্ছিন্ন হোৱাৰ কাৰণেই যদি সেইবোৰ বস্তু অসমলৈ আনিব পৰা হোৱা নাই, তেন্তে ক'লা বজাৰত সেইবোৰ বস্তু কেনেকৈ উভৈনদী হৈ আছে? ক'লা বজাৰত যে সেইবোৰ বস্তু যিমান লাগে সিমান পোৱা যায়, সেই কথা কোনোবাই অস্বীকাৰ কৰিব পাৰিবনে?

কোনোবাই যদি ক'ব খোজে যে কিছুমান অসাধু বেপাৰীয়ে চৰকাৰৰ চকুত ধূলি মাৰি সেইবোৰ বস্তু আনি আছে আৰু দুগুণ-তিনিগুণ বেছি দামত বিক্ৰী কৰি আছে, তেন্তে তেওঁ মূৰ্খৰ বাহিৰে আন একো নহয়। তেওঁৰ অজ্ঞতা পুতৌৰ যোগ্য। বৰ্তমানৰ ব্যৱস্থাত চৰকাৰে নজনাকৈ বেপাৰীসকলে এনে কাম কৰাটো কোনো ৰকমে সম্ভৱ নহয়। কিছুমান অৰ্থলোভী আৰু ৰাইজ-দ্ৰোহী চৰকাৰী বিষয়াৰ প্ৰত্যক্ষ বা পৰোক্ষ সহায় নোপোৱাকৈ বেপাৰীসকলৰ পক্ষে এই ক'লা বজাৰখন জীয়াই ৰখা কোনো মতেই সম্ভৱ নহ'লহেঁতেন। আচল কথা হ'ল এয়ে যে গুৱাহাটীৰ মাত্ৰ পোন্ধৰজন ব্যৱসায়ীয়ে গোটেই অসমৰ বস্ত্ৰবস্তুৰ বজাৰখন নিয়ন্ত্ৰণ কৰিছে আৰু অসম চৰকাৰক পুতলাৰ দৰে নচুৱাইছে। ইচ্ছা কৰিলে এই পোন্ধৰজন ব্যৱসায়ীয়ে এদিনৰ ভিতৰতে গোটেই অসমৰ মুকলি বজাৰৰ পৰা সকলোবোৰ নিত্য-ব্যৱহাৰ্য বস্ত্ৰবস্তু নোহোৱা কৰি দিব পাৰে, এগুণৰ ঠাইত দহগুণ দাম ল'ব পাৰে, গোটেই ৰাজ্যখনৰ মানুহক খাবলৈ নিদি শুকুৱাই মাৰিব পাৰে। একে আষাৰ কথাতে ক'বলৈ গ'লে এই পোন্ধৰজন ব্যৱসায়ীয়ে অসমত এখন সমান্তৰাল চৰকাৰ চলাই আছে। এই সমান্তৰাল চৰকাৰৰ আঙুলিৰ নিৰ্দেশতেই অসম চৰকাৰে উঠা-বহা কৰে। যোৱা আগষ্ট মাহত যেতিয়া ৰাজ্য জুৰি বস্ত্ৰ-বস্তুৰ চৰম অনাটনে দেখা দিলে, তেতিয়া অসম চৰকাৰৰ যোগান মন্ত্ৰীয়ে বস্ত্ৰ-বস্তুৰ মূল্য-নিয়ন্ত্ৰণৰ আৰু উচিত বিতৰণৰ ব্যৱস্থা নলৈ বেপাৰীসকলৰ প্ৰতিনিধিক ১১ আগষ্ট তাৰিখে শিবলঙলৈ নিমন্ত্ৰণ কৰি মাতি নিলে আৰু তেওঁলোকক হাতযোৰ কৰি অনুৰোধ

কৰিলে তেওঁলোকে যেন নিজে নিজেই নিত্য-ব্যৱহাৰ্য বস্ত্ৰ-বস্তুৰ এটা উচিত মূল্য বান্ধি দিয়ে। বেপাৰীসকলে গুৱাহাটীলৈ ঘূৰি আহি নিজৰ ভিতৰতে আলোচনা কৰি এটা 'উচিত' মূল্য বান্ধি দিলে আৰু কামৰূপৰ উপায়ুক্তই সেই মূল্য তালিকাৰ 'ডটেদ লাইন'তে নিজৰ দস্তখতটো দি চৰকাৰী বিষয়াৰ কৰ্তব্য পালন কৰিলে। দুদিনমানৰ কাৰণে সেই মূল্য মতেই কিছু কিছু বস্তু পোৱা গ'ল। কিন্তু এতিয়া আকৌ হাহাকাৰ। মুকলি বজাৰত একো বস্তুৱেই পাবলৈ নাই, কিন্তু ক'লাবজাৰত সকলো বস্তু উভৈনদী।

যি পোন্ধৰজন বেপাৰীয়ে অসম চৰকাৰক নাকত ধৰি চাকত ঘূৰাইছে অৰ্থাৎ পুতলাৰ দৰে নচুৱাইছে আৰু কোটি কোটি মানুহৰ জীৱন-মৰণ লৈ খেলা কৰিছে, তেওঁলোকক শাসন কৰিবৰ উপায় কি? দুটাই মাত্ৰ উপায় আছে। হয় নিত্য-ব্যৱহাৰ্য বস্ত্ৰ-বস্তুৰ ব্যৱসায় চৰকাৰে সম্পূৰ্ণৰূপে নিজৰ হাতলৈ নিব লাগিব, অৰ্থাৎ খাদ্য ব্যৱসায়ৰ ৰাষ্ট্ৰীয়কৰণ কৰিব লাগিব, অথবা গ্ৰাহক সকলে সংঘবদ্ধ হৈ সমবায় ভাণ্ডাৰৰ যোগেদি প্ৰতিবিধ বস্তুকে সুলভ আৰু যুক্তিসংগত মূল্যত বিক্ৰী কৰি পৰোক্ষভাৱে মূল্য নিয়ন্ত্ৰণৰ চেষ্টা কৰিব লাগিব। খাদ্য-ব্যৱসায়ৰ ৰাষ্ট্ৰীয়কৰণ 'সমাজবাদী' কংগ্ৰেছৰ দহ-দফীয়া কাৰ্যসূচীৰ অন্যতম ঘোষিত লক্ষ্য। কিন্তু এই লক্ষ্য সাধনৰ কাৰণে কামত আগবঢ়া দূৰৰ কথা, কোনেও এষাৰো মাত মতাও আমি শুনিবলৈ পোৱা নাই। গ্ৰাহকৰ সংঘবদ্ধ প্ৰচেষ্টা বা সমবায় আন্দোলনৰ বিষয়ে কেৱল ইমানকে ক'লেই যথেষ্ট হ'ব যে এই আন্দোলনে দিনে দিনে শক্তিপ্ৰাপ্ত হৈ একচোটিয়া খাদ্য-ব্যৱসায়ীৰ অপৰিমেয় লোভ আৰু দুস্কৃতিক বাধা দিয়া দূৰৰ কথা, বিৰাট আড়ম্বৰ আৰু হৈ-চৈৰে আৰম্ভ কৰা, গুৱাহাটীৰ গ্ৰাহক সমবায় চোচাইটি আৰু সহায়িকা নামৰ সমবায় ভাণ্ডাৰখনো বন্ধ কৰিহে দিব লগা অৱস্থা হৈছে। কেৱল গুৱাহাটীৰে নহয়, সমগ্ৰ অসমৰে সমবায় আন্দোলনৰ আজি একেই মৃত-প্ৰায় অৱস্থা। স্বৰ্গীয় চলিহা মুখ্যমন্ত্ৰী হৈ থকা কালত মই এবাৰ তেওঁৰ সাক্ষাৎকাৰ লওঁতে তেওঁক প্ৰশ্ন কৰিছিলোঁ—মুখ্যমন্ত্ৰী হিচাপে আপোনাৰ কাৰ্যকালত আটাইতকৈ ডাঙৰ কৃতকাৰ্যতা কি বুলি আপুনি ভাবে? তেওঁ উত্তৰ দিছিল—'সমবায় আন্দোলনৰ প্ৰসাৰ আৰু পঞ্চায়তৰাজৰ প্ৰতিষ্ঠা।' আত্ম প্ৰতাৰণাৰ ইয়াতকৈ ডাঙৰ আৰু নিকৰুণ নিদৰ্শন আন কিবা আছে বুলি মই নাভাবোঁ। সি যি কি নহওঁক, মূল্য নিয়ন্ত্ৰণৰ আটাইতকৈ মিঠা সম্ভৱ আৰু কাৰ্যকৰী উপায়—সেই সমবায় আন্দোলনো আজি সম্পূৰ্ণৰূপে ব্যৰ্থ

হৈছে। এই ব্যৰ্থতাৰ এটা ডাঙৰ কাৰণ নিশ্চয় সমবায় আন্দোলনৰ নেতা আৰু কৰ্মীসকলৰ অযোগ্যতা, অসততা আৰু দুৰ্নীতি-পৰায়ণতা। কিন্তু তাতোকৈ ডাঙৰ কাৰণ হ'ল চৰকাৰৰ শত্ৰুতা। এটা কথা পাহৰিব নালাগিব যে সমবায় আন্দোলন হ'ল একচেটিয়া ব্যৱসায়ীৰ লগত হোৱা এখন সমুখ-সমৰ। বাইজক প্ৰতাৰণা কৰিবৰ কাৰণে চৰকাৰে বাহিৰত দেখুৱাই সমবায় আন্দোলনক উৎসাহ দিয়ে কিন্তু যিহেতু তেওঁলোকৰ আচল মিতিৰালি ব্যৱসায়ীসকলৰ লগতহে, সেই কাৰণে তেওঁলোকে কৰা প্ৰত্যেকটো কামকে সমবায় আন্দোলনক ধ্বংস কৰিবৰ কাৰণেহে কৰে। এহাতে তেওঁলোকে সমবায় চোৰাংচোৱা আৰু সমবায় ভাণ্ডাৰ খুলিবলৈ বাইজক উদ্‌গনি দিয়ে আনহাতে সমবায় ভাণ্ডাৰৰ বিৰুদ্ধে একচেটিয়া ব্যৱসায়ীক সকলো প্ৰকাৰে সহায় কৰে। আমাৰ এই অভিযোগ কেৱল অনুমানৰ ওপৰত কৰা ভিত্তিহীন অভিযোগ নহয়; এই অভিযোগৰ সত্যতা প্ৰমাণ কৰিবলৈ আমাৰ হাতত যথেষ্ট সমল আছে।

মূল্য নিয়ন্ত্ৰণ কৰিবলৈ বা সুলভ মূল্যত বস্তুৰ যোগান দিবলৈ চৰকাৰৰ ইচ্ছাও নাই, শক্তিও নাই। খাদ্য ব্যৱসায়ৰ ৰাষ্ট্ৰীয়কৰণ এটা অলীক সপোন মাত্ৰ। আনহাতে মূল্যবৃদ্ধিৰ প্ৰতিৰোধ কৰিবলৈ গ্ৰাহকৰ হাতত যি একমাত্ৰ উপায় আছে, সেই সমবায় ব্যৱসায়ও দিনে দিনে শক্তিমন্ত হোৱা দূৰৰ কথা, একশ্ৰেণীৰ সমবায় কৰ্মীৰ অসাধুতা আৰু চৰকাৰৰ প্ৰচ্ছন্ন শত্ৰুতাৰ দুমুখীয়া আক্ৰমণৰ মাজত পৰি সি মৃত্যুৰ ক্ষণ গণিছে। গুৱাহাটীৰ পোন্ধৰজন ব্যৱসায়ীয়ে অসমৰ এককোটি মানুহৰ ৰক্তশোষণ কৰি নিজৰ উদৰ স্ফীত কৰিব আৰু দেশৰ চৰকাৰে জনসাধাৰণে নীৰৱে নিষ্ক্ৰিয় দৰ্শক হৈ চাই থাকিব—এয়েই কি আমাৰ একমাত্ৰ ভাগ্য-লিপি?

২০ অক্টোবৰ, ১৯৭১

## নৱম বছৰৰ দুৱাৰ-দলিত

এই সংখ্যা কাকতৰ লগে লগে সাপ্তাহিক নীলাচলে অষ্টম বছৰ অতিক্ৰম কৰি নৱম বছৰত ভৰি দিব। কাকতখনৰ জন্মদিন বা বয়সটো বিশেষ স্মৰণীয় কথা বুলি আমি নাভাবো। কিন্তু দেশৰ পৰিৱৰ্তিত মানসিক বাতাৱৰণত আত্ম-সমালোচনাৰ প্ৰয়োজন প্ৰবলভাৱে অনুভূত হৈছে। ব্যৱসায় কৰাৰ উদ্দেশ্যেৰে সাপ্তাহিক নীলাচল আৰম্ভ কৰা হোৱা নাছিল। এই কাকতৰ প্ৰধান লক্ষ্য আছিল দুটা: ৰাইজৰ অভাৱ-অভিযোগ চৰকাৰৰ দৃষ্টি-গোচৰ কৰা, আৰু ৰাজ্যখনত মুক্ত আৰু মৌলিক চিন্তা-চৰ্চাৰ এটা বাতাৱৰণ সৃষ্টি কৰা। এই কামত আমি কিমান দূৰ কৃতকাৰ্যতা লাভ কৰিছো, তাৰ বিচাৰ ৰাইজে কৰিব। কিন্তু ৰাইজে যদি ভাবে বা আমি নিজেও যদি অনুভৱ কৰো যে যি কোনো কাৰণতেই নহওক কিয়, আমি নিজৰ কৰ্তব্য যথাযথভাৱে পালন কৰিব পৰা নাই, তেতিয়াহ'লে কাকতখন বন্ধ কৰি দিবলৈ আমি মুহূৰ্তৰ কাৰণেও দ্বিধাবোধ নকৰিম। যিহেতু ব্যৱসায় কৰাটো সাপ্তাহিক নীলাচলৰ উদ্দেশ্য নহয়, গতিকে ৰাইজৰ সেৱাত লাগিব পৰাটোৱেই কাকতৰ অস্তিত্বৰ একমাত্ৰ সাৰ্থকতা। আমাৰ নিজৰ অযোগ্যতা বা বাহিৰৰ পৰা অহা কিবা বাধাৰ কাৰণে যদি নীলাচলে নিজৰ কৰ্তব্য পালন কৰিবলৈ অক্ষম হয়, তেন্তে এই কাকতৰ জীয়াই থাকিবলৈ কোনো অধিকাৰ নাই।

কিছুমান কাকতৰ সঁচাকৈয়ে জীয়াই থকাৰ অধিকাৰ নাই। এডগাৰ লী মাষ্টাৰছে তেওঁৰ অমৰ 'স্পুণ ৰিভাৰ এন্থলজী' নামৰ কাব্য গ্ৰন্থত হুৱেডন নামৰ এজন সম্পাদকৰ চিত্ৰ আঁকিছে। হুৱেডনৰ নিজৰ মুখেদিয়ে তেওঁ কোৱাইছে: "সম্পাদক কাক কয়? যি প্ৰতিটো প্ৰশ্নৰ প্ৰতিটো দিশ চাব পাৰে; যি সুবিধা বুজি সকলোৰে পক্ষ লব পাৰে, সকলো ৰূপ ধৰিব পাৰে, মুহূৰ্তে মুহূৰ্তে ৰূপ সলাব পাৰে; স্বাৰ্থ-সিদ্ধিৰ কাৰণে যি সত্যক বিকৃত কৰিব পাৰে; মানুহৰ মহৎ আৱেগ অনুভূতিক যি নীচ উদ্দেশ্যত ব্যৱহাৰ কৰিব পাৰে; গ্ৰীক অভিনেতা সকলৰ দৰে যি মুখা পিন্ধি নিজৰ আঠ পৃষ্ঠাৰ কাকতৰ পিছফালে কুচিমুচি বহি বৰ বৰ আখৰৰ মেগাফোনত ঘোষণা কৰিব পাৰে—"চোৱা, মই এজন অতিকায় দৈত্য"; তাকে কৰি যি চোৰৰ জীৱন যাপন কৰে আৰু বেনামী শব্দৰ হলাহল বিষেৰে নিজৰ ভীৰু পলৰীয়া

আত্মাক কলুষিত কৰে; টকাৰ লোভত যি অন্যায়-অনাচাৰক বোকা সানি গোপন কৰে আৰু সময়ত আনৰ ওপৰত প্ৰতিশোধ লবলৈ বা কাকতৰ বিক্ৰী বঢ়াবলৈ সেই অন্যায়-অনাচাৰকে পুনৰ খান্দি উলিয়ায়; নিজৰ জীৱনৰ বাহিৰে যি আন কাৰো জীৱন ৰক্ষা নকৰে আৰু নিৰ্মমভাৱে আনৰ সুনাম বা জীৱন ধ্বংস কৰে; ···তেনেকুৱা এজন সম্পাদক আছিলো মই।"

প্ৰত্যেক সম্পাদকেই মাজে মাজে একোবাৰ থমকি ৰৈ নিজক সুধি চোৱা উচিত: "ময়ো ঠিক এনেকুৱা সম্পাদকনে?"

এড্গাৰ লী মাষ্টাৰ্ছৰ লগতে আৰু এজন কবিৰ কথা আজি আমাৰ মনলৈ আহিছে। মহেন্দ্ৰনাথ ডেকাফুকন—যাৰ মুৰত আছিল এটা ধুমুহা আৰু হৃদয়ত আছিল এটা সূৰ্য। মৃত্যুৰ আগৰ তিনিটা বছৰত তেওঁ একাধিকবাৰ আমাৰ কাৰ্যালয়লৈ আহিছিল। ধুমুহাৰ দৰে আহি ধুমুহাৰ দৰে তেওঁ গুলাই গৈছিল, কিন্তু আমাৰ প্ৰতি তেওঁৰ মাত্ৰাধিক স্নেহ ফুটি উঠা যেন দেখি সেইটো প্ৰকাশ কৰিবলৈ আমি সংকোচবোধ কৰিলো আৰু ইমান দিনে প্ৰকাশ নকৰি সাঁচি থৈছিলো। কিন্তু আজি এক ভীষণ আত্ম-দ্বন্দ্বৰ মুহূৰ্তত নিজৰ মনতে বল পাবলৈ সেই কবিতাটি—অসমৰ চাৰণ কবি মহেন্দ্ৰনাথ ডেকাফুকনৰ পবিত্ৰ আশীৰ্বচন প্ৰকাশ কৰাৰ প্ৰয়োজন অনুভৱ কৰিছো। উদ্দেশ্য আত্ম-প্ৰচাৰ নহয়; একমাত্ৰ উদ্দেশ্য যাতে আমাৰ ওপৰত কবিৰ সেই গভীৰ বিশ্বাসৰ আমি যোগ্য হৈ উঠিব পাৰো—তাৰ কাৰণে নতুনকৈ সংকল্প গ্ৰহণ কৰা।

## ॥ হোমাগ্নি ॥

( মৰমৰ শ্ৰীমান হোমেন বৰগোহাঞিদেৱৰ শ্ৰীকৰকমলত )

সুপত্ৰিকা অসমৰ লোৱা ধন্যবাদ
সাহিত্যৰ সুপ্ত-সত্তা জাগ্ৰত কৰিলা,
শোষকীৰ ভাণ্ডকীৰ ভজন নাগাই
জনতাৰ হকে তীব্ৰ লেখনী ধৰিলা ॥—১

জাতিৰ কল্যাণ চিন্তা মহাব্ৰত লৈ
যশাকাংক্ষা অৰ্থলোভ থলা কাতি কৈ,
ৰাজকীয় কটাক্ষক ভ্ৰুক্ষেপ নকৰি
কৰি আছা জন-সেৱা স্থিত প্ৰজ্ঞ হৈ।—২

এনে এন্ধাৰত তুমি ধৰিলা লেখনী
ভাবাকাশ দীপ্ত কৰি তুলিলা বিপ্লৱ,
শুই থকা শিলে পুনু উঠি থিয় হ'ল
উঠিল দিগন্ত জুৰি ত্ৰাহি ত্ৰাহি ৰব।—৯

জাতিৰ ভাবৰ ক্ষেত্ৰ বাৰ্কাৰ আছিল
তাতে তুমি শিৰবলে কৰিলা কৰ্ষণ,
সিঁচিলা চিন্তাৰ বীজ নানা তৰহৰ
ওলাল গজালি দিব্য, দেখি তৃপ্ত মন।—১৫

চলোৱা চলোৱা বন্ধু লেখনী ট্ৰেক্টৰ
'বুন্ডজাৱে' ধ্বংস কৰা বিষ বৃক্ষবোৰ,
যত আছে ভণ্ডনেতা শঠ প্ৰবঞ্চক,
লেখনীৰে খাল খান্দি দিয়া 'জিন্দা' গোৰ।—১৬

লেখনীত আছে বজ্ৰ অস্ত্ৰ বল জয়ী
লেখনীত ৰুদ্ৰবাণী বিৰাজে সদাই,
লেখনীৰ বুকে বুকে হোমাগ্নি জ্বলাই
শৰাইঘটীয়া মন্ত্ৰ দিয়া উদগাই।—১৭

— মহেন্দ্ৰ ডেকাফুকন
নগাওঁ
৬/৯/৭১

২৯ চেপ্তেম্বৰ, ১৯৭৬

# ভূগোল আৰু বুৰঞ্জী

ৰবীন্দ্ৰনাথে এবাৰ কৈছিল – 'ভাৰতবৰ্ষ মোৰ কাৰণে এখন দেশ বা ভূমি খণ্ড নহয়; ই মোৰ কাৰণে এটা আইডিয়া বা ধাৰণা মাত্ৰ।'

আমি যি সকলোকে অসম নামটো স্মৰণ কৰা মাত্ৰকতে এই দেশৰ অন্ততঃ দুহাজাৰ বছৰৰ ইতিহাসক জীৱন্ত ৰূপত অনুভৱ কৰোঁ, তেওঁলোকৰ কাৰণেও অসম দেশ প্ৰধান কৈ এটা আইডিয়া বা ধাৰণামাত্ৰ। অসম তেওঁলোকৰ কাৰণে কেৱল ভূগোল নহয়, ই ঘাইকৈ বুৰঞ্জী। অসম তেওঁলোকৰ কাৰণে কেৱল এটা প্ৰশাসনিক গোট নহয়, ই এটা অখণ্ড আৰু অবিভাজ্য সাংস্কৃতিক সত্তা। অসম কেৱল ৰজা বা মন্ত্ৰী বা বিষয়াৰ ৰাজনৈতিক গৱেষণাগাৰ মাত্ৰ নহয়, ই এটা জাতিৰ সভ্যতাৰ ক্ৰোড়-ভূমি। অৱশ্যে এই সত্য অন্তৰেৰে সৈতে অনুভৱ কৰিব পাৰে কেৱল সেইসকল লোকেহে—যি সকল লোক ৰজা ভগদত্তৰ দিনৰে পৰা আজিলৈকে নিছিগা ধাৰেৰে কোৱা অসমীয়া সভ্যতাৰ ঘাই সুঁতিৰ অবিচ্ছেদ্য অংশ বিশেষ। বাকী আন সকলোৰে কাৰণে অসম দেশ এটা ভৌগোলিক অস্তিত্ব মাত্ৰ। সি এটা ঐতিহাসিক প্ৰতীক নহয়।

অসমৰ দুখন মানচিত্ৰ আছে। এখন হ'ল তাৰ ঐতিহাসিক আৰু সাংস্কৃতিক মানচিত্ৰ—যিখন মানচিত্ৰ সুদূৰ প্ৰাচীন কালৰে পৰা আজি পৰ্যন্ত সুদীৰ্ঘ প্ৰায় চাৰি হাজাৰ বছৰ ধৰি একে আৰু অপৰিৱৰ্তিত হৈয়েই আছে। এই মানচিত্ৰই সামৰি লৈছে শদিয়াৰপৰা ধুবুৰীলৈকে সমগ্ৰ ব্ৰহ্মপুত্ৰ উপত্যকা। ইতিহাসৰ বিভিন্ন যুগত এই ভূ-খণ্ডত কোচ, কছাৰী, আহোম, চুতীয়া, ভূঞা, মৰাণ আদি কোন ৰাজ-বংশ বা জাতিয়ে কোন অঞ্চলত ৰাজত্ব কৰিছিল—সেই কথা সম্পূৰ্ণ অবান্তৰ। সত্য কেৱল এয়েই যে ফুলৰ বহুতো পাহি লগলাগি যেনেকৈ এপাহি সম্পূৰ্ণ ফুল সৃষ্টি হয়, কি তেনেকৈ মহাবাহু ব্ৰহ্মপুত্ৰৰ দুয়ো পাৰে বিভিন্ন জাতি-উপজাতিয়ে যুগ যুগ ধৰি মনুষ্যত্বৰ যি সাধনা কৰিছিল, তাৰেই সংহত আৰু সমন্বিত ৰূপ হ'ল অসমীয়া সভ্যতা আৰু সংস্কৃতি।

অসমৰ আনখন মানচিত্ৰ হ'ল ভৌগোলিক আৰু ৰাজনৈতিক। ৰাজশক্তি উত্থান-পতনৰ লগে লগে এই মানচিত্ৰৰ বঢ়া টুটা আৰু সাল-সলনি হৈ আহিছে। অসমৰ আধুনিক মানচিত্ৰ বুলিলে আমি যি বুজোঁ, অৰ্থাৎ যোৱা ডেৰশ-দুশ বছৰ ধৰি যি মানচিত্ৰৰ লগত আমাৰ পৰিচয় হৈ আহিছে, সি ঘাইকৈ বৃটিছ শাসনৰ সৃষ্টি। বৃটিছসকলে অসম অধিকাৰ কৰি ডেৰশ বছৰ ধৰি এই দেশ শাসন নকৰা হ'লে ব্ৰহ্মপুত্ৰ উপত্যকাৰ ছয়খন জিলাৰ লগত ছয়খন পাহাৰীয়া জিলা আৰু সুৰমা উপত্যকা যোগ হৈ তেল-পানী মিহলি কৰাৰ দৰে অসমৰ বৰ্তমান মানচিত্ৰ কেতিয়াও সৃষ্টি নহ'লহেঁতেন। মিজো পাহাৰৰ লগত ব্ৰহ্মপুত্ৰ উপত্যকাৰ যি মানসিক দূৰত্ব সি আন্দামান বা মিনিকয় দ্বীপপুঞ্জৰ দূৰত্বতকৈ খুব বেছি কম নহয়। নগা, গাৰো, বা খাচীয়া-জয়ন্তীয়া পাহাৰ অৰণ্যো মানসিকভাৱে সিমান দূৰণিৰ বাট নহয়; তথাপি তেওঁলোকৰ লগতো আমাৰ সম্পৰ্ক 'ওলাই দেখিবা যাক, শতৰু নাভাবিবা তাক'—ঠিক এই ধৰণৰ তেওঁলোক আমাৰ চিনাকি চুবুৰীয়া মাত্ৰ, ইতিহাসৰ দীৰ্ঘ পথত অসমৰ আধ্যাত্মিক অভিযানৰ বা সভ্যতাৰ সাধনাৰ অংশীদাৰ নহয়।

যোৱা ডেৰশ বছৰৰ ভিতৰত অসমৰ ৰাজনৈতিক মানচিত্ৰৰ বহুবাৰ সলনি হৈছে। গোৱালপাৰা আৰু শ্ৰীহট্ট জিলা ১৭৬৫ চনতে বৃটিছৰ তললৈ আহিছিল। কামৰূপ, দৰং, নগাঁও, শিৱসাগৰ আৰু কাছাৰ এই পাঁচখন জিলা ১৮২৬ চনত আৰু লক্ষীমপুৰ জিলা ১৮৩৮ চনত বৃটিছৰ শাসনৰ তললৈ আহে। ১৭৭৪ চনৰ ফেব্ৰুৱাৰী মাহৰ এটা ঘোষণা অনুযায়ী গোৱালপাৰা, কামৰূপ, দৰং, নগাওঁ, শিৱসাগৰ, লক্ষীমপুৰ, কাছাৰ, গাৰোপাহাৰ, খাচীয়া-জয়ন্তীয়া পাহাৰ আৰু নগা পাহাৰ—এই কেইখন জিলাক লৈ বৃটিছ শাসনাধীন অসম প্ৰদেশ গঠন কৰা হয়। ১৮৭৪ আৰু ১৮৯৫ চনত যথাক্ৰমে উত্তৰ লুচাই আৰু দক্ষিণ লুচাই পাহাৰক অসমৰ লগত যোগ কৰা হয়। ১৯০৫ চনত অসমক পুনৰ পূৰ্ব বঙ্গৰ লগত জাপি দি এখন প্ৰদেশ কৰা হয়, কিন্তু ১৯১২ চনত ইয়াক আকৌ সুকীয়া প্ৰদেশ কৰা হয়। মনত ৰখা দৰকাৰ যে এই আটাইবোৰ অদল-বদল কৰা হৈছিল বিদেশী শাসকৰ ৰাজনৈতিক আৰু প্ৰশাসনিক স্বাৰ্থতহে; তাৰ লগত আচল অসমৰ কল্যাণ-স্বাৰ্থৰ কোনো সম্পৰ্ক নাছিল। দেশ স্বাধীন হোৱাৰ পাছতো অসমৰ ৰাজনৈতিক মানচিত্ৰৰ সাল-সলনি হৈ থকাৰ অন্ত নপৰিল। প্ৰথমতে শ্ৰীহট্ট পাকিস্তানলৈ গ'ল। কেই বছৰমানৰ পাছত নগা পাহাৰ অসমৰ পৰা ফাটি গৈ সুকীয়া ৰাজ্যত পৰিণত হ'ল, এতিয়া

খাচীয়া-জয়ন্তীয়া আৰু গাৰোপাহাৰ পৃথক হোৱাটো সম্পূৰ্ণ ঠিৰাং হ'ল। যিটো প্ৰচেচ্ বা প্ৰক্ৰিয়া আৰম্ভ হৈছে সি সম্পূৰ্ণ হ'ব তেতিয়াহে যেতিয়া মিকিৰ পাহাৰ, উত্তৰ কাছাৰ, মিজোপাহাৰ আৰু কাছাৰো অসমৰ পৰা আঁতৰি যাব। এই জিলাকেইখনে যদি অসমৰ পৰা আঁতৰি যাব খোজে, তেন্তে আমি তেওঁলোকক বাধা দিয়াৰ পৰিৱৰ্তে উৎসাহ দিয়াহে উচিত হ'ব; তেওঁলোক আঁতৰি গ'লে আমি বিমৰ্ষ হোৱাৰ পৰিৱৰ্তে আনন্দিত হোৱাহে বেছি যুক্তিৰ কথা হ'ব। স্বাধীনতাৰ পিছতে পৰা যোৱা বাইশ-তেইশটা বছৰ কাল অসমৰ ৰাজনৈতিক নেতাসকলে পাহাৰক কেনেকৈ ভৈয়ামৰ লগত কৃত্ৰিম বান্ধোনেৰে বান্ধি ৰখা যায় সেই অপচেষ্টাতেই অপব্যয় কৰিলে। এই আৱেগ-প্ৰৱণ ৰাজনীতিত তেওঁলোক ইমান মত্ত হৈ পৰিছিল যে কোনো কোনোৱে কেৱল এই অসাধ্য সাধন কৰিয়েই ইতিহাসত অমৰ হোৱাৰ সপোন দেখিছিল; কোনো কোনোৱে পৰ্বত-ভৈয়ামৰ মাজত সম্প্ৰীতি স্থাপনৰ অজুহাততে ৰাজ্যখনৰ অৰ্থনীতিৰ চিন্তা বাদ দি কেৱল আৱেগ সৰ্বস্ব ৰাজনীতি কৰাতেই ব্যস্ত হৈ পৰিছিল। বিশেষকৈ যোৱা বাৰটা বছৰ কাল পাহাৰক ভৈয়ামৰ লগত একে লগ কৰি ৰখাৰ চেষ্টাত যিভাৱে সমূলি অপচয় কৰা হ'ল সেইখিনি চিন্তা আৰু চেষ্টা ব্ৰহ্মপুত্ৰ উপত্যকাৰ অৰ্থনৈতিক আৰু সংস্কৃতিৰ উন্নতিৰ কাৰণে ব্যয় কৰা হ'লে আমি কেবা খোজো আগবাঢ়ি গ'লোঁহেঁতেন। যোৱা দশকত এদল মানুহ ওলাইছিল—যি সকলে পাহাৰ কেইখন আমাৰ পৰা আঁতৰি গ'লেই অসমৰ সৰ্বনাশ হ'ব বুলি ভূতৰ ভয় দেখুৱাইছিল। নগা পাহাৰ আমাৰ পৰা আঁতৰি গ'ল; তাৰ ফলত অসমৰ কি ধ্বংস পৃষ্ঠেৰ পৰা নিশ্চিহ্ন হৈ যোৱাৰ উপক্ৰম হৈছে? যোৱা এবছৰ ধৰি মেঘালয় আমাৰ লগত প্ৰায় নায়েই; তাৰ ফলত অসমৰ জাতীয় জীৱনত'কি অভূতপূৰ্ব বিপৰ্যয়ে দেখা দিছে? মেঘালয় আঁতৰি যোৱাত বৰং ব্ৰহ্মপুত্ৰ উপত্যকাৰ পৰম উপকাৰেই হৈছে, কাৰণ তাৰ ফলত ৰাজধানীখন ৰাজ্যৰ জনসাধাৰণৰ হৃদয়ৰ কাষ চাপি অহাৰ এটা আশাই দেখা দিছে। এতিয়া যদি মিকিৰ পাহাৰে আৰু কাছাৰেও আমাৰ পৰা আঁতৰি যাব খোজে বা সেই ভাবুকি দি দি আৰু কিছুদিন অসমৰ নেতাসকলক ভালুকৰ দৰে নচুৱাব খোজে, তেন্তে আমি তেওঁলোকক আমাৰ লগত থাকিব লাগে বুলি ভাবিয়ে-হাতে ধৰিব লাগে কিয়? এই কথা সকলোৱে জানে যে এই পাহাৰ কেইখনক আমি কেৱল দিওঁহে, বিনিময়ত একোটো নাপাওঁ। তথাপিও যদি তেওঁলোকে আমাৰ লগত থকাৰ একো যুক্তি বিচাৰি নাপায়, অভিমানত মুখ

'যুবাই নিয়ে তেন্তে তেওঁলোকৰ মান ভাঙিবৰ কাৰণে কিহৰ গৰজত আমি ইমান সাধ্য-সাধনা কৰি থাকিব লাগে ?

অসমৰ পৰা নেফা গ'ল, নগা পাহাৰ গ'ল, মেঘালয় গ'ল বুলি যি সকল লোকে পুতেক মৰা বিধৱা মাকৰ দৰে হিয়া ধাকুৰি কান্দে, সেই আৱেগ-বিহ্বল লোকসকলে এবাৰো এটা কথা ভাবি নাচায় যে এইবোৰ অঞ্চল কোনো দিনেই অসমৰ লগত নাছিল। এইবোৰ অঞ্চল অসমৰ ভূগোলৰ অংশ হ'ব পাৰে, কিন্তু বুৰঞ্জীৰ নহয়। বহু শতাব্দীৰ আগতে অসমৰ মানুহে যেতিয়া ইতিহাসৰ যাত্ৰা আৰম্ভ কৰিছিল, তেতিয়া আমাৰ নিজৰ ঠাই বুলিবলৈ আছিল শদিয়াৰ পৰা ধুবৰী পৰ্যন্ত এই সুজলা-সুফলা ব্ৰহ্মপুত্ৰ উপত্যকাটো। দাঁতি-কাষৰৰ পাহাৰবোৰৰ লগত আমাৰ অহা-যোৱা আছিল, বেহা-বেপাৰ আছিল, 'সাঁজি-সখী'ৰ সম্পৰ্ক আছিল; কিন্তু তেওঁলোকে কোনোদিনে ব্ৰহ্মপুত্ৰ উপত্যকাৰ মূল প্ৰাণ-প্ৰবাহৰ অংশ বিশেষ নাছিল। মাজতে কেৱল বিদেশী শাসকে পাহাৰবোৰক অসমৰ লগত লগ লগাই এটা কৃত্ৰিম বন্ধনৰ সৃষ্টি কৰি গ'ল। আজি সেই কৃত্ৰিম বন্ধন স্বাভাৱিক নিয়মতেই ছিগি গৈছে; ইতিহাসৰ যি গতিধাৰাই সহস্ৰ বছৰ আগতে ব্ৰহ্মপুত্ৰ উপত্যকাত যাত্ৰা আৰম্ভ কৰিছিল, সি পুনৰ ব্ৰহ্মপুত্ৰ উপত্যকাতেই যাত্ৰা শেষ কৰিছে। আমি আচলতে একোৰেই হেৰুওৱা নাই। আদিতেও আমাৰ আছিল কেৱল ব্ৰহ্মপুত্ৰ উপত্যকা, অন্ততো থাকিব কেৱল ব্ৰহ্মপুত্ৰ উপত্যকা। মাজৰ যিবোৰ যোগ-বিয়োগ হৈ গ'ল সেইবোৰ ঐতিহাসিক আকস্মিক ঘটনাৰ বাহিৰে একো নহয়।

মুঠতে অদূৰদৰ্শী আৰু আৱেগ-বিহ্বল ৰাজনৈতিক নেতাৰ যুক্তিহীন কথাত ভোল নগৈ আমি এটা কথাৰ কাৰণে নিজকে প্ৰস্তুত কৰিব লাগিব যে অসম মানেই ব্ৰহ্মপুত্ৰ উপত্যকা। কৃত্ৰিমভাৱে যুক্ত হৈ থকা বাকীবোৰ অঞ্চল লাহে লাহে অসমৰ পৰা আঁতৰি গৈছে, যি দুই-চাৰিখন বাকী আছে সেইবোৰও যোৱা উচিত। অসমৰ আকাৰ লাহে লাহে সংকুচিত হৈ অহা নাই; বৰং ক'ব পাৰি যে বেমাৰত টোল যেন হৈ ফুলি উঠা তাৰ গাটো তেজ পুঁজবোৰ ওলাই যোৱাৰ পাছত এতিয়া আগৰ স্বাভাৱিক আৰু আদিম অৱস্থালৈ ঘূৰি আহিছে। ব্ৰহ্মপুত্ৰ উপত্যকাই অসমৰ ভৱিতব্য, অসমৰ সাধনতীৰ্থ, অসমৰ চিৰন্তন ইতিহাস। অসমৰ পণ কেৱল এয়ে যে পৃথিৱী ৰসাতলে গ'লেও আমি যেন ব্ৰহ্মপুত্ৰ উপত্যকা তথা চিৰন্তন অসমৰ চাৰিসীমা কেতিয়াও সলনি হ'বলৈ নিদিওঁ, সংহতি নষ্ট হ'বলৈ নিদিওঁ, হৃদয়ৰ মিলনত ঠেকা পৰিবলৈ কেতিয়াও

নিদিওঁ। ব্ৰহ্মপুত্ৰ উপত্যকাত যিসকল লোক দহ হাজাৰ বছৰ আগৰে পৰা বসতি কৰিছে বা কুৰি পঁচিশ বছৰ আগতে আহি ইয়াত বসতি কৰিছে—এই সকলোৰে সন্মুখত বৰ্তমান শতাব্দীৰ অন্যতম ডাঙৰ কৰ্তব্য হ'ল ব্ৰহ্মপুত্ৰ উপত্যকা তথা অসমৰ ঐক্য আৰু সংহতি বজাই ৰাখি ইয়াক ভাৰতবৰ্ষৰ ভিতৰত এখন সুখী, সমৃদ্ধিশালী আৰু আদৰ্শ ৰাজ্য হিচাপে গঢ়ি তোলা। অসমৰ নতুন-পুৰুষৰ সন্মুখতো ই এটা মহৎ প্ৰত্যাহ্বান।

১৮ নৱেম্বৰ, ১৯৭০